অসমৰ মধ্যযুগৰ চৰিতপুথিৰ এটি অধ্যয়ন

ডঃ মিনতি হাজৰিকা

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী • অসম

প্ৰকাশক :
শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা
লয়াৰ্চ বুক ষ্টল
পাণবজাৰ
গুৱাহাটী-৭৮১০০১

প্ৰথম মুদ্ৰণ : ১৯৯৭

মূল্য : ৫০·০০ টকা মাত্ৰ

মুদ্ৰক :
জলি আৰ্ট প্ৰেছ
শ্ৰীতুষাৰ কান্তি বহাক
৭/১এ, আচিছ মন্নথ মুখাৰ্জী ৰো
কলিকতা-৭০০ ০০৯

আগকথা

এই গৱেষণা প্ৰবন্ধ মধ্যযুগৰ অসমৰ চৰিতসমূহত (যি কেইখন প্ৰকাশিত গ্ৰন্থ গৱেষণাত সাঙোৰা হৈছে) অসমৰ বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য আৰু পাছলৈ উত্তৰাধিকাৰী মাধৱদেৱৰ জীৱন কথা বৰ্ণনা কৰোঁতে, তেওঁলোকৰ জীৱনৰ, কৰ্মক্ষেত্ৰত সংস্পৰ্শলৈ অহা যি যি কথা লিপিবদ্ধ কৰি গ'ল, সেই সম্বন্ধে অধ্যয়ন কৰি এটি আলোচনা দাঙি ধৰা মূল উদ্দেশ্য। চৰিত পুথিসমূহৰ বিষয়বস্তুৰ বিভিন্নতালৈ নগৈ আমি যি কথা যেনেভাৱে পাইছোঁ তাকহে দাঙি ধৰিছোঁ। কেৱল শংকৰদেৱ, মাধৱদেৱৰ চৰিত কথাসমূহেই নহয় আৰু আন বৈষ্ণৱ গুৰুসকল, যেনে দামোদৰদেৱ, গোপালদেৱ, বংশীগোপালদেৱ, বনমালীদেৱ আদিৰ চৰিত কথাও আলোচনাৰ সাঙলৈ অনা হৈছে।

অসমৰ চৰিতসমূহ, প্ৰধানকৈ বৈষ্ণৱ গুৰু আৰু আন আন ভক্তসকলৰ জীৱনী যদিও মধ্যযুগৰ অসমৰ সামাজিক, ধাৰ্মিক, ৰাজনৈতিক, আৰ্থিক আদি দিশসমূহৰো কোনোখন চৰিতত বিতংকৈ আৰু কোনোখনত সংক্ষেপে হলেও লিপিবদ্ধ কৰিছে।

এই চৰিতসমূহ, মধ্যযুগৰ অসমৰ ইতিহাস কব পৰা সাহিত্য। এই সমূহত (আমি গৱেষণাত সাঙোৰা কেইখন) লিপিবদ্ধ কৰা মধ্যযুগৰ অসমৰ যি যি তথ্য পোৱা গৈছে, যেনে—সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় পৰিৱেশ, অলৌকিকতাৰ স্থান, সংগীতৰ প্ৰভাৱ, নাৰীৰ স্থান আদিৰ বিষয়ে আলোচনা কৰা হৈছে।

চৰিতসমূহৰ, অসমৰ প্ৰথম জীৱনী সাহিত্য হিচাবে যি মূল্য, ঐতিহাসিক তথ্য দিব পৰা গ্ৰন্থ হিচাবে ও মধ্যযুগৰ অসমৰ সমাজ জীৱনৰ চিত্ৰ দাঙি ধৰি সমাজ ইতিহাস কব পৰা সাহিত্য হিচাবে মূল্য কম নহয়।

অসমৰ মধ্যযুগত ৰচিত এনে বিষয়ে আলোচনা কৰিবলৈ লৈ, জীৱনী সাহিত্য সম্বন্ধে, প্ৰাচীন ভাৰতৰ জীৱনী সাহিত্য সম্বন্ধেও প্ৰথম দুটা অধ্যায়ত এটি চমু আলোচনা দাঙি ধৰা হৈছে।

অসমৰ কাৰণে থকা বঙ্গদেশত বৈষ্ণৱ যুগত ৰচিত হোৱা 'মহান্ত জীৱনী' বা 'চৰিত সাহিত্য' সম্বন্ধেও এটি থূলমূল আভাস দিয়াৰ চেষ্টা তৃতীয় অধ্যায়ত কৰা হৈছে। অসমৰ চৰিত পুথি আৰু বঙ্গদেশৰ মহান্ত জীৱনীসমূহ বৈষ্ণৱ যুগৰ সন্ত মহন্তসকলৰ জীৱনী সাহিত্য।

চতুৰ্থ আৰু পঞ্চম অধ্যায়ত মধ্যযুগৰ সমাজ জীৱন, ধৰ্মীয় পৰিবেশ, অৰ্থনৈতিক অৱস্থা, অলৌকিকতাৰ প্ৰাধান্য, সপোনত আস্থা, নাৰীৰ স্থান, যাতায়াত ব্যৱস্থা, খাদ্যদ্ৰব্য আদিৰ সম্বন্ধে যি যি কথা পোৱা গৈছে, আলোচনালৈ অনা হৈছে।

গৱেষণা গ্ৰন্থ যুগুত কৰিবৰ কাৰণে গ্ৰন্থ অধ্যয়নকেই মূল আধাৰ হিচাবে লোৱা হৈছে। গ্ৰন্থসমূহ—

১। মূল চৰিত গ্ৰন্থ (প্ৰকাশিত আৰু অধ্যয়নত সাঙোৰা কেইখন)।

২। এই সংক্ৰান্ত সহায়ক স্বৰূপ গ্ৰন্থসমূহ।

৩। মুঠতে মধ্যযুগৰ অসমৰ ৰচিত গ্ৰন্থসমূহ সেই সময়ৰ সংস্কৃতিৰ ইতিহাস স্বৰূপ। গৱেষণা গ্ৰন্থ যুগুত কৰিবৰ কাৰণে বিভিন্ন গ্ৰন্থাগাৰলৈ যাব লগা হৈছিল। সেই গ্ৰন্থাগাৰসমূহ—

(ক) জাতীয় গ্ৰন্থাগাৰ, কলিকতা।

(খ) ডেক্কান কলেজৰ গ্ৰন্থাগাৰ, পুনে।

(গ) ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁড়াল, গুৱাহাটী।

(ঘ) অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পুথিভঁড়াল, গুৱাহাটী।

(চ) দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ পুথিভঁড়াল, যোৰহাট।

এই সমূহ পুথিভঁড়ালৰ দায়িত্বত থকা ব্যক্তিসকলৈ তেখেতসকলে আগবঢ়োৱা সহায় আৰু সহযোগিতাৰ কাৰণে আন্তৰিক শলাগ লওঁ।।

আমাৰ গৱেষণাৰ তত্ত্বাৱধান কৰা শিক্ষাগুৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱলৈ কৃতজ্ঞতা জনালোঁ।। তেখেতৰ নানা দিহা পৰামৰ্শই এই গৱেষণা গ্ৰন্থ যুগুত কৰাত সহায় কৰিলে।

ইয়াৰোপৰি নানা ধৰণে সহায় সহযোগ আগবঢ়াই আমাক অনুপ্ৰেৰণা যোগোৱাৰ কাৰণে সৰ্বশ্ৰী ড° গোবিন্দ প্ৰসাদ শৰ্মা, ড° অৰুণি শৰ্মা, ড° তপন দেৱ, ড° পূৰ্ণা বৰুৱা, ড° মালতী নাগৰ, ড° আভা ভট্টাচাৰ্য, চেনেহী বেগম,

প্ৰীতি বৰুৱা, মোৰ গৱেষণা কৰা সময়ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰী ৰূপা দত্তৰ নথৈ শলাগ লৈছোঁ। শেষত 'লয়াৰ্চ বুক ষ্টল'ৰ স্বত্বাধিকাৰী শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাই এই গ্ৰন্থ প্ৰকাশৰ দায়িত্ব লোৱাৰ কাৰণে তেখেতৰো শলাগ লওঁ।

এই সকলৰ সহায়, সহযোগ আৰু শুভ ইচ্ছা অবিহনে আমাৰ গৱেষণা গ্ৰন্থ মুদ্ৰিত কৰা সম্ভৱ নহ'লহেঁতেন।

মিনতি হাজৰিকা
মুখ্য প্ৰবক্তা, অসমীয়া বিভাগ
দেবীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়,
যোৰহাট

জানুৱাৰী, ১৯৯৫

সূচীপত্ৰ

বিষয় সূচী	পৃষ্ঠা
প্ৰথম অধ্যায়	
জীৱনী সাহিত্য আৰু ক্ৰমবিকাশ ...	১
দ্বিতীয় অধ্যায়	
প্ৰাচীন ভাৰতীয় জীৱনী সাহিত্যৰ ইতিহাস ...	১৪
তৃতীয় অধ্যায়	
চৰিত পুথি আৰু মহান্ত জীৱনী—এটি সমীক্ষা ...	২৯
চতুৰ্থ অধ্যায়	
চৰিত পুথিসমূহত চিত্ৰিত কথা	
(১) অসমৰ সমাজ আৰু ধৰ্ম্ম জীৱনৰ চিত্ৰ ...	৪৫
(২) শিক্ষা	৯৮
(৩) ধৰ্ম্ম জীৱন, ধৰ্ম্মীয় পৰিবেশ ...	১১৬
(৪) অলৌকিকতাৰ স্থান	১৯৮
(৫) সপোনৰ ওপৰত গুৰুত্ব ...	২২৯
(৬) খাদ্য বস্তু	২৪৩
(৭) নাৰীৰ স্থান	২৫৬
পঞ্চম অধ্যায়	
(১) অৰ্থনৈতিক অৱস্থা, ব্যৱসায় বাণিজ্য, জীৱিকাৰ অন্যান্য পথসমূহ	২৭৫
(২) দাস প্ৰথা	২৮৮
(৩) ৰাজনৈতিক অৱস্থা	২৯০
(৪) অন্যান্য বিষয়	৩১১
ষষ্ঠ অধ্যায়	
সাৰৱণি	৩১৭

প্ৰথম অধ্যায়

জীৱনী সাহিত্য আৰু ক্ৰমবিকাশ

সাহিত্য প্ৰকাশৰ এক প্ৰাচীনতম ৰূপ জীৱনী সাহিত্য। ই মানৱ জীৱন কথাক শব্দৰ মাজত পুনৰ অংকিত কৰে। এই জীৱন কাহিনী লিখকৰ নিজৰ বা আনৰো হব পাৰে, য'ত জীৱনী লেখকে তেওঁৰ স্মৃতিত থকা, সহজতে পোৱা তথ্যসমূহৰ ওপৰত ভিত্তি কৰি জীৱনী সাহিত্য ৰচনা কৰে। **Thomas Carlyle**-ৰ মতে জীৱনী সাহিত্য হ'ল এজন মানুহৰ জীৱন কাহিনী।[1] জীৱনী সাহিত্যই এজন মানুহৰ জীৱনৰ ঘটনাৱলীক ৰূপায়িত কৰে।[2]

জীৱনী সাহিত্যৰ সৃষ্টিৰ মূলতেই হ'ল মানৱজীৱন কথাক জনগণৰ স্মৃতিত স্থায়ী কৰা। হেজাৰ হেজাৰ বছৰৰ আগৰ পৰাই এই প্ৰচেষ্টা চলি আহিছে। পাঁচ হেজাৰ বছৰৰো আগতেই মিচৰৰ পিৰামিডবিলাক সাজিছিল। এই পিৰামিডবিলাকত মিচৰৰ ৰজাৰ কৰ্মজীৱন, যশস্যা কাহিনী আদি লিপিবদ্ধ কৰিছিল যাতে তেওঁলোকৰ জীৱন স্মৰণীয় হয়। জীৱনী সাহিত্যৰ বীজ প্ৰথম ইয়াতেই অংকুৰিত হয় বুলি ধৰিব পৰা যায়। আধুনিক জীৱনী সাহিত্যৰ পৰ্য্যায়ত এইবোৰক পেলাব নোৱাৰি। কিন্তু ইয়াৰ মাজতেই মানৱ জীৱন কথাক অৰ্থাৎ নিজৰ কৰ্মজীৱনক অমৰ কৰি ৰাখিবলৈ চেষ্টা কৰা হৈছিল। "সম্ৰাট থোক ইয়াৰ [illegible] সাম্ৰাজ্যৰ কাৰণৰ কালছোৱাৰ পৰা (খৃঃ পূঃ ১৪৮০—১৪৫০) এই [illegible] সম্পূৰ্ণ প্ৰতিনিধিত্ব কৰিছে। চাৰিজন ৰজাৰ তলত ইয়াৰ [illegible] কৰিছিল। তেওঁৰ সমাধিত তেওঁৰ কাৰ্য্য বিৱৰণ লিখাত দেখাই [illegible] সমাধিৰ বেৰবিলাক; ই হৈছে পথাৰ সমাৰ আৰম্ভ কৰা, মাটিৰ [illegible] কৰা, ৰজাৰ উপঢৌকন গ্ৰহণ কৰা আৰু [illegible] [illegible]

১ Encyclopaedia Americana, Vol. III. Ed. 1960

২ Biography focuses upon a single human being and deals in the particulars of his life, page 722. The New Encyclopaedia Britannica. Vol. 2, 15th Ed.

জোৰা হৈছে। এই তথ্যাৱশেষ বিশাকৰ পৰা ইন্নিৰ বিষয়ে বিশেষ কথা জনা নেযায়। কিন্তু নতুন সাম্ৰাজ্যৰ বিষয়ে বহুতো কথা জানিব পাৰি।"[১]

মানৱ জীৱনত পাৰিপাৰ্শ্বিক অৱস্থাই যথেষ্ট প্ৰভাৱ পেলায়। এজন মানুহৰ জীৱন কথাক লিপিবদ্ধ কৰিবলৈ যাওঁতে, সেই মানুহজনৰ ওপৰত পাৰিপাৰ্শ্বিক অৱস্থাই পেলোৱা প্ৰভাৱ; তেওঁক ঘেৰি থকা সমাজখন, সেই সমাজৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অৱস্থাই কি প্ৰভাৱ পেলাই তাৰ বিষয়ে আভাস থাকিব লাগে। কাৰণ ভক্তি আৰু পাৰিপাৰ্শ্বিক অৱস্থা কেতিয়াও পৃথক হব নোৱাৰে। বেবিলন আৰু এচাইৰাচত খৃষ্টপূৰ্ব ১৪০০শ চনত মাটিৰ ফলিত (clay tablets) বা শিলৰ টুকুৰাত তেওঁলোকৰ ৰজাসকলৰ জীৱন কথাক, যাক ইংৰাজীত Chronicles বুলিছিল, খোদাই কৰি বা লিখি ৰখাটো নিয়ম আছিল। সেইবোৰত ৰজাসকলৰ জীৱনযুদ্ধৰ কাহিনী লিপিবদ্ধ কৰিছিল, য'ত তেওঁলোকৰ ইৰ্ষা, কান্দোন, হিংসা, ৰেষ, পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰভাৱ আদিৰ কথাই স্থান পাইছিল। ৰজা দেৰিয়াচে পাৰস্যৰ মধ্য পূৰ খণ্ড জয় কৰাৰ পাচত বেহিস্তুনৰ পৰ্ব্বত পূৰলৈ যোৱা বাটৰ দাতিত নিজৰ বিজয়ৰ কথা লিপিবদ্ধ কৰাইছিল, "ময়েই দেৰিয়াচ, মহান ৰজা, ৰজাৰো ৰজা, পাৰস্যৰ ৰজা, ভূমিখণ্ডৰ ৰজা।"[২] এইবোৰে নিশ্চয় পিচৰ যুগত জীৱনী সাহিত্য ৰচনাত সহায় কৰিছিল।

সময় যোৱাৰ লগে লগে প্ৰাচীন জীৱন কাহিনী লিখন পদ্ধতিৰো পৰিবৰ্তন হৈ আছিল। ৰজাসকলৰ জীৱন কাহিনীৰ পাচত এথেনচৰ লোকসকলে তেওঁলোকৰ যুদ্ধত মৃত্যুবৰণ কৰা বীৰসকলৰ স্মৃতি গৌৰৱণ কৰিছিল। ব্যক্তিগত হিচাবে নহয়, সমূহীয়া হিচাবেহে।

১। "The Biography of the magnate Inni, dating from the era of the New Kingdom (B.C. 1580—1350), represents the type in its most complete form. Inni was a functionary under four pharaohs. His tomb contained an account, curved on stone, of his services, and its walls were decorated with pictures showing him superintending a harvest, visiting his estate, receiving gifts from the king, and performing other functions. From these remains, one learns little of Inni, but a great deal about life in the New Kingdom."
—John A. Garraty, The Nature of Biography, page 31

২। "I am the Darius, the great king, king of kings, king of Persia, king of the lands." John A. Garraty, The Nature of Biography, Page 33.

জীৱনী বুলিলে কোনো এজন মানুহৰ জীৱন কথাকেই প্ৰধানকৈ বুজায়। কিন্তু কেতিয়াবা বিজনৰ জীৱন কথাক জীৱনীৰ ৰূপ দিয়া হয়, তেওঁৰ জীৱনৰ লগত জড়িত অন্যলোকৰ কথায়ো ঠাই পায়। কিন্তু যাৰ জীৱনী লিখা হয়, তেওঁৰ কথাই প্ৰাধান্য বা মুখ্য স্থান পোৱাটো উচিত। Oxford Dictionary[১]-ৰ মতে, জীৱনী সাহিত্য মানুহৰ জীৱন কথা সাহিত্য ৰূপ। Webster's New International Dictionary[২]-ৰ মতে, জীৱনী সাহিত্য বা Biography হ'ল, "a written history of a person's life", এজন মানুহৰ লিখিত জীৱন ইতিহাস। Encyclopaedia Britannica[৩]-ৰ মতে, জীৱনী হ'ল এবিধ সাহিত্য যি ব্যক্তি বিশেষৰ জীৱনৰ কথাৰ বিৱৰণ দিয়ে আৰু ব্যক্তিজনৰ জীৱন কথাক পুনৰ সৃষ্টি (recreall) কৰে। The Century Dictionary[৪]-ৰ মতে, জীৱনী হল, এজন ব্যক্তি বিশেষৰ জীৱন ইতিহাস। Everyman's Encyclopaedia[৫]-ৰ মতে জীৱনী সেই শ্ৰেণীৰ সাহিত্য যি ব্যক্তি মানৱৰ জীৱন ইতিহাসক সাহিত্যৰ ৰূপ দিয়ে।

গ্ৰীক লেখক Damascus-এ ষষ্ঠ শতাব্দীত Biography শব্দটোক গ্ৰীক জগত গ্ৰীক ভাষাত প্ৰথম ব্যৱহাৰ কৰে।[৬] সোতৰ শতাব্দীলৈকে 'Biography' শব্দৰ ব্যৱহাৰ ইংলণ্ডতো হোৱা নাছিল। ১৬৬২ চনত Thomas Fuller[৭]-এ তেওঁৰ "Worthies"ত "Biographies of these Saints" বুলি উল্লেখ কৰিছিল। Dryden[৮]-এ 'biographia' শব্দটোক ১৬৮৩ চনত, বিশেষ ব্যক্তিৰ ইতিহাস বুলি উল্লেখ কৰিছিল। গতিকে জীৱনী সাহিত্যত এজন ব্যক্তিৰ ব্যক্তিত্ব, চৰিত্ৰ আৰু তেওঁৰ চাৰিওফালৰ জগতখনৰ লগত তেওঁৰ সম্পৰ্ক আদিৰ বিৱৰণ থাকে।

---

১ The Concise Oxford Dictionary of Current English, fourth Ed. 1951 page 117.

২ Latest unabridged—a marriam Webster, 2nd Ed. page 271.

৩ The New Encyclopaedia Britannica Vol. 2, 15 Ed. page 1006.

৪ Vol. I. page 558.

৫ Vol. 2. Copyright 1931/1932, page 393.

৬ Everyman's Encyclopaedia, Vol. 2, page 393.

৭ Ibid, page 393.

৮ Ibid, idem, page 394

মধ্যযুগত গির্জাসমূহে জীৱনী সাহিত্য প্ৰচাৰ আৰু প্ৰসাৰত বৰঙণি যোগাইছিল। জীৱনীসমূহ ৰচনা কৰিবলৈকো গির্জাসমূহেই উদগনি দিছিল। খৃষ্ট ধৰ্মাৱলম্বী সন্তসকলৰ, বীৰপুৰুষসকলৰ, শহীদসকলৰ জীৱন কাহিনীয়েই মধ্য-যুগৰ জীৱনী সাহিত্যৰ উৎস আছিল। তৃতীয় শতিকাত স্থানীয় গির্জাসমূহে সন্তসকলৰ দিনপঞ্জীসমূহৰ উৎকৰ্ষ সাধন কৰি শেষত সেইবোৰকে আৰু বিস্তৃত কৰি, সেইলোকৰ জীৱনত ঘটা অসাধাৰণ, অলৌকিক ঘটনাসমূহৰ বিৱৰণ; জীৱনলৈ অহা ঘাত-প্ৰতিঘাত সমূহকো সংযোগ কৰি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল। গোটেই ইউৰোপ জুৰি যেতিয়া খৃষ্টান ধৰ্মই, গির্জাসমূহে প্ৰভাৱ বিস্তাৰ কৰিলে তেতিয়াৰ পৰাই সন্তসকলৰ জীৱনকথা লিখাটো নিয়মত পৰিণত হ'ল। নৱম শতিকালৈকে গ্ৰীক আৰু লেটিন ভাষাতহে এই জীৱন কাহিনীসমূহ লিখা হৈছিল। খৃষ্ট ধৰ্মৰ পুৰোহিতসকলে ইয়াক ধৰ্মীয় কথা হিচাবে পাঠ কৰিছিল। নৱম শতিকা আৰম্ভ হোৱাৰ লগে লগে এই জীৱন কাহিনীসমূহ দেশীয় ভাষালৈ অনূদিত হ'ল। জীৱন কাহিনীৰ ভাষাই প্ৰাচীনতম দেশীয় ভাষাত লিখা লিখনী আছিল। এই লিখনীয়ে ইউৰোপৰ আধুনিক ভাষাৰ প্ৰসাৰ অতি পৰিবৰ্ধনত বৰঙণি যোগাইছিল। এই জীৱনকাহিনী বিলাক পদ্যত লিখিছিল আৰু চাৰণসকলে দেশে দেশে গাই ফুৰিছিল। জনসাধাৰণৰ মাজত বৰ জনপ্ৰিয় হৈ পৰিছিল।

মধ্যযুগত যি জীৱনী লিখা হ'ল, সেয়া খৃষ্ট ধৰ্মাৱলম্বী সন্তসকলৰ, বিচপসকলৰ, শহীদসকলৰ বা তেনে ধৰণৰ ব্যক্তি বিশেষৰহে চৌধ্য শতিকা আৰম্ভ হোৱাৰ লগে লগে ব্যক্তি মানৱৰ জীৱনকথাক প্ৰাধান্য দিয়া হ'ল। প্ৰধানকৈ ইটালীত। তাৰ পাচত সময় আগবাই অহাৰ লগে লগে জীৱনী সাহিত্যৰ ওপৰতো নানা পৰীক্ষা-নিৰীক্ষা চলি আহি আহি বৰ্তমান ৰূপত উপনীত হৈছেহি।

এজন জীৱনী লেখকৰ প্ৰধান কথা হ'ল, যাৰ জীৱন কথা তেওঁ লিপিবদ্ধ কৰিবলৈ লয়, তেওঁৰ জীৱনৰ সকলো কথাকে স্পষ্টভাৱে জানিব লাগিব। সেই সম্বন্ধে যিমান প্ৰমাণ আছে ব্যৱহাৰ কৰিব লাগিব। ব্যক্তিজনৰ জীৱনৰ সামগ্ৰিক ৰূপটো ফুটাই তুলিব পাৰিব লাগিব। ইয়াতে প্ৰাচীন জীৱনীকাৰ আৰু আধুনিক জীৱনীকাৰৰ মাজত পাৰ্থক্যহে প্ৰাচীন জীৱনীকাৰৰ সন্তসকলৰ জীৱনকথাক জন-সাধাৰণৰ মাজত মহৎ কৰি দেখুওৱাটো উদ্দেশ্য আছিল আৰু সেইকাৰণে নানা অলৌকিক ঘটনাই ঠাই পাইছিল জীৱন কথাৰ বৰ্ণনাৰ মাজত কিন্তু আধুনিক জীৱনী লেখকে এটা মানুহৰ জীৱনত ঘটা ঘটনা সমূহক প্ৰকৃত ৰূপত অংকন কৰে।

জীৱনীকাৰ জনৰ বিষয়বস্তু নিৰ্বাচন আৰু নিৰীক্ষণ কৰিব পৰা দক্ষতাৰ গুণৰত জীৱনী সাহিত্য ৰচনাৰ কৃতিত্ব লুকাই থাকে। বিষয়বস্তু নিৰ্বাচন বা নিৰীক্ষণ কৰিব পাৰিলেই নহব, তাক কেনেকৈ উপস্থাপন কৰিব, সজাই পৰাই তুলিব সেই প্ৰতিভাও জীৱনীকাৰ জনৰ থকা দৰকাৰ। ইয়াৰ উপৰি জীৱনীকাৰ জনৰ আৰু এটা গুণৰ দৰকাৰ। জীৱনী লিখকৰ ক্ষেত্ৰত তেওঁ হব লাগিব নিৰপেক্ষ। অৰ্থাৎ জীৱনীকাৰে নায়কৰ পক্ষ লৈ তেওঁৰ প্ৰশস্তি গাব নেলাগে বা নায়কৰ বিপক্ষে গৈ কেৱল বেয়া কাষটো দেখুৱাব নেলাগে। এজন মানুহৰ জীৱনত ঘটা প্ৰকৃত ঘটনাক জীৱনীকাৰ জনে প্ৰকৃত তথ্যপাতি সংগ্ৰহ কৰি লৈ নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰি জীৱনী সাহিত্য ৰচনা কৰাটো তেওঁৰ কৰ্তব্য।

"জীৱনীৰ সমল বুলিলে তলত দিয়াবোৰেই সাধাৰণতে হব পাৰে—নায়কৰ জন্ম, শিক্ষা-দীক্ষা, বিবাহ, কৰ্মজীৱন, জীৱনত পোৱা চৰকাৰী বা ৰাজহুৱা সন্মান, ল'ৰা-ছোৱালীৰ জন্ম-মৃত্যু আদি কথাবোৰৰ বিষয়ে প্ৰাথমিকভাৱে তেওঁৰ পুথি পত্ৰবোৰৰ পৰাই জানিব পাৰি। গতিকে নায়কৰ ব্যক্তিগত কাগজ-পত্ৰবোৰেই তেওঁৰ জীৱনৰ প্ৰথম আহিলা।"[1] ইয়াৰ বাহিৰেও নায়কৰ দিনপঞ্জী (যদি থাকে)—বিভিন্ন জনলৈ লিখা চিঠিপত্ৰ, তেওঁৰ সংস্পৰ্শলৈ অহা ব্যক্তিসকলৰ পৰা কৰা তথ্য সংগ্ৰহ, ব্যক্তিগত জীৱনত ব্যৱহাৰ কৰা সঁজুলিসমূহ আদিও জীৱনী ৰচনাৰ সমল হিচাবে লব লাগে। সকলো তথ্য সংগ্ৰহ কৰি, তাক চালি জাৰি তেওঁৰ লিখনীৰ কাৰণে উপযুক্ত কৰিবৰ কাৰণে জীৱনীকাৰৰ ধৈৰ্য্যৰ অতি প্ৰয়োজন।

এজন মানুহৰ প্ৰকৃত জীৱনকথাক সচেতন প্ৰচেষ্টাৰে সাহিত্যত ৰূপ দিয়াৰ প্ৰাচীনতম নিদৰ্শন গ্ৰীক সাহিত্যত আছে। গ্ৰীক আৰু ৰোমান সাহিত্যত এজন জীৱনী লেখকৰ কৰ্তব্য আছিল, তেওঁৰ জীৱনীৰ নায়কজনৰ প্ৰধান প্ৰধান ঘটনা সমূহক অংকিত কৰা আৰু তেওঁৰ উদ্দেশ্য আছিল নীতিমূলক। তেওঁৰ নায়ক লিখনীৰ মাজত হয় এজন মহৎ ব্যক্তি হ'ব লাগিব নহয় সকিনী ধৰণে হব লাগিব। গ্ৰীক সাহিত্যত Xenophon-ৰ চক্ৰেটিচৰ বিষয়ে লিখা memoirs খিনিয়েই প্ৰাচীনতম জীৱনীৰ এখন। Plutarch-ৰ "Parallel Lives" খনেই ৪৬০ পৰ্যন্ত গ্ৰীক ভাষাত লিখা প্ৰাচীন জীৱনী। Xenophon আৰু "Memoirs of Socrates" খনেই জীৱনী সাহিত্য ৰচনাৰ প্ৰথম সূত্ৰপাতকাৰী

১ গোবিন্দ প্ৰসাদ শৰ্মা, অসম সাহিত্য সভা, ১ম সংস্কৰণ, ১৯৭৬ চন: পৃষ্ঠা ২০।

প্ৰচেষ্টা[১]। তাৰ পাচত প্ৰথম শতিকাত Plutarch-অৰ Parallal Lives অত ৪০ জন গ্ৰীক আৰু ৰোমানৰ জীৱন কথা সম্বলিত মনোমুগ্ধকৰ জীৱনী গ্ৰন্থ।

এজন জীৱনী লেখকৰ প্ৰধান কথা হ'ল, যাৰ জীৱনকথা তেওঁ লিপিবদ্ধ কৰিবলৈ গৈছে, তেওঁৰ জীৱনৰ সকলো কথাকে স্পষ্ট ভাবে জানিব লাগিব, সেই সম্বন্ধে যিমান প্ৰমাণ আছে তাক ব্যৱহাৰ কৰিব লাগিব আৰু ব্যক্তিজনৰ জীৱনৰ সামগ্ৰিক ৰূপটো পৰিস্ফুট কৰিব লাগিব। ইয়াতেই প্ৰাচীন জীৱনীকাৰ আৰু আধুনিক জীৱনীকাৰৰ মাজত পাৰ্থক্য। আধুনিক জীৱনী সাহিত্যত অলৌকিকতা, অবাস্তৱতাৰ স্থান নাই।

১৮ শতিকাৰ আৰম্ভৰ লগে লগে জীৱনী সাহিত্যই প্ৰসাৰতা লাভ কৰে। জীৱনী সমূহ নাটক আৰু উপন্যাসৰো সমল হৈ পৰে। লগে লগে জীৱনী সাহিত্যৰ ওপৰত সমালোচনা শ্ৰেণীৰ সাহিত্যৰ সৃষ্টি হয়।[২] চেমুৱেল ৰিচাৰ্ডচনে (Semuel Richardson) জীৱনীৰ আধাৰৰ "পামেলা" (Pamela) নামৰ নাটক লেখিলে। ঐতিহাসিক চৰিত্ৰৰ লগত কল্পনাৰ বহণ সানি ৰবিনচন ক্ৰুচৰ (Robinson Crusoe) দৰে জীৱনী ভিত্তিক উপন্যাস ৰচনা কৰিলে। জীৱনীৰ ভেটি কৰি লেখা নাটক সমূহে জীৱনীকাৰসকলৰ বহু উপকাৰ সাধন কৰিলে। মঞ্চত জীৱনীৰ নাটকীয় ৰূপ, জীৱনীকাৰসকলক চৰিত্ৰটো কেনেকৈ অঙ্কন কৰিব লাগে, সংলাপ কেনেকৈ চৰিত্ৰটো প্ৰকাশ হোৱাকৈ ব্যৱহাৰ কৰিব লাগে, জীৱন কাহিনীৰ বিভিন্ন ভাগসমূহ কেনেকৈ সজাব লাগে, ইত্যাদিৰ বিষয়ে শিকনি দিলে।

"Life of Dr. Johnson" খনেই ১৮ শতিকাত ৰচনা কৰা James Boswell-অৰ শ্ৰেষ্ঠ জীৱনী গ্ৰন্থ। ১৭৯১ চনত এই গ্ৰন্থ প্ৰকাশ হয়। এই গ্ৰন্থই পূৰ্ণ দৈৰ্ঘ্যৰ জীৱনী সাহিত্যৰ আৰ্হি গ্ৰন্থৰ কাম কৰি আহিছে।[৩]

১৮ শতিকাৰ জীৱনীকাৰসকলে তেওঁলোকৰ বিষয়বস্তুৰ অন্তৰালত লুকাই থকা সামগ্ৰিক সত্য উদ্ঘাটনৰ কাৰণে অসীম পৰিশ্ৰম কৰিছিল।[৪] গতিকে

১ Encyclopaedia Britannica, Vol. 3, fourteenth Ed, Page 594

২ John A. Garraty, The Nature of Biography, Page 77

৩ Encyclopaedia Americana, Vol. III, 1960 Ed. Page 722

৪ John A. Garraty, The Nature of Biography Page 82
"their search for the whole truth, eighteen century biograhers laboured mightly to understand the inner natures of their subjects."

এই জীৱনীকাৰসকলৰ প্ৰকাশ ভঙ্গীৰে গাম্ভীৰ্য্য আহিছিল, আদৰ্শৰ ৰূপত কাহিনী লিখিবলৈ লৈছিল আৰু ব্যক্তি জীৱন কাহিনীৰ সত্যখিনিও লিপিবদ্ধ কৰিছিল। Johnson আৰু Roger Northএ বিশ্বাস কৰিছিল যে জীৱনীকাৰ জনে তেওঁৰ বিষয়বস্তুক ব্যক্তিগত ভাবে জানিব লাগিব, বুজিব লাগিব তেতিয়াহে প্ৰকৃত চিত্ৰ অংকন কৰিব পাৰিব। ওঠৰ শতিকাৰ ডঃ জনচনেই জীৱনী সাহিত্যৰ আটাইতকৈ মহৎ চৰিত্ৰ।

উনৈছ শতিকাত জীৱনী সাহিত্য ৰচনাৰ কৌশল আৰু সমলৰ ব্যৱহাৰৰ ক্ষেত্ৰতো সৰ্ব্বসাধাৰণ পৰ্য্যায়ৰ পৰা অলপ উন্নত পৰ্য্যায়লৈ আহিল। কিন্তু চকুত পৰা জীৱনী সাহিত্য ৰচনা হোৱা নাছিল। নৱন্যাসৰ চোৱে পাশ্চাত্যৰ সাহিত্যিকক নজনাক জানিবলৈ হেপাহ জগাইছিল, ব্যক্তি মানৱ সত্ত্বাক সাহিত্যত স্বীকৃতি দিবলৈ উদগনি দিছিল, স্বাধীন মনৰ প্ৰতিফলনৰ নতুন প্ৰচেষ্টা লৈছিল, অন্তৰৰ অনুভূতিক উদঙাই দিয়াৰ প্ৰবল আকাংক্ষা জগাইছিল। ইয়াৰ প্ৰভাৱ জীৱনী সাহিত্যতো কম বেছি পৰিমাণে পৰিছিল। উনৈছ শতিকাৰ প্ৰথম তৃতীয় ভাগত নৱন্যাস আন্দোলন শীৰ্ষ বিন্দুত উপনীত হৈছিল। কিন্তু জীৱনী সাহিত্যত ওঠৰ শতিকাত ৰচিত হোৱা বছৱেলৰ 'জনছনৰ' দৰে জীৱনী সাহিত্য ৰচনা কৰা চকুত পৰা নাছিল। কিন্তু শিক্ষিত মানুহৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে জীৱনী সাহিত্যৰ আদৰ বাঢ়ি আহিল আৰু জীৱনী সাহিত্য প্ৰকাশৰ সংখ্যাও বাঢ়ি আহিবলৈ ধৰিলে। **Encyclopaedia of American Biography** ১৮৮০ আৰু **British Dictionary of National Biography** ১৮৮২ চনত প্ৰকাশিত উনৈছ শতিকাৰ উল্লেখযোগ্য জীৱনী সাহিত্য।

ইংৰাজী সাহিত্যত **Lytton Strachey**এ **'Eminent Victorians'** ৰচনা কৰি পূৰ্ব্বৰ জীৱনী সাহিত্যৰ ৰচনা পদ্ধতিৰ পৰিবৰ্ত্তন আনি শীৰ্ষবিন্দুত উপনীত হৈছিল। তেওঁৱেই জীৱনী সাহিত্যলৈ নতুন উপাদান আমদানি কৰে। তেওঁ লিখনীৰ মাজেদি তেওঁৰ জীৱনৰ নায়ক চৰিত্ৰৰ পূৰ্ণ বিশ্লেষণ দাঙি ধৰিছে। **Lytton Strachey**এ পূৰ্ব্বৰ পৰা চলি অহা জীৱনী সাহিত্য ৰচনাৰ পৰম্পৰা ভাঙি দেখুৱালে যে জীৱনীৰ চৰিত্ৰবোৰ তেজ-মঙহেৰে গঢ়া মানুহ; তেওঁলোকো দোষ-গুণ, দুৰ্ব্বলতা-সহ থাকিবে সংমিশ্ৰিত মানৱ প্ৰাণী।[1]

---

১ **Prof I.N. Mundra, History of English Literature, Vol II [illegible] 1964. Page 460**

Lytton Strachey ৰচনা কৰা জীৱনী সাহিত্যকে নতুন জীৱনী বুলিব পাৰি। ১৯১৮ চনৰ পৰা ১৯৩২ চনলৈকে, অৰ্থাৎ মৃত্যুলৈকে Strachey বিশ্বা প্ৰায়ই পৃথিৱীৰ ভিতৰতে এজন প্ৰভাৱশালী জীৱনীকাৰ আছিল। লিখাৰ পৰিমাণত Stracheyৰ লিখনী সৰহ নাছিল, কিন্তু তেওঁৰ লিখন শৈলীয়ে তেওঁৰ যুগৰ অনেক লিখকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল বুলি বহু লেখকেই স্বীকাৰ কৰি গৈছে।

আমেৰিকা, ইংলণ্ড আদি ঠাইত জীৱনী সাহিত্য ৰচনাৰ যি ঢৌ উঠিল, ১৯২৯ চনত প্ৰায় ৬৬৭ খন নতুন জীৱনী প্ৰকাশ হ'ল। ১৯৬২ চনতো ঠিক সেই সংখ্যক জীৱনীয়েই প্ৰকাশ হ'ল।[১] প্ৰকাশিত কিতাপৰ শতকৰা পাচ ভাগ জীৱনী সাহিত্যই অধিকাৰ কৰিলে। আনকি সাহিত্যৰ ক্ষেত্ৰত থকা পুৰস্কাৰ পাবলৈকো সক্ষম হ'ল। জীৱনী সাহিত্য লেখকসকলে চকুত পৰা স্থান অধিকাৰ কৰিবলৈকো সক্ষম হ'ল। জীৱনী কেৱল জীৱনী সাহিত্যৰ মাজতেই আবদ্ধ নেথাকিল। নাটক, উপন্যাস আদিও লিখিবলৈ ললে। অৱশ্য জীৱনী ভিত্তিক নাটক শেক্সপিয়েৰৰ দিনটো মঞ্চত অভিনীত হৈছিল আৰু জনসাধাৰণৰ মাজত জনপ্ৰিয় আছিল। জীৱনী ৰঙ্গমঞ্চৰ পৰা বোলছবি জগতলৈ আহিল আৰু বৰ্ত্তমান দুৰদৰ্শনৰ মাধ্যমলৈকো আহিল। ইয়াৰ পৰাই জীৱনী সাহিত্যৰ ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তাৰ কথা জানিব পৰা যায়।

জীৱনী সাহিত্য ৰচনা কৰাৰ উদ্দেশ্য বহুত ধৰণৰ থাকিব পাৰে। কোনো জীৱনী লেখকে এজন ব্যক্তিৰ জীৱন কাহিনীক সাহিত্যত ৰূপ দিয়ে সেই চৰিত্ৰটোৰ প্ৰতি আকৃষ্ট হৈ; কোনোবাই সাহিত্যৰ বজাৰখনৰ প্ৰতি দৃষ্টি ৰাখি এনে লোকৰ জীৱনৰ এনেবোৰ কাহিনী লয় য'ত চাঞ্চল্য, কেলেঙ্কাৰী, ব্যক্তিগত বহুত কথাকে সাঙোৰ খাই থাকে; কেতিয়াবা আকৌ কোনো পৰিয়ালে আগ্ৰহেৰে তেওঁলোকৰ পৰিয়ালৰ বিশেষ ব্যক্তি জনৰ জীৱন কথাক অমৰ কৰি ৰাখিবৰ কাৰণে কোনোবা নামী লেখকক ধন দি লৈ গৈ জীৱনী লেখায়, য'ত ব্যক্তি জনৰ বিতৰ্কমূলক কথা, চৰিত্ৰৰ দুৰ্বলতা আদি কথাবোৰ লুকাই থাকে, এইবোৰ নেলেখায় অৰ্থাৎ প্ৰকাশৰ কাৰণে নিদিয়ে। কোনো বিধ জীৱনী লিখা হয় গৱেষণাৰ বিষয়বস্তু হিচাবে গৱেষণাৰ বাবে আৰু ছাত্ৰ গৱেষকৰ দ্বাৰা বা [illegible], আৰু লোকৰ অনুসন্ধানৰ ৰূপ ধৰলে।

১ Encyclopaedia Britannica 1973-1974, Page 1013

সাহিত্য ৰচনা ব্যক্তিগত ৰুচি, আকৰ্ষণ আৰু সামৰ্থ্যৰ কথা। যি বিষয়বস্তুৱে লেখকক আপোনা আপুনি আকৰ্ষণ কৰিব পাৰে, সেই বিষয়বস্তুৰ সৃষ্টি ৰূপও সুন্দৰ হয়। জীৱনী সাহিত্য ৰচনাও তেনে কথাই। স্বতঃস্ফূৰ্ত বিষয়বস্তুৰ প্ৰকাশ আৰু বাধ্যবাধকতাত প্ৰকাশ হোৱা জীৱনীৰ মাজত পাৰ্থক্য হবই। তাৰোপৰি লেখকৰ নিজস্ব প্ৰকাশ ভঙ্গী, দৃষ্টিভঙ্গী থাকে। গতিকে প্ৰত্যেক জন জীৱনী লেখকৰ প্ৰকাশ ভঙ্গী আৰু লেখাৰ ভঙ্গী বেলেগ হবই। অৱশ্যে কেতিয়াবা কোনো শক্তিশালী লেখকে একো একো লেখকৰ লিখনীৰ প্ৰভাৱ পেলায়।

জীৱনীকাৰ জনে জীৱনী সাহিত্য ৰচনা কৰিবলৈ লওঁতেই স্থিৰ সিদ্ধান্তলৈ আহিব লাগিব যে তেওঁ চৰিত্ৰটোৰ জীৱন কথাত গুৰুত্ব দিব নে চৰিত্ৰৰ ব্যক্তিত্বৰ ওপৰত দিব। কিন্তু এইটো কথাও ঠিক যে জীৱন কাহিনী উপস্থাপনৰ ভিতৰতেই নায়কৰ ব্যক্তিত্ব, কাহিনী ভাগো জড়িত হৈ থাকে। তাকে ফুটাই তোলাৰ কৌশল জীৱনীকাৰে জানিব লাগে।

জীৱনী সাহিত্যৰ জন্মৰ মূলতে জীৱন কথাক অমৰ কৰা। প্ৰাচীন জীৱনীৰ নায়ক আছিল ৰজা, মহাৰজা, সন্ত-সাধু, বীৰপুৰুষসকল, শ্বহীদসকল। তেওঁলোকৰ প্ৰশস্তি গোৱাই এইবোৰ ৰচনাৰ মূল উদ্দেশ্য আছিল। প্ৰাচীন জীৱনীত, বিশেষকৈ, সন্তসকলৰ জীৱনীসমূহত বহুত অলৌকিক ঘটনাৰ সমাৱেশ কৰি সন্ত সকলৰ জীৱনৰ মহত্ত্ব ফুটাই তোলাৰ চেষ্টা কৰিছিল। লগতে ধৰ্মৰ বাণীসমূহো জনগণৰ মাজত প্ৰচাৰ কৰিছিল। এই সন্তসকলৰ জীৱনীক ইংৰাজীত Hagiography বোলে। Hagiography হ'ল Sacred writings or literature[১] অৰ্থাৎ ধৰ্মবিষয়ক লিখনী, a collection of the lives of saints[২] অৰ্থাৎ সন্তসকলৰ জীৱনীকথা সংগ্ৰহ। The Century Dictionary[৩] মতে Hagiography হ'ল ধৰ্মবিষয়ক সাহিত্য, সন্তসকলৰ জীৱন কথাৰ সংগ্ৰহ আৰু Hagiology হ'ল সেই শ্ৰেণীৰ সাহিত্য য'ত সন্তসকলৰ জীৱন কথা আৰু উপাখ্যানসমূহ লিখা থাকে। Encyclopaedia Americana[৪], Hagiography সম্বন্ধে

১ The Concise Dictionary of Current English, fourth Ed. 1951, Page 543

২ Ibid, idem page 543.

৩ Vol. IV, page 2680

৪ International Edition, Vol. 3. 1976, page 967.

লিখিছে খৃষ্টানসকলৰ গিৰ্জাঘৰৰ ভুখৰীয়া ইতিহাস ব'ত খৃষ্টান সন্তসকলৰ উৎসৰ্গিত জীৱন কথা জড়িত আছে। তেওঁলোকৰ জীৱন কথা সমূহে সেই যুগৰ ইতিহাসকো প্ৰতিফলিত কৰিছিল আৰু সন্তসকলৰ জীৱনক মহৎ কৰি দেখুৱাই পাঠকসকলক মোহিত কৰিছিল।

'সন্ত জীৱনী সমূহৰ ৰচনা সম্বন্ধে H. Dunn-এ এবাৰ কথা কৈছিল, The church and its works were the important matters; man was only an instrument.[১] এই সন্ত জীৱনী বিলাকত গিৰ্জাঘৰ আৰু এইবোৰৰ কাৰ্য্যবিৱৰণী মুখ্য কথা আছিল, মানুহ মাত্ৰ সজুলি আছিল। সন্তসকলৰ সামগ্ৰিক জীৱন-কথা ইয়াত প্ৰতিফলিত হোৱা নাছিল। তেওঁলোকৰ জীৱনৰ এনে কিছুমান ঘটনাৱলীৰ বিৱৰণ আছিল, যাৰ যোগেদি সেই সময়ৰ অশিক্ষিত জনসাধাৰণৰ মনত বিস্ময় জগাই, আকৰ্ষিত কৰি নিউ উদ্দেশ্য সাধনত সফল হোৱাৰ চেষ্টা কৰিছিল। খৃষ্টধৰ্ম প্ৰচাৰত এই জীৱনীসমূহে যথেষ্ট ৰবঙণি যোগাইছিল। পাচলৈ সন্তসকলৰ জীৱনকথা গিৰ্জাঘৰৰ চাৰি সীমাৰ পৰা বহল পৰিসৰ লৈ ওলাই আহিল আৰু বাইজে আদৰি ললে। ই অতি জনপ্ৰিয় হৈ পৰিল।

এই সন্ত জীৱনী সমূহৰ ভাৱা যিয়েই নহওক ৰচনা পদ্ধতি সকলোকে একে আছিল। অৱশ্যে প্ৰথম অৱস্থাত অশিক্ষিত আৰু সহজতে ভোল যোৱা জনসাধাৰণৰ মুখে মুখেহে পুৰুষৰ পাচত পুৰুষ সংৰক্ষিত হৈ লিখিত ৰূপ পায়। ইটো পুৰুষৰ পাচত সিটো পুৰুষলৈ মুখ বাগৰি অহাৰ কাৰণে এইবোৰে উপাখ্যান, আখ্যানৰ ৰূপ পাইছিল। লিখি ৰখাটো তেতিয়াৰ দিনত ব্যয় বহুল আছিল।

মধ্যযুগত ধৰ্মক ভেটি কৰি যি জীৱনী সাহিত্য ৰচনা কৰা হৈছিল, সেইবোৰে ব্যক্তি মানৱৰ জীৱনকথা ৰচনা কৰাত বাধাস্বৰূপ আছিল। ব্যক্তি মানৱৰ জীৱন কথাৰ সেই যুগত নিজৰ কোনো স্বীকৃতি নাছিল, থিয়া নহৈছিল। এজন বুৰঞ্জীবিদে[২] সন্তজীৱনী সম্বন্ধে এটা মন্তব্য দাঙি ধৰিছিল, সন্তসকলৰ জীৱনীসমূহত যদিও আশ্চৰ্যজনক আৰু প্ৰত্যয় যাব পৰা সাধুকথাবে ভৰা, কিন্তু ইয়াৰ মাজতেই সেই সময়ৰ মানুহৰ জীৱন আৰু ৰীতিনীতি সম্বন্ধে অনেক তথ্য পোৱা যায়। কিছুমানটো শ্ৰেষ্ঠ লেখকৰ শ্ৰেষ্ঠ লোকজনৰ বিষয়ে লেখা জীৱনস্মৃতি কথা।

১ John A. Garraty, The Nature of Biography, page 55.

২ The Encyclopaedia Britannica, fourteenth Ed. 1929, Vol. II, Page 72.

যুগ পৰিবৰ্তন হোৱাৰ লগে লগে লেখকৰ দৃষ্টিভঙ্গী আৰু বিষয়বস্তুৰো পৰিবৰ্তন হ'ল। ব্যক্তি মানবৰ জীৱনকথাই সাহিত্যত স্থান পালে। জীৱনী সাহিত্যৰ বিষয়বস্তু ৰজা, মহাৰজা, সন্ত, বীৰপুৰুষ, খ্যাতিমান লোক আদিৰ পৰা আঁতৰি আহি জনতাৰ মাজ পালেহি। লেখকৰ দৃষ্টি যি চৰিত্ৰই আকৰ্ষণ কৰিলে, সেয়ে জীৱনীৰ বিষয়বস্তু হ'ল। অতিলৌকিকতাৰ স্থান বাস্তৱ ঘটনাই ললে। জীৱনীৰ নায়কৰ সমগ্ৰ জীৱনকথাৰ বাস্তৱ ৰূপ হ'ল আধুনিক জীৱনী সাহিত্যৰ বিষয়বস্তু। আধুনিক জীৱনীৰ বিষয়বস্তুৱে জীৱনীকাৰক নায়কৰ জীৱনৰ ঘটনাৱলীৰ লগত একাত্ম অনুভৱ কৰাই জীৱনী লিখিবলৈ দাবী কৰিলে যেন। আধুনিক জীৱনী সাহিত্যই জীৱনীকাৰক উপলব্ধি কৰালে, "এজন আধুনিক জীৱনীকাৰে, যদি তেওঁ সৎ হয়, এনেদৰে নেভাবে : "তেওঁ এজন মহান ৰজা, এজন বিশিষ্ট ৰাজনীতিবিদ, এজন ডাঙৰ লিখক, তেওঁৰ নামটো এটি প্ৰবাদত পৰিণত হৈছে, আৰু মই এই প্ৰবাদটোৰ ওপৰতেই বিশ্বাস কৰিব খোজো।" তেওঁ বৰং ভাবিব, "তেওঁ এজন মানুহ। মোৰ হাতত তেওঁৰ বিষয়ে কিছু সংখ্যক তথ্যপাতি আৰু কিছু সাক্ষ্য প্ৰমাণ আছে। মই এখন সুন্দৰ প্ৰতিকৃতি আঁকিব খুজিছো। এই প্ৰতিকৃতি কেনে ধৰণৰ হব মোৰ কোনো ধাৰণা নাই। বাস্তবিকতে এইখন শেষ কৰাৰ আগতে কোনো এক ধাৰণা কৰা মোৰ ইচ্ছাও নাই। মোৰ বিষয়বস্তুৰ সুদীৰ্ঘদিন ধৰি কৰা অধ্যয়নে কি প্ৰকাশ কৰে, তাক গ্ৰহণ কৰিবলৈ আৰু নতুনকৈ পোৱা কোনো বাস্তৱ তথ্যৰে তাক শুধৰাই লবলৈ মই সাজু।"[১]

---

[১] Andre' Mourois, Aspects of Biography 1929, page 12.

"The modern biographer, if he is honest, will not allow himself to think : "He is a great king, a great statesman, a great writer, around his name a legend has been built ; it is as the legend, and as the legend alone that I wish to dwelt." No, he thinks rather : He is a man. I possess a certain number of documents, a certain amount of evidence about him. I am going to attempt to draw a true portrait. What will portrait be ? I have no idea. I do not want to know before I have actually drawn it. I am prepared to accept what ever a prolonged temptation of my subject may reveal to me, and to correct it in proportion to such new facts as I discover."

অৰ্থাৎ আধুনিক জীৱনীকাৰে জীৱনী লিখিবলৈ লৈ ভাবিব নেলাগিব, যে তেওঁৰ নায়ক বজা, মহান ৰাজনীতিজ্ঞ লোক, বিশিষ্ট লেখক যাৰ নামত যেবি নানা উপাখ্যান আছে আৰু সেই উপাখ্যান সমূহক লৈহে তেওঁ জীৱনী লিখিবলৈ লৈছে। তেওঁ ভাবিব লাগিব, তেওঁৰ চকুৰ আগত এজন ব্যক্তি আছে, তেওঁৰ বিষয়ে কিছুমান তথ্যপাতি আছে, সেই সমূহক লৈয়ে মানুহজনৰ এখন প্ৰকৃত ছবি আঁকিবলৈ লৈছে। কি ছবি আঁকিব তেওঁৰ কোনো পূৰ্ব ধাৰণা নাই। তেওঁ ছবিখন আঁকাৰ আগতে কি আঁকিব তাকো জানিবলৈ নিবিচাৰে। মাত্ৰ দীৰ্ঘদিনৰ ভাবনা-চিন্তাৰ অন্তত যি ছবি ওলাব তাকে গ্ৰহণ কৰিবলৈ প্ৰস্তুত। জীৱনীকাৰৰ হাতত থকা সকল মানুহে তেওঁক যেনি লৈ যাব, তেনি যাব আৰু মানুহজনৰ সঁচা জীৱন ছবি এখন আঁকিব।

১৯১৪ চনত চিগ্‌মণ্ড ফ্ৰয়ডে Psychology of Everyday life গ্ৰন্থৰ যোগেদি জীৱনী সাহিত্যলৈ এটা নতুন দিশ মুকলি কৰিলে। তেওঁৰ লিখনীত বিশ্লেষণাত্মক মনোবিজ্ঞানে ঠাই পালে। পাঠকক মানৱ জীৱন সম্বন্ধে নতুন এটা দিশৰ প্ৰতি আকৃষ্ট কৰিলে। ফ্ৰয়ডে মনোবিশ্লেষণাত্মক দৃষ্টিৰে বিচাৰ কৰি মানৱ জীৱনকথাক পোহৰলৈ আনিলে। আৰু এইটোও লিখনীত প্ৰকাশ কৰিলে মানৱ জীৱনৰ বহুতবোৰ দুৰ্বোধ্যতা, জটিলতা আদিৰ সৃষ্টিত অৱচেতনমনে প্ৰভাব বিস্তাৰ কৰি থাকে।

কুৰি শতিকাৰ জীৱনী সাহিত্যলৈ G. A. Gardiner-ৰ With Prophets, Priests and Kings গ্ৰন্থই এটা নতুন অধ্যায় সূচনা কৰিলে। ১৯০৮ চনত এই গ্ৰন্থ প্ৰকাশ হয়। Late Prof. J. N Mundra আৰু Prof. C. L. Sahni-ৰ মতে, "G. A. Gardiner ushered in a new era in English Biography :[1] জি. এ. গাৰ্ডিনাৰে ইংৰাজী জীৱনী সাহিত্যত এটা নতুন যুগৰ সূচনা কৰি বাট দেখুৱাই দিলে। তেওঁৰ লিখনীৰ উদ্দেশ্য আছিল পাঠকক আনন্দ দিয়া। আধুনিক জীৱনী সাহিত্যৰ প্ৰথম বৈশিষ্ট্যই হ'ল সত্যৰ সন্ধানত সাহসী পদক্ষেপ। "the first characteristic of modern biography 'the courageous search for truth.'[2]

১ Advance Literary Essays, fourth Ed. 1965, page 93.

[illegible] Aspects of Biography, 1929, page 24.

জীৱনী সাহিত্য ৰচনা কৰিবলৈ গৈ আধুনিক জীৱনীকাৰে সত্যৰ সন্ধানত সাহসী পদক্ষেপেৰে আগুৱাই যাওঁতে মনোবিজ্ঞান, চিকিৎসা বিজ্ঞান, ৰাজনৈতিক অৱস্থা, সামাজিক পৰিস্থিতি, ধৰ্মীয় পৰিবেশ আদিৰো সহায় লবলৈ ললে। হেৰল্ড নিকলচনৰ (Harold Nicolson Life of King George খন এনে এখন জীৱনী য'ত অৰ্থনৈতিক আৰু সামাজিক আন্দোলনৰ লগত ৰাজনৈতিক ইতিহাসো জীৱনী লেখকজনৰ এলেকাৰ ভিতৰত সাঙুৰি লৈছে।[1]

সাহিত্য প্ৰকাশৰ এক প্ৰাচীনতম ৰূপ জীৱনী সাহিত্য আছিল। কিন্তু তেতিয়াৰ পৰা জীৱনী সাহিত্যই যুগ পৰিবৰ্তনৰ লগত ৰং ৰূপ সলাই কুৰি শতিকাত নিজস্ব ৰং ৰূপ লৈছেহি। সাহিত্যৰ আন আন শাখাৰ দৰে জীৱনী সাহিত্যৰ পৃথিৱীৰ সকলো ভাষাতে নিজস্ব আসন আছে আৰু আদৰো আছে।

---

১ Robert Gittings, The Nature of Biography, 1978, page 57.

দ্বিতীয় অধ্যায়

প্ৰাচীন ভাৰতীয় জীৱনী সাহিত্যৰ ইতিহাস

ভাৰতীয় পৰম্পৰাত সংস্কৃত ভাষা দেৱভাষা ৰূপে পৰিগণিত। প্ৰায় তিনি হেজাৰ বছৰ ধৰি ভাৰতত সংস্কৃতেই প্ৰভাৱশালী সাহিত্য হৈ আছিল। কিন্তু খৃষ্ট যুগ আৰম্ভ হোৱাৰ লগে লগে সংস্কৃত সাহিত্যৰ বিৰাট সৌধটো অন্ধকাৰে আৱৰি ধৰিলে। আনকি সংস্কৃত লেখকসকলৰ জীৱনী আৰু লেখনী সম্বন্ধে কোনো কথা জনাটো দুৰূহ হৈ পৰিল। ভাৰতীয় সাহিত্যৰ, সাহিত্যিকৰ ঘটনাপঞ্জী এনে অস্পষ্টতাত ঢাক খালে যে প্ৰাচ্যৰ পণ্ডিতসকলেও বৌদ্ধ সাহিত্যিকসকলৰ সংস্কৃত লেখনি সম্বন্ধে বহু সময়লৈকে অজ্ঞ আছিল।[১]

বৌদ্ধ সাহিত্যিক অশ্বঘোষ সংস্কৃত সাহিত্যৰ এজন আগশাৰীৰ লেখক। তেওঁৰ জীৱনকাল সম্বন্ধে নানা মতভেদ থকা দেখা যায়। ডঃ স্মিথৰ ভাৰতীয় ইতিহাস সম্বন্ধে লেখা কথাৰ পৰা জনা যায়, সাহিত্যৰ ক্ষেত্ৰত বৌদ্ধ লেখক নাগাৰ্জ্জুন, অশ্বঘোষ আৰু বসুমিত্ৰৰ লগতে কণিষ্কৰ নামো সংযোগ কৰা আছে।[২] পুথিগত আন আন উল্লেখৰ পৰা জনা যায় যে অশ্বঘোষ অযোধ্যাৰ এজন বৌদ্ধ সন্ন্যাসী আছিল আৰু তেওঁৰ মাকৰ নাম আছিল সুবৰ্ণাক্ষী। ইয়াৰ বাহিৰে আন বিশেষ কথা পাবলৈ নাই। কিন্তু তেওঁৰ ব্ৰাহ্মণ্য ধৰ্মৰ ভাৱধাৰা আৰু পৰম্পৰাৰ প্ৰতি সন্মানৰ কথাই তেওঁ এজন ব্ৰাহ্মণ লোক আছিল আৰু পাছলৈ বৌদ্ধ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ বৌদ্ধ ধৰ্ম গ্ৰহণ কৰে বুলি ধৰিব পৰা যায়।[৩]

অশ্বঘোষ প্ৰাচীন ভাৰতৰ প্ৰাচীনতম মহাকাব্য ৰচকসকলৰ এজন ৰূপে পৰিগণিত। তেওঁৰ ৰচিত "বুদ্ধ চৰিত"ক ভাৰতীয় জীৱনী সাহিত্যৰ প্ৰথম

১ Gaurinath Sastri. A Concise History of Classical Sanskrit, 1960, Page 58.

২ Ibid, Pag. 63.

৩ Krishna Chaitanya, A New Hist. of Sanskrit Literature, 1962, Page 243.

জীৱনী গ্ৰন্থ বুলি ধৰিব পৰা যায়। তিব্বতীয় আৰু চীন দেশীয় পৰম্পৰাত উল্লেখিত সূত্ৰৰ পৰা জনা যায় যে অশ্বঘোষ কণিষ্কৰ সমসাময়িক লেখক অৰ্থাৎ দুই খৃষ্টাব্দৰ লেখক। Winternitz[১]-ৰ মতেও দ্বিতীয় খৃষ্টাব্দৰ অশ্বঘোষ এজন বৌদ্ধ ধৰ্মাবলম্বী সংস্কৃত নাট্যকাৰ আৰু মহাকাব্যৰ ৰচক কবি, যাৰ লেখনীৰ শৈলী আৰু তাৰ ৰাজসভাৰ অলঙ্কৃত কবিতাৰ শাৰীৰ। আনফালে এইটোও পোৱা যায়, বৌদ্ধ পৰম্পৰা অনুসৰি যে অশ্বঘোষ ৰজা কণিষ্কৰ সমসাময়িক লোক অৰ্থাৎ প্ৰথম খৃষ্টাব্দৰ লোক। এজন বৌদ্ধ সন্ন্যাসীয়ে প্ৰাচীন মহাকাব্য ৰচনা কৰাৰ নিয়ম পালন কৰি বুদ্ধদেৱৰ আখ্যান ৰচনা কৰাটোৱেই প্ৰমাণ কৰে যে ব্ৰাহ্মণ্য ধৰ্মৰ কৃত্ৰিম কবিতা ৰচনা কৰা পদ্ধতি সেই সময়ত কিমান জনপ্ৰিয় আছিল।[২]

'বুদ্ধ চৰিত' সম্বন্ধে চীনা পৰিব্ৰাজক আই চিঙে (I Tsing) কৈছে যে গোটেই ভাৰতৰ পাঁচটা খণ্ডত আৰু দক্ষিণৰ সাগৰীয় অঞ্চলতো 'বুদ্ধ চৰিত' মানুহে বিস্তৃত ভাবে পঢ়িছিল আৰু আবৃত্তি কৰিছিল। কম শব্দৰ মাজেদি বহুত অৰ্থ আৰু ভাব প্ৰকাশ কৰাৰ কাৰণে অশ্বঘোষৰ 'বুদ্ধ চৰিত' পাঠকসকলৰ পঢ়ি বা আবৃত্তি কৰি আমনি নেলাগিছিল, বৰং অন্তৰেৰে আনন্দ উপলব্ধি কৰিছিল। আনকি এই গ্ৰন্থ পঢ়াৰ লগে লগে পাঠকসকলে অতি সংক্ষেপতে মহৎ তত্ত্বসমূহ জানিবলৈ সক্ষম হৈছিল। এজন প্ৰকৃত কবিয়ে প্ৰথমবাৰৰ কাৰণে বুদ্ধদেৱৰ প্ৰকৃত জীৱন কথাক অতি প্ৰেম ভাবেৰে আৰু ভক্তি ভাবেৰে অংকন কৰিলে।[৩]

'বুদ্ধ চৰিত'ত অতি পৰিকল্পিত ভাবে অশ্বঘোষে কাহিনী ভাগ সজাইছে। লেখনীৰ প্ৰাচীন পৰম্পৰা ৰক্ষা কৰি বুদ্ধদেৱৰ আখ্যানক নতুন সাজত, কবিতাৰ ৰূপত সজাই সাহিত্যৰ জগতলৈ অশ্বঘোষে উপহাৰ দিলে। 'বুদ্ধ চৰিত'ৰ লেখক অশ্বঘোষ প্ৰকৃত অৰ্থৰ এজন কবি ৰূপে পৰিগণিত হ'ল।

'বুদ্ধ চৰিত'ৰ বিষয়বস্তু ভগবান বুদ্ধৰ জীৱন কথা। সংস্কৃতত ৰচিত ১৭টা পৰিচ্ছেদত পোৱা 'বুদ্ধ চৰিত'ৰ ১৩টা মাত্ৰ অশ্বঘোষৰ ৰচিত আৰু বাকী কেইটা পৰিচ্ছেদ ১৯ শতিকাৰ আগ ভাগত জনৈক অমৃতানন্দই সংযোগ কৰিছিল। অমৃতানন্দই উল্লেখ কৰিছে যে যি কেইটা পৰিচ্ছেদ তেওঁ ৰচনা কৰি সংযোগ কৰিলে, সেই কেইটা মূল গ্ৰন্থৰ লগত নোপোৱাৰ কাৰণে তেওঁ লিখি সংযোগ

---

১ History of Indian Literature, Vol. III, Part I, 1963, Page 38.

২ Arthur Macdonall, Hist. of Sanskrit Literature, Second Indian Ed.

৩ Winternitz, A Hist. of Indian Literature, Vol II, Page 259.

কৰিলে।[১] কিন্তু চীনা সংস্কৰণ, ৪১৪-৪২১ খৃষ্টাব্দ আৰু তিব্বতীয় সংস্কৰণত 'বুদ্ধ চৰিত'ৰ আঠাইছটা পৰিচ্ছেদত পোৱা গৈছে। চীনা পৰিব্ৰাজক আই-চিঙৰ (I Tsing) লিখনিত এই কথাৰ উল্লেখ আছে।

অশ্বঘোষে 'বুদ্ধ চৰিত' ৰচনা কৰা সম্বন্ধে গ্ৰন্থৰ শেষত লেখিছে ; বুদ্ধৰ মহৎ শিক্ষিসমূহে জগতৰ শ্ৰদ্ধা, সন্মান আদায় কৰিবলৈ সক্ষম হৈছে। তেওঁৰ এই লেখনিৰ উদ্দেশ্য ঈশ্বৰস্বৰূপ সন্ন্যাসীজনৰ যশস্যা-গীত গোৱা, তেওঁৰ জীৱনৰ প্ৰথমৰ পৰা শেষলৈকে কাৰ্য্যৰ বিৱৰণী দাঙি ধৰা, প্ৰাচীন লিখনীসমূহে কি কৈছে তাক অনুসৰণ কৰি জগতৰ মহৎ উপকাৰ সাধন কৰা ; নিজৰ যশস্যা বঢ়োৱাৰ চেষ্টা কৰা নহয়।[২] হিন্দুলোকৰ কাৰণে 'ৰামায়ণ'ৰ যি স্থান, বুদ্ধ পৰম্পৰাটো অশ্বঘোষৰ 'বুদ্ধ চৰিত'ৰ সেই স্থান।

অশ্বঘোষে ইয়াকো উল্লেখ কৰিছে যে তেওঁৰ লিখনি বৃহৎ সংখ্যাৰ জনসাধাৰণৰ কাৰণেহে, কেৱল শিক্ষিত কিছু সংখ্যক লোকৰ কাৰণে নহয়, শান্তি পাবৰ কাৰণেহে, লিখনিৰ কৌশল প্ৰদৰ্শনৰ কাৰণে নহয়।[৩]

বুদ্ধদেৱৰ জীৱন-কথা লৈ আৰু এখন গ্ৰন্থ 'পত্ত চূড়ামণি' নামৰ দহটা পৰিচ্ছেদ পোৱা যায়। লেখকৰ নাম বুদ্ধ ঘোষ। হয়তো এওঁ কালিদাসৰ পাচৰ লেখক আৰু লেখক হিচাবে হয়তো সিমান বিখ্যাত নাছিল। হয়তোবা কালিদাস আৰু অশ্বঘোষৰ লেখনিৰ লগত পৰিচয় থকা কোনোবা অখ্যাত লেখক আছিল। এইজন বুদ্ধ ঘোষ নিশ্চয় তেতিয়াৰ দিনৰ বিখ্যাত টীকাকাৰ বুদ্ধ ঘোষ জন নহয়।[৪]

ৰজা হৰ্ষবৰ্দ্ধনৰ পৃষ্ঠপোষকতাত বাণভট্টই 'হৰ্ষ চৰিত' পুথি ৰচনা কৰিছিল। হৰ্ষবৰ্দ্ধনে সপ্তম খৃষ্টাব্দত উত্তৰ ভাৰতৰ থানেশ্বৰ আৰু কনৌজৰ শাসনকৰ্ত্তা আছিল।[৫] 'হৰ্ষচৰিত'ৰ প্ৰথম দুটা আৰু তৃতীয় অধ্যায়ৰ আধালৈকে বাণভট্টই নিজ বংশ পৰিচয় দিছে।

---

১ Keith, A Hist. of Sanskrit Literature. 1966 Page 56.

২ Krishna Chaitanya. The New Hist. of Sanskrit Literature. 1962. Page 243.

৩ S.N. Dasgupta, A Hist. of Sanskrit Literature, 1962, Page 25

৪ Macdonell, A Hist. of Sanskrit Literature, 1971, Page 280

৫ Ibid, Page 268

বাণভট্টৰ 'হৰ্ষচৰিত' সংস্কৃত সাহিত্যৰ আখ্যায়িকাৰ শাৰীৰ সাহিত্যৰ আৰ্হি স্বৰূপে পাচৰ যুগৰ লেখকসকল, যেনে ৰাজশেখৰেই লৈছিল।[১] হৰ্ষচৰিতত বাণে হৰ্ষবৰ্দ্ধনৰ দিনৰ কোনো ৰাজনৈতিক ইতিহাসৰ ছবি দাঙি ধৰিবলৈ চেষ্টা কৰা নাই। তেওঁৰ লেখনিৰ মাজত তেওঁৰ পূৰ্ববৰ্ত্তী লেখকসকলৰ বিষয়ে, সমাজ জীৱনৰ বিস্তৃত বিৱৰণ, ৰাজসভা, শান্ত পৰিৱেশৰ গাওঁবিলাক য'ত বৃহৎ পৰিমাণৰ জনসংখ্যাৰে ভৰি আছিল, অতি নিবিবিলি হিন্দু আৰু বৌদ্ধ মঠবিলাকৰ বিষয় বিৱৰণ দাঙি ধৰিছে।[২]

'হৰ্ষচৰিত'ত বাণভট্টই সেই যুগৰ ভাৰতীয় সমাজ ব্যৱস্থা, ৰাজনীতি আৰু জনসাধাৰণৰ আদৱ-কায়দাৰ এখন জীৱন্ত ছবি অংকন কৰিছে।[৩] আনহাতে বাণক এজন প্ৰকৃতি-প্ৰেমী বুলিও ধৰিব পৰা যায়।[৪]

সংস্কৃত সাহিত্যাকাশৰ হাতীপতি শৰীৰ, বাণই হ'ল অন্যতম উজ্জ্বল নক্ষত্ৰ। সংস্কৃত গদ্যসাহিত্যৰ বাণ হ'ল যুৱৰাজ আৰু নিজৰ সীমাত অকলেই চিৰ স্থি- আছে।[৫]

"হৰ্ষচৰিত'ৰ নায়ক এজন ঐতিহাসিক ব্যক্তি। তেওঁৰ চৰিত্ৰ অংকন কৰাৰ সহজ কথা নহয়। কিন্তু বাণে অতি কৃতিত্বৰে সেই কাম সমাধা কৰিছে। নায়কৰ প্ৰতি তেওঁ ক'তো অনুগ্ৰহ প্ৰদৰ্শন কৰা নাই। তথাপি বাণভট্টই নিজকে বিষয়বস্তুৰ লগত অতি সুচাৰু ৰূপে পৰিচিত কৰি লয়। এইটোও দেখা গৈছে যে লেখকে তেওঁৰ নায়কৰ প্ৰতি ক'তো অনুগ্ৰহ প্ৰদৰ্শন কৰা নাই আৰু বিৱৰণ সমূহ স্বাধীন ভাৱে প্ৰমাণ আৰু সাক্ষ্যৰ দ্বাৰা সাব্যস্ত কৰিছে।"[৬]

---

১ Kith, A Hist. of Indian Literature, 1933 Page 319

২ Krishna Chaitanya, Hist. of Sans. Lit. 1962, Page 390

৩ F.W. Thomas and E.B. Cowbell translated, The Harshacarita 1961 Page X

৪ P.V. Kane ed. Harshacarita 1917 Page XXIV

৫ S.D. Gajendra Gadkar, ed Harshacarita Page XXXVIIII

৬ In the Harshacarita the hero is a historic personage. The author's task is there by renderød more difficult. Yet Bana acquitted himself most creditably. It will be seen later on that he has nowhere stretched any point of favour of his hero and that his version is generally corroboratted by independent evidence". P.V. Kane ed. Harshacarita of Bana-Bhatta 1917 Page XXV

'হৰ্ষচৰিত' এখন ৰোমাণ্টিক গদ্য কাব্য, য'ত হৰ্ষবৰ্দ্ধনৰ জীৱন কথাক অতি কৃতিত্বৰে অংকন কৰিছে।

প্ৰাচীন নাট্যকাৰসকলৰ মাজৰ এজন অতি উচ্চ শ্ৰেণীৰ নাট্যকাৰ হ'ল ভৱভূতি। বয়সত নবীন, কিন্তু সাহিত্য ৰচনাৰ ক্ষেত্ৰত ভাৰতীয় সাহিত্যত কালিদাসৰ পাচতেই নাম লব পৰা নাট্যকাৰ হ'ল ভৱভূতি। তেওঁৰ ৰচিত "উত্তৰ ৰাম চৰিত" নাটকীয় কলা কৌশল আৰু চৰিত্ৰ অংকনৰ ওপৰত থকা দখলৰ কথা সুস্পষ্ট। "উত্তৰ ৰাম চৰিত" ভৱভূতিৰ নিঃসন্দেহে শ্ৰেষ্ঠ ৰচনা। 'দশকুমাৰ চৰিতো' দণ্ডীৰ ৰচিত জীৱনী গ্ৰন্থ। দণ্ডী বোধহয় ষষ্ঠ খৃষ্টাব্দৰ সংস্কৃত লেখক।[১] "হৰচৰিত চিন্তামণি' জয়দ্ৰথৰ এখন ৩২ পৰিচ্ছেদত বিভক্ত গ্ৰন্থ। প্ৰকৃত অৰ্থত জয়দ্ৰথৰ 'হৰচৰিত চিন্তামণি' সংস্কৃতত লিখা মহাকাব্যৰ শাৰীৰ নহয়, পুৰণি শ্লোক ছন্দত লিখা গ্ৰন্থহে। শ্ৰীহৰ্ষৰ 'নৈষধ চৰিত' সংস্কৃত সাহিত্যৰ পাচখন মহাকাব্যৰ ভিতৰত বুলি গণ্য কৰা হয়[২] আৰু দু হেজাৰ আঠশটা কবিতাৰ শাৰীত ৰচনা কৰিছে। এই সমূহ গ্ৰন্থক জীৱনী গ্ৰন্থৰ শাৰীত উল্লেখ কৰা হল যদিও, বিস্তৃত বিবৰণ দিয়াৰ আৱশ্যক বুলি ভবা নহ'ল কাৰণ প্ৰকৃত অৰ্থত জীৱন চৰিত নহয়। কাৰণ ইয়াৰ চৰিত্ৰ সমূহ কোনো ঐতিহাসিক ব্যক্তি বা কোনো মানৱ চৰিত্ৰ নহয়।

হেমচন্দ্ৰ জৈন ধৰ্মত দীক্ষিত হোৱা এজন সংস্কৃত আৰু প্ৰাকৃত উভয় ভাষাতে দখল থকা কবি। তেওঁ ৰচিত 'কুমাৰ পাল চৰিত' আঠাইছটা পৰিচ্ছেদত বিভক্ত। প্ৰথম কুৰিটা পৰিচ্ছেদ সংস্কৃতত আৰু বাকী আঠটা প্ৰাকৃতত লেখিছে। হেমচন্দ্ৰ ১০৮৮ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰিছিল আৰু তেওঁ "কলিযুগৰ সৰ্ব্বজ্ঞ" লোক বুলি জনা যায়।[৩]

'কুমাৰ পাল চৰিত'ত অনহিলবিদ ৰাজবংশৰ কথা, বিশেষকৈ কুমাৰ পালৰ কাহিনী কথা আছে। গ্ৰন্থৰ যি কেইটা পৰিচ্ছেদ প্ৰাকৃতত লেখিছে, তাৰ যোগেদিয়েই প্ৰাকৃত ভাষাৰ যোজনা, ব্যকৰণৰ ওপৰত তেওঁৰ কিমান দখল আছিল

১ Krishna Chaitanya, A New Hist. of Sanskrit Litarature 1962, Page 250

২ S.N. Dasgupta, A Hist. of Sanskrit Literature, Vol I, 1962, Page 325

৩ Krishna Chaitanya, Hist. of Classical Sanskrit Lit.; 1970, Page 173 174

ভাষাকেই সোমুৱাবৰ চেষ্টা কৰিছে। প্ৰাকৃত ভাষাত থকা দুটা বেলেগ বেলেগ কথিত ভাষা তেওঁ অন্তৰ্ভুক্ত কৰিছে।

'কুমাৰপাল চৰিত'ৰ বাহিৰেও আন দুখন চৰিত পুথি হেমচন্দ্ৰই ৰচনা কৰিছিল, 'হেমকুমাৰ চৰিত' আৰু 'সুমতি নাথ চৰিত'।

ভাৰতীয় কবিসকল অতি কঠিন কাব্য ৰচনা কৰাতো সিদ্ধহস্ত আছিল। সন্ধ্যাকৰ নন্দীৰ 'ৰামপাল চৰিত' তেনে এখন গ্ৰন্থ। 'ৰামপাল চৰিত'ৰ প্ৰত্যেক পদচৰণ বা শ্লোক দুটা অৰ্থত ব্যৱহাৰ কৰিছে। এটা অৰ্থৰে 'ৰামায়ণ' মহাকাব্যৰ নায়ক শ্ৰীৰামৰ কথা আৰু আনটো অৰ্থৰে ৰজা ৰামপালৰ কথা বুজাইছে যিজনে ১১ খৃষ্টাব্দত ৰাজত্ব কৰিছিল।

১৮৯৭ খৃষ্টাব্দত 'ৰাম চৰিত'ৰ পাণ্ডুলিপি পণ্ডিত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে উদ্ধাৰ কৰিছিল। Winternitz[1]এ 'ৰামপাল চৰিত' বুলি উল্লেখ কৰিছে। হৰপ্ৰসাদ শাস্ত্ৰীয়ে 'ৰামচৰিত' বুলি উল্লেখ কৰিছে। হৰপ্ৰসাদ শাস্ত্ৰীয়ে মুখবন্ধত[2] উল্লেখ কৰিছে, 'ৰাঘৱ-পাণ্ডবীয়ৰ অনুকৰণত এই গ্ৰন্থ লিখিছে। এটা ধৰণে পঢ়িলে ৰামায়ণ সম্পৰ্কীয় কাহিনী পোৱা যাব। আৰু অন্য এক ধৰণে পঢ়িলে বঙ্গদেশৰ পাল ৰাজবংশৰ ৰামপালদেৱৰ কাহিনী পোৱা যাব।'

'ৰামায়ণ'ৰ ৰামৰ কাহিনী সৰ্বজনবিদিত কথা। কিন্তু পাল ৰাজবংশৰ ৰামপালৰ কথা সিমান প্ৰসিদ্ধ নহয়। গ্ৰন্থৰ লেখক সন্ধ্যাকৰ নন্দীয়ে ৰজা ৰামপালৰ পুত্ৰ মদনপালৰ দিনত এই গ্ৰন্থ লেখে। কবি নন্দীয়ে ৰজা ৰামপালৰ বিষয়ে বিশদ ভাবে জনাৰ সুযোগ পাইছিল। কাৰণ তেওঁৰ দেউতাক ৰজা ৰামপালৰ "সন্ধি বিগ্ৰহক" অৰ্থাৎ যুদ্ধ আৰু শান্তি বিভাগৰ মন্ত্ৰী আছিল।

কবি নন্দীয়ে গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰাৰ প্ৰতি ইচ্ছুক নাছিল। কিন্তু কবি সমাৰোহত তেওঁ মাজে সময়ে পাঠ কৰোতে ই জনাজাত হৈ পৰিল। তেতিয়া তেওঁৰ বন্ধুসকলে প্ৰকাশ কৰাৰ কথাত হেঁচা দিয়ে।

---

১ Hist, of Indian Lit. 1963 Page 82

২ It is written in immitation of the Raghava-Pandaviya. Read one way, it gives the connected story of Ramaayaana. Read another way, it gives the story of Ramapaladeva of Pala dynasty of Bengal'. Rama-carita of Sandhyakar Nandi, 1910 Page 1

গ্ৰন্থত ৰামপালক ৰাম বুলিয়েই উল্লেখ কৰিছে। গতিকে নন্দীয়ে নিজকে 'কলিকালৰ বাল্মীকি' বুলিছে। 'ৰামপাল যেনেকৈ ৰাম, গতিকে কবিয়েও নিজকে কলিকালৰ বাল্মীকি বুলিছে।'[১]

'ৰাম চৰিত' এখন অনন্য গ্ৰন্থ। ইয়াত উত্তৰ বঙ্গৰ সকল আন্দোলনৰ এটা ঐতিহাসিক বিৱৰণ আছে। য'ত পালবংশৰ ৰজা মহিপালৰ জীৱন আৰু সিংহাসন পুনৰ লাভৰ আৰু কনিষ্ঠ ভ্ৰাতৃ ৰামপালে মোমায়েকৰ ৰাজ্য আগৰ অৱস্থালৈ ঘূৰাই অনাৰ সুন্দৰ বিৱৰণ আছে। গ্ৰন্থকাৰে শেষ অধ্যায়ৰ 'কবি প্ৰশস্তি'ত নিজ পৰিচয় দাঙি ধৰিছে।

'ৰামচৰিত'ত কবি নন্দীয়ে কেৱল ৰামপালৰ যশস্যাই গাব খুজিছিল যেন লাগে গ্ৰন্থৰ শিৰোনামাৰ পৰা। কিন্তু তেওঁ গ্ৰন্থ লেখি শেষ কৰাৰ আগতেই তিনিজন ৰজাই পাল বংশৰ সিংহাসনত আৰোহণ কৰে। গতিকে নন্দীয়ে ৰামপালৰ মৃত্যুৰ পাচতো গ্ৰন্থত কুমাৰপাল, গোপালৰ কথা উল্লেখ কৰি, শেষৰ ৩৬টা শ্লোকত ৰামপালৰ পুত্ৰ মদনপালৰ জীৱন আৰু ৰাজত্বকালৰ কথা লিপিবদ্ধ কৰিছে।[২]

আগতে উল্লেখ কৰা হৈছে যে 'ৰামচৰিত'ৰ পাণ্ডুলিপি মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ১৮৯৭ খৃষ্টাব্দত উদ্ধাৰ কৰিছিল। "ডঃ হৰপ্ৰসাদ শাস্ত্ৰী মহাশয়ে তালপাতত লেখা ইয়াৰ এখন মাত্ৰ পাণ্ডুলিপি নেপালত পাইছিল। গ্ৰন্থৰ পাণ্ডুলিপি আনুমানিক খৃষ্টীয় দ্বাদশ-ত্ৰয়োদশ শতাব্দীত (প্ৰাচীন) বাংলা আখৰত লেখা পাণ্ডুলিপিৰ পৰা সমগ্ৰ কাব্যখনিৰ শ্লোকাৱলী এজন লেখকৰ দ্বাৰা লিখিত আৰু প্ৰথম পৰিচ্ছেদৰ সকলো শ্লোকত আৰু দ্বিতীয় পৰিচ্ছেদৰ প্ৰথম ৩৫টি শ্লোক পৰ্যন্ত কাব্যৰ প্ৰাপ্তী) টীকাৰ অংশখিনি দ্বিতীয় এজন লেখকৰ দ্বাৰা লিখিত বুলি পৰিদৃষ্ট হয়।"[৩]

বিহ্লণৰ 'বিক্ৰমাংকদেৱ চৰিত' গ্ৰন্থত চালুক্য যুৱৰাজসকলৰ ইতিহাস আছে। গ্ৰন্থৰ আৰম্ভণী চালুক্য ৰাজবংশ সম্বন্ধে থকা পৌৰাণিক কাহিনীৰে কৰিছে। এই গ্ৰন্থৰ পৰা এইটো ধৰিব পৰা যায় যে ভাৰতীয় কবিসকলে ঐতিহাসিক ঘটনা-সমূহতো পৌৰাণিক আখ্যান বা সাধুকথাৰ পোচাক পিন্ধাই অংকন কৰিবলৈ ভাল

১ As Rampala was Ram, so the poet calls himself Kalika'a Valmiki. Ramacarita of Sandhyakar Nandi; Ed. Haraprasad Sastri, 1910, Page 2.

২ Dr. R. C. Majumdar and others ed, Ramcharita of Sandhyakar Nandi, 1939, Page XXXIV.

৩ গৌড়কবি সন্ধ্যাকৰ নন্দী, ৰামচৰিত, ডঃ ৰাধাগোবিন্দ বসাক প্ৰণীত ১৯৫০, পৃষ্ঠা ১১।

পায়। "এই গ্ৰন্থখনিয়ে ভাৰতীয় কবিসকলে কিদৰে ঐতিহাসিক ঘটনাৱলীক আধ্যাত্মিকতাৰ সাজেৰে সদায় পৰাই উলিয়াইছিল, তাৰ চিত্ৰ দাঙি ধৰিছে।"[১] চালুক্য ৰাজবংশৰ যুৱৰাজসকলৰ, সোমেশ্বৰ ১ম, সোমেশ্বৰ ২য় আৰু আংশিকভাবে বিক্ৰমাদিত্য ৪ৰ্থৰ, যি কেইজনে ১০৭৬ খৃষ্টাব্দৰপৰা ১১২৭ খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল, তেওঁলোকৰ কথা বৰ্ণনা কৰিছে।

'বিক্ৰমানকদেৱ চৰিত'ত বৰ্ণিত কাহিনী ঐতিহাসিক বুলি চালুক্যবংশৰ বহুত অনুশাসনাৱলীত উল্লেখ আছে। বিল্‌হনৰ গ্ৰন্থখন ৰচনা কৰাৰ অন্য এটা উদ্দেশ্যও আছিল সেইটো হৈছে, কবিতা ৰচনা কৰোঁতে সকলো নিয়ম ৰক্ষা কৰিও কবি হিচাবে তেওঁৰ পাৰদৰ্শিতা দেখুৱাটো।

সংস্কৃত মহাকাব্য ৰচনাৰ যি গঠন আৰু উদ্যম তেতিয়া আছিল ; সেই ধাৰাতে জৈন কবিৰ এটা দলে, তেওঁলোকৰ জৈন উপাখ্যান, আখ্যানসমূহক সংস্কৃত সাহিত্যত ৰূপ দিছিল ! ইতিহাস আৰু জীৱনীমূলক বিষয়ৰ ওপৰত ভিত্তি কৰি। ইয়াৰ বেছি ভাগেই মহাকাব্যৰ শাৰীলৈ উঠিব পৰা নাছিল। মানিক চন্দ্ৰ দিগম্বৰ জৈন গ্ৰন্থমালাৰ, ১৯৩৮ খৃষ্টাব্দত প্ৰকাশিত আৰু এ· এন· উপাধ্যায়ৰ সম্পাদিত "বৰাঙ্গ চৰিত" (Varanga Charita) প্ৰাচীনতম গ্ৰন্থ। ৩১টা পৰিচ্ছেদৰ বৰ্ণিত "বৰাঙ্গ চৰিত'ত জৈন উপাখ্যানত থকা বৰাঙ্গৰ কাহিনী আছে আৰু ধৰ্মীয় কথা ৰূপে বৰ্ণনা কৰা হৈছে। অন্ততঃ ৯টা পৰিচ্ছেদত জৈন ধৰ্মত থকা তত্ত্বকথা (dogmatics) আছে। গ্ৰন্থৰ ৰচক আৰু সময়ৰ কোনো উল্লেখ নাই। গ্ৰন্থৰ সম্পাদক এ· এন· উপাধ্যায়ে গ্ৰন্থ ৰচনাৰ সময় ৭ খৃষ্টাব্দ বুলি অনুমান কৰিছে আৰু গ্ৰন্থকাৰ জটাসিংহ নন্দিকৰ এজন জৈন সন্ন্যাসী বুলি অনুমান কৰিছে।[২] গ্ৰন্থৰ বিষয়বস্তু মাহীমাকৰ ঈৰ্ষা, মন্ত্ৰীৰ বিশ্বাসঘাতকতা, নায়কৰ অৰণ্যৰ মাজত বিচৰণ আৰু দুঃসাহসিক অভিযান আৰু শেষত নিজ ৰাজ্য লাভ।

'যশোধৰ চৰিত' বৰ্জা যশোধৰৰ আখ্যান কথাৰ সম্পাদনা কৰিছে টি· এ· গোপীনাথ ৰাৱে, সৰস্বতী বিলাসমালা, তানযোৰ, ১৯৩২ চন। এই গ্ৰন্থৰ সময় এঘাৰ খৃষ্টাব্দৰ আৰম্ভণী।

---

১ "This book goes to show that poets in India have had always the fancy for dressing even historical events in any mythical garb." Winternitz, Hist. of Indian Literature, 1963, Page 93.

২ S. N. Dasgupta, A History of Sanskrit Literature, Vol I, 1962, Page 348.

তেষষ্টিজন মহৎ লোকৰ জীৱনী সম্বলিত জীৱনী গ্ৰন্থ হল 'ত্ৰিসষ্টিলক্ষণ মহা পুৰাণ' অৰ্থাৎ তেষষ্টিজন মহৎলোকৰ মহাপুৰাণ বা চমুকৈ 'মহা পুৰাণ' বুলিও কয়। ইয়াৰ আদি পুৰাণত ৪৭টা আখ্যান আছে। ইয়াৰ ৪২টা জিন সেনে লেখা আৰু বাকী ৫টা তেওঁৰ শিষ্য গুণভদ্ৰই লেখা। আৰু উত্তৰ পুৰাণ খণ্ড কেবল গুণভদ্ৰই ৰচনা কৰা। ইয়াত অকল মহান লোক কেইজনৰ জীৱন কথাকেই সন্নিবিষ্ট কৰা নাই বৰং ই "পৃথিবীৰ ইতিহাস" দিব পৰা আৰু জৈন ধৰ্ম সংগঠন সম্বন্ধে বাতৰি দিব পৰা বিশ্বকোষ।[১]

'ত্ৰিসষ্টিসলাকা পুৰুষ চৰিত' বিখ্যাত জৈন সন্ত হেমচন্দ্ৰৰ ৰচিত ৬৩ জন মহৎ লোকৰ জীৱন কথা। ১১৬০ খৃষ্টাব্দৰ পৰা ১১৭২ খৃষ্টাব্দৰ ভিতৰত হেমচন্দ্ৰ জৈন ধৰ্মত দীক্ষিত হোৱা শিষ্য ৰজা কুমাৰ পালৰ ইচ্ছানুসৰি লেখিছিল। গ্ৰন্থৰ ভাষা সম্বন্ধে লেখকে নিজেই উল্লেখ কৰিছে, অলঙ্কৃত মহাকাব্য বুলি।

হেমচন্দ্ৰই 'শালিভদ্ৰ চৰিত'ত শালিভদ্ৰৰ কাহিনী চমুকৈ ৰচনা কৰিছে ৭টা পৰিচ্ছেদত। ৰচনাৰ সময় ১২৭৭ খৃষ্টাব্দ। গুণধ্যায়ৰ 'জীৱনধাৰা চৰিত'ত ৫০৯টা শ্লোকত আৰু হৰিভদ্ৰই 'জীবন্ধাৰা চম্পু'ত উত্তৰ পুৰাণৰ জীবন্ধাৰাৰ আখ্যানক জীৱনী ৰূপ দিছে। ১৯টা পৰিচ্ছেদত ৰজা জয়ন্তৰ আখ্যান বৰ্ণনা কৰা আন এখন গ্ৰন্থ হল 'জয়ন্ত বিজয়'। লেখক হল অভয় দেৱসুৰি আৰু ১২২১ খৃষ্টাব্দত ৰচনা কৰিছিল। ১৫ খৃষ্টাব্দৰ মাজ ভাগৰ কবি চাৰিত্ৰসুন্দৰৰ ৰচিত 'মহিপাল চৰিত'ত মহিপালৰ সাধুৰ ওপৰত ভিত্তি কৰা গ্ৰন্থ। ১৯০৯ খৃষ্টাব্দত হীৰালাল হংসৰাজ, জামনগৰ, সম্পাদনা কৰিছিল।

চৰিত শ্ৰেণীৰ কাব্যও ৰচিত হৈছিল। এইবোৰৰ ভিতৰত 'ভুবন ভুয়োদয়', 'ক্ষেমভূপাল চৰিত', 'বস্তুপাল চৰিত' আদি উল্লেখযোগ্য।

'বস্তুপাল চৰিত' জিন হৰ্ষৰ ৰচনা। বস্তুপালক এই গ্ৰন্থত এজন ৰাজনীতিজ্ঞ, যুদ্ধাৰু, সৰ্বজন হিতকাৰী লোক, মন্দিৰ আদি নিৰ্মাতা আৰু কবিসকলক ৰক্ষা কৰোতা বা পালন কৰোতা লোক হিচাবে অঙ্কন কৰিছে। তেওঁ এটা প্ৰকাণ্ড পুথিভঁৰাল স্থাপন কৰিছিল, য'ত তেওঁ যিমান সম্ভৱ সিমান সংখ্যাৰ সাহিত্য ৰচনা সমূহক সংৰক্ষণ কৰিছিল। এই "বস্তুপাল চৰিত" গ্ৰন্থ ১২২০ অৰ পৰা ১২৩০ খৃষ্টাব্দৰ ভিতৰত ৰচনা কৰিছিল।

---

১ Winternitz, Hist of Indian Literature, 1977, Page 498.

'কীৰ্ত্তি কৌমুদি' সোমেশ্বৰৰ ৰচিত এখন গ্ৰন্থ। ইয়াত ১১৭৯ খৃষ্টাব্দৰ পৰা ১২৩২ খৃষ্টাব্দৰ মাজৰ সময় চোৱাত ৰাজত্ব কৰা গুজৰাটৰ ভাগেতা ৰাজবংশৰ ৰজাৰ মন্ত্ৰী আছিল বস্তুপাল। 'কীৰ্ত্তি কৌমুদি' বস্তুপালৰ জীৱনকথা।

ঐতিহাসিক মহাকাব্যবিলাক কেৱল শাসনকৰ্ত্তা বা মন্ত্ৰীসকলৰ জীৱন কথাতে সীমাবদ্ধ থকা নাছিল। 'জগদু চৰিত' এজন সাধাৰণ সদাগৰৰ জীৱন-কাহিনী। ৰচক হ'ল সৰ্বানন্দ। জগদুৱে নিজা চহৰ গুজৰাটত বেৰ দিয়াৰ কাম কৰোতে বহুত সহায় কৰিছিল আৰু ১২৫৬—১২৫৮ খৃষ্টাব্দত দেশত দেখা দিয়া আকালৰ পৰাৰ পৰা ৰক্ষা পাবৰ কাৰণে অশেষ চেষ্টা কৰিছিল। ই ৭টা পৰিচ্ছেদত ৰচিত আৰু আখ্যা দিছিল মহাকাব্য। অন্যান্য জৈন সংস্কৃত সাহিত্যৰ ৰচকসকলৰ ৰচনাৰ ক্ষেত্ৰত দেখা দিয়া ভাষা, কবিত্ব প্ৰতিভা আৰু ছন্দৰ ক্ষেত্ৰত দৈন্যতাত এই কাব্যও ভুগিছিল।

১৪ খৃষ্টাব্দত কবিয়ত্ৰী গঙ্গাদেবীয়ে ঐতিহাসিক কাব্য "বীৰ কাম্পৰায় চৰিত" ৰচনা কৰিছিল। ইয়াত গঙ্গাদেবীয়ে ভেওঁৰ স্বামীৰ বীৰত্বপূৰ্ণ কাৰ্য্যাৱলী বৰ্ণনা কৰিছে।

পালি সাহিত্যতো জীৱনী সাহিত্য ৰচনা কৰা হৈছিল ভগবান বুদ্ধৰ পৰিনিৰ্বাণৰ পাচতহে। বৌদ্ধ সাহিত্য আৰু সিংহলী সাহিত্য অনুসাৰে জনা যায় যে ভগবান বুদ্ধৰ মহা পৰিনিৰ্বাণৰ পাচতেই ৰাজগৃহৰ (বৰ্ত্তমান ৰাজগিৰ) বৈভাৰ পৰ্বতৰ সপ্তপৰ্ণী নামৰ গুহাত পাচশ বৌদ্ধ অৰ্হতৰ এখন সভা বহে। এই সভাৰ উদ্দেশ্য হল ভগবান বুদ্ধৰ বাণীসমূহ সংকলন আৰু অবিকৃতভাৱে ৰক্ষা কৰা। ইয়াৰ আগতে বুদ্ধদেৱৰ উপদেশ বা শিক্ষাসমূহ লিখিত ৰূপত নাছিল বা সংগ্ৰহো কৰা নাছিল। এই সভাকেই প্ৰথম বুদ্ধ সঙ্গীতি বুলি জনা যায়। এই সঙ্গীতিতে বুদ্ধদেৱৰ শিষ্য আনন্দই বুদ্ধদেৱে ক'ত, কেতিয়া আৰু কি প্ৰসঙ্গত ধৰ্মৰ ব্যাখ্যা কৰিছিল সেই সম্বন্ধে আবৃত্তি কৰি শুনাইছিল। আনন্দৰ এই আবৃত্তিতেই প্ৰথম পালি ভাষাত জীৱনী ৰচনাৰ সূত্ৰপাত হয়।

বুদ্ধদেৱৰ শিষ্য উপালিয়ে বুদ্ধদেৱৰ বিনয় সম্বন্ধীয় কথাখিনি কৈছিল প্ৰথম সঙ্গীতিত। তাকেই 'বিনয় পিটক' বোলা হয়। 'মহাবগ্‌গ', 'বিনয় পিটক'ৰ অন্যতম মূল্যবান অংশ। ইয়াত দহটা পৰিচ্ছেদ আছে। বুদ্ধৰ জীৱনৰ প্ৰাচীনতম বিৱৰণ এটি 'মহাবগ্‌গ'ৰ প্ৰথম পৰিচ্ছেদত পোৱা যায়। বোধি প্ৰাপ্তিৰ পাচত সাৰনাথত 'ধৰ্মচক্ৰ পৰিবৰ্ত্তন' অৰ্থাৎ প্ৰথম উপদেশ দান কৰাৰ সময়ৰ পৰা কাহিনীৰ

আংগুলিমালৰ প্ৰথম পৰিচ্ছেদত অঙ্কিত কৰিছে। 'মহাবগ্‌গ' নাম হয়তো পৰিচ্ছেদৰ সংখ্যা বেছি কাৰণেই ৰাখিলে।

'চুল্লবগ্‌গ' বাৰটা পৰিচ্ছেদত বিভক্ত বুদ্ধদেৱৰ জীৱনী সম্পৰ্কীয় কেইটামান কাহিনী। সঙ্ঘৰ সাংগঠনিক ইতিহাস আৰু ভিক্ষু ভিক্ষুণীৰ আচাৰ-ব্যৱহাৰ সম্পৰ্কীয় কথাৰ গ্ৰন্থ। 'মহাবগ্‌গ'ৰ তুলনাত পৰিচ্ছেদবোৰ সৰু হোৱাৰ কাৰণেই হয়তো এই গ্ৰন্থৰ নাম 'চুল্লবগ্‌গ' হল।

'চুল্লবগ্‌গ'ৰ পৰা জনা যায় যে বুদ্ধদেৱে নাৰীক ধৰ্মৰ ভিক্ষুণী কৰাৰ পক্ষপাতী নাছিল আৰু তেওঁলোকৰ কাৰণে কৰা আচাৰ বিধিৰ সম্বন্ধেও জানিব পৰা যায়। প্ৰথমে গৌতমীয়ে যেতিয়া বৌদ্ধ ভিক্ষুণী হবৰ কাৰণে আৰু নাৰীক বৌদ্ধ ধৰ্মত দীক্ষিত কৰিব লাগে বুলি বুদ্ধদেৱৰ ওচৰলৈ গৈছিল, বুদ্ধদেৱে প্ৰত্যাখ্যান কৰি উভতাই পঠাইছিল। কিন্তু বুদ্ধদেৱৰ প্ৰধান শিষ্য আনন্দই গৌতমীৰ মনৰ বেদনাৰ কথা উপলব্ধি কৰি বুদ্ধদেৱক অনুৰোধ কৰিছিল। শেষত অনিচ্ছা সত্বেও বুদ্ধদেৱে সন্মতি দিছিল। কিন্তু বুদ্ধদেৱে আনন্দক কৈছিল, নাৰীক সঙ্ঘত প্ৰৱেশৰ অনুমতি দিয়াৰ কাৰণে সঙ্ঘৰ আয়ুস আগতে যদি হেজাৰ বছৰ হোৱাৰ সম্ভাৱনা আছিল, এতিয়া কিন্তু পাচশ বছৰহে স্থায়ী হব। বাস্তৱ ক্ষেত্ৰত সেয়া হৈছিল। সঙ্ঘত ভিক্ষুণীসকলৰ প্ৰৱেশৰ ফলত নানা দুৰ্নীতি, অনাচাৰ আদিয়ে দেখা দিছিল।

'মহা পৰিনিৰ্বাণ' নামক সুত্ত বা অধ্যায়টো 'দীঘ নিকায়'ৰ ভিতৰত বিশেষ তাৎপৰ্য্যপূৰ্ণ। ইয়াত ভগবান বুদ্ধৰ জীৱনৰ শেষৰ কেইটামান বছৰৰ জীৱনকাহিনী, কাৰ্য্যাৱলী লিপিবদ্ধ কৰা হৈছে। ভগবান বুদ্ধৰ শেষৰ উপদেশসমূহ, তেওঁ দিয়া নিৰ্দেশাৱলীৰ ধাৰাবাহিক বিৱৰণ ইয়াত আছে। "বুদ্ধৰ জীৱনী, বুদ্ধৰ পৰৱৰ্ত্তী কালৰ সঙ্ঘ পৰিচালনা ব্যৱস্থা, সেই যুগত ভাৰতবৰ্ষত বুদ্ধ আৰু তেওঁৰ উপদেশ-সমূহৰ প্ৰভাৱ ইত্যাদিৰ বিষয়ে আলোচনাৰ কাৰণে সুত্তটি অপৰিহাৰ্য্য।'[১] সুত্তটিত আগৰ অংশত বুদ্ধদেৱক মানৱ হিচাবে আৰু পাচৰ অংশত দেৱতা আৰু মানৱৰ সংমিশ্ৰণ কৰি অঙ্কন কৰিছে। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ এই সুত্তটিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আছিল আৰু আস্থাৰ আধাৰ স্বৰূপ আছিল।

"বুদ্ধ বংশ" আন এখন পালি ভাষাত লিখা গ্ৰন্থ। ইয়াত বুদ্ধদেৱ আৰু পূৰ্ববৰ্ত্তী ২৪ জন বুদ্ধৰ জীৱন কাহিনী গাথাৰ ৰূপত অঙ্কিত কৰিছে। গৌতম বুদ্ধ

১ ড° বিশ্বনাথ বন্দ্যোপাধ্যায়, পালি ও প্ৰাকৃত সাহিত্যের ইতিহাস, প্ৰথম প্ৰকাশ আশ্বিন ১৩৭৮, পৃষ্ঠা ৪৮

২৫তম বুদ্ধ কাশ্যপ চিহ্নিত হৈছে। ২৫জন বুদ্ধৰ কাহিনী ২৫টা পৰিচ্ছেদত ভাগ কৰি বৰ্ণনা কৰিছে।

পালি ভাষাত ৰচিত 'নিদান কথা' এখন উল্লেখযোগ্য গ্ৰন্থ। 'নিদান কথা' ৰচনা হোৱাৰ আগতে, পালি ভাষাত বুদ্ধদেৱৰ জীৱন কথা এনে ধাৰাবাহিক ৰূপত ৰচনা হোৱা নাছিল। গ্ৰন্থৰ ৰচক আৰু ৰচনাৰ সময় সম্বন্ধে নিশ্চিতকৈ কব পৰা নেযায় বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। 'নিদান কথা' তিনিটা ভাগত বিভক্ত। সেয়া হল, দূৰে নিদান, অবিদূৰে নিদান আৰু সন্তিকে নিদান। 'নিদান কথা' সম্বন্ধে আলোচনা কৰিলে দেখা যায়, সংস্কৃতত ৰচিত 'পালিত বিস্তৰ' বা অন্যান্য গ্ৰন্থৰ স্তৰৰ পৰা পূৰ্বৱৰ্তী।[১]

প্ৰাকৃত সাহিত্যৰ ভিতৰত নাম লব লাগিব 'মহাপুৰুষ চৰিত'ৰ। ৰচকৰ নাম হৰিভদ্ৰ। 'কুমাৰ পাল চৰিত'ৰ ৰচক হেমচন্দ্ৰ। ইয়াৰ উপৰিও অষ্টম খৃষ্টাব্দত কোশল নিবাসী স্বয়ম্ভুদেৱে অপভ্ৰংশ ভাষাত 'ৰামায়ণ'ৰ কাহিনীৰ অৱলম্বনত "পউম চৰিত" ৰচনা কৰে। পুষ্পদন্ত ৰচিত "জসহৰ চৰিত" ৰজা যশোধৰৰ জীৱন কাহিনীৰ ওপৰত আধাৰিত। পুষ্পদন্ত দশম শতিকাৰ লেখক। এওঁৰ ৰচিত আন এখন প্ৰাকৃত ভাষাৰ গ্ৰন্থ হল "নায়কুমাৰ চৰিত"। পুষ্পদন্তৰ ওপৰোক্ত দুয়োখন কাব্যগ্ৰন্থ। লেখনিৰ মানদণ্ডও উচ্চ প্ৰশংসিত।

একাদশ খৃষ্টাব্দত ৰচিত প্ৰাকৃত জীৱনী গ্ৰন্থ হল কনকুমাৰৰ 'কুৰকুণ্ড চৰিত' আৰু দ্বাদশ খৃষ্টাব্দত ৰচিত হৰিভদ্ৰৰ জৈন উপাখ্যান গ্ৰন্থ 'নেমি নাহ চৰিত'। নেমিনাথৰ জীৱন কাহিনী লৈ বহুত গ্ৰন্থই ৰচনা কৰা হৈছিল। কিন্তু হৰিভদ্ৰৰ 'নেমিনাহ চৰিত' ৰচনা কৰাৰ উদ্দেশ্য আছিল অপভ্ৰংশ ভাষাত কাব্যৰ সকলো লক্ষণ পৰিস্ফুট কৰি সংস্কৃত কাব্যৰ অনুকৰণত কাব্য লিখিব পাৰিনে নোৱাৰি তাৰ চেষ্টা কৰি চোৱাটো।

এনেদৰে সংস্কৃত, পালি, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাত চৰিত পুথিসমূহ অতি প্ৰাচীন কালৰ পৰা বিভিন্ন যুগত, বিভিন্ন ভাগত, বিভিন্ন পণ্ডিত মণ্ডলিয়ে ৰচনা কৰি আহি ভাৰতীয় সাহিত্যত নিজৰ বাকৰ খোৱাৰ লগে লগে মহৎ ব্যক্তিসমূহৰ জীৱন কথাক অমৰ কৰি গৈল।

১ ডঃ শিৱনাথ বন্দ্যোপাধ্যায়, পালি ও প্ৰাকৃত সাহিত্যৰ ইতিহাস, ১ম প্ৰকাশ ১৩৭৬, পৃষ্ঠা ১০২

ইমান খিনিলৈকে অধ্যয়ণ কৰি এই সিদ্ধান্তত উপনীত হব পৰা যায় যে প্ৰাচ্য আৰু পাশ্চাত্য, সকলো দেশৰ সাহিত্যতে জীৱনী সাহিত্যৰ প্ৰতি লেখক, পাঠক উভয়েই আগ্ৰহান্বিত আছিল আৰু আদৰো আছিল।

প্ৰাচীন ভাৰতৰ জীৱনী সাহিত্য সমূহত মহামানৱসকলৰ জীৱন কথাত বাস্তৱ আৰু অবাস্তৱৰ সান মিহলি কথাৰে ভৰপূৰ আছিল। চৰিত গ্ৰন্থ বিলাকৰ গতিটোৱেই আছিল গুৰুক ঈশ্বৰ স্বৰূপ জ্ঞান কৰা আৰু মহান পুৰুষসকলৰ গতি অসাধাৰণত্ব আৰোপ কৰা। 'বুদ্ধচৰিত'ৰ পৰা আৰম্ভ কৰি যিমান বিলাক জীৱনী গ্ৰন্থ বা চৰিত গ্ৰন্থ লেখা হল, সকলোতে কম বেছি পৰিমাণে অলৌকিক ঘটনা, অসাধাৰণ গুণৰাজী নায়ক চৰিত্ৰত আৰোপ কৰিছে। ভাৰতীয় সাহিত্যৰ প্ৰথম জীৱনী গ্ৰন্থ 'বুদ্ধ-চৰিত' ৰচনা সম্বন্ধে লেখক অশ্বঘোষে গ্ৰন্থত নিজে উল্লেখ কৰি গৈছে যে নিৰ্দ্দিষ্ট ধৰ্ম্মমতটোকৈ ঈশ্বৰ স্বৰূপ সন্ন্যাসীজনৰ মহৎ জীৱন-কথা জন-সাধাৰণৰ মাজত প্ৰচাৰ কৰা, নিজৰ পাণ্ডিত্য বা যশস্যা বঢ়োৱাটো নহয়, গতিকে বুদ্ধদেৱৰ জীৱন-কথা অতি সহজ, সৰল ভাষাত অশ্বঘোষে সজাই থাওঁতে এই মহান পুৰুষজনৰ জীৱনৰ লগত জড়িত থকা আশ্চৰ্য্যজনক ঘটনা সমূহো সন্নিবিষ্ট কৰিছে। মহামানৱৰ জীৱনীত বাস্তৱ আৰু অবাস্তৱৰ সান মিহলি হব লাগে।

অকল বুদ্ধদেৱৰ জীৱন কথাকেই 'বুদ্ধচৰিত'ত অশ্বঘোষে অংকন কৰা নাই। অশ্বঘোষে জগতৰ সৌন্দৰ্য্যৰ প্ৰতিও অতি স্পৰ্শ কাতৰ আছিল। অশ্বঘোষে পাৰ্থিৱ বস্তু, বিশেষকৈ মানৱ জীৱনৰ ক্ষণস্থায়ীত্বৰ প্ৰতি অতি সজাগ আছিল। তেওঁ অনুভৱ কৰিছিল, "হেৰাই যোৱা ঋতু বছৰটোৰ চকৰিত ঘূৰি আহে। নিস্তেজ জোনটোও লাহে আহে চক্ৰাকাৰ হয়। কিন্তু যৌৱন, মানৱ জীৱনৰ পৰা এবাৰ গলে আৰু ঘূৰি নাহে যেনেকৈ নৈয়ে পানী কঢ়িয়াই লৈ গুচি যায়গৈ।"[১]

অশ্বঘোষে 'বুদ্ধচৰিত'ত সিদ্ধাৰ্থ আৰু বথৰ সাৰথিৰ কথা-বতৰাৰ মাজত অনিত্য সংসাৰত সকলো জীৱৰে জীৱনলৈ অহা জৰা বিশেষৰ লগতে হোৱা পৰিবৰ্তন আৰু শেষ অৱস্থাৰ কথা পঢ়ুৱৈ সমাজকো উপলব্ধি কৰ'ব পাৰিছে।

---

১ "The lost season returns in cycle of the year. The waning moon grows full orbated again. But the youth of man flows by never to return like waters carried away by the rivers." Krishna Chaitanya, A New Hist. of Sanskrit Literature, 1962, Page 244

ইয়াৰোপৰি অশ্বঘোষে অযোধ্যা নিবাসী হিচাপে ‘ৰামায়ণ’কেই ‘বুদ্ধচৰিত’ ৰচনাৰ আৰ্হি হিচাপে লৈছে। সিদ্ধাৰ্থৰ সংসাৰ পৰিহাৰৰ লগত শ্ৰীৰামৰ অযোধ্যা পৰিহাৰৰ তুলনা কৰিছে।

বাণভট্টৰ লিখনিৰ পৰা জনা যায় যে তেওঁৰ সময়লৈকে লেখকসকলে ঐতিহাসিক চৰিত্ৰ লৈ সাহিত্য ৰচনা কৰিছিল। কিন্তু দুই এখন কাল্পনিক কাহিনীৰেও কাব্য ৰচনা কৰিছিল। ইয়াৰ ভিতৰত প্ৰধানকৈ সংস্কৃত ভাষাৰ লেখক দণ্ডীৰ ‘দশকুমাৰ চৰিত’ উল্লেখযোগ্য। প্ৰাচীন কালৰ গদ্য ৰচনাৰ যি বিধান আছিল—বিষয়বস্তু ভাল হব লাগিব, নায়ক চৰিত্ৰ মহৎ আৰু উচ্চমান বিশিষ্ট হব লাগিব; তাক ভঙ্গ কৰি কাল্পনিক কাহিনীৰে তেওঁৰ গ্ৰন্থ ‘দশকুমাৰ চৰিত’ত জুৱা খেলা, চুৰি কৰা, হত্যাকাণ্ড, ঠগ প্ৰবঞ্চনা কৰা, অবৈধ প্ৰেম আদিৰ দৃশ্যও অৱতাৰণা কৰিছে—যিবোৰ সেই সময়ৰ সমাজ বিৰুদ্ধ কথা আছিল।

আনহাতে বাণভট্টই ৰজা হৰ্ষবৰ্দ্ধনৰ জীৱন-কথাৰে ‘হৰ্ষ-চৰিত’ ৰচনা কৰিছিল ৰজা হৰ্ষবৰ্দ্ধনৰ পৃষ্ঠপোষকতাতেই। এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰাচীন কালত বেছি ভাগ সাহিত্যিকেই, বিশেষকৈ যিসকলৰ সাহিত্য প্ৰতিভা চকুত পৰা আছিল, তেওঁলোকে ৰাজ অনুগ্ৰহ লাভ কৰিছিল। বাণভট্টই অতি নিপুণ-ভাৱে হৰ্ষবৰ্দ্ধনৰ জীৱন কথা লেখাৰ লগতে সেই সময়ৰ সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ কথা গাঁৱৰ জীৱন যাত্ৰাৰ, সভাগৃহৰ; আনকি সেই সময়ত থকা ব্ৰাহ্মণ আৰু বৌদ্ধসকলৰ জীৱনৰ চিত্ৰ অঙ্কিত কৰিছে। মুঠতে ৰাজহাওলীৰ পৰিৱেশৰ পৰা জনসাধাৰণৰ বজাৰলৈকে সকলো ছবিকেই অতি সজীৱ ৰূপত ফুটাই তুলিছে। মানুহৰ মাজত চিত্ৰবিদ্যাৰ চৰ্চাও আছিল তাকো জনা যায়, ম'হৰ ওপৰত উঠা যমৰজাৰ ছবি বজাৰত প্ৰদৰ্শন কৰা কথাৰ উল্লেখৰ পৰা। আনকি মানুহে সতেজ কণৰ বস্তু খাইছিল, গৰু ম'হৰ ৰখীয়াই পথাৰত গৰু ম'হ চৰাই গীত গাইছিল, নগৰৰ কোলাহলৰ পৰা আঁতৰত ঋষি মুনিসকলৰ আশ্ৰম আছিল আৰু সেই আশ্ৰমৰ ঘৰবিলাকৰ আগকাল বিলাক সোম গছৰ লেটাৰীৰে আবৃত আছিল তাৰো বৰ্ণনা দিছে। সমাজত সতীৰ মহত্ব কিমান আছিল সেই সম্বন্ধেও ৰজাৰ মৃত্যুত ৰাণী যশোমতীয়ে কৰা শোকত ফুটাই তুলিছে।

অশ্বঘোষৰ দিনৰ পৰা মন কৰিলে দেখা যায় ভাৰতীয় জীৱনী সাহিত্যত সন্তৰ জীৱনকথাৰ আদৰ্শাত্মক ৰূপদান কৰিলেও নায়কৰ জীৱনকথাৰ লগতে

সেই সময়ৰ সমাজ জীৱন, ৰাজনৈতিক পৰিবেশ, অৰ্থনৈতিক অৱস্থা আদিৰো প্ৰয়োজন সাপেক্ষে উল্লেখ কৰি গৈছে। প্ৰাচীন জীৱনী লেখকসকলে ভেঁওলোকৰ জীৱনীৰ নায়কসকলৰ মাজত যি অলৌকিক মাহাত্ম্য, লীলা দেখা পাইছিল, সংশয়হীন ভাৱে তাক সত্য ৰূপত গ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ মাহাত্ম্য জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছিল।

তৃতীয় অধ্যায়

চৰিত পুথি আৰু মহান্ত জীৱনী—এটি সমীক্ষা

অসমীয়া ভাষাৰ 'চৰিত পুথি' আৰু বাংলা ভাষাৰ 'মহান্ত জীৱনী' সমূহ 'সন্ত জীৱনী' সাহিত্য, ইংৰাজী ভাষাৰ Hagiography শ্ৰেণীৰ সাহিত্য বুলি কব পৰা যায়। অসমত বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোতা মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ তিৰোধানৰ পাচত তেওঁৰ পুণ্য-স্মৃতি ভক্তসকলৰ মাজত ভক্তি ভাবে চৰ্চা আৰু গৌৰৱণ কৰাৰ ফলশ্ৰুতিয়েই হল অসমৰ মধ্য যুগৰ 'চৰিত পুথি' সমূহ। বঙ্গদেশতো সেই দৰে মধ্যযুগত শ্ৰীচৈতন্যদেৱৰ জীৱনকথা, জীৱনলীলাৰ অবলম্বনত 'মহান্ত জীৱনী' বা 'চৰিত সাহিত্য' সৃষ্টি হল।

"শঙ্কৰ মাধৱৰ তিৰোধানৰ পাছৰ এশবছৰ অৰ্থাৎ খৃষ্টীয় ষোড়শ শতিকাৰ শেষ দশকৰ পৰা সপ্তদশ শতিকাৰ শেষ ভাগলৈকে বিস্তৃত যুগটোক আমি চৰিত পুথি আৰু গদ্য সাহিত্যৰ উদ্ভৱ যুগ বুলিব পাৰো।"[1] বৈষ্ণৱ যুগত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে পাতি থৈ যোৱা বৈষ্ণৱ অনুষ্ঠান সমূহ, সত্ৰ সমূহতেই প্ৰথমতে চৰিত সাহিত্যৰ পাতনি মেলা হয়। মহাপুৰুষ মাধৱদেৱেই হল অসমৰ জীৱনী সাহিত্যৰ বা চৰিতৰ প্ৰথম বক্তা। কিন্তু শঙ্কৰদেৱৰ জীৱিত কালত তেৱাঁই কৃষ্ণকথা কীৰ্ত্তন কৰিছিল। "বৰ্টদ্ৰবাৰ পৰা পাটবাউসী লৈ: কথা চৰিত্ৰ যোৱা কীৰ্ত্তনহে আছিল : সৰু আতা ঠাকুৰ আতা প্ৰমুখ্যে লোধে : ভকতলে মুখ পদ্মে কীৰ্ত্তন কৰে : দশ অৱতাৰ বাইশ অৱতাৰ : শ্ৰীৰামৰ : কৃষ্ণবলোভদ্ৰৰ চৰিত্ৰ : আতৈসৱে মহা শ্ৰদ্ধা তাত্ৰ কৰ্ম্মাঞ্জলি তৰি পিত্ৰ" শঙ্কৰদেৱৰ কৃষ্ণকথা কীৰ্ত্তনতেই অসমৰ মধ্যযুগৰ চৰিত পুথিৰ বীজ অঙ্কুৰিত হৈছিল।

"অসমীয়া ভাষাত গুৰু চৰিতৰ অনুশীলন এক বিচিত্ৰকাৰ্য্য। শঙ্কৰদেৱ মাধৱদেৱ জীৱন-বৃত্তৰেই এই ধাৰাৰ সাহিত্য (মৌখিক আৰু লিখিত) আৰম্ভ হয় আৰু ধাৰ নিচিনা সোঁতে লৈ বৈ থাকে।"[3]

১ সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ ইতিবৃত্ত ১৯৮০, ৩য় সংস্কৰণ, পৃষ্ঠা ১৩০
২ সম্পাদনা মহেশ্বৰ নেওগ, গুৰু কথা চৰিত, ১৯৮৭, পৃষ্ঠা ১
৩ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৪২

চৰিত পুথি সমূহ বৈষ্ণৱ গুৰু, সন্ত, মহন্তসকলৰ জীৱনী গ্ৰন্থ। প্ৰথম অৱস্থাত মৌখিক ভাবেহে চৰিত কোৱা প্ৰথা প্ৰচলন আছিল। শঙ্কৰদেৱৰ প্ৰয়াণৰ পাচত 'শ্ৰীমাধৱদেৱে গুৰু বাক্য শিৰে ধৰি ভকতজনৰ সদাসৰ্ব্বদা কীৰ্ত্তন কৰিছিল : আতৈ সবে শ্ৰৱণ কৰে।"[১] ইয়াতেই চৰিত সাহিত্যৰ পাতনি হয়। মাধৱদেৱেই হ'ল চৰিত সাহিত্যৰ প্ৰথম বক্তা।

অসমৰ মধ্যযুগত জন্ম লাভ কৰা চৰিত পুথিৰ উৎপত্তিৰ স্থল সত্ৰসমূহৰ চাৰি সীমাৰ মাজত, বৈষ্ণৱ সন্ত মহন্তসকলৰ সমাজত। চৰিতকাৰসকল সাধাৰণতেই বৈষ্ণৱ গুৰু দুজনাৰ আৰু বিশিষ্ট বৈষ্ণৱ সন্তসকলৰ ভক্ত হোৱাৰ কাৰণে, ভক্তৰ দৃষ্টিৰে ভগবানক চোৱাৰ দৰে চৰিতকাৰসকলেও চোৱাৰ কাৰণে তেওঁলোকৰ চৰিতৰ নায়কজনৰ কেৱল আদৰ্শাত্মক ৰূপটোহে দেখিছিল। সেই কাৰণে তেওঁলোকৰ লেখনীত নানা অলৌকিক, অবাস্তৱ ঘটনাৰ সংযোগ ঘটিছিল, য'ত নায়কৰ চৰিত্ৰৰ মহত্ব, ঐশ্বৰিক শক্তিৰ কথা প্ৰকাশ পাইছিল।

মাধৱদেৱৰ পাচত বিশিষ্ট চৰিত বক্তা হ'ল চক্ৰপাণি বৈৰাগী আতৈ। আতৈ শঙ্কৰ-মাধৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত তিনি ৰাজ্য (অসম, কামৰূপ আৰু বেহাৰ) ঘূৰি ফুৰি অতিয়াবাৰ বৰজহাত বওঁতে বৰবহাত বৰকাপোৰ দি মানকৈ ভকত-সকলে সুধিছে, "বোলে শ্ৰীশঙ্কৰদেৱৰ জন্মৰ্হে পয়ানলৈ কক আমি নেপাওঁ : তেহে আতৈ এ ছয়াহ বৈ কৈচে : জি বই তাকো পুৱ কৈ লৈ আছিছে"[২] চক্ৰপাণি বৈৰাগী আতৈয়ে বৰজহাত শঙ্কৰ মাধৱৰ চৰিত্ৰকীৰ্ত্তন কৰি, যি কথা তেওঁ নেজানিছিল তাকো সেই অঞ্চলৰ জনা লোকৰ পৰা সংযোগ কৰি লৈছিল। এনেদৰে মাধৱদেৱৰ পাচত নিচিগা ধাৰে "দীপৰ পৰা দীপ যেনেকৈ জ্বলে, তেনেকৈ মাধৱ প্ৰজ্বলিত গুৰু কথা অখণ্ড প্ৰদীপত পৰিণত হয়"।[৩] চক্ৰপাণি বৈৰাগী আৰু ধনঞ্জয় আতৈয়েই হ'ল মাধৱদেৱৰ পাচৰ দুজন বিশিষ্ট চৰিত বক্তা আৰু তেওঁলোকৰ পৰাই অবিৰত ভাবে গুৰু চৰিত কথা চলি থাকিল।

দৈত্যাৰি ঠাকুৰেই প্ৰথম চৰিত লেখক। তেঁৱেই ইমান দিনে গুৰু দুজনাৰ জীৱন কথাক অতি পবিত্ৰ ভাবে সত্ৰৰ চাৰি সীমাৰ মাজত মৌখিক ভাবে প্ৰচলন হৈ অহা, ভকতসকলৰ অন্তৰত ঠাই পোৱা কাহিনী সমূহক লিখিত ৰূপ দিয়ে।

---

১ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১

২ সম্পাদনা মহেশ্বৰ নেওগ, গুৰু কথা চৰিত্ৰ, ১৯৮৭, পৃষ্ঠা ২

৩ মহেশ্বৰ নেওগ, গুৰু চৰিতৰ ইতিকথা, ১৯৮৩, পৃষ্ঠা ১৫

তাৰ পাচত ধাৰাবাহিক ভাৱে চৰিত লেখাৰ কাম আৰম্ভ হয় বিভিন্ন চৰিতকাৰৰ লেখনিৰ মাজেদি। ভক্তৰ দৃষ্টিৰে ভগৱানক চোৱাৰ দৰে চৰিতকাৰসকলে বৈষ্ণৱ সন্তসকলৰ জীৱনকথাক ভক্তি ভাৱে বৰ্ণনা কৰাৰ কাৰণে নানা অলৌকিক ঘটনা, ঐশ্বৰিক কাৰ্যাকলাপ, তেওঁলোকৰ জীৱন কথাৰ মাজত প্ৰকাশ পাইছিল, গুৰুসকলৰ মহিমা প্ৰকাশ কৰিবৰ কাৰণে, ভক্তসকলক আকৃষ্ট কৰিবৰ কাৰণে। "কিন্তু চৰিত পুথিত গুৰুসকলৰ ধৰ্ম জীৱনৰ সকলোবোৰ খুঁটি-নাটি, অনুকূল, প্ৰতিকূল অৱস্থা, বৈষ্ণৱ-অনুষ্ঠান প্ৰতিষ্ঠানৰ ইতিহাস, সামাজিক অৱস্থা, ৰজা সকলৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া, সত্ৰানুষ্ঠানৰ বিকাশ, বিভিন্ন পন্থৰ উৎপত্তি আৰু বৈষ্ণৱ আচাৰ নীতিৰ আৰ্হিকে আদি কৰি বহুতো সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ উপাদান পোৱা যায়।"[1]

সময় আগুৱাই অহা'ৰ লগে লগে, শঙ্কৰ-মাধৱৰ তিৰোধানৰ পাচত বৈষ্ণৱ আদৰ্শত নানা শাখা, প্ৰশাখা হৈছিল। নানা সত্ৰ অনুষ্ঠানো হৈ আহিবলৈ ধৰিলে। মাধৱদেৱৰ জীৱিত কালতে দামোদৰদেৱ আঁতৰি গৈছিল। পিছলৈ প্ৰত্যেক সত্ৰ অনুষ্ঠানত বিভিন্ন পন্থা অৱলম্বন কৰা বৈষ্ণৱ ভকতসকলৰ মাজত সন্তসকলৰ জীৱনৰ নানা কথা সংগৃহীত হৈছিল। কেতিয়াবা চৰিত পুথিবিলাকত একে কথাকে বিভিন্ন ৰূপত প্ৰকাশ পাইছিল।

ৰামচৰণ ঠাকুৰৰ ৰচিত গুৰু চৰিতখনক কোনো কোনোৱে 'বৰ চৰিত' বুলি কয়। "কিন্তু ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰৰো এখন চৰিত থকাত পুতেকে কিয় এখন চৰিত পুথি লিখিলে? ই হয়তো দৈত্যাৰি ঠাকুৰৰ পাচত আন কোনোবাই লিখি প্ৰচাৰ কৰিলে। কিন্তু সন্ত সাধুৱে এই 'বৰচৰিত'ৰ ওপৰত যি অপৰিসীম আস্থা দেখুৱায়, তাৰ পৰা অনুমান হয়—ই ৰামচৰণ ঠাকুৰৰে ৰচনা"।[2]

দিন বাগৰি অহাৰ লগে লগে চৰিত-পুথিৰো সংখ্যা বাঢ়ি আহিল। কিন্তু সকলোবোৰ চৰিতত এটা কথা মন কৰিব লগীয়া যে মহাপুৰুষসকলৰ উক্তি সমূহক 'বেদৰ বাণী'ৰ দৰে সলচল নোহোৱাকৈ মানিছিল, ৰক্ষা কৰিছিল আৰু সেয়ে অবিকৃত ভাৱে সত্ৰ, অনুষ্ঠান, ভকত সমাজত আবৃত্তি কৰি আহিছে আৰু পাচলৈ লিখিত ৰূপত তাকেই প্ৰতিফলিত হৈছে।

---

১ সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ১৯৮০, ৩য় সং, পৃষ্ঠা ১০৩

২ হৰিনাৰায়ণ দত্ত বৰুৱা, ৩য় সং, ৫২১ শঙ্কৰাব্দ, পৃষ্ঠা ১ মুখবন্ধ 'গুৰু চৰিত' ৰামচৰণ ঠাকুৰ বিৰচিত

অসমৰ মধ্যযুগত যিমান চৰিত পুথি ৰচিত হ'ল, সেই সকলোতে, কিছুমানত বাহুল্যকৈ আৰু কিছুমানত কমকৈ হ'লেও অসমৰ ৰাজনৈতিক অৱস্থা, অৰ্থনৈতিক অৱস্থা, সামাজিক চিত্ৰ, ভকতসকলৰ ধৰ্মৰ প্ৰতি আগ্ৰহ, নিষ্ঠাৰ কথা অতি সুন্দৰকৈ চিত্ৰিত হৈছে। চৰিত সমূহক অসমৰ মধ্যযুগৰ ইতিহাসৰ সমল বুলি ধৰিব পৰা যায়।

প্ৰাচীন বাংলা সাহিত্যৰ প্ৰধান উপজীব্য আছিল দেৱদেৱীৰ মাহাত্ম্য কীৰ্ত্তন কৰা। 'মঙ্গল-কাব্য' বিলাকত দেৱ-দেৱীৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছিল, তেওঁলোকৰ প্ৰশস্তি গোৱা হৈছিল। কিন্তু বৈষ্ণৱ যুগ আৰম্ভ হোৱাৰ লগে লগে বাংলা সাহিত্যত নতুন পথ নিৰ্দ্দেশিকা স্বৰূপ সাহিত্যৰ সৃষ্টি হ'ল।

বঙ্গদেশত চৈতন্যদেৱৰ আবিৰ্ভাৱৰ পাচতহে, তেখেতৰ জীৱনকথাৰ অৱলম্বনত 'মহান্ত জীৱনী' ৰচনাৰ সূত্ৰপাত হয়। 'মহান্ত জীৱনী' বা 'চৰিত সাহিত্য' ৰচনা হোৱাৰ লগে লগে বঙ্গদেশৰ সাহিত্যত এটা অভাৱ পূৰণ হ'ল। কাৰণ প্ৰাচীন ভাৰতৰ আন আন ভাষাত, যেনে—সংস্কৃত, পালি, প্ৰাকৃত আনকি অপভ্ৰংশ আৰু আন আন আঞ্চলিক ভাষাবো বহুত ঠাইত জীৱন চৰিত ৰচনা হৈছিল। সংস্কৃত, পালি প্ৰাকৃত আদি ভাষাত বুদ্ধদেৱৰ, ৰামপাল, হৰ্ষবৰ্দ্ধন আদিকে ধৰি নানা ৰজা মহাৰজাৰ জীৱন কথা নানা জনে ৰচনা কৰিছিল। "কিন্তু ষোড়শ শতাব্দীৰ আগতে বাংলা ভাষাত কোনো চৰিত সাহিত্য ৰচিত হোৱা নাছিল।"[১]

"বৈষ্ণৱ জীৱনী কাব্যসমূহ ধাৰ্ম্মিকতাৰ দ্বাৰা উদ্বুদ্ধ আৰু সম্পূৰ্ণ ভাবে মানৱ জীৱন চৰিত নহয়। বিশেষকৈ চৈতন্যদেৱৰ জীৱনীসমূহ অৱতাৰবাদৰ বাবে অলৌকিক প্ৰভাৱ মুক্ত নহয়।"[২] কিন্তু যি জীৱনী কেৱল অলৌকিক ঘটনাৰে পৰিপূৰ্ণ, সেই জীৱনী কেতিয়াও জীৱনী সাহিত্যৰ পৰ্য্যায়ত নপৰে। বৈষ্ণৱ যুগৰ জীৱনী সমূহত মানৱ-জীৱন কথাৰে প্ৰাধান্য দিয়া হৈছিল যদিও জীৱনীকাৰসকলে ভক্তৰ দৃষ্টিৰে ভগৱানক দেখাৰ পাচত যি ভক্তি ভাৱ উপজিব, চৈতন্যদেৱৰ প্ৰতিও তেনে ভাৱ হোৱাৰ ফলতেই নানা অলৌকিক ঘটনাই ঠাই পাইছে যদিও চৈতন্যদেৱ যে এই পৃথিৱীৰেই মানুহ সেই কথাও পাহৰি যোৱা

১ ত্ৰিপুৰা সেন শাস্ত্ৰী, বৈষ্ণৱ সাহিত্য, ১৩৬৮ বঙ্গাব্দ, পৃষ্ঠা ৩৬

২ হিমাংশুচন্দ্ৰ চৌধুৰী, বৈষ্ণৱ সাহিত্য প্ৰবেশিকা, বৈশাখ, ১৩৫৯, পৰিশিষ্ট পৃষ্ঠা ৩

নাই। সেই কাৰণে চৈতন্যদেৱৰ জীৱন কথালৈ লিখা চৰিত পুথি সমূহৰ সাহিত্য হিচাবে যথেষ্ট আদৰ আছে, নিজস্ব স্থান আছে।

শ্ৰীচৈতন্যদেৱৰ প্ৰথম জীৱন চৰিত মুৰাৰি গুপ্তই সংস্কৃত ভাষাত ৰচনা কৰে। মুৰাৰি গুপ্ত আছিল শ্ৰীচৈতন্যদেৱৰ নৱদ্বীপ ধামৰ জীৱনলীলাৰ প্ৰত্যক্ষদৰ্শী লোক। মুৰাৰি গুপ্ত ৰচিত চৈতন্যদেৱৰ জীৱনী গ্ৰন্থৰ নাম 'শ্ৰীকৃষ্ণচৈতন্যচৰিতামৃত'। ইয়াক মুৰাৰি গুপ্তৰ 'কড়চা' বুলিও জনা যায়। 'কড়চা' শব্দৰ অৰ্থ হ'ল 'সংক্ষিপ্ত টোকা'। কিন্তু মুৰাৰি গুপ্তৰ কাব্য সংক্ষিপ্ত নহয়। দামোদৰ পণ্ডিতৰ প্ৰশ্নৰ উত্তৰদান প্ৰসঙ্গত মুৰাৰি গুপ্তই এই গ্ৰন্থ ৰচনা কৰিছিল।[1] মুৰাৰি গুপ্তই প্ৰথমতে চৈতন্যদেৱৰ জীৱনলীলা লৈ সৰু সৰুকৈ কিছুমান টোকা লিখিছিল। এইবোৰকে 'কড়চা' বুলিছিল। শেষত এই 'কড়চা'বোৰক গোটাই গ্ৰন্থৰ আকাৰ দিলে। আৰু হয়তো সেই কাৰণে 'শ্ৰীকৃষ্ণচৈতন্যচৰিতামৃত' গ্ৰন্থ হোৱাৰ পাচতো আগৰ সেই 'কড়চা' নামটো থাকি গল।

মুৰাৰি গুপ্তৰ পাচত সংস্কৃতত চৈতন্যদেৱৰ জীৱনকথালৈ চৈতন্যদেৱৰ জীৱন কালতে কোনোবা এজন বাংলা কবিয়ে এখন নাটক ৰচনা কৰিছিল কিন্তু নাটকখনৰ মানদণ্ড উন্নত শ্ৰেণীৰ নোহোৱাৰ কাৰণে দামোদৰে তৎক্ষণাৎ প্ৰত্যাখ্যান কৰে কিন্তু নাটকৰ নান্দী শ্লোকটি 'চৈতন্যচৰিতামৃত' গ্ৰন্থত উদ্ধৃত হৈছে। নহলে নাটক বিলুপ্ত হলহেঁতেন। এই কথা "চৈতন্য চৰিতামৃত" গ্ৰন্থৰ অন্ত্যলীলা, পঞ্চম পৰিচ্ছেদত আছে।[2]

মুৰাৰি গুপ্তৰ 'কড়চা'ৰ উপৰিও সংস্কৃত ভাষাত চৈতন্যদেৱৰ জীৱন কথাৰে, লিখা প্ৰদ্যুম্ন মিশ্ৰৰ 'শ্ৰীকৃষ্ণচৈতন্যোদয়' স্বৰূপ দামোদৰৰ 'কড়চা', কবিকৰ্ণপূৰৰ 'শ্ৰীচৈতন্যচন্দ্ৰোদয়' নাটক উল্লেখযোগ্য।

পুৰীত চৈতন্যদেৱ থকা অৱস্থাত, তেওঁৰ শেষ জীৱনলৈ স্বৰূপ দামোদৰ, ৰূপ গোস্বামী, ৰঘুনাথ দাস আদিয়ে সংস্কৃতত প্ৰশস্তিৰ ৰূপত কিছুমান কড়চা ৰচনা কৰিছিল। কৃষ্ণদাস কবিৰাজে তেওঁৰ ৰচিত 'চৈতন্য চৰিতামৃত' গ্ৰন্থত এইবোৰৰ সদ্ব্যৱহাৰ কৰিছে।

শ্ৰীচৈতন্যদেৱৰ জীৱনী বা চৰিত বাংলা ভাষাত লেখিছিল বৃন্দাবন দাসে। চৈতন্যদেৱৰ জীৱন কথাৰে ৰচিত বাংলা ভাষাৰ জীৱনী কাব্যবোৰৰ, [illegible]

১ ত্ৰিপুৰা সেন শাস্ত্ৰী, বৈষ্ণৱ সাহিত্য ১৩৩৮ বঙ্গাব্দ, পৃষ্ঠা ৩৭

২ সুকুমাৰ সেন সম্পাদিত, কবিৰাজ গোস্বামী বিৰচিত, ১৯৭৭, পৃষ্ঠা ৮, ৯

সুৰ, তাল দি গীত কৰি গাব পাৰি। কোনোবাধন প্ৰাচীন মঙ্গলকাব্যৰ আৰ্হিত ৰচিত। তেতিয়াৰ দিনত সাধাৰণ শ্ৰেণীৰ লোকসকলেও, যাৰ বেছি শিক্ষা-দীক্ষা নাছিল, তেওঁলোকেও এই কাব্যৰ কথা বুজি পাইছিল, চৈতন্যদেৱৰ জীৱন কথা জনাত সুবিধা হৈছিল, বৈষ্ণৱ আদৰ্শ সমূহ সহজে অনুধাৱন কৰিব পাৰিছিল।

বৃন্দাবন দাস চৈতন্যদেৱৰ প্ৰতিবেশী আছিল। "শ্ৰীমদ্ বৃন্দাবন দাস ঠাকুৰ মহাশয়ৰ শ্ৰীচৈতন্য ভাগৱত শ্ৰীগৌড় চৰিত্ৰৰ আদি গ্ৰন্থ। বঙ্গ ভাষাৰ আদি মহাকাব্য"।[১] গোটেই মহাকাব্যৰ আখৰে আখৰে মহা প্ৰেমভাব বিৰাজমান, যিসকলে অতি শ্ৰদ্ধা ভাবে, বিনম্ৰ ভাবে এই মহাকাব্য অধ্যয়ন কৰে তেওঁ অন্তৰেৰে উপলব্ধি কৰে—প্ৰেমময় চৈতন্যদেৱৰ মহিমা আৰু জীৱন লীলাৰ কথা।

বৃন্দাবন দাসৰ 'চৈতন্য ভাগবত' অসম্পূৰ্ণ গ্ৰন্থ। গ্ৰন্থৰ সামৰণি অতি আকস্মিক ভাবে হৈছে। কবিৰাজ গোস্বামীয়ে বৃন্দাবন দাসৰ গ্ৰন্থক বহুত সন্মান কৰিছিল—

"কৃষ্ণ কথা ভাগবতে কহে বেদব্যাস।
চৈতন্য লীলাৰে ব্যাস বৃন্দাবন দাস॥
বৃন্দাবন দাস কৈল চৈতন্য মঙ্গল।
যাহাৰ শ্ৰবণে নাশে সৰ্ব্ব অমঙ্গল॥"
(চৈতন্য চৰিতামৃত, ৮।৩৪-৩৫)

১৫৭৩ খৃষ্টাব্দত 'শ্ৰীচৈতন্য ভাগবত'ৰ খ্যাতি ইমান সুপ্ৰতিষ্ঠিত হৈছিল যে বৃন্দাবন দাসক বেদব্যাসৰ অৱতাৰ বোলা হৈছিল।[২]

'চৈতন্য ভাগবত'ৰ প্ৰথমে নাম আছিল "চৈতন্য মঙ্গল", গ্ৰন্থ ৰচনাৰ পাচত বৃন্দাবনবাসী পাচজন গোস্বামীৰ অনুমোদনৰ কাৰণে পঠাই দিয়ে। বৃন্দাবনবাসী পাচজন গোস্বামী হ'ল—ৰঘুনাথ গোস্বামী, সনাতন গোস্বামী, ৰূপ গোস্বামী, জীৱ গোস্বামী আৰু গোপাল ভট্ট গোস্বামী। এওঁলোকে 'চৈতন্য মঙ্গল' গ্ৰন্থ পঢ়ি ইমান অভিভূত হ'ল যে গ্ৰন্থৰ নাম 'চৈতন্য মঙ্গল' সলাই 'চৈতন্য-ভাগবত' কৰে।

'চৈতন্য ভাগবত' বাংলা ভাষাৰ এখন শ্ৰেষ্ঠ ঐতিহাসিক গ্ৰন্থ। প্ৰাচীন বঙ্গদেশৰ ইতিহাস জানিবৰ কাৰণে এই গ্ৰন্থৰ আশ্ৰয় লোৱাৰ প্ৰয়োজন। আনকি

১ শ্ৰীহৰিদাস দাস, শ্ৰীশ্ৰীগৌড়ীয় বৈষ্ণৱ সাহিত্য, ৪৬২ চৈতন্যাব্দ, পৃষ্ঠা ৭৫
২ বিমান বিহাৰী মজুমদাৰ, শ্ৰীচৈতন্য চৰিতেৰ উপাদান' ১৯৫৯, পৃষ্ঠা ১৮০

বৈষ্ণৱ যুগত বৈষ্ণৱ-বিদ্বেষী লোকসকলৰ বিষয়েও বহু কথাই আছে। চৈতন্য ভাগবত' গ্ৰন্থতেই বঙ্গদেশৰ সামাজিক, ৰাজনৈতিক, লৌকিক ইতিহাসৰ সুন্দৰ ছবি আছে।

বৃন্দাবন দাসৰ 'চৈতন্য ভাগবত' গ্ৰন্থ তিনি খণ্ডত বিভক্ত। (১) আদি খণ্ডত পোন্ধৰটা অধ্যায় আছে। ইয়াত চৈতন্যদেৱৰ জন্মৰ পৰা গয়ালৈ গমন আৰু তাৰ পৰা প্ৰত্যাবৰ্ত্তনৰ কাহিনী লিপিবদ্ধ কৰিছে। (২) মধ্য খণ্ডত চৈতন্যদেৱৰ সন্ন্যাস গ্ৰহণ, বিদ্যাদৰ্প ত্যাগ, অধ্যাপনা বন্ধ কৰি কেৱল ঈশ্বৰৰ প্ৰেমত বাউল হ'ল তাৰ বৰ্ণনা সুন্দৰকৈ কৰিছে। (৩) অন্ত খণ্ডত অতি চমুকৈ দহটা অধ্যায়ত সমাপ্ত কৰিছে। গ্ৰন্থ হয়তো আকস্মিক ভাবে লিখা বন্ধ কৰিছিল। চৈতন্যদেৱৰ কেশৱ ভাৰতীৰ ওচৰত দীক্ষা গ্ৰহণ, নীলাচল উদ্দেশ্যে যাত্ৰা, উৰিষ্যা যাত্ৰা, পুৰীধামত জগন্নাথৰ মূৰ্ত্তি দৰ্শন আৰু মূৰ্চ্ছা যোৱাৰ কথা, সাৰ্বভৌম ভট্টাচাৰ্য্যই চৈতন্যদেৱক বৃন্দাবনলৈ যাবলৈ নিদি ঘৰলৈ ঘূৰাই অনাৰ কথা, শচী মাতা আৰু চৈতন্যদেৱৰ সাক্ষাৎকাৰ, ৰজা প্ৰতাপ ৰুদ্ৰৰ চৈতন্য দৰ্শন লাভ আৰু শৰণ গ্ৰহণ, ৰূপ-সনাতনৰ নীলাচলত চৈতন্যদেৱৰ সঙ্গলাভ ইত্যাদি সমস্ত ঘটনাই এই গ্ৰন্থত বৰ্ণনা কৰিছে।

'চৈতন্য ভাগবত'ত চৈতন্যদেৱৰ নবদ্বীপৰ লীলা কাহিনী সুন্দৰকৈ লিখিছে। চৈতন্যদেৱৰ শিষ্য নিত্যানন্দৰ আদেশতেই বৃন্দাবন দাসে গ্ৰন্থখন ৰচনা কৰিছিল। কিন্তু চৈতন্যদেৱ জীৱিত থকা কালতে গ্ৰন্থৰ ৰচনা সমাপ্ত হৈছিলনে নাই সেইটো জনা নেযায়। গ্ৰন্থৰ ৰচনা হঠাৎ আকস্মিক ভাবে শেষ হোৱাৰ কাৰণে এনে ধাৰণাও মনলৈ আহে যে "চৈতন্যদেৱৰ তিৰোধানৰ পাচতেই বঙ্গদেশৰ বৈষ্ণৱ-সকলৰ মাজত কিছু বিভ্ৰান্তিয়ে দেখা দিছিল। হয়তোবা তাৰ কাৰণেই বৃন্দাবন দাসৰ 'চৈতন্য-ভাগবত' ৰচনা কৰাৰ স্পৃহা লুপ্ত হ'ল।"[১] কিন্তু এইটো অনুমান কৰিব পৰা যায় যে বৃন্দাবন দাসৰ 'চৈতন্য ভাগবত' ১৫৪০ খৃষ্টাব্দৰ ওচৰাওচৰি সময়তে ৰচিত হৈছিল।

বৃন্দাবন দাসৰ 'চৈতন্য ভাগবত'ৰ পৰা জনা যায় যে পঞ্চদশ শতাব্দীৰ শেষ ভাগত নবদ্বীপ বিদ্যা চৰ্চ্চাৰ ও সংস্কৃতিৰ প্ৰধান কেন্দ্ৰ হৈ আছিল যদিও তাত ধৰ্মৰ গ্লানি হৈছিল কলি যুগৰ নাম ধৰ্ম প্ৰবৰ্ত্তনৰ কাৰণে, দুষ্টসকলক দমন কৰিবৰ

১ সুকুমাৰ সেন সম্পাদিত 'চৈতন্য চৰিতামৃত'; [illegible] ১৯৭৭ পৃষ্ঠা ১১ [illegible]

কাৰণে শ্ৰীকৃষ্ণ চৈতন্যদেৱৰ ৰূপত আৰু বলৰাম নিত্যানন্দৰ ৰূপত আবিৰ্ভাৱ হৈছিল।

বৃন্দাবন দাসৰ কবিত্ব শক্তি অতুলনীয়। কবিৰ অন্তৰ্দৃষ্টিৰে চাই চৈতন্যদেৱৰ যি অলৌকিক প্ৰেমৰ আলেখ্য অংকন কৰিছে সেয়া ৰসিকজনৰ পৰম আদৰৰ ধন।[১]

চৈতন্যদেৱৰ চৰিত ৰচনা কৰা সকলৰ ভিতৰত জয়ানন্দও এজন। তেওঁ ৰচনা কৰা গ্ৰন্থৰ নাম "চৈতন্য মঙ্গল"। "নানা দিশৰ পৰা জয়ানন্দৰ 'চৈতন্য মঙ্গল'ৰ অসাধাৰণত্ব আছে। প্ৰথম বিশেষত্ব হ'ল, গ্ৰন্থখনৰ গঠন আন চৈতন্যদেৱৰ জীৱনী গ্ৰন্থৰ নিচিনা নহয়। দ্বিতীয় কথা হ'ল, গ্ৰন্থখন অত্যন্ত লৌকিক কথাৰে ভৰা। তৃতীয় হ'ল, চৈতন্যদেৱৰ তিৰোধানৰ কিছু কথা আছে। জয়ানন্দ বৈষ্ণৱ আৰু ভক্ত আছিল। কিন্তু পণ্ডিত অথবা সাধক নাছিল।"[২]

বৈষ্ণৱ সমাজত কিন্তু জয়ানন্দৰ "চৈতন্য মঙ্গল" কাব্যৰ আদৰ নাছিল। প্ৰথম কাৰণ হ'ল, জয়ানন্দই "চৈতন্য মঙ্গল" ৰচনা কৰোতে বৈষ্ণৱীয় যি ৰীতি তাক পালন কৰা নাই। "গোস্বামী শাস্ত্ৰত দিয়া শ্ৰীচৈতন্যদেৱৰ ধৰ্মমত ব্যাখ্যা কৰা নাই। বাংলা পয়াৰৰ প্ৰথমতেই ৰাধাকৃষ্ণ, শ্ৰীচৈতন্য বা গুৰুদেৱক বন্দনা নকৰি প্ৰচলিত হিন্দু ৰীতি অনুসৰণ কৰিছে—

"প্ৰথমে বন্দিব দেৱ শিৱো নন্দনে।
জাহাৰ স্মৰণে বিঘ্ন নাহিহে ভুবনে॥"[৩]

বৈষ্ণৱ কবিসকলে বিশ্বাস কৰে যে শ্ৰীচৈতন্যদেৱৰ জীৱনলীলা শ্ৰৱণ কৰিলে ভক্তি ভাৱ ওপজে, শ্ৰীকৃষ্ণৰ কৃপা লাভ কৰে, শ্ৰীচৈতন্যদেৱৰ কৃপা লাভ কৰে। দ্বিতীয় কাৰণ হ'ল, এই গ্ৰন্থত শ্ৰীচৈতন্যৰ মনত কেনেকৈ প্ৰেম ভক্তি ভাৱৰ জন্ম হৈছিল তাৰ কোনো বৰ্ণনা নাই। গতিকে শ্ৰীচৈতন্যদেৱৰ জীৱনৰ আটাইতকৈ আকৰ্ষণীয় অধ্যায়টোৱেই অলিখিত হৈ ৰ'ল। তৃতীয় কথা হ'ল, গ্ৰন্থত বৰ্ণনা কৰা অনেক কথাই কোনো অনুসন্ধান নকৰাকৈ নিজৰ ধাৰণা অনুসৰিয়েই শ্ৰীচৈতন্যদেৱৰ মুখেদি পৌৰাণিক কাহিনী বিকৃত আখ্যান আৰু বৈৰাগ্যৰ উপদেশ কোৱাইছে।[৪] অনেক

---

১ শ্ৰীবিমান বিহাৰী মজুমদাৰ, শ্ৰীচৈতন্য চৰিতেৰ উপাদান, ১৯৩৯ পৃষ্ঠা ২২২

২ কৃষ্ণদাস কবিৰাজ বিৰচিত চৈতন্য চৰিতামৃত, সুকুমাৰ সেন সম্পাদিত, ১৯৭৭ পৃষ্ঠা ১৬

৩ শ্ৰীবিমান বিহাৰী মজুমদাৰ, শ্ৰীচৈতন্য চৰিতেৰ উপাদান, ১৯৩৯, পৃষ্ঠা ২২৫

৪ প্ৰাগুক্ত, ১৯৩৯, পৃষ্ঠা ২৩১

অসংলগ্ন আৰু বিপৰ্য্যস্ত কথা জয়ানন্দই তেওঁৰ গ্ৰন্থত স্থান দিছে। জয়ানন্দৰ কাব্যত কোনো পৰিপাত্য বা ৰচনাৰ নৈপুণ্য নাই।[১]

লোচন দাসৰ 'চৈতন্য মঙ্গল' কাব্য পাচালী প্ৰবন্ধ আৰু মঙ্গল কাব্যৰ আহিত সাধাৰণ বিশ্বাসপ্ৰৱণ বৈষ্ণৱ ভক্তসকলৰ উপযোগী কৰি ৰচনা কৰা গ্ৰন্থ। জনসাধাৰণৰ মনে সহজে বুজি পোৱাকৈ এই গ্ৰন্থ ৰচিত হোৱাৰ কাৰণেই ঊনবিংশ শতাব্দীলৈকে "চৈতন্যমঙ্গল"ৰ গান প্ৰচলিত আছিল। জীৱনী সাহিত্য হিচাবে কিন্তু "চৈতন্যমঙ্গল"ৰ ইমান মূল্য নাই।

"চৈতন্যমঙ্গল" গ্ৰন্থ চাৰিটা খণ্ডত বিভক্ত—সূত্ৰ খণ্ড, আদি খণ্ড, মধ্য খণ্ড আৰু শেষ খণ্ড। মুৰাৰি গুপ্তৰ 'কড়চা'ই লোচন দাসৰ 'চৈতন্যমঙ্গল' ৰচনা কৰাৰ প্ৰধান অবলম্বন আছিল। এই কথা গ্ৰন্থৰ আৱতনী, মধ্য ভাগ আৰু শেষ ভাগতো উল্লেখ কৰিছে। প্ৰধানতঃ 'চৈতন্যমঙ্গল' ৰসাত্মক গ্ৰন্থ।

'শ্ৰীচৈতন্য চৰিতেৰ উপাদান' গ্ৰন্থত ডঃ বিমান বিহাৰী মজুমদাৰে[২] "চৈতন্য মঙ্গল" ৰচনা সম্বন্ধে উল্লেখ কৰিছে, শ্ৰীখণ্ডৰ প্ৰাচীন বৈষ্ণৱ নামৰ গ্ৰন্থত আছে যে অলপ দিনৰ ভিতৰতে লোচন দাসে গ্ৰন্থ ৰচনা সমাপ্ত কৰি শ্ৰীখণ্ডলৈ ঘূৰি গল আৰু শ্ৰীনৰহৰিৰ ওচৰত গ্ৰন্থ অৰ্পণ কৰিলেগৈ। নৰহৰিয়ে গ্ৰন্থ দেখি কলে, পূৰ্ব্বতে শ্ৰীবৃন্দাবন দাসে 'শ্ৰীচৈতন্যমঙ্গল' নামে এখন গ্ৰন্থ ৰচনা কৰিছে। গতিকে এই গ্ৰন্থ প্ৰচাৰৰ কাৰণে তেওঁৰ পৰা অনুমতি লোৱাৰ প্ৰয়োজন। নৰহৰিৰ আজ্ঞাত লোচন দাস বৃন্দাবন দাসৰ ওচৰলৈ গল আৰু তেওঁক এই গ্ৰন্থ অৰ্পণ কৰি সকলো কথা কলে। বৃন্দাবন দাসে গ্ৰন্থ পঢ়িবলৈ লৈ প্ৰথমতেই তলত উল্লেখ কৰা পয়াৰটি পঢ়ি প্ৰেম মূৰ্চ্ছিত হৈ পৰিল—

"অভিন্ন চৈতন্য সে ঠাকুৰ অবধুত।
শ্ৰীনিত্যানন্দ বন্দ ৰোহিনী সুত।"

বৃন্দাবন দাসে কলে, "লোচন! তুমি নৰহৰিৰ অনুগ্ৰহত শ্ৰীনিত্যানন্দতত্ত্ব যথাৰ্থই উপলব্ধি কৰিছা। এতিয়াৰ পৰা তোমাৰ গ্ৰন্থৰ নাম 'শ্ৰীচৈতন্যমঙ্গল' আৰু মোৰ 'চৈতন্যমঙ্গল'ৰ নাম 'চৈতন্য ভাগৱত' হল।"

লোচন দাসৰ 'চৈতন্যমঙ্গল' গ্ৰন্থ জীৱনী সাহিত্য হিচাবে অধিক মূল্যবান নহলেও গৌড়ীয় বৈষ্ণৱ ধৰ্ম্মৰ এটি শাখাৰ উপাসনা আৰু ভাৱসাধনা প্ৰণালীৰ

১ শ্ৰীহৰিদাস দাস, শ্ৰীশ্ৰী গৌড়ীয় বৈষ্ণৱ সাহিত্য, ১ম সং ৪৬২ চৈতন্যাব্দ পৃষ্ঠা ৮১
২ ১৯৩৯ পৃষ্ঠা ২০৮

বিষয় বিবৰণী দিব পৰা গ্ৰন্থ হিচাবে বৈষ্ণৱ সাহিত্যৰ ইতিহাসত মূল্যবান গ্ৰন্থ।

কৃষ্ণদাস কবিৰাজ গোস্বামীৰ 'চৈতন্যচৰিতামৃত' মধ্যযুগত ৰচিত চৰিত সাহিত্যৰ ভিতৰতে এখন বিশিষ্ট স্থান আছে। ইয়াত কেৱল চৈতন্যদেৱৰ জীৱন কথাকে বিবৃত কৰা নাই। গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ দাৰ্শনিক সিদ্ধান্ত, অলৌকিক ৰসতত্ত্ব আদিৰ বিষয়েও জনগণক অৱগত কৰাইছে। চৈতন্যদেৱৰ জীৱনলীলা বৰ্ণিত মধ্যযুগৰ জীৱনী সাহিত্য সমূহৰ ভিতৰত 'চৈতন্যচৰিতামৃত' সকলোতকৈ বিস্তৃত আৰু সকলোতকৈ প্ৰামাণিক বুলি কয়।

কবিৰাজ গোস্বামীয়ে 'চৈতন্যচৰিতামৃত' ৰচনা কৰাৰ আগতে চৈতন্যদেৱৰ জীৱনী গ্ৰন্থ কেবাখনো লেখা হৈছিল। কিন্তু 'চৈতন্যচৰিতামৃত'ক বৃন্দাবন দাসৰ 'চৈতন্য ভাগৱত'ৰ পৰিপূৰক বুলি কব পৰা যায়। কিয়নো বৃন্দাবনবাসী বৈষ্ণৱ ভক্তসকলে চৈতন্যদেৱৰ অন্ত্যলীলা জানিবলৈ ব্যাকুল হৈ আছিল। বৃন্দাবন দাসে তেওঁৰ গ্ৰন্থত চৈতন্যদেৱৰ অন্তলীলাৰ বৰ্ণনা কৰা নাছিল। সেই কাৰণে কবিৰাজ গোস্বামীয়ে বৃদ্ধ বয়সত সেই দুৰূহ কাম কৰিবৰ কাৰণে আগবাঢ়ে বুলি নিজেই গ্ৰন্থত উল্লেখ কৰিছে—

"আমি বৃদ্ধ জরাতুর লিখিতে কাঁপয় কর
মনে কিছু স্মরণ না হয়।
না দেখিয়ে নয়নে না শুনিয়ে শ্রবণে
তবু লিখি এত বড় বিস্ময়॥"
(মধ্য লীলা, দ্বিতীয় পৰিচ্ছেদ)

এই গ্ৰন্থ ৰচনা সম্বন্ধে ত্ৰিপুৰা সেন শাস্ত্ৰীয়ে[১] উল্লেখ কৰিছে, 'চৈতন্য চৰিতামৃত'ত কবিৰাজ গোস্বামীয়ে কৈছে, "সপ্নত দেখা পাই আৰু গৃহদেৱতা মদন গোপালৰ আদেশ পাই মই গ্ৰন্থ ৰচনাত প্ৰবৃত্ত হৈছোঁ। গ্ৰন্থ ৰচনাত মই বৃন্দাবন দাসক অনুসৰণ কৰিছোঁ। তেওঁ যি বিলাক বিস্তৃত ভাৱে বৰ্ণনা কৰিছে, সেই বিলাক মই চমুকৈ বৰ্ণনা কৰিছোঁ। কিন্তু তেওঁ মহাপ্ৰভুৰ অন্ত লীলা বৰ্ণনা কৰা নাই, গতিকে সেয়া মই সবিস্তাৰে কৰিছোঁ।"

"বৃদ্ধ জৰাতুৰ" কৃষ্ণদাস কবিৰাজে কমি অহা স্মৰণ শক্তিৰে, লিখিবলৈ ললে হাত কঁপা অৱস্থাৰে, আনকি ক্ষীণ হৈ অহা দৃষ্টিশক্তিৰে 'চৈতন্যচৰিতামৃত'ৰ দৰে

১ বৈষ্ণৱ সাহিত্য, ১৩৩৮ বঙ্গাব্দ পৃষ্ঠা ৪০

গ্ৰন্থ লিখিবলৈ আগবাঢ়িল তাৰ কাৰণ এই যে বৃন্দাবন দাসে 'চৈতন্য ভাগৱত' ৰচনা কৰি 'বেদব্যাস' আখ্যা পোৱাৰ পাচতো জনগণৰ মাজত বিশেষকৈ বৈষ্ণৱসকলৰ মাজত অতি জনপ্ৰিয় হোৱাৰ পাচতো চৈতন্যদেৱৰ জীৱনৰ আটাইতকৈ আকৰ্ষণীয় অংশ জীৱনৰ অন্তলীলা য'ত চৈতন্যদেৱ প্ৰেমভক্তিত বাউল হৈ পৰিছে, সেই অৱস্থাৰ তেনে বৰ্ণনা নকৰাৰ কাৰণে আৰু সেইখিনি জানিবলৈ ভক্তসকল আকুল আছিল, কৃষ্ণদাস কৱিৰাজে তেওঁৰ গ্ৰন্থত সেই অংশ যোগ দিছে বৃন্দাবনবাসী বৈষ্ণৱ ভক্তসকলৰ অনুৰোধত। কিন্তু ইমান বৃদ্ধ অৱস্থাত তেওঁ গ্ৰন্থ ৰচনা কৰিবলৈ লৈছিল যে কৱিৰাজ গোস্বামীৰ সকলো সময়তে মৃত্যু ভয় হৈছিল, কিজানি গ্ৰন্থ শেষ কৰিবলৈ পোৱাৰ আগতে তেওঁৰ মৃত্যু হয়। গতিকে "অন্ত খণ্ড আৰম্ভ কৰাৰ আগতে মধ্য খণ্ডতেই অন্ত খণ্ডত কিছুমান লীলাৰ বৰ্ণনা কৰিছে।"[১]

'চৈতন্যচৰিতামৃত' গ্ৰন্থ তিনি খণ্ডত বিভক্ত। প্ৰত্যেক ভাগৰ নাম দিছে লীলা। এই লীলাসমূহ বিভিন্ন পৰিচ্ছেদত বিভক্ত। আদি লীলা, মধ্য লীলা আৰু অন্ত লীলা। আদি লীলাত চৈতন্যদেৱৰ গাৰ্হস্থ্য জীৱনৰ প্ৰথম চৰিশ বছৰৰ কথা আছে। এই খণ্ডত সোতৰটা পৰিচ্ছেদ আছে। মধ্য লীলাত চৈতন্যদেৱৰ সন্ন্যাস গ্ৰহণৰ পৰা শেষ তীৰ্থ ভ্ৰমণ পৰ্য্যন্ত ছবছৰৰ কথা আছে। ইয়াত পচিছটা পৰিচ্ছেদ আছে। আৰু অন্ত লীলাত চৈতন্যদেৱৰ শেষ ওঠৰ বছৰৰ জীৱন বৃত্তান্ত আছে। এই পৰিচ্ছেদ বিলাকত মন কৰিব লগীয়া কথা যে প্ৰত্যেক পৰিচ্ছেদৰ আৰম্ভণীতে এটাকৈ স্বৰচিত শ্লোক আছে, বিশেষকৈ মধ্য আৰু অন্তলীলাত।

ডঃ বিমান বিহাৰী মজুমদাৰৰ[২] মতে, বৈষ্ণৱ ভক্তসকলে কৃষ্ণদাস কৱিৰাজৰ 'চৈতন্যচৰিতামৃত'ক বেদৰ দৰে মান কৰে কেৱল কবিত্ব গুণৰ কাৰণে নহয়। মনাৰ প্ৰধান কাৰণ তিনিটা হল, (১) বৃন্দাবনৰ পাচজন গোস্বামীৰ দ্বাৰা ৰচিত, বৈষ্ণৱ শাস্ত্ৰৰ সিদ্ধান্ত সমূহক অতিশয় কৌশলপূৰ্ণ ভাবে বিন্যস্ত কৰিছে, (পাচ জন গোস্বামী হল—ৰঘুনাথ গোস্বামী, সনাতন গোস্বামী, ৰূপ গোস্বামী, জীৱ গোস্বামী আৰু গোপাল ভট্ট গোস্বামী।) (২) সন্ন্যাসী চৈতন্যদেৱৰ বহিৰঙ্গ-জীৱনৰ এনেকুৱা কিছুমান ঘটনা ইয়াত বৰ্ণনা কৰিছে, যিবিলাকৰ বিষয়ে বৃন্দাবন দাস,

১ অসিত বন্দ্যোপাধ্যায়, বাংলা সাহিত্যের ইতিহাস, ২য় খণ্ড, পৃষ্ঠা ৪২০
২ শ্ৰীচৈতন্য চরিতের উপাদান, ১৯৭৯ পৃষ্ঠা, ২৯৬-২৯৭

জয়ানন্দ বা লোচন দাসৰ গ্ৰন্থত পোৱা নেযায়। অনেক সময়ত 'কবিৰাজ' গোস্বামীয়ে এনেকুৱা ঘটনাও বৰ্ণনা কৰিছে, যাৰ বিষয়ে সংস্কৃত ভাষাত লিখা মুৰাৰি গুপ্তৰ 'কড়চা', ৰঘুনাথ দাস গোস্বামীৰ স্তবাৱলী, ৰূপ গোস্বামীৰ স্তব মালা, কবি কৰ্ণপূৰৰ "শ্ৰীচৈতন্যচন্দ্ৰোদয়" নাটক আৰু "শ্ৰীকৃষ্ণচৈতন্য চৰিতামৃত" মহাকাব্যতো পাবলৈ নাই। আনকি মুৰাৰি গুপ্ত, কবি কৰ্ণপূৰ বা বৃন্দাবন দাসৰ ৰচনাত থকা ঘটনাকো কেতিয়াবা কবিৰাজ গোস্বামীয়ে অনেক সময়ত পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন কৰি অঙ্কিত কৰিছে। (৩) চৈতন্যদেৱৰ অন্তৰঙ্গ জীৱনৰ ভাবাস্বাদনৰ আলেখ্য কৃষ্ণদাস কবিৰাজে ইমান সুন্দৰকৈ অঙ্কন কৰিছে যে আধ্যাত্মিক সাধনাত যথেষ্ট অনুপ্ৰেৰণা পোৱা যায়। চৈতন্যৰ যি মূৰ্ত্তি মানুহৰ মানসপটত অঙ্কিত হৈ আছে তাক জীৱন্ত কৰি তুলিলে কৃষ্ণদাস কবিৰাজে।

এই কেইটাই হল কৃষ্ণদাস কবিৰাজৰ 'চৈতন্য চৰিতামৃত"ৰ আদৰ হোৱাৰ কাৰণ।

'চৈতন্য চৰিতামৃত' গ্ৰন্থত কৃষ্ণদাস কবিৰাজে চৈতন্যদেৱৰ শেষ জীৱনৰ অপাৰ্থিব লীলাকাহিনী এনে ৰূপত বৰ্ণনা কৰিছে যে চৈতন্যদেৱৰ ভক্তসকলৰ 'বাসনা পূৰ্ণ ৰূপে পৰিতৃপ্ত' কৰিব পাৰিছে। 'চৈতন্য চৰিতামৃত'ত কবিত্বৰ লগত পাণ্ডিত্য, ভক্তিৰ লগত মুক্তি প্ৰৱণতাৰ, তত্ত্বৰ লগত তথ্যৰ এক বিস্ময় জনক সমন্বয় সাধন হৈছে। এই গ্ৰন্থ ধৰ্ম্মশাস্ত্ৰ হৈয়ো সাহিত্যৰ মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। বাংলা সাহিত্যৰ ভাণ্ডাৰত ই এক মহামূল্য ৰত্ন। এই হেন গ্ৰন্থৰ লেখক হৈয়ো তেওঁ লেখিছে—

"জগাই মধাই হৈতে মঞি সে পাপিষ্ঠ।
পুৰীষের কীট হইতে মুঞি সে লঘিষ্ঠ॥
মোর নাম শুনে যেই তার হয় পুণ্য।
মোর নাম লয় যেই তার পুণ্য ক্ষয়।[১] (পৃষ্ঠা ৬২)

কৃষ্ণদাস কবিৰাজ আছিল এজন সংস্কৃতজ্ঞ আৰু সুপণ্ডিত। তেওঁৰ বাংলা ভাষাত সাহিত্য ৰচনাৰ নৈপুণ্যক কেবল ৰবীন্দ্ৰনাথৰ লগতহে তুলনা কৰিব পৰা যায় বুলি ডঃ সুকুমাৰ সেনে উল্লেখ কৰিছে।[২] কৃষ্ণদাস কবিৰাজ অতুলনীয় কবিত্ব

১ কবিৰাজ গোস্বামী বিৰচিত, শ্ৰীশ্ৰীচৈতন্য চৰিতামৃত, প্ৰকাশক শ্ৰীসুবোধচন্দ্ৰ মজুমদাৰ, বঙ্গাব্দ ১৩৭৪ পৃষ্ঠা ৩৩৫-৩৩৬

২ কৃষ্ণদাস কবিৰাজ বিৰচিত, শ্ৰীশ্ৰীচৈতন্য চৰিতামৃত, ২য় সংস্কৰণ, ১৯৭৭, পৃষ্ঠা ২১

শক্তিৰ অধিকাৰী হৈয়ো, সংস্কৃতত পণ্ডিত হৈয়ো এনেকুৱা বিনয় ভাব প্ৰদৰ্শন কৰিছে যে তেওঁ প্ৰদৰ্শিত বিনয় ভাবৰ পৰাই বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত "বৈষ্ণৱী বিনয়' শব্দটো প্ৰখ্যাত হৈ পৰে।[১] তেওঁ নিজক জগাই মাধাই বুলিহে উল্লেখ কৰিছে।

গোবিন্দ দাসৰ 'কড়চা' লৈ বাংলা ভাষা বৈষ্ণৱ সাহিত্যত যথেষ্ট আলোচনা হৈছে। ডঃ বিমান বিহাৰী মজুমদাৰে এই সম্বন্ধে আলোচনা কৰিছে[২], "যি ৰীতিত চৈতন্যদেৱৰ অন্যান্য জীৱনী সমূহক বিচাৰ কৰা হৈছে, সেই ৰীতিত দৃঢ়নিষ্ঠ হলে গোবিন্দ দাসৰ কড়চাক প্ৰামাণিক বুলি স্বীকাৰ কৰা কঠিন হয়। জয়গোপাল গোস্বামী নামৰ এজন লোকে গোবিন্দ দাসৰ 'কড়চা' নামৰ এখন গ্ৰন্থ সংগ্ৰহ কৰিছিল আৰু তাৰ নকল কৰি থৈছিল। কিন্তু গ্ৰন্থৰ নকলৰ অসংগ অংশ হেৰাই গলত জয়গোপালে নিজে সেই হেৰোৱা অংশ ৰচনা কৰি যোগ দি গোবিন্দ দাসৰ কড়চা বুলি প্ৰচলিত কৰিবলৈ বিচাৰিছিল। আনকি গ্ৰন্থৰ মাজে মাজে যিবোৰ অংশ জয়গোপালে বুজি পোৱা নাছিল, সেইবোৰো নিজে লেখি সংযোগ কৰিছিল।

কড়চাত আধুনিকতাৰ ছাপ সুস্পষ্ট। এই সম্বন্ধে অসিত বন্দোপাধ্যায়ে উল্লেখ কৰিছে—

"এত কৃপা কেন মোরে অহে দয়াময়।
অধমের নামটি গোবিন্দ দাস হয়॥
ছিলাম গৃহস্থর ঘরে নানা কাম করি।
এবে কিন্তু হইয়াছি পথের ভিখারী॥
বিষয় ছাড়িয়া এনু প্রভু দরশনে।
এবে স্থান দেহ প্রভু ও রাঙা চরণে॥"[৩]

অৱশ্যে প্ৰাচীন শব্দ ব্যৱহাৰ কৰাৰ কাৰণেও চেষ্টা কৰিছে। গোবিন্দ দাসৰ 'কড়চা'ৰ প্ৰাচীন পুঁথি পোৱা হোৱা নাই। এই 'কড়চা'ৰ সম্বন্ধে প্ৰাচীন কোনো বৈষ্ণৱ সাহিত্যতো কোনো কথা নাই। মুৰাৰি গুপ্ত বা কবি কৰ্ণপুৰৰ ৰচনাৰ লগতো এই 'কড়চা'ৰ বহুত কথাতেই অসামঞ্জস্য দেখা পোৱা গৈছে। সেই

১ বিমান বিহাৰী মজুমদাৰ, শ্ৰীচৈতন্য চৰিতেৰ উপাদান, ১৯৫৯, পৃষ্ঠা ৩১০
২ শ্ৰীচৈতন্য চৰিতেৰ উপাদান, ১৯৫৯. পৃষ্ঠা ৩১৮
৩ বাংলা সাহিত্যেৰ ইতিহাস, দ্বিতীয় খণ্ড, পৃষ্ঠা ৩৭৩

কাৰণে এই গ্ৰন্থক প্ৰামাণিক বুলি ধৰিব পৰা নেযায় বুলি ডঃ বিমান বিহাৰী মজুমদাৰে উল্লেখ কৰিছে।[১]

চূড়ামণি দাসৰ "গৌৰাঙ্গ বিজয়" বা "ভুবন মঙ্গল" আন এখন চৈতন্যদেৱৰ জীৱনী বিষয়ক গ্ৰন্থ। এই গ্ৰন্থ সম্বন্ধে সৌ সিদিনালৈকে পাঠক সমাজ অজ্ঞ আছিল। কিন্তু ১৯৫৭ চনত Asiatic Societyৰ পৰা ডঃ সুকুমাৰ সেনে সম্পাদনা কৰি প্ৰকাশ কৰাৰ পাচত চূড়ামণি দাসৰ "গৌৰাঙ্গ বিজয়" বা 'ভুবন মঙ্গল' নামৰ গ্ৰন্থৰ বিষয়ে জানিব পৰা যায়। সুকুমাৰ সেনে এই গ্ৰন্থক 'ভুবন মঙ্গল' বুলিয়েই উল্লেখ কৰিছে।

ষোড়শ শতাব্দীৰ শেষ ভাগ আৰু সপ্তদশ শতাব্দী জুৰি চৈতন্যদেৱৰ জীৱনী সাহিত্য চাৰিওফালে বিস্তৃতি লাভ আৰু জনপ্ৰিয় হোৱাৰ পাচত চৈতন্যদেৱৰ জীৱনী কাব্যৰ আদৰ্শতে বৈষ্ণৱ সন্তসকলৰ জীৱনকথা লৈ আৰু সৰু সৰু কাব্য ৰচনা কৰিবলৈ ধৰিলে। অসমত বৈষ্ণৱ গুৰু শঙ্কৰদেৱৰ জীৱন কাহিনী ৰচনা হোৱাৰ পাচত যেনেকৈ মাধৱদেৱ, দামোদৰদেৱ, গোপাল আতা প্ৰভৃতি অন্যান্য বৈষ্ণৱ গুৰু আৰু সন্তসকলৰ জীৱন চৰিত ৰচিত হবলৈ ধৰিলে আৰু ভক্তসকলৰ প্ৰাণৰ বস্তু হল; তেনেকৈ বঙ্গদেশৰ চৈতন্যদেৱৰ পাচত বৈষ্ণৱ ধৰ্মৰ নেতৃস্থানীয় লোক অদ্বৈত আচাৰ্য্য, নৰোত্তম, শ্ৰীনিবাস, শ্যামানন্দ প্ৰভৃতিৰ জীৱন কথা চৰ্চ্চা হবলৈ ধৰিলে; জীৱনী ৰচিত হবলৈ ধৰিলে।

অদ্বৈত আচাৰ্য্য চৈতন্যদেৱৰ সৰ্বজ্যেষ্ঠ ভক্ত আছিল। তেওঁৰ জীৱন কথা লৈ (১) লাউড়িয়া কৃষ্ণদাসৰ সংস্কৃতত ৰচিত গ্ৰন্থ 'বাল্যলীলা সূত্ৰ', (২) ঈশান নাগৰৰ 'অদ্বৈত প্ৰকাশ', (৩) হৰিচৰণ দাসৰ 'অদ্বৈত মঙ্গল' আৰু (৪) হৰিদাসৰ 'অদ্বৈত বিলাস' ৰচিত হৈছে।

"বাল্যলীলা সূত্ৰ"ৰ লেখক কৃষ্ণদাসৰ প্ৰকৃত নাম দিব্য সিংহ। তেওঁ শ্ৰীহট্টৰ (বৰ্ত্তমান বাংলা দেশৰ অন্তৰ্গত) অন্তৰ্গত লাউড়ৰ জমিদাৰ আছিল। সংসাৰ ধৰ্মৰ প্ৰতি বিতৃষ্ণা হৈ অদ্বৈত আচাৰ্য্যৰ ওচৰত দীক্ষা লৈ কৃষ্ণদাস নাম লয়। কৃষ্ণদাসেই অদ্বৈত আচাৰ্য্যৰ প্ৰথম জীৱন কাহিনী সংস্কৃত ভাষাত "বাল্যলীলা সূত্ৰ"ত বৰ্ণনা কৰিছে।

অষ্টাদশ শতাব্দীতো বাংলা ভাষাত কেইখনমান চৈতন্যদেৱৰ জীৱনী লিখা হৈছিল। কিন্তু সেইবোৰ তেনে নতুন কথা সংযোগ কৰা নাছিল। উল্লেখযোগ্য

১ শ্ৰীচৈতন্যচৰিতেৰ উপাদান, ১৯৩৯, পৃষ্ঠা ৪২০

ৰচনাৰ ভিতৰত কবিকৰ্ণপূৰৰ "চৈতন্য চন্দ্ৰোদয়" নাটকৰ পদ্য অনুবাদ, প্ৰেমদাসৰ "চৈতন্য চন্দ্ৰোদয় কৌমুদী", ইয়াৰ বাহিৰে বিশ্বনাথ চক্ৰবৰ্ত্তীৰ "শ্ৰীচৈতন্যৰসায়ন", মনোহৰ দাসৰ "অনুৰাগ বল্লী", নৰহৰি বা ঘনশ্যাম দাসৰ 'শ্ৰীনিবাস চৰিত্ৰ' আৰু 'নৰোত্তম বিলাস' আৰু 'ভক্তি ৰত্নাবলী', গোপীজন বল্লভ দাসৰ "শ্ৰীশ্ৰীৰসিক মঙ্গল", লাল দাসৰ "কৃষ্ণদাস ও ভক্তমাল", আনন্দ দাসৰ "শ্ৰীশ্ৰীজগদীশ চৰিত্ৰ", গোবিন্দদেৱ কবিৰ "শ্ৰীগৌৰকৃষ্ণোদয়", দ্বিজ শঙ্কৰৰ "শ্ৰীগৌৰলীলামৃত", বনমালী দাসৰ "জয়দেৱ চৰিত্ৰ", কবি জগন্নাথ দাসৰ "ভক্ত চৰিতামৃত" আদি জীৱনী গ্ৰন্থও মধ্যযুগত বাংলা ভাষাত ৰচিত হৈছিল।

বাংলা ভাষাত লিখা বৈষ্ণৱ জীৱনীসমূহত মানৱ জীৱন কথাই প্ৰাধান্য পাইছে যদিও চৈতন্যদেৱৰ জীৱনৰ লীলা মাহাত্ম্য বৰ্ণনা কৰোঁতে অলৌকিক ঘটনাই ঠাই পাইছে। মাজত ঐশ্বৰিক মাহাত্ম্য প্ৰকাশ পাইছিল যদিও তেওঁ যে এইখন জগতৰে লোক সেই কথাও জীৱনী লেখকে পাহৰি যোৱা নাছিল। সেই কাৰণে চৈতন্যদেৱৰ জীৱনী গ্ৰন্থসমূহ ধৰ্মগ্ৰন্থ হলেও সাহিত্য হিচাবেও যথেষ্ট আদৰ থকা দেখা যায়।

বাংলা ভাষাৰ বৈষ্ণৱ জীৱনী কাব্য সমূহ ধাৰ্ম্মিকতাৰ দ্বাৰা উদ্বুদ্ধ আৰু সম্পূৰ্ণ ভাবে মানুহৰ জীৱন চৰিত নহয়। বিশেষকৈ চৈতন্যদেৱৰ জীৱনীসমূহ অৱতাৰবাদৰ কাৰণে অলৌকিক প্ৰভাৱযুক্ত নহয়।[১] কিন্তু জীৱনী লেখকসকলে তেওঁলোকৰে গঢ়া চৈতন্যদেৱৰ মানৱ জীৱনক উলাই কৰিব পৰা নাছিল। সেই কাৰণে চৈতন্যদেৱৰ জীৱনী সমূহত তেওঁৰ সুখ, দুখ, সমাজ জীৱন আৰু সমসাময়িক পৰিবেশ আদিৰ চিত্ৰ ফুটি উঠিছে। বৈষ্ণৱ যুগত ৰচনা কৰা জীৱনী কাব্য সমূহ সেয়েহে সাহিত্য হিচাবেও অতুলনীয়।

মধ্যযুগৰ অসম, বঙ্গ আৰু ভাৰতৰ আন আন ভাষাত ৰচিত জীৱনী কাব্য সমূহত সন্তসকলৰ জীৱন কথাত যি অলৌকিক ঘটনা সন্নিবিষ্ট কৰা আছে, সেয়া প্ৰকৃততে বাস্তৱ ক্ষেত্ৰত হৈছিলনে নাই সেয়া বিচাৰ কৰিবলৈ গলে এনে ধাৰণাই হয় যে সন্তসকলক ভক্তসকলে অৱতাৰী পুৰুষ বুলি বিশ্বাস কৰিছিল আৰু সেই সম্বন্ধে কোনো সংশয় নাছিল। "সংশয়হীন ভক্তসকলৰ কাৰণে সামান্য কথাও অসামান্য হৈ পৰে-নিতান্ত লৌকিক ঘটনাবো তেওঁলোকৰ ওচৰত অলৌকিক

---

১ শ্ৰীহিৰণ্ময়চন্দ্ৰ চৌধুৰী, বৈষ্ণৱ সাহিত্য প্ৰবেশিকা, ২য় সংস্কৰণ, বৈশাখ ১৯৬০ পৃষ্ঠা . পৰিশিষ্ট চ

মৰ্যাদা লাভ কৰে।"[১] গতিকে মধ্যযুগত ৰচিত জীৱনীসমূহ বিচাৰ কৰিবলৈ হলে, মধ্যযুগৰ লোকবিশ্বাস, অবিশ্বাস, জীৱন ধাৰণ প্ৰণালী আদি সকলো সামৰি লৈ সেই যুগৰ ভাবধাৰাৰ লগত অৱগাহন কৰিব লাগিব। মধ্যযুগৰ লোকে যি কথা সহজে মানি লৈছিল, বিশ্বাস কৰিছিল, সেই কথা আজিৰ যুগৰ মানুহৰ পৰা বহুত পৃথক আছিল। মধ্যযুগৰ জীৱনী সাহিত্যক বৰ্ত্তমান যুগৰ জীৱনী সাহিত্যৰ শাৰীত পেলাই বিচাৰ কৰিলে নহব। ইংৰাজীত যাক Hagiography বুলি কোৱা হয়, অৰ্থাৎ 'সন্ত জীৱনী' বোলা হয়; সেই শ্ৰেণীৰ শাৰীতহে মধ্যযুগৰ জীৱনী সাহিত্য সমূহ পৰে। 'সন্ত জীৱনী' সমূহক ভক্ত বা লেখকসকলে এনে ভাবে চিত্ৰিত কৰিছিল, যাক বাস্তৱ দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলে অনেক বিসঙ্গতিকে দেখা পোৱা যায়। কিন্তু ভক্তৰ দৃষ্টিৰে ভগবানক দেখাৰ যি অলৌকিকতা, সেয়া মধ্যযুগৰ জীৱনী সাহিত্যৰ নায়কসকলৰ জীৱন কথাৰ লগত জড়িত হৈ আছে।

চৰিত পুথি, মহান্ত জীৱনী বা অন্য সন্ত জীৱনীসমূহত বৰ্ণিত অলৌকিক, অবাস্তৱ ঘটনাৱলী বাস্তৱতে সেই সকল সন্তৰ জীৱনত ঘটিছিল নে নাই সেই লৈ আলোচনা কৰা বা সত্যাসত্য নিৰ্ণয় কৰাৰ প্ৰয়োজন নাই। প্ৰাচীন সমাজত ভক্তই গুৰুক যি ৰূপতেই দেখা পাইছিল, সৰ্ব্বসাধাৰণ লোকৰ সাধাৰণ জীৱন কথাৰ পৰা যে তেওঁলোকৰ জীৱনৰ ঘটনাৱলী বেলেগ আছিল সেইটো বিশ্বাস কৰিছিল। প্ৰাচীন জীৱনী সাহিত্যত বুদ্ধদেৱ, যিশুখৃষ্ট, ৰামকৃষ্ণ পৰমহংস, শঙ্কৰদেৱ, মাধৱদেৱ, গুৰু নানক, চৈতন্যদেৱ প্ৰভৃতি মহৎ লোকৰ জীৱন কাহিনীৰ লগত অনেক অলৌকিক ঘটনা জড়িত হৈ আছিল। ভক্তসকলে সেইবোৰক বাস্তৱ সত্য ঘটনা বুলি গণ্য কৰিছিল। গতিকে আধুনিক যুগৰ জীৱনী সাহিত্যৰ দৃষ্টিৰে জুখিবলৈ গলে ভুল কৰা হব। কাৰণ প্ৰাচীন জীৱন চৰিত সমূহ শিক্ষাৰ উদ্দেশ্যই আছিল সন্তসকলৰ চৰিত কথাক মহৎ কৰি দেখুওৱা।

অসমত মধ্যযুগত শঙ্কৰদেৱৰ প্ৰয়াণৰ পাচত, জীৱন চৰিত ৰচনা হোৱাৰ পাচত আন আন বৈষ্ণৱ সন্তসকলৰ জীৱন চৰিত ৰচনা হোৱাৰ দৰে, বঙ্গদেশতো মধ্যযুগত চৈতন্যদেৱৰ জীৱন কালত আৰু প্ৰয়াণৰ পাচত অনেক মহান্ত জীৱনী বা চৰিত গ্ৰন্থ ৰচনা কৰা হয়। এই চৰিত পুথি, মহান্ত জীৱনী সমূহে মধ্যযুগৰ অসমৰ আৰু বঙ্গদেশৰ সমাজ জীৱনৰ চিত্ৰ দাঙি ধৰিছে। সাহিত্য হিচাবেও এই চৰিত পুথি, মহান্ত জীৱনীসমূহ অমূল্য সম্পদ।

---

১ অসিতকুমাৰ বন্দ্যোপাধ্যায়, বাংলা সাহিত্যেৰ ইতিহাস, ১ম সংস্কৰণ, ১৯৬২, ২য় খণ্ড, পৃষ্ঠা ৩০৪

চতুৰ্থ অধ্যায়

চৰিত পুথিসমূহত চিত্ৰিত কথা

(ক) অসমৰ সমাজ আৰু ধৰ্ম্ম-জীৱনৰ চিত্ৰ

চৰিত পুথিসমূহৰ, মধ্যযুগত ৰচিত জীৱনী সাহিত্য বুলিয়েই নহয়, সেই যুগৰ ইতিহাস, সমাজ জীৱন, ধৰ্ম জীৱন, আদিৰো দলিল হিচাবে যথেষ্ট মূল্য আছে। "গুৰু চৰিত আৰু সত্ৰীয়া বুৰঞ্জীসমূহৰ মাজত অসমৰ সামাজিক বুৰঞ্জীৰ সকলো দলিল সোমাই আছে।"[1] চৰিত পুথিসমূহ অধ্যয়ন কৰি যেনে ধৰণে সমাজ জীৱনৰ চিত্ৰ পোৱা গৈছে প্ৰথমতে তাকেই আলোচনালৈ অনা হ'ল, অধ্যয়ন কৰা প্ৰতিখন চৰিত পুথিৰ পৰা একাদিক্ৰমে উদ্ধৃতি দি।

(১) সমাজ জীৱনৰ কথা :—

(১) ৰামচৰণ ঠাকুৰ—গুৰু-চৰিত

ৰামচৰণ ঠাকুৰ বিৰচিত 'গুৰু চৰিত'ত সমাজ জীৱনৰ চিত্ৰ যি ধৰণে পোৱা গৈছে তলত উদ্ধৃতিসহ উল্লেখ কৰা হৈছে।

প্ৰথমতেই শংকৰদেৱৰ উপৰিপুৰুষ গন্ধৰ্বগিৰিৰ পত্নী ইন্দুমতীয়ে সন্তান আশা কৰাৰ কথা, পুৰুষৰ বন্ধ্যা ঘুচি যদি পুত্ৰ পায়।

ভাউ ভেলে স্ত্ৰী ভেবে বন্ধ্যাক এৰাই। (পৃষ্ঠা ৭)

বুলি উল্লেখ কৰিছে। বিবাহিত লোকৰ পুত্ৰ-সন্তান নথকাটো অতি দুখৰ কথা আছিল। শংকৰদেৱৰ ওপৰি পুৰুষসকল শংকৰদেৱৰ জন্মলৈকে সন্তান নথকা প্ৰত্যেকজন ওপৰি পুৰুষে নানা দেৱ-দেৱীক পূজা উপাসনা কৰিছিল সন্তান লাভৰ আশাত, বংশ ৰক্ষাৰ আশাত।

ধনধৰা ৰাইজৰ আৰু ৰজাৰ আশীৰ্বাদত পুত্ৰহীন চণ্ডীবৰৰ পুত্ৰ সন্তান লাভ হে তাৰ কাৰণে পুত্ৰটিৰ নাম ৰাখিছিল ৰাজধৰ। ৰাইজৰ ভকতিৰ আৰু ৰজাৰ হৰিষত মাহৰে ধৰম কাকতা লিখি দৈছিল। (পৃষ্ঠা ১৪-১৫)

---

১ মহেশ্বৰ নেওগ, শ্ৰীশ্ৰীশংকৰদেৱ ৩ সংস্কৰণ ১৯৭৮। পৃষ্ঠা ৩

কামেশ্বৰে গোবেশ্বৰে মিত্র হোৱাৰ পাচত, খাট-পালেঙত বহুৱাই বালিচ দি কৃতজ্ঞতা জনাইছিল—গুৱা, লহুবা, টেমি কটাৰী সুবৰ্ণ শৰাইত দিয়াই। লগত আৰু বহুত বস্ত্ৰ দিছিল। (পৃষ্ঠা ১৭)

কমলপুৰৰ ৰজাই গোবেশ্বৰৰ লগত মিত্ৰতা কৰি অহাৰ পাচত পুত্ৰেক তাম্রধ্বজে পৰম আনন্দ মনেৰে চৰণত পৰি নমস্কাৰ কৰিছিল, "বাদ্যভাণ্ড আন্দোলন কৰিয়া উঠি গৈলা। (পৃষ্ঠা ১৮) আম দালি, ঘট আদি লৈ আগুৱাই নি'লহি বিংশতি গৰাকী ৰাজপটেশ্বৰীয়ে সকলোক আগে কৰি ৰজাক আদৰিবলৈ অহাত ৰজাই বৰ আনন্দ পাইছিল। ৰজা গৈ সিংহাসনত বহাৰ পাচত নট, ভাট, গায়নে স্তুতি নতি কৰিছিল। নগৰৰ লোকসকল আহিলত ৰজাই সকলোকে 'তাম্বুল' দিছিল। (পৃষ্ঠা ১৮)

ৰজাৰ আগত নিবেদন কৰিব লগা কথা থাকিলে 'জানুপাৰি' জনাইছিল। (পৃষ্ঠা ১৯)

চণ্ডীবৰে পিতৃ বিয়োগ হোৱাত, নিজ কান্ধত লৈ চিতাত তুলি মুখাগ্নি কৰিছিল, কৃষ্ণ পণ্ডিতৰ হতুৱাই ক্ৰিয়া কৰ্ম্ম কৰাইছিল। কনৌজপুৰত থকা সকলো বিপ্ৰ দান লবৰ কাৰণে দৌৰি আহিছিল। দানৰ ভিতৰত টকা, বসন, সুবৰ্ণ, ধন যি আছিল তাকে দান কৰিছিল চণ্ডীবৰে পিতৃ শ্ৰাদ্ধত। এইবোৰ সামাজিক ৰীতি। (পৃষ্ঠা ২১)

সামান্য মানুহৰ জীৱনত বিধিয়ে যি লিখে তাক খণ্ডাব নোৱাৰে এই জনবিশ্বাস চৰিতকাৰৰ প্ৰাৰ্থনাটো ফুটি ওলাইছে। 'খণ্ডিবাক পাৰে কোনে বিধি লিখি তাক ॥' (পৃষ্ঠা ২৩) শক্তিকে চৰিতকাৰে বিষয় সুখ ত্যাগ কৰি কৃষ্ণৰ চৰণ চিন্তা কৰি শ্ৰৱণ আৰু কীৰ্ত্তন কৰাত গুৰুত্ব দিছে।

সমাজত বিভিন্ন শ্ৰেণীৰ লোক আছিল, তেওঁলোকৰ নিজৰ কাম আছিল। কমাৰে লোহাৰ কাম, নাপিতে দাড়ি-চুল, নখ আদি কটাৰ কাম কৰিছিল। চণ্ডীবৰক ৰজাই বন্দীশালৰ পৰা মোকলাবলৈ শিকলি কাটিবৰ কাৰণে কমাৰ আৰু নখ, দাড়ি-চুলি কাটিবৰ কাৰণে নাপিতক আদেশ দিছিল। (পৃষ্ঠা ৩১)

ৰাজসভাত বহি, বাহিৰৰ পণ্ডিতৰ লগত শাস্ত্ৰতৰ্ক কৰিবৰ কাৰণে উপযুক্ত হবৰ কাৰণে বৰজীৱৰ পৰা উলিয়াই আনাই তেল, মাহ, হালধী [illegible] গা-ধুওৱাইছে, শৰীৰত অলংকাৰ পিন্ধোৱাইছে, [illegible] বস্ত্ৰ পিন্ধোৱাইছে। [illegible] পাচত পণ্ডিতৰ লগত বাদ কৰিবলৈ ওলাই যোৱাৰ [illegible] [illegible] কাষৰ

পূজা আনি জুই জ্বলাই নৱৰতীদেৱীক আৰাধনা কৰিছিল। এয়া জন বিশ্বাস, দেৱী-দেৱতাৰ ওচৰত মানৱৰ আস্থা প্ৰকাশ। (পৃষ্ঠা ৩২-৩৩)

ৰাজসভাত চণ্ডীবৰক বহিবলৈ কম্বল পৰাই দিয়াইছে ৰজাই নিজে। তাৰোপৰি তাম্বোল পৰ্য্যন্ত দিছিল। (পৃষ্ঠা ৩৪)

চণ্ডীবৰেই দেশৰ পৰা ভোটবিলাক খেদাই দি দেশক নিষ্কণ্টক কৰাৰ কাৰণে ৰজাই, "দিলন্ত আসিয়া আবো ৰাজ অংলকাৰ।" (পৃষ্ঠা ৪৫) বুলি উল্লেখ কৰিছে। ৰজাই ৰাজ অলংকাৰ দিয়াটো সন্মান কৰাৰ বা ৰজাই সন্তোষ পোৱাৰ চিন।

জনবিশ্বাস দেৱী-দেৱতাক আৰাধনা কৰিলে মনৰ কামনা পূৰ হয়। পুত্ৰ সন্তানৰ কাৰণে ৰাজধৰে সূৰ্য্যক আৰাধনা কৰিছে। পুত্ৰ সন্তান জন্ম হলত, সূৰ্য্যদেৱতাৰ বৰত জন্ম লাভ কৰাৰ কাৰণে নাম ৰাখিছিল সূৰ্য্যবৰ। (পৃষ্ঠা ৪৬-৪৭)

ৰাজধৰে পিতৃ চণ্ডীবৰ আৰু ককাক দণ্ডাবৰৰ মৃত আত্মাৰ সদগতিৰ কাৰণে জাতি ভুঞাসকলক গৰু, কাচ, মাহ, চাউল, দাইল, লোণ, তেল আদিৰে ভোজ দিছিল। বিপ্ৰসকলক ব্ৰহ্ম ভোজন কৰাইছিল। তাম্বোল-পান দিছিল। ব্ৰাহ্মণক একশত গো দান কৰিছিল, বস্ত্ৰ, ধন বিলাইছিল। (পৃষ্ঠা ৫১)

পুত্ৰ জন্ম হোৱাৰ পাচত ৰাজধৰে ব্ৰাহ্মণ দৈৱক অনাই গণনা কৰাইছিল। (পৃষ্ঠা ৫২)

কুকুৰে যি কোনো বস্তু চুলে অপবিত্ৰ হোৱা বুলি ভাবিছিল। ৰামগিৰি নামৰ এজন লোকৰ ভাৰ্য্যাৰ 'তুমি পাটি আছে যত কুকুৰে চুইলা' (পৃষ্ঠা ৫৩)। গতিকে খেৰ পাৰি আন শয্যা কৰি শুলে আৰু তাতেই তেওঁৰ এটি কন্যা সন্তান জন্ম হ'ল। খেৰত শুই জন্ম হোৱাৰ কাৰণে নাম হৈছিল খেৰমতি। (পৃষ্ঠা ৫৩)

কুসুমদেৱে পুত্ৰসন্তান আশা কৰি শিৱৰিকা নামৰ ঠাইত থকা শিৱলিঙ্গত পূজা দিবৰ কাৰণে গাৱে গাৱে পূজাৰ সম্ভাৰ যোগাৰ কৰাই, গাইঁলৈ গৈ লৌহিত্যৰ পাৰত পৰ্ব্বতত থকা শিৱলিঙ্গত নমস্কাৰ কৰি পূজা দিবলৈ বহিছিল। দেউবিলকলে সংস্কাৰ কৰিছিল, দ্বিজসকলে যজ্ঞত আহুতি দিছিল, বহুতো স্তুতিনতি কৰি কথা কুসুমদেৱৰ প্ৰাৰ্থনাত শিৱ সন্তুষ্ট হৈছিল। শিৱৰ মূৰত থকা মালা কুসুমদেৱৰ মূৰত পৰিছিল আৰু তেতিয়াই সকলোৱে বিশ্বাস হৈছিল কুসুমদেৱৰ মনোবাঞ্ছা পূৰ্ণ হ'ব। (পৃষ্ঠা ৬৯-৭০)

"আনো স্তুতিনতি অতি কৰিলা বিস্তৰ।
বহু স্তুতি দেখি তুষ্ট ভৈলন্ত শঙ্কৰ।
শিৱৰ মুণ্ডৰ মালা মাথাত পৰিল।" (পৃষ্ঠা ৭০)

শংকৰৰ জন্মৰ লগে লগে কুসুমবৰৰ ঘৰত নানা মাঙ্গলিক সামাজিক নিয়ম পালন কৰিছিল। নাৰীসকলে উৰুলি দিছিল, প্ৰজাসকলে জয়ধ্বনি কৰিছিল, নানা বাদ্যভাণ্ড বজাইছিল। মেদিনী টলবল কৰি গৈছিল। (পৃষ্ঠা ৮০)

"যেতিক্ষণে শঙ্কৰদেৱৰ জন্ম ভৈলা। টলবল কৰি মহী মন্থৰ লৰিলা।"

সত্তৰা দৈৱজ্ঞ মাতি কুসুমবৰে শাস্ত্ৰ বিধি চোৱাই গণনা কৰাইছিল। ধূপ-দীপ, কদলি, তাম্বুল উপহাৰ দিছিল। ৰাশিযোগ, জন্মবাৰ, নক্ষত্ৰ, গণনা কৰি 'গ্ৰহ কুষ্ঠি লেখি কুসুমৰ হাতে দিলা' (পৃষ্ঠা ৮১)। ৰাশিফল চাই সুকীৰ্তি দেশে দেশে দ্বীপ দ্বীপান্তৰলৈ যাবগৈ, এক খ্যাতি মন্ত পুৰুষ হব বুলি কৈছিল। "বাদত পণ্ডিত জয়াইব। ত্ৰিভুৱনে পণ্ডিত আৰ ইহাৰ সমান।" (পৃষ্ঠ ৮২) বুলিও ভৱিষ্যত বাণী কৰিছিল। কুসুমবৰে ধেনু বৃষ আদি সত্তৰা দৈৱজ্ঞক দান কৰিছিল। (পৃষ্ঠা ৮৫)

শংকৰ জন্মৰ পঞ্চম দিনত পুনৰ সত্তৰা দৈৱজ্ঞ মাতিছিল পচতি উৎসৱ কৰিবলৈ। পচতিৰ কথা গম পাই নাৰীসকল, ৰাৰ ভূঞাসকল, শিশু, বৃদ্ধ ব্ৰাহ্মণসকলো আহি হেচা খেলা কৰি ৰহিছিলহি।

"পঞ্চ খানি ধনু সাজিল প্ৰথমে
জোৰ গাঠি দিলা বান্ধি।
কাণ্ড পাথত গুটি দিলা তাৰ মাজে
মহাৰম্য কৰি সাজি।" (পৃষ্ঠা ৯৫)

কলহে কলহে তেল, হালধী আনিছিল, নোওৱাৰ ঠাইত কল পুলি কইছিল। সত্তৰা দৈৱজ্ঞে শিৱ পুত্ৰ শংকৰক বাহিৰলৈ আনিবলৈ কৈছিল। সকলোৱে জয়ধ্বনি কৰিছিল। চুলিয়াই ঢোল বজাইছিল। শংকৰৰ শিৰত নাৰীসকলে অক্ষত দুৰ্ব্বা দিছিল, চাৰিটা ঘটত আমদানি থৈছিল, নৌকা এখন সাজি আনি ওচৰতে থৈছিল। কলহে কলহে দধি দুগ্ধ যত আছিল শাৰী শাৰী কৰি থৈছিল। ভূঞাসকলে মহানন্দে খেচি খেলিছিল। তেল হালধী ইজনে সিজনক সানি আনন্দ কৰিছিল। কণ্ঠত 'ভৈল শংকৰৰ ভুৰি' (পৃষ্ঠা ১০০) থৈছিল। তাৰ পাচত পাচশাল বহু অনাই চাৰি বালকৰ হাতত চাৰিখন ঢাল, আনখন সত্তৰা আইৰ হাতত দিছিল।

'চাবিৰ হাতত দিলা চাবি ধনু খেপোক চাবি দিশক।' (পৃষ্ঠা ১০৭) সত্যসন্ধ্যা আয়ে শিশু শংকৰৰ হাতত ধৰাই ধনুত টংকাৰ দিয়াত, কাণ তাল মাৰি যোদ্ধাক থাত কৰে শব্দ হৈছিল। বিজুলিত যেন চমক লাগিছিল। 'ঢোল কৰতাল শবদ আস্ফাল বজায় নানা বাদ্যভণ্ড।' (পৃষ্ঠা ১০৮) বগৰি গছৰ ফল এটা আনি লাৰৰ ওপৰত দি' কল পাক গুটি চুৰ্ণ সমধিতে নৌকাৰ মাজে তুলিলা' (পৃষ্ঠা ১০৮)। তাৰ প'চতে জন্মোৎসৱ শেষ হৈছিল। যত বিপ্ৰ, বান্ধৱগণ আহিছিল দান লৈ গৈ ঘৰা ঘৰি গৈছিল।

শংকৰৰ জন্মৰ পাচত নানা মাঙ্গলিক কাৰ্য্য কুসুমদেৱে কৰিছিল। ব্ৰাহ্মণ জাতি ভূঞাসকলক দান কৰিছিল, যজ্ঞ কৰিছিল। বসন-ভূষণ ধেনু দান কৰিছিল। ধনো দান কৰিছিল। (পৃষ্ঠা ১১৯-১২০)

সামাজিক, মাঙ্গলিক কাম কৰিবলৈ আম দালিৰ প্ৰয়োজন। সত্যসন্ধ্যা আই পৰলোক গমন কৰাত বুঢ়া শাই আমৰ দাল কটাই থৰি কৰাইছিল, অগুৰু চন্দনেৰে চিতা সজাইছিল। চৌদোল সাজি মৃতকক তুলি আনি লৌহিত্যৰ পাৰত সজা চিতাৰ কাষত সাত পাক ঘূৰাই, জয়ধ্বনি কৰি (পৃষ্ঠা ১৩৮) চিতাত তুলিছিল। স্বামী কুসুমদেৱে মুখাগ্নি কৰিছিল। চিতাত তোলাৰ আগতে সত্যসন্ধ্যা আইৰ মৃত দেহা নোৱাই ধুৱাইহে আনিছিল। "আঠু ঘিলা বিচাৰিয়া সব লৈলা। আহৰি উঠায়া চলি ঘৰা ঘৰি গৈলা॥" (পৃষ্ঠা ১৩৮)

মৃতকৰ পিণ্ডদান কৰাটোও সামাজিক আচাৰ। 'কুশ ধৰি কুসুমমো পিণ্ড উঠাইলন্ত।' (পৃষ্ঠা ১৪১) ভাৰ্য্যাৰ মৃত কৰ্ম লৌহিত্য পাৰত প্ৰথমতে দেৱী উপাসনা, তাৰ পাচত বেদ মন্ত্ৰ পাঠ আৰু লৌহিত্যতে পিণ্ড উঠাই দিছিল। বিপ্ৰগণক 'সুবৰ্ণ ৰজত বস্ত্ৰ দিলা যত যত।' দি মন সন্তোষ কৰিছিল আৰু টকাও বহুত দিছিল। বাকী তিনিজন জগতৰ পূজনীয় ব্ৰাহ্মণক 'তিনিখান কাহি আৰো তিনি গুটি ঘাটি। তাল চাই ধেনু দিলা বিচাৰি বিচাৰি॥'

(পৃষ্ঠা ১৪৩)

কুসুমদেৱে মৃতত ভাৰ্য্যাৰ সত্যসন্ধ্যাৰ 'মাস শুদ্ধি' অনুষ্ঠান লুইতৰ পাৰত ঘৰ সজাই লৈ কৰিছিল। যজ্ঞ কৰিবলৈ লৈ ব্ৰাহ্মণ, পণ্ডিত, জাতি ভূঞা সকল আৰু আন সকলো গোট খাইছিল। কুসুমদেৱে নিজে আমুলিক ঘুৰাই গুটি পিন্ধি শ্ৰাদ্ধৰ কাম আৰম্ভ কৰিছিল। পিণ্ড দিছিল। যজ্ঞ, শ্ৰাদ্ধ কৰিবলৈ লোৱা তিনিজন গুৰুক প্ৰণাম জনাই,

'তিনিখান কাহি আৰো তিনি
দিলা তিনি হালি গৰু পালৰ বিচাৰি ॥' (পৃষ্ঠা ১৯৩)

আৰু পেট ভৰাই ভোজন কৰাইছিল, বস্ত্ৰ অলংকাৰ মন পুৰি দিছিল। দূৰ দূৰণিৰ পৰাও ব্ৰাহ্মণ আহিছিল। কুসুমদেৱে অকলে বলে নোৱাৰিব বুলি বুঢ়াখাৱে কুসুমদেৱক আশ্বাসদি 'গাৱে গাৱে ভুঞা সবে বিপ্ৰ লৈবো বাটি '(পৃষ্ঠা ১৯৩) বুলি দধি, দুগ্ধ, ঘৃত, মধু ভোজন কৰাইছিল। লুভিয়া ব্ৰাহ্মণে উগাৰি উগাৰি কঁকালৰ খোচনা ঢিলা কৰি লৈ খাইছিল। ব্ৰহ্ম ভোজন খোৱাৰ পাচত বিপ্ৰসকলৰ দান দক্ষিণা কৰিছিল। বিপ্ৰসকলে ভুঞা বৰ দানী (পৃষ্ঠা ১৯৪) বুলি কুসুমদেৱৰ পুত্ৰ সন্তান জন্ম হোৱাৰ কথা গম পাই আশীৰ্ব্বাদ কৰি গৈছিল।

পুত্ৰ সন্তানৰ ছমাহত অন্নপ্ৰসন্ন কৰাৰ নিয়ম। শংকৰৰো ছমাহ হলত অন্নপ্ৰসন্ন কৰিছিল। চোতাল ঘৰ অলংকৃত কৰাইছিল, হোম দিবলৈ পাচ সেৰ ঘিউ অনাইছিল, দশদিগ্‌পালক স্তুতি কৰিছিল, মন্ত্ৰপাঠ কৰাইছিল গুৰুক দি।' "যাঠি গোটা কন্যা ৰঙ্গে উৰুলি দিলন্ত।" (পৃষ্ঠা ২০৭) শংকৰক তেল হালধী গাৱে ঘঁহি সানি বুঢ়ীমাক খেৰসূতীয়ে নোৱাইছিল, ধুৱাইছিল। (পৃষ্ঠা ২০৭)

তিনি বছৰ বয়সত শংকৰক 'কৰ্ণবিন্ধন' কৰাইছিল। নখ, চুলি কটাই তেল হালধীৰে স্নান কৰাই পাটৰ কাপোৰ পিন্ধাই, নাৰীসকলৰ উৰুলি ধ্বনীৰ মাজত 'বিন্ধিলেক কৰ্ণ'। তাকো কৰ্ণ বিন্ধন কৰা জন উপবাসে থাকিহে সেই কাম কৰিছিল। (পৃষ্ঠা ২৩১) ব্ৰাহ্মণক দান, জ্ঞাতি কুটুমক ভোজন কৰাইছিল। তাৰ পাচত ছবছৰ বয়সত চূড়াকৰণ কৰিছিল 'দেহৰ হৌক শুদ্ধি' (পৃষ্ঠা ২৩৪) বুলি। সধবা দলৈৰ হতুৱাই দিনবাৰ চোৱাই শংকৰৰ চুলি খুৰাই, শৰীৰত আ-অংলকাৰ পিন্ধাই, পাটৰ বস্ত্ৰ পৰিধান কৰাই, দহ আঙুলিত দহটা আঙুঠি পিন্ধাই হোমৰ কাষত বহুৱাই চূড়াকৰণৰ কাম সমাপ্ত কৰিছিল। (পৃষ্ঠা ২৩৪-৩৫) কান্ধত গুৰুৱে উত্তৰী দিছিল। (পৃষ্ঠা ২৩৫)

যি কোনো মাঙ্গলিক কাৰ্য্য কৰবাত হোৱাৰ গম পালেই ব্ৰাহ্মণসকল নিজে নিজে দান-দক্ষিণা লবৰ কাৰণে উপস্থিত হৈছিল গৈ। ৰামচৰণ ঠাকুৰৰ চৰিতখনিত এই কথা স্পষ্ট ভাবেই ওলাই পৰিছে। গোটেই চৰিতখনিত 'দান লৈবে আইলা বিপ্ৰ কৰিয়া উৎসৱ' কথাষাৰ প্ৰতিটো মাঙ্গলিক কাৰ্য্যৰ লগতে জড়িত হৈ আছে।

ব্ৰাহ্মণসকলে সদায় দ্ৰোহ আচৰণ কৰি ফুৰে। শংকৰৰ ঐশ্বৰিক ৰূপ দেখা পাই ছাত্ৰশালাত গুৰুৱে থাকী ছাত্ৰসকলক "দেৱতা শংকৰ বুলি-বাহা সৰ্ব্বজনে।"

(পৃষ্ঠা ২৯৯) বুলিলন্তে, 'শংকৰক নিন্দে যত আছে বিপ্ৰবৰ। কোন শাস্ত্ৰমতে শূদ্ৰে হোৱয় ঈশ্বৰ ॥' (পৃষ্ঠা ২৯৯) বুলি গৰ্জি উঠিছিল।

শংকৰ, কন্দলীৰ ছাত্ৰশালাত পঢ়ি থাকোতেই 'পৰম দুৰ্মতি সেৱীক মাত্ৰ ভকতি কৰা' বাৰৰাচাৰ্য্য কন্দলীৰ ছাত্ৰশালালৈ আহি কন্দলীক, 'কেনে বৰ কৰা আক শূদ্ৰগোট মাত্ৰ।' (পৃষ্ঠা ৩০০) বুলি শংকৰক শাস্ত্ৰ পঢ়ুৱাই, উচ্চ স্থান দিয়াত খং কৰিছিলহি। দেৱী আদিক কিকিতো পূজা নকৰা শূদ্ৰক কি কাৰণে পঢ়ুৱাব লাগে বুলি দপদপাইছিল। কিন্তু কন্দলীয়ে 'শংকৰ স্বৰূপে আসিলন্ত নাৰায়ণ।' (পৃষ্ঠা ৩০১) বুলি খণ্ডন কৰিছিল।

শংকৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলীয়ে,
"শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ।
আমাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক্কাৰ ॥" (পৃষ্ঠা ৩১৭)

বুলি শূদ্ৰ হৈয়ো শংকৰেই বৈকুণ্ঠৰ পট আঁকি বাইজক বৈকুণ্ঠপুৰী, চিহ্নযাত্ৰা যোগেদি কেইজনে দেখুৱাব পাৰে বুলি প্ৰশ্ন কৰিছিল। তেতিয়া উত্তম ব্ৰাহ্মণসকলে আহি শংকৰদেৱক, 'বোলন্ত আমাক তুমি শৰণ কৰায়ো।' (পৃষ্ঠা ৩৩৮) আৰু নাম, দেৱ, গুৰু, ভকত—এই চাৰি বস্তুক দেখুৱাবলৈ কৈছিল। শংকৰদেৱে তেতিয়া "শূদ্ৰক ব্ৰাহ্মণে সেৱা কৰে কোন কাল' (পৃষ্ঠা ৩৩৮) বুলিছিল। তাৰ উত্তৰত ব্ৰাহ্মণসকলে কৈছিল, "মুহিকা শূদ্ৰ তুমি দেৱ নাৰায়ণ।" (পৃষ্ঠা ৩৩৮) ইয়াৰ যোগেদি সমাজত ব্ৰাহ্মণ, শূদ্ৰৰ কিমান বিভেদ আছিল তাৰো চিত্ৰ এটা পোৱা গৈছে।

পৰম আগ্ৰহ কৰাত শংকৰদেৱে "ব্ৰাহ্মণক সেৱা কৰাইবাক নোহে যোগ্য।" (পৃষ্ঠা ৩৪২) বুলি দশম আগত লৈ পুস্তক পাগি দণ্ডৱৎ কৰিলন্ত" (পৃষ্ঠা ৩৪২)। আৰু ব্ৰাহ্মণসকলেও গাৰ কাপোৰ খহাই "দণ্ডৱন্তে পৃথিৱীত পেলাই নিজ কায়।" (পৃষ্ঠা ৩৪৩) হাত যোৰ কৰি শৰণ লৈছিল "নাম, ভকত, দেৱ, গুৰু চিনিয়া দিলন্ত।" (পৃষ্ঠা ৩৪৩) বুলি।

শংকৰদেৱেই প্ৰথম দৌল উৎসৱৰ আৰম্ভণী কৰিছিল। দৌল উৎসৱত ফাকুৰ ব্যৱহাৰো তেতিয়াই কৰিছিল। তেমুৰাধীত ফাকু নোপোৱা কাৰণে টকা কড়ি দি মথুৰাপুৰবপৰা ফাকু অনাইছিল। যন্ত্ৰ কৰিবলৈ বগা হাগলী কিনি অনাইছিল। তাৰ কাৰণে "ভেড়া ঘৰ" সাজিবলৈ কৈছিল। সন্ধ্যাৰ যাড়ি আনি কাড়ন মাৰত দিব যাব চোৱাইছিল দৌল উৎসৱৰ কাৰণে।' উৎসৱৰ কামতেই শংকৰদেৱে।

"সাত গোটা গীত কৰি। হাতে তাল খোল ধৰি
দৌলক লাগিয়া পাচে গৈলা।" (পৃষ্ঠা ৩৫৫)

তিনিটা দৌল সাজি মূৰ্ত্তিক তাত থৈ শংকৰদেৱে হৰিষ কৰি 'গুৰু তিল কুশ ধৰি মেৰ দাহ যজ্ঞ কৰিল।' (পৃষ্ঠা ৩৫৬) তাৰ পাচত 'কাৰত কৰিয়া মূৰ্ত্তি ফুৰাই থানে থানে।' (পৃষ্ঠা ৩৫৮) থৈছিল।

চৰিতখনিত শংকৰদেৱে দৌলত মূৰ্ত্তি থোৱাৰ কথা, মেৰদাহ যজ্ঞ কৰাৰ কথাৰ লগতে থানে থানে মূৰ্ত্তি ফুৰোৱাৰ কথা দিছে।

শংকৰদেৱৰ বিয়াত বুঢ়া খাই তিনি তোলামান সোণ দিয়াৰ উপৰি 'দশগোটা ধেনু দিলা দোলা এক খানা, দুইশত ৰজত উচর্গি দিলা দান' (পৃষ্ঠা ৩৬২-৬৩), হৰিখায়ে 'পাকগোটা দাসী' দিছিল নসেমৰ তাম আৰু কাঁহৰ লোটাও দিছিল। বিবাহত এইবোৰ উপহাৰ দিছিল। দিয়াৰ নিয়ম আছিল তেতিয়াৰ দিনটো, এতিয়াও। তাকে দিয়াৰ ধৰণ আৰু বস্তুৰ তালিকা আধুনিক হৈ গৈ আছে। বিবাহত হোম যজ্ঞ কৰা হয়, লগ্ন গাঠি বন্ধা হয়, ভোজ ভাত খুওৱা হয়। লোকসকলে আনন্দ কৰে।

পীৰাৰ ব্যৱহাৰ তেতিয়াও আছিল। তেম্বুৰাণী জান বান্ধিবলৈ লৈ শংকৰদেৱ উপস্থিত হলত, 'শংকৰক পীৰা পাৰি বসিবাক দিল' (পৃষ্ঠা ৩৬৫) সুবিধা অনুসৰি কোৰ, কুঠাৰ আদিত বিভিন্ন কামত ব্যৱহাৰ কৰিছিল। (পৃষ্ঠা ৩৬৫-৬৬)

ৰাধিকাৰ দ্বাৰাই শংকৰদেৱৰ প্ৰথম অস্পৃশ্যতা বৰ্জন আৰম্ভ। তেম্বুৰাজান বান্ধিবলৈ শান্তি বিচাৰিছিল। "দেশত বিচাৰি শান্তী আন একজন।।" তেনেতে নাৱেৰে নদীয়াল ভাৰ্য্যা স্বামী দুয়ো চলিলাই।

"সিসবৰ কথাক তেৰে শুনিলোক তাই।।" (পৃষ্ঠা ৩৬৯)

ৰাধিকাই তেতিয়া হাঁহি কলে, 'মোত পৰে শান্তি আন নাহি একোজনী (পৃষ্ঠা ৩৬৯) স্বামীয়ে খং কৰিছিল। শংকৰদেৱৰ লগত মানুহে স্বামী-স্ত্ৰীৰ কথা-বতৰা শুনি শংকৰদেৱক কৈছিলগৈ। শংকৰদেৱে মাতি পঠাইছিল। শংকৰদেৱে ৰাধিকাক কৈছিল, 'নদী হন্তে এক পলো জল ভৰি আন।' (পৃষ্ঠা ৩৭০) ৰাধিকায়ো নমস্কাৰ কৰি নদীৰ পৰা এক পল পানী ভৰাই আনিছিল গৈ। কিন্তু পলৰ চাৰি আঙুল পানী কমি অহাৰ কাৰণ শংকৰদেৱে ৰাধিকাক সোধাত, পাত কাটিবলৈ কাচিখন দিওঁতে 'মোৰ মুখ জনাই দেখিল।' (পৃষ্ঠা ৩৭১) বুলিলত, শংকৰদেৱে 'কেমিলোহো ইটো পাপ পানী আনা যাই।' (পৃষ্ঠা ৩৭১) ৰাধিকাই

পানী পুনৰ আনিলেগৈ, পানী ভৰি আহিল। জানত দিয়াৰ লগে লগে তেম্বুৰাণীৰ পানীৰ বেগ কম হল, তেহে ধৰ বান্ধিব পাৰি।

ৰাধিকাই প্ৰমাণ কৰিলে সতী হবলৈ উচ্চ বংশত জন্ম হব নেলাগে। সমাজত সতী তিৰোতাৰ কি স্থান তাকে জনা যায়। ৰাধিকা আৰু স্বামীক নি 'শংকৰৰ পাশে নিয়া বাসা সাজি দিলা' আৰু তেতিয়াৰ পৰা 'ভাৰ্য্যা স্বামী দুয়ো কৃষ্ণ চৰিত্ৰক শুনে।' (পৃষ্ঠা ৩৭২) আৰু "প্ৰৱৰ্ত্তে স্বধৰ্ম্মে দুয়ো পৰম নিপুণে।" (পৃষ্ঠা ৩৭২)

শংকৰদেৱৰ কন্যা মনুৰ জন্মৰ পাচত সভ্ৰবা দৈৱেক মাতি গণনা কৰাইছিল। কোষ্ঠি গণনা কৰাৰ পাচত, শংকৰদেৱে 'বিপ্ৰক বিদাইল টকা একশত মান॥' (পৃষ্ঠা ৩৭৮)

শংকৰদেৱৰ ভাৰ্য্যাৰ মৃত্যুত লোহিতৰ পাৰত শেষকৃত্য সম্পন্ন কৰিছিল। অগৰু, চন্দন খৰি দিছিল, ঘিউ ঢালিছিল, খোচনি মাৰিৰে খুচিছিল। বিপ্ৰসকলক,

'কড়ি, টকা সুৱৰ্ণ বস্ত্ৰক ভথা নিল।
ব্ৰাহ্মণ সবক বাঠি গৰু বিলাইল॥' (পৃষ্ঠা ৩৮৫)

তিনি দিনত "তথ্যানি" কৰিছিল, অষ্টাদশ তোলা সোণ দান কৰিছিল, দশপিণ্ড ৰাম ৰাম শুকৰে দিয়াইছিল। দহাৰ কামো নানা দান দক্ষিণা কৰি শেষ কৰিছিল,

'দুই শত টকা দশা কাৰ্যতে বিলাইল।
মাসো সিকা কৰি সুবৰ্ণক ভাঙ্গি দিল॥
দুই সেৰ তোলা লাগিলেক স্বৰ্ণ হাৰ।
বস্ত্ৰ কম্বলক জানা লাগিল অপাৰ॥' (পৃষ্ঠা ৩৮৬)

মাঙ্গলিক অনুষ্ঠানত, কোনো প্ৰেত কৰ্ম্মত খৰচ কৰাটো অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিছিল। ব্ৰাহ্মণ, বিপ্ৰসকলেও খবৰ কৰি থাকিছিল ক'ত কেনেকৈ দান, ভোজন দক্ষিণা পাব পাৰে। শংকৰদেৱৰ পত্নীৰ বিয়োগৰ পাচত 'শংকৰৰ পত্নী কাৰ্য্য কোন দিনা হয়॥' (পৃষ্ঠা ৩৮৭) বিপ্ৰসৱৰ বাৰ্ত্তা লৈ আছিল। ৰৰদোৱা গ্ৰামত শংকৰদেৱৰ পত্নীৰ মৃত কাৰ্য্যৰ কাৰণে একখনি দোলা খাট, পীৰা, তামৰ কলহ বহল তুলিৰে হংস শয্যা উছৰ্গা কৰিছিল। তিনি গোটা মহিষ দান কৰিছিল। তামৰ কৰতী, ঝাপি, লাঠী সুবৰ্ণৰ দিছিল। পঞ্চাশত টকা সোণ বাঠি তোলা, পঞ্চাশত গৰু দান কৰিছিল বিপ্ৰসকলক। ভকতসকলক ভোজন কৰাইছিল। 'যাৰ যেন যোগ্য তাৰ তাৰে তাৰে দিল।' (পৃষ্ঠা ৩৮৮)।

শংকৰদেৱ প্ৰথমবাৰ তীৰ্থ পৰ্য্যটনলৈ যাবলৈ ওলাই মহেন্দ্ৰ কন্দলীক কৈছিল পিতৃ মাতৃৰ অস্থি গঙ্গাত লগাব পাৰিব বুলি।" ৰাম ৰাম গুৰুও ওলাইছিল। (পৃষ্ঠা ৩৯৪) গঙ্গাত, গয়াত অস্থি লগাব পৰাটো হিন্দুৰ পবিত্ৰ কৰ্ম্ম আছিল। শংকৰদেৱৰ শভানন্দ ভূঞা'ই 'পিতৃ পিতামহ আদি সন্তেক আছিল।

গয়া পিণ্ড দান কৰি সবাকে ভুজিলা॥' (পৃষ্ঠা ৩৬০)

শংকৰদেৱৰো পিতৃ-মাতৃৰ পিণ্ড লগাবলৈ ক্ষেত্ৰলৈ লৈ ওলাইছিল। (পৃষ্ঠা ৩৯৮)

বাহিৰলৈ কম্বল পাৰি দিয়া লোক আছিল। তেওঁলোকক কমলী ধৰা আতৈ বুলিছিল। 'কম্বলধৰায়ে সব লোক দিলা জান।' (পৃষ্ঠা ৩৯৫)

শংকৰদেৱৰ কন্যা মনুৰ বিবাহৰ আয়োজনত আৰু সমাপনত সেই সময়ৰ সমাজত প্ৰচলিত বিবাহ উৎসৱৰ এটি চিত্ৰ পোৱা যায়। সম্ভ্ৰান্ত ঘৰৰ, ধনবন্ত জনে কি পয়োভৰেৰে বিবাহ উৎসৱৰ আয়োজন কৰিছিল, তাৰ চিত্ৰ পোৱা যায়। (পৃষ্ঠা ৩৯৪-৯৭)

তীৰ্থক্ষেত্ৰলৈ গলে যাত্ৰীয়ে তাত লগোৱাৰ কাৰণে বস্ত্ৰ, টকা কড়ি নিয়ে। জগন্নাথ ক্ষেত্ৰ পাই শংকৰদেৱে যাত্ৰীসকলক

'লগাইবাক প্ৰতি যিবা বস্তু আছা আনি।
যত্ন কৰি তাহাক লয়োক সবে প্ৰাণী॥' (পৃষ্ঠা ৪২১)

বুলিছিল। যি যি ঠাইলৈ গৈছিল, মৃত আত্মাৰ শান্তিৰ কাৰণেই হওক বা সমাজত প্ৰচলিত আচাৰৰ কাৰণেই হওক, শংকৰদেৱ আৰু সহযাত্ৰীসকলে পিণ্ড দান কৰি কৰি গৈছিল। (পৃষ্ঠা ৪৩৯, ৪৪২-৪৩, ৪৪৮, ৪৫৪)

জগন্নাথ ক্ষেত্ৰৰ প্ৰসাদ ভুজিবলৈ পোৱাটো পৰম সৌভাগ্যৰ কথা। তীৰ্থযাত্ৰা কৰাটোও পৰম পবিত্ৰ কাম আছিল। শংকৰদেৱ তীৰ্থ পৰ্য্যটনৰ পৰা ঘূৰি অহাৰ পাচত বনগঞাগিৰিয়ে, 'জগন্নাথ প্ৰসাদক গাৱে গাৱে দিল। (পৃষ্ঠা ৪৫৬) আৰু 'প্ৰসাদ ভুজিয়া সবে সন্তুষ্ট ভৈলন্ত॥' (পৃষ্ঠা ৪৫৬)

বংশ ৰক্ষা কৰাৰ কাৰণেই বিবাহ কৰাটো প্ৰয়োজন বোধ কৰিছিল। বাৰ বছৰকৈ তীৰ্থ পৰ্য্যটন কৰি অহাৰ পাচত শংকৰদেৱক জয়ন্ত আৰু মাধৱ ভূঞাজনে 'বিবাহ কৰিতে ইচ্ছা নাহিকে তোমাৰ', (পৃষ্ঠা ৪৫৭) বুলি দুখ কৰিছিল বৰিও

'কন্যা যাচি দেই বিহা কৰিয়ো শংকৰ।
গোত্ৰ বৃদ্ধি হৌক বাপু আমাৰ বংশৰ॥' (পৃষ্ঠা ৪৫৮) বুলিছিল। শংকৰদেৱে দেৱগৃহত বহিহে ভাটীৰ পৰা অহা জগন্নাথ মিশ্ৰক অহাৰ কাৰণ সুধিছিল শংকৰদেৱে। অৱশ্যে তাৰ আগতে অতিথি শুশ্ৰূষা কৰা হৈ গৈছিল। 'মধুৰান্ন অন্ন' ভোজন কৰাইছিল। (পৃষ্ঠা ৪৬১)

ৰজা সন্তুষ্ট হলে নানা ধৰণে পুৰস্কৃত কৰে। চণ্ডীবৰে নদীয়াৰ পণ্ডিতক তৰ্কত হৰুৱাৰ কাৰণে গৌড়ৰ ৰজাই ৰজাৰ সন্মান ৰক্ষা কৰাত আনন্দিত হৈ চণ্ডীবৰক

'সুবৰ্ণ কুণ্ডল আনি দিলা এক জোৰ।
বোলে কিনো কাৰ্য্যক কৰিবি তই মোৰ॥' (পৃষ্ঠা ৫৫১)

ৰাইজৰ শুভাশীষ লাভ কৰাটো বৰ সৌভাগ্যৰ কথা বুলি গণ্য কৰিছিল। অপুত্ৰক চণ্ডীবৰে বানপানীয়ে দিগদাৰ কৰাৰ কাৰণে প্ৰজাৰ কুশলৰ কাৰণে নিজ বুদ্ধিৰে ব্ৰহ্মপুত্ৰৰ পানত ধৰ বান্ধিবলৈ সক্ষম হোৱাত ৰজা আৰু ৰাইজ সন্তুষ্ট হৈ পুত্ৰসন্তান হবলৈ আশীৰ্বাদ কৰিছিল। সেই কাৰণে চণ্ডীবৰৰ পুত্ৰসন্তান জন্মৰ পাচত সন্তানৰ নাম ৰাজধৰ ৰাখিছিল। (পৃষ্ঠা ৫৫২-৫৫৩) ধৰ বন্ধা ৰাইজৰ আশীৰ্বাদত হৈছিল পুত্ৰ।

চণ্ডালসকল সমাজৰ অতি নিম্ন শ্ৰেণীৰ লোক আছিল। মদ পান কৰিছিল, গাহৰি পালন কৰিছিল।

কান্ধত মদ্য ভাত শূকৰৰ পাল।
বাটে বাটে গালি মাৰি চোৰায় যায় চণ্ডাল॥' (পৃষ্ঠা ৫৮১)

গৃহাশ্ৰমীসকলৰ বিষয়ে মাধৱদেৱৰ সন্তুষ্টি মন কৰিব লগীয়া। মায়াময় সংসাৰত আৱদ্ধ হয় গৃহস্থাশ্ৰমীসকল। সংসাৰ ধৰ্ম পালন কৰাটো সমাজৰ ৰীতি বুলি ধৰা হয়। কিন্তু তাৰ পৰা কিমান দুখ পাই শংকৰদেৱৰ কন্যা বিষ্ণুপ্ৰিয়া থকাওতে শংকৰদেৱে দুখ কৰাত মাধৱদেৱে বুজনি দিছিল,

'— যহা জ্ঞানীগণে আৰু নকৰয় ইচ্ছা।
পুত্ৰ ভাৰ্য্যা মহাভাব দেখে সবে মিছা॥
দেখিয়োক ৰামচন্দ্ৰ কৃপাময় হৰি।
পাইলে লটিঘটি তেহো গৃহাশ্ৰম কৰি॥ (পৃষ্ঠা ৬১৬)

শংকৰদেৱৰো কেনে ধৰণৰ অন্ধ বিশ্বাস আছিল তাৰ উদাহৰণ চৰিতকাৰে ৰামচৰণ ঠাকুৰে দিছে। শংকৰদেৱৰ গণক বুলি আহি গোৱাব জিনি দিলতে কোনো অসুখ আদি নোহোৱাকৈ শয্যাতে শংকৰদেৱৰ কন্যা বিষ্ণুপ্ৰিয়াৰ মৃত্যু হয়।

'আসিলোহো আমি ঐক্য তিনি দিন ভৈল।
প্ৰথমতে দেখা কেনে বিঘিনি মিলিল ॥' (পৃষ্ঠা ৬১৭) বুলি কৈ
"গণকৰ নামে সিয়ো ঠাই নোহে ভাল।
ইয়াত থাকিলে মিলিবেক গ্ৰহ কলি ॥" (পৃষ্ঠা ৬১৭) বুলি

পাটবাউসীলৈ যাবলৈ ঠিক কৰিছিল। এয়া জন বিশ্বাস, মনৰ আশংকা।

বিবাহৰ কথাত ল'ৰা ছোৱালীৰ ৰাহি জোৰা চায়। শংকৰদেৱে পুতেক ৰমানন্দৰ বিয়াৰ কাৰণে আগতে দুবাৰ ছোৱালী যচাটো একো কোৱা নাছিল। কিন্তু দৈবজ্ঞৰ হতুৱাই ৰাশি, যোগ, জন্ম, বাৰ আদি চোৱাই তাৰ পাচত বিয়া কৰাবলৈ মত দিছিল। কন্যাৰ পিতৃ ৰাম চৌধুৰীক মাতিবলৈ শংকৰদেৱে মাধৱদেৱক পঠাইছিল,

"দৈবজ্ঞৰ হাতে পাচে চাহিলো গণাই।
ৰাশি যোগ জন্ম বাৰ কহিলন্ত চাই ॥
এহি কথা জানি কন্যা কৰি আছো সাৰ।
এতিক্ষণে চলি তুমি যায়ো তাৰ ঘৰ ॥" (পৃষ্ঠা ৬২৫)

'সম্ভ্ৰান্তৰ ঘৰত সম্ভ্ৰান্ত লোকক বহিবলৈ পীৰা দিয়ে, 'মাধৱক দেখি পিৰা দিল মহামানী ॥' (পৃষ্ঠা ৬২৫)

শংকৰদেৱৰ পুত্ৰ ৰমানন্দৰ বিবাহৰ এটি বৰ্ণনা চৰিতকাৰ ৰামচৰণ ঠাকুৰে দিছে। সেই সময়ত অসমীয়া সমাজত প্ৰচলিত থকা বিবাহ উৎসৱৰ বৰ্ণনাই আছিল ৰমানন্দৰ বিবাহৰ বৰ্ণনা। পানী তোলাৰ পৰা বিবাহৰ বিভিন্ন স্তৰৰ বিবৰণ আছে। (পৃষ্ঠা ৬২৬-২৮)

শংকৰদেৱক বিয়ৈয়েকৰ ঘৰলৈ, "এক সন্ধ্যা অন্ন ভুঞ্জি মোক নিস্তাৰিয়ো।" (পৃষ্ঠা ৬২৮) বোলাত শংকৰদেৱেও,

"প্ৰভাত প্ৰসঙ্গ কৰিয়া কালি যাইবো।
তযু ঘৰে পাগ কৰি অন্নক ভুঞ্জিবো।" (পৃষ্ঠা ৬২৯)

বুলিছিল। শংকৰদেৱে বিয়ৈয়েকৰ ঘৰতো পাগ কৰিহে অন্নক ভুঞ্জিব বুলিছিল। শংকৰদেৱ গৈ পালতো বস্ত্ৰ, অলংকাৰ দি ৰমানন্দক শংকৰদেৱক হেম কুণ্ডলহাৰ দি, ভক্তকো নানা ভাৱে আদৰ সাদৰ কৰি লৈ গৈছিল। তাৰ পাচত, "সপুত্ৰে বান্ধৱে পৰি নমস্কাৰ কৈলা।" (পৃষ্ঠা ৬২৯)

ভাৰতবৰ্ষত জন্মলাভ কৰাটো ভাগ্যৰ কথা বুলি ভাবিছিল। কাৰণ এই ভাৰতবৰ্ষত জন্মলাভ কৰি,

"যিটো হৰি নভজয় ভাগৱত শাস্ত্ৰে কয়
সবাৰো শৌচনি সেহিজন।" (পৃষ্ঠা ৮৪৩) বুলিছে।

সন্ত মহন্তৰ আশীৰ্বাদ লাভ কৰাটো পৰম সৌভাগ্য বুলি মানিছিল। শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থ কৰিবলৈ গৈ গয়াৰ পৰা আক এখন বেলেগ ঠাইলৈ যোৱাৰ বাটত এঘৰ গৃহস্থৰ ঘৰত বওঁতে শংকৰদেৱক দেখি অতি আদৰ-সাদৰ কৰি দলটোক নি "দধি দুগ্ধ ঘৃত চাউল ডালি দিবো দুই সন্ধ্যা আনি কালি

নমস্কাৰ কৰি বুলিলা দুনাই দুনাই॥" (পৃষ্ঠা ১০৯) বুলি ভেৰাসকলৰ খোৱা থকাৰ ব্যৱস্থা কৰি দিছিল। যাবৰ সময়ত শংকৰদেৱে গৃহস্থক

"দুই সন্ধ্যা অন্ন ভুঞ্জাইলাহা।
কত কড়ি লাগে মোক কহা॥" (পৃষ্ঠা ১০১) বুলিলত টকা এটা আনি দি কৈছিল যে সেইদিনা য'তে থাকে তাতে খৰচ কৰি যাব। কেৱল "আশীৰ্বাদ মোক কৰিবা সবে ভক্ত।" (পৃষ্ঠা ১১০) বুলি নম্ৰভাবে কৈছিল।

কবীৰৰ মৃত্যুত কোনোৱে কবীৰৰ মৃত দেহাটো ছুইছিল। কাৰণ,

"মৰিল কবীৰ তাংক কেহো ছুচুৱয়।
হিন্দুৱান নাম লৈলে সহনে বোলয়।"
হিন্দুৱে বোলয় কোনে চুইবে যবনক।
দুয়োবিধ জাতি বোলে নোচো যবনক॥" (পৃষ্ঠা ৭২০)

এয়া সমাজত প্ৰচলিত ৰীতি আছিল। শেষত চৈতন্যদেৱে শুনি কবীৰৰ শ কান্ধত তুলি লৈ গৈ গঙ্গাত উটাই দিছিলগৈ।

জন বিশ্বাসৰ যথেষ্ট প্ৰভাৱ আছিল। বেহাৰৰ ৰজা নৰ-নাৰায়ণে যেতিয়া নাৰায়ণ দাসক ভোটক বিক্ৰি কৰি দিয়াইছিল, তেতিয়া ভোট কেইটাই নাৰায়ণ দাসক লৈ যাওঁতে, "চক্ষু অন্ধ ভৈল। দেখাক নেপাই ভোট কৰে আল জাল॥ (পৃষ্ঠা ৭৫২) শেষত 'দেও মানুহ' বুলি আমাক নেলাগে এনে দেও মানুহক॥" (পৃষ্ঠা ৭৫৩) বুলি ৰজাৰ ওচৰলৈ আনিছিল 'দেও মানুহ'ক ৰজাক গটাই দি টকা ঘূৰাই লৈ যাবলৈ।

বেহাৰৰ ৰজা নৰ-নাৰায়ণৰ ৰাজ সভালৈ যাওঁতে ৰজাই শংকৰদেৱক,

"বসিবে আসন বিচাৰি ৰাজন।
বোলে কম্বল আনিয়ো॥" (পৃষ্ঠা ৭৬৪)

কম্বল পৰাই ৰজাই শংকৰদেৱক বহাৰ আসন দিয়াইছিল।

শংকৰদেৱৰ পাণ্ডিত্যত ৰজা নৰ-নাৰায়ণ ইমান মোহিত হৈছিল যে "সুবৰ্ণ ৰচিত ভগলা এক দিলন্ত সাদৰি" (পৃষ্ঠা ৭৭৭) এয়া ৰজাই পুৰস্কাৰ স্বৰূপে দিছিল আৰু গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ কৰিছিল।

একাদশী ব্ৰত পালন কৰাত শংকৰদেৱে জোৰ দিছিল,

"আজি একাদশী ব্ৰত শাস্ত্ৰত আছয় মত
অন্ন ভুঞ্জিবাক নলাগয়।" (পৃষ্ঠা ৭৮৮)

শেষত একাদশীত ফলাহাৰ কৰিবলৈ দিছিল। (পৃষ্ঠা ৭৯২)

ভড়ালত বস্তু সাচি থৈছিল। শংকৰদেৱে অভাবগ্ৰস্ত বগৰামক,

ভড়ালৰ বস্তু নিয়া মনে আন নকৰিয়া
ভুঞ্জিবাহা আদেশিলো মই॥" (পৃষ্ঠা ৭৯১) বুলিছিল।

চান্দসাই "হীন জাতি ম্লেচ্ছ মধ্যে গণ্য" (পৃষ্ঠা ৮০২) গতিকে বৈষ্ণৱ ভক্ত হৈ শাস্ত্ৰৰ কথা প্ৰশ্ন কৰা বুলি ব্ৰাহ্মণ পণ্ডিতৰ গা জ্বলি গৈছিল।

তেতিয়াৰ দিনত যাৰে তাৰে হাতে অন্নগ্ৰহণ নকৰিছিল। জীৱনৰ শেষ সময়ত, গণকুচিত উপস্থিত হৈ, শংকৰদেৱে মাধৱদেৱৰ হাতে, মাধৱদেৱৰ গৃহত অন্ন ভোজন কৰিব খোজাটো, অভিন্ন হৃদয় আছিল যদিও মাধৱদেৱে শংকৰদেৱক খুৱাবলৈ সাহ নকৰিছিল "লোক অপযশৰ কথা" ভাবি। শংকৰদেৱৰ আপোন পৰিয়ালত অনেক লোক থাকোতেও,

"বুলিবে মাধৱ কেবলীয়া উদাসীন।
তাৰ হাতে খাইল গুৰু নকৰিয়া ঘিণ॥" (পৃষ্ঠা ৮২৫)

গতিকে শংকৰদেৱৰ পুত্ৰ ৰমানন্দৰ হতুৱাই বন্ধাইছিল।

শংকৰদেৱ, গণককুচিত মাধৱদেৱৰ ঘৰত থকাৰ সময়তে অলৌকিকতাৰ মাজত, মাধৱদেৱক ভৱিষ্যত কৰ্তব্য সম্বন্ধে সোঁৱৰাই দিছিল। ধৰ্মৰ শৰণ, ৰজা, স্ত্ৰী আৰু কৰ্মকাণ্ডী ব্ৰাহ্মণক দিবলৈ মানা কৰিছিল। কাৰণ ৰজা,

"ৰাজনীতি ৰাজ কৰ্ম কৰিবে লাগয়।
হাহ ছাগ কাটি ব্যভিচাৰী প্ৰবৰ্ত্তয়॥" (পৃষ্ঠা ৮৩০)

স্ত্ৰী, "পৰম অধৰ্মী স্ত্ৰী পাপৰ শৰীৰ।
তাই কিবা জানিবে মহিমা ভকতিৰ।" (পৃষ্ঠা ৮৩০)

কৰ্মকাণ্ডী ব্ৰাহ্মণ, কৰ্মকাণ্ডী ব্ৰাহ্মণ প্ৰেত কাৰ্য্যক কৰয় ।
প্ৰেতক উছৰ্গি বস্তু আনিয়া ভুঞ্জয় ।
এতেকে অধৰ্মী ইটো পৰম দুৰ্মতি ।
ইহ পৰলোকে তাৰ নাই গতি ॥ (পৃষ্ঠা ৮৩০)

লগতে মাধৱদেৱৰ পাচত পুৰুষোত্তমক ধৰ্মবস্তু দিবলৈও উপদেশ দিছিল ।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণত সামাজিক ক্ৰিয়া কাৰ্য্য সকলো পালন কৰিছিল । পুত্ৰ ৰমানন্দই মুখাগ্নি কৰিছিল । মাধৱদেৱে ৰমানন্দৰ মূৰত গামোচা দেখি গুৰুজনৰ প্ৰয়াণৰ কথা গম পাইছিল । আনহাতে আই-গোসানীয়ে,

'শাখা যে সিন্দুৰ যত আছিলা গাৱত ।
থাক মণি তেতিক্ষণে সব খসাইলন্ত ।' (পৃষ্ঠা ৮৫০)

এয়া বিধবা নাৰীয়ে পালন কৰিব লগা নিয়ম । শংকৰদেৱৰ শ্ৰাদ্ধ বিধিৰ সকলো কাম বিধিমতেই কৰিছিল । (পৃষ্ঠা ৮৫২-৫৩) ইয়াৰো-পৰি শংকৰদেৱৰ বছৰেকীয়াও 'কৰিলন্ত শ্ৰাদ্ধ বিধি ব্ৰাহ্মণ আনিয়া । দিলন্ত দক্ষিণা দান আনন্দ কৰিয়া ।' (পৃষ্ঠা ৮৫৩)

শংকৰদেৱৰ শ্ৰাদ্ধ বিধিত ব্ৰাহ্মণ লগোৱাৰ কথা আৰু দান দক্ষিণা কৰাৰ কথা উল্লেখ কৰিছে, মন কৰিবলগীয়া ।

লাও গছ হেভোলিত দিয়াৰ কথাটো প্ৰথম মথুৰা দাস আতৈয়ে প্ৰচলন কৰে । শংকৰদেৱ বৈকুণ্ঠী হোৱাৰ পাচত গুৰুজনাৰ ঘৰদুৱাৰ ভাগি চিগি যোৱাত, মাধৱদেৱে ভক্তসকলৰ সহযোগত পুনৰ ঘৰ সজাই দিয়াইছিল । কিন্তু নতুনকৈ সজাই দিয়া ঘৰৰ চালত লাও গছ বগাইছে বুলি জানিলত, মাধৱদেৱে মথুৰা দাসক ঘৰ নষ্ট কৰিব বুলি লাও গছ জোপা কাটি পেলাবলৈ পঠাই দিছিল । ইফালে লাও গছ কাটিলে আয়ে দুখ পাব ভাব, গতিকে

'মথুৰা আতাই যাই হেভোলি সাজিলে ।
চালত নমাই লাউ হাতে হাতে ধৰি ।' (পৃষ্ঠা ৮৮২)

মাধৱদেৱে পাচত কথাটো গম পাই বৰ আনন্দ পাইছিল । কাৰণ গুৰু পত্নী গুৰুৰ অৰ্দ্ধ অঙ্গ । মনত দুখ পাই শাও দিয়া হলে গুৰুদ্ৰোহী কাম হলহেঁতেন । শাও শপতলৈ জনসাধাৰণৰ কিমান ভয় আছিল এই উদাহৰণৰ পৰাই জনা যায় ।

(২) ৰামানন্দ দ্বিজ—শ্ৰীগুৰু চৰিত :

ৰামানন্দ দ্বিজৰ 'শ্ৰীগুৰু চৰিত'খনিৰ আৰম্ভণীতেই শংকৰদেৱৰ জন্মৰ আগৰ সমাজখনৰ চিত্ৰ এটা দাঙি ধৰিছে,

ঘোৰ কলি কাল আসি মিলিলা সম্প্ৰতি ।
অন্যদেৱ অন্য ধৰ্ম্মে কৰে লোকে ৰতি ॥
কৃষ্ণ কথা নামগুণ নজানয় কেৱ ।
হাস-ছাগ কাটি মাত্ৰ পূজে আন দেৱ ॥
ভূতপ্ৰেত পিশাচক কৰে বলি দান ।
গ্ৰাম দেৱতাত বিনে নজানয় আন ॥
নম্মৰে নামক নকৰয় হৰি বায় ।
শুভ শুভ বুলিমাত্ৰ কৰন্ত উৎসৱ ॥
সুপূজে হৰিক নকৰয় হৰি কৰ্ম্ম ।
ভৈৰৱক পূজে মাত্ৰ বুলি শ্ৰেষ্ঠ ধৰ্ম ॥
কুৰ্ম্ম ছাগলৰ তেজ বঢ়াইয়া আগত ।
প্ৰসাদ বুলিয়া পিয়ে হুয়া উন্মত্ত ॥
হেনয় পাষণ্ড পথ আচৰণ কৰি ।
নৰকক যাই পাচে অন্তকালে মৰি ॥
বিপথে প্ৰবৰ্ত্তে কলি যুগে প্ৰজাগণ ।
তাক উদ্ধাৰ কৰিবে ঈশ্বৰৰ ভৈলা মন ॥" (পৃষ্ঠা ৬)

গো-হত্যা কৰাটো হিন্দুৰ কাৰণে অতি পাপ, অধৰ্ম্ম কথা আছিল। সেই কাৰণে, 'গো-হত্যা কৰে পশি নগৰ গ্ৰামত।' (পৃষ্ঠা ৯) বুলি চৰিত কথাত উল্লেখ কৰিছে।

দেশ যৱনৰ অধীনলৈ যোৱাত কায়স্থ, ব্ৰাহ্মণসকলে আলোচনা কৰি অনেক কালৰপৰা থকা তাম্ৰফলিক নি যৱনৰ হাতৰপৰা ৰক্ষা কৰিবৰ কাৰণে পুখুৰীত পেলাই দিছিলগৈ। প্ৰজাসকল হাবিত সোমাই ৰক্ষা পৰিছিল। এয়া শংকৰদেৱৰ উপৰি পুৰুষসকল কনৌজপুৰত থকাৰ সময়ৰ কথা। উলটি আপোন গৃহলৈ যৱন বিনাক যোৱাৰ কথা গম পাই, হাবিৰ পৰা বাকী প্ৰজা ওলাই আহি পুখুৰীত ফলিখন বিচাৰি নেপাই মনৰ বেজাৰত কান্দিবলৈ ধৰিছিল। কিন্তু,

"এক গোটা কঙ্কণে কলি ধৰিয়া মুখত।
সাঙৰিয়া নিলে সিটো পাৰ সমীপক॥" (পৃষ্ঠা ১০)

ডেভিয়া সকলোৱে আনন্দ পাই, চণ্ডীবৰে কৃতজ্ঞতাৰ চিন স্বৰূপে কৈছিল,

বোলন্ত কঙ্কণে প্ৰাণ ৰাখিলা আমাৰ।
আমাসাৰ বংশে মাংস নখাওক ইহাৰ॥" (পৃষ্ঠা ১০)

কাৰণ সপ্ত গন কায়স্থৰ ভিতৰত চণ্ডীবৰৰ ঘৰেই শ্ৰেষ্ঠ আছিল আৰু কলি নোপোৱা হলে 'কুল নষ্ট ভৈলা হন্তে' (পৃষ্ঠা ১০) বুলিছিল।

চণ্ডীবৰে তৰ্ক কৰিবৰ কাৰণে অহা দেশৰ বাহিৰৰ লোকৰ লগত সন্মুখ হৈ তৰ্কত হৰুৱাৰ কাৰণে সাজু হোৱাত সন্তোষ পাই ৰজা দুৰ্লভ নাৰায়ণে চণ্ডীবৰক বস্ত্ৰ-অলংকাৰ দি আনন্দ প্ৰকাশ কৰিছিল।

"দূত পঠাই ৰজা চণ্ডীবৰক আনিলা।
বস্ত্ৰ অলঙ্কাৰ দিয়া মন সন্তোষিলা।" (পৃষ্ঠা ১১)

দুৰ্লভ নাৰায়ণৰ ৰাজসভাত চণ্ডীবৰ আৰু অন্য ঠাইৰ পৰা অহা পণ্ডিতৰ মাজত হোৱা তৰ্কত চণ্ডীবৰৰ গাওঁ, বাহিৰৰ পণ্ডিতে 'গোগোৰিয়া' বুলি জানি 'হাস্য কৰিলা বিস্তৰ'। কাৰণ,

"একে গৰু পশু হালে নবহয়।
হেনয় গ্ৰামত কেনে কৰিছা আশ্ৰয়॥" (পৃষ্ঠা ১৬)

কিন্তু চণ্ডীবৰে সেইজন পণ্ডিতৰ গাওঁ 'পোতনিপুৰ' বুলি গম পাই উত্তৰত কৈছিল,

"পোতনি অশিষ্ট বস্ত সমস্তে লোকৰ।
অশ্ৰস্ত তোমাৰ গ্ৰাম কি কৈবে সাগৰ॥
আমাৰ গৰু নাদে পবিত্ৰ হোৱয়।" (পৃষ্ঠা ১৬)

ব্ৰাহ্মণ পণ্ডিতে কায়স্থ পণ্ডিতৰ লগত তৰ্কত হৰাটো লাজৰ কথা আছিল। চণ্ডীবৰৰ লগত ব্ৰাহ্মণ পণ্ডিত তৰ্ক কৰি হৰিছিল। (পৃষ্ঠা ১৬) চণ্ডীবৰে ব্ৰাহ্মণ পণ্ডিতক তৰ্কত হৰুৱাৰ পৰাৰ কাৰণে ৰজাই বস্ত্ৰ, অলংকাৰ দি "তোৰ হৃদয়ত দেবী হোৱাত প্ৰকাশ। সিহেতু তোমোৰ নাম হৌক দেবীদাস॥" (পৃষ্ঠা ১৭) বুলিছিল। তাৰ পাচৰ পৰাই চণ্ডীবৰৰ আন নাম 'দেবীদাস' হৈছিল। (পৃষ্ঠা ১৭)

কুসুমগিৰী ধন সম্পত্তি সকলোৰে পূৰ্ণ, কিন্তু পুত্ৰ নাছিল। পুত্ৰ অভিলাষে ব্ৰহ্ম ভোজ দিছিল, গীতা পাঠ কৰাইছিল, পুৰাণৰ কথা শুনিছিল, মন্ত্ৰ জপ কৰিছিল। (পৃষ্ঠা ২০) সপোনত এজন বিপ্ৰই "পাইবা পুত্ৰৰৰ অৰ্চ্চা কৰা গোপেশ্বৰ বুলি কৈছিল। কুসুমগিৰীয়ে পত্নীসহ গোপেশ্বৰ মন্দিৰত পূজা দিয়াৰ পাচত মন্দিৰতে শয়ন কৰোতে, গৰুড় স্কন্ধত ভৈলন্ত বেকত' আৰু আদেশ কৰিলে,

"শুনা জটাধৰ কহিয়ো সম্বৰ কুসুমৰ আগে যাই।
তাহনি গৃহত হৈবো অৱতাৰ কহিলোহে সমুদাই॥" (পৃষ্ঠা ২৩)

এইখনি চৰিতত মন্দিৰত বুলি আছে, কিন্তু আন চৰিতত গৃহত শয়ন কৰা বুলিহে আছে। কুসুমগিৰীয়ে গোপেশ্বৰত পূজা দিছে আৰু গৰুড়ৰ স্কন্ধত কৃষ্ণই দেখা দিছে।

কুসুমগিৰীয়ে আনন্দতে শত ব্ৰাহ্মণক পায়স ভোজন কৰাই এজোৰকৈ পাট কাপোৰ আৰু 'একৈক স্বৰ্ণ' দিছিল, অন্ধজনক বস্ত্ৰ বিলাইছিল। গোপ-ঈশ্বৰক প্ৰণাম কৰি গৃহলৈ আহিছিল। (পৃষ্ঠা ২৪)

পুত্ৰ সন্তান লাভ কৰাটো অতি আশাৰ কথা। গৰ্ভৱতী তিৰোতাক পাচ মাহত পঞ্চমৃত ভোজন কৰায়, 'শান্তি স্বস্ত্যয়ন' কৰাটো নিয়ম। (পৃষ্ঠা ২৫)

সন্তান জন্ম হলে দৈবজ্ঞ ব্ৰাহ্মণৰ হতুৱাই গণনা কৰাটোও নিয়ম। শংকৰ জন্মৰ পাচত দৈবজ্ঞ অনাইছিল, দৈবজ্ঞই ভৱিষ্যত বাণী কৰিছিল—সমস্ত শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি আনিব, নানা তীৰ্থ পৰ্য্যটন কৰিব, বিস্তৰ শাস্ত্ৰ জানিব, অসম কছাৰী কুৰাচ যৱনৰ সঙ্গ লব ইত্যাদি।

"সমস্তে শাস্ত্ৰৰ উদ্ধাৰি আনিযা
কৰিবন্ত পদ-চয়।
আহান প্ৰসাদে মহা ম্লেচ্ছসৱে
জানিবে তত্ত্ব শাস্ত্ৰৰ॥ (পৃষ্ঠা ২৮)

পুৰুষ-নাৰী, লৰা-ছোৱালী সকলোৱে অলংকাৰ পৰিধান কৰিছিল।

"সঙ্গে শিশুগণ কৰন্ত ভ্ৰমণ
পিন্ধি বস্ত্ৰ অলঙ্কাৰ।" (পৃষ্ঠা ৩০)

সতী হোৱা প্ৰথা আছিল। শংকৰদেৱৰ পিতৃ কুসুমগিৰী বসন্ত ৰোগত মৃত্যু হলত "শংকৰৰ মাতৃ লগত গৈলন্ত বাঁধিয়া সতী ধৰ্ম।" (পৃষ্ঠা ৩০) মৃতকৰ কাজ কৰ্ম কৰাটো সামাজিক কাম। শংকৰদেৱৰ পিতৃ-মাতৃৰ বিয়োগত বালক হৈ

থকাত বামবায় পিতৃ সত্যানন্দ দলৈয়ে সেই প্ৰেত কৰ্ম কৰিছিল। (পৃষ্ঠা ৩০) মৃতকৰ কাজ কৰ্ম শেষ কৰাৰ পাচত

"শুদ্ধি অৱসানে দিলা ভক্ষ্য ভোজ
মিলায়া জাতি সমাজ॥ (পৃষ্ঠা ৩০)

শিক্ষা প্ৰথম আৰম্ভ কৰাৰ আগতে কিছু নিয়ম মনঃ হয়। সূৰ্য্যবৰে শংকৰদেৱৰ পঢ়াত আগ্ৰহ নেদেখি,

"আনি সিন্ধু জল শুচাই ধুলি মল মেলিবে লাগিলা চুলি" (পৃষ্ঠা ৩৪) বুলি চুলিত সুগন্ধি তেল ঘহি, একে আসনত বহি আহাৰ কৰি, 'মুখ শুদ্ধি' কৰি বাহিৰত বহিছিলহি। পাটৰ কাপোৰ পিন্ধি নাতিয়েক শংকৰক ককাকে কোলত বহুৱাই বুজনি দিছিল, 'ঈশ্বৰৰ তেজ আচয় তোমাৰ কহিছে পণ্ডিত লোক॥ সৰ্ব্ব সুলক্ষণ পঢ়িবে যতন কেনে বাপু নকৰাহা।' (পৃষ্ঠা ৩৫) বুলি।

দৈবজ্ঞৰ কথাৰ ওপৰত জনসাধাৰণৰ অতি আস্থা আছিল, বিশ্বাস আছিল, সেই কথা চৰিতখনিত নানা ঠাইত উল্লেখ আছে। পঢ়িলে পণ্ডিত অৱশ্যে হইবাহা দৈবজ্ঞ কহিয়া আছে।' (পৃষ্ঠা ৩৬)

ব্ৰাহ্মণক বধ কৰা 'ব্ৰহ্মবধ' কৰাৰ দৰে পাপ কাম বুলি গণ্য কৰিছিল। শংকৰদেৱৰ আৰু আন লোকসকল কছাৰিৰ উৎপাতত হাবিত পলাই থকা অৱস্থাত, শংকৰদেৱে লুইতত জাপ দি গীতা শাস্ত্ৰখন পাওঁতে, নিজক ব্ৰাহ্মণ পণ্ডিত বুলি কোৱাত ৰক্ষা পৰিছিল।

"বিপ্ৰ হেন মানিলেক দেখি পুস্তকক।
নিবৰ্ত্তিয়া গৈলা পাচে নমাৰিলা বাণ॥" (পৃষ্ঠা ৪৭)

সমাজত ব্ৰাহ্মণসকলৰ অতি ওখত আসন আছিল। শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যাবলৈ ওলাই, 'ব্ৰাহ্মণসকলক বিলাইলন্ত ধান্যধন' (পৃষ্ঠা ৫৭) আৰু খোৰা, দুখী, অন্ধ আৰু জাতি-কুটুম্বসকলোকো ধন ধান্য দান কৰিছিল।

তীৰ্থ পৰ্য্যটন কৰাটো অতি পুণ্যৰ কাম আছিল। শংকৰদেৱে প্ৰথমবাৰ জগন্নাথ, বাৰাণসী, প্ৰয়াগ, বৃন্দাবন, উপৰদ্বিকাশ্ৰমত বাৰ বছৰলৈ তীৰ্থ দৰ্শন কৰি নানা জ্ঞান আহৰণ কৰিছিল। (পৃষ্ঠা ৬০-৬২) বাৰ বছৰৰ পাচত যেতিয়া তীৰ্থৰ পৰা ঘূৰি আহিছিল তেতিয়া সকলোৱে 'মহাতীৰ্থবাসী' বুলি চৰণৰ ধুলি লৈ প্ৰশংসা কৰিছিল।

"মহাতীৰ্থবাসী বুলি চৰণৰ লয়ে ধুলি
প্ৰশংসা কৰয় লোক যত ॥" (পৃষ্ঠা ৬৩)

জীৱ হত্যা কৰাটো পাপ বুলি গণ্য কৰিছিল। নৰহত্যা কৰাটো মহা পাপ কাম আছিল। শংকৰদেৱ প্ৰথমবাৰ তীৰ্থৰ পৰা ঘূৰি অহাৰ পাচত বৰগঞাগিৰীয়ে জয়ন্তৰ পৰা গাই গৰু এজনী আনিবলৈ যাওঁতে, গৰু চৰোৱা লৰা এটাই বাধা দিয়াত যাঠি এপাত মাৰি পঠোৱাত লৰাটো মৰি থাকিল। শংকৰদেৱে গম পাই, 'প্ৰাণী হত্যা মহাপাপ কৰি তই দিলি তাপ' (পৃষ্ঠা ৬৫) বুলি বনগঞাগিৰীক থং কৰি 'মহা পাতকী তোক দেখিবাক যোগ্য নুহি' (পৃষ্ঠা ৬৫) বুলি দূৰলৈ খেদি পঠাইছিল। পাচত ৰামৰাম গুৰুৰ হতুৱাই বনগঞাগিৰীক নৰহত্যা পাপৰ প্ৰায়চিত্ত কৰাইছিল।

"মহামূৰ্খ ভাতৃ মোৰ মনুষ্য বধ কৰি
অত্যন্ত পাতক আচৰিলা ॥" (পৃষ্ঠা ৬৬)

গতিকে "ৰামৰাম গুৰু প্ৰায়চিত্ত কৰাইলন্ত শঙ্কৰদেৱৰ সোদৰক ॥" (পৃষ্ঠা ৬৬) জয়ন্ত দলৈৰ ঘৰলৈ (শংকৰদেৱৰ দেউতাকৰ দদায়েক) শংকৰদেৱক 'অন্ন কৰিবাক লাগয় ভোজন" বুলি নিমন্ত্ৰণ কৰিছিল। পিচ দিনা স্নান কৰি, দিব্য ধৌত বস্ত্ৰ পৰিধান কৰি, কপালত তিলক লৈ, 'এক গুটি মনুষ্যক লবা কৰণ জোৱাই চলি গৈলা জয়ন্তৰ গৃহক।' (পৃষ্ঠা ৬৭) ইফালে জয়ন্তৰ পত্নীয়ে শংকৰদেৱ গৈ পোৱাৰ লগে লগে আপত্তি তুলিছিল,

"মোক বাজ কৰিলেক বাণ্ডি গণ আনিলেক
সেহিলোকে অন্নক বান্ধয়।' (পৃষ্ঠা ৬৭) বুলি

সকলোৱে গৰিহণা দিছে, কিন্তু পুত্ৰ পৌত্ৰ আদিয়ে তথাপি খায়। কিন্তু শংকৰদেৱ বংশৰ শিৰোমণি, পণ্ডিতৰো অগ্ৰগনি, কুলৰ প্ৰদীপ, সকলো ধৰ্মৰ কথাকে জানে। গতিকে সেই অন্ন ভোজন কৰিব নেলাগে বুলিছিল। কিন্তু ইফালে ভোজনৰ কাৰণেও বেলি হৈছিল। তেতিয়া শংকৰদেৱে উত্তম শূদ্ৰ হৈ সেই অন্ন ভোজন নকৰে কাৰণ, 'কুলশীল তৈল নষ্ট সবাকো কৰিল ভ্ৰষ্ট।

'আমাক লগাইল অসন্তোষ।' (পৃষ্ঠা ৬৮) বোলাত, বুঢ়ীমাকে সোনকালে গাটী ধুই, নতুন কাপোৰ পিন্ধি, ফুল-তুলসী কৰণিত থৈ প্ৰথমতে বিষ্ণুক, তাৰ পাচত ইন্দ্ৰ, অগ্নি, বায়ু, বৰুণক পূজা কৰা দেখি শংকৰদেৱে কটাক্ষ কৰি হাহি হাহি কৈছিল,

"ঈশ্বৰ বিষ্ণুৰ সমে আন-সব দেৱতাক
কি কাৰণে কৰিয়া পূজন।" (পৃষ্ঠা ৬১) ব্ৰাহ্মণসকলৰ পূজা কলি যুগত দূষিত হল। গতিকে কলি যুগত 'হৰি নাম মহা ধৰ্ম' (পৃষ্ঠা ৭০) সেই বিষয়ে ব্যাখ্যা কৰিছিল।

"কলি যুগে হৰিনাম মহাধৰ্ম জানিবাহা
এহি যুক্তি সকলো শাস্ত্ৰৰ।
নাম ধৰ্ম এৰি যিটো অন্য ধৰ্ম আচৰয়
মহামূৰ্খ নাহি তান পৰ॥" বুলি। (পৃষ্ঠা ৭০)

'কুষ্ঠ ৰোগীক মহাপাপী বুলি গণ্য কৰিছিল। শংকৰদেৱৰ সমসাময়িক খুৱাক এজনৰ কুষ্ঠ ৰোগ হোৱাত তেওঁৰ ভাৰ্য্যা, জ্ঞাতি কুটুম্ব সকলোৱে মহা-পাপী বুলি গৰিহণা দি তেওঁক বৰ্জন কৰিছিল। মহা কষ্ট মনে হাতত লাঠি লৈ ভিক্ষা কৰি ঘূৰি ফুৰিছিল। কিন্তু তেওঁক দেখাৰ লগে লগে মানুহ পলায়, চোতালত ঠিয় হবলৈ নিদিয়ে, দুৱাৰত দাং দি থয়। কিন্তু কোনোবা দয়ালুৱে চাউল এমুঠি দিলেও 'বিমুখে পশে গৃহত।' তেনে অৱস্থাত শংকৰদেৱৰ ওচৰত এদিন খুৱাকে দুখৰ কথা কৈছিলগৈ

"ইহ লোকে মই ভৈলোহো বৰ্জিত
পাপী মোত পৰে নাই।'
পৰলোকে মোৰ কোন গতি হৈবে
দিয়োক তাৰ উপায়॥" (পৃষ্ঠা ৭৫)

এইখিনিতে জনসাধাৰণৰ ইহলোক, পৰলোকৰ ওপৰত কেনে ধাৰণা বিশ্বাস আছিল তাৰ কথা ধৰিব পৰা যায়। আনকি শংকৰদেৱে যি উত্তৰ দিছিল, তাতো পূৰ্ব্ব জনমৰ কৰ্মফলৰ কথাকে প্ৰকাশ পাইছে, 'পূৰ্ব জনমৰ মহাপাপ যত সেহিসে বেকত ভৈলা' (পৃষ্ঠা ৭৫) বুলি কোৱা কথাত। মহা পাতকীক বেদ, তীৰ্থ ও পাপ মোচন কৰিব নোৱাৰে। দ্বাদশ বছৰ তপস্যা কৰিলেও উদ্ধাৰ নেপায়। কিন্তু কৃষ্ণ নাম কীৰ্ত্তন কৰিলে নৰক যাতনা সংসাৰৰ ক্লেশৰ পৰা উদ্ধাৰ পায়। গতিকে খুৱাকক শংকৰদেৱে অট্টালিকাৰ তুলসী গছ কই এটা সৰু থকা ঘৰ সাজি কৃষ্ণ নাম শ্ৰৱণ আৰু কীৰ্ত্তন কৰিবলৈ উপদেশ দিছিল। তেতিয়া সকলোৱে তেওঁৰ প্ৰতি স্নেহ হৰ আৰু আহাৰো খাবলৈ পাব বুলিও কৈছিল। কাৰণ...

পতিত পাৱন দৰিদ্ৰ পালন
হৰি বিনে আন নাই। (পৃষ্ঠা ৭৬-৭৭) বুলিছিল।

ইয়াৰ দ্বাৰা শংকৰদেৱে জনসাধাৰণৰ মাজত নামৰ মাহাত্ম্য কেনেকৈ প্ৰচাৰ কৰিছিল, তাৰ কি ফল হৈছিল, সেই বিষয়ে অৱগত কৰোৱাৰ কথা জনা যায়।

গঙ্গা নদীক পবিত্ৰ জ্ঞান কৰিছিল, আজিও কৰে। সমাজত ব্ৰাহ্মণ, কায়স্থ, শূদ্ৰ আদি জাত বিভাজন আছিল। প্ৰত্যেকৰে নিজৰ কাম আৰু স্থান আছিল।

মাধৱদেৱৰ জন্মৰ পাচত দৈৱজ্ঞ মতাই আনি গণনা কৰাইছিল, "শুকদেৱ সম হৈব কৃষ্ণৰ ভকত' (পৃষ্ঠা ৯৩) বুলিছিল দৈৱজ্ঞই।

আৰ্থিকভাৱে সংকটত পৰা লোকসকলক সকলো যুগতেই অৱহেলা কৰিছিল, সেই কথা মাধৱদেৱৰ মাক-দেউতাকৰে সৈতে দুৰ্দিনৰ সময়ত জ্ঞাতি, চিনা জনাই কৰা অৱজ্ঞাতে স্পষ্টকৈ ফুটি ওলাইছিল। অনাটনত পৰি মাধৱদেৱৰ পৰিয়ালক এঘৰ মানুহত আশ্ৰয় লওঁতে,

আংক আজি বৰ মই কৰিলে আদৰ।
ধনধান্য মোত খুজিবেক বহুতৰ॥
এহি জিজ্ঞাসিয়া পূৰ্বৱতে নাদৰিয়া।
মাতলত দিলা আনমনে আলোচিয়া॥" (পৃষ্ঠা ৯৫) গতিকে

ঘৰত থাকিবলৈ দি, বৰ আদৰ নকৰিছিল। তেওঁলোকে মনত বৰ দুখ পালে আৰু পিচ দিনা কাকো মাত নিদি ৰাতিপুৱাতে আন ঠাইলৈ গুচি গৈছিল। মাধৱদেৱে দুখতে কৈছিল,

"দাৰিদ্ৰ পৰাণী ভৈলে জীৱে নলাগয়।
ধনহীন ভৈলে তাক কেহো নমানয়॥" (পৃষ্ঠা ৯৬)

ধাৰ ঋণ কৰি হলেও মৃতকৰ ক্ৰিয়া কৰ্ম কৰাটো সমাজৰ নিয়ম। মাধৱদেৱৰ পিতৃ বিয়োগ হোৱাত,

"গোট ষাঠি টকা ধাৰ কৰিয়া আনিলা।
ধৰ্ম কাৰ্য্য কৰি ব্ৰাহ্মণক দান দিলা॥
দিলা ভক্ষ্য ভোজ্য জ্ঞাতি মিত্ৰক আনিয়া।
কৰিবেক অন্তে কৰ্ম কাৰ্য্য সমৰ্পিয়া।" (পৃষ্ঠা ৯৯)

তাৰ পাচতহে মাধৱদেৱৰ বক্ষা।

বিবাহ সমাজৰ এটি পালন কৰিব লগা কৰ্তব্য বুলি গণ্য কৰা হয়। সেই বিবাহ কাৰ্য্য প্ৰত্যেক ব্যক্তিয়ে পালন কৰাটো সমাজৰ লোক, মাক-দেউতাক, জ্ঞাতি কুটুম সকলোৱেই বিচাৰে। গতিকে মাধৱদেৱে বিবাহ নকৰি শংকৰদেৱৰ ওচৰলৈ যাবলৈ ওলোৱাত মাধৱদেৱক মাকে কৈছিল,

"কিসক তেজিলি তই ধন সমস্তয়।
বিবাহ কৰিতে তোক অৱশ্যে লাগয়॥
বিবাহ নকৈলে ছুহিবেক পুত্ৰয়ে।
অপুত্ৰক হলে কেহো ভাল নোবোলয়॥" (পৃষ্ঠা ১৩২)

মূৰ্ত্তি প্ৰতিষ্ঠা কাৰ্য্য ব্ৰাহ্মণসকলেহে কৰে। শংকৰদেৱৰ ভায়েক ৰামৰায় কাঠৰে সজা জগন্নাথৰ মূৰ্ত্তিক প্ৰতিষ্ঠা কৰিবৰ কাৰণে ব্ৰাহ্মণক মাতিবলৈ আলচ কৰাৰ কথা ব্ৰাহ্মণসকলে গম পাই, শূদ্ৰই সজা মূৰ্ত্তিক বন্দনা কৰিলে সকলোৱে হাঁহিব বুলি, শংকৰদেৱৰ ঘৰলৈ নাহে বুলি ঠিক কৰিছিল। আৰু যদি যায়ো শংকৰদেৱৰহে ঝগৰা বাঢ়িব এই বুলি ভাবিছিল। (পৃষ্ঠা ১৬৩-৬৪) শংকৰদেৱে ভকতৰ মুখে ব্ৰাহ্মণৰ আলোচনাৰ কথা গম পাই লোভী ব্ৰাহ্মণক কেনেকৈ হাত কৰিব লাগে জানিছিল। ভায়েকক ভাগে ভাগে পণ্ডিতসকলক দান দিয়াৰ কথা জনাজনি কৰিবলৈ কৈছিল। ভায়েকক উপদেশ দিছিল,

"চাৰি গোট ধেনু দিবি বৎস সমন্বিত।
চাৰি যোৰ পাট বস্ত্ৰ কৰিবি বাঞ্চিত॥
একশত ৰজত সুবৰ্ণ তোলা ছয়।
ব্ৰহ্মানন্দ ভট্টাচাৰ্য্যক দিবাক লাগয়॥" (১৬৫)

সেই মতে ষাঠি গোটা টকা, চাৰি তোলা সোণ, গাই-পোৱালি আদিকৈ দিবলৈ ঠিক কৰাৰ কথা ব্ৰাহ্মণসকলে গম পাই, "মূৰ্ত্তি প্ৰতিষ্ঠিলে সেখো একো দোষ নাই" "আদৰ কৰিয়া যদি মাতে সমস্ত" যোৱাত আপত্তি নাই বুলি যাবলৈ স্থিৰ কৰিছিল। ৰামৰায়ে "তাম্বূলক দিয়া বহুত কৰি সৎকাৰ" (পৃষ্ঠা ১৬৭) মাতিছিল গৈ। পাছত 'আসিলা সভাক পাচে আনন্দ মনত' (পৃষ্ঠা ১৬৬-৬৭) শংকৰদেৱে ব্ৰাহ্মণসকলক কৈছিল, শাস্ত্ৰৰ বিধি মতে মূৰ্ত্তি প্ৰতিষ্ঠা কৰক আৰু 'মূৰ্ত্তি দেখি লোকে যেন হৰিক জানয়।' (পৃষ্ঠা ১৬৭) জগন্নাথৰ মূৰ্ত্তিত প্ৰাণ প্ৰতিষ্ঠা কৰি আচাৰ্য্য ব্ৰহ্মানন্দ বিপ্ৰই প্ৰদৰ্শন কৰিছিল। "শংকৰে আপুনি হৰিবিনতি কৰাইলন্ত।"

(পৃষ্ঠা ১৭৮) বাম্ৰানন্দ বিপ্ৰৰ চৰিতত শংকৰদেৱে মূৰ্তি প্ৰতিষ্ঠাত আপত্তি কৰা বুলি উল্লেখ কৰাটো মন কৰিব লগীয়া।

পিতৃ, মাতৃৰ বা আপোনজনৰ মৃত্যুৰ পাচত অস্থি গঙ্গাত দিয়াটো হিন্দুসকলৰ নিয়ম আৰু পৰম বাঞ্ছনীয় কাম আছিল। মাধৱদেৱেও মাতৃ বিয়োগৰ পাচত, অস্থি গঙ্গাত দিয়াৰ কাৰণে, "গঙ্গাতীৰে যাইবে লাগি কৰিলন্ত মতি।" (পৃষ্ঠা ২০৪) শংকৰদেৱেও দ্বিতীয়বাৰ তীৰ্থ লৈ যাওতে গঙ্গা নৈৰ পাৰত প্ৰভাতত স্নান আদি কৰি লগত যোৱা ভক্তসকলৰ লগতে পিতৃ-পিতামহৰ পিণ্ড দান কৰিছিল। গয়াত গৈয়ো শংকৰদেৱে সপ্ত পুৰুষৰ পিণ্ড দান কৰিছিল। (পৃষ্ঠা ২৩০-৩১)

দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি আহোঁতে, বাটত কবীৰৰ মঠ পাইছিল। শংকৰদেৱ, মাধৱদেৱে কবীৰৰ ঘৰত সোমাওঁতে, কবীৰৰ নাতিনীয়েকে অভ্যাগতক "কিনো পুণ্য দেখিলোহো চৰণ তোমাৰ" (পৃষ্ঠা ২৫৭) বুলি অনেক স্তুতিনতি বাক্য কৈ তেওঁ "নাহিকয় মোৰ স্বামী অভাগীয়া"। (পৃষ্ঠা ২৫৭) বুলি ভৰি মুচিবৰ কাৰণে, 'গৃহস্থে গামছা আনিয়া' (পৃষ্ঠা ২৫৭) দিছিল চৰণৰ ধূলি লবৰ কাৰণে। শংকৰদেৱে ভৰি মুমুচি কৰিবৰ খানখন দৰ্শন কৰি প্ৰিয় বাক্য কৈ ওলাই আহিছিল। (পৃষ্ঠা ২৫৭)

সেই সময়ত জীৱিকা নিৰ্বাহৰ কাৰণে তাঁতীসকলে কাপোৰ বৈছিল। তেওঁলোক অতি পাকৈত আছিল তাত বোৱা কামত। শংকৰদেৱে এই তাঁতী-সকলক দিয়েই বেহাৰৰ ৰজা নৰনাৰায়ণৰ কৃষ্ণলীলা চোৱাৰ মনোবাঞ্ছা পূৰণৰ কাৰণে বৃন্দাবনী কাপোৰখন তিনিমাহত বৈ উলিয়াইছিল। শংকৰদেৱে নিজেও এই কামত হাত আগবঢ়াইছিল। (পৃষ্ঠা ২৮৭-৯০)

তেতিয়াৰ দিনত জপাত কাপোৰ থৈছিল। শংকৰদেৱে বোৱা বৃন্দাবনী কাপোৰখনো 'জপাত কৰিয়া ভণ্ডাৰত থৈলা' (পৃষ্ঠা ২৯৯) বুলি উল্লেখ কৰিছে।

মানুহক শাস্তি দিয়াৰ অন্য উপায় আছিল দোষী জনক বেচি দিয়াটো। শংকৰদেৱৰ ভক্ত দুজনকো বেহাৰৰ ৰজা নৰ-নাৰায়ণে ভোটক বেচিবলৈ দিছিল।

> "ৰাজা বোলে দুহান্তকো লৈয়োক এখন।
> ঘোড়া সগাই আন তই দিয়া নি ভোটক॥" (পৃষ্ঠা ৩০৫)

মাতৃ জনৰ পৰা কিবা বস্তু লব লগা হলে মূৰত বৰা বা মূৰত লোৱা বস্ত্ৰ পাতি লৈছিল। শংকৰদেৱে বাওহাতে দিয়া তামোল ৰামৰায়েও শিৰৰ বস্ত্ৰ পাতি

লৈছিল। ৰাওহাতে জিয়াৰ গুৰুৰ বিষয়ে কৈছিল নাৰায়ণে ভক্তসকলৰ আগত যে তেওঁৰ বৰ ভাগ্য কাৰণ "ৰাম হাতৰ প্ৰসাদক কোথা আৰু নলভক্ত মই মাত্ৰ পাইলো শংকৰৰ" (পৃষ্ঠা ৩৬০) কাৰণ ৰাওহাতে শ্ৰীৰামচন্দ্ৰই দিয়া শিলিখা কেৱল হনুমানেহে পাইছিল। (পৃষ্ঠা ৩৬০)

কামৰূপৰ বৈষ্ণৱসকলেহে মৎস্য ভক্ষণ কৰিছিল। আন দেশৰ বৈষ্ণৱসকলে ঘৃণা কৰিছিল। কণ্ঠভূষণ বাৰাণসীলৈ গৈছিল বেদান্ত শাস্ত্ৰ অধ্যয়ন কৰিবৰ কাৰণে। ৰামভট্ট নামে ব্ৰাহ্মণ পণ্ডিত এজনৰ ওচৰত আন অনেক ছাত্ৰও বেদান্ত পঢ়িবলৈ আহিছিল। কণ্ঠভূষণো তেওঁৰ ওচৰতে পঢ়িবলৈ লৈছিল। কিন্তু ব্ৰাহ্মণ ছাত্ৰখি.নিয়ে,

"কামৰূপী বিপ্ৰ এন্তে মৎস্যক ভুঞ্জয়।
এহি বুলি চুইলে স্নান তেখনে কৰয়॥" (পৃষ্ঠা ৩৭৩-৭৪)

তেতিয়া যি দেশৰ যি নীতি তাক নিন্দা কৰিব নেপাই বুলি ৰামভট্টই ছাত্ৰসকলক কৈছিল।

শংকৰদেৱৰ মহাপ্ৰয়াণৰ খবৰ পাই বেহাৰৰ মহাৰাজে অগৰু, চন্দন, উত্তম বস্ত্ৰ, ঘিউ, চিতা নিৰ্মাণৰ কাৰণে লোক পঠাইছিল। চৌদোলা কৰি চন্দ্ৰতাপ পঠাইছিল। প্ৰথমতে শংকৰদেৱৰ প্ৰাণহীন দেহ স্নান কৰাই, অগুৰু, চন্দন দিয়াই প্ৰণাম কৰি চিতাত তুলিছিল। মুখাগ্নি কৰাৰ পাচত ঘৃতসৰ ঢালিলে। জুই যেতিয়া জ্বলি উঠিছিল, সকলো প্ৰজাই হৰিধ্বনি কৰিছিল। অতি সোনকালে দাহ কাৰ্য্য সম্পন্ন হৈছিল। তোৰোচা নদীৰ পাৰত চন্দ্ৰতাপ আৰি দি, সকলোৱে স্নান কৰি ঠাকুৰক আগত লৈ ঘৰা ঘৰি গৈছিল। ত্ৰিশ দিনৰ অন্তৰত শ্ৰাদ্ধ বিধি কৰি ব্ৰাহ্মণক ব্ৰহ্ম ভোজ কৰাইছিল, জাতিসকলক মাছ খুৱাই ব্ৰত ভাঙিছিল।

"ত্ৰিশ দিন অনন্তৰে   দান শ্ৰাদ্ধ কৰিলন্ত
দিলা দান যাক যথোচিত।
ব্ৰাহ্মণক মাতি আনি   ব্ৰহ্ম ভোজ কৰাইলন্ত
জাতি সবে মৎস্য ভুঞ্জিলন্ত॥" (পৃষ্ঠা ৪০১)

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজৰ 'শ্ৰীশ্ৰীশংকৰদেৱ' চৰিতৰ সমাজ জীৱনৰ চিত্ৰ সুবিধা অনুযায়ী উল্লেখ কৰি থৈছে।

শংকৰদেৱৰ জন্মৰ পাচত দৈবজ্ঞক মতাই আনি,
"দীপ ঘট দ্রোণি পাতি খড়ি ধৰিলন্ত।
পণ্ডিত দৈবজ্ঞ ভাল মত্তে গনিলন্ত।।" (পৃষ্ঠা ৬)

দৈবজ্ঞৰ গণনাত সন্তোষ হৈ শংকৰদেৱৰ পিতৃয়ে 'বসনভূষণ' আনি দৈবজ্ঞক দান দিছিল, ব্ৰাহ্মণসকলক আদৰ আপ্যায়ন কৰিছিল। (পৃষ্ঠা ৭)

আহাৰ খোৱাৰ পাচত 'মুখশুদ্ধি' কৰাটো নিয়ম। (পৃষ্ঠা ৮)
"পিতৃ সঙ্গে বসি ৰঙ্গে ভোজন কৰন্ত।।
অনন্তৰে উঠি পাচে কৰি মুখ শুধি।" (পৃষ্ঠা ৮)

প্ৰথম পাঠ আৰম্ভ কৰিবলৈ দিনবাৰ আদি চোৱাৰ নিয়ম আছিল। শংকৰদেৱৰ পাঠ আৰম্ভ কৰিবৰ কাৰণে ব্ৰাহ্মণে দিনবাৰ, নক্ষত্ৰ চাই দিছিল।

"দিন বাৰ নক্ষত্ৰক ব্ৰাহ্মণে চাহিলা।
শুভক্ষণে শঙ্কৰক পাঠ আৰম্ভাইলা।।" (পৃষ্ঠা ১০)

শংকৰদেৱক ভালকৈ পঢ়াবলৈ উদগনি গাবৰ কাৰণে শংকৰদেৱৰ মেঁউতাকে গুৰুক মনৰ সন্তোষ লগাকৈ দক্ষিণা দিব বুলিছিল। (পৃষ্ঠা ১০)

বিবাহ সামাজিক উৎসৱ। বিদ্যা, শিক্ষা, ধনে ধানে উপযুক্ত হলে মাক-দেউতাকে লৰাটৈ বিয়া পাতিবলৈ আগ্ৰহ কৰে। শংকৰদেৱো উপযুক্ত হলত মাক-দেউতাকে (জীয়াই আছিল নে?) শংকৰদেৱৰ বিয়াৰ কাৰণে ছোৱালী বিচৰাইছিল, জাতি কুটুম্বক কৈ। বাৰ তিথি চাই অনেক সম্ভাৰ লৈ,

"বাদ্য ভণ্ড সুমঙ্গলে মহাৰঙ্গে কৌতূহলে
শংকৰৰ বিবাহ কৰাইলা।।" (পৃষ্ঠা ১৮)

শংকৰৰ বিয়াৰ পাচত বোৱাৰী ঘৰলৈ আহিল। 'পুষ্প তাম্বোল' দি সকলোকে সন্তোষ কৰিছিল। পাচত ভোজন কৰাই লোকসকলক ঘৰে ঘৰে পঠাইছিল।

কুসুমৰো বন্ধ মন যত ৰাতি বন্ধুগণ
সবাহাকে ভোজন কৰাইলা।
দিয়া পুষ্প তামূলক তুষিলন্ত সমস্তক
বিদায় কৰিয়া ঘৰে গৈলা।।" (পৃষ্ঠা ১৮)

ভাৰত ভ্ৰমিত ব্ৰাহ্মণ অসমত কৰাটো অতি গৌৰৱৰ কথা বুলি বিবেচিত হৈছিল। চৰিতকাৰ ভূষণ দ্বিজে ব্ৰাহ্মণ হৈ ভাৰত ভ্ৰমিত অসমত কৰি কুৰুক্ষেত্ৰ

ভক্তি নকৰিলে বুলি আক্ষেপ কৰিছে। সেই কাৰণে কৃষ্ণৰ চৰণত কাতৰ কৰিছে, যেন তেওঁৰ, "মুখে নছাড়োক নাম।" (পৃঃ ২০)

জন্ম মৃত্যু সকলো কালৰ অধীন—এয়া জন বিশ্বাস। শংকৰদেৱেও মাক-দেউতাকৰ মৃত্যুত দুখ কৰা নায়। কাৰণ তেওঁ জানে যে সংসাৰতে জীৱ চিৰদিনৰ কাৰণে নাহে, 'অনিত্য সংসাৰ'ত কোন ক'ৰ পৰা আহি একে ঠাইত গোট খাই পিতৃ, মাতৃ, খুড়া, ভাই আদি সম্বন্ধৰ স্নেহৰ পাশত আবদ্ধ হয়হি। কিন্তু এটা দিন কালে সকলোকে সংহাৰ কৰি লৈ যায়। গতিকে শংকৰদেৱে পিতৃ-মাতৃৰ বিয়োগত দুখ নকৰি, প্ৰেত কৰ্ম কৰি দান, উৎসৰ্গা কৰি, ব্ৰাহ্মণক বহু ভোজন কৰাই, যাক যেনেকৈ দান দক্ষিণা দিব লাগে দিছিল। (পৃষ্ঠা ২৮-২৯)

বিবাহৰ দ্বাৰা বংশ বৃদ্ধি হোৱাটোকে সমাজে বিচাৰে। শংকৰদেৱে প্ৰথমবাৰ বাৰ বছৰকৈ তীৰ্থক্ষেত্ৰত ঘূৰি ঘৰলৈ অহাৰ পাছত, ককাক জয়ন্ত আৰু মাধৱে শংকৰদেৱক দ্বিতীয়বাৰ বিয়া কৰাবলৈ বুজনি দিছিল যাতে বংশবৃদ্ধি হয়। বিবাহত শংকৰদেৱে মত দিলত ভূঞাসকলে বৰ আনন্দ পাই গৰু, কপ, সোণ, বস্ত্ৰ আদি বিস্তৰ বস্তু উপহাৰ দিছিল। বিবাহৰ যোগেদি শংকৰদেৱৰ অধিক সম্পত্তি লাভ হৈছিল তাক জনা গৈছে। (পৃষ্ঠা ৩৪)

তাঁতী শ্ৰেণীৰ লোক আছিল। তাত বৈ জীৱিকা নিৰ্বাহ কৰিছিল। শংকৰদেৱে এশত তাঁতীক জোঁৱাইৰেকৰ তলত দিছিল। (পৃষ্ঠা ৩৬)

তামোল-পান দি সম্ভাষণ জনোৱাটো, আদৰাটো সামাজিক নিয়ম। শংকৰদেৱৰ লগত তৰ্ক কৰিবৰ কাৰণে দেৱী উপাসক মাধৱদেৱ অতি ক্ৰোধত গৈছিল। মনত, শংকৰদেৱক প্ৰণাম নকৰে বুলি ঠিক কৰি গৈছিল। কিন্তু "শৰীৰৰ জ্যোতি দেখি সিহৰিলা গাৱ" (পৃষ্ঠা ৫২) আৰু শংকৰদেৱৰ আকৰ্ষণী শক্তিয়ে মাধৱদেৱক মুঁখৰাত তামোল-পান দি সেৱা কৰিবলৈ বাধ্য কৰাইছিল।
(পৃষ্ঠা ৫২)

শূদ্ৰক শাস্ত্ৰ অধ্যয়ন, বেদ-ভাগৱত আদি পাঠ কৰাৰ অধিকাৰ ব্ৰাহ্মণসকলে নিদিছিল। 'শূদ্ৰৰ আছয় কোন মন্ত্ৰে অধিকাৰ।' (পৃষ্ঠা ৭৫) বুলিছিল। গঙ্গাত স্নান কৰি উঠি, জপ কৰা দেখি, গাত ব্ৰাহ্মণৰ নব গুণ নেদেখি শূদ্ৰ বুলি জানি ভাৰৰ ব্ৰাহ্মণে নাৰায়ণ দাসক প্ৰশ্ন কৰিছিল,

"কলিত নাহিকে বেদ ধৰ্মৰ আচাৰ।
শূদ্ৰৰ আছয় কোন মন্ত্ৰে অধিকাৰ॥

কৰিলেক কলি সৰ্ব্ব ধৰ্ম্মকে দূষিত।
ভৈল একাকাৰ সবে পাপতেসে চিত্ত॥'' (পৃষ্ঠা ৭৫) বুলি।

সন্মানীয় জন, আপোন জনৰ পৰা বিদায় লোৱাৰ সময়ত প্ৰণাম কৰা, মান ধৰা আদি নিয়ম। ভৱানন্দই শংকৰদেৱৰ ওচৰত শৰণ লৈ নাৰায়ণ নাম পায়। শংকৰদেৱৰ লগত নাম ধৰ্ম্মত আশ্ৰয় লৈ কেবা মাহো থকাৰ পাচত নিজ গৃহলৈ যাবলৈ ওলায় শংকৰদেৱক, 'সৰিসা ধানৰ চাউল তিনি দোনে পুৰা বান্ধিছন্ত। (পৃষ্ঠা ১১৩) আৰু কান্ধত কৰি আনি শংকৰদেৱক দি প্ৰণাম কৰিছিল। তেনেকৈ মাধৱদেৱকো এক পুৰা চাউল দি (পৃষ্ঠা ১১৪) নমস্কাৰ কৰি বিদায় লৈছিল।

কোনো মাঙ্গলিক কাম কৰাৰ আগদিনা উপবাসে থকাটো হিন্দুসকলৰ নিয়ম। নাৰায়ণেও নিজ গৃহ পাই, ঘৰৰ সকলোকে উপবাসে ৰাখি কৃষ্ণত শৰণ লৈছিল।

"উপবাস দিয়া সবে শঙ্কৰক গুৰু মানি
কৃষ্ণত শৰণ লৈলা পাচে॥ (পৃষ্ঠা ১১৫)

এই চৰিতখনিত অতিথি, বিশিষ্ট লোকক অকল তামোল দি নহয়, পুষ্প-তামোল দি আদৰণি জনোৱা কথা আছে। (পৃষ্ঠা ১৪৭)

ব্ৰাহ্মণলোকে কৃষি কাৰ্য্য কৰাৰ কথা দামোদৰদেৱত দেখা গৈছে। উত্তম ব্ৰাহ্মণ হৈ, 'কৰন্ত কিৰিষি তাত নাহি আসকত্তি' (পৃষ্ঠা ১৫০) বুলি শেষত কৃষ্ণ কথাতে ইমান নিময় হল যে কৃষি কাৰ্য্য এৰিবে দিছিল। বিষয় সুখো এৰি দিছিল। কাৰণ পাচ বিধ ভক্তিহে ভক্তৰ পাচত কুৰে বুলি দামোদৰদেৱে উপলব্ধি কৰিছিল। (পৃষ্ঠা ১৫১)

অসমৰ বাহিৰতো কেনেকৈ অতিথি আদৰ, অধ্যয়ন কৰিছিল, শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ গৈ গঙ্গাতীৰত এজন কায়স্থ কুলৰ সনৰ গৃহত ৰৈছিলগৈ। গৃহস্থই,

"যত দ্ৰব্য লাগে সবে দ্ৰব্য আমি দিবো
নিকিনিবা কাবো ঠাই।" (পৃষ্ঠা ১৫৮)

বুলি খোৱা লোৱাৰ কৰি দিছিল। শংকৰদেৱেও,

"দুই সন্ধ্যা আমি ভোজন কৰিলো
দিলাহা দ্ৰব্য সমস্ত।
মূল্য কড়ি কৰি পৰিয়া লৈয়োক
চলি যাইবো তীৰ্থ পথ॥" (পৃষ্ঠা ১৫৯)

বোলাত৺ কিমান ভাগ্যৰ ফলত অতিথি সেৱা কৰিবলৈ পাইছে, কড়ি নেলাগে বুলি গৃহস্থই পুনৰ টকা এটা বাট খৰচৰ কাৰণে দিছিলহে। (পৃষ্ঠা ১৫৯)

বাটত কবীৰৰ ঘৰ পৰাত শংকৰদেৱ আৰু সঙ্গীসকল কবীৰৰ ঘৰত উপস্থিত হৈছিল। কবীৰ ঘৰত নাছিল। কবীৰৰ ভাৰ্য্যাই এখন নতুন কাপোৰ আনি শংকৰদেৱক ভৰি মুচিবৰ কাৰণে দিছিলহি, যাতে কবীৰ আহি পালে অতিথিৰ পদ ধূলা লব পাৰে। কবীৰে শংকৰদেৱক লগ নোপোৱাৰ কাৰণে অভাগিয়া বুলি কৈছিল। ইয়াত অতিথিক কেনেদৰে আদৰা হৈছিল তাৰ কথাহে বৰ্ণনা কৰিছে। (পৃষ্ঠা ১৬১)

বহাৰ আসন হিচাবে কম্বল, ঢকুৱা আদি ব্যৱহাৰ কৰিছিল।

(৪) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচখনি প্ৰাচীন চৰিত পুথিৰ সাৰ)

১ম ভাগ :

মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ' পাচখন বিভিন্ন চৰিতকাৰে ৰচনা কৰা চৰিত পুথিৰ সাৰ মাত্ৰ সংগ্ৰহ। সমাজ জীৱনৰ চিত্ৰ ইয়াতো পোৱা গৈছে।

গুৰুৰ প্ৰতি, গুৰু পুত্ৰৰ প্ৰতি ভক্তি প্ৰদৰ্শন সমাজৰ এটি পালনীয় কৰ্ত্তব্য। আম গছত গোপাল উঠোতে গুৰু পুত্ৰই জখলা ধৰাত গোপালে জখলাত নধৰিবলৈ কাকুতি কৰিছিল, কাৰণ গছৰ ওপৰত গোপাল আৰু গছৰ তলত জখলা ধৰি গুৰু পুত্ৰ আছিল।

"চৰণত পৰি বহু বুলিলা বিনয়।
আপুনি জখলাক ধৰিবাক নলাগয়॥" (পৃষ্ঠা ৫, ১০০)

শেষত গুৰু পুত্ৰই শপত দিলতহে গোপাল বৈছিল। শপতৰ ওপৰত মাহুহে গুৰুত্ব দিছিল।

'উদাসীন ভকতসকলৰ স্থান আগত আছিল। গোপালে পাৰি অনা আমৰ ভাগ কৰোতে শংকৰদেৱে৷

উদাসীনলোক যত আছয় সত্ৰত।
তাসবক এক ভাগ দিলা প্ৰথমত॥ (পৃষ্ঠা ৬)

গোপালে আম পাৰি বস্ত্ৰত বান্ধি আনিছিল। শংকৰদেৱে ৰুকাক বুঢ়ীমাকলৈ দিয়া নিৰ্মাল্যবস্ত্ৰত বান্ধি লৈছিল।"

"নিৰ্মাল্য গোপালে পাচে বস্ত্ৰত বান্ধিলা।
শঙ্কৰক সেৱা কৰি গৃহক চলিলা॥" (পৃষ্ঠা ১০)

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ কথা গম পাই গোপালদেৱে স্নান কৰি, 'তিতা বস্ত্ৰ যায়া প্ৰবেশিয়া নগৰত' (পৃষ্ঠা ১৫) তাঁতীসকলক খবৰ দিছিলহঁক।

শুদা হাতে শৰণ নলৈছিল। গোপালে শুদা হাত বুলিয়েই শৰণ লোৱা নাছিল।

শুধা হাঁত বুলি শৰণ নলৈলেঁ।
উলটি গৃহে আসিলেঁ।। (পৃষ্ঠা ১৮)

আলহীক প্ৰথম তাম্বোল-পান দিয়েই আদৰিছিল। (পৃষ্ঠা ২০) তুলসীৰ বৰ আদৰ আৰু উচ্চত স্থান দিছিল। (পৃষ্ঠা ২৩) এতিয়াও দিয়ে।

"তুলসী নিকটে থৈয়া নমিলন্ত
চৰণক মাধবৰ ॥" (পৃষ্ঠা ২৩)

গুৰু গৃহত অন্ন ভোজনৰ কাৰণে মাধৱদেৱে গোপাল আতা আৰু তাঁতীসকলৰ মত বিচাৰিছিল। কাৰণ আই গোসানীয়ে কৈছিল, 'ৰান্ধিবাক পাৰোঁ। মঞি ভাসখাক গৈয়া সুধিয়োক।' (পৃষ্ঠা ৩৩) সেতিয়াৰ দিনত য'তে ত'তে, যাৰে তাৰে হাতে নেখাইছিল। গুৰু ভাৰ্য্যাৰ হাতে ৰন্ধা খাবলৈ পোৱা ভাগ্যৰ কথা বুলি ভাবিছিল যদিও, 'ৰন্ধন কৰন্তে আই প্ৰয়াসক লভিবে বিস্তৰ।' (পৃষ্ঠা ৩৩) বুলি অনুভৱ কৰিছিল। কাৰণ আইক কষ্ট দিয়াটো দোষৰ কথা বুলি ভাবিছিল। কিন্তু মাধৱদেৱে,

তোম্ৰাসবৰ যত পাপ আছে হৃদয়ত
হৈবে নষ্ট ভুঞ্জিলে অন্ন।" (পৃষ্ঠা ৩৩)

বোলাত আপত্তি নকৰিছিল।

মাধৱদেৱে গোপাল আতাৰ গৃহটি অচ্যুত গুৰুক দিব পাৰিবনে বোলাত, 'বাসাখানি কি বস্তু দেহ অৰ্পি আছো আপুনাক' বুলি (পৃষ্ঠা ৪৪) গোপাল আতাই 'ভুঞ্জি অন্ন চৰু পেলাইলন্তে।' (পৃষ্ঠা ৪৪) আৰু

ৰৰখনি স্যাজি মুচি অচ্যুত গুৰুক লাগি
দুইখানি আখা নিৰ্ম্মিলন্ত।' (পৃষ্ঠা ৪৪)

২য় ভাগ—পূৰ্ণানন্দ ৰচিত :

গোপালদেৱৰ জন্ম হোৱাৰ পাচত সকলোৱে আনন্দ। কাৰণ পুত্ৰ সন্তানৰ জন্ম হৈছে। জন্মৰ পাচত আত কৰ্ণ কৰাইছিল। (পৃষ্ঠা ৮৭) জ্যোতিষিক দি

গণনা কৰাইছিল (পৃষ্ঠা ৮৮), গোপালৰ মায়াকৰণ কৰিছিল। জ্যোতিষিৰ গণনাক গুৰুত্ব দিছিল—

বৈবজ্ঞ আনিয়া জাত গণাইলন্ত
কহিলা জ্যোতিষ চাই।
তোমাৰ পুত্ৰৰ যত গুণা কথা
কহিয়া পাৰ নপাই॥" (পৃষ্ঠা ৮৮)

ছুগৰাকী ভাষা বিয়া কৰাব পাৰিছিল। গোপাল আতাই গোপাল আতাৰ মাক-দেউতাকেই ছুগৰা গী কন্যা বিয়া কৰাই আনিছিল।

"মহা বিচক্ষণ ৰূপে গুণ দেখি গোপালৰ
ছুইজনা কন্যা যাচি দিলা।" (পৃষ্ঠা ৯৯)

পূৰ্ব জন্মৰ কৰ্ম ফলত জনসাধাৰণৰ বিশ্বাস আছিল। গোপাল আতাক মাধৱদেৱে প্ৰশংসা কৰিলত শ্ৰীৰাম আতাই মাধৱদেৱক কৈছিল,

'নাজানোঁ পূৰ্বৰ জনমৰ তপ
কৰিয়াছে কতেক॥' (পৃষ্ঠা ১১০)

৩য় ভাগ—দ্বিজ ৰাম গোপাল চৰিত

(১ম অংশ)

আশংকা, সন্দেহ আদিয়ে সমাজলৈ বিশৃংখলা আনে, ভুল বুজাবুজিৰ সৃষ্টি কৰে। মাধৱদেৱ বৈকুণ্ঠী হোৱাৰ আগতে শ্ৰীৰাম আতাক ভৱানীপুৰৰ গোপালদেৱক ধৰ্মৰ আচাৰ্য্য পতাৰ কথা জনাবলৈ মাধৱদেৱে ভাৰ দিয়ে। মাধৱদেৱ বৈকুণ্ঠী হোৱাৰ সাত মাহৰ পাচত, শ্ৰীৰাম আতা বেহাৰৰ পৰা বৰপেটাৰ ভৱানীপুৰ পাই মাধৱদেৱৰ আজ্ঞাৰ কথা শুনায়। ভকতসকলেও, 'আতা ঈশ্বৰৰ আজ্ঞা দেৱে হৈ আছে', (পৃষ্ঠা ২৮৬) বুলি আদি নেমানিম বুলি মান্তি হৈছিল। কিন্তু ষৰলৈ সৈ জন চেৰেক ভকতৰ সন্দেহ হল, মাধৱদেৱে যদি গোপালদেৱক আচাৰ্য্যই পাতি থৈছিল, তেওঁলোক যাওঁতে নকলে কিয়? শ্ৰীৰাম আতা গোপাল আতাৰ "প্ৰীতি আছয়" (পৃষ্ঠা ২৮৭) আৰু সেই কাৰণে ছুয়ো কথা পাতি, এতিয়া ঠিক কৰি আহি তেওঁলোকক জনাইছেহি। এনে ধৰণৰ সন্দেহ, আশংকা সৰ্বাৰ এক শ্ৰেণী লোকৰ মাজত সদায়েই আছিল।

বৰপেটাৰ খেতিয়কসকলে ধান খেতি কৰি খাই থাকে। নহলে, 'মহিষে গণ্ডকে খায় হৰিণে খাবয়।' (পৃষ্ঠা ২৯৪) কিন্তু এদিন মাৰ্বাকাৰ ঠাকুৰ নিদ্ৰাত অচেতন হৈ

থাকোতে আৰু ভক্তসকলো নিদ্ৰা গৈ আছিল। নিশা শেষ ভাগত সাৰ পাই নাৰায়ণ ঠাকুৰে নাম স্মৰণ কৰি বাহিৰত মানুহৰ কোলাহল শুনি ভক্ত এজনক মাত লগাই কিহৰ কোঢ়াল শুধিছিল। ভক্তে কৈছিল বাইজে ধান ৰখিছে। তেতিয়া ভক্তসকলক মাতি কৈছিল,

'ভাৰত বৰিষে ইটো মনুষ্য শৰীৰ।
পুনৰ্বাৰ পাইবো হেন নাহিকা থিৰ॥' (পৃষ্ঠা ২৯৫)

গতিকে আচৰণ নিদ্ৰা গৈ থকাটো ঠিক নহয়। হৰি মত্তিৰলৈ গৈ চেতনা লাভ কৰিবৰ কাৰণে উপদেশ দিছিল। কাৰণ ভাৰতবৰ্ষত মনুষ্য জন্ম লাভ কৰাটো অতি সৌভাগ্যৰে কথা বুলি ধৰিছিল। বেহাৰৰ ৰজা নৰ-নাৰায়ণে নাম দিয়া কালঝাৰ গাঁৱতেই সকলো শ্ৰেণীৰ জীৱিকাৰ লোক বাস কৰিছিল—তাঁতী, বণিয়া, স্বৰ্ণকাৰ, কৰ্মকাৰ, কুম্ভকাৰ, চূৰ্ণকাৰ, মালি, জোলা ধোবা, তেলি, ব্ৰাহ্মণ, দৈৱজ্ঞ আদি। তেতিয়াৰ দিনতেই জীৱিকাৰ কিমান পথ আছিল ইয়াৰ পৰাই ধৰিব পৰা যায়। (পৃষ্ঠা ৩১০)

গোপালদেৱৰ দেহাৱসানৰ পাচত, চতুৰ্দ্দোল সাজি, দাহ কৰিবৰ কাৰণে,

"সুগন্ধ তৈলত হৰিদ্ৰা সতাহি
দিয়া কৰাইলন্ত স্নান॥" (পৃষ্ঠা ৩৫২)

আৰু চন্দন আনি দিব্য ধৌত বস্ত্ৰ শৰীৰত পিন্ধাই, ব্ৰাহ্মণ আহি মন্ত্ৰ পঢ়াই চিতাত তুলি অগ্নি সংযোগ কৰিছিল। পুত্ৰ ঠাকুৰে মুখাগ্নি কৰিছিল। অগৰু কাঠ আৰু ঘিউ দি অগ্নি জ্বলাইছিল। (পৃষ্ঠা ৩৫২-৫৩)

তৃতীয় ভাগ—ৰামানন্দ ৰচিত :

(২য় অংশ)

পৰদাৰাগমন ভক্তৰ ডাঙৰ অপৰাধ বুলি সমাজত গণ্য কৰিছিল। বেহাৰত মাধৱদেৱৰ তিৰোধানৰ পাচত কৃষ্ণ নামৰ ভক্ত এজনে পৰদাৰাগমন অপৰাধ কৰি আই ধাইৰ থানত স্বীকাৰ কৰিছিল গৈ। আই ধায়ে তেতিয়া কৃষ্ণক অভয় দি কৈছিল,

"যদি কাৰ ছিদ্ৰ মাত্ৰ সিজিল তোমাত।
প্ৰায়শ্চিত্ত বিহি কৰা কৰিব ইহাত॥" (পৃষ্ঠা ৩৬১)

কৃষ্ণক আশ্ৰয় দিয়াৰ কাৰণে আই ধাইকে, কৰ্মত অপৰাধ বুলি ধৰিছিল। পুৰুষোত্তম ঠাকুৰ বেহাৰলৈ যাওঁতে, ভক্তসকলে যাই ধাইৰ আলৈ যাবলৈ বাৰণ কৰিছিল। আই ধায়ে গম পাই কাকুতি কৰি ধৰাত গৈছিল।

"মোৰ গৃহাগত বাপ হয়োক সম্প্ৰতি।
কৰিয়োক মই মহা পাপিনীৰ গতি॥" (পৃষ্ঠা ৩৭০)

কথা এবাৰ নোৱাৰি পুৰুষোত্তম আই ধাইৰ তালৈ গৈছিল। সেই ধায়ে ভোজন সম্ভাৰ দিছিল, একশত টকা দিছিল আৰু 'কতিপয় দিবস বঞ্চিলা তেৱে তথা।' (পৃষ্ঠা ৩৭১) তেতিয়া বেহাৰত থকা মাধৱদেৱৰ ভক্তসকল পুৰুষোত্তম ঠাকুৰৰ প্ৰতি বিৰূপ হৈছিল। আনকি বৰপেটাৰ গোকাণ্ডিটা থানলৈকো এই অসন্তোষ বাতৰি পঠাইছিল। আই ধায়ে কিন্তু বৰপেটালৈকে ভকতৰ হাতত সাজ দি পঠাইছিল। কিন্তু বৰপেটাৰ ভক্তেও অস্বীকাৰ কৰি ঘূৰাই পঠাইছিল ভকতকহে লাগে, তেওঁক নেলাগে বুলি। পুৰুষোত্তমৰ ওপৰত ভক্ত ইমানে অসন্তুষ্ট হৈছিল যে বৰপেটালৈ অহাৰ খবৰ পাই ভক্তসকলে 'দুৱাৰত দিয়া বাৰ' মানুহ আতৰলৈ গুচি গৈছিল, পুৰুষোত্তমে মানুহ নেপাই বুঢ়া এজনীক কাকত লোধাত কৈছিল,

"তুমি আসিবাৰ দেখি গৈলেক পলাই।
মাধৱৰ নিষেধ আচাৰ বিটো জন।
সিজনৰ ঘৰ জাত কৰিলা ভোজন॥" (পৃষ্ঠা ৩৭৩) বুলি।

গতিকে পুৰুষোত্তমে কথা বিষম দেখি ভৱানীপুৰলৈ দূত পঠাইছিল বুদ্ধি পৰামৰ্শ সুধি। শেষত গোপালদেৱৰ পৰামৰ্শই কাম দিছিল।

আই ধাই বেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ ধাইমাতৃ আছিল। বৈষ্ণৱ যুগৰ বেহাৰৰ নানা কামৰ আই ধায়ে উল্লেখযোগ্য ভূমিকা লৈছিল।

৫· নীলকণ্ঠ দাসৰ ৰচিত—শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত

নীলকণ্ঠ দাস বিৰচিত 'শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত'ত অলপ দিয়াৰ দৰেই সমাজ জীৱনৰ চিত্ৰ পোৱা হৈছে।

দামোদৰৰ জন্মৰ পাচত মাকে সৰত্ৰে স্নান কৰিছিল, তৃতীয় দিনা জাত গণনা কৰিছিল, পঞ্চম দিনা পাচোতি কৰিছিল। শাক্ত বিমান নাৰী আছিল সন্দেশ লৈ আহি সন্তানৰ ঘৰ পাই উৰুলি ধ্বনি কৰিছিল, হৰ্ষগান গাইছিল, হৰ্ষভক্তি পবিত্ৰ জলেৰে শিশু দামোদৰক ধুৱাইছিল। বাজনা বজোৱা লোকে বাজনা

বজাইছিল। একাদশ দিনত শুদ্ধি কৰ্ম্ম কৰিছিল। 'যত দেৱ অনুষ্ঠান সবে আচৰিলা' ৷ (পৃষ্ঠা ২০) তাৰ পাচত জাত কৰ্ম, নামাধৰ্ম অনুষ্ঠান কৰাইছিল। দ্বিজ, দৈবজ্ঞ ক দান দক্ষিণা দিছিল, ছমাহত অন্ন প্ৰাসন কৰাইছিল। (পৃষ্ঠা ২২-২৩) তৃতীয় বৰ্ষত চূড়াকৰ্ণ, নবৰ্ষত পিতাকে বিধিমতে যজ্ঞ সূত্ৰ দিছিল, গায়ত্ৰী মন্ত্ৰও দিছিল।

"বালক ক্ৰীড়াক কৰি এহি মতে বৈলা।
নবম বৰিষ অনুক্ৰমে আসি ভৈলা॥
বিধি মতে যজ্ঞ সূত্ৰ পিতৃ তাক দিলা।
গায়ত্ৰীক লৈয়া বেদ আৰম্ভ কৰিলা॥" (পৃষ্ঠা ২৫)

সমাজত ভালকৈ থাকিবলৈ হলে বাসগৃহৰো সুব্যৱস্থা থকা দৰকাৰ হৈছিল। সত্যানন্দই হাজোৰ পৰা বৰপেটালৈ উজাই গৈ বৰপেটা বিলৰ কাষত চন্দ্ৰাৱতী পুৰত থাকিবলৈ ঠিক কৰি,

"গৰ্-খাই দিয়া আসি পদুলি বান্ধিলা।
হৰকলিয়া চৌপাশে বেড়ি দিলা॥
শয়ন ভোজন গৃহ বসিবাৰ থান।
অতিথি নিবাস দেৱগৃহৰ নিৰ্ম্মাণ॥
কূপ বাটঘৰ আনো সমস্তে কৰিলা।
পুত্ৰ-ভাৰ্য্যা সমে দ্বিজ তথাতে ৰহিলা॥ (পৃষ্ঠা ৪৪-৪৫)

ইমান বিস্তৃতভাৱে বাসগৃহ সজাৰ এই প্ৰথম উল্লেখ। কদলি, তামোল আদি গছো ৰোৱাইছিল। দাসৰ হতুৱাই কৃষি কৰ্ম্মও কৰাইছিল। (পৃষ্ঠা ৪৫)

বিয়া বাৰুৰ ক্ষেত্ৰত বংশ পৰিয়াল চাইছিল। সত্যানন্দৰ কন্যাৰ বিয়াৰ কথা ভাবি ঠায়ে ঠায়ে দূত পঠাই শেষত বৰ নগৰৰ নৱনগৰ গাৱঁত গৈ দূত বামনাথ দ্বিজে, জয়দেৱ আচাৰ্য্যৰ ঘৰ পাই বংশ পৰিচয় লৈছিল। "বংশাৱলী সমে কথা কহিবাক লৈলা।" (পৃষ্ঠা ৫২) দুয়ো ঘৰে দুয়ো ঘৰৰ পৰিচয় লৈছিল বিস্তৃতভাৱে।

বিয়াত কন্যাৰ লগত যৌতুক দিছিল। সত্যানন্দৰ কন্যা সত্যৱতীক বাসুদেৱ চক্ৰৱৰ্ত্তীৰ লগত বিয়া দি "কন্যা সম অনেক বে যৌতুক দিলা।" (পৃষ্ঠা ৫৪) বুলি উল্লেখ আছে।

সতানন্দৰ মৃত্যুৰ পাচত লৌহিত্যৰ পাৰত চিতা সাজি বিধিমতে দাহ কৰিছিল। পিণ্ড-জল দিছিল। তিলনি, চতুৰ্থা কৰিছিল। একাদশ দিনত শুদ্ধি অষ্টাদশ দিনত উৎচ্ছ ।। সমাপন কৰি ভোজ দি মৎস্য স্পৰ্শ কৰিছিল।

"সপিণ্ডণ কৰিলন্ত ব্ৰাহ্মণক তুষিলন্ত
ভোজ দিয়া মৎস্য পৰশিলা ॥" (পৃষ্ঠা ৫৯)

সতানন্দৰ ভাৰ্য্যাই বিধৱা ব্ৰত ধৰি মৎস্য মাংস পৰিত্যাগ কৰি,
'এক সন্ধ্যা ভুঞ্জি অন্ন গাই কৃষ্ণ নাম গুণ
সতত স্বামীৰ ধ্যানে ৰৈলা ॥" (পৃষ্ঠা ৬০) বুলি উল্লেখ কৰিছে।

পাটবাউসীলৈ শংকৰদেৱ আহি তাত যি ঘৰ সজাইছিল, শয়ন, ভোজন, 'ভণ্ডৰত বৈঠক ঘৰ, ৰাজ-মেল ঘৰ, বাটঘৰ, বাসঘৰ, কপাট দুৱাৰ কৰাই, চতুৰ্দ্দিশে বেঢ়ি গৰখাইক দিলন্ত।' (পৃষ্ঠা ৬৭) বাহিৰে ভিতৰে কূপ কৰিছিল। 'আনো নানা প্ৰাৱন্তৰ থান কৰিলন্ত" (পৃষ্ঠা ৬৭) ইয়াতেই আঢ্যৱন্তলোকৰ বাসগৃহৰ এটা চিত্ৰ পাব পাৰি। তেতিয়াৰ পৰাই খোৱা, শোৱা বহা আদিৰ কাৰণে বেলেগ বেলেগ কোঠাৰ ব্যৱস্থা আছিল বুলি জানিব পৰা যায়।

ব্ৰাহ্মণে তেতিয়াৰ দিনত খেতিত কাম কৰি ছিল "একোটি ব্ৰাহ্মণ নিজে খেতি মাহন্তে।" (পৃষ্ঠা ৬৮) দামোদৰদেৱে কৃষি কৰ্ম্ম কৰিবলৈ গৈ শংকৰদেৱে কথা প্ৰসঙ্গ শুনি চকুৰেদি পানী সৈছিল আৰু 'প্ৰসঙ্গ ধৰিলে তেৱে কেতক চলয় ॥ (পৃষ্ঠা ৬৮) বুলি উল্লেখ কৰিছে।

তীৰ্থৰ পৰা শংকৰদেৱ, মাধৱদেৱ আৰু সঙ্গীসকল ঘূৰি আহি পোৱাৰ পাচত, শংকৰদেৱক ঘৰ পোৱাৰ পাচত আই গোসানীয়ে আদৰ সাদৰ কৰি আসনত বহুৱাই ভৰিত পৰি প্ৰণাম কৰিছিল। পৰম সাদৰে তামোল পান দিছিল। ভাত ৰান্ধিবলৈ যাওঁতে শংকৰদেৱে মাধৱদেৱকো 'বঢ়াৰ পো অন্ন খাউক বুলি কহিলন্ত' (পৃষ্ঠা ৭৭) কিন্তু মাধৱদেৱে হাজিশাল আগতে চাব, তাৰ পাচতহে অন্ন গ্ৰহণ কৰিব বুলি গা ধুই আহি,

"হাজিশালে চাই গৈয়া এক ভিতিক দেখিয়া।
অপৰিষ্কা আই ভূমি বুলি বাৰটৈলা ॥ (পৃষ্ঠা ৭৭)

কাৰণ কি কথাৰ উপজনত ঘনত ভবিছে, তেওঁৰে ভাৰ্য্যাই 'ভিতি ৰহিত এতিয়াও ৰত হৈ আছে। আপোনাৰ গৃহতেই উপজল পালম কৰা নাই।

গতিকে আই গোসানীৰ হাতে ভাত নেখাই বুলি শংকৰদেৱকহে ভাত বাঢ়িবলৈ কৈছিল।

"কেন মতে ভুঞ্জা অন্ন অশৰ্ণীয়া আই।
আপুনি সিজায়ো অন্ন ভুঞ্জো দুয়োজন॥" (পৃষ্ঠা ৭৮)

ৰামৰায়ে দামোদৰদেৱৰ ওচৰত শৰণ লৈ পাচ টকা দি সন্মান কৰি নিজ ঘৰলৈ ঘুৰি গৈ,

"পুৰাণ যতেক হাণ্ডি চকক গুচাই।
শুচি সংযম কৰি বৈলা ৰামৰায়॥" (পৃষ্ঠা ৮৪)

আন হাতে শংকৰদেৱৰ ভাৰ্য্যা আই গোসানীয়ে দামোদৰদেৱৰ ওচৰত,

ধূপ দীপ লগাই নৈবেদ্য পাতিলন্ত।
দামোদৰ পাৱে আই শৰণ লৈলন্ত।।" (পৃষ্ঠা ৮৫)

তেতিয়া মাধৱদেৱে আই গোসানীক কৈছিল, "এবে অন্ন ভুঞ্জিবো সিজায়োগৈ আই।।" (পৃষ্ঠা ৮৬)

সতী যোৱা প্ৰথা আছিল বুলি ধৰিব পৰা যায়। দামোদৰদেৱৰ ককায়েক,

'সৰ্ব্বেশ্বৰ হাজো থানে পৰলোক গৈলা।
সৰ্ব্বেশ্বৰ ভাৰ্য্যা লগে অনুগামী হৈলা।।" (পৃষ্ঠা ১১০)

দামোদৰদেৱে ককায়েক সৰ্ব্বেশ্বৰ আৰু নবৌয়েকৰ মৃত্যুৰ বাতৰি পাই সবস্ত্ৰে স্নান কৰিছিল। উপবাস দিছিল, হাবিষ আহাৰ কৰিছিল আৰু শেষত মৎস্য, মাংস পৰশিছিল। ভনিয়েক সুশীলাৰ মৃত্যুৰ পাচত প্ৰেতকাৰ্য্য কৰিছিল আৰু পালন কৰিব লগা সকলো কামকে কৰিছিল। (পৃষ্ঠা ১১১-১১২)

তুলসী ৰোপণ অতি পবিত্ৰ কাম বুলি গণ্য কৰিছিল "তুলসী ৰোপণ আদি কৰ্ম্মক কৰিলা।" (পৃষ্ঠা ১১১)

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়ত, অঠাখিশতেক তুলসী পুলি কইছিল, ভাগৱত গীতা আনি আগত থাপনা কৰিছিল। ভকতসকলে চাৰিওকালে বেৰি নাম গাইছিল। তুলসী, গঙ্গাৰ মাটি গাত সানি দিছিল, ৰামৰায় গুৰুৱে শালগ্ৰাম দৰ্শন কৰাইছিল, শালগ্ৰামৰ পানী দিছিল আৰু যত মাঙ্গলিক কাম আছিল সকলো কৰিছিল। এইবোৰ সকলো 'মাঙ্গলিক সামাজিক নিয়ম আছিল। কিন্তু শংকৰদেৱক শালগ্ৰাম দৰ্শন কৰাইছিল, শালগ্ৰামৰ পানী খুৱাইছিল (পৃষ্ঠা ১১৬-১৭) কথাষাৰ বিশ্বাসযোগ্য নে?

শংকৰদেৱৰ ভাৰ্য্যাই স্বামী বিয়োগৰ বাতৰি পাই সধবাৰ সকলো ভূষণ সোলোকাই বিধবাৰ সাজ পিন্ধিছিল শংকৰদেৱক মৃত কাৰ্য্য বিধিমতে কৰি, "হৰিৰ কীৰ্ত্তন সাত দিন সাত ৰাত্ৰি" (পৃষ্ঠা ১১৯) কৰিছিল। এবছৰৰ মূৰত বছেৰেকীয়া কৰিছিল।

আদবৰ স্বীকৃত দিয়াৰ, অৱস্থা আৰু পৰিবেশ ভেদে বেলেগ বেলেগ আছিল। দামোদৰদেৱৰ কৰিবস্তুক কথা গীতা লিখাৰ কাৰণে বেহাৰৰ পৰা,

'সোণ ৰূপ দিয়া অলংকাৰ গঢ়িলা।
নব গুণ হাৰ মালা কুণ্ডল স্বৰ্ণৰ।
স্বৰ্ণৰ আৰু বাযু আঙ্গুঠি স্বৰ্ণৰ ॥
দুগুটি কুণ্ডল দিলা দেখিতে শোভন।
মাথাৰ মুকুট দিলা অতি বিশোভন ॥ (পৃষ্ঠা ১৫৭)

ইয়াৰোপৰি দিব্যবস্ত্ৰ দিলে দেখিবলৈ সুন্দৰ। ইয়াৰ পৰা পুৰুষ-নাৰী দুয়ো আ অলংকাৰ ব্যৱহাৰ কৰিছিল সেই কথা জনা যায়। সোম আৰু ৰূপ দুয়োটাৰে প্ৰচলন আছিল। সামৰ্থ থকা সকলে সোণকেই ব্যৱহাৰ কৰিছিল।

সমাজৰ প্ৰচলিত ৰীতি পুত্ৰ সন্তানে উপযুক্ত বয়সত বিবাহ কৰাই সন্তান সন্ততিৰ বংশ বৃদ্ধি কৰা। দামোদৰদেৱে পুত্ৰক যশোদেৱক বিয়া কৰাবলৈ কৈ পুত্ৰক কৰ্ত্তব্য পালন কৰিবলৈ কৈছিল, 'পিতৃসকলৰ পুত্ৰ হৈলে সাধে গতি। (পৃষ্ঠা ১৬১)

বিয়াৰ কন্যাৰ লগত যৌতুক দিছিল। দামোদৰদেৱৰ পুত্ৰেকৰ বিয়াত "যথা শক্তি কন্যা সঙ্গে যৌতুক দিলন্ত।' (পৃষ্ঠা ১৬২)

দামোদৰদেৱৰ দেহাৱসানৰ পাচত, তীৰ্থৰ জলেৰে দেহা ধুৱাই চিতাত তুলিছিল, বিধিমতে মুখাগ্নি কৰিছিল, ঘিউ ঢালি জুই জলাইছিল, পিণ্ড জল দিছিল, মাসিকাদিৰ কৰ্ম্ম কৰি, 'মৎস্য পৰশিয়া ব্ৰত সামিৰ কৰিলা।' (পৃষ্ঠা ১৬৭) কোনোবা মৃত্যু হোৱাৰ খবৰ পালেই স্নান কৰিছিল।

(৩) ৰমাকান্ত দ্বিজ—শ্ৰীশ্ৰীবনমালিদেৱৰ চৰিত্ৰ

সমাজ জীৱনৰ চিত্ৰ ৰমাকান্ত দ্বিজৰ "শ্ৰীশ্ৰীবনমালিদেৱ চৰিত্ৰ'ত তলত দিয়াৰ দৰে পোৱা যায়।

সন্তান জন্ম হলে মঙ্গলধ্বনি স্বৰূপ উৰুলি দিছিল। স্নান কৰিছিল, দান দিছিল। বনমালিৰ জন্মৰ লগে লগে বন্যা গণে উৰুলি দিছিল। পিতাক যদুমণি দ্বিজে স্নান কৰি শক্তি অনুৰূপে বিপ্ৰসকলক দান কৰিছিল। দৈবজ্ঞ মতাই অনাই গণনা কৰাইছিল। (পৃষ্ঠা ১৫)

বজা, গুৰু আৰু বৈষ্ণৱ শুদা হাতে দেখা কৰিব নেপাই বুলি জনসাধাৰণে ভাবিছিল। গতিকে বনমালিক বংশী গোপালদেৱৰ ওচৰলৈ লৈ যাওঁতে তুলসী পাতকে দিছিল,

"তিনি পুত্ৰ কৰি তুলসীক তুলিলন্ত।
ভেটি কৰি তাকে মাতৃ ভাতৃ সমে জান্ত।।" (পৃষ্ঠা ২১)

সৰুকালতে লৰা সত্ৰলৈ নি সত্ৰৰ অধিকাৰ সকলে, সেই লৰাক নানা শিক্ষা দীক্ষা দি ভৱত কৰিছিল। বনমালিকো,

"তাহান আসয বুঝি নৈলন্ত গাতৃত খুজি
তোমাৰ তনয মোক দিবা।" (পৃষ্ঠা ২৫)

যাগ, যজ্ঞ, হোম, পূজা আদি কৰিলে দক্ষিণাও দিয়ে। বনমালিদেৱে যাদৱ ৰায়ৰ স্বৰ্ণ মূৰ্ত্তি প্ৰতিষ্ঠাৰ সময়ত (পৃষ্ঠা ৮১) দান দক্ষিণা কৰিছিল। অচ্যুতানন্দৰ মূৰ্ত্তি প্ৰতিষ্ঠাৰ সময়তো যাগ-যজ্ঞ, হোম পূজা কৰাৰ অন্তত "শালংকৃতা ধেনু দিয়া দাক্ষিণা কৰিলা" (পৃষ্ঠা ৯১) আৰু সুবৰ্ণ, ৰজত, বস্ত্ৰ, অলংকাৰ, কম্বল আদি দান কৰিছিল।

মৃত্যুৰ সময়ত বা পাচত তুলসীৰ ওচৰলৈ নিয়া, হৰিধ্বনি কৰা আদি নিয়ম মৃত আত্মাৰ শান্তিৰ কাৰণে কৰে। বনমালিদেৱৰ মৃত্যুৰ সময়তো তেনে কৰিছিল। (পৃষ্ঠা ৯৫)

(৭) যজ্ঞেশ্বৰ গোঁসাই সংকলিত—শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত

অসমত ব্ৰাহ্মণ, কায়স্থ, কলিতা আদি বৰ সৰু সকল জাতিয়েই নিজে কাপোৰ বৈ লৈছিল। গতিকে তাঁতি বুলি সুকীয়া এটা শ্ৰেণী নাছিল। ৰজাসকলৰ কাপোৰ বৈ দিবৰ কাৰণে বোৱা কটাত পাকৈত মানুহ ভিন্নমান নগৰত ঘৰবাৰী পাতিদি ৰাখিছিল। (পৃষ্ঠা ৪৪) তেওঁলোকক তন্ত্ৰী বুলিছিল বুলি যজ্ঞেশ্বৰ গোঁসায়ে সংকলন কৰা 'শ্ৰীশ্ৰীগোপালদেৱ কথা চৰিত' খনিত উল্লেখ কৰিছে।

গোপাল আতাৰ মাতৃৰ সন্তান বহুত দিনলৈ নোহোৱাত সদায় ঈশ্বৰক প্ৰাৰ্থনা কৰিছিল, তেওঁৰ দুখ দূৰ কৰিবৰ কাৰণে, শেষত

'তোমাৰ গৰ্ভত সতী মোক দিয়া স্থান।
এই বুলি হৰি তৈতে ভৈলা অন্তৰ্দ্ধান।।" (পৃষ্ঠা ৪৬)

আৰু অলপ দিনৰ পাচত গোপালদেৱৰ জন্ম হল। জন্মৰ পিচত দৈবজ্ঞ মতাই আনি জাত গণাইছিল, ষষ্ঠ মাহত অন্নপ্ৰাসন কৰাইছিল, পায়স আদি দিছিল (পৃষ্ঠা ৫২) অষ্টবৰ্ষত বিভাৰত কৰাইছিল। (পৃষ্ঠা ৫৩)

তেতিয়াৰ দিনত যতে ততে, যাৰে তাৰে হাতে অন্ন ভোজন নকৰিছিল। গোপাল আতাই তাঁতীসকলৰ লগত ভবানীপুৰৰ পৰা নাদৰ পাটুকা নি আই গোসানীৰ কাৰণে নি পাটবাউসী পোৱাৰ পাচত, সমস্ত লোকৰ কাৰণে ৰন্ধন কৰিবলৈ মাধৱদেৱে আই গোসানীক কৈছিল। আই গোসানীয়ে, ৰান্ধিবাক পাৰো মই তাসবাক গৈয়া সুধিয়োক' (পৃষ্ঠা ১১৫) বুলিছিল। মাধৱদেৱে গোপালদেৱক কথাটো সোধাত গোপালদেৱে,

"তাৰৰ গৃহত বাপ উচ্ছিষ্ট ভুঞ্জিলেও
একো দোষ নাহিকে আমাৰ।।" (পৃষ্ঠা ১১৫)

বুলিছিল। কিন্তু লগতে এইটো কথাও কৈছিল যে আই গোসানীৰ অনেক কষ্ট হব তাৰ কাৰণেহে মনতে অসন্তোষ পাইছে। মাধৱদেৱে তাৰো উত্তৰ দিছিল,

আপোন ইচ্ছায়ে দিলে গুৰুৰ গৃহত অন্ন
ভোজনক কৰিবে লাগয়। (পৃষ্ঠা ১১৬)

আই গোসানীৰ হাতৰ ৰন্ধন ভোজন কৰাৰ পাচত নিজ নিজ হৃদয়ত থকা পাপ নাশ হব বুলি আনন্দিত হৈছিল।

মাধৱদেৱ মাণ্ডবিত উপস্থিত হোৱাৰ পাচত ৰাজগুৰুৱে অতিথি সৎকাৰৰ কাৰণে অন্ন ভোজনৰ ব্যৱস্থা কৰিছিল,

"মাধৱক লাগি এক পাগ দিলা।
ভকত সমস্তক লাগি গোপালে ৰান্ধিলা।।" (পৃষ্ঠা ১৫৭)

৮) ৰমানন্দ দ্বিজ—শ্ৰীশ্ৰীবংশী গোপালদেৱৰ চৰিত্ৰ

ৰমানন্দ দ্বিজৰ 'শ্ৰীশ্ৰীবংশী গোপালদেৱৰ চৰিত্ৰ' খনিত সামাজিক আচাৰ, নীতিৰ যি আভাষ পোৱা যায়, প্ৰায়খিনিতেই মগোনৰ প্ৰাধান্য আছে। 'মগোন'

সম্বন্ধে যি টোকা দিয়া হব, তাত সেই সম্বন্ধে লিখা হব। বাকী সমাজ জীৱন প্ৰতিফলিত কৰা যি দুই এটা কথা পোৱা গৈছে তলত উল্লেখ কৰা হল।

বংশীগোপালদেৱে গঙ্গাক্ষেত্ৰ ফুৰিবলৈ গৈ 'হৰিপদ জল বুলি অত্যন্ত আদৰি (পৃষ্ঠা ৪৩) লৈ বিধিমতে সঙ্গীসকলৰ সৈতে গঙ্গা নদীত স্নান কৰিছিল।

ডেবেৰা পাৰত গোবিন্দ ঠাকুৰৰ মূৰ্ত্তি, মদন গোপালৰ লগতে প্ৰতিস্থা কৰাৰ পাচত প্ৰজাৰ দলদোপ হেন্দোলদোপ হৈছিল। বাৰজন বৈষ্ণৱে প্ৰজাৰ আউল মাৰিব নোৱাৰা অৱস্থা হৈছিল। জনতাৰ বিশ্বাস দেৱতাৰ মূৰ্ত্তিৰ ওচৰত বাঞ্ছিত ফল পোৱা যায়। সেই কাৰণে,

'ৰোগী সবো ৰাগ গুচাইবাক আশা কৰি।
বন্ধ্যা আসি পুত্ৰ মাগে প্ৰণামি সাদৰি॥' (পৃষ্ঠা ১০৭)

প্ৰত্যেকে বাঞ্ছনীয় বস্তু বিচাৰি নানা দ্ৰব্যও দিছিল।

বংশীগোপালৰ নশ্বৰদেহ লোহিতৰ পাৰত বলুকাত দাহ কৰাৰ ব্যৱস্থা ভক্তসকলে কৰি,

'ধন কিছু দিয়া বিদ্যমান।
লোহিতত মাগি লৈল থান। (পৃষ্ঠা ২০৭)

তাৰ পাচত চিতা সাজিছিল। ধন দি লুইতৰ পাৰত বলুকা, চিতা সাজিবৰ কাৰণে কিনি লোৱা কথাটো এইখিনি চৰিততে পোৱা গল।

বংশীগোপালৰ দেহাৱসানৰ পাচত ভাগৱত মিশ্ৰক প্ৰমুখ্য কৰি শিষ্যসকলে মৃতকৰ কৰিব লগা ক্ৰিয়া কৰ্ম্ম কৰিছিল, ব্ৰত উপবাসে থাকি চতুৰ্থ দিনা চতুৰ্থা কৰিছিল। (পৃষ্ঠা ২১৬), দশম দিনত মুণ্ডন কৰিছিল। (পৃষ্ঠা ২১৮) 'দশাহী কৰ্ম্ম' কৰাৰ দিনা প্ৰজাৰে দলদোপ হেন্দোলদোপ হৈছিল, (পৃষ্ঠা ২১৮)। এক তিলো চেদ নোহোৱাকৈ হৰি কীৰ্ত্তন কৰিছিল। পিচ দিনা প্ৰাতমতে নামঘৰত প্ৰবেশ কৰি পিণ্ড দিছিল আৰু 'পণ্ডিত সবক দান দিয়া মন তুষ্টি' (পৃষ্ঠা ২২০) কৰি পঠাইছিল।

বংশীগোপালৰ মৃত কৰ্ম্ম কৰাৰ পাচত জয়হৰিদেৱে পশ্চিম দেশলৈ বংশীগোপালৰ অস্থি লৈ গৈছিল। য'ত য'ত নিশা ৰব লগা হৈছিল, ত'তে ত তে অস্থি অনা খবৰ পাই মানুহ বিলাকে লগত নানা বস্তু লৈ উভ্ৰাৱল হৈ আহিছিল। আসনত অস্থি থৈ ধন পুষ্প দি দণ্ডৱতে পৰি প্ৰণাম কৰিছিল। কিয়নো,

'আমাসাৰ ভাগ্য 'ৰৰৱ অধিক লগে
পাইলো বুলি কৰে জয় জয় ॥ (পৃষ্ঠা ২২১)

শেষত পৈ বেহাৰ পালত ভক্তসকলৰ সৈতে বাদ্য বজাই গীত গাই বলদেৱে আগবঢ়াই নিছিলহি,

'নাম গৃহ আসনত অপি থৈয়া দণ্ডৱত
কৰি প্ৰণামিলা প্ৰেম ধৰি। (পৃষ্ঠা ২৮০)

(৯) দৈত্যাৰি ঠাকুৰ বিৰচিত শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱৰ চৰিত

ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰে ৰচনা কৰা 'শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱৰ চৰিত' পুথিখনতো মধ্যযুগত অসমৰ সমাজ জীৱনৰ ছবি কম-বেছি পৰিমাণে লিপিবদ্ধ কৰিছে। তলত উল্লেখ কৰা হ'ল।

সন্তান জন্ম হলে কাপোৰ কানি তিয়াই গা-ধোৱাটো সামাজিক নিয়ম। শংকৰদেৱৰ জন্মটো পিতৃ কুসুমদেৱেও সবস্ত্ৰে স্নান কৰিছিল। ব্ৰাহ্মণ দৈৱজ্ঞক মাতি আনি গণনা কৰাইছিল। 'নাহিকে কোনো বিষ্ট শিশু মহা সুলক্ষণ' (পৃষ্ঠা ৮) বলি মন্তব্য কৰিছিল।

সমাজত ব্ৰাহ্মণৰ স্থান উচ্চত আছিল। আসামৰ দোৱাৰ্যাত টেম্বুৱানীৰ সকলো প্ৰজা পলাইছিল। 'কীৰ্ত্তন ঘোষা পুথিখন ৰহিল ঘৰত' কাৰণে (পৃষ্ঠা ২৭) উভতি আনিবৈল যাওঁতে 'আসামেও খেদি তাংক নেয় ভৰি ভৰি' (পৃষ্ঠা ২৭)। কিন্তু লুইত সাতুৰি অলপ দূৰ যোৱাৰ পাচত অ'াজিত লাগি থকা পুথি এখন পায় আৰু লগে লগে পুথিখন লৈ শংকৰদেৱে নিজকে ব্ৰাহ্মণ বুলি পৰিচয় দিছিল আৰু 'উলটি আসাম গৈল দ্বিজ হেন জানি।' (পৃষ্ঠা ২৮)

মাধৱদেৱ, পিতৃ-মাতৃ দুয়োৰে সৈতে অভাৱগ্ৰস্ত কৈ পৰিলত বন্ধুৰ ঘৰতো অনাদৰ পালে। গধূলি বেলিকা গৈ মাধৱদেৱৰ পিতৃৰ বন্ধুৰ ঘৰত উপস্থিত হলত,

নমাতে প্ৰসন্ন মুখে ম্লান মুখ চাই।
ৰহিবাক লাগি ঢেকি শালে দিলা ঠাই।' (পৃষ্ঠা ৩৯)

ঢেকিশালত ৰহিবলৈ দিয়াটো এক প্ৰকাৰ অপমান কৰাই হয়। ৰাতি বেলিকৈহে চক চাউল দিছিল। মাধৱদেৱৰ মাকে কৈছিল,

'দুখ কাল ভৈলে জানা কোনে শোধে কাক
সম্পদৰ বেলা কুটুম্বৰ সীমা নাই
আপদৰ বেলা চিনো বোলন্তাও নাই ।' (পৃষ্ঠা ৪১)

বন্ধুৰ ঘৰতেই মাধৱদেৱ, পিতৃ-মাতৃক অনাদৰ কৰি ভৰি ধুবলৈ পানী দিয়া, বহু ৰাতি মুকলি ঘৰত চাউল চক দিয়া—এইবোৰ সামাজিক মতে অতি অনাদৰ কৰা বুজায়। চাউলো যি দিছিল তাৰে দুজনকহে আছে। শেষত মাকে পুতেক এভাগকে ভাগ কৰি খাইছিল। (পৃষ্ঠা ৪৪)

আনহাতে বৰপিৰাত বহিবলৈ দিয়া, দাবৰত পানী লৈ ভৰি ধুওৱা, ভিতৰ ঘৰলৈ নিয়াটো আদৰ, সন্মান কৰাৰ চিন। ঘাঘৰি আজিয়ে মাধৱদেৱৰ পিতৃ-মাতৃক,

বসিবাক লাগি বৰপিৰা দিলা আনি।
ধুৱাইলন্ত ভৰি দাবৰৰ লৈয়া পানী ॥ (পৃষ্ঠা ৪৫)

মানুহ জন্ম হলে বা মৃত্যু হলে স্নান কৰাটো নিয়ম। মাধৱদেৱৰ পিতৃ বিয়োগৰ বাতৰি মাধৱদেৱৰ পৰা পাই মাতৃ, ভাগিণী আৰু বৈনায়েক তিনিও 'সবস্ত্রে স্নান কৰিলা' (পৃষ্ঠা ৫৭) আৰু মাকে 'শংখ সিন্দুৰ তেজিয়া নিৰামিষ আচৰিলা।" (পৃষ্ঠা ৫৭)

মৃতকৰ শ্রাদ্ধ আদিৰ পাচত মাছ, মাংস খোৱাটো নিয়ম, ব্রত ভাঙিবৰ কাৰণে। মাধৱদেৱ আৰু ৰামদাসেও মাধৱদেৱৰ মাতৃ বিয়োগৰ পাচত শুদ্ধি শ্রাদ্ধ আদি কৰি মাছ, মাংস স্পৰ্শ কৰিছিল। (পৃষ্ঠা ১১৬)

শংকৰদেৱৰ পাণ্ডিত্যত মুগ্ধ হৈ বেহাৰৰ ৰজা নৰ-নাৰায়ণে,

এহি বুলি সোণাৰ পাকৰা দিয়া এক।
শংকৰদেৱক ৰাজা দগলা দিলেক ॥
আনো নানা বিধ বটা দিল বহুতৰ। (পৃষ্ঠা ১৯৭)

এয়া ৰজাই সন্মান জনোৱা, আদৰ কৰাৰ চিন।

দণ্ডণত দুই হাতে ধৰি কথা কোৱাটোও ব্রাহ্মণৰ কাৰণে শপত খোৱাৰ দৰেই। কোচ ৰজা নৰনাৰায়ণৰ ৰাজসভাৰ পণ্ডিতে শংকৰদেৱৰ পাণ্ডিত্য আৰু প্রতিভাই তেওঁলোকৰ জীৱিকাৰ পথ বন্ধ কৰে বুলি ভয় কৰি দণ্ডণত দুই হাতে ধৰি 'ব্রাহ্মণৰ জীৱিকাক নকৰিবা ছয়।' (পৃষ্ঠা ১৯৮) বুলি অনুৰোধ কৰিছিল।

সত্ত মহন্তসকলে যাবে তাবে ঠাইত বৰা-বঢ়া বস্ত্ৰ দেখাইছিল। শংকৰ মাধৱ অভিন্ন আত্মা আছিল যদিও, প্ৰথম অৱস্থাত, আনকি শংকৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ কৰি অহাৰ পাচত বৰপেটাৰ পৰা বেহাৰলৈ যোৱাৰ বাটত এবাৰ বৰিয়া-খেলত বওঁতে, শংকৰদেৱে,

"বান্ধি দিয়া তুমি ভুঞ্জিবাহোঁ আমি
আজি বাপু মন পুৰি॥" (পৃষ্ঠা ২২১) বোলাটো,

মাধৱদেৱে

"ই কামৰ পাত্ৰ দুহিকও আমি
আন কাম বুলিযোক।' (পৃষ্ঠা ২২২) বুলিছিল।

কিন্তু শংকৰদেৱে জোৰ কৰি বহুত দিনৰ পৰা তেওঁৰ হাতে অন্ন ভোজন কৰিবৰ মন আছে বোলাটো মাধৱদেৱে যুক্তি দেখুৱাইছিল যে মাধৱদেৱৰ হাতে অন্ন ভোজন কৰালে

'ৰামৰায় আদি গিয়াতি সৱত
খাবাক লাগিব তেবে॥
ত'বা বুলিবেক আমাত কৰিয়া
মাধৱ কি কুলে চাৰ।' (পৃষ্ঠা ২২৩)

শংকৰদেৱৰ যি নীতি আচাৰ, তাৰ পৰা আতৰি যোৱাটো মাধৱদেৱে ইচ্ছা কৰা নাছিল। পিচ দিনা যাবলৈ ওলাই অন্ন ভোজনৰ কাৰণে বৰোতে শংকৰদেৱক 'আধ টকা গোট (পৃষ্ঠা ২২৪) দি মাধৱদেৱে প্ৰণাম কাৰ কৈছিল,

'তোমাধেৰ তিনি বেটাৰ একৰ সমান
মানিবা মোক॥ (পৃষ্ঠা ২২৪)

শংকৰদেৱৰ পূজনীয়জন। গণ্ডিক টকা দি মান ধৰি নিজৰ কৰলগা কথা মাধৱদেৱে কৈছিল। এয়া সমাজৰ প্ৰচলিত নিয়ম।

(১০) গুৰুচৰিত কথা—সম্পাদনা ড° মহেশ্বৰ নেওগ

'গুৰু চৰিত কথা'ই মধ্য যুগৰ অসমৰ অতি বিস্তৃত ইতিহাস কৰ পৰা চৰিত পুথি। সেই সময়ৰ সমাজখনৰ বিষয়েও প্ৰসঙ্গক্ৰমে সুন্দৰকৈ বিৱৰণ দি গৈছে। তলত তাৰে এটি টোকা দিয়া হল।

অসমত ভক্তি ধৰ্ম্ম প্ৰচাৰ হোৱাৰ পূৰ্ব্বে 'শাক্তভন্ত্ৰ'ৰ বিশেষ প্ৰভাব আছিল। শংকৰদেৱৰ উপৰি পুৰুষ বাৰ ভূঞাসকল শাক্ত আছিল। মাধৱদেৱো শংকৰদেৱক লগ পোৱাৰ আগলৈকে দেবী পূজক আছিল। মাধৱদেৱে মাকৰ নৰীয়াৰ খবৰ পাই দেবীলৈ বুলি ছাগলীহে আগ কৰিছিল। দেব-দেবীক ভক্তিভাবে আৰাধনা কৰিলে মনৰ কামনা পূৰ হয় বুলি জন বিশ্বাস আছিল। চৰিতথনিৰ আৰম্ভণীৰ পৰাই দেখা গৈছে শংকৰদেৱৰ উপৰিপুৰুষ সুপৰ্ণগিৰিৰ পৰা শংকৰদেৱৰ জন্মলৈকে সন্তান কামনা কৰি বিভিন্ন দেবী দেৱতাক ভক্তিভাবে পূজা অৰ্চ্চনা কৰি পুত্ৰ সন্তান আৰু একমাত্ৰ শংকৰদেৱৰ উপৰিপুৰুষ হৰিগিৰিয়েহে কন্যা সন্তান (পৃষ্ঠা ৫) লাভ কৰিছিল। সুপৰ্ণগিৰিক, 'ঈশ্বৰ শক্তি পুৰুষ ধনে ধানে গ্ৰামে দাসদাসী গো মহে জনে অচলা লক্ষী হল। দানী মানী দাতা কৃপা অতিথি শুশ্ৰূষা জশে জগৎ মূৰ্ঠি (লে পত্নী বিহাপে সেউতি) পাছে পুত্ৰ নাই।। বিপ্ৰ আনি ব্ৰত কষ্টে বিধিয়তে বীজব্ৰহ্ম মন্ত্ৰে হোম আহুতি কৰালে পুত্ৰ অভিষেক প্ৰাপ্তি।। তেহে পুত্ৰ জাত হল নাম থলে ব্ৰহ্মদাতা গুণে ব্ৰহ্মগিৰি," (পৃষ্ঠা ৫) এই ক্ৰমেই শংকৰদেৱৰ জন্মলৈকে সন্তান আশাৰে দেবী দেবতাক পূজা সেৱা কৰাৰ কথা আছে।

সমাজত ব্ৰাহ্মণৰে সকলোতে আগ আসন আছিল। আনকি শংকৰক মহেন্দ্ৰ কন্দলিয়ে 'ওঝা ছাত্ৰ' পতাত পাঠশালাৰ পৰা ছাত্ৰ ভাগিবলৈ ধৰিলে আৰু মাধৱ কন্দলিৰ শিষ্য বাৰ আচাৰ্য্যক কলেগৈ। আচাৰ্য্যই আহি কন্দলিক ধৰিলেহি, 'বোলে শূদ্ৰকহে ওজা কৈ বামুণক পাঠ দিওআ দেউ বোলে'ধ্ৰা কিৱ নকৰাবা,' (পৃষ্ঠা ২৩)

যুগি শ্ৰেণীৰ লোকসকলে পাট পলু পুহিছিল, সূতা কাটিছিল, কাপোৰ বৈছিল। তেনে যুগি এঘৰত মাধৱদেৱে দেখিছিল পলুবিলাক বাচিব জনা নায়। সিহঁতক ঠিক মতে প্ৰতিপাল কৰিব পৰা নায়। মাধৱদেৱে তিনিখন ডলা অনাই তাত সৰু, মাজু আৰু ডাঙৰ তিনি ভাগত ভাগ কৰি, পাতো তেনেকৈ ভাগ ভাগ কৈ দিয়াইছিল। (পৃষ্ঠা ৪৯)

দুখৰ দিনত আপোনজনেও যে অবহেলা কৰে, সেই কথাও চৰিতত মাধৱদেৱ আৰু মাক-দেউতাকক কৰা ব্যৱহাৰৰ পৰা জনা যায়। আপোনজনক ঢেকিশালত বাঙি বাঢ়ি খাবলৈ দিয়াটো অপমানৰ কথা, অৱজ্ঞা কৰাৰ চিন, 'তিনি কঠি চাউল দিলে ঢেকিশালে খালে টৌ বুৰি • পূৰ্ব্বা মুখেৰেও নামাতিলে।' (পৃষ্ঠা ৪৯) আৰু এনে উদাহৰণ আছে (পৃষ্ঠা ৬৯)

মাধৱদেৱৰ 'পাচ দিন পানি তুলি ঢোবল মিৰদকে নোৱাই ধুৱাই চুৱা কৰ্ম কৰালে ।' (পৃষ্ঠা ৫১)

ন চৰিত্ৰত ভৰি ধুৱাই আদৰৰ অতিথিক আদৰণি জনাইছিল । (পৃষ্ঠা ৫০) পুতক দামোদৰে দেউতাক আৰু ভায়েক মাধৱক আদৰি নিছিল আৰু দেউতাকক আথে বেথকৈ চৰিয়াং পাও পথালিছে' ' পৃষ্ঠা ৫৩) আৰু মাধৱদেৱ সৰু কাৰণে গোটা দিছিল, নিজে ভৰি ধুইছিল । (পৃষ্ঠা ৫৩)

সামাজিক কোনো অনুষ্ঠান হ'ল ব্ৰাহ্মণসকলে কিমান অভিষ্ট কৰে সেই বিষয়ও চৰিতথনিত উল্লেখ আছে । মাধৱদেৱৰ পিতৃ বিয়োগ হোৱাৰ পাচত মাধৱদেৱৰ ককায়েক দামোদৰদেৱে পিতৃ শ্ৰাদ্ধ কেনেকৈ কৰিব তাৰ কথা চিন্তা কৰি ভায়েকক কৈছিল 'এই দেশত এশ চকুৰি টকা হলে কৰ্ম কাজ ভোজ হই : নিয়ম 'কও তিনিকুৰি তেও লাগে বামুণৰ কাৰণেই কমা নাই ।' (পৃষ্ঠা ৫৩) শ্ৰাদ্ধৰ পাচতো ব্ৰত শুচাবৰ কাৰণে মাছেৰে ভোজ দিয়াটো নিয়ম । ভাকো ভাল মাছেৰে দিব লাগে । মাধৱদেৱে কাটল মাছ দুটা অনাত সম্পদায়ে আশঙ্কা কৰিছিল, ইহতৰ ভোজত গঞা ভাবিবহে' আৰু ককায়েক দামোদৰেও কৈছিল, 'ই দেশত আজা মাছ বেয়া হলে ডাবেও দুহৰি খাত ' (পৃষ্ঠা ৫৩)

'ভোজ ভাতৰ আয়োজনত, খোৱাৰ সময়ত প্ৰথম পুৰুষসকলে খায় । পাচতহে স্ত্ৰীলোকসকলেহে খায় । (পৃষ্ঠা ৫৪)

দ্বন্দ্ব খৰিয়াল হলে বিচাৰৰ কাৰণে, মীমাংসাৰ কাৰণে গাৱত মেল বহুৱাইছিল আৰু মেলৰ ৰায় মানি লৈছিল । ভৱানন্দ আৰু সখিয়েকৰ ছাগলীলৈ দ্বন্দ্ব লগাত, 'বোলে কালৈ মেল নিম আৰু দিঞাৰে হব ' (পৃষ্ঠা ৭২)

একাদশী পালনত শংকৰদেৱে জোৰ দিছিল । একাদশীৰ আগদিনা মাধৱদেৱৰ গা বেয়া থকাৰ কাৰণে চাউল সিজাৱ নোৱাৰিছিল । পাচে পুৱা শৌচ, শুচি স্নান গুৰু সেৱা কৰাৰ পাচত আগ ৰাতি শোষণ থকাৰ কাৰণে গা বহ বহাৰ থকাত, চাউল দুটামান সিজাই খাই শংকৰদেৱৰ ওচৰলৈ গৈছিল । শংকৰদেৱে মাধৱদেৱক দেখিয়েই সুধিছিল, 'আজি দেখো মুখ প্ৰসন্ন কিবা ভোজন কৈলা হবলা:' (পৃষ্ঠা ৯৫) মাধৱদেৱে অন্ন গ্ৰহণ কৰাৰ কথা কলত শংকৰদেৱে কৈছিল, 'উদৰেই চৰু ' তাতে জঠৰ বহ্নি আছে : চাউল পানি বহাইছা : লোণ তেল খাৰ দিলে সম্পূৰ্ণে ভোজনেই হই । তুমি (আমি) কৰো যদি পৰিহিত কৰ্মঃ পাচৰলোকে তাকে মানিবেক কৰ্ম,' (পৃষ্ঠা ৯৫)

একাদশীৰ দিনা গোবিন্দ গুৰুৱে তিনিটা কুঁহি মাছ লোৱা দেখি শংকৰদেৱে মাত লগাইছিল একাদশীত তিনিটা কুঁহি মাছ লৈছে দেখোন বুলি। তেতিয়া গোবিন্দ গুৰুৱে উত্তৰ দিছিল, তেৱাই পদত লিখি গৈছে, 'একাদশী উপবাসে ন পাত্র মোক যোগ সন্ন্যাসে.' (পৃষ্ঠা ৯৫) তেতিয়া শংকৰদেৱে একাদশ শাস্ত্ৰখন অনাই পদটো কাটিব খোজোতে নাৰায়ণ দাসে কাটিবলৈ নিদি, 'বোলে বাপ একাদশী ধৰ্ম্মবাৰ তিথি আৰু কৰিব পাই তাৰ ফল বাঞ্চাহে কৰিব নপাই।।' (পৃষ্ঠা ৯৬)

শংকৰদেৱে নিজে একাদশী ব্ৰত পালন কৰিছিল। আগ দিনা শংকৰদেৱৰো শৰীৰ অসুস্থ থকাত, স্নান ভোজন নহল। পুৱা হল ভীম একাদশী। গতিকে পুৱা নিত্য কৰ্ম্ম কৰি ব্ৰতত আছিল। আই গোসানীয়ে মাধৱদেৱ আহি ওলোৱাত, অসুস্থ শৰীৰত শংকৰদেৱে ব্ৰত কৰিব নেলাগে গাখীৰতে চাউল দুটামান সিজাই দি খাবলৈ কৰলৈ কৈছিল। মাধৱদেৱে কৰলৈ সাহস নকৰিলে, কাৰণ একাদশীত ব্ৰত পালন নকৰাত মাধৱদেৱক আগতে খং কৰি থৈছিল। (পৃষ্ঠা ৯৬)

সকলো দেশত, সকলো মানুহেই প্ৰথমতে নতুন কথা, নতুন আচাৰ-নীতি, ধৰ্ম্ম আদি লবলৈ টান পায়। মাধৱদেৱে শংকৰদেৱৰ অনুমতি লৈ ৰাজুকালৈ গৈছিল। সকলোৱে আতি আদৰ-সাদৰ কৰি আবৰি সাদৰি ধৰিছিল। শংকৰদেৱৰ ধৰ্ম্ম ধৰাৰ কথা সেই সকল লোকক কৈ, 'ঈশ্বৰ চৰণক শৰণাপন্ন হৈচো তোমালোকেও যদি এই ধৰ্ম্মকে ধৰা তেহে খাব পাৰি।।' (পৃষ্ঠা ১৬৫) বুলিছিল, তেতিয়া লগে লগে উত্তৰ পাইছিল, আমি অধৰ্ম্মী হৈহে আচো আগে খোৱা ভোৰ বা কত থলে ' (পৃষ্ঠা ১৬৫) বুলি আতাৰি উঠি গুচি গৈছিল।

শংকৰদেৱক চিলাৰায় দেৱানে, 'সাদৰে সন্মানকৈ গুৱা সবাই দি সেৱাকৈ সুখৰ দুখৰ বাৰ্ত্তা সুধিছেঃ কমল পুত্ৰ আপিএ বস্ত্ৰ এখুৰি দি সেৱাকৈ বাৰ্ত্তা সুধিছে।' (পৃষ্ঠা ১৮৩)

সমাজত লগোৱা ভজোৱা, চৰিত্ৰত কলংক সানিবলৈ বিচৰা কাম অতীজতো আছিল। শংকৰদেৱৰ পুত্ৰ কমললোচনৰ মৃত্যুৰ পিচত বিধৱা বৈষ্ণৱীয়েকক মাধৱদেৱৰ লগত সাঙুৰি কথা উলিয়াইছিল। শংকৰদেৱৰ পৰিয়ালৰে সতানন্দই শংকৰদেৱৰ বিধৱা বোৱাৰীয়েকক পুনৰ বিবাহ হবলৈ বিৰাই চৌধুৰি নামৰ এজন মানুহৰ প্ৰস্তাৱ লৈ আহিছিল। সেই সময়ত আই গোসানীৰ অনুৰোধক্ৰমে মাধৱদেৱ, শংকৰদেৱৰ পৰিয়ালৰ লগতে অভিভাৱকৰ দৰে আছিল। বিধৱা

বোৱাৰীয়েকে পুনৰ বাৰ বিয়া কৰাবলৈ অমান্তি হৈছিল, শংকৰদেৱৰ বোৱাৰীয়েক হৈ, শংকৰদেৱৰ আলপৈচান ধৰি এতিয়া বিষয় সুখৰ আশাত সামান্য লোকত বিয়া নোসোমাই বুলি, তেতিয়া 'উদাসীনেহে বুদ্ধি দিলে বাধাকৈ।' তেহে হিংসাকৈ নানা চন্দে সন্দে বাক্য বুলিব ধৈলে • সহিব নুৱৰা আন্ত্ৰ বিদ্ধি অগ্নি সন্ধ্যা ভেদি সৰকি গলগৈ' (পৃষ্ঠা ১৯৩) এইবোৰ সমাজৰ কূট স্বভাৱৰ মানুহৰ পৰ নিন্দা পৰ চৰ্চ্চা আৰু পৰ অনিষ্ট কৰিব পৰা কাৰ্য্য।

সাধাৰণ শ্ৰেণীৰ মানুহৰ লগত এ'ক পুখুৰী'ত গা ধুবলৈ সম্ভ্ৰান্ত ঘৰৰ মানুহে ভালপোৱা নাছিল, শ্ৰীৰাম আতাক আই গোসানীয়ে কোৱা কথাত এই কথা স্পষ্টকৈ ওলাই পৰিছিল। মাধৱদেৱে শ্ৰীৰাম আতাক আই গোসানীৰ বা-বাতৰি লবৰ কাৰণে পঠাওতে, আই গোসানীয়ে কৈছিল 'শ্ৰীৰাম আজি আমি অস্নানে আছো • ধত্ম খন্দাত বাজ্যে মাচ মাইলে • পানী কদোৱানি হল : আৰু সামান্য স্ত্ৰী-এও গা ধোৱে • সেই লগে আমি ধুবলৈ কোনবা লাগে • এ বাপুত্ত কৰাগৈ এটি পাৰে যদি পাটুকা কৰাই দিয়ক । (পৃষ্ঠা ২১০)

যদুমণিয়ে পানী তপতাই মাচ ধুই মাধৱদেৱক বান্ধিবলৈ দিয়াত, মাছৰ অৱস্থা দেখি কি হল সোধাত, "পানি তপতাই ধুইছো" • (পৃষ্ঠা ২২৯) বুলি কোৱাত মাচ চালনি পেলাই দিয়াইছিল আগলৈ তেনে কাম নকৰিবলৈ কৈ। মাধৱদেৱে 'কুটনি মাচ ভোজন কৰে • বাচ যোৱে সুত্ত কুতিয়া জুধাচ বিৰ . (পৃষ্ঠা ২২৯) বোলত যদুমণি হোজা স্বভাৱৰ মানুহ আছিল। কথাটো আন এজনক সোধাত গৰম পানীৰ কেচা মাছ ধুবলৈ কোৱাত তেনে কৰিছিল বুলি কৈছিল। কেচা মাছ গৰম পানীত ধুলে আধা বন্ধাৰ দৰে হয় কাৰণেই হয়তো নিষিদ্ধ কথা আছিল।

বামুণৰ লৰাও কোচ মানুহৰ ঘৰত ভাত খালে জাত যাই বুলি সমাজৰ ধাৰণা আছিল। পণ্ডিতে এজন বামুণ মানুহৰ পুত্ৰক কোচ মানুহৰ বুঢ়ী এগৰাকীয়ে তুলি তালি ভাতৰ দীঘল কৰাত লগৰ লৰাই কৈছিল, 'বামুণৰ লৰা হৈ ভাতত কোচ হলি ।।' (পৃষ্ঠা ২৩৩) লৰাটোৱে বুঢ়ী গৰাকীক কথাটো সোধাত, প্ৰায়শ্চিত্ত কৰৰ উপায় মহন্তক সুধিবলৈ পঠাইছিল। মহন্ত, পণ্ডিতক সোধাত, আছে বুলিলত, "আহি উহাৰ প্ৰাচিত্ত তোক সভা দি উপনয়ন লসে' : (পৃষ্ঠা ২৩৩)।

শূদ্ৰৰ হাতে ব্ৰাহ্মণে খোৱা-মেলা নকৰিছিল। ব্ৰাহ্মণসকল সমাজৰ উচ্চ শ্ৰেণীৰ লোক বুলি গণ্য কৰিছিল। মাধৱদেৱক কৃষ্ণ পণ্ডিতে কৈছিল, 'তোমালোকে পাক অন ঈশ্বৰক দিব নেপাই দোষ হই শূদ্ৰেঃ আৰিহে পাক :

অদেএ ভোজন কৰিবও নেপাইঃ কেনেকৈ খাইছা ' (পৃষ্ঠা ২৪৩) লগতে ব্ৰাহ্মণে ইয়াকো জনাইছিল যে তেওঁৰ ঘৰত দাস দাসী আছে। তেওঁলোকে বান্ধি খায়। পাগত বেছি হলে ব্ৰাহ্মণে তেওঁলোকক দিয়ে। কিন্তু তেওঁলোকৰ পৰা কোনো দিন নেখায়। কাৰণ, 'কিয় খাম একা দাস গোলামৰ,' (পৃষ্ঠা ২৪৩) তেতিয়া মাধৱদেৱে কৈছিল, তেওঁ ঈশ্বৰৰ দাস স্বৰূপ। গতিকে কিয় দিব ? দিব লাগিলে 'অহা আতপ চাউল ন পাতিলা আমৰ খুটি পাগ মাৰি দুগ্ধত পাগকৈ দিএ' (পৃষ্ঠা ২৪৩)

সন্মানীয় লোকক আদৰ কৰি নিয়াৰ নিয়মেই বেলেগ। অমৃতকা দলৈয়ে মাধৱদেৱক, 'ৰূপ কাপৰ সৰাইৎ কৈ আগবাঢ়ি নিছে, (পৃষ্ঠা ২৭০) নিমন্ত্ৰণো কৰিছিল গুৱা শৰাই দি প্ৰাৰ্থনা কৰি।

অৱস্থাহীন লোকক কিমান অৱহেলা কৰে আন লোকে, তাৰ উদাহৰণ মাধৱদেৱৰ জীৱন কথাতেই আগতে পাই অহা হৈছে। মাধৱদেৱক লৈ অমৃতকা দলৈ, সেৱকিয়া গ্ৰামী ভক্ত আৰু আন সকলে বৰ সবাহ পাতিছিল। তালৈ কিন্তু শংকৰদেৱৰ নাতিয়েকক মতা নাছিল। নাৰায়ণ ঠাকুৰ মনথৈৰ পৰা আহি জনিয়াত সোমাই শংকৰদেৱৰ নাতি পুৰুষোত্তমক লগ লগত, বোলে আতা আমাৰ দুখৰ কালত কোনে গণাই (পৃষ্ঠা ২৭১) বুলি দুখ কৰিছিল।

বৰ সবাহৰ থলিত নাৰায়ণ ঠাকুৰে দেখিছিল, সভাখন দপদোপ-হেন্দোলদোপ হৈছিল। মাধৱদেৱেও সভাখন কেনে হৈছে বুলি সোধাত নাৰায়ণ ঠাকুৰে, "কোনো সৰ্ব্বগুণাকৰ সুন্দৰ পুৰুষক বস্তিস্ত্ৰ অলংকাৰে ৰুচাই তাৰ শিৰ নহলে জেনে অশোভন দেখি এই সভাও তে (৯৮ খ) নে হৈছে' (পৃষ্ঠা ২৭১) বুলিছিল। মাধৱদেৱে মনতে দুখ পাইছিল আৰু কি কাৰণে তেনে কথা কলে বুলি সোধাত নাৰায়ণ ঠাকুৰে কৈছিল, 'এ মোৰ মহাপুৰুষ শ্ৰীশংকৰদেৱৰ বিতেৰে ভিনিও ৰাজ্য সুখি হল এতিয়া তাৰা পুত্ৰ নাতিক সোধোতাএ নাই দুখ কালত॥ সেই ৰামৰাই ৰামানন্দ ঠাকুৰ লগাত নাচিল • কিৱ ধৰ্ম্ম নথৈ তোম্ৰালৈ কৈ গল : তাৰাকো দি গল ॥ এতিয়া তোম্ৰা সেই গৃহস্থৰ বস্তুকে নাতি পুত্ৰক দি প্ৰতি পাল কৰিব নেপাইঃ এতেকে সেই গুৰুনাতি দুতি শংকৰ পুৰুষোত্তম ঠাকুৰ হলহন্তে তেহে শিৰ হই। (পৃষ্ঠা ২৭১) ইয়াৰ পাচতহে পুৰুষোত্তম ঠাকুৰ অনাই মাধৱদেৱ-সহ ভক্তসকলে আগবঢ়াই আনি, চাৰি, কণ্ঠ, পাক, শৰাই চৈৱা দি বহুৱালেগৈ।' (পৃষ্ঠা ২৭২)

মাধৱদেৱৰ শিষ্য এজন ব্যক্তি এঘৰ মানুহত বৰ লগা হলত, গৃহস্থ ভাবে, ‘চাউল চৰু দিএ ভোজন কৰা’ (পৃষ্ঠা ২৭৩) বোলাত, আমি নিশা এটিয়া নেখাও ভক্ত মানুহ’ (পৃষ্ঠা ২৭৩) বুলি নৰম্বাকৈ, নোখোৱাকৈয়ে থাকিছিল। তথাপি লোকৰ হাতে নেখাইছিল।

ভক্তৰ দায়টো ডাঙৰ কথা। আৰৰা মধু আতৈৰ কণ্ঠত বৈকুণ্ঠ আতৈৰ ভৰি লাগিছিল। অৱহেলা কৰি বৈকুণ্ঠ আতৈয়ে একো নকলে। বৈকুণ্ঠ আতৈ থাৰ, শুব নোৱাৰি দিনে দিনে খিনাই গৈছিল। মাধৱদেৱে কাৰণ সোধাত কৈছিল, ‘বাপ সুব থাব নুৱাৰো ব্ৰহ্ম অগ্নিএ পোৰা দি পুৰেঃ বোলে মন কৰাটো ভকতই কিবা অপৰাধ হৈছে বা বোলে বাপ অৰৰা মধু আতৈৰ কণ্ঠত ভৰি লাগিল কৈ সেৱা কৰিবলৈ নহল হই॥’ (পৃষ্ঠা ২৯০) মাধৱদেৱে কথাষাৰ শুনি কৈছিল, সেয়াই দায় লাগিল। পচৰা কাপোৰ দি কাতৰকৈ মাতিবলৈ কৈছিল। সেইমতে কৰিলত তাপ, পোৰনি গুচিছিল।

মানুহ মৰিলে পাগপাত্ৰ দুৰকৈ কাপোৰ কানি দুই পথালি পেলোৱাটো নিয়ম। নাৰায়ণ আতাৰ মৃত্যুৰ পাচত নিৰঞ্জন আতৈক মাধৱদেৱে ‘এতেকে পাগ-পাত্ৰ দুৰকৈ কাপোৰ কানি নিকোৱাগৈ’ : (পৃষ্ঠা ৩০৪) বুলিছিল।

মানুহে গৰু মৰাটো ডাঙৰ অপৰাধ, পাপ কাম বুলি গণ্য হৈছিল আৰু বৰ্ত্তমানো হয়। ঠাকুৰ আতায়ো পুত্ৰকক গৰু মাৰিলে কি উপায় হব বুলি উপায় বিচৰাত পুত্ৰকে প্ৰায়শ্চিত্তৰ বিধান থকাৰ কথা বৰ সবাহ কৰাৰ কথা উল্লেখ কৰিছিল। “গৰুটি মাইলো. অন্তে পুৰি থৈচো জগৰহে লাগিল : দণ্ডোলৰ : জা লৰ মাৰ তোৰ ইষ্ট মিত্ৰত কৈ মাতি আন গৈ কি বুদ্ধি দিএ সোধ গৈও ॥ (পৃষ্ঠা ৩৩৯)

সন্মানিত লোক হিচাবে সন্মান জনাই শ্ৰীৰাম আতায়ো ঠাকুৰ আতা গৈ পালত, ‘গাও ধুৱাই, গামচাৰে মচি কটত থইঃ গুৱাপান দিএ কাটি থাই আতাকো’ (পৃষ্ঠা ৩৪০) দিছিল।

ৰঙামাটিৰে ঘৰ চোতাল মচিছিল, ধুতি কাপোৰ বেলেগে থৈছিল, পুৰুষ আৰু তিৰোতা গাধোৱা ঠাই প্ৰায়ে বেলেগ আছিল। মাটি-পানী লোৱাৰ ব্যৱস্থা আছিল। (পৃষ্ঠা ৩৪১)

যাত্ৰা, ভাওনাত কৃষ্ণৰ চৰিত্ৰত ব্ৰাহ্মণ লোকে ভাও লৈছিল। মাধৱদেৱে গোবৰ্দ্ধন যাত্ৰা কৰিবলৈ লৈ কৃষ্ণৰ চৰিত্ৰটো কোনে লব চিন্তা কৰি কৈছিল, ‘ব্ৰাহ্মণহে হব পাইঃ কৃষ্ণ পণ্ডিতেই হব ॥’ (পৃষ্ঠা ৩৫০)

পুৰুষৰ বাম অঙ্গ কন্দন হোৱাটো অমঙ্গলৰ চিন বুলি জন বিশ্বাস আছে। মাধৱদেৱৰো বাম অঙ্গ কন্দন হোৱাত 'গুৰুজনে বিহানে বোলে আজি বাম অঙ্গ কন্দিছে . কিবা বৰ এটা বিষাদ পাম' • (পৃষ্ঠা ৩৫৪) বুলি আশংকা কৰিছিল।

চুলি চিঙি কাতৰ কৰি কৰা প্ৰাৰ্থনা জন সমাজত প্ৰচলিত আছিল। হাজোত বামুণে মাধৱদেৱক, 'জীয়া মাধৱ', 'মৰা মাধৱ' বুলি অসূয়া কৰাৰ কথা গম পাই, বেহাৰৰ আই ধায়ে 'টৈমা ভৱিকেশ চিঙি কাতৰ কাৰুণ্য কৈ সবাৰে সম্মতে পঠালে: দান্তে তৃণ কৰি মাতি॥ (পৃষ্ঠা ৬৬৬)

বিৰু কাজিয়ে মাধৱদেৱৰ পৰা নাম মালিকাৰ শ্লোক শুভাই পদ কৰি নি এনে আনন্দিত হল যে সন্মান কৰি মাধৱদেৱক, টংকা পাচ বস্ত্ৰ এক দি সেৱাকৈ গল ॥' (পৃষ্ঠা ৪০০) এই বুলি ঈশ্বৰেহে ঈশ্বৰালি কৰ্ম্ম মনুষ্যৰ কাৰ শক্তি আছে কৰিবৰ . প্ৰসূতিএহে পুত্ৰৰ মোল জানে বাজিএ কি জানে।" (পৃষ্ঠা ৪০০)

পদ্মনাভ লস্কৰে মাধৱদেৱক প্ৰাৰ্থনাকৈ ধৰিলেহি এটকা সুবৰ্ণ দি, 'বাপ দশম পুথিখানি দিয়া জক লিখিবলৈ আশা কৰিছো পাত কৰি. (পৃষ্ঠা ৪০৩) মাধৱদেৱৰ পৰা অনুমতি পোৱাৰ পাচত গাৱনে বাৱনে শিৰত কৈ নিলেহি: গুৰুজনেও আগবঢ়াই শিৰত দি বোলে • আজি তোমাৰ ঘৰলৈ শ্ৰীশংকৰদেউ যাই সাৱধানে নিবা থবা" (পৃষ্ঠা ৪০৩) লিখা হলত পুনৰ আতোলা সোণৰ সলখা (চকা) দি ভোগ সৰাই দি সাগৰ চউ কাপৰ গিলিপ দি . পুনৰ গাই বাই আনিলে গুৰুজনে আগবাঢ়ি গৈ শিৰতকৈ আনি থলেনি' : (পৃষ্ঠা ৪০৩)

'পতিব্ৰতা নাৰীৰ স্বামীয়ে তপ জপ গুৰু বন্ধু সুহৃদ সোদৰ পিতা মাতা ধনজন (পৃষ্ঠা ৪২৫) তেনে পুৰুষক এৰি যি অন্য পুৰুষৰ প্ৰতি আসক্তি কৰিব, তেওঁ বেশ্যাহে বুলি গণ্য কৰিছিল। সত্য বিধৱা এগৰাকী নাৰীয়ে স্বামীৰ মৃত দেহলৈ বিনাই থাকোতে, ৰাজ-নন্দিনী এগৰাকীয়ে বিধৱা গৰাকীৰ সুন্দৰ ৰূপ যৌৱন থাকোতে কিয় 'কুচিত বিকৃত কুৰূপ লোকটোলৈ কান্দে' (পৃষ্ঠা ৪২৫) বুলি প্ৰশ্ন কৰি এটা পুৰুষ দিব বোলা কথাৰ উত্তৰত সত্য বিধৱা গৰাকীয়ে পতিব্ৰতা নাৰী সম্বন্ধে উত্তৰ দিছিল। ৰাজনন্দিনী বিবাহিতা হৈ পথভ্ৰষ্টা আছিল। বিধৱা গৰাকীয়ে মৃত স্বামীৰ কথাকে লৈ জীয়াই থকা দিন কেইটা কটাই দিব বোলা কথাষাৰে ৰাজনন্দিনীৰো জীৱনলৈ পৰিবৰ্ত্তন আনিছিল। "তেহে ৰাজকুমাৰিএ শুনি বোধ হৈ গৈঃ নিজ স্বামীতে পুনৰ শ্ৰদ্ধা বত্তিকৈ বল।" (পৃষ্ঠা ৪২৫)

ব্ৰাহ্মণসকল যে পৰৰ পৰা খোৱাতো থাকে তাৰ কথাও চৰিতখনিত স্পষ্টকৈ আছে। জয়ন্তাৱতীয়ে কামৰৈ পূজা যাওঁতেই হৰি আতৈক কৈ গৈছিল ভক্ত গুৰা এমুঠি কৰি থবলৈ। হৰি আতৈয়ে বাহ্লা আতাও কৈছিল, আতাই উত্তৰত কৈছিল, 'সি পৰৰ খোৱা বামুণঃ নেপালে লোকত কৈ নিন্দিবঃ" (পৃষ্ঠা ৪৩১) গছিকে দিয়াই ভাল। পথুলি জয়ন্তাৱতীক খাবলৈ দিওঁতে বহুলা আতাই কৈছিল, 'তোমাক গৃহিণীয়ে সত্ৰ কৈ কৰি দিয়ে দুগ্ধ কলা মিঠৈবে. আমাৰ উদাসীনৰ ধৰ্ম্মলগা কি খাবা' (পৃষ্ঠা ৪৩১) কিন্তু তাৰ উত্তৰত জয়ন্তাৱতীয়ে কি কৈছিল সেই কথা কেইটাতে হৰিগুণ গোৱা ভকতৰ প্ৰতি সমাজৰ লোকৰ কি আস্থা আছিল তাৰ চিত্ৰ পোৱা যায়। জয়ন্তাৱতীয়ে কৈছিল যে তেওঁৰ ঘৰত সকলো আছে। কিন্তু বহুলা আতাৰ গৃহত আধা খুন্দাকে খুদি খাইছে তাৰ কাৰণ হল, হৰিগুণ গোৱা ভকতৰ হাতৰ বস্তু অমৃত প্ৰায়। তেতিয়া বহুলা আতাৰ জয়ন্তাৱতীলৈ দয়া উপজিছিল। "তোম্ৰাসবৰ আধা খুন্দাকে খুদি খাইছো • হৰিগুণ শুনা জন্তৰ অমৃত প্ৰাই" (পৃষ্ঠা ৪৩৯)

দোষীৰ দোষ বিচাৰ কৰিবলৈ হলে ৰৰ মেল চপাইছিল। সেই মেলতে বাইজে সোধ পোচ কৰি ৰায় দিছিল। (পৃষ্ঠা ৪৪৫)

ভাতৰ নিসনি খচকাটো চুৰা কথা। গাবৰ এঘৰত ভোজ হৈছিল। তালৈ বিষ্ণু আতায়ো গৈছিল। কিন্তু সোমাই চাই দেখে, 'তাত সিজাই দলাই থৈ ছ নিহনি বৈ গৈছে. খচি সবে ঠাই ফুৰিছে' অত্ৰাহি কৈ ঘোলে এতোৰকে পাবলৈ মাত বুলি শুচি আহিল ॥' (পৃষ্ঠা ৪৪৭)

সাধাৰণতে ব্ৰাহ্মণসকল, মদ গৰ্ব্বী, বৰ লোক বুলি অহংকাৰ থকা লোক বুলি সাধাৰণৰ ধাৰণা আছিল। ধৰ্ম্ম কথা সৰলৈ অহা নিত্যানন্দ প্ৰথমতে বহুলা আতাই 'তোম্ৰাসৱ ব্ৰাহ্মণ বৰ লোক মহাগৰ্ব্বী. পূৰ্ণ ব্ৰহ্ম কৃষ্ণদেৱ বৃন্দাবনে গুৱালৰ লৰা বুলি মানিব নুৱাইলা. ই ধৰ্ম্ম কেনেকৈ বুজা আৰু জনলৈ." (পৃষ্ঠা ৪৪৯) বোলতত হৰি আতৈক নিত্যানন্দই গৈ ধৰিলত, হৰি আতৈয়ে "ইজন এবা ভাৱ বামুণ বুলিঃ সিজন এবা আৰ ভয় বুলিঃ আগলৈ (গুৰু) ধৰ্ম্ম লোপ নহবঃ যেই সেই মতে বাচক গুৰু ধৰ্মঃ জীৱৰো কুশল হক." (পৃষ্ঠা ৪৪৯) বুলি বাখি দিছিল।

তাৰতবৰ্ষত নৱজন্ম লাভ কৰাটো অতি সৌভাগ্যৰ কথা বুলি বিবেচনা কৰিছিল। সেই জন্ম-বিশ্বাসৰ কথা চৰিতখনিৰ কেবা ঠাইতো উল্লেখ আছে।

"ধন্য কলি ভাৰতবৰ্ষ নৰতনু ৰামনাম হাতে চাপৰ দি জাই।" (পৃষ্ঠা ৪৫৫, ৪৫৮ ইত্যাদি)

নিজ হাতে কৰা কোনো কাম, দ্ৰব্যখন সেৱকে গুৰুক, পূজনীয় লোকক আৰু আন সুহৃদ লোকক দিব পৰাটো ভাগ্যৰ কথা বুলি ভাবিছিল। শ্ৰীহৰি আতৈয়ে কৰা খেতিৰ গেৰ ধৰা ধান নি জিৱনা আতৈক দিব পৰাটো ভাগ্যৰ কথা বুলি গণ্য কৰিছিল। (পৃষ্ঠা ৪৬০) গোবিন্দ আতৈয়েৰ থিৰমান কলৰ পুলি এটা বুই মনতে ভাবিছিল,—আবে হলে এৱাখি কল গুৰুজনত লগামনি অৱশেষ আগ পাচলি আমি খাম।" (পৃষ্ঠা ৪৬০) ৰঘু ৰজাৰ খাতৰ ৰাজখোৱায়ো তেনেকৈ কল পুলি কই লাগিলত গুৰু জনাল আগ কৰিছিল। 'আৰু ৰঘুৰাজাৰ খাতৰ ৰাজখোৱা মহাপুৰুষক গুৰু বুলি আছে হাটিতে — পাই এটি কলপুলি কলে সাৰ জাৱৰ দি মনে বোলে আবে এৱাখি গুৰুজনত লগাম নি" : (পৃষ্ঠা ৮১৪)

মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত শ্ৰাদ্ধ আদি সকলো কাম অতি সুন্দৰকৈ হৈছিল। মাৰ্গৈকিয়াটো বেহাৰৰ ডা ভাণ্ডৰীয়াসকলো চাপি, লাগিমেলি কৰিছিল। ধাত্ৰ টকা এশ কাজৰ সমগ্ৰে তুলি তলিচা গাৰু পাটি ঢাৰি লোটা বাটি কাহি বেৰা টউ জাতি বতলি কৰা পিৰা চৰিয়া থৰম জাপি লাঠি বস্ত্ৰ সবাকে দিয়ালে' (পৃষ্ঠা ৪৮০) মহা মহোৎসৱতে মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ সকামৰ কাম সমাধা হৈছিল। (পৃষ্ঠা ৪৮০)

(১১) কবি ৰামৰায় দাস—গুৰু লীলা

কবি ৰামৰায় দাসৰ 'গুৰু লীলা'ত দামোদৰদেৱৰ আবিৰ্ভাৱৰ পৰা তিৰোভাৱলৈকে জীৱনৰ সকলোখিনি কথাকে সামৰিছে। প্ৰসঙ্গক্ৰমে অহা সমাজ জীৱনৰ চিত্ৰও দি গৈছে। দামোদৰৰ জন্মৰ কথা জানি দেউতাকে স্নান কৰি পুত্ৰ মুখ দৰ্শন কৰিছিল। (পৃষ্ঠা ১৬) ইয়াৰ পাচত সংস্কাৰ কৰাইছিল। জাত কৰ্ম্ম কৰাইছিল, গো, স্বৰ্ণ আদি ব্ৰাহ্মণক দান দিছিল। দক্ষিণাৰে ব্ৰাহ্মণসকলক সন্তোষিত কৰিছিল। (পৃষ্ঠা ১৭)

গৃহ শুদ্ধ কৰিবৰ কাৰণে গোবৰ দি ঘৰ লিপাটো নিয়ম। দামোদৰদেৱে বেহাৰত প্ৰবেশ কৰি,

'এক মোটা অন্ন গৃহস্থক পাইলা
বহিলন্ত তাৰ স্থান।' (পৃষ্ঠা ১৮)

সেই বাস্তাত কিছু কুকুৰ, হাঁহ, গাহৰী আদি অধাত খাইছিল। তেতিয়া গৃহস্থই এটা গোট গৃহ আজৰি কৰি,

গোময় দিয়া আজিনা গৃহক
লিপিয়া শুদ্ধ কৰিলা।
বহুমান্ত কৰি, সেহি গৃহে নিয়া,
বহিবাক স্থান দিলা।' (পৃষ্ঠা ৯৯)

কোনো লোকৰ বিয়োগ হলে, কিছু লোকাচাৰ পালন কৰা হয়। দামোদৰদেৱৰ দেহাৱসানৰ বাতৰি পোৱাৰ পাচত, বিজয় নগৰত যিমান ভকত আছিল, 'পাখ হাণ্ডি পেলাই সবে লৱণক দিলা।

মাছ, মাংস তৈল আদি সামিষ তেজিল॥' (পৃষ্ঠা ১৩১)

চৰিতখনি দামোদৰদেৱৰ দেহাৱসানতে শেষ হোৱা নায়। তাৰ পাচত সৰ্ব্বানন্দ আৰু বলদেৱৰ ধৰ্ম প্ৰচাৰকে প্ৰমুখ্য কৰি ভট্টদেৱ পাটবাউসী ত্যাগ আৰু ব্যাস কুচিত সত্ৰ স্থাপন আদিৰ সন্নিবিষ্ট কৰি অৰ্জুনদেৱৰ হৰি কথা চৰ্চ্চা শিতানতে চৰিতখনি শেষ কৰিছে। ভট্টদেৱৰ পত্নী আৰু পুত্ৰবধুৰ মৃত্যুৰ পাচত,

দাহ কৰিবাক নিমিত্তে শূদ্ৰক
থড়ি চুইবে নেদন্ত।' (পৃষ্ঠা ১৪৭) বুলি উল্লেখ কৰি ব্ৰাহ্মণ আৰু শূদ্ৰৰ স্থান সম্পৰ্কে উল্লেখ কৰিছে।

(১২) বৰগঞাগিৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

'মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ'ৰ চৰিতখনি বৰগঞাগিৰিয়ে হৰিদেৱৰ জীৱন কথাতে সীমাবদ্ধ কৰি প্ৰয়োজন সাপেক্ষে সমাজ জীৱনৰ চিত্ৰ অংকিত কৰিছে।

হৰিদেৱৰ জন্মৰ বাৰ্ত্তা পাই পুত্ৰক দৰ্শন কৰি পিতৃ অজনাতে সযত্নে স্নান কৰিছিল। ব্ৰাহ্মণ আনি বিধিমতে জাত কৰ্ম কৰাইছিল। গণনা কৰাইছিল। সপ্তম মাহত অন্ন প্ৰসন্ন কৰাইছিল। তিনি বছৰত চূড়া কৰ্ম কৰাইছিল। পাচ বছৰ বয়স হোৱাৰ লগে লগে পিতৃৰ কৰ্ম কৰিবলৈ লৈছিল। প্ৰাতঃস্নান, সন্ধ্যা পিতৃক দেখি কৰিবলৈ লৈছিল।

সতী যোৱা প্ৰথাৰ কথা উল্লেখ কৰিছে। হৰিদেৱৰ পিতৃ বিয়োগৰ পাচত, মৃতদেহ চিতাত তোলাৰ পাচত মাক খৰৰ পৰা ওলাই আহি,

'চাৰিবাৰ প্ৰদক্ষিণ পিতাক কৰিলা।
লাম্ফ দিয়া সিতাকুন্দে সাৰোঙ্তি ধৰিলা॥
হাহাকাৰ লাগিলন্ত সেহি সময়ত।
চিতাহন্তে আনিবাৰ উপাই ৰহিত॥' (পৃষ্ঠা ৫৩)

হৰিদেৱ বয়সত নবীন আছিল যদিও, তীৰ্থ যাত্ৰা কৰিবলৈ সে নিজে ৰান্ধি মেলিহে খাইছিল, 'অন্ন ৰান্ধি খাই ৰাত্ৰি শুইয়া থাকিলে। (পৃষ্ঠা ৭৮)

হৰিদেৱে ব্ৰহ্মানন্দ আচাৰ্য্যৰ ওচৰত বেদ অধ্যয়ন কৰাৰ আগমুহূৰ্ত্তত সামাজিক আচাৰ কিছু কৰিছিল। নৈবেদ্য সজাইছিল, কুশাসন পাৰিছিল, মন্ত্ৰপাঠ শেষ কৰি, পূজা শেষ কৰি বেদাৰম্ভ কৰিছিল,

'নিবেদিত দ্ৰব্য প্ৰথমতে ভকতক
কিমতে লবে গ্ৰহণ। (পৃষ্ঠা ১৩৮)

তাৰ কাৰণে নানা স্তুতি নতি কৰিছিল।

(খ) শিক্ষা

চৰিত পুথি সমূহত মধ্য যুগৰ অসমত কি ধৰণৰ শিক্ষা দিয়া হৈছিল, ক'ত ক'ত ছাত্ৰই শিক্ষা আহৰণ কৰিছিল ইত্যাদি কথাবোৰ জীৱন কথাৰ লগতে প্ৰসংগক্ৰমে লিপিবদ্ধ কৰি গৈছে। প্ৰত্যেকখন চৰিত পুথিতে শিক্ষা সম্বন্ধে বহল বিৱৰণ পাবলৈ নাই। তলত চৰিতসমূহৰ কোনখনত কি ধৰণে শিক্ষা সম্বন্ধীয় কথা পোৱা গৈছে তাকে দিয়া হৈছে।

(১) ৰামচৰণ ঠাকুৰ—গুৰুচৰিত

প্ৰাচীন কালত পণ্ডিতসকলে নিজৰ পাণ্ডিত্যৰ পৰিচয় দিবৰ কাৰণে বিভিন্ন ঠাইলৈ গৈ, সেই সেই ঠাইৰ পণ্ডিত, বিদ্বানসকলৰ লগত বাদ কৰিছিল গৈ। নদীয়াৰ পৰা চন্দ্ৰ কবিয়ে লগত ষাঠিজন ছাত্ৰ লৈ কমতাপুৰলৈ আহি ৰজাক তেওঁৰ ৰাজ্যত থকা পণ্ডিতসকলক তেওঁৰ লগত বাদ কৰিবৰ কাৰণে দিবলৈ আহ্বান জনাইছিলহি। কাৰণ তেওঁ জনাইছিল, 'বহুতৰ ৰাজ্য ফুৰিয়া আসিলো মোৰ সম কেহো নাই।' (পৃষ্ঠা ২৭) ৰাজ্যৰ পণ্ডিতৰ পৰাজয় মানে ৰজাৰো পৰাজয়। ইকালে বলদত জোৰায় পুস্তক লৈ পণ্ডিত আহি কমতাপুৰৰ ৰাজ সভা পাইছিলহি। সংস্কৃততেই বাদ হৈছিল। নদীয়াৰ পণ্ডিত কবিচন্দ্ৰই সকলোক

'ভদ্ৰলোক'। বৰুৱায়ো মনত দুখ পাইছিল যদিও বটা, বস্ত্ৰ অলংকাৰ দি মান ধৰিছিল। (পৃষ্ঠা ২৯)

"আপুন পণ্ডিত জন কৈল দেখি
বাজাৰ দুখ মনত ॥" (পৃষ্ঠা ২৯)

শেষত চণ্ডীবৰে পণ্ডিতৰ সন্মুখ হৈছিল। চণ্ডীবৰ 'গোগৰিয়া' গ্ৰামৰ বুলি গম পাসত, পণ্ডিতে,

'গৰিয়া অধম বুলি হাসিবে লাগিলা।
কুচিত গ্ৰাম থাকা গরু হেন বুদ্ধি।। (পৃষ্ঠা ৩৭)

বুলি নিন্দা কৰিছিল। আনহাতে চণ্ডীবৰে পণ্ডিতৰ গাওঁ পাতনিপুৰ গম পালত কৈছিল যে নামতে জানিলে তেওঁৰ গাওঁ ভাল নহয়। তেওঁৰ দেশত থকা ধনৱন্ত জনে ধন দি বান্দী কৰে। বান্দীৰ কাৰণে বৰ্ণ চপায়। সিহঁতৰ লৰা-ছোৱালী হয়। গৃহস্থই ভাত পানী খাই ওটাৰ কাষত থয়। বান্দীবিলাকেও খাই যি বয়, তাকো তাতে এৰে আৰু চিকা আনিয়ে থায়। অৱশেষ যি বয় সেইবোৰ পতনিত থয় নি। সেই ঠাই পাচত গৰুৰ সাদেৰে পানী মিহলাই মূচিলেহে পবিত্ৰ হয়। উপস্থিত বুদ্ধৰে পণ্ডিতৰ পাতনৈ গাৱক চুৱাপেলোৱা ঠাইৰ লগত মিলাই কওঁতে পণ্ডিতে কিনো তুমি পণ্ডিত গহন ধন্য ধন্য (পৃষ্ঠা ৪১) বুলি কবলৈ বাধ্য হৈছিল। চণ্ডীবৰৰ যশস্যা, গৌৰৱ, বঙ্গদেশলৈকো গৈছিল। পণ্ডিতৰ আলোচনা সংস্কৃতত হৈছিল। গতিকে অসম আৰু আন আন ঠাইৰ পণ্ডিতসকলৰ সংস্কৃতৰ ওপৰত কিমান দখল আছিল জনা যায়।

বুঢ়ী মাকৰ আদৰত উঠি বাৰ বছৰ বয়সলৈকে শংকৰদেৱে পঢ়া-শুনা কৰিবলৈ মনকে কৰা নাছিল। বুঢ়ীমাক খেৰসুতী আৰু আন আন জ্ঞাতি বটুৱৰো চিন্তা কৰিছিল। এদিন বুঢ়ীমাকে ভাত খাবলৈ দি কলে যে শংকৰৰ বংশ অতি পণ্ডিতৰ বংশ। শংকৰক নপঢ়িলে মানুহে মহামূৰ্খ বুলি হাঁহিব। তাৰোপৰি

"মাতা শত্ৰু পিতা বৈৰী যদি পুত্ৰে নপঢ়য়।
বিদ্যাহীন হৈলে পুৰুষকো নোশোভয়।" (পৃষ্ঠা ২৯৫) বিদ্বান লোকক সকলোৱে সন্মান কৰে। ৰজায়ো নিজ দেশতকৈ সন্মান লাভ কৰে। গতিকে বুঢ়ীমাকে খাতনি ধৰিছিল, 'চকল চৰিত্ৰ এৰি পঢ়িবাক ধৰ ॥' (পৃষ্ঠা ২৯৫) বিদ্বানসকল কি সন্মান, আদৰ সকলো দেশতে তাৰে চিন্ গোৱা গৈছে।

"বিদ্যাৱন্ত পুৰুষক পূজে ধাই ধাই।
নৰেশ্বৰ ভৈলে স্বদেশত পূজা পাই ॥" (পৃষ্ঠা ২৯৬)

তেতিয়াৰ দিনত গুৰুৰ ছাত্ৰশালাত ছাত্ৰক ৰাখি পঢ়ুৱাইছিল। শংকৰকো বুঢ়ীমাকে আৰু বংশৰ লোকে নি গুৰুৰ ছাত্ৰশালাত বাৰ বছৰ বয়সতহে বিদ্যাৰ্জ্জন কৰিবৰ কাৰণে থৈছিলগৈ। গুৰুক দক্ষিণা দিছিল পঢ়ুৱাই দিয়াৰ কাৰণে। গুৰুৱে শংকৰক দেবী পূজা আৰম্ভ কৰিবৰ কাৰণে নৈবেদ্য, 'মাস মুগ' আদি গোটাবলৈ কওঁতে, কৈছিল,

'দেবীত কৰিয়া শ্ৰেষ্ঠ দেব নাৰায়ণ।
দেবী পূজিবাক মাস ছাগল লাগয়।
তুলসী পূজাতে দেবতা তুষ্ট হয় ॥' (পৃষ্ঠা ২৯৭)

শংকৰৰ মহিমাতে দেবী পূজাৰ কথা পাহৰি গুৰুৰ 'কৃষ্ণৰ পূজাৰ মন্ত্ৰ সমস্তে আসিল।' (পৃষ্ঠা ২৯৭) 'পাঞ্চ দিন কলিহন্তে শংকৰে উঠিলা' (পৃষ্ঠা ২৯৭) আৰু শেষত শংকৰ ওজা ছাত্ৰ হোৱাৰ যোগ্যতাও অৰ্জন কৰিছিল। ষোল বছৰ বয়সত শংকৰে সকলো শাস্ত্ৰ পঢ়ি শেষ কৰি, গুৰু দক্ষিণা দি ওলাই আহিছিল। ছাত্ৰশালাত থাকোতেই শংকৰদেৱে কাপ কাঠি হাতত তুলি লৈছিল।

শংকৰৰ উনৈশ বছৰ বয়সত, পেহাক বুঢ়া খা আৰু অন্যান্য ভূঞা, জ্ঞাতিসকলে আহি কৈছিলহি,

'বিদ্যাত পাৰ্গত শাস্ত্ৰ আছে যত
সবাহাংকে আহা পঢ়ি।
সমস্তে লোকৰ হৰিব বিত্তৰ
বৈকুণ্ঠ দিয়োক গঢ়ি ॥
নতুবা শিকাইবা ভাবনা দেখাইবা
হৰিব আমাৰ মন।' (পৃষ্ঠা ৩১৬)

ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি, শিক্ষিতসকলৰ প্ৰতি কেনে উচ্চ ধাৰণা আনকি শংকৰ পঢ়ি মেলি শিক্ষিত হল বুলিয়েই বৈকুণ্ঠকো দেখুৱাব পাৰে বুলি ধাৰণা কৰিছিল। কাৰণ, 'কোটি কোটি জন্মে উপৰি পুৰুষ যাক কৰ্ণে শুনা নাই।' তেনে কথাও শংকৰৰ অনুগ্ৰহত শুনিবলৈ, চাবলৈ আশা কৰিছিল।

শংকৰে চিহ্ন যাত্ৰা কৰি সেই আশা পূৰণ কৰিছিল। সূত্ৰ, ভটিমা, গীত ৰচনা কৰি, বাদ্যযন্ত্ৰবো শিক্ষা দিছিল। শংকৰদেৱে প্ৰথম বায়ন নটুৱা আছিল। (পৃষ্ঠা ৩৩০)।

শিৱই শংকৰদেৱক চন্দ্ৰবেশ ধাৰণ কৰি 'হিঙুল' আৰু 'হাত্যাল'ৰ ব্যৱহাৰ শিকাইছিল, বৈকুণ্ঠৰ পট আকিবলৈ দেখুৱাইছিল। "গায়নৰ ঘৰৰ বোন্দাৰো ৰাগ দিয়ে", বুলি আমাৰ এষাৰ কথা প্ৰচলিত আছে। এই কথাষাৰ চান্দেৰী বুঢ়ীতে খাটে। সাত বৈকুণ্ঠৰ পট আঁকি শংকৰদেৱে কল্পতৰু বৃক্ষ দিবলৈ চিন্তা কৰিছিল। চোতালত ধান মেলি থকাৰ পৰা হাতত বাঢ়নি তাৰবৈলৈয়ে সৈ কৈছিলগৈ, 'ঐত লাগে ডেকাগিৰি সিটো বৃক্ষবৰ।' (পৃষ্ঠা ৩২৩) তেতিয়া পাচত—

"অল্প হাস্য কৰি তেবে মাতিলা শঙ্কৰ ॥
আসিয়া এথাক আই ৰব কেলিকাম।
তই হেন উপকাৰী আৰো কৈত পাম ॥" (পৃষ্ঠা ৩২৩)

ইয়াৰ পাচত শঙ্কৰদেৱে,

'নটুৱা শিখায়া যেবে সাজ কৰিলন্ত।
যাক জিবা বাহন তাক সাজিলন্ত ॥ (পৃষ্ঠা ৩২৩)

'ভাৱনা' শব্দৰ প্ৰথম ব্যৱহাৰ (পৃষ্ঠা ৩১৬), 'যাত্ৰা'ৰ প্ৰথম প্ৰচলন (পৃষ্ঠা ৩২৪) কৰি ভাওনা, গীত, বাদ্য আদিৰ যোগেদি শংকৰদেৱে জনসাধাৰণৰ মাজত কৃষ্ণ ভক্তিৰ মাহাত্ম্য বুজাবলৈ চেষ্টা কৰিছিল।

সঙ্গীতো শিক্ষাৰেই এটা অঙ্গ। যাত্ৰাতে প্ৰথম নাটত ব্যৱহৃত ধেমালি বৰ ধেমালি, সৰু ধেমালি আদি আৰু বাদ্যৰ প্ৰচলন শংকৰদেৱে কৰিছিল।

'আগে পাচে নৱ গোটা খোল গুৰুলই।' (পৃষ্ঠা ৩২৩) আৰু 'বৰ ধেমালিত পঞ্চ গোট বাইলা খোল।' (পৃষ্ঠা ৩২৩ এয়া শংকৰদেৱে নিজে বাই বাইবক শুৰু কৰিছিল। বৈকুণ্ঠপুৰ জনগণে চকুৰ আগতে দেখা পাই বিমোহিত হৈছিল।

শংকৰদেৱৰ জ্ঞান পাণ্ডিত্য 'চিহ্ন যাত্ৰা'তেই প্ৰথম প্ৰমাণ হৈছিল। শংকৰদেৱৰ শিক্ষা গুৰু মহেন্দ্ৰ কন্দলীয়ে, 'শংকৰদেৱত মই পশিলো শৰণ' (পৃষ্ঠা ৩৩১) বুলি শিষ্যৰ ওচৰত শৰণ লোৱাৰ বিৰল উদাহৰণ শংকৰদেৱৰ জীৱনতে কটা দেখিবলৈ পোৱা গল। ইয়াৰ পাচত শংকৰদেৱৰ মাহাত্ম্য জানি তেখেত শৰণ লবলৈ ব্ৰাহ্মণসকল আহাত শংকৰদেৱে,

'দশম পুৰাণৰ শ্লোক পাচে চাই ।
উদ্ধৱ সংবাদ পুথি কৰিলন্ত যাই ॥' (পৃষ্ঠা-৩৩৯)

মধ্যযুগত অসমত কাগজৰ প্ৰচলন লাছিল গতিকে সাচিপাতত লেখাৰ কাম কৰিছিল ।

শংকৰদেৱে প্ৰথমবাৰ তীৰ্থৰ পৰা ঘূৰি অহাৰ পাচত ভাগৱতৰ কথা শাস্ত্ৰৰ কথা চৰ্চ্চা কৰিবলৈ লৈছিল । এই শাস্ত্ৰ চৰ্চ্চাৰ পৰাই জ্ঞান বৃদ্ধি হল, অনুভব কৰিছিল,

'তত্ব মৰ্ম্ম জানিলন্ত মনে খেদ কৰিলন্ত
মাযাময় অনিত্য সংসাৰ ।' (পৃষ্ঠা ৪৬১)

আৰু অবিদ্যাৰ হাতত পৰি যে লোক সব কলিমল সাগৰত ডুব গৈছে তাকো বুজি পাইছিল । (পৃষ্ঠা ৪৬১) এই অবিদ্যাৰ পৰাই পঞ্চ পৰ্ব্বা বা পাচবিধৰ অবিদ্যা বা অজ্ঞান (ভ্ৰম, অহংভাব, মোহ, তামিস্ৰ (ক্ৰোধ আদি), অন্ধতামিস্ৰ (মৃত্যুভয়) আদি নামৰ দোষ হয় । এই সকলোবে পৰা মুক্তি পাবৰ উপায় হল কৃষ্ণ নাম । (পৃষ্ঠা ৪৬১ ৬২)

শংকৰদেৱে, জগন্নাথৰ পৰা অহা তিৰতিয়াৰ (তিৰহুতৰ) জগদীশ মিশ্ৰৰ লগত ভাগৱতৰ কথা আলোচনা কৰিছিল, শংকৰদেৱে মূল ভাগৱত গ্ৰন্থ পোৱাৰ আগতেই, 'গীত পদ কৰি মই আছোহে পূৰ্ব্বত ।' (পৃষ্ঠা ৪৭০) বুলিছিল, তাৰ পাচতহে 'দেৱগৃহে পশি মহা নাট আৰম্ভিলা । (পৃষ্ঠা ৪৭০) জগদীশ মিশ্ৰ শংকৰদেৱৰ পাণ্ডিত্যত অবাক হৈছিল, 'অমৃত কৰিয়ে যেন ব্ৰাহ্মণক মনে । (পৃষ্ঠা ৪৭১) প্ৰথম স্কন্ধৰ পৰা দ্বাদশলৈকে ভাগৱতৰ, 'দূষণ সিদ্ধান্ত দেন্ত আপুৰি শংকৰ ।' (পৃষ্ঠা ৪৭) আৰু শঙ্কৰদেৱৰ ওচৰত পৰম হৰিষ মনে জগদীশ মিশ্ৰই 'পঢ়িলা হৰিষে বাৰ স্কন্ধ ভাগৱত ॥" (পৃষ্ঠা ৪৭১)

শংকৰদেৱে ভক্তসকলক বৈষ্ণৱ আদৰ্শ শিকাবৰ কাৰণে, শাস্ত্ৰ জ্ঞান দিবৰ কাৰণে ভগবানৰ নামৰ মাহাত্ম্য প্ৰচাৰ কৰি আকৃষ্ট কৰিবৰ কাৰণে অশেষ চেষ্টা কৰিছিল । কীৰ্ত্তন ঘৰ সাজিছিল, সত্ৰ স্থাপন কৰিছিল, আনকি ভক্ত শিক্ষা দিবৰ কাৰণে দাবি ধমকিও দিছিল । উদাহৰণ স্বৰূপে উদাৰ মহন্তৰ কথাকে লব পৰা যায় । ভক্ত সমাজক শংকৰদেৱে ভাগৱত কথা কৈ থাকোতে উদাৰ মহন্তই বাৰে বাৰে বুজাই থকা কথাকে বুজাই থাকিবৰ কাৰণে প্ৰশ্ন কৰিছিল । শংকৰদেৱৰ খং উঠি,

'তোত কি কাৰণে ছুনাই ছুনাই কৈবে লাগে।
উঠ একিক্ষণে নাথাকিবি মোৰ আগে ॥' (পৃষ্ঠা ৬১০)

বুলিশত উদাৰ মহন্ত ভয়তে ভূমিৰ তলত সোমাই আছিল। শংকৰদেৱে নেদেখি খবৰ কৰাত ভূমিৰ তলত থকা বুলি কলত 'শিক্ষাবোধ' দিবৰ কাৰণেহে (পৃষ্ঠা ৬২২) থং কৰিছিল বুলি পুনৰ ভকতৰ লগলৈ চপাই লৈছিল।

শংকৰদেৱৰ পাটবাউসীত থকা নাশতে চক্ৰপাণি মজুমদাৰৰ ওচৰত তেওঁৰ পুত্ৰ ৰমানন্দ ঠাকুৰক বিদ্যা শিক্ষা আহ্বান কৰিবৰ কাৰণে দছিল,

'লিখা পঢ়া বিদ্যাক শিখিয়ো আৰে তই।
নিশ্চয় কৰিয়া তোক বুলিলোহো মই ॥
বিদ্যাবন্ত হৈলে সৰ্বকাগতে নিপুণ।
থৈকে যাই তৈতে পূজা কৰে দেখি গণ ॥
শিখিয়োক তুমি ইটো বিদ্যা মহাৰত্ন।
কেন জানি বাপ পঢ়িবাক কৰা যত্ন ॥ (পৃষ্ঠা ৬২৩-২৪)

শংকৰদেৱত শৰণ লোৱাৰ পাচত দামোদৰদেৱক কবিৰত্ন বৈকুণ্ঠ নাথে 'দিলাহা কলংক তুমি বিপ্ৰ সমাজে।' (পৃষ্ঠা ৬৬৯) বোলা কথাৰ উত্তৰ দি কথা কৈছিল সেয়া অতি তাৎপৰ্য্যপূৰ্ণ আৰু শিক্ষামূলক আছিল। ইয়াতেই দামোদৰদেৱৰ পাণ্ডিত্য, অধ্যয়ন আদিৰ মান কিমান উন্নত আছিল ধৰিব পৰা যায়।

(পৃষ্ঠা ৬৬১—৭২)

শংকৰদেৱ মাধৱদেৱ আৰু সঙ্গীসকলৰ লগত দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে মাধৱদেৱে কৰা প্ৰশ্নৰ উত্তৰ শংকৰদেৱে দি গৈছিল আৰু ভকতসকলে শুনি গৈছিল। গুৰুৰ নিয়ম, মহন্ত কাক কয় আদিৰ বিষয়ে শিক্ষা দিয়াৰ উপৰিও তীৰ্থৰ পথত য'ত য'ত শংকৰদেৱ লগৰ ভকতসকলৰ লগত জিৰাইছিল, তাতেই শিক্ষা দিছিল, ধৰ্মৰ কথা কৈছিল। (পৃষ্ঠা ৬৮৫ ৮৬, ৭০৮)

ৰজা নৰনাৰায়ণৰ ৰাজসভাত শংকৰদেৱে ৰজা আৰু ব্ৰাহ্মণসকলৰ সন্মুখত শাস্ত্ৰ চৰ্চ্চা কৰি যি পাণ্ডিত্যৰ পৰিচয় দিছিল তাৰ তুলনা নাই। ব্ৰাহ্মণসকলক 'কিৰ বস্তু' কোন, নখ দাঁত, চুলি এই তিনি বিশেষ অশুচি নে শুচি প্ৰশ্ন কৰি উত্তৰত ব্ৰাহ্মণসকলে "অশুচি হোৱয়" (পৃষ্ঠা ৭৬৯) বোলাত শংকৰদেৱেই উত্তৰো দিছিল,

"দ্ৰব্য সেহি তিনি শাস্ত্ৰ চোৰা আনি
অশুচি কহিতো নাই ॥" (পৃষ্ঠা ৭৬৯)
এনেকৈ 'নানা তৰ্ক কৰি চালে দৃঢ় কৰি
শংকৰক নাপাৰিলা।' (পৃষ্ঠা ৭৭১)

অসম, কামৰূপ, বেহাৰত শংকৰৰ দৰে পণ্ডিত লোক আছিল, অতি গৌৰৱৰ কথা আছিল। বেহাৰৰ ৰজা নৰনাৰায়ণৰ ৰাজসভাতেই শংকৰদেৱৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ হৈছিল। (পৃষ্ঠা ৭৭৯-৮০) শংকৰদেৱৰ পাণ্ডিত্যৰ ওচৰত পদ কৰিবলৈ অহা সকলো হাৰ মানিছিল। পাটবাউসীত কণ্ঠভূষণে শংকৰদেৱক বাদত বলে নোৱাৰি 'কৰিবন্ত বাদ পাচে কাশী ধামে পঢ়ি।' (পৃষ্ঠা ৭৮৩) বুলি আতৰিছিল। কাশী ধামতো শংকৰদেৱৰ পাণ্ডিত্যৰ কথা ব্ৰহ্মানন্দই কণ্ঠভূষণৰ পৰা গম পাই 'ৰত্নাৱলী' পুথিখন দি কণ্ঠভূষণক পুনৰ ঘূৰাইহে পঠাইছিল,

'এতেকন্তে বাপু তুমি থাকিতে নালাগে।
পুথি মাথে কৰি নিয়া শংকৰৰ আগে॥ (পৃষ্ঠা ৭৮৫)

শেষত কণ্ঠভূষণে শংকৰদেৱৰ ওচৰত বশ্যতা স্বীকাৰ কৰিছিল।

শংকৰদেৱৰ 'উচ্ছিষ্ট ভোজন'ৰ ব্যাখ্যাও মন কৰিবলগীয়া। অনন্ত কন্দলীয়ে শংকৰদেৱৰ 'উচ্ছিষ্ট ভোজন' কৰা সপোনত দেখা পাই শংকৰদেৱক ওচৰত বিচৰাত,

'ভাগৱত অৱশেষ যিবা কৰা নাই
তাকে তুমি কৰিবাহা নকৰোহো মই
এতেকে উচ্ছিষ্ট হব জানা গুৰু এই॥' (পৃষ্ঠা ৭৯৩)

তাৰ পাচত অনন্ত কন্দলীৰ কথা মতেই কীৰ্ত্তনত কন্দলীৰ পদো যোগ কৰিছিল। (পৃষ্ঠা ৭৯৪)

চান্দসায় 'অতি হীন জাতি ম্লেচ্ছ মধ্যে গণ্য' (পৃষ্ঠা ৮০২) যদিও শাস্ত্ৰ জান লবলৈ অতি আগ্ৰহ আছিল। চান্দসায় শংকৰদেৱৰ শিষ্য আছিল। ব্ৰাহ্মণক চান্দসায়ে সোধা প্ৰশ্ন কেইটা আছিল,

(১) 'প্ৰথমতে বেদ আছে, কৈৰ পৰা হই।' (পৃষ্ঠা ৮০২) (২) ব্ৰহ্মাৰ কথা আৰু (৩) গঙ্গাৰ উৎপত্তি কৰ পৰা হৈছে আৰু প্ৰশ্ন কৰিছিল, কিয় বিষ্ণুৰ আকৃতি নাই। (পৃষ্ঠা ৮০৩) পণ্ডিতে উত্তৰ দিব নোৱাৰি, 'লজ্জিত হুইয়া বিপ্ৰ বিবাদিত মন।' (পৃষ্ঠা ৮০৩) হৈছিল।

শংকৰদেৱে, 'যত শাস্ত্ৰ গীত পদ আমাক লাগয় ।
বচনা কৰাহা তুমি এৰি়া সংশয় ॥' (পৃষ্ঠা ৮০৫)
বুলি মাধৱদেৱক সাহিত্য ৰচনা কৰিবৰ কাৰণে অধিকাৰ দিছিল ।

শংকৰদেৱৰ নাতিয়েক পুৰুষোত্তমক মাধৱদেৱে মহাভাৰত পঢ়াইছিল । কলি আৰু কলি গুটিৰ ব্যৱহাৰৰ কথা জনা যায়, 'এক দিনা পঢ়িবাক কলি গুটি নাই ।' (পৃষ্ঠা ৮৮৩) বুলি উল্লেখ কৰা কথাৰ পৰা ।

(২) ৰামানন্দ দ্বিজ—শ্ৰীগুৰু চৰিত

ৰামানন্দ দ্বিজ 'শ্ৰীগুৰু চৰিত'ত শংকৰদেৱৰ জীৱন কথাৰ লগতে সেই সময়ৰ শিক্ষা সম্বন্ধীয় কথাৰো উল্লেখ কৰি বিৱৰণ দি গৈছে ।

প্ৰাচীনকালত পণ্ডিতসকলে নিজৰ পাণ্ডিত্যৰ পৰিচয় দিবৰ কাৰণে বিভিন্ন ৰাজ্যত ঘূৰি শাস্ত্ৰ তৰ্ক কৰি ফুৰিছিল । ৰজা দুৰ্লভ নাৰায়ণ চণ্ডীবৰক ধৰাই আনি বন্দী কৰি থোৱাৰ সময়ত

'অনেক পণ্ডিত আসি ৰাজাৰ নগৰ ।
বলধিত কৰি পুথি আনিলা বিস্তৰ ॥' (পৃষ্ঠা ১৪)

আৰু ৰজাক কৈছিলহি,

'যতেক পণ্ডিত আছে তোমাৰ ৰাজ্যত ।
মিলায়ো সত্বৰে আমি বাদক কৰিছে ।' (পৃষ্ঠা ১৪)

চণ্ডীবৰক ৰজাই খবৰ দিলে পণ্ডিতক বাদত জিনিব পাৰিলে তেওঁক সেইক্ষণতে মুক্তি দিব । তাৰ পাচত 'পদে পদে তৰ্ক শাস্ত্ৰ বুলি বাক লৈলা ।' (পৃষ্ঠা ১৫) দেশত গদ্য আৰু পদ্যৰ সমান চৰ্চা থকাৰ কথা জনা গৈছে ।

মধ্যযুগতো অসমৰ শিক্ষা আৰু শিক্ষিতৰ বৰ আদৰ আছিল । শংকৰদেৱক পঢ়িবৰ কাৰণ দিয়া বুজনিত তাকেই ফুটি ওলাইছে—

'শাস্ত্ৰৰ নিৰ্ণীত পণ্ডিত হৈলেসে সৰ্ব্বলোক আদৰয় ।
মূৰ্খ হৈলে তাক পণ্ডিতসকলে তৃণ বুলি নমানয় ॥
মহাকুলগত যৌৱন সম্পন্ন উত্তম ৰূপে প্ৰকাশ ।
বিদ্যাহীন হৈলে শোভা নকৰয় নিগন্ধ যেন পলাশ ॥' (পৃষ্ঠা ৩৫)

গুৰুগৃহত শিক্ষা আৰম্ভ হয় পেযো হয় । গুৰুক দক্ষিণা দিয়াৰ নিয়ম । শংকৰক তাতকৈ গুৰুয়ে (এইখন চৰিতত গুৰুৰ নাম কন্দলি কোনো দিছে) পঢ়াই

দিবৰ কাৰণে ককাকে, 'দিবোহো দক্ষিণা যেন সন্তোষ মিলয় ।' (পৃষ্ঠা ৩৯) বুলিছিল ।

বিদ্যা আৰম্ভ কৰাৰ পাচত গুৰুৱে ছাত্ৰক দুই এক শ্লোক ৰচনা কৰিবলৈ কৈছিল । যাৰ যি উপাস্য দেৱতা তেওঁকে বৰ্ণনা কৰিবলৈ কৈছিল । শংকৰদেৱে গুৰুৰ বাক্যত কৃষ্ণ স্তোত্ৰ ৰচনা কৰিছিল । শংকৰদেৱে 'পত্ৰত কৰিয়া তাক লেখিয়া লৈলন্ত ।' (পৃষ্ঠা ৪১) আৰু শিক্ষা গুৰুৱে,

'শ্লোক দেখি বিস্ময় ভৈলন্ত গুৰু বৰ ।
অদ্ভুত মহিমা ইটো পুৰুষৰ ।।' (পৃষ্ঠা ৪১) বুলিছিল ।

কাৰণ আকাৰ, ইকাৰ শিকাৰ আগতেই শুদা বৰ্ণৰেই শ্লোক ৰচনা কৰি শংকৰদেৱে সকলোকে বিস্ময় কৰিছিল ।

প্ৰথমবাৰ তীৰ্থ পৰ্যটনলৈ যাওঁতে জগন্নাথ ক্ষেত্ৰত শংকৰদেৱৰ পাণ্ডিত্যৰ পৰিচয় পাইছিল,

'ৰাত্ৰি দিনে শাস্ত্ৰ ব্যাখ্যা কৰিয়া থাকয় ।
ক্ষেত্ৰবাসী লোকে শুনি অমৃত পিবয় ।।' (পৃষ্ঠা ৫১)

বাৰ বছৰকৈ ভাৰতৰ বিভিন্ন তীৰ্থ ক্ষেত্ৰত কটোৱাৰ সময়তো পণ্ডিত বৈষ্ণৱ বুলি সকলোৱে আদৰয় । (পৃষ্ঠা ৬৩)

"মহা তীৰ্থবাসী বুলি চৰণৰ লৱে ধুলি
প্ৰশংসা কৰয় লোক যত ।। (পৃষ্ঠা ৬৩)

মাধৱদেৱে গুৰু গৃহত ব্যাকৰণ পুৰাণ, কাব্যকোষ, ভাগৱত আদি পঢ়িছিল আৰু 'পাচে পঢাইলন্ত পিতৃ কায়স্থ শাস্ত্ৰক' (পৃষ্ঠা ৯৩) বুলি উল্লেখ আছে ।

ভাগৱত শাস্ত্ৰৰ চৰ্চা হৈছিল । শূদ্ৰ হৈ শংকৰে ভাগৱত শাস্ত্ৰ পঢ়াৰ কথা বজা নৰনাৰায়ণক ব্ৰাহ্মণ পণ্ডিতসকলে খল দিছিল । নৰনাৰায়ণে কঠিনকৈ শ্লোক কৰি তাৰ অৰ্থ সৰল কৰিবলৈ দিছিল । ব্ৰাহ্মণ পণ্ডিতসকলে শংকৰদেৱৰ পাণ্ডিত্যৰ ওচৰত হাৰ মানিব লগা হৈছিল । নৰনাৰায়ণে মনতে ভাবিছিল, 'পণ্ডিত নাহিকে শংকৰৰ সমসৰ ।' (পৃষ্ঠা ২২৩)

শংকৰদেৱ, মাধৱদেৱ আৰু ভক্তসকল দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে নানা শাস্ত্ৰ আলোচনা, নাম কীৰ্তন কৰি গৈছিল । আধা-ৰাতিলৈকে বাদি-নগৰত মাধৱদেৱে গীত গাইছিল, আনসকলে শুনিছিল । আৰু কাণোৱৰ পাৰত দুই থকা

ৰূপ সনাতনৰ শিষ্য সন্ন্যাসী এজনৰ লগত শংকৰদেৱ, মাধৱদেৱ শাস্ত্ৰ আলোচনা, শাস্ত্ৰ পাঠ কৰিছিল। (পৃষ্ঠা ২৩৩) য'ত য'ত তীৰ্থ ভ্ৰমণৰ সময়ত বৈছিল, তাত পণ্ডিতসকলৰ লগত নানা শাস্ত্ৰ, নানা তত্ত্বকথাৰ আলোচনা কৰিছিল। (পৃষ্ঠা ১২৭-৫৯)

বেহাৰৰ ৰজা নৰনাৰায়ণৰ ৰাজসভালৈ অহা পণ্ডিতৰ লগত শংকৰদেৱে সংস্কৃতত চাৰি দণ্ডমান বিস্তৃত চৰ্চা কৰিছিল। কিন্তু শঙ্কৰদেৱক সিটো বাদে নোৱাৰিলা।' (পৃষ্ঠা ৩১০) আৰু শেষত, 'শূদ্ৰসম বাদ কৰিবাক যোগ্য নহয়।' (পৃষ্ঠা ৩১৮) বুলি ব্ৰাহ্মণৰ লগত বাদ কৰিব খুজিছিল। তেতিয়া শংকৰদেৱে, 'শূদ্ৰ সঙ্গে বাদে যোগ্য তুহি ব্ৰাহ্মণৰ। (পৃষ্ঠা ৩১৮) বুলিছিল। লগতে ইয়াকো কৈছিল যি ব্ৰাহ্মণে পূজা, স্নান সন্ধ্যা নকৰে তেওঁ চণ্ডাল সবাৰ। ইয়াৰ পৰাই শংকৰদেৱৰ পাণ্ডিত্য, অসমৰ পণ্ডিতসকলে কেনে ধৰণৰ চৰ্চা কৰিছিল, বাহিৰৰ পণ্ডিতসকল আহি কি অৱস্থাত পৰিছিলহি তাৰ আভাস পোৱা গৈছে।

বেহাৰত থাকোতে ৰজা নৰনাৰায়ণৰ ইচ্ছা মতে শংকৰদেৱে নানা গ্ৰন্থ ৰচনা কৰিব লগা হৈছিল। নৰনাৰায়ণৰ কৃষ্ণ চৰিত্ৰক এদিনতে শুনিবলৈ মন গল আৰু তাকো সুশ্ৰাব্য লাৱণ্যময়ী হব লাগিব বুলিছিল। ৰাজসভাত ব্ৰাহ্মণ পণ্ডিত সকলে 'হেনয় কবিতা কোনে কৰিবে পাৰয় বুলি পাচ হঁকিছিল। কিন্তু শংকৰদেৱৰ কাপৰ পৰাই 'গুণমালা' পুথি সৃষ্টি হল। আৰু ৰজাই পৰম সন্তোষ পাইছিল।

চান্দসায়ে শংকৰদেৱত শৰণ লোৱাৰ পাচত চাৰিজন বিপ্ৰ পণ্ডিত আহিছিল। চান্দসায় যবন হৈয়ো নাম ধৰ্মত শৰণ লোৱাৰ পাচত পাণ্ডিত্যৰ পৰিচয় দিব পাৰিছিল। পণ্ডিতৰ লগত তৰ্ক কৰিব পাৰিছিল। (পৃষ্ঠা ৩৩২-৩৩৩)

নদীয়াৰ পৰাও মুৰাৰি চক্ৰৱৰ্তীৰ পুত্ৰ আসুৰাৰি চক্ৰৱৰ্তী শংকৰদেৱৰ ওচৰলৈ বাদ কৰিবৰ কাৰণ আহিছিল। প্ৰথমতেই কোন শাস্ত্ৰই কৃষ্ণৰ পূৰ্ণ অৱতাৰৰ কথা কৈছে বুলি প্ৰশ্ন কৰিছিল। শংকৰদেৱে ভাগৱতৰ চতুৰ্দশ দশমৰ কথা কৈছিল। ইয়াৰ পাচত আৰু নানা তৰ্ক হৈছিল। কিন্তু শংকৰদেৱৰ পাণ্ডিত্যৰ ওচৰত হাৰ মানিবলৈ বাধ্য হৈছিল। পৃষ্ঠা ৩৩৫-৩৮)

"শঙ্কৰে বোলয়, ভাগৱতত আছে
চতুৰ্দশ দশমৰ।

যোল্ল কলা-যুক্ত পূৰ্ণ ৰূপ কৃষ্ণ
কহিছন্ত সৃষ্টিকৰ ॥" (পৃষ্ঠা ৩৩৮)

কামৰূপৰ পৰাও শাস্ত্ৰ অধ্যয়নৰ কাৰণে বাৰাণসীৰ ৰামভট্টৰ ওচৰলৈ গৈছিল। অসমত শংকৰদেৱে ভাগৱতৰ পদ অসমীয়ালৈ অনুবাদ কৰাৰ কথা কণ্ঠভূষণৰ পৰা গম পাইছিল। তেওঁ তেতিয়া,

'যাৰ মুখে ভাগৱত নাম প্ৰচাৰয়।
চতুৰ্ভূ́জ হৰি তাংক বুলিবে লাগয় ॥' (পৃষ্ঠা ৩৭৬)

বুলি 'ৰত্নাৱলী' পুথি আনি শংকৰদেৱলৈ দি শংকৰদেৱৰ ওচৰলৈ কণ্ঠভূষণক ঘূৰাই পঠাইছিল। এনে দৰে ইঠাইৰ লগত সিঠাইৰ জ্ঞানৰ আদান প্ৰদান হৈছিল, ইজনে সিজনক জানিছিল।

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজ 'শ্ৰীশ্ৰীশংকৰদেৱ নামৰ চৰিতথনিত শংকৰদেৱৰ জীৱন কথা লিপিবদ্ধ কৰিবলৈ লৈ শিক্ষা সম্বন্ধীয় কথা ঠায়ে ঠায়ে উল্লেখ কৰাই নহয় প্ৰয়োজন সাপেক্ষে বৰ্ণনাই কৰিছে।

সমাজত শিক্ষিত লোকৰ স্থান অতি উচ্চত আছিল। শংকৰদেৱে দহ-বাৰ বছৰলৈকে পঢ়াশুনা কৰিবলৈ মন নিদি লগৰিয়ালৰৰ লগত খেলা-ধূলা কৰি থকাত শংকৰদেৱৰ দেউতাকে শংকৰদেৱক এদিন মাতি কৈছিল,

'শঙ্কৰক কুসুমে যে মাতিলা সম্বোধি ॥

পঢ়িবাক উদ্যোগ নাহিকে, তোৰ মনে।
আমাৰ বংশত জানো তুমি হইবা মূৰ্খ।' (পৃষ্ঠা ৮)

সন্তানক যদি পঢ়ুৱাব নোৱাৰে বা নপঢ়ে তেন্তে মাক শত্ৰু, দেউতাক বৈৰী নিচিনা হয় আৰু 'হংস মধ্যে বক যেন শোভা নকৰয়' (পৃষ্ঠা ৮) লগতে তেতিয়া দেউতাকক ছাত্ৰশালাত নি দিবলৈ কোৱাত দেউতাক অতিশয় আনন্দিত হৈছিল। এই খিনিতে মন কৰিব লগা কথাটো হল, আন চৰিতত, বিশেষকৈ 'গুৰু চৰিত কথা'ত দেউতাক নহয় বুঢ়ীয়াক খেৰসূতীয়েহে শঙ্কৰক কোৱা বুলি উল্লেখ আছে।

বিদ্যা ধন কেনে বস্তু তাৰো বিষয়ে চৰিতকাৰে উল্লেখ কৰিছে। ধন ধান সকলোৰে ভাগ হব পাৰে, কিন্তু বিদ্যাৰত্ন মহাৰত্ন তাক কোনেও ভাগ কৰি নিব নোৱাৰে। স্বদেশত মহন্ত, ৰজাক পূজে, কিন্তু বিদ্যাৱন্তক সৰ্ব্ব ঠাইতে আদৰ কৰে, সন্মান কৰে। বিদ্যাই আচল ভূষণ। ইয়াৰ পৰাই বিদ্যা আৰু বিদ্বান লোকৰ কি স্থান জনা যায়।

তেতিয়াৰ দিনত গুৰু ঘৰত ছাত্ৰশালাত নি ছাত্ৰক শিক্ষা দিয়া হৈছিল। ব্ৰাহ্মণে চাই দিয়া দিন বাৰ নক্ষত্ৰ সতে পঢ়াৰ কাম আৰম্ভ কৰাইছিল। (পৃষ্ঠা ১০) শংকৰে পঢ়া পাঠসমূহ আছিল—ব্যাকৰণ, চৈধ্যশাস্ত্ৰ, পুৰাণ, ভাৰত, ৰামায়ণ আৰু কাব্যকোষ। সেইভাকৰ মনত আনন্দ লাগিছিল, পুত্ৰেক পণ্ডিত হব ভাবি। বিদ্যা শেষ হোৱাৰ পাচত, গুৰুক নিজ গৃহলৈ মাতি নি ভোজন কৰাই, দক্ষিণা দিছিল।

"গুৰুক আপোন গৃহে মতাই অনাইলন্ত ॥
ভোজন কৰায়া গুৰু দক্ষিণাক দিলা।" (পৃষ্ঠা ১১)

শাস্ত্ৰতৰ্ক কৰিবৰ কাৰণে বা জ্ঞান আহৰণৰ বাবে তেতিয়াৰ দিনত ইঠাইৰ পৰা সি ঠাইলৈ নানা লোকৰ আগমন হৈছিল। ত্ৰিহুতৰ পৰা বৰদোৱালৈ এজন বিপ্ৰ ভাগৱত গ্ৰন্থ পঢ়িবৰ কাৰণে আহিছিল, জগন্নাথ ক্ষেত্ৰৰ স্বয়ং জগন্নাথৰ পৰা আদেশ পায়। তেওঁৰ নাম আছিল জগদীশ মিশ্ৰ। তেনেকৈ নদীয়াৰ পৰাও এজন পণ্ডিত আহিছিল গোড়েশ্বৰ ৰাজ্যত শাস্ত্ৰতৰ্ক কৰিবৰ কাৰণে। বলধত তুলি কিতাপো লগত আনিছিল। ৰাজসভাত ৰজাক "বাদ কৰো পণ্ডিতক দিয়া বাজ কৰি" (পৃষ্ঠা ৮৩) বুলি আহ্বান কৰিছিল। প্ৰথম অৱস্থাত নদীয়াৰ পণ্ডিতে গোড়েশ্বৰৰ পণ্ডিতক পৰাজিত কৰিছিল। কিন্তু বন্দীশালাত বন্দী হৈ থকা শংকৰদেৱৰ উপবিপুৰুষ চণ্ডীবৰক শেষত পণ্ডিতৰ লগত বাদ কৰিবৰ কাৰণে সন্মুখ কৰিছিল। পণ্ডিতে তেওঁৰ গাৱৰ নাম 'পত্তনিপুৰ' বুলি কৈছিল আৰু চণ্ডীবৰে 'গোপৰিয়া' গ্ৰাম বুলি কৈছিল। পণ্ডিতে চণ্ডীবৰক কৈছিল,

'একে গৰু নাম আৰো গৰিয়া অধম।
আমাৰ পত্তনিপুৰ নগৰী উত্তম ॥' (পৃষ্ঠা ৮৪)

কিন্তু চণ্ডীবৰে উত্তৰ দিছিল, 'গৰুৰ গোবৰে শুদ্ধ কৰে সৰে প্ৰাণী।' (পৃষ্ঠা ৮৪) চণ্ডীবৰৰ উক্ত যুক্তিয়ে পণ্ডিতক নিমাত কৰিছিল। কাৰণ পত্তনিপুৰ অশুচি ঠাই, খাই এৰা বস্তু পেলোৱা ঠাই। গৰুৰ গোবৰেৰেহে ঠাই শুদ্ধ কৰিব পৰা যায়!

অসমত সংস্কৃত শিক্ষা চৰ্চা আছিল, সংস্কৃত পাঠ পঢ়ুৱাইছিল, শংকৰদেৱে পণ্ডিতসকলৰ লগত সংস্কৃততে কথা কৈছিল, বাদ কৰিছিল। "পুছিলন্ত শঙ্কৰে বুলিয়া সংস্কৃত ॥" (পৃষ্ঠা ১৩১)

অসম দেশৰ পৰা কণ্ঠভূষণ বাৰাণসীত বেদান্ত পঢ়িবলৈ গৈছিল ব্ৰহ্মানন্দৰ ওচৰত। ষাঠি সত্তৰজন ছাত্ৰই ব্ৰহ্মানন্দৰ ওচৰত বেদান্ত পঢ়িছিল। কণ্ঠভূষণৰ বেদান্ত পঢ়াৰ ধৰণত ব্ৰহ্মানন্দ আচৰিত হৈছিল, "তোমাৰ বাক্যত তেৰে পঢ়া ভাগৱত" বুলি। (পৃষ্ঠা ১৩৫) কণ্ঠভূষণে হেতিয়া শংকৰদেৱৰ কথা কৈছিল, এজন পৰম বৈষ্ণৱে স্ত্ৰী শূদ্ৰ সকলোৱে পঢিব পৰাকৈ ভাগৱত প্ৰচাৰ কৰিছে বুলি। ভাগৱতৰ একাদশ স্কন্ধৰ কথা কণ্ঠভূষণৰ পৰা ব্ৰহ্মানন্দই জানি ইমান অভিভূত হৈছিল যে শংকৰদেৱৰ পৰিচয় লৈছিল আৰু কণ্ঠভূষণক কৈছিল, তেনে এজন পণ্ডিতলোক থাকোতেও তেওঁ কিয় বাৰাণসীলৈ আহিল, পাচত 'ৰত্নাৱলী' পুথিখন (বংশাৱলী বুলিছে) শংকৰদেৱলৈ কণ্ঠভূষণৰ হাতত দি পঠাইছিল। ইয়াৰ পৰা,

"মহন্তৰ মান মহাজনেসে জানয়।
যেন সুবৰ্ণ বৰ্ণ বনিয়া চিনয় ॥" (পৃষ্ঠা ১৩৭) বুজিব

পাৰি। যাতায়াতৰ অসুবিধাই দূৰত্বৰ ক্ষেত্ৰতো ব্যৱধান আনিব পৰা নাছিল। শিক্ষা আহৰণৰ কাৰণে ইঠাইৰ পৰা সিঠাইলৈ যাতায়াতৰ ব্যৱস্থা কৰি লৈছিল। ৰত্নাৱলী পুথিখন পৰম ৰহস্য গ্ৰন্থ আৰু "আৰ অৰ্থ বুঝান দুস্কৰ" (পৃষ্ঠা ১৪২) বুলি শংকৰদেৱে মাধৱদেৱক অসমীয়াত ৰচনা কৰিবলৈ কৈছিল। বিষ্ণুপুৰি সন্ন্যাসীৰ ৰচিত 'ৰত্নাৱলী'ত শিৰভাগ নাছিল, যত কৃষ্ণৰ এক শৰণৰ কথা পাচত সংযোগ কৰি দিছিল। শঙ্কৰদেৱে মাধৱদেৱক কৈছিল,

"ভক্তি ৰত্নাৱলী ভায়্য পৰম ৰহস্য গ্ৰন্থ
আৰ অৰ্থ বুঝন দুস্কৰ।
পদবন্ধো কৰিয়োক লোকত প্ৰচাৰ হোক
শুনি নিস্তাৰোক সবে নৰ ॥" (পৃষ্ঠা ১৪২)

(৪) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ

দামোদৰদেৱৰ জীৱন কথা লিপিবদ্ধ কৰোতে যি কথা শিক্ষা সম্বন্ধে আহৰণ কৰিছিল তাকেই চৰিতকাৰে উল্লেখ কৰিছে।

নবদ্বীপৰ পৰা 'চাৰি বেদ চৈধ্য শাস্ত্ৰ পুৰাণ' জনা এজন দ্বিজ পণ্ডিত "ভ্ৰমন্তে ভ্ৰমন্তে শতানন্দ গৃহ পাইলা।' (পৃষ্ঠা ২৬) সতানন্দই ব্ৰাহ্মণ পণ্ডিতক দেখি সংস্কৃতত সুধিছিল কৰ পৰা আহিছে, কি কথা। ব্ৰাহ্মণেও তেনেকৈ উত্তৰ দিছিল, 'মাধৱ কামাখ্যা দেবী চুবো বাঞ্ছা চাই। (পৃষ্ঠা ২৭)

"ছাত্ৰশালী কৰাইবা আসিলেঁ। বাত্ৰা পাই ॥" (পৃষ্ঠা ২৭)

সতানন্দৰ ঘৰতে তিনি পুত্ৰ দেখা পাই পণ্ডিতে, 'দিয়োক পঢাও যেন যয় কীৰ্তি বয়। (পৃষ্ঠা ২৭) বুলি কোৱাত সতানন্দই অতি আনন্দ মনেৰে ছাত্ৰশালী কৰাই দিছিল। ব্যাকৰণ, চাৰি বেদ, চৈধ্য শাস্ত্ৰ, গীতা, ভাগৱত আদি পঢ়াইছিল। আনকি বিদেশৰ পৰাও ছাত্ৰ আহি এই নবদ্বীপৰ পণ্ডিত কলাপচন্দ্ৰৰ ছাত্ৰশালাত পঢ়িছিলহি। সকলোৰেই দক্ষিণা দিছিল, এই ছাত্ৰশালাত পঢা সকলোৰেই বিদ্বান হৈছিল। দামোদৰ সকলোতকৈ শ্ৰেষ্ঠ হৈছিল।

দামোদৰদেৱৰ কথাৰেক বয়াকৰৰ তিনি পুত্ৰ হৈছিল। ব্যাকৰণ আদি কৰি গীতা, ভাগৱত আৰু য'ত শাস্ত্ৰ আদি পঢ়ি পণ্ডিত হৈছিল।

"ব্যাকৰ্ণক আদি কৰি শাস্ত্ৰ যত যত।
গীতা ভাগৱত পঢ়ি পণ্ডিত হৈলন্ত ।।" (পৃষ্ঠা ৯৯)

ভট্টদেৱে গীতা, কথাত বচনা কৰিছিল। 'ভণিলে অৰ্থক বুজে যত মূঢ় জন। (পৃষ্ঠা ১৫৭) সৰ্ব শাস্ত্ৰৰ সাৰতত্ত্ব যাতে জনসাধাৰণে বুজি পাই তাৰ কাৰণে এই পুঁথি ৰচনা কৰিছিল। দামোদৰদেৱে অতি সন্তোষ পাই 'ভট্টাচাৰ্য' উপাধি দিছিল। (পৃষ্ঠা ১৫৮)

শিক্ষিতসকলে সংস্কৃত কথিত আৰু লিখিত ভাষা ৰূপে ব্যৱহাৰ কৰিছিল। কবিৰত্ন আৰু হৰি মিশ্ৰ তাৰ উদাহৰণ। "সংস্কৃতে দুইকো দুয়ো পৰে কথা কৈলা।" (পৃষ্ঠা ১৫৯)

(৫) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱ চৰিত

দৈত্যাৰি ঠাকুৰৰ চৰিতথনিত শিক্ষা জীৱন সম্বন্ধে বৰ বিশেষ পাবলৈ নাই যদিও ভাৰতৰ বিভিন্ন ঠাইৰ পৰা যে পণ্ডিতসকল অসমলৈকো আহিছিল, অসমৰ পণ্ডিতসকলৰ পাণ্ডিত্যৰ পৰিচয় পাইছিল আৰু নিজেও শাস্ত্ৰ তৰ্ক কৰি পাণ্ডিত্যৰ পৰিচয় দিছিল তাৰ কথা জনা যায়। অন্ধৰাদি ভট্টাচাৰ্য বাৰাণসীৰ

পৰা আহিছিল মাধৱদেৱৰ পাণ্ডিত্যৰ কথা শুনি আলাপ কৰিবৰ কাৰণে। মাধাৱদেৱৰ লগত পৰিচয় হোৱাৰ পাচত, অসুৰাৰি ভট্টাচাৰ্য্যই সুধিছিল,

শুনিয়ো মাধৱ তোৰা এখানি অকাৰ্য্য কৰা
ভেদ কৰি কোৱা হৰি হৰ।' (পৃষ্ঠা ২৯৪)

মাধৱদেৱে নানা শাস্ত্ৰত থকা মতভেদৰ কথাৰে প্ৰশ্নৰ উত্তৰ দিছিল। অসুৰাৰি ভট্টাচাৰ্য্য উত্তৰত সন্তুষ্ট হৈছিল আৰু "মাধৱ মনুষ্য নুহই' (পৃষ্ঠা ২৯৬) বুলি ভাবিবলৈ বাধ্য হৈছিল।

বিজয়পুৰৰ পৰা আহি অসুৰাৰি ভট্টাচাৰ্য্য সুন্দৰীত এবেলা আছিল। মাধৱদেৱক ভেঁও 'যায়ো বাপু তুমি হাজো নীলাচল থান॥' (পৃষ্ঠা ২৯৭) বুলিছিল।

(৬) গুৰু চৰিত কথা—সম্পাদনা ড° মহেশ্বৰ নেওগ

'গুৰু চৰিত কথা'ত পূৱৰ পৰা উত্তৰ পূব অঞ্চলত থকা শিক্ষা ব্যৱস্থাৰ শিক্ষাৰ কেন্দ্ৰবোৰৰ বিষয়ে যিমান তথ্য সংগ্ৰহ কৰিব পাৰিছে লিপিবদ্ধ কৰিছে।

শংকৰদেৱৰ আৰু পূৰ্ব্বকালৰ শিক্ষাৰ ঘাই কেন্দ্ৰবোৰ আছিল,

(১) শংকৰদেৱৰ এজন উপৰ্বিপুৰুষ লওৰৰে পঢ়া কৌশিকৰ ছাত্ৰশালা। (পৃষ্ঠা ৭)

(২) শংকৰদেৱ পঢ়া শিৱৰিৰ মহেন্দ্ৰ কন্দলিৰ ছাত্ৰশালা। (পৃষ্ঠা ২২)

(৩) মাধৱদেৱে শিক্ষা আহৰণ কৰা বাস্তকাৰ ৰাজেন্দ্ৰ অধ্যাপকৰ ছাত্ৰশালা। (পৃষ্ঠা ৫৩)

(৪) সালচকাৰ দেৱদত্ত অধ্যাপকৰ ছাত্ৰশালা। (পৃষ্ঠা ১৬৩)

(৫) চিৰহাটিৰ যাদইন্দ্ৰ ভট্টাচাৰ্য্যৰ ছাত্ৰশালা। (পৃষ্ঠা ২৬১)

(৬) পুৰুষোত্তম ঠাকুৰৰ উচ্চ শিক্ষাৰ স্থান পটকিৰ জইবৰ (পৃষ্ঠা ৪৯৮) অধ্যাপকৰ ছাত্ৰশালা আদিয়েই প্ৰধান আছিল।

ইয়াৰ বাহিৰে বাৰাণসী, হৰিদ্বাৰ, নদীয়া, শান্তিপুৰ আদি লৈকো বিদ্যাৰ্থী আৰু পণ্ডিতসকলক আকৰ্ষণ কৰিছিল। ৰজা নৰ-নাৰায়ণ আৰু ভায়েক চিলাৰায় বাৰাণসীলৈ শিক্ষা লবলৈ গৈছিল।

কামৰূপত সংস্কৃত ভাষাৰ প্ৰচলন থকাৰো প্ৰমাণ পোৱা যায়। শান্তিপুৰৰ শাস্ত্ৰতৰ্ক কৰিবৰ কাৰণে বাঠিজন ছাত্ৰ লগত লৈ চন্দ্ৰ কৰি নামৰ পণ্ডিতজনৰ লগত

চণ্ডীবৰে সংস্কৃত ভাষাত চৰ্চ্চা কৰিছিল। 'পাছে চণ্ডীবৰে সংস্কৃতত চৰ্চিলে (পৃষ্ঠা ৯) আৰু পণ্ডিতে চণ্ডীবৰৰ পাণ্ডিত্যত 'আশ্চৰ্য্য অদ্ভুত হৈ ৰাজেৰে নপাৰো কেন জানি ভয় মানি' (পৃষ্ঠা ৯) স্তুতি কৈছিল। ইয়াৰ পৰাই তেতিয়াৰ দিনত অসমত সংস্কৃত ভাষাৰে চৰ্চ্চা কৰা, শিক্ষা গ্ৰহণ কৰাৰ কথা জানিব পৰা যায়।

বিদ্বান লোকৰ কি সন্মান আৰু স্থান সেই সম্বন্ধেও যেৰ যুক্তি আয়ে যাৰ বহুৰ বয়সীয়কে পঢ়া শুনাইলে মন নকৰা শংকৰদেৱক কোৱা কথাৰ পৰাই ধৰিব পৰা যায় —'ৰাজাক স্বদেশে হে পূজে' বিদ্যাবন্ত সৰ্ব দেশে পূজ্য.' (পৃষ্ঠা ২২) আৰু সন্তানক ভাল শিক্ষা দিব নোৱাৰিলে মাক বাপেক শত্ৰুৰ দৰে হয় সেই কথাও কৈছিল।

শংকৰদেৱৰ গুৰু গৃহত শিক্ষাৰ বিষয়সমূহ হ'ল—চাৰি বেদ চৈধ্য শাস্ত্ৰ, অষ্টাদশ পুৰাণ অষ্টাদশ ভাৰত চৈধ্য ব্যাকৰণ অষ্টাদশ তন্ত্ৰ, অষ্টাদশ কাব্য। আঠাৰ কোশ আৰু আনেক শাস্ত্ৰ। কন্দলিৰ ছাত্ৰশালাৰ পৰা আহি শংকৰৰ যোগশাস্ত্ৰ পঢ়িবলৈ আছিল তাকো পূৰা কৰিছিল। "যোগশাস্ত্ৰ পঢ়িবলৈ আছিল গৃহতে পঢ়ি অন্ত এপৰো বুৰ দি থাকে বস্ত্ৰ নিনিন্তে।" (পৃষ্ঠা ২৫)

যি ঘৰত পঢ়া শুনা, গীত মাত আদিৰ চৰ্চ্চা থাকে, সেই ঘৰৰ দাস দাসী, বান্দী বেটীৰো অল্প হলেও সেই সম্বন্ধে জ্ঞান থাকে। শংকৰদেৱৰ ঘৰত হোৱা নানা উচ্চ চিন্তা, চৰ্চ্চাৰ নমুনা পোৱা যায় শংকৰদেৱৰ ঘৰত থকা চন্দৰী আইৰ পৰা। শংকৰদেৱে সাত বৈকুণ্ঠৰ পট আঁকি, 'কল্পক দিবলৈ ভ্ৰম হৈ ঠাঁই থাই আছে। চন্দৰী আ এ থান হতাইছিল: বোল ভকতৰি সেইখিনিতে নিদিয়া কিয় ঈশ্বৰৰ কাষে সপ্তম বাব আগ কৈ। তেহে গুৰু দিছে:' (পৃষ্ঠা ৩১) শংকৰদেৱকো আঁত ধৰি দিব পাৰিছিল চন্দৰী আয়ে।

মাধৱদেৱক, ৰুকায়েকৰ ঘৰত থকা অৱস্থাতে ৰাতুকাৰ ৰাজেন্দ্ৰ অধ্যাপকৰ ছাত্ৰশালত পঢ়িবলৈ ৰুকায়েকে নাম লগাই দিছিল। 'এক বৰে সাত ব্যাকৰ্ণ ভাৰত পুৰাণ ভাগৱতৰো হুকিত হল: একবাৰ কলে পুছ কম নালাগে।'

(পৃষ্ঠা ৫৩)

শাস্ত্ৰ চৰ্চ্চাৰ কাৰণে, জ্ঞান আহৰণৰ কাৰণে ইখন দেশৰ পৰা সিখন দেশলৈ পণ্ডিতলোক, ছাত্ৰৰ অহা-যোৱা কৰিছিল। কণ্ঠভূষণ ভাৰৰ পণ্ডিত বিচাৰি বাৰাণসী পাইছিল গৈ (পৃষ্ঠা ১৩৭) বাৰাণসীৰ ব্ৰহ্মানন্দই কণ্ঠভূষণৰ পৰা শংকৰদেৱৰ পাণ্ডিত্যৰ কথা সুন পাই "বাৰাণসী" পুথিখন পঠাই শংকৰদেৱক মনতাৰ কৰি এটা

শ্লোক ৰচনা কৰি ব্ৰহ্মানন্দ ভট্টাচাৰ্য্যই কণ্ঠভূষণৰ হাতত দিছিল। "পূৰ্বৰ গুৰু চৰিত্ৰে কৈ ব্ৰহ্মানন্দে : শ্ৰীশঙ্কৰদেৱক নমস্কাৰ কৰি এটা শ্লোক কৰি দিছে। ভকতক নমস্কাৰ কৈ এক শ্লোক. ধূলা ভূমিক নমস্কাৰ কৈ এক শ্লোক : দিশ নমস্কাৰ কৰি এক শ্লোক দিচে॥" (পৃষ্ঠা ১৪৭)

পশ্চিম দেশৰ পৰা কবিচন্দ্ৰ নামে এজন লোক তিনিবাৰ্তি ছাত্ৰলৈ নৰনাৰায়ণৰ ৰাজ্য পালেহি 'আমাক পণ্ডিত লাগে বাদ কৰিবলৈ' (পৃষ্ঠা ১৬১) বুলি। ৰজাই পণ্ডিতসকল আনি সুধি চালে, সকলো পাচ গুহকিছিল, ৰজাই লাজ পাই কোৱাই ছিল, 'মোৰ দেশত বামুণে বামুণক জিনিব আমি তাত কি যশস্যা পাম হবঃ আমাৰ জি শূদ্ৰ শংকৰ নামে লক্ষৰ আছে. তেওঁকে জিনিলে দেশে সমে সবেও তাতে ভঙ্গ জাম॥" (পৃষ্ঠা ১৬১) শংকৰদেৱক ৰজাৰ ঠাইত বিচাৰি নেপাই শংকৰৰ বাৰ্ত্তা যাকে সোধে, খৰিভৰি পৰ্য্যন্ত সংস্কৃতত উত্তৰ দিছিল, শেষত চিলাৰায়ৰ ওচৰত উপস্থিত হৈছিল গৈ। শংকৰদেৱে নৱম স্কন্ধ ভাগৱত লিখি আছিল। শংকৰদেৱে নিজকে শংকৰৰ কিংকৰ বুলি চিনাকি দিছিল শূদ্ৰে ভাগৱত লিখিব পঢ়িব নপৰা ' (পৃষ্ঠা ১৬২) বুলি পশ্চিম দেশৰ পণ্ডিতৰ শিষ্যই কোৱাত শংকৰদেৱে কৈছিল, কেৱল 'দ্বিজ বন্ধু'বেহে নেপায়, শূদ্ৰই পায়। 'দ্বিজ-বন্ধু নো কোন বুলি সোধাত শংকৰদেৱে, এনেকৈ আমি কিয় কম, তোমাৰ অধ্যাপকক সোধাগৈ কব নুপাৰে যদি ভঙ্গ মানি আমাত সুধিবাহি কম আমি

(পৃষ্ঠা ১৬২)

তাৰোপৰি সেই পণ্ডিত আৰু ছাত্ৰসকল নদীয়াৰ পৰা আহিছে বুলি আৰু বাটত যতে চাউল পাইছে তাতে খাই আহিছে বোলাত, শংকৰদেৱে কৈছিল, তিনি দিন শূদ্ৰৰ চাউল খালে বামুণৰ জাত যায়। সিমান পৰলৈ গাও ধোৱা নাই বুলি গম পাই শংকৰদেৱে নিন্দাও কৰিছিল। পণ্ডিতৰ ছাত্ৰই গৈ শংকৰৰ কিংকৰহে লগ পালে আৰু 'দ্বিজবন্ধু'ৰ কথাও কৈছিল বোলাত পণ্ডিতে ভাগৱত, পুৰাণ, ৰামায়ণ, গীতা, স্মৃতি, ব্যাকৰণ, অমৰ কাব্য, জ্যোতিষ, সংহতি সকলোতে বিচাৰি চায়ো ক তো নোপোৱাত, 'শংকৰৰ কিংকৰেই এমান শংকৰে পালে থৰ কি পুৱা হলে লঘুকৈ ঘৰ লৈ দেহকে মাৰিবঃ' (পৃষ্ঠা ১৬৩) বুলি ৰাতিয়েই পলাইছিল। এই ঘটনাৰ পৰা বেহাৰত খৰি তাৰিয়েও সংস্কৃত কব পৰাৰ কথা জনা যায়, সংস্কৃতত কথা কব পৰাটোৱেই দেশৰ উন্নত মানদণ্ডৰ কথাকে জনায়। শংকৰদেৱৰ পাণ্ডিত্যৰটো পৰিচয় দিয়েই।

ৰজা নৰনাৰায়ণৰ ৰাজসভাত থকা সময় চোৱাই শংকৰদেৱৰ প্ৰতিভাৰ পূৰ্ণ বিকাশৰ সময় আছিল। ৰজা নিজে বিদ্বান আৰু পণ্ডিত লোক আছিল। তেওঁৰ ৰাজসভাত পণ্ডিত লোকৰ আশ্ৰয়ৰ স্থল আছিল আৰু উৎকৃষ্টখিনি উলিয়াই লব জানিছিল। নৰনাৰায়ণৰ ৰাজসভাত থকোতেই ভুকুকাত হাতী ভৰোৱা (পৃষ্ঠা ১৫৭), গুণমালা পুথি (পৃষ্ঠা ১৬৮) আদি শংকৰদেৱৰ উৎকৃষ্ট ৰচনাৰ নিদৰ্শন।

নদীয়া, শান্তিপুৰৰ লগত অসমৰ শিক্ষা আহৰণ কৰাৰ ক্ষেত্ৰতো যাতায়াতৰ আছিল। ঐচুাত গুৰুৱে নদীয়া, শান্তিপুৰত পঢ়িবলৈ যাবলৈ ওলোৱাৰ কথা চৰিতখনিত আছে, 'গোলে নদিয়া শান্তিপুৰে পঢ়াইে.' (পৃষ্ঠা ২১৩)। কিন্তু শ্ৰীৰাম আতাই পাই মাধৱদেৱৰ ওচৰলৈহে লৈ গৈছিল।

(৬) বনগঞাগীৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

বনগঞাগীৰিয়ে হৰিদেৱৰ জীৱন কথাৰ লগতে সেই সময়ৰ শিক্ষা সম্বন্ধীয় কথাও দুই এটা সন্নিবিষ্ট কৰিছে।

কাশীৰ পৰা কামৰূপৰ অধিপতি ভাস্কৰ ৰমণে অনা পণ্ডিত নৰোত্তমক অশ্বক্ৰান্তত পঢ়াশালী পাতি দিছিল। অষ্টাদশ বৰ্ষ তেওঁ সেই পঢ়াশালীত ছাত্ৰক পঢ়ুৱাইছিল। (পৃষ্ঠা ১১)

নৰোত্তমৰ উত্তৰ পুৰুষ শ্ৰীপুৰুষোত্তমে ৰত্নমালা ব্যাকৰণ ৰচনা কৰিলে। তেওঁ কোচ ৰহ ৰংগ যোৱাত, তেতিয়াৰ ৰজা শ্ৰীমন্নদেৱে প্ৰকাশ কৰিছিল। (পৃষ্ঠা ১৩)

অজনাতে মোমায়েকৰ সহযোগত পাণিনিৰ ব্যাকৰণ পঢ়ি তাৰ পাচত নৱদ্বীপত গৈ আন পাঠ পঢ়িছিল গৈ। পৃষ্ঠা ১৩) অশ্বক্ৰান্তত চাৰি বছৰ পঢ়াশালী কৰি আছিল। (পৃষ্ঠা ১০) তাৰ পাচত নাৰায়ণপুৰলৈ গৈ, 'পৰ্হাসাণি ক'ৰবা আচিলা একবৰ'। (পৃষ্ঠা ১৪)

হৰিদেৱক ষষং শ্ৰীকৃষ্ণই গোপাল ৰূপত সন্ধ্যা গায়ত্ৰি আদিৰ অৰ্থ বুজাই গৈছিলহি। (পৃষ্ঠা ৩৭) তাৰ পাচত জেউতাক অজনাতে,

'কোৰা দৰ্শন শাস্ত্ৰ সেবে পৰি দৰা।
' নাম্বৃত্তি ব্যাকৰণ যোত সমস্ত শিৰীৰা ॥' (পৃষ্ঠা ৪১) বুলিছিল।

হৰিদেৱক কাশীধামত সপোনত বেদ পঢ়িবৰ কাৰণে এজন বুঢ়াই সুৰত হাত ধৈ লৈছিল আৰু ব্ৰহ্মানন্দ নামে বেদ বিশাৰদ জনৰ ওচৰত বেদ অধ্যয়নৰ কাৰণে থৈছিল। পূৰ্ব্বতে পঢ়াৰ সবিশেষ জানি ব্ৰহ্মানন্দ বেদাচাৰ্য্য জনে,

'কালি শুভ দিন
বেদাৰম্ভ কৰিওক।' (পৃষ্ঠা ১৩৬) বুলিছিল।

(ক) ধৰ্ম জীৱনৰ কথা, ধৰ্মীয় পৰিবেশ :

মধ্য যুগৰ অসমৰ চৰিত পুথিসমূহত ধৰ্ম জীৱনৰ আৰু ধৰ্মীয় পৰিবেশৰ বিশদ বিৱৰণ আছে। সেই সময়ত অসমত ধৰ্ম জীৱন কেনে আছিল, কি হৈছিল, বিভিন্ন দেৱী দেৱতাক উপাসনা কৰাসকলৰ মাজত কেনেকুৱা সম্বন্ধ আছিল—সকলো কথাকে বিষদভাৱে বৰ্ণনা কৰিছে। অসমৰ ধৰ্ম জীৱনৰ ইতিহাস অতি আমোদজনক। Encyclopeadia of Religion and Ethics-ত অসমৰ ধৰ্ম সম্বন্ধে উল্লেখ কৰিছে যে, 'ভাৰতবৰ্ষৰ ভিতৰত অন্য কোনো দেশেই অসমৰ দৰে প্ৰীতিজনক বিষয়, হিন্দু ধৰ্ম সম্বন্ধে অধ্যয়ন কৰা ছাত্ৰসকলৰ কাৰণে হব নোৱাৰে।[১]

অসমত বৈষ্ণৱ আদৰ্শৰ প্ৰথম উদ্ভৱ, প্ৰচাৰ আৰু প্ৰসাৰত বৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্ত্তক শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ প্ৰমুখে যেৱা গুৰুজনৰ অনুগতসকলৰ কেনে পৰিস্থিতিৰ সম্মুখীন হৈছিল আৰু শেষ পৰিণতি কি হৈছিল, তাৰ বিশদ বিৱৰণ চৰিত পুথিসমূহত আছে।

'সাধুসকলে কয়—মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম ভাৰতৰ আন আন বৈষ্ণৱ ধৰ্মৰ লগত পাৰ্থক্য আছে। ইয়াক বৈষ্ণৱ ধৰ্ম বুলি 'একশৰণ হৰিনাম ধৰ্ম' বুলিবহে লাগে। কাৰণ ইয়াৰ বৈশিষ্ট হল, ইয়াত বিগ্ৰহাদি পূজা অৰ্চ্চনা বিধি বিধান আদিৰ প্ৰাধান্য নাই। এই ধৰ্মৰ শৰণ লৈ ভগৱৎ ভক্তি লাভ কৰিলে মানুহৰ অন্তৰৰ পৰা জাত্যাভিমান দম্ভ গৰ্ব্ব অহংকাৰ ঈৰ্ষা দূৰ হয়। বৰ সৰু উচ্চ নিচ ভাব নেথাকে। ভক্ত মাত্ৰেই এক জাতি হয়। ভক্তৰ সেৱাই তথা মানৱ সেৱাই ভক্তৰ প্ৰধান ধৰ্ম্ম বা কৰ্ত্তব্য হয়।'[২]

1 There is no part of India which is more interesting in some respect to the Student of Hinduism than the Assam Valley.

Vol. II, 1981, Assam, Religious History, Page 131.

২ মহেশ্বৰ গোঁসাই সংকলিত, শ্ৰীগোপালদেৱ কথা চৰিত, ১৯৮৫, পৃষ্ঠা ১৮

তলত চৰিত পুথিসমূহত পোৱা ধৰ্ম সম্পৰ্কীয় কথাসমূহৰ টোকা দিয়া হল।

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

শংকৰদেৱৰ পৰিয়াল স্বয়ং দেৱী উপাসক আছিল। শংকৰদেৱৰ উপৰি পুৰুষসকলে নানা দেৱ দেৱীক উপাসনা কৰি পুত্ৰ, কন্যা সন্তান লাভ কৰিছিল আৰু সেই মতে সন্তানসকলৰ নামাকৰণো কৰিছিল। শংকৰদেৱৰ জন্মই সদাশিৱৰ বৰত। আনকি শংকৰৰ জন্মৰ একাদশ দিনা শুদ্ধ হবৰ কাৰণে 'কৰন্ত দেৱীক স্তুতি লেখা দিবো কত। (পৃষ্ঠা ১১৯) শংকৰৰ পিতৃয়ে পৃথিৱীত পৰি পৰি দেৱীক স্তুতি কৰিছিল, 'হয়ো দশভূজা তুষ্ট বৰ মাগো আমি।' (পৃষ্ঠা ১১৯) ইয়াৰ পৰা দেশত পূৰ্ণদমে চলি থকা শাক্ত, শৈৱ ধৰ্মৰ কথা জানিব পাৰি।

সত্যসন্ধা আৰু কুসুম্বৰক দেৱীয়ে সপোনত কৈ থৈছিল যে তেওঁৰ গৃহতে চক্ৰপাণি আছিছে, তেৱেই দেৱাদিদেৱ, তেওঁৰ বাহিৰে কোনো নাই। 'আৰাধো বন্দনি এন্তে জানা সবাৰে সাৰ।' (পৃষ্ঠা ১২১) ইয়াৰ পৰা দেৱী পূজাৰ ঠাইত বিষ্ণু সেৱাই ঠাই লব তাৰেই ইংগিত দিছিল।

দেশত শিৱ আৰু দেৱী দুয়োৰে উপাসনা চলিছিল। কুসুম্বৰে দেৱী আৰু শিৱ দুয়োকে আৰাধনা কৰিছিল।

স্নান কৰি কুসুমে শিৱক নমিলন্ত।' (পৃষ্ঠা ১৪১)
ষোগ নাম মন্ত্ৰ স্মৰি গৃহে পশিলন্ত।'

তাৰ পাচত কুশাস্থি লিখি কুসুম্বৰে 'প্ৰথমতে দেৱীক পূজি কৰিলা ভকতি। (পৃষ্ঠা ১৫৩) আন হাতে বেদৰ মন্ত্ৰও উচ্চাৰণ কৰিছিল কুসুমৰ ভাৰ্য্যাৰ মৃত্যুত।

"বেদমন্ত্ৰ উচ্চাৰিলা সবে ভিন্ন ভিন্ন।" (পৃষ্ঠা ১৫৩)

শংকৰৰ অতি শিশু কালৰ এটি অলৌকিক কৰ্মৰ মাজেদি দেৱী পূজাৰ অৱসান আৰু বিষ্ণু সেৱাই স্থান লোৱাৰ যেন ইংগিত দিছিল। শংকৰ ছমাহত, আঠুকাঢ়ি ফুৰাৰ অৱস্থাতে,

'হাতিশাল লোমাই চক হাতি ভয়ে যাই।
দেৱীক মূৰ্তিক ধৰে মুণ্ড ওলটাই। (পৃষ্ঠা ২০৫)

আকৌ কেতিয়াবা 'মঠ জুৰি বসে দেৱী মূৰ্তিৰ ওপৰে।' (পৃষ্ঠা ২০৫)

লবা কালত শংকৰৰ কথা মতে নগৰ লৰাবিলাকে দেৱী পূজা কৰোতে গছৰ গুৰিত জল ফুল দি, মন্ত্ৰ পঢ়ি, শংকৰেও ‘দেৱী পূজা সবে কৰো মূৰ্ত্তি সাজি প্ৰাণ্য পাবো’ (পৃষ্ঠা ২৮৭) বোলা কথাষাৰত আচৰিত লাগিলেও শেষত দেখা গল বৃক্ষৰ মূলৰ পৰা সূৰ্য্যসম জ্যোতিৰে কন্যা এটি ওলাই মৌন থাকি ‘শংকৰৰ পায়ে লীন গৈল। (পৃষ্ঠা ২৮১) ইয়াৰ পৰা হয়তো দেৱী পূজাৰ ঠাইত শংকৰে বিষ্ণু নামৰ মাহাত্ম্য প্ৰচাৰ কৰিব তাৰেই আগ জাননী দি ছিল। নহলে শংকৰত দেৱীৰ লীন যোৱাটো কিয় দেখুৱাব ?

"স্তব্ধ দিয়া আছে চাই কন্যাগোট পাচে যাই
শঙ্কৰৰ পায় লীন গৈল।" (পৃষ্ঠা ২৮৯)

শংকৰদেৱ আৰু ভূঞা'সকল তেঁৱেঁাৰানি জানলৈ বুলি আছিল তাতেই পূৰ্বৰ পিতামহৰ ভেটি দেখা পাই ছিলহি। কীৰ্ত্তন ঘৰ সাজিবৰ কাৰণ শংকৰদেৱে নিজে কোৰ লৈ মাটি খান্দাতে চতুৰ্ভূজৰ মূৰ্ত্তি এটা পাই ছিল। শংকৰদেৱৰ আনন্দৰ পাৰ নাইকিয়া হল, ‘হৰিৰ মোহোক কোনে যেথা॥' (পৃষ্ঠা ৩৪৯) বুলি। তেতিয়া শংকৰে সকলোকে কৈছিল ‘দেৱী পূজা এৰি সাৰ লৈবে কৃষ্ণ নাম।' (পৃষ্ঠা ৩৫০) তাৰ পাচত কীৰ্ত্তন ঘৰ সাজি ‘আসনত মূৰ্ত্তি থাপিলন্ত।' (পৃষ্ঠা ৩৫০) কিন্তু ৰাম ৰাম গুৰুৱে এদিন পূজা কৰিবলৈ লৈ দেখিছিল আসনত মূৰ্ত্তি নাই। বিচাৰি শংকৰদেৱৰ পিনে চাওঁতেই,

"দেখন্ত এ গোটা মূৰ্ত্তি তান গাৱ হন্তে।
মুখ হন্তে বাজ ভৈলা চাহিয়া আছন্ত॥" (পৃষ্ঠা ৩১০)

ফাকু উৎসৱৰ কথা প্ৰথম পোৱা যায়। তেঁৱেঁাৰানিত দোল বাদ্ধি ফাকু উৎসৱ কৰিবৰ কাৰণে শংকৰদেৱে মুৰৰাপুৰলৈ লোক পঠাইছিল। (পৃষ্ঠা ৩৫৩) তেতিয়াৰ পৰা দেশত ফাকু উৎসৱৰ প্ৰচলন হল ফাকু খেলাৰো প্ৰচলন হল,

‘আসনে তুলিয়া গোবিন্দক ফুৰাইলন্ত।' (পৃষ্ঠা ৩১৮)

গোসাই ফুৰাওঁতে শংকৰদেৱে বাজনা বজাইছিল খোল তাল বজাইছিল। গায়নসকলে গীত কীৰ্ত্তন কৰিছিল। (পৃষ্ঠা ৩১৮) অসমত বৈষ্ণৱ আদৰ্শ, বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাত শংকৰদেৱে সংযোগ কৰা গীত আৰু নৃত্যই অশেষ বৰঙণি যোগাইছিল।

শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ গৈ জগন্নাথ ক্ষেত্ৰত ৰূপ আৰু সনাতন নামে দুজন বৈষ্ণৱ ভক্ত কৰাই তাইক লগ পাইছিল।

'একে নাম ধৰ্ম আন নাহি কৰ্ম
কহিছো এক শৰণ।' (পৃষ্ঠা ৪৩৪)

বুলি ৰূপ সনাতনে নিজৰ ধৰ্মমতৰ কথা শংকৰদেৱক জনাইছিল। শংকৰদেৱৰ লগত ৰূপ আৰু সনাতন সীতাকুণ্ড লৈকো গৈছিল। তাতো ৰাম আৰু কৃষ্ণক অভেদ দেখুৱাইছিল। শংকৰদেৱৰ মাজতেই শ্ৰীৰাম ৰূপ দেখুৱাইছিল

কামৰূপ দেশে অৱতাৰ মোৰ জান।
শংকৰ বাণয় মোক শূদ্ৰ কুলে জাত।
একাৰ শৰণ ধৰ্ম্ম কহিবা সবাত।
তীৰ্থক লাগিয়া আইলো দেখাইতে প্ৰমাণ॥ (পৃষ্ঠা ৪৪০-৪১)

মাধৱদেৱো ঘোৰ দেৱী উপাসক আছিল। পূজাত বলি দিয়াৰ প্ৰথাও আছিল। মাধৱদেৱে দেৱী পূজাৰ অৰ্জিত ছাগলী বলি দিবৰ কাৰণে ভনিজোৱায়েকক কৈছিল। সেই সময়তে দেৱী পূজাৰ লাগ লগে নাম ধৰ্মৰো প্ৰভাৱতা লভি আহিছিল। ভনীজোৱায়েকে ইতিমধ্যে শংকৰদেৱত শৰণ লৈছিল। মাধৱদেৱে তেওঁক

'দুই গোটা ছাগলী কিনি দিয়া আনি।

নকৰা বিলম্ব লাগে দেৱী পূজিবাক॥ (পৃষ্ঠা ৪৭২)

বুলি কৈছিল।

শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰথম সাক্ষাতত যি তৰ্ক হৈছিল, তাতে শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰভেদ আৰু মাহাত্ম্য সুন্দৰকৈ ফুটি ওলাইছে। মাধৱদেৱে দেৱী পূজাৰ কথা,

'বেদৰ বিহিত কৰ্ম্ম লাগে কৰিবাক।
নকৰিলে শাস্ত্ৰে দুৰাচাৰ বোলে তাক।
... ...
পিতৃ মাতৃ তাৰ জল পিণ্ড নশ্বৰ।
পশু যেন সিটো বৃথা জনম ধৰয়॥' (পৃষ্ঠা ৪৭৭)

বুলি কোৱাত, শংকৰদেৱেও উত্তৰ দিছিল

তপ জপ যজ্ঞ কৰি ব্ৰহ্মলোকে চৰে।
পুণ্যক্ষীণ হলে পুনাই নৰকত পৰে।

....

যত্ন কৰি ধৰি আনি পণ্ডক চোৰ।
অৰ্পণা নহৈলে একো ফল নধৰয়॥
যদি এহি জন কৰে স্বৰ্গক গমন।
নৰকত তেবে পৰিবেক কোন জন॥ (পৃষ্ঠা ৪৭৮)

এনে ধৰে যুক্তি দি, আৰু কৈছিল,

'শ্ৰৱণ কীৰ্ত্তন কৰি তৰোক জগত।' (পৃষ্ঠা ৪৭৯)
'ভকতি সাধন সৎসঙ্গ বিনে নাই।' (পৃষ্ঠা ৪৮০)
"গুৰু সেৱাত্তেৎস পাই ভকতি মুকুতি।
অন্যথা নপাৱে কৈলো শাস্ত্ৰৰ যুগুতি॥ (পৃষ্ঠা ৪৮০)

ইয়াৰ পাচত মাধৱদেৱে শংকৰদেৱৰ ওচৰত 'গুৰু মানি শৰণ লৈলন্ত (পৃষ্ঠা ৪৮১) তাৰ পাচত দেৱী পূজাৰ অষ্টমীৰ দিনা মাধৱদেৱে 'নৈবেদ্য উছৰ্গি সবে দিলন্ত কৃষ্ণক।' (পৃষ্ঠা ৪৮২) নৈবদ্যৰ আধা ভাগ নিজৰ ঘৰত ৰাখি আধা গুৰু গৃহলৈ লৈ গৈছিল। মাধৱদেৱক পৰীক্ষা কৰিবৰ মনেৰে শংকৰদেৱে কৈছিল,

'আজি কেনে আনিলাহা দেৱী নৈবদ্যক।

মাধৱে বোলন্ত দেৱী নৈবদ্য নহয়।
কৃষ্ণক উছৰ্গি দিলা গুৰু কৃপাময়॥" (পৃষ্ঠা ৪৮২)

শংকৰদেৱে তেতিয়া কৃষ্ণৰ নামত দিয়া প্ৰসাদ গ্ৰহণ কৰিছিল আৰু 'পুষ্প তাম্বোল' দিছিল।

দেশত ধৰ্মৰ কথা লৈয়ে ব্ৰাহ্মণৰ বিদ্বেষ আৰম্ভ হৈছিল, শংকৰদেৱে এক শৰণ নাম ধৰ্ম প্ৰচাৰ কৰাত, দেশত থকা ব্ৰাহ্মণসকলে ভাবিছিল,

'এক শৰণীয়া হৈলে লোক জানো
আমাৰ মাত্ৰ থওৱা।
দেৱী পূজা ধৰ্ম কেহো নকৰিবে
ন পাইবে দক্ষিণা দান॥" (পৃষ্ঠা ৪৮৫)

পণ্ডিতে 'কৃষ্ণ ভকতি পথক নকৰে যতেক বিপ্ৰ প্ৰধান' (পৃষ্ঠা ৪৮৫) হৈছিল, শ্ৰীৰাম ভট্টাচাৰ্য্য, কবিৰাজ মিশ্ৰ, বামনাচাৰ্য্য, ৰত্নাকৰ কন্দলী, ভবিয়া আচাৰ্য্য, ব্ৰহ্মানন্দ ভট্টাচাৰ্য্য আদি সকলে আলোচনা কৰিছিল,

'শূদ্ৰ গোট হয়া প্ৰকাশ কৰে ভকতি ।' (পৃষ্ঠা ৪৮৫)

"শূদ্ৰ হয়া ভাগৱত পাঠ কৰে এহিটো বৰ দুখ ।" (পৃষ্ঠা ৪৮৬)

পণ্ডিতে এইটো বাধা দিব লাগিব । শ্ৰীধৰ ভট্টাচাৰ্য্যই কৈছিল, শংকৰৰ মত কৰিবো দূষিত দেখায়ে মোক কথা' (পৃষ্ঠা ৪৮৬) ব্ৰহ্মানন্দই কৈছিল, শংকৰৰ মত কেহে নখণ্ডিবা আপুনি পাইবে লাজ ।' (পৃষ্ঠা ৪৮৭) কবিৰাজ মিশ্ৰই কৈছিল, 'পৰম গহন পণ্ডিত শংকৰ কোন হৈবে জ্ঞান সম ।' (পৃষ্ঠা ৪৮৬) তেতিয়া ৰত্নাকৰ কন্দলীয়ে কৈছিল যদি শংকৰক বাদত বলে নোৱাৰে তেন্তে হলে ভকতসকলক উৎপীড়ন কৰিব ।

শঙ্কৰক যদি বাদে নপাৰোহো

শুনিয়ো কহো উপায় ।

ভকতক দেখি কৰিবো বিতণ্ডা

বুলিবোহো নিন্দাবাক ।" (পৃষ্ঠা ৪৮৭)

তাৰ পাচত আলোচনা মতেই ভকতসকলক উৎপীড়ন কৰিবলৈ আৰম্ভ কৰি দিছিল,

'মালা কাঢ়ি নিয়া বিতণ্ডা কৰিয়া

আৰে কুকুৰৰ নাকে ।' (পৃষ্ঠা ৪৮৮)

ভকতসকলে প্ৰথমতে প্ৰতিবাদ কৰা নাছিল । কিন্তু শেষত শংকৰদেৱৰ ওচৰত গোচৰ দিছিল গৈ,

'পথত যাইবাক নাপাৰিক ছিজে কৰ্দ্ধি মাৰে আমাক ।

কুকুৰৰ নাকে মালাক আৰয় হাতত লৈ যায় কাঢ়ি । (পৃষ্ঠা ৪৮৮)

তেতিয়া শংকৰদেৱে উত্তৰ দিছিল, তোমাসকলক নকৰে নিন্দা নিন্দা কৰয় আমাক ।' (পৃষ্ঠা ৪৮৯) বুলি । তাৰ পাচত ব্ৰাহ্মণৰ ওচৰলৈ শংকৰদেৱে দুজন দূত পঠাইছিল,

কালি ব্ৰাহ্মণৰ লোপনতে যাইবো

চলোক মোৰ সমস্ত ।

ভকতিক যেৱে বাখিবাক পাৰো
দেখোক মোহোৰ কাজ ।' (পৃষ্ঠা ৪৮৯)

বুঢ়ীমাৰ ঘৰত শংকৰদেৱে, মাধৱদেৱ আৰু ভক্তসকলৰ ব্ৰাহ্মণ পণ্ডিতসকলৰ সন্মুখ হৈছিল । তাৰ পাচত ব্ৰাহ্মণ পণ্ডিত আৰু শংকৰদেৱৰ মাজত যি বাদ হৈছিল, সেয়া শংকৰদেৱৰ পাণ্ডিত্যৰ পৰিচায়ক মাত্ৰ । (পৃষ্ঠা ৪৯২-৯৭) শেষত পণ্ডিতসকলে, 'শংকৰ দুই মনুষ্য ঈশ্বৰ অংশ অৱতাৰ যানিবা নিশ্চয় ।' (পৃষ্ঠা ৪৯৮) বুলি সেও মানিছিল ।

কৃষ্ণ নাম ধৰ্মৰ প্ৰতি ব্ৰাহ্মণসকলক আকৃষ্ট কৰিবৰ কাৰণে শংকৰদেৱে উপায় কৰিছিল । কবলা বাটেক দি জগন্নাথৰ গোসাইৰ দৰে মূৰ্তি গঢ়াইছিল নিজে আগত থাকি দিগ পৰামৰ্শ দি । মূৰ্তিত প্ৰাণ প্ৰতিষ্ঠা কৰিবৰ ব্যৱস্থা কৰিছিল, লোভী ব্ৰাহ্মণসকলক আকৰ্ষণ কৰাৰ উপায় হিচাবে আচাৰ্য্য, কন্দলী, ভাৰতী, মিশ্ৰ, উপাধ্যায় আদি সকলক কাৰোবাৰ কাৰণে তোলা সোণ, কাৰোবাক আধা-তোলা সোণ এনেকৈ দিব বুলি ভাগ কৰিছিল আৰু কথাটো প্ৰচাৰ কৰি দিয়াইছিল । গতিকে, 'আসিল হৰিষ মন যত বিপ্ৰগণ ।' (পৃষ্ঠা ৫০১) মহা মহোৎসৱ হৈছিল । শংকৰদেৱ আৰু ব্ৰাহ্মণ পণ্ডিতসকলৰ ভিতৰতে পুনৰ আলোচনা হৈছিল ধৰ্মীয় কথা আৰু শংকৰদেৱে শেষত কৈছিল, 'দেৱতো তীৰ্থতো কৰি শুদ্ধ হোৱে নৰ । (পৃষ্ঠা ৫০২) আৰু হৰি ভকতি কৰা জনেই সাধু । গতিকে সাধুলোকক 'নৰ' অৰ্থাৎ মানুহ নিন্দা কৰাটো অধোগতি হোৱাৰ কথা । মহন্ত স্থাপিত ঈশ্বৰ মূৰ্তিত প্ৰণিপাত কৰিলে শুদ্ধ হব পাৰি ।

"দেৱতো তীৰ্থতো শ্ৰেষ্ঠ হোৱে সাধু নৰে ।
হেনয় সাধুক নিন্দা কৰে যিটো নৰে ।
কহো তাৰ কেন গতি হইবে অনন্তৰে ॥" (পৃষ্ঠা ৫০২-৫০৩)

নাম কীৰ্ত্তনৰ লগত প্ৰসাদ দিয়াৰো ব্যৱস্থা আছিল । প্ৰথমতে ব্ৰাহ্মণসকলক দি আন সকলক তাৰ পাচত দিছিল । প্ৰসাদ দিয়া লৈ নামত বিৰোধ হৈছিল । পুণ্ডৰীগিৰিৰ তিনিজন পুত্ৰই প্ৰথমতে প্ৰসাদ নেপাই 'হাত কামুৰিয়া বস্ত্ৰ বান্ধি কৰ্কালত । (পৃষ্ঠা ৫০৭) কেপেৰি পাতিছিল । শংকৰদেৱে কথাটো গম পাই তেওঁলোকক তাৰ পাচৰ দিনা প্ৰথমতে দিবলৈ কৈছিল । কিন্তু তেওঁলোকে ব্ৰাহ্মণক নিদিলে নলয় বোলাত, 'বোলন্ত শংকৰদেৱে লয়োক লয়োক ।' (পৃষ্ঠা

৫০৮) সেই দিনা লাজ পাই সভাৰ পৰা উঠি গৈছিল। নামৰ লগত প্ৰসাদ, প্ৰসাদৰ লগত ভকতৰ কথা জড়িত হৈ পৰিছিল।

শংকৰদেৱৰ, সমসাময়িক সময়ত বৰ নগৰত চৈতন্যৰ খোল পন্থী লোকৰ প্ৰভাৱ আছিল। ভৱানন্দই নাৰায়ণ দাস নাম পোৱাৰ আগতে ঘৰত চৈতন্যপন্থী খোল নামৰ আয়োজন কৰিছিল। কিন্তু ভৱানন্দৰ ঘৰত অতিথি হোৱা তাঁৰৰ বিপ্ৰই (জগন্নাথলৈ যোৱাৰ সময়ত) ভৱানন্দৰ চকু মুকলি কৰি দি শংকৰদেৱৰ ওচৰলৈ পঠাইছিল। নহলে কিন্তু ভৱানন্দই,

'কালি খোল নাম লৈৰা সংসাৰত পাৰ হৈবা
মনে হেন কৰিছো নিশ্চয়। (পৃষ্ঠা ৫৭০)

বুলিছিল।

ভকতৰ প্ৰতি যে ভগবান সদায় দয়ালু তাৰে কথা কৃষ্ণ নাম ধৰ্মত প্ৰধানকৈ আছে। কাৰণ ভগবানে,

"ভকতৰ দুখ এক তিলো নসহন্ত।
ভয় ভ্ৰান্তি দুখে সুখ সবাতে ৰাখন্ত।" (পৃষ্ঠা ৫৮০)

শংকৰ মাধৱৰ মিলন অসমৰ বৈষ্ণৱ যুগৰ যেনেকৈ এটা অতি উল্লেখযোগ্য, মহামিলন তাতকৈ ভৱানন্দ নাৰায়ণ দাস হৈ মাধৱদেৱৰ লগত হোৱা মিলনটোও উল্লেখযোগ্য ঘটনা। এই মহামিলনে বৈষ্ণৱ আদৰ্শত হৰি ভকতিক আৰু জোৰদাৰ কৰি তুলিছিল। (পৃষ্ঠা ৫৮৯)

"আত্মায় আত্মাক যায় হৈল পৰিচয়।
মনত হৰিষে দুয়ো আনন্দ কৰয়।" (পৃষ্ঠা ৫৯০)

বৰপেটাতেই শংকৰদেৱে সত্ৰ স্থাপন কৰিছিল, ভকতৰ থকা ঘৰৰ ব্যৱস্থা কৰিছিল।

"অনন্তৰ সাম্প্ৰিণত ভকতৰ ঘৰ।
দেখিয়া হৰিষ বৰ হৈলা শংকৰ।
কৃষ্ণৰ কীৰ্ত্তন কথা সদায় কৰন্ত।
নাই ৰাত্ৰি দিন সৰ্ব আনন্দে থাকন্ত।" (পৃষ্ঠা ৮০১)

ভৱানন্দই শংকৰদেৱক শৰণ লৈ, নাৰায়ণ দাস নাম শংকৰদেৱে দিয়াৰ পাচত, ঘৰলৈ যাবলৈ অনুমতি বিচাৰি শংকৰদেৱক পুনি এবাৰ বিচাৰিছিল, যাতে

'নিজ গৃহে লৈ   পুথি আগে থই
সবে পৰিয়াল গণ।
উপবাস কৰি   দণ্ডৱতে পৰি
কৰিবো তাতে শৰণ॥" (পৃষ্ঠা ৩০৪)

নাৰায়ণ দাসৰ কথাতেই প্ৰথম, পুথি থাপনাত থৈ শৰণ লোৱাৰ কথা উল্লেখ পোৱা গল। শংকৰদেৱে সেইদিয়া 'ভক্তি প্ৰদীপ' পুথিখন দিছিল।

"দেয় নিবাৰণী   গৰুড় পুৰাণি
ভকতি প্ৰদীপ দিলা॥" (পৃষ্ঠা ৩০৬)

নাৰায়ণ দাসৰ আগত শংকৰদেৱে, ভকতেই যে মূলধন, আন ধনৰ প্ৰয়োজন নাই সেই কথা ব্যক্ত কৰিছিল,

'নলাগয় ধন   ভকত মোৰ প্ৰাণ
ভক্ত সম নাই আন॥' (পৃষ্ঠা ৩০৫)

নাৰায়ণ দাস ঘৰলৈ গৈ, পৰিয়ালৰ সকলো লোকক উপবাস দিয়াই চোতাল ঘৰ লিপি মেলি শুদ্ধ কৰি যিমান আত্মীয় বন্ধু আছিল সকলোকে গোটাই, শংকৰদেৱে দিয়া 'ভক্তি প্ৰদীপ' পুথি থাপনাত পাতি শৰণ লৈছিল,

'কৰিলা শৰণ পাচে   যত বন্ধুগণ আছে
শংকৰৰ পুথি আগে থৈলা'। (পৃষ্ঠা ৩০৯)

ইয়াৰ পৰা অকল শংকৰদেৱৰ শুদ্ধিতেই নহয়, আন ঠাইতো শংকৰদেৱে প্ৰবৰ্তন কৰা কৃষ্ণ নামত শৰণ লৈ আনন্দ পাইছিল। কাৰণ নাৰায়ণ দাসক, নাম ধন দিয়া তুমি আমাসাক লৈ-লাহা কিনিয় (পৃষ্ঠা ৩১০) বুলিছিল।

শংকৰদেৱে দামোদৰ দেৱৰ দৰিদ্ৰ অৱস্থাৰ কথা গম পাই নামৰ প্ৰতি প্ৰবল থাউতি দেখি, সংসাৰ চিন্তাৰ পৰা মুক্ত শান্ত কৰি ঈশ্বৰ 'চিন্তাত যাতে মন লগাব পাৰে তাৰ কাৰণে চাউল, তেল, নিমখ, তামোল আদি দিছিল। দামোদৰদেৱে নাম ধৰ্ম লবলৈ ইচ্ছা কৰাত,

'জ্ঞান কৰ্ম আদি যত   কৰ্ম ফল শতানত
নকৰিবা তুমি আত ৰত।
শ্ৰৱণ কীৰ্তন কৰি   দৃঢ় বিশ্বাস কৰি
আচৰিবা সদা মোৰ মত॥' (পৃষ্ঠা ৩৪৫)

বুলি শংকৰদেৱে উপদেশ দিছিল।

"প্ৰকৃত তত্ত্ব সম্বন্ধে চৰিত থনিত আছে,

ধন জন পুত্ৰ ভাৰ্য্যা দেখে সবে মিছা।
ৰাজপদ সুখকো নকৰে ভক্তে ইচ্ছা।
পৰম সম্পদ এটো হৰিৰ ভকতি ॥" (পৃষ্ঠা ৩৪৮)

মনৰ ভক্তিটো বৰ ডাঙৰ কথা। জটিৰামৰ মূৰৰ জট কটাই শংকৰদেৱত নাৰায়ণ দাসে শৰণ লোৱাদেখি, যদিও কটা মূৰৰ জটটো কত থব ভাবি "জুলিতে ডবাই থওঁ লৌহিত্যো কেলাইবো (পৃষ্ঠা ৩০০) বুলি থৈ দিছিল। এদিন শ কৰ দৰে জটিৰামৰ জোপোঙা চাই তাত তিনিটা চুলিৰ জট দেখি নাৰায়ণ দাসক কৈছিল "কিসক কটাইলা আৰ বাহিৰৰ জট।

ভিতৰৰ জট থাকিলেক বৰ ডাঠ ॥" (পৃষ্ঠা ৩৫৪)

আৰু জটিৰামক কৈছিল, ৰাজমাৰ্গ এৰি কিয় অৰণ্যক সোমাইছা। কাৰণ

"দেৱতো তীৰ্থতো কৰি ভকতেসে বৰ।
ভকতক ভজিলে গুচয় কৰ্ম্ম জড় ।" (পৃষ্ঠা ৩৫৪)

হেৰেম দেশৰ কছাৰী ৰজা শংকৰদেৱৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল তেওঁৰ পাণ্ডিত্যত মোহ গৈ। শংকৰদেৱৰ যশ কীৰ্ত্তি শুনি ৰজাই দূত পঠাইছিল শংকৰদেৱক আনিবৰ কাৰণে,

'বোলে শংকৰক আন আমাৰ ৰাজ্যক।
নিশ্চয় বুলিলো মই ভঁজবো ৰক্ষক ॥' (পৃষ্ঠা ৩৫৭)

শংকৰদেৱে নিজে নগৈ মাধৱদেৱ আৰু নাৰায়ণ দাসক পঠাইছিল।

'শাস্ত্ৰ চাহি মাধৱ বুজাইবা পণ্ডিতক।
বুজাই ৰাহা নাৰায়ণে বচনে সৰ্থক।' (পৃষ্ঠা ৩৫৯)

কছাৰী ৰজাৰ আগত নাৰায়ণ দাসে বৈষ্ণৱ ধৰ্মৰ গুণ কৈছিল, হৰিভক্ত কেনে হব লাগে তাকো কৈছিল, প্ৰাণী হিংসা কৰিব নেলাগে তাকো কৈছিল।

'শম দম দয়া ক্ষমা আদি গুণ যত।
সমস্ত থাকিব লাগে হৰি ভকতত ॥' (পৃষ্ঠা ৩৬১)

কছাৰী ৰজাই বন্দী কৰি থোৱা নজন লোকৰ মাজ সেইতাকে আদি ৰাজ সভাতে মাধৱদেৱক ধৰিছিলহি। নাৰায়ণৰ কথাবোৰ মধুৰ আছিল। ৰজাই

শুনি ধৰ সন্তোষ পাইছিল। বন্দী কেইজনক মোকোলাই দিছিল। কেৱত বজাই নাম ধৰ্মক ৰাজকীয় মৰ্য্যাদা দিছিল। (পৃষ্ঠা ৬৭২)

চক্ৰপাণি দ্বিজৰ পুত্ৰেকৰ কুষ্ঠ ৰোগ হৈছিল। পুত্ৰক লৈ মাক নাৰায়ণ দাসৰ ওচৰলৈ আহিছিল। নাৰায়ণ দাসে পাচ দিনত আৰি ৰোগ ভাল কৰিছিল। মাকক কৃষ্ণ কথাও শুনাইছিল। ব্ৰাহ্মণীয়ে ভাবিছিল,

'শূদ্ৰে মুখে কৃষ্ণ কথাক শুনিলো।
আমাৰ ব্ৰাহ্মণ জন্মে কি কাৰ্য্য সাধিলো॥' (পৃষ্ঠা ৬৬৪)

পাচত বৈষ্ণীয়েকে চক্ৰপাণি দ্বিজক হৰি ভক্তি কৰাৰ কথা কলত খঙত জ্বলি উঠিছিল,

তোৰ বোলে আমি হৰি ভকতি ধৰিবো।
যাঠি যজমান আত্তকিমতে বৰ্ত্তিবো॥
ধন ধান্য তাম্ৰ কাংস্য গৰু গাই বস্ত্ৰ।
চাউল কানি দিয়া লোক সবেও পোষন্ত॥' (পৃষ্ঠা ৬৬৪)

পৰৰ এবাৰে জীবিকা কৰি থকা ব্ৰাহ্মণে কি কাৰণে হৰি নামত ধৰিব? ব্ৰাহ্মণীৰ কিন্তু পৰম ইচ্ছা। নাৰায়ণ দাসে চক্ৰপাণি দ্বিজক কৈ কৈছিল যে

কোটি যজমানে তাহাৰাক নপাৰয়।
জগতৰ আদি দেৱ ত্ৰৈলোক্য ঈশ্বৰ।
তাং ভজিলেসে তৰি সংসাৰ সাগৰ॥' (পৃষ্ঠা ৬৬৫)

আৰু শগতে ইয়াকো কৈছিল, হাঁহ, ছাগলী আদি মাৰি পূজা কৰা জনে কিন্তু স্বৰ্গ সুখ পালেও ঘূৰি নৰকতে পৰেহি।

'হাস ছাগ কাটি দেৱ দেবী পূজা কৰে।
স্বৰ্গ সুখ ভুঞ্জি পুনাই নৰকত পাৰে॥" (পৃষ্ঠা ৬৬৫)

অসমৰ বৈষ্ণৱ ধৰ্মত গুৰু আৰু শিষ্যৰ যি মধুৰ সম্পৰ্ক সেয়া শংকৰ মাধৱৰ উদাহৰণেই শ্ৰেষ্ঠ। যি দিন ধৰি শংকৰদেৱক মাধৱদেৱে গুৰু মানি সেৱা কৰিলে, সেই দিন ধৰি শংকৰ মাধৱ অভিন্ন হৈছিল। গুৰু সেৱাত ত্ৰুটি নোহোৱাকৈ জীৱন অতিবাহিত কৰিছিল। শংকৰদেৱৰ দ্বিতীয় তীৰ্থ পৰ্যটনৰ গোটেই পথ চোৱা মাধৱদেৱে গুৰুৰ পৰিচৰ্য্যাই কৰি গৈছিল। শংকৰদেৱ, মাধৱদেৱৰ প্ৰতি,

'স্নেহত আকুল হৈয়া দুইহাতে পসাৰিয়া
ধৰিলন্ত বুকে বান্ধি পাই।
শংকৰত লীন গৈল একদিশ্ত হৈয়া ৰৈল
নাৰায়ণে দেখি আছে চাই॥ (পৃষ্ঠা ৩৭৮)

ভকতসকলৰ কাৰণে এয়া অতি আদৰ্শৰ কথা আছিল। শংকৰদেৱে সময়ে সময়ে ভকতসকলক মাধৱদেৱক ধৰ্মৰ শিক্ষা, গুৰুৰ নিয়মৰ শিক্ষা দিছিল। (পৃষ্ঠা ৬৮ ৬৮৫-৮৯)

চৰিতখনত শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থ কৰিবলৈ যাওঁতে চৈতন্যদেৱক দূৰৰ পৰা দেখাৰ কথা উল্লেখ কৰিছে।

'দুইকো দুই মুহূৰ্তক চাহি আছিলন্ত।
সম্ভাষণ নকৰিয়া চলিয়া গৈলন্ত॥' (পৃষ্ঠা ৬৯৭)

দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ বাটতেই শংকৰদেৱে কবীৰৰ থলৈ যোৱাৰ কথাও উল্লেখ কৰিছে। কবীৰৰ জীয়েকৰ ঘৰত নাতিনীয়েক আছে। শংকৰদেৱে, 'কবীৰৰ চৰিত্ৰ কহ শুনো মই' (পৃষ্ঠা ৭১৬) বুলিছিল। তেতিয়া শংকৰদেৱৰ আগত কবীৰৰ জীৱন কথা বৰ্ণনা কৰি শেষত কবীৰৰ মৃত্যুত কোনো হিন্দু বা মুছলমানে কবীৰৰ শটো চুচুইছিল, হিন্দুৱে যৱন বুলি আৰু যৱনে কবীৰে হিন্দু নাম লোৱাৰ কাৰণে। শেষত চৈতন্যদেৱে সেই শ কান্ধত লৈ গঙ্গা সৈত উটাই দিছিল গৈ। যৱনৰ ৰজাই কথাটো গম পাই চৈতন্যদেৱক, 'কবীৰৰ শ কিক বহিলা তুমি তথা।' (পৃষ্ঠা ২০) বুলি প্ৰশ্ন কৰিছিল। চৈতন্যদেৱে তাৰ উত্তৰত যি কথাখিনি কৈছিল তাতেই ধৰ্ম শিক্ষা লুকাই আছিল। (পৃষ্ঠা ৭২০) ইয়াতেই কৃষ্ণ ভকতৰ কোনো জাত-পাতৰ বিচাৰ নাই সেই কথা স্পষ্ট হৈছে।

"একশ ক্ষেত্ৰিয় আমি নোহো চাৰি জাতি।
দশোদিশে গৈলা দেখা আমাৰ খিয়াতি॥
চাৰিও আশ্ৰমী দেখা নুহিকহো আমি।
নোহো ধৰ্মশীল দান ব্ৰত তীৰ্থগামী॥" ইত্যাদি (পৃষ্ঠা ৭২০)

ৰাম কৃষ্ণৰ নামত সকলো পাপ নাশ হয়। চাৰিও বেদৰ সাৰ ভাগৱতত নাম বিনে গতি নাই কথাকেই কোৱাই। পাপত মজা বিপ্ৰক বাতিয়ে দিলে নাম লৈ,

'পাপন্ত বাসনা তান যতেক আছিল।
নামৰ কীৰ্ত্তনে তাক সবে সংহৰিল।' (পৃষ্ঠা ১২১)

আৰু শৰীৰ নিষ্পাপ হৈছিল আৰু বিবেক বাঢ়িছিল।

'ধৰ্ম্ম কাৰ্য্যে ব্যাঘাত আছয় সৰ্ব্বক্ষণ।' (পৃষ্ঠা ১৪৫) গতিকে শংকৰদেৱে নানা বাধা বিঘিনি আতৰাব লগা হৈছিল। বেহাৰৰ ৰজা নৰনাৰায়ণকো ব্ৰাহ্মণসকলে শংকৰৰ বিৰুদ্ধে কথা লগাইছিল গৈ। কাৰণ,

'বহু চেষ্টা কৰি ধৰ্ম্ম যুদ্ধত নোৱাৰি।
ৰাজাৰ আশ্ৰয় লৈলা ব্ৰাহ্মণসকলে। (পৃষ্ঠা ১৪৫)

তেওঁলোকে ৰজাক লগাইছিল যে শংকৰৰ কাৰণেই দেশত মানুহে তীৰ্থ পূজা, ব্ৰত নকৰিব। দেশত অধৰ্ম বাঢ়ি যাব। ঈশ্বৰ মূৰ্ত্তিৰ উপাসনা নকৰা হৈ'ছ। ৰজা খঙত জ্বলি গৈছিল আৰু খঙত কৈছিল শংকৰৰ

'হাবে পুৰাইবো জুই চালে ডামা দিম।
শৰীৰৰ মাংস তাৰ কুকুৰক দিম। (পৃষ্ঠা ১৮৬) বুলি।

শংকৰদেৱক নেপাই শংকৰদেৱৰ ভক্ত দুজন নাৰায়ণ দাস আৰু গোকুল চান্দক ধৰি আনি "শংকৰেনো কি আচৰে কথা ভক্ত লোক।' (পৃষ্ঠা ১৪৮) বুলি প্ৰশ্ন কৰিছিল, নানা শাস্তিও কৰিছিল। কিন্তু 'গুৰুজন হয় সদাচাৰী (পৃষ্ঠা ১৪৮) বুলিয়েই কৈ থাকিছিল। শংকৰ বিৰোধীৰ কথাত শংকৰদেৱৰ শিষ্যৰ কি দশা হৈছিল আৰু শেষত হেমা আৰু পেমা নামৰ ভোট ছুটাক শংকৰ ভক্ত দুজনক বেচিবলৈ দিছিল তাৰ বিৱৰণ সুন্দৰকৈ দিছে। (পৃষ্ঠা ১৫১-৫৫)

বেহাৰৰ ৰজা নৰনাৰায়ণৰ ৰাজসভাত শংকৰদেৱ উপস্থিত হোৱাৰ পাচত ৰজাই শংকৰদেৱক প্ৰশ্ন কৰিছিল বেদৰ কথা নেমানে, পূজা, হোম, যাগ, যজ্ঞ নকৰে, প্ৰতিমাক নষ্ট কিয় কৰিছে। শংকৰদেৱে উত্তৰ দিছিল,

হৰি ভক্ত মই তুলসী আছয়
দৃষ্টি কৰি চাৱা মথো।' (পৃষ্ঠা ১৮৬)

গীতা চাই এক শৰণ ধৰ্ম প্ৰচাৰ কৰিছে, বিষ্ণুৰ বাহিৰে আৰু আন কোনো দেৱতা সেৱাৰ কাৰণে অসাৰ।

'কলি কালে মাত্ৰ বেদৰ মতত
বিষ্ণুৰ বাহিৰ দেৱতা নাই।' (পৃষ্ঠা ১৬৬)

যিমান দেৱদেৱী আছে সকলো বিকৃত আছে। এনে উত্তৰ শুনি শংকৰ বিদ্বেষী ব্ৰাহ্মণৰ মুখ কলা পৰি গৈছিল। ৰজাই ব্ৰাহ্মণক শংকৰদেৱৰ নামত কিয় খল দিছিল বুলি প্ৰশ্ন কৰাত, ব্ৰাহ্মণসকলে উত্তৰ দিছিল যে কালি গোসানীৰ মূৰ্ত্তি শংকৰে ভাঙিছিল। পাটবাউসী থানত শংকৰদেৱৰ লগত তৰ্কত হ'লে নোৱাৰিহে ৰজাৰ আগত খল দিছেহি। ইয়াৰ পাচত শংকৰদেৱে ৰজাক প্ৰকৃতি, নিকৃতি আদি শাস্ত্ৰৰ কথা বুজাইছিল (পৃষ্ঠা ৭৬৭-৬৮), ব্ৰাহ্মণক প্ৰশ্ন কৰিছিল, যাৰ যোগেদি সেই সময়ত দেশত থকা ধৰ্মীয় পৰিৱেশৰ এটা সুন্দৰ আভাষ পাব পাৰি। বেহাৰত শংকৰদেৱে ৰজা আৰু বিদ্বেষী ব্ৰাহ্মণৰ পৰা কিমান বিৰোধ আৰু প্ৰতিকূল অৱস্থাৰ মাজত স্থিৰেৰে থাকি নিজৰ আৰু বৈষ্ণৱ ধৰ্মক উন্নত কৰি ৰাখিছিল তাৰ সুন্দৰ বিৱৰণ আছে। (পৃষ্ঠা ৭৭১, ৭৭৩-৭৫)

শংকৰদেৱৰ প্ৰকৃত পৰিচয় ৰজা নৰনাৰায়ণে পোৱাৰ পাচত নামঘৰ মণিকূট সজাই দিয়াই,

"নামঘৰ মণিকূট দিয়ালে সজাই।
হাটি বাটি সকলোকে কৰি পৰিপাটি।
দীনত সজাই সুন্দৰ কৰি আতি। (পৃষ্ঠা ৮০৮)

শেষত শংকৰদেৱৰ প্ৰবৰ্ত্তিত ধৰ্ম আৰু মতবাদ ৰজাই আদৰি লৈছিল আৰু ৰাজধৰ্মত পৰিণত হৈছিল। ৰজাই শংকৰদেৱত শৰণ লব খুজিছিল, কিন্তু শংকৰদেৱে ৰজাক শৰণ নিদিছিল। সেই কাৰণে, 'ৰাজনীতি ধৰ্মে থাকি প্ৰজাক পালিয়ো।' (পৃষ্ঠা ৮১৩) বুলি উপদেশ দিছিল আৰু

"ৰাজাৰ শৰণ কোন শাস্ত্ৰে আছা শুনি।
ৰাজা ভজে দেৱদেৱী পূজিবে সাগৰ।
প্ৰজা পালি ৰাজনীতি ধৰ্ম প্ৰবৰ্ত্তৰ। (পৃষ্ঠা ৮১২) বুলিছিল।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ আগতে ধৰ্মৰ অধিকাৰী মাধৱদেৱক পাতি গৈছিল। প্ৰয়াণৰ আগতে শংকৰদেৱৰ পুত্ৰ ৰমানন্দই,

'নেদিলাহা তুমি নাপাইলোহো আমি
তোমাৰ কিছো সৰ্বৰ।' (পৃষ্ঠা ৮৪০)

বোলাত, শংকৰদেৱে ধন বিত্ত যি আছে সকলো মাকৰ হাতত আছে বুলিছিল। তেতিয়া কিন্তু তেওঁ, 'পৰলোক বিত্ত'হে (পৃষ্ঠা ৮৪১) বিচাৰিছে

যোগাত শংকৰদেৱ অতিশয় আনন্দিত হৈছিল আৰু কৈছিল যে ইমান দিন তেওঁ সেই বস্তু খুজিবলৈ সময় নেপালে, এতিয়া,

"ভাণ্ডাৰ সহিতে মাধৱৰ হাতে
দিছো মই উবোৱাই ॥" (পৃষ্ঠা ৮৪২)

বুলি কৈছিল আৰু যি প্ৰয়োজন মাধৱদেৱৰ পৰাই গ্ৰহণ কৰিব বুলিও কৈছিল। নিজ পুত্ৰ থকাটো শংকৰদেৱে কিন্তু ধৰ্ম অধিকাৰী মাধৱদেৱকহে পাতি গৈছিল। উপযুক্ত লোকৰ হাতত দায়িত্বৰ ভাৰ অৰ্পণ কৰিব লাগে তাকেই শংকৰদেৱে শিকাইছিল।

জনসাধাৰণৰ মাজত ধৰ্ম কথা প্ৰচাৰ, জনপ্ৰিয় কৰিবৰ কাৰণে নটুৱা নাচৰ প্ৰচলন, লৰাক ছোৱালী সজাই অভিনয় কৰোৱা প্ৰথা মাধৱদেৱে প্ৰচলন কৰে বৰপেটাত। নটুৱাই নাচিবৰ কাৰণে নটুৱা ঘৰ সজাইছিল। কামৰূপৰ লোক উবুৰি খাই চাবলৈ আহিছিল। (পৃষ্ঠা ৮৭৫ ৮৫) 'বজীয়াল ঘৰ' (পৃষ্ঠা ৮৭৫) সাজিছিল, দধিমথন' ভাওনা কৰিছিল (পৃষ্ঠা ৮৭৬) কিন্তু তাতো বিদ্বেষী ব্ৰাহ্মণ বাধাদান কৰিবলৈ চেষ্টা কৰিছিল। ৰাঘবেন্দ্ৰ পণ্ডিতে ৰজাক গোচৰ দিছিল মাধৱদেৱৰ 'অকৰ্ম কৰয় ইটো ৰাজ্যত তোমাৰ।' (পৃষ্ঠা ৮৭৭) অকৰ্মটো আছিল,

'ষোড়শ বছৰীয়া লৰ কন্যাগন আনি।
সমজ্যাৰ মাজে থাকে সাৱটিয়া টানি ॥' (পৃষ্ঠা ৮৭৭)

কিন্তু লৰাক যে ছোৱালী সজাইছিল কথাটো গম নোপোৱাৰ কাৰণে ব্ৰাহ্মণ সকলে 'অকৰ্ম' বুলি লগাই দুল গৈ।

"সুন্দৰীদিয়াত আসি কতদিন আছে ॥
ঘোষা পুথিখানি পাচে তেতে কৰিলন্ত।" (পৃষ্ঠা ৮৮০)

সুন্দৰীদিয়াতে মাধৱদেৱে 'ঘোষা পুথিখন ৰচনা কৰিছিল। 'ঘোষা'ৰ অসমৰ ধৰ্ম জীৱনত যথেষ্ট প্ৰভাৱ আছিল আৰু আছে।

(২) ৰমানন্দ দ্বিজ—শ্ৰীগুৰু চৰিত

ৰমানন্দ দ্বিজৰ 'শ্ৰীগুৰু চৰিত'ত বৈষ্ণৱ ধৰ্মৰ নামৰ মাহাত্ম্য প্ৰকাশৰ কথাতে বেছি গুৰুত্ব দিয়া যেন অনুভৱ হয়। চৰিতখনিৰ আৰম্ভণীৰ মঙ্গলাচৰণতেই নামৰ মাহাত্ম্য দেখুৱাইছে,

'অন্তকালে তৰিবেক নামক স্মৰণ।
অপ্ৰয়াসে বৈকুণ্ঠ লোকক পাইবে যাই।' (পৃষ্ঠা ১)

শংকৰদেৱে জয়ন্ত দলৈৰ পত্নীক (শংকৰদেৱৰ বুঢ়ীমাক) নামৰ মাহাত্ম্যৰ কথা কৈছিল,

'কলি যুগে হৰিনাম মহা ধৰ্ম জানিবাহা
এহি যুক্তি সকলো শাস্ত্ৰৰ।' (পৃষ্ঠা ১০)

বুলি। আৰু কৈছিল,

'নামত বিনাই আন কলিত নাহিকে ধৰ্ম
তোমাত কহিলো সাৰে সাৰ।' (পৃষ্ঠা ১০)

এই কথা কোৱাৰ প্ৰয়োজন হৈছিল, যেতিয়া জয়ন্ত দলৈৰ পত্নীয়ে ইন্দ্ৰ, চন্দ্ৰ, অগ্নি, বায়ু, বৰুণ আদি দেৱতাকো পূজা কৰা শংকৰদেৱে দেখিছিল। (পৃষ্ঠা ৬৯)

কুষ্ঠ ৰোগত ভোগা হৰিৰাম বা তুলসীৰামক শংকৰদেৱে হৰি নাম শ্ৰৱণ আৰু কীৰ্ত্তন কৰিবৰ কাৰণে উপদেশ দিছিল। অজ্ঞাতবশত তুলসী গছ কবলৈকো কৈছিল। কাৰণ পতিত পাৱন হৰিৰ বাহিৰে কৰোতা আৰু কোনো নাই। হৰিনামৰ মাহাত্ম্য ইমানে আছিল যে নিজেও মহা পাতকী বুলি ভবা হৰিৰামে শেষত বৈকুণ্ঠত স্থান পাইছিল। (পৃষ্ঠা ৭৭-৭৯, ৮২-৮৩)

গঙ্গাকুল নিবাসী শংকৰদেৱৰ ওচৰত শৰণ লবলৈ গৈ প্ৰাৰ্থনা কৰিছিল যে,

'যিটো নাম ধৰ্ম দিলা তুলসীৰামক।
সেহি নাম দান কৰা আমি সমস্তক।
তোমাৰ প্ৰসাদে আমাসাৰ হৌক গতি
নাম বিনে আন ধৰ্মে নাযাই যেন মতি।" (পৃষ্ঠা ৮৪)

বৈষ্ণৱ ধৰ্মৰ ভাগৱতেই মূল পুথি। শংকৰদেৱে গঙ্গাকুল নিবাসী সকলক 'ভাগৱত ও সেৱা কৰাই,

"আজি ধৰি ঈশ্বৰ কৃষ্ণক জানিয়োক।
দেৱ নাজানিবা বিনে দেৱকী নন্দন।" (পৃষ্ঠা ৮৫)

বুলি উপদেশ দি 'নাম বিনে আন ধৰ্ম সবে অকাৰণ' (পৃষ্ঠা ৮৫) বুলিছিল।

বান্দুকাত মাধৱদেৱৰ ককায়েক ৰূপচন্দ্ৰৰ ঘৰত থকা সময়তেই দুৰ্গা পূজাত ছাগলী বলি দিয়াই, পূজাৰ পাচত জাতি সকলোকে ভোজন কৰাইছিল আৰু

ব্ৰাহ্মণ সকলকো দান কৰিছিল। তেতিয়া গ্ৰহৰীযোগত ভোগা মাধৱদেৱে বলি দিয়া ছাগলীৰ মাংস আগ্ৰহেৰে ভোজন কৰিছিল। মাধৱদেৱে, শংকৰদেৱৰ লগ পোৱাৰ আগলৈকে দেৱী উপাসক আছিল। (পৃষ্ঠা ১০৩-০৪) আনকি মাধৱদেৱে নিজেও ভনিজোৱায়েকক, দুৰ্গা পূজাত বলি দিবৰ কাৰণে ছাগলী আনি দিবৰ কাৰণে কৈছিল। (পৃষ্ঠা ১০৬) এই বলি দিবলৈ ছাগলী আনিবলৈ কোৱা কথাই মাধৱদেৱৰ লগত শংকৰদেৱৰ মিলন ঘটালে আৰু শেষত দুয়ো অভিন্ন আত্মা হৈ পৰিছিল।

"তোমাৰ চৰণে পশিলো শৰণে
আজি ধৰি কৃপাময়।" (পৃষ্ঠা ১২৪) বুলি।

মাধৱদেৱে শংকৰদেৱৰ লগ পোৱাৰ পাচত ৰামৰাম গুৰুৱে মাধৱদেৱক পূজাৰ কাৰণে বেশি হৈছে বুলি মতাত, 'কদাচিতো হুপূজিবো দেৱী অম্বিকাক' (পৃষ্ঠা ১২৬) আৰু ৰামৰাম গুৰুৱেও শুনি বৰ সন্তোষ পাইছিল। ইয়াৰ পাচত মাধৱদেৱ পৰম বৈষ্ণৱ হৈ গোটেই জীৱন বিষ্ণু সেৱা, গুৰু সেৱাতে কটাইছিল।

শংকৰদেৱক সোধা মাধৱদেৱৰ প্ৰশ্নৰ উত্তৰতেই মাধৱদেৱ আৰু ভক্ত বৈষ্ণৱ সকলে দীক্ষা, ভাগৱতী ভক্তি, নিৰ্গুণা ভক্তি অৱৰম ভক্তি, কেৱালা ভক্তি আদিৰ অতি সুন্দৰ অৰ্থ পাইছিল। (পৃষ্ঠা ১৩৩-১৪০) ইয়াৰো পৰি মহত্তৰ লক্ষণনো কেনে হব লাগে তাকো সহজ, সৰল ভাষাত ব্যাখ্যা কৰিছিল। (পৃষ্ঠা ১৪০-৪১) দেশত বৈষ্ণৱ ধৰ্মৰ, এক শৰণ ভাগৱতী ধৰ্মৰ প্ৰভাৱ বাঢ়ি আহিবলৈ ধৰিছিল। শংকৰদেৱৰ লগত মাধৱদেৱৰ লগ হোৱাত শক্তি আৰু বাঢ়িছিল।

আনহাতে ব্ৰাহ্মণৰ শংকৰৰ প্ৰতি বিদ্বেষ ভাব বাঢ়ি গৈছিল। কাৰণ তেওঁলোকৰ চিন্তা হৈছিল

'এক শৰণীয়া ভৈলা যত লোক
কিনো ভৈলা বিপৰ্য্যয়।' (পৃষ্ঠা ১৪১)

বুলি। সেই কাৰণে তেওঁলোকে আলোচনা কৰিছিল—শূদ্ৰই শূদ্ৰক নাম মন্ত্ৰ দিছে, দেৱী পূজা নকৰা হৈছে, 'কাষ্ঠ মালাক জপন কৰয় শিক্ষা দৈয়া শংকৰৰ' বুলি। (পৃষ্ঠা ১৪২) শত্তিকে ঠিক কৰিছিল ভক্তৰ মালা কাঢ়ি লব। তেওঁলোকে মনোকষ্ট পাব। শংকৰদেৱক লগাবলৈ। শংকৰদেৱ অকলেহে, তেওঁলোক বহুত। তেওঁলোকে ভুবন কৰি সংস্কৃত শ্লোক পঢ়িব আৰু শংকৰে মাজিবই নোৱাৰিব। শংকৰক

হোৱা দেখিলে শংকৰৰ লগৰ পৰা মানুহ ব্ৰাহ্মণৰ লগলৈ আহিব আৰু 'শংকৰৰ পন্থ লুপ্ত হইবে কহিলো লাবে লাৰ।' (পৃষ্ঠা ১৪৫) বুলি সন্তোষ লভিছিল। কিন্তু বুঢ়াখাৰ ঘৰত ব্ৰহ্ম ভোজনৰ কাৰণে গোট খোৱা ব্ৰাহ্মণৰ লগত শংকৰদেৱৰ বিবাদ হৈছিল আৰু সেই বাদ কৰিবলৈ শংকৰদেৱেই ব্ৰাহ্মণসকলক মতাইছিল তেওঁৰ ভক্তসকলক উৎপীড়ন কৰাৰ কাৰণে। শেষত শংকৰদেৱৰ লগত বাদত নোৱাৰি শংকৰদেৱৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছিল.

'কলি যুগত   নাম ধৰ্ম্ম বিনে
আন ধৰ্ম্মে নতৰয়।' (পৃষ্ঠা ১৫৩) বুলি।

শংকৰদেৱে মালা জপৰ কথা কৈছিল। মালা কাঢ়ি নি ব্ৰাহ্মণসকলে ভক্তসকলক উৎপীড়ন কৰাত শংকৰদেৱে ব্ৰাহ্মণসকলক সাৱধান কৰি দিছিল.

'আজি হন্তে যদি   মালা কাঢ়িলয়া
হইবা বহু দণ্ডুৱ।' (পৃষ্ঠা ১৫৭)

শংকৰদেৱৰ ভায়েক ৰামৰায়ৰ ঘৰত কোবোলা বাঢ়ৈয়ে সজা বেল কাঠৰ জগন্নাথৰ মূৰ্ত্তি শংকৰদেৱে ব্ৰাহ্মণসকলৰ হতুৱাই প্ৰতিষ্ঠা কৰাইছিল। মূৰ্ত্তি প্ৰতিষ্ঠা কৰাৰ পাচত ব্ৰাহ্মণ পণ্ডিতে সাতবাৰ প্ৰদক্ষিণ কৰিছিল। শংকৰদেৱে নিজে হৰিধ্বনি কৰিছিল। হৰিধ্বনিৰ শব্দ শুনি বাঢ়ৈৰ মাজত মূৰ্ত্তি চাবৰ কাৰণে উচপিছ লাগিছিল। শংকৰদেৱে উপস্থিত হোৱা জনগণক উদ্দেশ্য কৰি কৈছিল,

"আজি ধৰি অন্য দেৱ পূজা এৰিওক।
আজি ধৰি ঈশ্বৰৰ মূৰ্ত্তি জানিয়োক।
শ্ৰৱণ কীৰ্ত্তন কৰি ভৱ তৰিয়োক।" (পৃষ্ঠা ১৬৯)

শংকৰদেৱৰ লগত বহু আলোচনা কৰাৰ পাচত হৰিমিশ্ৰই শংকৰদেৱৰ ওচৰত শৰণ লৈছিল। (পৃষ্ঠা ১৭১-৭৩)

পশ্চিমৰ পৰা অহা জগন্নাথ (জগদীশ) ব্ৰাহ্মণে লগত অনা ভাগৱত শংকৰদেৱক শুনাইছিলহি। শংকৰদেৱে ভকতৰ লগত.

"সেহি দিনা হন্তে ভাগৱত প্ৰচাৰিলা
ভকতসবে এক চিত্তে শুনিবে লাগিলা।" (পৃষ্ঠা ১৭৫)

বুলি উল্লেখ কৰিছে।

মাধৱদেৱ আৰু শংকৰদেৱৰ জোঁৱায়েক মহুক (?) আহোম ৰজাৰ বন্দীশালত দুমাহ বন্দী কৰি ৰখাৰ পাচত, সন্দিকৈয়ে তেওঁলোকক বন্দীশালৰ পৰা উলিয়াই লৈ যাওঁতে, মাৰিবলৈকে নিছে বুলি, মাধৱদেৱে মহুক কৈছিল, তেওঁক যদি আগতে মাৰে, 'মই সুমৰাইবো নাম কহিলো নিশ্চয়।' আৰু তেওঁক যদি আগতে মাৰে মোক সুমৰাইবা কহিলো নামক' (পৃষ্ঠা ১৮০) বুলিছিল। কাৰণ সেই সময়ত সকলোৱে দৃঢ় ভাবে বিশ্বাস কৰিছিল নামেই অপ্রয়াসে সংসাৰ সাগৰৰ পৰা উদ্ধাৰ কৰিব।

নামৰ মাহাত্ম্য ইমানেই বাঢ়িছিল যে আহোম ৰাজ বিষয়া সন্দিকৈয়ে বন্দী কৰি নিয়া মাধৱদেৱক, 'হিন্দু শাস্ত্ৰ শুনিবাক আছে মোৰ মন। (পৃষ্ঠা ১৮১) বুলি দোষৰ পৰা মুক্তি দিছিল। আনকি গৃহবন্দী অৱস্থাত থাকোতেও আহাৰৰ কাৰণে হাটত বহি মজিৰা বজাই গীত গাওঁতে, মানুহৰ পৰা চাউল, লোণ তেল, পান, তামোল আদি পাইছিল। সন্দিকৈয়েও এখন পুথি আনি মাধৱদেৱক দি পঢ়িবলৈ কৈ, অৰ্থও কৈ দিবলৈ কৈছিল। মাধৱদেৱে পুথি চাই 'অযোধ্যা কাণ্ড' বুলি জানি আনন্দিত হৈছিল আৰু 'দশকুৰি পদ গলে অৰ্থক কহন্ত।' (পৃষ্ঠা ১৮৭) সন্দিকৈয়ে অতিশয় আনন্দিত হৈ মাধৱদেৱৰ ঠাইলৈ লোণ, চাউল পঠাইছিল।

দেশত চৈতন্যপন্থী লোকৰ প্ৰভাবো আছিল। ভৱানন্দই নাৰায়ণ দাস নাম পোৱাৰ আগতে যোন নাম লৱৰ কাৰণে বলদেৱৰ পৰা চৈতন্যপন্থী লোক অনাই ৰাখিছিলহি। কিন্তু শংকৰদেৱৰ ওচৰত শেষত শৰণ লৈ ভৱানন্দৰ পৰা নাৰায়ণ দাস নাম পাইছিল।

'চাউল তৈল নথাই পাচে খৈলা চন্তালত।
প্ৰণামিলা শঙ্কৰক পৰি চৰণত।
প্ৰণাম কৰিবে পাচে শঙ্কৰে দেখিয়া।
নাৰায়ণ নাম বুলিলন্ত উচ্চাৰিয়া।। (পৃষ্ঠা ১৯১)

বৈষ্ণৱ আদৰ্শৰ লগত আন ধৰ্মৰ প্ৰভেদ ক'ত সেই সম্বন্ধেও চৰিতখনিত লিখা আছে। ভৱানন্দই নাৰায়ণ দাস নাম শংকৰদেৱৰ পৰা পোৱাৰ পাচত সেই অঞ্চলত আৰু কোনোবা ধৰ্ম ধৰিব পৰা লোক আছেনে, গীত পদ কিবা ৰচনা কৰিছেনে বুলি শংকৰদেৱে সোধাৰ পাচত গীতাম্বৰ কৰিৰ নাম কৈছিল, নাৰায়ণ দাসৰ মুখত শংকৰদেৱে গীতাম্বৰ কৰিৰ পদ শুনি কৈছিল,

"আৰু গাইবা সদাশয়। সৰ্ব্ব পৰ্ব্বতত সিটো উঠিয়া আছয় ॥
ধৰ্ম ধৰিবাৰ যোগ্য নোহে সিটো লোক।' (পৃষ্ঠা ২০১)

তাৰ পাছত আৰু এজনৰ কথা নাৰায়ণ দাসে কৈছিল। যেওঁ নখ, দাড়ি ৰাখি ব্ৰত, হবিষ্য ভোজন কৰে বুলি। শংকৰদেৱে ভেটিয়া কৈছিল, সৎ সঙ্গ পালে যেওঁ নিশ্চয় ভকতি ধৰ্ম ধৰিব পাৰিব। "সৎসঙ্গ ভকতি পাইলে ধৰিবে নিশ্চয়।" (পৃষ্ঠা ২০১)

বৈষ্ণৱ আদৰ্শৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ বাঢ়ি গৈছিল যদিও দেশত আন পূজা উপাসনাও চলি আছিল। বাগুৰাত চতুৰ্দ্দশী তিথিত ঘৰে ঘৰে শিৱ পূজা কৰিছিল। মাধৱদেৱৰ ককায়েক ৰূপচন্দ্ৰদিবীয়ে পূজা কৰিবৰ কাৰণে বেলপাত, ৰক্ত পুষ্প আদি গোটাবা, সেই সময়তে গৈ পোৱা, মাধৱদেৱে দেখি এটা গীত ৰচনা কৰিছিল,

'কৰিয়াছো সেৱা মই চৰণে কৃষ্ণৰ।
কদাচিতো নুপূজিবো আনো দেৱান্তৰ।
চৈতন্যক এৰি কেনে পূজিবা জড়ক।
ইষ্টদেৱ মানি আছো ঈশ্বৰ কৃষ্ণক। (পৃষ্ঠা ২০৫)

গীত দেখি ককায়েকে মনতে ভাবিলে, ভায়েকক কোনোবা ভকতে দণ্ডৱত কৰাই ভক্ত কৰিলে।

' মনত বোলন্ত ভাই ভৈলন্ত ভকত।
কোনোবা ভকতে কৰাইলেক দণ্ডৱত ॥" (পৃষ্ঠা ২০৫)

শংকৰদেৱে দামোদৰদেৱত যদিও নিজে শৰণ দিয়া নাছিল, কৃষি-কৰ্মৰ পৰা একেবাৰে 'অন্ন বস্ত্ৰ দিয়া মই কৰিবো পোষণ' বুলি ৰাম ৰাম গুৰুক মাতি আনি শৰণৰ কথা কোৱাইছিল আৰু 'উপদেশ কথা যত শংকৰে কহিলা' (পৃষ্ঠা ২০৮)

শংকৰদেৱৰ ওচৰত নানা ঠাইৰ পৰা শৰণ লবলৈ মানুহ আহিবলৈ ধৰিছিল। হৰিগুৰুক ৰামৰায়ৰ দ্বাৰাই শৰণ দিয়াইছিল। তাৰ পাছত হৰিদাস, হৰিচৰণ, ব্যাসকলাই, গোকুলচান্দ, গোবিন্দ, পৰমানন্দ, উদাৰ গোবিন্দ, জগন্নাথ, সৰ্ব্বজয়, জয়ন্ত, মাধৱ, বলোৰাম, শ্ৰীৰাম আদি বাৰ জন আহি প্ৰসঙ্গত নাম গাবলৈ লগ লৈছিলহি। ইয়াৰ বাহিৰেও,

'কামৰূপ নিবাসী আছয় লোক যত।
অন্য দেৱ তেজিয়া নি হোৱয় ভকত॥ (পৃষ্ঠা ২০১)

এই দৰে শংকৰদেৱৰ শুদ্ধ কীৰ্ত্তি চাৰিওফালে প্ৰচাৰ হবলৈ ধৰিছিল।

শংকৰদেৱৰ প্ৰতি ব্ৰাহ্মণৰ বিদ্বেষ, সেই সময়ত ধৰ্ম ৰাজ্যত ডাঙৰ সংঘৰ্ষ আছিল। শূদ্ৰ হৈ ভাগৱত পঢ়া, ব্ৰাহ্মণক শিক্ষা দিয়া, শ্ৰাদ্ধ নকৰা, তীৰ্থ নযোৱা, কোনো দেৱতাক পূজা নকৰা—এইবোৰ কথা ব্ৰাহ্মণসকলে বেহাৰৰ ৰজা নৰ-নাৰায়ণৰ ওচৰত গোচৰ দি ৰজাবো মন শংকৰদেৱৰ প্ৰতি বিদ্বেষী কৰি তুলিছিল। শংকৰদেৱ বেহাৰৰ ৰজাৰ ওচৰলৈ আহিল। শংকৰদেৱ ৰাজসভাত প্ৰৱেশ কৰাৰ লগে লগে ৰজাক শংকৰৰ তেজে ধৰ্ষণ কৰিছিল। ৰাজসভাত বহিবৰ কাৰণে কম্বল দিয়াইছিল। শংকৰদেৱ ৰাজসভালৈ সোমাই অহাৰ লগে লগে ৰজাক বন্দনা কৰি ভটিমা গাই আহিছিল। ৰজাই ব্ৰাহ্মণে লগোৱা কথাবোৰৰ বিষয়ে শংকৰদেৱক প্ৰশ্ন কৰিছিল। শংকৰদেৱে ৰজাই সোধা প্ৰশ্নবোৰৰ উত্তৰ দি গৈছিল। শংকৰদেৱে কৈছিল, গঙ্গা, প্ৰয়াগ, যমুনা, কাবেৰী আদি সৰ্ব তীৰ্থ ভ্ৰমণ কৰিলে, উৰিষ্যাৰ জগন্নাথলৈকো গৈছিল। কিন্তু আন দেৱ-দেৱীক সেৱা নকৰে বুলি ঠিক কৰিলে। চণ্ডাল হৈয়ো যিজনৰ মুখত ঈশ্বৰৰ নাম আছে তেওঁ চতুৰ্ব্বেদী জনত কৈয়ো শ্ৰেষ্ঠ—এই কথা ভাগৱতত কপিলৰ মাতৃয়ে কৈছে বুলিও শংকৰদেৱে ৰজাৰ আগত কৈছিল। নামৰ উপদেশ চাৰিও জাতিৰ (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ) লোক আচাৰ্য্য হৈ দিব পাৰে,

'দীক্ষা মন্ত্ৰ সমস্তক ব্ৰাহ্মণ দিব পাৰয়।
চাৰিও জাতিৰ আচাৰ্য্য হলেও নামে দোষ নাহিকয়॥
(পৃষ্ঠা ২১৩)

ইয়াৰ পাচত ব্ৰাহ্মণে একো মাতিবই নোৱাৰিছিল। শংকৰদেৱে ৰজাকো কৈছিল যে ধৰ্ম, অধৰ্মৰ বিচাৰ কৰিব লাগে। ব্ৰাহ্মণৰ মিছা কথা ৰজাই কিয় বিশ্বাস কৰিছে। বৈষ্ণৱসকল কেতিয়াও অনাচাৰী নহয়। ব্ৰাহ্মণ হৈ মিছা কথা কৈছে, তীৰ্থ নযোৱাৰ কথা লগাইছে। প্ৰথমতে শংকৰদেৱে বাৰ বছৰ তীৰ্থতেই ভ্ৰমণ কৰিলে। কিন্তু এতিয়া তেওঁৰ 'যাবৰ মননাহিকয়' বুলিহে যোৱা নাই। নহলে

"এতিক্ষণে মোৰ তীৰ্থক যাইবাৰ
মনৰ ইচ্ছা আছয়।" (পৃষ্ঠা ২১৮)

বেহাৰৰ ৰজাই শংকৰদেৱক তীৰ্থলৈ যাবলৈ ধন দিব খোজাত শংকৰদেৱে কৈছিল, 'আৰ্জিত অৰ্থেৰে তীৰ্থ কৰিলেসে তেৱেঁসে ফল ধৰয়' (পৃষ্ঠা ২১৮) আৰু ছয়ভাগৰ এভাগ কৰ্মফল ৰজাই পাব আৰু শংকৰদেৱৰ ফল একো নহব।

চৰিতখনিত যত্তেই সুবিধা পাইছে, তাতেই ৰামানন্দ দ্বিজে মাধৱ মাহাত্ম্য, শংকৰৰ মাহাত্ম্য ঘোষণা কৰি গৈছে। দ্বিতীয়বাৰ তীৰ্থলৈ যোৱাৰ পথত ৰামৰায়ে শুকুল, মথুৰা আদি দৰশনৰ কাৰণে আৰু ৰূপ সনাতনে যি ধৰ্মমত প্ৰচাৰ কৰিছে, তাক শংকৰদেৱৰ লগত সমতা আছে নে নাই সেই সংশয়ত গুচাবৰ কাৰণে যায় খোজাত মাধৱদেৱে শুনি বিষ্ণু বিষ্ণু স্মৰণ কৰি উদাহৰণ দিছিল, পাণ্ডৱসকলৰ যুধিষ্ঠিৰে কৃষ্ণক কাষত পায়ো কাক অৰ্ঘ দিব সেই কথা পাহৰি গৈছিল আৰু সহদেৱৰ কথাত চেতনা ঘূৰাই পাইছিল। এতিয়া ৰামৰায়বো তেনেই হৈছে,

'শ্ৰীমন্ত শংকৰদেৱ পৰম ঈশ্বৰ।
তাংকো পাই চঞ্চলতা মুণ্ডচে মনৰ॥' (পৃষ্ঠা ২০০)

মাধৱদেৱৰ কথাত ৰামৰায়ে লাজ পাইছিল।

তীৰ্থক্ষেত্ৰবিলাকত ধৰ্মৰ নামত যে কিমান অধৰ্ম, তণ্ডামি চলিছিল, তাৰ কথাও লিপিবদ্ধ কৰিছে। দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে গয়া গদাধৰৰ লগ পোৱা সন্ন্যাসীৰ প্ৰতি (ছয় কুৰি আছিল) আকৃষ্ট হৈ, 'মহাভাগ্যে আসবাক পাইলো দৰিশন' (পৃষ্ঠা ২৩৪) বুলি ৰামৰায়ে শংকৰদেৱক জনালত, শংকৰদেৱে 'কলিৰ পাষণ্ড আৰু জানিবা নিশ্চয়' (পৃষ্ঠা ২৩৫) বুলি সাৱধান কৰি দিয়াত ৰামৰায় অসন্তুষ্ট হৈছিল। কিন্তু ককায়েকৰ কথা নেমানি 'চিনি, ঘৃত, পিঠা, মোদক' আৰু বহুত সম্পদ আনি সন্ন্যাসীক ভোজন কৰাইছিল। ৰাতি শুই থকা অৱস্থাত সন্ন্যাসীবোৰে 'লুটিবে লাগিলা' (পৃষ্ঠা ২৩৫) আৰু আন ভকতসকলে গাৰ পাগত সকলো কাণ্ড ধৰা পৰিছিল। লোটা, বাটি আদি যিমান বস্তু আছিল সন্ন্যাসীয়ে চুৰ কৰি লৈ গৈছিল। শংকৰদেৱৰ কথাই সঁচা প্ৰমাণিত হৈছিল।

'দাদাৰ বচন মানো সমস্তে সাৰ্থক॥
পৰম পাষণ্ড আৰু জানিলো নিশ্চয়।
সন্ন্যাসীৰ বেশ ধৰি ফিৰান্ত অধম॥' (পৃষ্ঠা ২৩৬) বুলি

ৰামৰায় পস্তাৱন গৈছিল।

চৰিতখনিত অসমৰ বাহিৰৰ বৈষ্ণৱসকলৰ বিষয়ে কিছু কথা লিপিবদ্ধ কৰিছে। ৰূপ আৰু সনাতনে ৰাজসুখকো অনাগুনি দি বৃন্দাবনত কেনেকৈ জীৱন কটাই

হৰিনাম কীৰ্ত্তন কৰিছিল তাৰ বিষয়ে অতি বিস্তৃত বিবৰণ দিছে। (পৃষ্ঠা ২৪২-৪৯)

সন্ন্যাসীৰ বেশ ধাৰণ কৰাৰ সুবিধাৰ বিষয়েও চৰিতখনিত উল্লেখ কৰিছে। মাধবদেৱ প্ৰশ্নৰ উত্তৰত সন্ন্যাসীয়ে কৈছিল,

"গুৰু বুলিলন্ত সন্ন্যাসীৰ বেশ ধৰ ॥
পথতে যাইতে তেবে কেহো নবাধয় ।
কাহাকো নাহিকে ভয় আহাৰ মিলয় ॥" (পৃষ্ঠা ২৫৩)

তীৰ্থৰ পৰা ঘূৰাৰ পথত শংকৰদেৱে কবীৰৰ মঠ পাইছিল। তীৰ্থতকৈয়ো শ্ৰেষ্ঠ বুলি শংকৰদেৱে মাধবদেৱক কৈ তাতো সোমাইছিল। (পৃষ্ঠা ২৫৬) কাৰণ "তীৰ্থত কৰিয়া কৰিয়া শ্ৰেষ্ঠ থান মহন্তৰ।" (পৃষ্ঠা ২৫৬) বুলি গণ্য কৰিছিল।

গুৰুধ্বজক শংকৰদেৱে বৈকুণ্ঠৰ বৰ্ণনা, পাচ বিধ মুক্তিৰ বৰ্ণনা, বিষ্ণুপুৰীৰ মাহাত্ম্য বৰ্ণনা, বৈকুণ্ঠ পতিৰ বৰ্ণনা কৰি যি কথা কৈছিল অতি মনোৰম। (পৃষ্ঠা ২৬৪ ৭৬) গুৰুধ্বজে শুনি ইমান সন্তোষ পাইছিল যে তেখেতে কৈছিল, শংকৰদেৱেই নিশ্চয় বৈকুণ্ঠৰ লোক, নহলে নেদেখা বস্তুক কেনেকৈ ইমান সুন্দৰকৈ বৰ্ণনা কৰিব।

" সহি বৈকুণ্ঠৰ লোক তুমি আক
জানিলোহো সাৰে সাৰ।" (পৃষ্ঠা ২৭৭)

ধৰ্মৰ নামত ভেণ্ডিয়াৰ দিনতেই ভণ্ডামি হৈছিল। গুৰুধ্বজৰ ৰাজসভাত থকা সন্ন্যাসীয়েই তাৰ প্ৰমাণ। গাত চাই ভগ মানি, সন্ন্যাসীৰ বেশত থকা থকটা সন্ন্যাসীয়ে শংকৰদেৱৰ পৰা আতৰি থাকিছিল। শংকৰদেৱ নথকা সময়ত উপস্থিত থাকে। গাত চাই ভগ মানিছিল। বাঘৰ ছালৰ আসনত বহিছিল। শংকৰদেৱে বৌধমত বুলিছিল। গুৰুধ্বজে প্ৰমাণ চাবলৈ সন্ন্যাসীক, শংকৰদেৱৰ উপস্থিতিত ৰাজসভালৈ মতাই অনাইছিল। শংকৰদেৱক গুৰুধ্বজে প্ৰশ্ন কৰিবলৈ ইঙ্গিত দিয়াত, 'কোন দেৱ তুমি উপাসনা কৰা শুচোহো কৰা তোমাত' (পৃষ্ঠা ২৮১) বোলাত প্ৰথমবাৰ একো নেমাতিছিল। পুনৰ প্ৰশ্ন কৰাত উত্তৰ দিছিল,

'যত দেৱ আছে যত শাস্ত্ৰ আছে
যত ধৰ্ম অকাৰণ
একো ঈশ্বৰক নকৰো উপাসা
লোকে কই নাৰায়ণ ॥' (পৃষ্ঠা ২৮২)

বুলি। সভাত থকা আন সকলেও বৌদ্ধত বুলি জানিলে আৰু ততাৰি কৰি এৰে দবে পেট প্ৰবৰ্তন কৰি ঘূৰিছে বুলিও গম পাই গৈছিল। তেতিয়া গুৰুজনে সন্ন্যাসীক ৰাজ্যৰ পৰা বাজ কৰি দিছিল। (পৃষ্ঠা ২৮৩)

গুৰুধ্বজৰ একান্ত ইচ্ছাত ভাগৱত প্ৰতিষ্ঠা কৰি, তেওঁক শংকৰদেৱে শৰণ দিছিল। জনতাৰ মাজৰ পৰা এনেকৈয়ে বৈষ্ণৱ ধৰ্ম, বৈষ্ণৱ মতাদৰ্শ ৰাজসভাত প্ৰৱেশ কৰিছিল গৈ। শংকৰদেৱ ইমানেই বিচক্ষণ লোক আছিল যে গুৰুজনৰ ৰজাই বৃন্দাবনত কৃষ্ণ লীলা খেলা চাবৰ ইচ্ছা হৈছে বোলাত, শংকৰদেৱে তিনি মাহৰ ভিতৰত তাততে বোৱাই বৃন্দাবনী কাপোৰ প্ৰস্তুত কৰিছিল। কাৰণ ৰজাই আপুনি সুদৃষ্টি কৰিয়া নিৰ্মাণ কৰায়ো বাপ বস্ত্ৰত। (পৃষ্ঠা ২৮৫) বোলাৰ কাৰণে শংকৰদেৱে নিজে তদাৰক কৰিব লগা হৈছিল। বৃন্দাবনী কাপোৰ ৰজাক আনি দেখুৱাৰ পাচতে,

'কামৰূপ ম্লেচ্ছ দেশে শংকৰ স্বৰূপে কৃষ্ণ
আসিলন্ত আপুনি ইহাৰ।' (পৃষ্ঠা ২৯৫) বুলি চাৰিও

কালে প্ৰচাৰ হৈ গৈছিল।

বৈষ্ণৱক দোষ লগোৱাটো বৰ অগৰৱ কথা, দোষৰ কথা আছিল, সেই কাৰণে শংকৰদেৱৰ ওচৰত অম্বৰাৰি ভট্টাচাৰ্য্য আৰু পিছুৱে আহি ক্ষমা ভিক্ষা বিচাৰি-ছিলহি। শংকৰদেৱ পৰম বৈষ্ণৱ আছিল। তেওঁ যদি মন কষ্ট পাই,

যাৰ শ্ৰী যশ সবে নষ্ট হইবে
মন তাপে শংকৰৰ।' (পৃষ্ঠা ৩৪০)

হৰিত বিমুখ লোকক কোনেও ঠাই নিদিয়ে ব্যাসকলাই তাৰ জ্বলন্ত উদাহৰণ। বৈষ্ণৱ ভক্ত হৈ পুত্ৰৰ আৰোগ্যৰ কাৰণে আনৰ কথাত পৰি কামাখ্যা গোসানীৰ উদ্দেশ্যে বগা ছাগলী বলি দিয়াই পূজা কৰাইছিল। অথচ পুত্ৰেও কৃষ্ণ নামেৰেই সকলো বোলাটো পূজা দিয়াইছিল। কিন্তু পুত্ৰৰ মৃত্যু হৈছিল তাৰ পিচতেই। শংকৰদেৱৰ ওচৰলৈ পুনৰ প্ৰায়শ্চিত্তৰ কাৰণে নিজে আহিবলৈ সাহস কৰিব নোৱাৰি শংকৰদেৱৰ তাকেই বাৰবাৰক পঠাইছিল। কিন্তু শংকৰদেৱে, 'ব্যাসকলাই পাষণ্ডৰ বস্ত কি কাৰ্যে মই আনিলি।' (পৃষ্ঠা ৩৪১) বুলি খং কৰি উঠিছিল। ব্যাসকলাই পতিত হৈয়ে থাকি দেৱী উপাসক ব্ৰাহ্মণসকলক আনি বৰ ভোজ দিয়াইছিল। মনতে ভাবিছিল, শংকৰে প্ৰায়শ্চিত্ত নকৰিলে কি হ'ল, এই

প্ৰায়শ্চিত্তৰ ধন জগন্নাথত নপ্ৰাবগে। কিন্তু হৰি বিমুখক যে কোনেও ঠাই নিদিয়ে তাৰে প্ৰমাণ দেখুৱাইছিল। কাৰণ জগন্নাথে স্বয়ং এজন লোকক সপোনত,

'ব্যাস কলাই আসিবে নেদিবি
মোহৰ আজ্ঞা বোলাই।' (পৃষ্ঠা ৩৫১)

বুলি আদেশ দিছিল, কাৰণ হৰিক অৱহেলা কৰি দেৱীক পূজা দিছিল। শংকৰদেৱে ব্যাসকলাইক ত্যাগ কৰিলে। গতিকে আক সপোনতে আদেশ দিছিল,

'মোহোৰ থানত নপশোক সিটো
কৰ গৈয়া নিবাৰণ।
শংকৰে ত্যাগিলা মৰো যে ত্যাগিলো
কহিলো শুনা কাৰণ॥' (পৃষ্ঠা ৮৫২)

গতিকেই জগন্নাথত সোমাব নোৱাৰিলে, কোন মুখে ঘৰলৈ যাব বুলি সাগৰৰ পাৰতে মৰিব বুলি সাগৰৰ পাৰতে আছিল। কিন্তু অতক্ত জানি সাগৰৰ ঢৌৱে বহুত দূৰলৈ লৈ গৈছিল। আনকি মৰাৰ পাচত শিয়াল শগুণেও ব্যাসকলাইৰ মৃত দেহ ভক্ষণ নকৰিছিল। ব্যাসকলাইৰ জীৱন কথা অতি বিস্তৃতভাবে চৰিতখনিত বৰ্ণিত কৰিছে। (পৃষ্ঠা ৩৪৬-৫৩)

পৰম বৈষ্ণৱসকলো কেতিয়াবা বিপথে পৰিচালিত হৈছিল। কড়োলা বাটেয়ে মাধবেন্দ্ৰ পুৰী নামে সন্ন্যাসীৰ কথাত ভোল গৈ একাদশীৰ ব্ৰত পালন নকৰি বো মাহেৰে আহাৰ কৰিছিল। শংকৰদেৱক কথাটো জনালত একাদশীৰ ব্ৰত নেৰিবৰ কাৰণে খং কৰি কৈছিল। শংকৰদেৱৰ জীৱিত অৱস্থাতে ভক্তসকলৰ মাজতে দুই এজনে মাজে মাজে বিপথে পৰিচালিত হৈছিল। (পৃষ্ঠা ৩৫৬-৫৭) শংকৰ-মাধৱৰ দিনত বৈষ্ণৱ বিদ্বেষী লোকৰ নানা অত্যাচাৰ শংকৰ-মাধৱে সহিব লগা হৈছিল। চকিয়া মাজিৰ ঘৰত মাধৱদেৱে অপমান পাইছিল মাজিৰ জাওঁৰ কথাৰেৰে পৰা, অতি ভাবে ভক্তিৰে মাধৱদেৱে কীৰ্ত্তন কৰিবলৈ ধৰোতেই,

'শংকৰ মাধৱ ভই জগতৰে ধূমকেতু
কহি যুৰ একান্ত শৰণ।
দেৱতাক উলংঘিলি সৰ্ব্বলোক বিনাশিলি
আজি তোৰ নাই এবাৰন॥' (পৃষ্ঠা ৩৬৪)

বুলি ডিঙিত কাপোৰ দি টানি অপমান কৰিছিল। তাৰেক তিনিজনেহে একবাৰ দিছিল গৈ। কিন্তু মহত্তৰ ক্ষমায়েই হে ধৰ্ম। মাধৱদেৱৰ ক্ষমাশীল গুণ দেখি পাচত বাজ বিষয়া, মহা অভক্ত চকিয়া মাজিৰ ককায়েকে অনুতাপ কৰিছিল,

হা হা মই কি কৰিলোঁ। বৈষ্ণৱক দুখ দিলোঁ।
ইটো দোষে যাইবো নৰকত।' (পৃষ্ঠা ৩৬৭) বুলি।

শংকৰদেৱে মাধৱদেৱক,

একে জীৱ একে প্ৰাণ একে দুইবো কায়।
তোমাৰ আমাৰ জানা একো ভিন্ন নায়॥
...
বীৰ্য্যৰ পুত্ৰতকৈ কৰি ধৰ্ম পুত্ৰ বৰ।' (পৃষ্ঠা ৩৮৩)

বুলি কৈছিল আৰু শংকৰদেৱৰ পাচত মাধৱদেৱকেই ধৰ্মৰ উত্তৰাধিকাৰী পাতি থোৱাবলৈ বুলি নায়ত উঠিছিল।

শংকৰদেৱৰ দেহাৱসানৰ আগে আগে শংকৰদেৱে পুত্ৰক উপদেশ দিছিল, নাম প্ৰসঙ্গ কৰিবলৈ, মাধৱদেৱক গুৰু মানিবলৈ। কাৰণ,

'সৰ্ব শক্তি মোৰ মাধৱতে আছে
আনো যত গুণ গান॥' (পৃষ্ঠা ৩৯৪)

বুলিছিল। শংকৰৰ পুত্ৰ বুলি গৰ্ব তাৰ নকৰিবৰ কাৰণেও শংকৰদেৱে সকিয়াই দিছিল।

শংকৰদেৱৰ আজ্ঞাই শিৰোধাৰ্য্য কৰি বৈষ্ণৱ ধৰ্মক মাধৱদেৱে প্ৰচাৰ আৰু প্ৰসাৰত বত হৈছিল।

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজৰ 'শ্ৰীশ্ৰীশংকৰদেৱ' নামৰ চৰিতখনিত তলত দিয়াৰ দৰে ধৰ্ম সম্পৰ্কীয় কথা পোৱা যায়।

শংকৰদেৱৰ উপৰিপুৰুষ সকলোৱেই দেৱী, বিভিন্ন দেৱতাৰ উপাসক আছিল। দেৱীক সাক্ষাৎ পাইছিল আৰু দেৱীৰ প্ৰভাৱত মহাপণ্ডিত হৈছিল। শংকৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰে পণ্ডিত বাদত হকবাৰ পবাৰ কাৰণে বজা দুৰ্লভ নাৰায়ণে চণ্ডীবৰক নাম দিছিল 'দেৱীদাস'। (পৃষ্ঠা ২০৩) আনকি শংকৰদেৱৰ পিতৃ

কুসুমদেৱেও ধনে ধানে পূৰ্ণ কিন্তু পুত্ৰ সন্তান নাছিল কাৰণে শিৱক পূজা কৰি পুত্ৰ পোৱাৰ কাৰণে নাম ৰাখিছিল 'শংকৰ',

মিলিল আনন্দ দেখি সকলে বংশৰ।
কৌতুকে তাহাৰ নাম থৈলন্ত শংকৰ॥' (পৃষ্ঠা ৫)

শঙ্কৰদেৱ প্ৰথম বাৰ তীৰ্থ পৰ্য্যটনৰ পৰা অহাৰ পাচত, নতুনকৈ গৃহস্থী হোৱাৰ পাচত, ৰামৰায়ে শংকৰদেৱক দেৱগৃহ সাজিবৰ কাৰণে অনুমতি লৈছিল। শংকৰদেৱৰ কথা মতে ৰামৰায়ে সত্ৰগৃহ সজাইছিল। সেই গৃহতে ৰামৰায় গুৰুৰ লগত ভাগৱত আলোচনা কৰিবলৈ লৈছিল। তত্ত্ব কথা চৰ্চ্চা কৰাৰ পৰা সংসাৰৰ অবিদ্যাৰ হাতত পৰি যত লোক অন্ধকাৰলৈ আগুৱাই গৈ থাকে, তাৰ পৰা উদ্ধাৰ পাবৰ একমাত্ৰ উপায় হল দৈৱকী নন্দন কৃষ্ণক একমাত্ৰ উপাস্য দেৱতা ৰূপে লৈ, তেওঁৰেই গুণানুকীৰ্ত্তন কৰা। শংকৰদেৱে ভাগৱতত থকা কৃষ্ণ কথা শ্ৰৱণ আৰু কীৰ্ত্তনত গুৰুত্ব দি বৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰিবলৈ লৈছিল। (পৃষ্ঠা ৩৬-৩৮)

"কৃষ্ণ গুণ নাম ধৰ্ম লোক প্ৰচাৰ কৰে
সুখে যতিক সংসাৰক তৰি।।
শ্ৰৱণ কীৰ্ত্তন কৰি তৰোক সমস্তে লোক
পদবন্ধো কৰিলা প্ৰচাৰ॥" (পৃষ্ঠা ৩৮)

দেৱ মন্দিৰত ভাগৱত পাঠ হৈছিল ত্ৰিহুতৰ পৰা অহা জগন্নাথ মিশ্ৰই অনা ভাগৱত লৈ। প্ৰথম স্কন্দৰ পৰা দ্বাদশ স্কন্দলৈকে পৰম হৰিষ মনে জগন্নাথ মিশ্ৰই ভাগৱত পাঠ কৰিছিল। শংকৰদেৱে সেই ভাগৱত অসমীয়া পদত ৰচনা কৰিছিল। (পৃষ্ঠা ৪৬)

"ভাগৱত পাঠ আৰম্ভিলা বিপ্ৰবৰে॥
প্ৰথম স্কন্ধে পৰা দ্বাদশ পৰ্য্যন্তে।
পঢ়িলন্ত বিপ্ৰে বহি কৰু ভাগৱতে॥

শঙ্কৰে কৰিছা পদ মহাযশ কৰি॥" (পৃষ্ঠা ৪৬)

শংকৰ-মাধৱৰ মহা মিলন অসমৰ বৈষ্ণৱ আন্দোলনৰ এটি স্মৰণীয় ঘটনা। মাধৱদেৱৰ সংযোগত শংকৰগুৰুৰ মাহাত্ম্য প্ৰকাশ হল, গুৰুৰ প্ৰাধান্য সাব্যস্ত হল। মাধৱদেৱ লগ হোৱাৰ পাচত বৈষ্ণৱ আন্দোলন আৰু জোৰদাৰ হল।

শংকৰদেৱক লগ পোৱাৰ আগলৈকে কিন্তু মাধৱদেৱ ঘোৰ দেৱী উপাসক আছিল। দেৱী পূজাত বলি দিবৰ কাৰণে ছাগলী আনিবলৈ কৈছিল আৰু ননাৰ কাৰণে ভনিজোৱায়েকক খং কৰিছিল। আনকি শংকৰদেৱৰ ওচৰলৈ বাদ কৰিবৰ কাৰণে যাবলৈ সাজু হৈছিল। শেষত ভনিজোৱায়েকে যেতিয়া

বলি কাটি দিলে অন্ত দেৱক পূজয়।
অন্তকালে সেহি বলি তাহাকো কাটয়॥
যাতনা ভুঞ্জিয়া মৰে নাহিকে নিস্তাৰ।
নপায়ে কণকো সুখ মাত্ৰ হোৱে সাৰ॥ (পৃষ্ঠা ৫০-৫১)

তেতিয়া মাধৱদেৱ দপ্‌দপাই উঠি ভনিজোৱায়েকক কৈছিল,

'মূৰ্খৰ আগত যেন কথা কহ তই।
ধৰ্ম বুজাৱস কিছো নজানোহো মঞি॥' (পৃষ্ঠা ৫১)

ইয়াৰ পাচতেই বৈষ্ণৱ আন্দোলনৰ ইতিহাসৰ অতি স্মৰণীয় ঘটনাটো ঘটে আৰু শংকৰ-মাধৱৰ মিলন হয়। শংকৰদেৱৰ লগত বাদ কৰি শেষত মাধৱদেৱে 'গুৰু মানি শংকৰত শৰণ লৈলন্ত॥' (পৃষ্ঠা ৫৭)

অষ্টমী তিথিত দেৱীৰ উদ্দেশ্যে ছাগলী বলি দিয়াৰ খোজা মাধৱদেৱে, কেৱল কৃষ্ণৰ নামত নৈবেদ্য দি তাৰ ভাগ শংকৰদেৱৰ ওচৰলৈকে লৈ গৈছিল। শংকৰদেৱে কৃষ্ণ উপাসনাৰ নৈবেদ্য বোলাত অতি আনন্দ মনে কৈছিল।

'আপুনি ভুঞ্জিবো মঞি কৃষ্ণ প্ৰসাদক।' (পৃষ্ঠা ৫৯)

বুলি। মাধৱদেৱৰ শংকৰদেৱক গুৰু মানি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাচত জনসাধাৰণৰ মন লাহে লাহে আকৰ্ষণ কৰি আনিবলৈ ধৰিছিল। (পৃষ্ঠা ৫৯, ৬০)

' মাধৱা ভজিলা শঙ্কৰক গুৰুভাৱে।
শঙ্কৰ মাধৱ সম কীৰ্ত্তি আৰু পাৱে॥" (পৃষ্ঠা ৬০)

গুৰু সেৱা। গুৰু শুশ্ৰূষা বৈষ্ণৱ আদৰ্শত বৰ ডাঙৰ কথা। কাৰণ বৈষ্ণৱ সকলে বিশ্বাস কৰিছিল।

'গুৰু শুশ্ৰূষাতে যেন তুষ্ট ভগৱন্ত।' (পৃষ্ঠা ৬০)

মাধৱদেৱে অতি নিষ্ঠাৰে তেওঁৰ গুৰু শংকৰদেৱক শুশ্ৰূষা কৰিছিল আৰু জীৱনৰ শেষলৈ কৰিছিল। কাৰণ

"গুৰুসেৱা বিনে আনা ধৰ্ম নাহি আন॥" (পৃষ্ঠা ৬০) বুলি বিশ্বাস কৰিছিল।

ভক্তিৰ পথত চলা লোকৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে, 'কৰয় অসূয়া যতেক ব্ৰাহ্মণ আছে।' (পৃষ্ঠা ৬১) ব্ৰাহ্মণ পণ্ডিতে গোট খাই সভা পাতি ঠিক কৰিছিল, দেৱী পূজা দেশত বন্ধ হলে ব্ৰাহ্মণৰ মান্য নেথাকিব, দক্ষিণা আদি নেপাব, গতিকেই একশৰণীয়া নাম ধৰ্মৰ বিৰোধ আচৰণ কৰিব। শূদ্ৰ হৈ ভাগৱত পঢ়া, শূদ্ৰ হৈ ভকতি ধৰ্ম প্ৰচাৰ কৰাটো দোষৰ কথা। কিন্তু শংকৰদেৱৰ পাণ্ডিত্যৰ কথা তেওঁলোকে ভালকৈ জানি শংকৰদেৱৰ 'সন্মুখ হবলৈ ভয় কৰি, শংকৰদেৱৰ ভক্তসকলকে উৎপীড়ন কৰিব বুলি ঠিক কৰিছিল। শংকৰ অকলে, তেওঁলোক বহুত বুলি সন্তুষ্টি লাভ কৰিছিল।'

"আমি বহু বিপ্ৰ একলা শংকৰ
কৰিবে কিবা আমাক ॥
নিন্দা অসূয়া বিস্তৰ কৰন্তে
আপুনি এৰিবে ধৰ্ম।" (পৃষ্ঠা ৬৪)

ভকতক বাটে পথে অত্যাচাৰ কৰিবলৈ ধৰিছিল। শেষত শংকৰদেৱক গোচৰ দিছিল ভক্তসকল, 'পথত যাইবাক নপাৰি ব্ৰাহ্মণে কদৰ্থি মাৰে আমাক।' (পৃষ্ঠা ৬৫) তেতিয়া শংকৰদেৱে প্ৰকৃত কথা বুজি পাই ভক্তসকলক কৈছিল, 'তোমাসাক নিন্দা নকৰে ব্ৰাহ্মণে কৰয় নিন্দা আমাক।' (পৃষ্ঠা ৬৬) ইয়াৰ পাচত বুঢ়াখাৰ ঘৰত বিদ্বেষী ব্ৰাহ্মণ আৰু শংকৰদেৱৰ মাজত বাদ আৰম্ভ হৈছিল। শংকৰদেৱৰ পাণ্ডিত্য আৰু কথাৰ মহত্বত বিদ্বেষী ব্ৰাহ্মণে কেতিয়া কৃষ্ণৰ মাহাত্ম্য কীৰ্ত্তন কৰিছিল গমেই ধৰিব পৰা নাছিল,

'সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰত পূজা কৰে।
কলিত কীৰ্ত্তন কৰি অনায়াসে
পাপীয়ো সংসাৰ তৰে ॥' (পৃষ্ঠা ৭১) বুলি।

তেতিয়া সভাত থকা বিয়াশকলায়ে তৎক্ষণাৎ উঠি কৈছিল—ৰত্নাকৰ কন্দলীয়ে কলি যুগত হৰিনামৰ বাহিৰে আন ধৰ্ম নাই বুলি সমাজত থকা লোকক কৈছে। গতিকে সমাজত থকা সকলক হৰি-ধ্বনি কৰিবলৈ কৈছিল। শেষত শংকৰদেৱৰ মতেই জয় হৈছিল। কাৰণ লোকসকলে উপলব্ধি কৰিছিল,

অমৃত সমান কৃষ্ণৰ নামক
গাৱন্তে শুনন্তে সুখ ॥" (পৃষ্ঠা ৭২)

জগদানন্দ সদাগৰে শংকৰদেৱত শৰণ লৈ নাম পাইছিল নাৰায়ণ দাস। শংকৰদেৱে নাৰায়ণ দাসক, 'ইটো বাক্যে উত্তম আছয় কোন নৰ।' (পৃষ্ঠা ৭৯) বুলি সোধাত গীতাৰ কবিৰ কথা কৈছিল। তেওঁৰ ৰচনা দুবাৰী মান শুনাইছিল,

'বিলাপ কৰিয়া কান্দে দেৱী যে ৰুক্মিণী।
কোন অঙ্গে পুন দেখিলা শাৰঙ্গ পাণি ॥ (পৃষ্ঠা ৭৯)

শংকৰদেৱে তাক গাবলৈ নিদি কৈছিল, 'গীতত জানিলোঁ। কামৰূপ কিটো জন।' (পৃষ্ঠা ৮০) এই ঘটনাই শংকৰদেৱৰ আদৰ্শ, মতবাদ আৰু আন ধৰ্ম বা আদৰ্শৰ লগত কি প্ৰভেদ তাক স্পষ্টকৈ জানিব পাৰি।

বেহাৰৰ ৰজা নৰনাৰায়ণে সোধা প্ৰশ্নৰ উত্তৰ স্বৰূপ চৰিতখনিত পুনৰ বাৰ শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনৰ কথা শংকৰদেৱৰ মুখেৰে কোৱাইছে। মাধৱদেৱ বৈষ্ণৱ ধৰ্মত দীক্ষিত হোৱাত শংকৰদেৱক গুৰু মনাৰ প্ৰধান কথাটো হল, শংকৰদেৱে যেতিয়া কৈছিল, বৃক্ষৰ মূলত পানী দিলে ডাল পত্ৰ পুষ্প সকলোৰে তৃপ্তি হয়। প্ৰাণৰ ভোজনত যেনেকৈ ইন্দ্ৰিয়-গণ তৃপ্ত হয়, সেই দৰে কৃষ্ণক পূজিলে দেৱগণ তৃপ্ত হয়। মাধৱদেৱে শংকৰদেৱক গুৰু মনাৰ পাচতেই শংকৰদেৱে মাধৱদেৱক বুকুত সাৱটি লৈছিল। শঙ্কৰদেৱে,

"প্ৰাণ মাধৱ বুলাই বুকত বান্ধিয়া লৈলেঁ।
পৰম সন্তোষ ভৈল মন ॥" (পৃষ্ঠা ৯০)

বুলিছিল।

শংকৰ-মাধৱ কিমান অভিন্ন আছিল আৰু শংকৰদেৱে মাধৱদেৱক যেনেকৈ উত্তৰাধিকাৰী পাতি ভক্তিতত্ত্বৰ বৈষ্ণৱ আদৰ্শ, ধৰ্মৰ দায়িত্ব অৰ্পণ কৰাৰ কথা ঠিক কৰিছিল, সেই সকলোও চৰিতখনিত স্পষ্টকৈ লিপিবদ্ধ কৰিছে। শংকৰদেৱে নিজ মুখে বেহাৰৰ ৰজা নৰনাৰায়ণৰ আগত ব্যক্ত কৰিছিল, 'মাধৱকে বান্ধৱ মোৰ মাধৱ সম।' (পৃষ্ঠা ৯৭) বুলি আৰু মাধৱকেই 'আচাৰ্য্য পাতিয়া থৈবো সমস্তে লোকৰ ॥' (পৃষ্ঠা ৯৭) এই কথাও ব্যক্ত কৰিছিল। ইফালে মাধৱদেৱেও,

'পড়োক শৰীৰ আত নকৰো বিষাদ।
তনু সেৱা দিবে মোক কৃপা কৰ নাথ ॥' (পৃষ্ঠা ৯৮)

কৈছিল। আৰু বৈষ্ণৱসকল ভক্ত কীৰ্ত্তনত ইমান মগ্ন হোৱাৰ দৰে পৰিছিল যে আৰু কিমান হোৱা অৱস্থা পাইছিল যে, 'প্ৰেমৰ ভক্ত ভক্ত আনন্দে

নাচত।' (পৃষ্ঠা ৯৯) আৰু সেই দৃশ্য দৰশন হোৱা লোকৰো পাপ নাশ হয় বুলি বিশ্বাস কৰিছিল।

নাৰায়ণ দাস ঠাকুৰ ভৱানন্দ নামে থকা অৱস্থাতে তিলা নগৰত বোৱা নাম লৈ ভক্ত হৰবৈশে হাটৰ পৰা বস্তু আনি, নাম শুনিবৰ কাৰণে আয়োজন কৰিছিল। কিন্তু এজন মহাজনে তেওঁক,

'ইটো বোৱা নাম বিষ্ণুৰান্ত পৰিহৰা।
পাইবাক পৰম গুৰু জগতে প্ৰখ্যাত॥' (পৃষ্ঠা ১০২)

বুলি শংকৰদেৱৰ বাৰ্ত্তা দিছিল, অংকুশে যেনেকৈ হাতীক হাৰ মনায় তেনেকৈ তেওঁকো হাৰ মনাই শংকৰদেৱৰ ওচৰত উপস্থিত কৰালে, সেই সকলো কথা বৰ্ণনা কৰিছিল। শংকৰদেৱত শৰণ লৈ শংকৰদেৱে দিয়া নাম 'নাৰায়ণ দাস' হৈছিল।

মাধৱদেৱ গণককুচিত আৰু শংকৰদেৱ পাটবাউসীত থাকিছিল। কিন্তু মাধৱদেৱ সদায় গণককুচিৰ পৰা পাটবাউসীলৈ আহি আন আন ভক্তসকলৰ লগত পাটবাউসীত হৰি নাম কীৰ্ত্তনৰ কেন্দ্ৰ কৰি তুলিছিল। মাধৱদেৱে নামৰ, ব্যাখ্যাৰ মাজত প্ৰশ্ন কৰি গৈছিল, শংকৰদেৱে উত্তৰ দি গৈছিল।

"মাধৱে সোধন্ত শঙ্কৰে সিদ্ধান্ত
দেন্ত আতি হৰিষন্ত।
কথা অমৃতৰ নদী বহি যায়
পিয়ে সবে আনন্দত॥" (পৃষ্ঠা ১১৯)

ভক্তিৰ বলেৰে ভগৱানক বশ কৰিব পাৰে ভক্তসকলে। সাধু সঙ্গ লৈ, কৃষ্ণ কথা শুনিলে অগতিৰ গতি হয়। শংকৰদেৱৰ মুখত প্ৰতি দিনে ভক্তসকলে কৃষ্ণ কথা শুনিছিল। একাদশী তিথিত নিৰাহাৰে থকা ভক্তসকলৰ চেহেৰা মলিন, কিন্তু মাধৱদেৱৰ প্ৰসন্ন দেখি গুৰুজনাই (শংকৰদেৱে) কাৰণ সুধিছিল। মাধৱদেৱে কাৰণ কৈছিল, ক্ষুধাত তেওঁৰ প্ৰাণ কাতৰ হৈছিল, অৰ্দ্ধ কণ্ঠ শুকাই গৈছিল, গতিকে, 'পানী সমে গিলিলোঁ মোহো এক পোৱা চাউল।' (পৃষ্ঠা ১২৪) বুলি। প্ৰথমতে মাধৱদেৱক শংকৰদেৱে খং কৰিছিল যদিও পাচত বুজনি দিছিল, ব্ৰহ্মবধ, সুৰাপান, গুৰু দাৰা হৰণ, ব্ৰাহ্মণৰ স্বৰ্ণ চুৰি আদিৰ দৰে গহিত কাম কৰিলেও প্ৰায়শ্চিত্ত বিধান আছে। কিন্তু একাদশীত অন্নভোজন কৰাৰ

কোনো নিষ্কৃতি নাই। কাৰণ সেইলোকে শগুণৰ সহস্ৰ জন্ম লয়, কুকুৰৰ পেটত দহ জন্ম লয়, গাহৰিৰ শ জন্ম লয়। এইবোৰ শাস্তি বিধান। (পৃষ্ঠা ১২৫)

'সহস্ৰেক জন্ম উপজয় শগুণত।
শত জন্ম মানে উপজয় শূকৰত॥
কুকুৰৰ গৰ্ভে দশ জন্ম উপজয়।
অমাবাস্যা তিথৌ নিশি ভোজন কৰয়॥" (পৃষ্ঠা ১২৫)

গীতা পাঠৰ মাহাত্ম্যৰ কথাও বৰ্ণনা কৰিছে। ব্ৰহ্মানন্দই শংকৰদেৱৰ ইচ্ছা মতে পুণ্য মাঘ মাহত গীতা পাঠ কৰিবলৈ মাতি লৈছিল। 'গীতা শাস্ত্ৰ পঢ়িবাক মোৰে আছে মন" (পৃষ্ঠা ১২৭) বুলি। পণ্ডিতকে গীত পাঠৰ আগতে, 'কিছু দক্ষিণাক আগে দিবাক যুৱাই' (পৃষ্ঠা ১২৭) বুলিলত কোনোবাই এতোলা, কোনোবাই তিনিমহা, কোনোবাই আধা তোলা কৰি অতি আনন্দ মনেৰে দক্ষিণা দিছিল। অন্ত দেউতাকক লৈ ব্ৰহ্মানন্দই শংকৰদেৱে গীতা পাঢ়িবলৈ মাতি নি ইমান দক্ষিণা লোৱাৰ কথা কলত, দেউতাকে কৈছিল, কুৰিটা পাঁঠা কটা হলেও তেওঁ ইমান ধন নেপালেহেতেন। পণ্ডিতে শংকৰদেৱে যি কৰিবলৈ কয় তাকে কৰিবলৈ উপদেশ দি কৈছিল ছুৰৰ কাম কৰাটো আৰু বাদ দিয়ক। তাৰ পাচত, 'গীতা শকতি কৈলা একান্ত শৰণ।' (পৃষ্ঠা ১২৮)

বৈষ্ণৱ ভক্তসকলৰ কৃষ্ণৰ লীলা খেলাৰ স্থান বৃন্দাবন, গোকুলৰ প্ৰতি বোলগ আস্থা আছিল। শংকৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থলৈ যাবলৈ ওলাওঁত শংকৰদেৱৰ ভাৰ্য্যা আই গোসাঁনীয়ে মাধৱদেৱক মাতি নি অনুৰোধ কৰিছিল, 'কদাচিতো প্ৰভুক নেনিবা বৃন্দাবন' (পৃষ্ঠা ১৩২) কাৰণ বৃন্দাবন পালেগৈ আৰু ঘৰলৈ শংকৰদেৱ ঘূৰি নাহিব বুলি আই গোসাঁনীৰ বিশ্বাস হৈছিল। "আমাৰ গোসাঁই গৈলে ফিৰি নাসিবন্ত॥" (পৃষ্ঠা ১৩২) শংকৰদেৱৰো যে বৃন্দাবনৰ প্ৰতি কি আকৰ্ষণ আছিল সেই কথা ধৰিব পৰা গৈছে এই কথাৰ পৰাই। (পৃষ্ঠা ১৩২-৩৩)

তীৰ্থ লৈ গৈ যেতিয়া ভক্তসকলে বৃন্দাবনলৈ যোৱাৰ কথা আলোচনা কৰিছিল, মাধৱদেৱৰ আই গোসাঁনীৰ কথা মনত আছিল। মাধৱদেৱে যুক্তি কৰি যাত ৰখা যাই সেবাৰ বুলিছিল। কিন্তু বাই আতাই দিয় বোলাটো মানি নোলোৱাত শংকৰদেৱে জোৰ দিছিল "আমা একে সংগে সবে যাওঁ বৃন্দাবন" (পৃষ্ঠা ১৩৩)

বুলি। যিবোৰ ভক্তিৰ কথা ব্যক্ত কৰিছোঁ, সেইবোৰ প্ৰকৃততে হয় যে নহয় চাওঁতে বলা বুলি। তেতিয়া মাধৱদেৱে আৰু বুদ্ধি কৰিছিল;

'তেহে হুই বোলে সেবে মানিবেঁ। তোমাক।
যদি হুহি বোলে সেবে তেজিবেঁ। তোমাক।' (পৃষ্ঠা ১৩৩)

ইয়াৰ পাচত বৃন্দাবনলৈ যোৱা নহ'ল আৰু আই গোসাণীৰ অনুৰোধ ৰক্ষা কৰা হল। কাৰণ শঙ্কৰদেৱে কৈছিল,

"মাধৱ নগৈলে মঞি নপাৰো যাইবাক।" (পৃষ্ঠা ১৩৪)

দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতেই শংকৰদেৱ আৰু চৈতন্যদেৱৰ সাক্ষাৎ হৈছিল সেই কথাবো চৰিতখনিত উল্লেখ আছে। দুয়ো দুয়োকে চালে, কিন্তু কোনেও কাকো সম্ভাষণ কৰা নাছিল,

'মুহূৰ্ত্ততে মান দুই চাহি আছিলন্ত।
নিবৰ্ত্তিয়া আসি বাসা ঘৰে আসিলন্ত ॥' (পৃষ্ঠা ১৩৪)

ধৰ্ম কথা আলোচনাৰ কাৰণে বৈষ্ণৱসকলে সত্ৰ স্থাপন কৰিছিল, দেৱগৃহ সাজিছিল, কীৰ্ত্তনঘৰ সাজিছিল, মণিকূট সাজি ঈশ্বৰৰ থাপনা কৰিছিল। (পৃষ্ঠা ১৪৪, ১৫২, ২০৯)

(১) ' তাহি কুঁৱা নাম গ্ৰামে সত্ৰ পাতিলন্ত ৰঙ্গে
দেৱগৃহ নিৰ্মিলা তহিত।" (পৃষ্ঠা ১৪৪)

(২) "সত্ৰ পাতি ভক্তি প্ৰবৰ্ত্তাইবা ঠাই ঠাই ॥ (পৃষ্ঠা ১৫২)

(৩) "ঘৰসিয়া এড়ি সেহি থানে গৈয়া
কীৰ্ত্তন ঘৰ বান্ধিলা। (পৃষ্ঠা ২০৯)

কোচৰ বৰ্হাৰি বজাই ৰাজদূত পঠাই শংকৰদেৱক আমন্ত্ৰণ কৰিছিল বৈষ্ণৱ ধৰ্মত দীক্ষা লবৰ কাৰণে। শংকৰদেৱে নিজে নগৈ মাধৱদেৱ আৰু নাৰায়ণ দাসক পঠাইছিল। নাৰায়ণ দাসে বজাই বন্দী কৰি থোৱা নৰ্তন কন্দীক দেখি কৈছিল, বৈষ্ণৱ জনৰ গাত দয়া, ক্ষমা আদি আৰু প্ৰাণী হিংসা নকৰাৰ গুণ থাকিব লাগিব। বজাই বন্দীক মুকলি কৰি দিছিল। তেতিয়া বজাক শৰণ দি মাধৱদেৱে আৰু নাৰায়ণ দাস উলটি আহিছিল। 'ৰজাক কৈলন্ত ৰাজা একান্ত শৰণ।' (পৃষ্ঠা ১৫৪)

বেহাৰৰ ৰজা নৰনাৰায়ণৰ ৰাজ্যৰ ব্ৰাহ্মণ পণ্ডিতসকলে শংকৰ বিৰোধী হৈ ৰজাক লগাইছিল যে—শূদ্ৰই ভাগৱত পঢ়ি লয় কৰিছে, ব্ৰাহ্মণ, কৈৱৰ্ত শূদ্ৰ আদিক হৰিক ভজিবলৈ শৰণ দিছে, তুলসী পূজা একো নেমানে, দেৱীপূজা, পিতৃ শ্ৰাদ্ধ একো নকৰে, ব্ৰাহ্মণক নমস্কাৰ নকৰে, তেওঁৰ ৰাজ্যত পাষণ্ড আচাৰ কৰিছে। (পৃষ্ঠা ১৭১) আৰু কৈছিল,

'সবতকে নিষেধিলা দেৱী পূজিবাক।
সেই উপদেশ মাত্ৰ হৰি ভজিবাক॥ (পৃষ্ঠা ১৭২)

লগুৱাৰ কথাত ৰজা ভোল গৈ শংকৰদেৱক ধৰি আনিবলৈ পঠালে। লগতে কলে শংকৰক লগ পালে চালেৰে ঢকা মাৰিব আৰু হাতেৰে বাব।

"শঙ্কৰক লগ পাইবাঁ। তাৰ ছাল ৰবা চাইবাঁ॥
যত লগৰীয়া তাৰ কাকো নৰাখিবা আৰ॥" (পৃষ্ঠা ১৭৩)

শংকৰদেৱ তেতিয়া বৰপেটাত আছিল। চিলাৰায়ে শংকৰদেৱক ধৰিবলৈ মানুহ পঠাইছে বুলি গম পায়েই চোপদাৰ পঠাই তাৰ আগতেই শংকৰদেৱক নি চিলাৰায়ৰ ঘৰত থৈছিল যে। (পৃষ্ঠা ১৭৮) কিন্তু শংকৰদেৱক লগ নেপাই শংকৰ ভক্ত গোকুলচান্দ আৰু নাৰায়ণ দাসক ধৰি আনি, "এই দুইজনে দেখাই দিব শংকৰক" (পৃষ্ঠা ১৭৮) বুলি ভেটাইছিল। কিন্তু শংকৰৰ বাতৰি তেওঁলোকৰ পৰা পোৱা নাছিল, তেওঁলোকে দিয়া নাছিল।

'আমি দুয়োজন নহোঁ শঙ্কৰৰ শিষ্য।
কৈবা গৈল শঙ্কৰ নপাওঁ উদিশ॥" (পৃষ্ঠা ১৭৯)

বুলিছিল।

নামৰ মাহাত্ম্য ইমানেই আছিল, যে গোকুলচান্দ আৰু নাৰায়ণক বন্দী কৰি ৰখা ৰজাৰ কৰ্মচাৰী হৰিয়েই শেষত নামত শৰণ লৈছিল। (পৃষ্ঠা ১৯৫)

"হৰিয়া বোলয় সবে পৰিবাৰে
নিশ্চয় শৰণ লৈবো" (পৃষ্ঠা ১৯৫)

শংকৰদেৱে নৱবিধ ভক্তিৰ পথ দেখুৱাইছিল। শেষত ৰজা নৰনাৰায়ণেও বৈষ্ণৱ ধৰ্মত দীক্ষা লবলৈ স্থিৰ কৰিছিল। (পৃষ্ঠা ২০৪-৫)

শেষত চৰিতখনিত উল্লেখ কৰিছে যে নামৰ মাহাত্ম্য জনাৰ কাৰণে শংকৰদেৱে মাধৱদেৱতে ধৰ্মবন্ধ থৈ গল।

(৪) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

'মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ' পাচখন চৰিত পুথিৰ সাৰ সংগ্ৰহ। প্ৰত্যেকখনতে ধৰ্ম জীৱনৰ কথা কম বেছি পৰিমাণে প্ৰতিফলিত হৈছে। বৈষ্ণৱ গুৰুসকলৰ জীৱন কথাৰ লগত ধৰ্ম কথাৰ, ধৰ্মীয় পৰিবেশ নিবিড়ভাবে সাঙোৰ খাই থাকিবই।

(১) চৰিতৰ প্ৰথম ভাগ ৰামানন্দ দ্বিজৰ ৰচিত পুথিৰ সাৰ সংগ্ৰহ। নৱবিধ ভক্তি, একাদশী পালন, হৰি মন্দিৰৰ পৰা নিৰ্মালি লোৱা, নিৰ্মালি লৈ কেনেকৈ হাঁতৈকৈয়ো, শংকৰদেৱৰ মূৰত পিন্ধি থকা মালা ধাৰলৈছে ভক্তৰ কিমান আশা তাৰ কথা ব্যক্ত কৰিছে,

> 'পিন্ধিছন্ত সিটো মালা শিৰে আপুনাৰ।
> সেহি নিৰ্মাল্যক সমস্তৰে অভিমত।।' (পৃষ্ঠা ১০)

নাম কীৰ্ত্তনত কণৰ ব্যৱহাৰ প্ৰমাদ ৰূপে কৰিছিল তাৰো কথা জনা যায়। শংকৰদেৱে বাৰীৰ পৰা, 'এক কুৰি কদলিক ভাল ভাল চাই।' (পৃষ্ঠা ১২) গোপালৰ কাকলৈ কীৰ্ত্তন পাঠৰ কাৰণে পঠাইছিল।

ভৱানীপুৰত বঙ্গদেশীয় চৈতন্যপন্থী লোকৰ প্ৰভাৱ আছিল। 'চৈতন্যৰ মতে বঙ্গদেশী বৈষ্ণৱত' (পৃষ্ঠা ১৩) গোপালৰ মাতৃয়েও শৰণ লৈছিল। কিন্তু গোপালে শংকৰদেৱক লগ পোৱাৰ পাচত শংকৰদেৱৰ প্ৰতিহে আকৃষ্ট হৈছিল। শংকৰদেৱৰ কথা গোপালে গাওবাসীকো কৈছিল। কোনো কোনো গাওবাসী শংকৰদেৱৰ ওচৰলৈ আহিবলৈ ওলাইছিল আৰু 'কত্তো কত্তো আসি বাধা বচন বোলায়।।' (পৃষ্ঠা ১৩) এই দৰে হকা বাধাতে ছমাহ পাৰ হৈছিল। ধৰ্মৰ বাটত কিমান বাধা বিঘিনি তাৰ আভাষ পোৱা যায়।

ধৰ্মৰ নামত যে কত কাণ্ড চলিছিল তাৰো কথা জনা যায়। শংকৰদেৱৰ জীৱিত কালত গোপালে শংকৰদেৱৰ ওচৰত শৰণ লবলৈ নেপালে যদিও, 'নাম গায়া থাকো আচৰি তান মতক' (পৃষ্ঠা ১৮) বুলি ঠিবাং কৰাটো সুবিতো বোলা এজনে, বাহিৰত শংকৰৰ মত বুলি কোৱা অথচ ভিতৰত যোজনামৰ ভক্ত,

গোপালৰ গুৰু হ'বলৈ চেষ্টা কৰিছিল। ভৱানীপুৰত সুবিতাই শংকৰদেৱৰ শিষ্য। মাধৱদেৱে তেওঁক বৰ আদৰ সাদৰ কৰে, আনকি,

'আমাক দেখিয়া আগবাঢ়ি নেন্ত
কৰিয়া বহু আদৰ।' (পৃষ্ঠা ২০)

বুলি কৈ বোল্ল নাম অৰ্থাৎ চৈতন্যদেৱৰ মত প্ৰচাৰ কৰিবৰ চেষ্টা কৰিছিল। গোপালদেৱক বিশ্বাস জন্মাবলৈ মাধৱদেৱৰ ওচৰলৈকো লৈ গৈছিল। কিন্তু মাধৱদেৱে সুবিতাক অৱজ্ঞা ক'ৰি বহু বেলিৰ মূৰত বহিবলৈ দিয়াই পুনৰ,

সবিতাৰ সংগে একো কথা নকৈ
শিখন্ত মহা যতনে।' (পৃষ্ঠা ২১)

তেতিয়া গোপালে সুবিতাৰ প্ৰবঞ্চনা বুজি পাই আৰু সুবিতাৰ সংগ ত্যাগ কৰিছিল।

'গোপাল বোলন্ত তোমাৰ সংগত
যাইবে মোৰ কাৰ্য্য নাই।' (পৃষ্ঠা ২৪)

মাধৱদেৱৰ গুৰুৰ প্ৰতি, গুৰু-পত্নীৰ প্ৰতি কিমান শ্ৰদ্ধা, ভক্তি আৰু আনুগত্য আছিল তাৰ অনেক উদাহৰণ পোৱা যায়। গুৰু-পত্নীৰ পানীত কষ্টৰ কথা গম পাই মাধৱদেৱে সুন্দৰীদিয়াৰ পৰা গৈ পাটবাউসীত,

'শিষ্য পুত্ৰ থাকন্তে শক্তি অনুৰূপে
কৰিবে লাগে সেৱাক।' (পৃষ্ঠা ২৬)

বুলি পানীৰ ব্যৱস্থা কৰাই দিছিল।

চৈতন্যপন্থী লোকৰ প্ৰভাৱ থকা ভৱানীপুৰত গোপাল আতাই অতি আন্তৰিকতাৰে ভৱানীপুৰ সমস্ত অতি সুন্দৰ নাম কীৰ্ত্তনৰ অনুষ্ঠান এটা পাতি তুলিছিল। নামৰ অৱসানত ৰামৰায়ে, 'ওঝা হয়া কীৰ্ত্তন কৰয়।' (পৃষ্ঠা ৩৩) ভৱানীপুৰত থকা তাঁতীসকলেও আহি নাম কীৰ্ত্তনত যোগ দিছিলহি।

মাধৱদেৱে গোপালদেৱক একান্ত শৰণৰ কথা কৈছিল,

একান্ত শৰণ লৈৱে একো বস্তু নলাগয়
হৈবে লাগে নিশ্চয় মনৰ। ' (পৃষ্ঠা ৩৭)

আৰু লগতে কৈছিল, গৃহ, দেহা, পুত্ৰ আদি মায়াময় বুলি ভাবিব লাগে। হৰিৰ বাহিৰে আন কাকো সেৱিব নেলাগে।

"দেহ-গেহ-পুত্ৰয়ে মানিবেক মায়াময়
হৰি বিনে নেদেখিব আৰ ।।" (পৃষ্ঠা ৩৭)

গোপালদেৱে ভবানীপুৰত মাধৱদেৱৰ ওচৰত শৰণ লোৱাৰ পাচত, 'ৰজনেশী মত তেজি' মাধৱৰ ওচৰলৈ আহি সকলো ত্যাগ কৰি ভক্ত হলহি আৰু মাধৱদেৱৰ শৰণীয়া সমাজ এখন গঠন হল। (পৃষ্ঠা ৩৮) আৰু "মাধৱক ভজি সবাৰো সন্তোষ ভৈল মন।" (পৃষ্ঠা ৩৮)

গুৰুৰ ওপৰতেই আটাইতকৈ মহত্ব আৰোপ কৰিছিল। মাধৱদেৱে গোপালদেৱক যি ধৰ্মৰ কথা কৈছিল, তাত গুৰুৰ মাহাত্ম্যই প্ৰকাশ পাইছে। ধৰ্ম ধৰিবৰ কাৰণে গুৰুৰ প্ৰয়োজনেই আটাইতকৈ বেছি বুলি দেখুৱাইছে। (পৃষ্ঠা ৩৭, ৩৯, ৪০, ৭৪, ৭৫)

(১) "গুৰুক শুশ্ৰূষা কৰি গুৰু বাক্য শিৰে ধৰি
মিছা ভ্ৰম মানিব সংসাৰ ।।" (পৃষ্ঠা ৩৭)

(২) 'সমস্ত কথাৰ মৰ্ম গুৰু সেৱা শ্ৰেষ্ঠ ধৰ্ম
কহিছন্ত শ্ৰীমন্ত শঙ্কৰ ।।' (পৃষ্ঠা ৩৯)

(৩) "গুৰু বাক্য মুলজ্জিৱ সদাচাৰ প্ৰবৰ্ত্তিব
যেযেসে শুদ্ধ হইবে মন ।।" (পৃষ্ঠা ৪০)

ভক্তসকলৰ ভিতৰত উদাসীন আৰু গৃহস্থী দুবিধ ভক্ত আছিল।

'উদাসীন সমস্তৰ সমীপতে গৃহস্থৰ
থাকিবাক যুগুতি নহয়।' (পৃষ্ঠা ৪৩)

বুলি মাধৱদেৱে উল্লেখ কৰিছিল।

ভকতক গুৰুৱে কি ধৰণেৰে পৰীক্ষা কৰে আৰু অনেক পৰীক্ষাৰ পাচত যদি উঠিব পাৰে তেহে বিশ্বাস স্থাপন হৈছিল। গোপালদেৱাকো মাধৱদেৱে নানা পৰীক্ষা কৰিছিল। (পৃষ্ঠা ৪০-৪৩) গোপাল আতা মাধৱদেৱৰ পৰীক্ষাত উঠিব পৰাত মাধৱদেৱে নিজ গৃহতে থাকিবলৈ কৈছিল। মাধৱদেৱে নিজ মুখে শ্ৰীৰামক কৈছিল গোপালক পৰীক্ষা কৰাৰ কথা। 'বিস্তৰ প্ৰকাৰে বৰ্জি পৰীক্ষা কৰিলোঁ গোপালক।' (পৃষ্ঠা ৪৩) বুলি।

'গুৰু সেৱা মহা ধৰ্ম' সেই কথা গোপাল আতাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। মাধৱদেৱক গোপাল আতাই অশেষ সেৱা-যত্ন কৰিছিল। গোপাল আতাৰ সহযোগত মাধৱদেৱৰ শাস্ত্ৰ ব্যাখ্যা আৰু বহল আৰু গভীৰ হৈ পৰিছিল।

'গোপালে কৰন্ত প্ৰশ্ন অনেক শাস্ত্ৰৰ।' (পৃষ্ঠা ৪৮)

আৰু মাধৱদেৱে সন্তোষিত হৈ উত্তৰ দি গৈছিল।

বৰপেটাত নামঘৰ হাতী আদি মাধৱদেৱে কৰাইছিল। তাতে তিনি প্ৰসঙ্গ কৰি থাকিবলৈকো লৈছিল। কিন্তু ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে দেশৰ ভিতৰতে ইঠাইৰ পৰা সিঠাইলৈ যাতায়াত কৰিছিল। কাৰণ

'বিমুখ লোকক সন্মুখ কৰিবে
মোহোৰ ইচ্ছা আছয়।' (পৃষ্ঠা ৫৯)

পত্তিকে বৰপেটাৰ পৰা নাৱেৰে দক্ষিণ কোণলৈ যাত্ৰা কৰিছিল। নাম কীৰ্তনৰ শেষত ভক্তৰ প্ৰসাদ গ্ৰহণত আগ্ৰহ আছিল আৰু মাধৱদেৱেও ভক্তৰ লগত ভাগ বাটিহে প্ৰসাদ লৈছিল। (পৃষ্ঠা ৬৫)

ধৰ্ম প্ৰচাৰৰ অন্যতম আহিলা আছিল যাত্ৰা। কণ্ঠিনা ভকতে দিয়া তিনিকুৰি টকাৰে মাধৱদেৱে "পাৰিজাত হৰণ" যাত্ৰা কৰিছিল.

পাৰিজাত হৰণৰ কথা সব মনোহৰ
নটুৱাসৱক শিখাইলন্ত ।। (পৃষ্ঠা ৬৬)

ব্ৰাহ্মণসকলে সদায় বৈষ্ণৱসকলৰ লগত বিবাদ কৰিছিল। শংকৰদেৱৰ কথা বেহাৰৰ ৰজা নৰনাৰায়ণক লগাই নানা লঘু লাঞ্ছনা কৰিছিল। মাধৱদেৱে দিনান্তো মাধৱদেৱৰ জনপ্ৰিয়তাত ঈৰ্ষান্বিত হৈ, ৰজাক লগাই মাধৱদেৱক হাজোলৈ যোৱাৰ ব্যৱস্থা কৰিছিল। কাৰণ মাধৱদেৱৰ ওচৰলৈ, 'নৰ-নাৰী প্ৰজাসৱ আসয় বিস্তৰ' (পৃষ্ঠা ৭১) আনহাতে ভেটৰী সকলৰ ধৰুৰণি লাগিছিল.

'মাধৱৰ ঠাইক বহু যন্তেক আসয়।
অৰ্দ্ধেক নাসয় বহু থানে আমাসাৰ।' (পৃষ্ঠা ৭১)

পত্তিকে হাজোতো মাধৱদেৱে উৎপীড়নৰ সন্মুখীন হব লগা হৈছিল। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ মাধৱক 'বৰা মাধৱ' আৰু মাধৱদেৱক 'বীৰা মাধৱ' হল বুলি ৰজাক ধন দিবলৈ লাগে বুলি ভেটৰীসকলে ঠিক কৰিছিল। (পৃষ্ঠা ৭২)

মাধৱদেৱৰ অসমলৈ আহিবলৈ ইচ্ছা হৈছিল। কিন্তু বংশীগোপালে 'মহা ম্লেচ্ছ ৰাজা গো ব্ৰাহ্মণ কাটয়।' বুলি বাৰণ কৰিছিল। তেনেতে বেহাৰৰ ৰাজলক্ষ্মী-নাৰায়ণক নিয়োগ কৰি আই ধাৰে মাধৱদেৱৰ ওচৰলৈ দূত পঠাইছিল। (পৃষ্ঠা ৭২)

"মাধৱৰ ভক্তসৰ মহা ছবিনয়।
আমাৰ গোসাঁইক মৰা মাধৱ বোলয়।।
জীয়া মাধৱ বুলি মানে মাধৱদাসক।" (পৃষ্ঠা ৭২)

গুৰু সেৱা, গুৰু আজ্ঞা পালন ভক্তসকলৰ কৰ্ত্তব্য আছিল, (পৃষ্ঠা ৭৪, ৭৫)

'গুৰু আজ্ঞা কৰিলে সে ভকতি মিলয়।" (পৃষ্ঠা ৭৪)
"গুৰু ঈশ্বৰ সেৱা পৰলোক ধৰ্ম। (পৃষ্ঠা ৭৫)

মাধৱদেৱ নিজে অবিবাহিত থাকি বৈষ্ণব ধৰ্মক আকোৱালী লৈ গুৰু আজ্ঞা শিৰে ধৰি গোটেই জীৱন কটাই দিছিল যদিও, বৈষ্ণব ধৰ্মত দীক্ষা লোৱা সকলক আৰু আন সকলোকো গৃহস্থী হবলৈ আজ্ঞা দিছিল,

সমৰ্থলোকে যে বিবাহ কৰিয়া
আত একো দোষ নাই। (পৃষ্ঠা ৭৭)

বুলি। শংকৰদেৱে জীৱিত কালত তাকে কৈছিল। (পৃষ্ঠা ৭৮)'

'স্বকীয় বিষয় ভোগ কৰিলেয়ো
ভ্ৰষ্ট নোহে ভকতিত।
শঙ্কৰ এহি যুক্তি জানিবা
শাস্ত্ৰৰো কৈলোঁ নিশ্চিত।।" (পৃষ্ঠা ৭৮)

২য় ভাগ—পূৰ্ণানন্দ ৰচিত

(২) গোপালদেৱে ভবানীপুৰত সত্ৰ পাতি তাত সকলোৱে বহি 'খোবা গীত গায়', 'কীৰ্ত্তন দশম বৰগীত আদি পঢ়ন্ত পাঠ সদায়।" (পৃষ্ঠা ১০১)

ৰাজ বিষয়াতকৈ গুৰুকথাৰ গুৰুত্বক ভক্তসকলে অধিক মানিছিল। আই গোসাঁণীৰ নাদৰ পাট ৰাজবিষয়া মধুকৰ দলৈয়ে কিনি দিব, কিন্তু সেই পাট নিবলৈ যেওঁ কণে অতীসকলে ছুওঁনিব কাৰণে গোপাল আতাক কবলৈ কৈছিল। কাৰণ,

"তেন্তে যদি মৰ বোলে তেখনে মৰয়।
জীৱ বুলিলন্ত তাতে তেখনে জীৱয়।" (পৃষ্ঠা ১০৮)

গোপাল আতাই তাঁতীসকলক আই গোসাঁনীৰ ভাগে পাদৰ পাট নিবলৈ মাধৱদেৱে কৈ গৈছে বোলাৰ লগে লগে তাঁতীসকলে তেওঁলোকৰ কড়ি নাইনে লাদৰ পাট কিনিবৰ কাৰণে। তেওঁলোকে তেওঁলোকৰ কড়িৰে পাট কিনি আই গোসাঁনীক দিবগৈ বোলাত, গোপালদেৱে, আমাৰ কড়িক আমি লগাইবাৰ বেলা পাই বা (পৃষ্ঠা ১১১) বুলি বুজনি দি ৰাখিছিল।

হৰি ভকতিৰ পথ সংসাৰ হলেহে ধৰিব পাৰি বুলিছে। হৰিৰ ভকতি পথ সংসাৰত পৰে নিমিলয় (পৃষ্ঠা ১২৭)

ব্ৰাহ্মণৰ বিপ্ৰৰ মাধৱ দত্তকো আদিষ্ট কৰিছিল। মাধৱদেৱক বেহাৰৰ ৰজাই ছয়াটি মাধৱ একে থানতে থাকোক' (পৃষ্ঠা ১৩১) বুলি পঠাইছিল। কিন্তু হাজোতো জীয়া মাধৱ, 'মৰা মাধৱৰ দৰে কথা ওলাইছিল। তেতিয়া হাজোৰ পৰাও আতৰি যাবলৈ মাধৱদেৱক আদেশ দিয়াত অসমলৈ আহিবলৈ ওলাইছিল। কিন্তু বংশীগোপালে মানা কৰাত বেহাৰলৈ যাত্ৰা কৰিছিল। (পৃষ্ঠা ১৩১) বেহাৰৰ ৰজাই বাক্যসত্ৰ পাতি দি 'ছয় কুৰি ভকতক বোজ দি পুহিলা। (পৃষ্ঠা ১৩৪)

নিষ্কাম ভক্তিহে যে উত্তম সেৱা তাৰো ব্যাখ্যা গোপালদেৱে কৰিছিল।

'নিষ্কাম স্বৰূপে যাৰা সেৱা কৰে
তাৰে সে সিদ্ধে সকল ॥" (পৃষ্ঠা ১৪৩)

ভকতৰ স্পৰ্শত নদীখনো পৱিত্ৰ হয় সেই কথা চৰিতখনিত দিয়া কথাৰ পৰা স্পষ্ট হৈছে। কালঝাৰ সত্ৰত থাকোতে গোপাল আতা, ভকতসকলে গোলোমা নদীত গা ধুই জল পানী বিভিন্ন কামত লগাইছিল। পণ্ডিতে, 'গোলোমাৰ সমান তীৰ্থ নাহি পৃথিবীত। (পৃষ্ঠা ১৪৬ বুলি উল্লেখ কৰিছে।

মধ্য যুগত অসমৰ বিভিন্ন ঠাইত গঢ় লৈ উঠা সত্ৰ থানসমূহত কৃষ্ণ কথা চৰ্চা, নাম কীৰ্ত্তন হৈ আছিল। ৰেবেৰা পাৰৰ সত্ৰত শ্ৰীৰামে ভাগৱত পঢ়িছিল, যদুমণিয়ে ভাগৱতৰ অৰ্থ ব্যাখ্যা কৰিছিল। কেঁতুৱাৰা ওজা হৈ পদ গাইছিল। বৰপেটা থানত নাৰায়ণ ঠাকুৰ আছিল। লাহে লাহে সত্ৰ অনুষ্ঠান বাঢ়ি যাবলৈ ধৰিছিল। গোপালদেৱৰ ওচৰত আহি বিচক্ষণ লোকসকলেও ভকত হোৱাৰ দীক্ষা লোৱাৰ কাৰণ লোকত তেওঁলোকে কৈছিল

'দুই গোটা গুণ সাম্প্ৰতে দেখিছো
আৰো একো থানে নাই" (পৃষ্ঠা ১৫৪)

আৰু সেই দুটা হল গোপালদেৱে কাকো হিংসা কৰা নেদেখিছিল আৰু আনটো হল নিৰপেক্ষ ভাব। (পৃষ্ঠা ১৬৪) গোপালদেৱে তাৰ উত্তৰ সুন্দৰ দি কৈছিল, গুৰু হৈ শিষ্যক কেতিয়াও উপেক্ষা কৰিব নেলাগে। (পৃষ্ঠা ১৬৫)

ৰৰপেটা থানলৈ গোপালদেৱ অহাৰ সময়ত ৰজা ৰঘুদেৱে দেৱী পূজা কৰিবৰ কাৰণে সকলোকে আদেশ দিছিল। গোপালদেৱৰ বৰ দুখ লাগিছিল। 'হৰি হৰি কিনো ইটো মিলন বিপাক।' (পৃষ্ঠা ১৭৩) বুলি কি বুদ্ধিৰ এই দুৰ্গতিৰ পৰা ৰক্ষা পাব বুলি ভাবিবলৈ ধৰিছিল। ৰৰপেটা থানৰ পৰাও ভক্ত আহি উপায় বিচাৰিছিলহি। গোপালদেৱে ভকতসকলক, 'বাসা এৰি পলায়া থাকিয়ো।' (পৃষ্ঠা ১৭৪) বুলি উপায় দিছিল। গোপালদেৱেও নিজে সাৱধানে লুকাই আছিল। এইখিনিতে উল্লেখযোগ্য যে এই চৰিতখনিৰ প্ৰকাশন সমিতিয়ে উল্লেখ কৰিছে যে সেই সময়ৰ দেশত পূজা কৰা সকল আৰু বৈষ্ণৱ ভক্তসকলৰ মাজত যি অপ্ৰিয় ঘটনা ঘটিছিল তাৰ বিৱৰণ 'অপ্ৰীতিকৰ আৰু অনাৱশ্যক বুলি বিবেচনা কৰি এই প্ৰকাশনাৰ পৰা বাদ দিয়া হৈছে।' (পৃষ্ঠা ১৭৪)

গোপালদেৱে ভকতসকলৰ সমভাৱে ব্যৱহাৰ কৰিবলৈ শিকনি দিছিল। এদিন পছ দুভাগ পাই ভকতসকলে নিজৰ নিজৰ এভাগ লৈ গোপাল আতালৈ দুভাগ দিছিল। তেতিয়া গোপাল আতাই শিকনি দিছিল। 'সম কৰি সবাহাংকে বাঁটিয়া দিয়োক।' (পৃষ্ঠা ১৯৪) কাৰণ গুৰু বুলিয়েই কেতিয়াও বেছি ভাগ গোপালদেৱে নলয়। পাচত দিবও নেলাগে।

গোপালদেৱৰ শিষ্য প্ৰশিক্ষণ দিছিল কাৰ্য্যকৰী ব্যৱস্থাৰে। বৰ নগৰৰ পৰা ভকতসকল গৈ গোপালদেৱক 'মুখাৰ কণ্ঠ' এখন দিছিল। (পৃষ্ঠা ১৯২) গোপালদেৱে নৰলৈ অস্বীকাৰ কৰি লৈ যাবলৈ কৈছিল। কিন্তু ভেওঁলোকেও নিনিয়াত জুই লগাই পুৰি পেলাইছিল। এজন ভকতে কিয় পুৰিলে বুলি সোধাত কৈছিল,

'আতা মোৰ বসি আছে কল ঠকৰাই।
মই কি কাৰণে আম্ব বসিবো ইহাত।
কণ্ঠ ভাল ভৈলে নিকি ভকতি বাঢ়য়।
কলা ঠকৰা হৰি ভকতি নিশ্চয়।
এতেকে ইয়াক কেহো ইচ্ছা নকৰিল।
গলে কৰা বান্ধি হৰি ভকতি কৰিবা॥' (পৃষ্ঠা ১৯৩)

ইয়াৰ মাজত মহৎ আদৰ্শ লুকাই আছিল।

পুৰুষোত্তম ঠাকুৰে গোপালদেৱৰ লগত বিৰোধ কৰিছিল। গোপালদেৱৰ জনপ্ৰিয়তা গুৰু হিচাবে বাঢ়ি গৈছিল। গতিকে পুৰুষোত্তম ঠাকুৰৰ খং উঠিছিল আৰু কৈছিল,

'কালঝাৰীয়া যে কোন ধৰ্ম্ম নকৰিল।
আছা আন কথা মোৰ চক্ষু ছুটি নিল॥' (পৃষ্ঠা ২০৩)

গোপালদেৱৰ মাজত সহিষ্ণুতা ধৈৰ্য্যৰ গুণ বৰ বেছি আছিল। গোপালদেৱক, যেতিয়া বটু গুৰুৰ আগত একে ঘাটৰ পানী খাবলৈ নিষেধ কৰি বহু কটু কথা শুনাইছিল তেতিয়া বটু গুৰুৱে সহ্য কৰিব নোৱাৰি নিজৰ মূৰকে শিলত মাৰি তেজ উলিয়াইছিল। গোপাল আতাক সকলো কথা জনালত, গোপালদেৱে যি কৈছিল সেই কথাত বৈষ্ণৱ গুৰু গোপাল আতাৰ সহিষ্ণুতা আৰু ধৈৰ্য্য প্ৰমাণ পোৱা গৈছে।

"ঠাকুৰে আমাক যদি বচন বোলয়
হাতে হানিলেও মোৰ সহিতে লাগয়॥
তুমি কি কাৰণে কেন দুখ লভিলাহা।
মোৰ শৰীৰৰ ৰক্ত উদয়ায় চাহা॥
সিটো বচনৰ মাৰ আছে কোন খানে।
তুমি মাত্ৰ দুখ লভিলাহা অকাৰণে॥
ঠাকুৰে যদিবা পায়ে প্ৰহাৰ কৰয়।
তথাপিতো তাক মোৰ সহিতে লাগয়॥" (পৃষ্ঠা ২০৪)

ভক্তৰ মাহাত্ম্যৰ কথা তথা ভক্তক অপমান কৰা বৰ দুখ কথাক গোপাল দেৱে দিয়া বুজনিত স্পষ্ট কৈ প্ৰকাশ পাইছে।

'মাতৃৰ দোষৰ যদি চিকিৎসা আছয়।
ভক্ত নিন্দা পাতকৰ সম নাহিকয়॥' (পৃষ্ঠা ২১৮)

ভকতসকলক গোপালদেৱে ধৰ্ম উপদেশ দিছিল, হৰিভক্তি আচৰণ কৰিব, পাৰিলে নিৰামিষ ভোজন কৰিব, ভিক্ষা কৰি আহাৰ সংগ্ৰহ কৰিব, কথা পিছি ভিক্ষালৈ যাব, নিজৰ মৰ্য্যাদা ৰক্ষা কৰি চলিব। যিজনে নোৱাৰে সেই বিবাহ কৰিব। পৰ পত্নীক মাতৃসম জ্ঞান কৰিব। (পৃষ্ঠা ২২২)

নাম ধৰ্ম লোৱা ককাৰ বৰদেৱৰ বৃদ্ধাকালত সন্তান জন্ম হোৱাৰ খবৰ পাই ককাৰ ওচৰৰ পৰা নিজ গৃহলৈ আহি বৈষ্ণৱৰ দুখৰ কথাৰ পৰা সম পাইছিল.

'মাতৃ যদি গুরু পাব যুবিক নুবায়।
তেবে মোক দেখিবে নপাইলা হুস্তে তুমি ।' (পৃষ্ঠা ২৩০)

লগে লগে 'হেন অধৰ্ম্মত কি ভোজন কৰিলো' বুলি তেতিয়াই কালঝাৰ সত্ৰলৈ বাট ধৰি গোপালদেৱৰ ওচৰত অধৰ্মীৰ ঘৰত আহাৰ গ্ৰহণ কৰাৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰি, 'ভাৰ্য্যা পুত্ৰ ধনজন সমস্ত তেজিলো' (পৃষ্ঠা ২৩৩) বুলি দণ্ড দি ভকতসকলৰ লগত লগ লৈছিল। দোষ কৰিলে দণ্ড দিয়াৰ ব্যৱস্থাও আছিল। গুৰুৰ দায়িত্ব, গুৰুৰ কৰ্ত্তব্য আদিৰ কথা গোপালদেৱে ভকতসকলক উদাহৰণেৰে সৈতে বুজাই দিছিল। (পৃষ্ঠা ২৩৯, ২৪৮)

গোপালদেৱে ভকতসকলক অতি ৰস লগাকৈ হৰি কথাক ব্যাখ্যা কৰিব পাৰিছিল। এদিন ভকতসকলক গোপালদেৱে কৈছিল,

'এক গাছি পুৱাকোনে ফল পাত শিকা মূলে
গিলিবাক পাৰে এতিক্ষণে। (পৃষ্ঠা ২৪৯)

ভকতসকল আচৰিত। গোপালদেৱে তেতিয়া তামোল এটাৰ পৰা কনটো উলিয়াই আনি খাই কৈছিল,

এঁহি কণ গুটিৰ যে গাজি হোৱে গুৱা গাছি
ফলমূল শিকা পাত হয়। (পৃষ্ঠা ২৪৯)

তামোলটোৰ পৰা কণটো খাই পেলোৱাৰ পাচত আৰু তামোলটো কেতিয়াও নগজে। হৰি কথাও তেনে বস্তু। তাৰ মূলটো লব পাৰিব লাগিব। (পৃষ্ঠা ২৪৯-৫০)

যতুমণিক গোপালদেৱে তিনিটা উপদেশ দিছিল—(১) ভুপৰৰ চাউল গধূলিলৈ নেৰাচিবা, (২) স্ত্ৰীক ভড়াণী নেপাতিবা আৰু ভকতক শুশ্ৰূষা কৰিবা, (৩) সম্পত্তি লাভ কৰিলেও,

'আমাৰ বাক্যক যদি ৰক্ষা কৰিবাক পাৰা
তেহে মহা সুখতে ৰহিবা। (পৃষ্ঠা ২৫০)

(৩) হৰি বল্লভ ৰচিত খণ্ডৰ পৰা
(শ্ৰীশ্ৰীগোপালদেৱৰ শেষ লীলা)

গোপালদেৱৰ কাৰণে ভকতেই সৰ্বস্ব আছিল। জীৱনৰ শেষ সময়তো পুত্ৰক তাকেই উপদেশ দি ছিল,

'ব্ৰহ্মাণ্ডৰ ভিতৰ   ভকতৰ সমান
বস্তু আৰ নাহিকয়। (পৃষ্ঠা ২৭০)

সেই কাৰণে ঘৰত যদি এভাগহে চাউল থাকে, ভকত আহি পালে তাৰে আধা ভকতক দিব তামোল-পান বা গুৱা যদি এখন থাকে তাৰো আধা ভকতক দিব, ইহ পৰলোকে ভকতেইহে বান্ধৱ বুলি কৈছিল। যদি সেই মতে প্ৰবৰ্ত্তে তেন্তে ভক্ত আৰু তেৰাক পাব অ ক সকলো কাৰ্য সিদ্ধি হব। (পৃষ্ঠা ২৭০)

(৪) ৩য় ভাগ—ভিজৰাৰ গোপাল

মাধৱদেৱে গোপালদেৱক ভকতৰ লক্ষণ বৰ্ণনা কৰি শিক্ষা দিছিল।

'উচ্চ হাসি উচ্চ বাক্য উচ্চ যে গমন।
ভকতজনৰ ইটো দুহিকা লক্ষণ॥' (পৃষ্ঠা ২৭৬)

বিষ্ণু ভকতসকলৰ মন সদায় সেই পদ যুগলতে থাকে, 'হৰি ৰূপ ভাৱনা কৰয় অনুক্ষণ।' (পৃষ্ঠা ২০৮) কোনো ক্ৰোধ তাৰ থাকিব নেলাগে। (পৃষ্ঠা ২৭৯)

শ্ৰীৰামে গোপালদেৱৰ গাত তিনিটা গুণ—

'নাহিকয় আশা, নাহিকয় অভিমান।
সংশয়হেক নাহিকয় তোমাৰ মান॥ (পৃষ্ঠা ৩০৭)

বুলি অনুভৱ কৰিছিল আৰু গোপালদেৱৰ ওচৰলৈ ভক্ত হিচাবে আহিছিল।

গোপালদেৱে ভক্তসকলক অতি চেনেহেৰে ব্যৱহাৰ কৰিছিল। ভক্তসকলৰ কাৰণে গোপালদেৱ আদৰ্শ স্বৰূপ আছিল। বৰপেটাৰ পৰা অহা বৰ-যদুমণি আৰু শ্ৰীৰাম আতাক গজলাৰ বাপে 'আতাৰ তৈয়েসে বস্ত্ৰ কাকচা তোকন' (পৃষ্ঠা ৩০৮) নিজে কিয় গোটাবলৈ যত্ন কৰা নাই বোলাত, বৰপেটাৰ পৰা নিজ বস্তু আনিবলৈ যাবলৈ গোপালদেৱৰ পৰা অনুমতি বিচাৰিলত, গোপালদেৱে,

'মোহোৰ যি কিছু বস্তু আছে লও খান।' ((পৃষ্ঠা ৩০৮)

তাকে ভক্ষণ কৰিব আৰু যদি নাই ভিক্ষা কৰিব বুলিছিল। তাৰ পাচত ভক্ত-সকলক কৈছিল, অসময় সেৱৰ পৰা ভক্তসকল আহিছে কোনে কি পাবা খৰচৰ কাৰণে দিয়া। কথাৰ লগে লগে 'কতো ধন ভতো মহা শিকা আনি দিল।' (পৃষ্ঠা ৩০৯) আৰু চৈধ্য উপচি পৰিছিল। এইদৰে সবিশেষ দিনৰ তাৰ ভক্ত-সকলৰ মাজত শক্তি চুলিবৰ কাৰণে গোপালদেৱে যত্ন কৰিছিল।

গোপালদেৱে কালঝাৰ সত্ৰ স্থাপন কৰি তাত প্ৰতিমা প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ আছে। এই প্ৰতিমা মহীপ গুৰুৰ ঘৰত থকা বুলি গম পাই, 'একগোটী ৰূপ, এক যোৰ বস্ত্ৰ, (পৃষ্ঠা ৩১২) দিয়াৰ লগে লগে প্ৰতিমাক এৰি দিছিল। চতুৰ্দোলা সাজি প্ৰতিমাক লৈ কীৰ্ত্তন কৰি আনি মন্দিৰৰ মাজত আসন পাতি, প্ৰতিমা স্থাপন কৰি সন্ন্যাসী গুৰুক তাৰ পৰিচৰ্য্যাৰ ভাৰ দি ছিল। গোপালদেৱৰ আজ্ঞা পালন কৰি সন্ন্যাসী গুৰুৱে ফুল চন্দন দিছিল। (পৃষ্ঠা ৩১২)

গোপালদেৱে ভকতক উপদেশ দিছিল, কল্পতৰু বৃক্ষই সকলোকে সমানে ফল দিয়ে, কিন্তু বিচাৰিব লাগিব। ক্ষীৰ সাগৰত অমৃত আছে তাক মথিব লাগিব আৰু কামধেনু গাইত গাখীৰ আছে তাক খিৰাব লাগিব। গতিকে

'মাগন্তা মথন্তা দোহন কৰন্তা
আমাসাত আতো ভৈলা। (পৃষ্ঠা ৩১৩)

ভেটিয়াহে গোপালদেৱৰ পৰা কথা পাব পাৰিব।

কামৰূপ আৰু অসমত বৈষ্ণৱ ধৰ্ম বিস্তাৰ হৈছিল। অসম ৰাজ্যৰ পৰা ৰুদ্ৰ পতি কালঝাৰ সত্ৰলৈ গৈ গোপালদেৱক শৰণ কৰিছিল। দেশত কিন্তু দেৱী পূজাৰ প্ৰচলনৰ কাৰণেও এক শ্ৰেণীৰ চেষ্টা চলি আছিল। কামেশ্বৰ সন্ন্যাসীয়ে পৰীক্ষিত ৰজাক খল দিছিল গৈ যে ভেউঁৰ ৰাজ্যত অন্যায় হৈছে, লোকৰ অধোগতি হব (পৃষ্ঠা ৩২২)। কাৰণ আহিন মাহত এই সকল লোকে অম্বিকাক পূজা নকৰে, পঞ্চ যজ্ঞ, বলি বিধান নকৰে, দেৱতাক পূজা নকৰে। গতিকে ৰজাই ইয়াৰ বিচাৰ কৰিব লাগে। ৰজাই লগে লগে দূত পঠাই প্ৰচাৰ কৰি দিছিল, গাৱে গাৱে অম্বিকা পূজা কৰিব লাগিব। যি নকৰিব ভেউঁকে ৰজাই কাটিব (পৃষ্ঠা ৩২৩)। ৰজাৰ আজ্ঞাত গোপালদেৱে নামঘৰ ভঙাই পলাবৰ ব্যৱস্থা কৰিছিল। কিন্তু মথুৰাদাসে কৈছিল

'ইহাত থাকিবো কহিকো নাযাইবো
পলাইবোহো মঞি কেন।' (পৃষ্ঠা ৩২৪)

গোপালদেৱে ভকতসকলক সেই ঠাইৰ পৰা পলাই যাবলৈ কৈছিল আৰু মথুৰাদাসক কৈছিল, নপলাই গৰ্ব্ব বচন কোৱাৰ মজা পাব। গোপালদেৱে লগত ভকত কেইজনক লৈ অৰণ্যত প্ৰবেশ কৰিলেহে। মাহুহৰ কোনো সমাগম নাছিল। এদিন ৰাতি 'ঘোৰ ৰাত বুলি কৈল নাহিফুলা ৰাৱ।' (পৃষ্ঠা ৩২৫) গ্ৰাৰ কাণোৰ

কানি তিতি শেষ তাৰ ওপৰতে মহৰ কামোৰ, তেতিয়াও কিন্তু গোপালদেৱে হৰি কথা মুখিৰলৈ ভক্তসকলক কৈ আছিল, গীত গাই আছিল।

বাটত পুৱালত কালঝাৰ সত্ৰলৈ বুলি বাট লৈ তালুকা নামৰ মানুহ এজনৰ আশ্ৰয় লৈছিল। পৰবীয়া অৱস্থাতো গোপালদেৱে কেনেকৈ হৰি কথা চৰ্চা কৰি আছিল তাৰ বিৱৰণ দিছে। (পৃষ্ঠা ৩২৬-২৮) কিন্তু এমাহ মানৰ পাচত এজন বৰাগী আহি ৰজাক কৈছিলহি,

'হৰি দেৱতাত পশি আছয় শৰণ।
তাহাক কৰায়া কেন দেৱীক পূজন॥ (পৃষ্ঠা ৩২৮)

ৰজাই খল দিয়া সন্ন্যাসীক মতাই আনি বৈৰাগীৰ লগত লগ লগাই দিছিল। দুয়োৰে নানা বাদানুবাদ হৈছিল। সন্ন্যাসী আৰু বৈৰাগীৰ মাজত জুই লৈয়ো পৰীক্ষা হৈছিল, 'অগ্নিত পেলায়া দিয়া কৰে। পৰীক্ষাক॥' (পৃষ্ঠা ৩২৯) শেষত বৰাগীৰ জয় হৈছিল। সন্ন্যাসীক ৰজাই ৰাজ্যৰ সীমাৰ বাহিৰ কৰাই পঠাইছিল। দেশত পুনৰ নাম ধৰ্ম প্ৰচাৰ হৈছিল।

নীলাচলৰ কামাখ্যা মন্দিৰত দেৱী পূজাৰ প্ৰচলন থকাৰ কথা পোৱা যায়। অসম দেশৰ ৰজাৰ ঘৰৰ এজনে দেৱী পূজা দিবলৈ বহুত বস্তু দি পঠাইছিল। পূজা দি ওভোটাৰ পথত গোপালদেৱৰ মঠত সোমাইছিল। পূজাৰ নিৰ্মালি দিব খোজাত, গোপালদেৱকে প্ৰমুখ্য কৰি এজন এজনকৈ উঠি গৈছিল। কাৰণ ললেও ৰজাক লগাবকৈ। শ্ৰীৰাম আতাই বুদ্ধি কৰিছিল,

'আশীৰ্ব্বাদ কৰি দিছে ইটো নিৰ্মাল্যক
তাহাক নিৰ্মালি ইটো দিবাক লাগয়।
আনক দিবাহা যদি কল নথৰয়॥' (পৃষ্ঠা ৩৩৩)

বুলি কোনোৱে ৰক্ষা পৰিছিল।

একাদশ স্কন্ধত বৰ্ণনা কৰা দুজন ভক্তৰ বিষয়ে গোপালদেৱে ভক্তক ব্যাখ্যা কৰিছিল। মোক্ষকামী জনে 'জগত কৰয় সাধন, সমান ঐশ্বৰ্যকামী জনে, 'হৰিৰ সমান ঐশ্বৰ্য্য কৰি মন', বাসুদেৱ, অনিৰুদ্ধ প্ৰদ্যুম্ন আৰু সংকৰ্ষণক সদায় পূজা কৰে, বৈকুণ্ঠ সকামী জনে বৈকুণ্ঠলোকত স্থান হবলৈ প্ৰাতঃ, মধ্যাহ্ন আৰু সন্ধ্যাত হৰিদেৱতাক পূজা কৰে, স্বৰ্গকামী জনে স্বৰ্গলোক পাবৰ কাৰণে আৰু ভাগৱতী জনে, 'সদা প্ৰতিমাক মাত্ৰ কৰয় পূজন।' আৰু ঈশ্বৰ ভকত নাম গাৱয় সতত।' বুলি (পৃষ্ঠা ৩৪৪-৪৫)

ভক্তসকলক নিদিয়াকৈ গোপালদেৱৰ খাদ্যবস্তু গ্ৰহণ কৰাত আপত্তি আছিল। কাৰণ 'ভকতে ভুঞ্জিলে হৰি হোৱন্ত সন্তোষ' (পৃষ্ঠা ৩৪৬) বুলি গোপালদেৱে বিশ্বাস কৰিছিল। গতিকে নতুনকৈ লগা বেজেনাৰ ব্যঞ্জনখন ভকতক সুজুৰিব ভাবি অকল গোপালদেৱক আগে খাবলৈ দিয়াত, 'নবীন বস্তু নেদি খাইলে দোষ হয়। (পৃষ্ঠা ৩৪৬) বুলি দূৰৈলৈ আঁতৰাই থৈছিল। ইয়াতেই গুৰুৰ ভক্তৰ প্ৰতি সমদৰ্শিতা গুণ প্ৰকাশ পাইছিল।

তৃতীয় ভাগ (২)—ৰামানন্দ ৰচিত

নাম ঘোষাৰ মাহাত্ম্য প্ৰকাশ পাইছে। শংকৰদেৱৰ পৰা মাধৱদেৱে যিখিনি পাইছিল, মাধৱদেৱে শাস্ত্ৰত বিচাৰি যিখিনি পাইছিল, সকলোখিনি নাম ঘোষাতে সন্নিবিষ্ট কৰিছে বুলি মাধৱদেৱে ব্যক্ত কৰিছিল। আৰু সেই কাৰণে ভক্তসকলক 'এহি ঘোষা গ্ৰন্থখানি পঢ়িবা সদায়।' (পৃষ্ঠা ৩৬২) বুলিছিল।

গোপালদেৱে হাবুঙৰ পৰা অহা বিপ্ৰক প্ৰথম শৰণ দিয়ে বুলি উল্লেখ কৰিছে।

অনিত্য শৰীৰ জীৱন চঞ্চল
কহে আৰু জ্ঞানীজন।' (পৃষ্ঠা ৩৬৭)

বুলি গোপালদেৱৰ ওচৰত শৰণ লবলৈ অহা বিপ্ৰক,

'আতা মাধৱৰ নিজ আদেশক
কৰিবোঁ আজি পালন।' (পৃষ্ঠা ৩৬৭)

বুলি ভাগৱত পুথি আগত স্থাপন কৰি বিপ্ৰক শৰণ দি কৈছিল, শংকৰ মাধৱ কৃষ্ণ স্বৰূপ। নাম ধৰ্ম বিনে সকলো অসাৰ। ভক্তৰ সঙ্গ লব লাগে। উপদেশ দি উঠাৰ পাচত পৰমানন্দ নাম উচ্চাৰণ হল, গতিকে বিপ্ৰৰ নাম পৰমানন্দ দিছিল। গোপালৰ শিষ্য হৈ পৰমানন্দ নামত হৰি কথা চৰ্চা কৰিবলৈ লৈছিল। (পৃষ্ঠা ৩৬৮)

পৰদাৰা গমন ভক্তৰ ডাঙৰ অপৰাধ। বেহাৰৰ মাধৱদেৱৰ থানত ভক্ত কৃষ্ণই এই কাম কৰাত বেহাৰৰ আইধাই, পুৰুষোত্তম ঠাকুৰ আদিয়ে কৃষ্ণক আশ্ৰয় দিয়াত দোষত পৰিছিল। ভক্তসকলৰ মাজত অসন্তোষ হৈছিল। বৈষ্ণৱ আদৰ্শত আঘাট হানিছিল। যদিও প্ৰায়শ্চিত্তৰ বিধান আছিল। ভৱানীপুৰৰ গোপাল আতাৰ উপদেশত অপৰাধ মাৰ্জনা হৈছিল। (পৃষ্ঠা ৩৬৯-৭৫)

শংকৰদেৱ আৰু মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত, পুৰুষোত্তম ঠাকুৰে ভক্ত-সকলৰ মাজত মাজে মাজে বিভ্ৰাট সৃষ্টি কৰিবলৈ বিচাৰিছিল। পুৰুষোত্তম ঠাকুৰে ভক্তসকলক প্ৰশ্ন কৰিছিল কাক গুৰু বুলি মানে বুলি।

'ঠাকুৰত বুজি সবে মনৰ আশয়।' (পৃষ্ঠা ৬৮৩)

ভক্তসকলে শংকৰদেৱক গুৰু বুলি মানে বুলি কৈছিল। পুৰুষোত্তম ইয়াৰ পাচত পোৰা ভিঠা থানৰ ভক্তসকলৰ কথাও জানিবৰ কাৰণে পৰমানন্দ আৰু নাৰায়ণ ঠাকুৰক পঠাইছিল। কৈ পঠাইছিল,

'তাৰা সবে গুৰু যদি শংকৰক কয়।
তাৰা সব সমে প্ৰীতি কৰিবে দাশয়।' (পৃষ্ঠা ৬৮৩)

আৰু যদি মাধৱদেৱক গুৰু বোলে তেন্তেহলে তেওঁলোকৰ লগত প্ৰীতি নহয়।

পোৰা ভিঠাৰ ভক্তসকল মহাবিপদত পৰিছিল। কাৰণ তেওঁলোকে মাধৱ-দেৱৰ উপদেশ পাইছিল। মাধৱদেৱক গুৰু বুলি মানিছিল। তেনেতে ভৱানী-পুৰৰ পৰা গোপালদেৱ সৈ পোৰা ভিঠা পাইছিল সৈ। ভক্তসকলে গোপালদেৱৰ,

'এক পাৱ যাৰ ভনি ভিতৰে দিছন্ত।
আউৰ পাৱ গোপালৰ বাহিৰে আছন্ত॥' (পৃষ্ঠা ৬৮৪)

তেনেতে অৱস্থাত দেখি আনন্দিত হল যদিও মৌনে কৈছিল। গোপালদেৱে কাৰণ জানিব পাৰি অতি সুন্দৰকৈ সমিধান দিছিল—শংকৰ মাধৱ অভিন্ন। যি মাধৱক কেতিয়াও গুৰু বুলি নকয়, তেওঁ কেতিয়াও শংকৰক গুৰু কৰ নোৱাৰে।

'শংকৰ মাধৱ দুয়ো একে কলেবৰ।
গুৰুৰো পৰম গুৰু শ্ৰীমন্ত শংকৰ॥
শংকৰ সে গুৰু যেবে বুলি আমাসাৰ।
কিমতে মাধৱ গুৰু কৈলন্ত আমাৰ॥' (পৃষ্ঠা ৬৮৪)

এই কথা উত্তৰ ৰূপে পাই পুৰুষোত্তমে লাজ পাইছিল। অভেদ শংকৰ মাধৱক ভেদ কৰি দেখুৱাৰ কাৰণে গোপালে আতাই বৰ দুখ পাইছিল। নাৰায়ণ ঠাকুৰৰ ভনেত ইয়াৰ সত্যে বিচাৰি পাওঁতে নাৰায়ণ ঠাকুৰে কৃষ্ণ আৰু অৰ্জুনৰ সমকক্ষ কথা কৈ শংকৰ মাধৱ যে অভিন্ন,

"ইটো সিদ্ধান্তক ন্যাৰিবাৰ প্ৰভি
কাহাৰো সামৰ্থ্য নাই।' (পৃষ্ঠা ৩৯৩) বুলি মন্তব্য
দিছিল। গোপাল আতা, ভক্তসকল সন্তুষ্ট হৈছিল।

পুৰুষোত্তম ঠাকুৰে প্ৰশ্ন কৰা চাৰিটা উন্মাদৰ কথা গোপালদেৱে অতি সুন্দৰকৈ বৰ্ণনা কৰিছিল৹

(১) নৃসিংহ উন্মাদ—ইন্দ্ৰিয় সুখত মত্ত থকা অৱস্থা।

(২) দেৱ উন্মাদ—সকলোকে নশ্বৰ দেখে, কলো ভোগ মায়াময় দেখে। মনত বৈৰাগ্য হয়।

(৩) মধুমত্তি উন্মাদ—শ্ৰুতি জ্ঞান হেৰুৱাই, কেৱল বিষয় সুখত আসক্ত হয়।

(৪) ভক্তি উন্মাদ—সংসাৰ পাহৰে কৃষ্ণ গৃহে ধৰি চিন্তক নেৰয়, অলৌকিক কথা কয়। আনন্দত চকুৰ পানী বৈ যায় আৰু নাচিবলৈ ধৰে।

এই সকলোৰে ভিতৰত পৰম নিৰ্গুণ ভক্তিৰ পথেইহে মহাপুৰুষসকলৰ পথ। (পৃষ্ঠা ৪০৩) শংকৰদেৱ আৰু মাধৱদেৱৰ পথ নিৰ্গুণ আছিল।

গোপালদেৱৰ পুত্ৰই কমললোচনে পিতৃৰ ওচৰত শৰণ লবলৈ আহোতে উপদেশ দিছিল, হৰি ভক্তক নিন্দিয়াকৈ একোকে নেখাবা, তামোলখন কাটোতেও চাই লবা কাৰত কোনোবা আছে নে নাই, ভকতত নিজতকৈয়ো চেনেহ কৰিবা, আপোন ভাবিবা, নিষিদ্ধ কথাত মন নিদিবা, ভক্তসকলে তেতিয়া তোমাক আপোন বুলি ভাবিব।

"হৰি ভকতক নেদি একো বস্ত
ভুকুৱিবা কোনো বেলা॥
একগুটি গুৱাক কাটা যেতিকলে
চাৰিও পাশক চাৱা।" (পৃষ্ঠা ৪১০)

উদাৰ চিত্তৰ ভক্ত, বৈষ্ণৱসকলৰ মাজত আছিল। সন্তানহীন একাদশে পত্নীৰো মৃত্যু, জীৱনৰ সমস্ত আৰ্জন সাতশ টকা নি গোপালদেৱক দি কৈছিল, 'হোক আমাসাৰ ইটো ধনৰ সফল।' (পৃষ্ঠা ৪১৬) গোপালদেৱে সেই ধন তিনি ভাগ কৰি৹ এভাগ একাদশক দিছিল তেওঁলোকক চাওঁতা আৰু কোনো নাই বুলি৹ দ্বিতীয় ভাগ গোপাল আতাই ৰাখিছিল তেওঁলোকৰ শ্ৰাদ্ধত অৰ্জিবি আছিলে

খৰচ কৰিবৰ কাৰণে। তৃতীয় ভাগ জগৰ একেবাৰ লগা অনৰ ধন ভবিষ্যলৈ ধন নেথাকিলে দিবলৈ বুলি। (পৃষ্ঠা ৪১৬-১৭)

(৫) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱদামোদৰৰ চৰিত্ৰ

নীলকণ্ঠ দাসে দামোদৰদেৱৰ জীৱন কথা লিপিবদ্ধ কৰোঁতে ধৰ্ম জীৱনৰ সকলো কথাকে সাঙুৰিছে তলত তাৰ উল্লেখ কৰা হল।

দামোদৰদেৱৰ পিতৃগৃহত (বৰপেটাৰ চক্ৰাৱৰ্ত্তী পুৰত) 'শ্ৰীমূৰ্ত্তি শালগ্ৰাম পূজা নিয়োগত। (পৃষ্ঠা ৪৫) ইয়াৰ পৰা দামোদৰদেৱৰ পৰিয়াল শিৱ পূজক বুলি জনা যায়। আনহাতে দামোদৰদেৱৰ পিতৃ সন্তানসকলে দামোদৰদেৱকে ভট্ৰৰ দুই পুত্ৰক হাজোত মাধৱদেৱৰ ওচৰত 'মণিকূটে ভাগৱতী হুই (পৃষ্ঠা ৪৩) বুলি থৈ গৈছিল।

শংকৰদেৱে নাম কীৰ্ত্তন কৰি, ভাগৱত পাঠ কৰি, প্ৰসাদ বিতৰণ কৰিছিল।

'কীৰ্ত্তনৰ অন্তে ভাগৱত পঢ়িলন্ত।
প্ৰসাদ যাতক যান বিতৰিল্ত ফলত।' (পৃষ্ঠা ৩০)

শংকৰদেৱে দেশত বিভিন্ন ঠাইত সত্ৰ আদি পাতিছিল। নাম ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণ শংকৰদেৱে বৰদোৱাৰ পৰা আহাৰ বাটত পোৱা ভিঠাত সত্ৰ স্থাপন কৰিছিল। তাঁতীসকল এই পোৱা ভিঠাতে আছিল। বস্ত্ৰ বয়নৰ কাৰণে তাঁতীসকলৰ সহযোগত বৃন্দাবনী কাপোৰ বোৱাইছিল। তাৰ পাচত ৰামৰায়ক 'বৰযৰ কাষ্য অৰ্পণ কৰি পাটবাউসীলৈ আহিছিল। তাতে সত্ৰ স্থাপন কৰিছিল। শংকৰদেৱৰ পাটবাউসীলৈ অহাৰ পাচত লোকসকলে,

'অল্পাদৰ ধৰ্ম্ম মানে দূৰন্ত তেজিলা।
নাম ধৰ্ম্ম লৈয়া সৰ্ব্ব কৃষ্ণত ভজিলা।।' (পৃষ্ঠা ৬৭)

শংকৰদেৱ আৰু চৈতন্যদেৱৰ সাক্ষাৎকাৰটো কিমানদূৰ নিৰ্ভৰযোগ্য, বিচাৰৰ বিষয়। ওৰেযাত গৈ জগন্নাথ দৰশন কৰাৰ পাচত, 'চৈতন্যক দেখিবাক নীলাচলে গৈলা' (পৃষ্ঠা ৭২) চৈতন্যদেৱৰ মন্দিৰ গৈ পোৱাত বৈৰাগীসকলে কৰ পৰা আহিছে, কি কথা আছে বুলি চৈতন্যদেৱক গৈ 'পূৰ্ব্বদেশী শংকৰ দেখিতে আসি গৈলা।' (পৃষ্ঠা ৭৩) বুলি জনাইছিল। চৈতন্যদেৱে শংকৰদেৱক লগ পাবলৈ আহিছিল। চৈতন্যদেৱৰ আনন্দ লাগিছিল। শংকৰদেৱৰ ওচৰলৈ

আহিছিল। 'চৈতন্যক দেখিয়া শংকৰ উঠিলন্ত।' (পৃষ্ঠা ৭৩) আৰু নম্ৰভাৱে সাদৰ সম্ভাষণ জনাইছিল,

'কত্তো বেলি ভুইকো ভুই চাই ৰহিলন্ত।
চৈতন্যক মাতিয়া শংকৰে বুলিলন্ত ।। (পৃষ্ঠা ৭৩)

আৰু কৈছিল,

'দিয়া নাম মালাক সমস্ত তত্ত্ব ঠাই।
আমাৰো তোমাৰ বিনে আন কেহ নাই ।।' (পৃষ্ঠা ৭৪)

শংকৰদেৱক আলিঙ্গন কৰি চৈতন্যদেৱ ভিতৰলৈ গৈছিল আৰু 'নাম মালা' লৈ পুনৰ জপ কৰিবৰ কাৰণে দেখুৱালেহি। শংকৰদেৱে, চৈতন্যদেৱ আৰু তেওঁৰ নাম মালাত "কিছু ভিন্ন নাই জানা একে নাম ধৰ্ম।" (পৃষ্ঠা ৭৪) বুলি শংকৰদেৱে গ্ৰহণ কৰা দেখুৱাইছে। তাৰ পাচত চৈতন্যদেৱে দামোদৰৰ কাৰণে চাৰি পত্ৰ লিখিছিল, 'শীলশিক্ষা' সমস্ত পত্ৰত লিখিছিল, 'লেখাৰ মোহৰ দিয়া গুপ্ত কৰিলন্ত।' (পৃষ্ঠা ৭৪) আৰু অপৰ তুলসী মালা আৰু শালগ্ৰাম গুপ্ত কৰি দি ৰামৰায়ক দি কৈছিল,

'নেমেলিবা কাকো পড়িতও নিদিবা।
এই মতে দ্বিজ দামোদৰ হাতে দিবা।' (পৃষ্ঠা ৭৫)

বুলি টোপোলা এটা দিছিল। পাটবাউসীলৈ ঘূৰি আহি ৰামৰায়ে দামোদৰদেৱক, "চৈতন্য তোমাৰ প্ৰতি দিয়াছে সন্দেশ (পৃষ্ঠা ৭৯) বুলি দিছিল। দামোদৰদেৱে লৈ,

ঠলিত খাপিয়া বন্ধে বস্তুক বাখিলা।
শালগ্ৰাম মালা লেখা তিনিক দেখিলা ।।' (পৃষ্ঠা ৭৯)

তাৰ পাচত গুৰু মানি চৈতন্যক পাটবাউসীৰ পৰা প্ৰণাম কৰিছিল। ভক্তসকলে হৰিধ্বনি কৰিছিল। শংকৰদেৱেও 'লভিলা সংসৰ্গ' বুলিছিল। (পৃষ্ঠা ৭৯)

খামৰ ভিতৰত দিয়া চিঠি চাই দামোদৰদেৱে দেখিছিল 'শৰণ ভজন শিক্ষা চাৰি নাম পাইলা।' (পৃষ্ঠা ৭৯) এই গোটেই কথাখিনি বিশ্বাস যোগ্য নে ?

শৰণ দিয়াৰো কিছু নিয়ম আছিল। মাধৱদেৱে আই গোসানীক শংকৰদেৱক শৰণ দিয়াৰ কথা কলত উত্তৰ দিছিল, যে তেওঁ শৰণ নিদিয়ে, 'অৰ্দ্ধ অঙ্গ নাৰী

আৰু আনা সৰ্ব্বজন (পৃষ্ঠা ৮১) মাধৱদেৱক কৰাবলৈ কলত, 'কি মতে মাতৃক মই কৰাইবো শৰণ' বুলিছিল। (পৃষ্ঠা ৮১) শেষত সং সজ শকা দামোদৰদেৱৰ ওচৰত শৰণ দিয়াৰ কথ কৈছিল।

দামোদৰদেৱে নিজ মন্দিৰত শালগ্ৰাম স্থাপনা কৰিছিল চৈতন্যদেৱে দি পঠোৱা 'চাৰিখনি পত্ৰক সাদৰে ৰাখিলন্ত।' (পৃষ্ঠা ৮২) বুলিছে। শংকৰদেৱে এইজন দামোদৰদেৱক বিপ্ৰ আৰু শূদ্ৰক ভাবিবৰ কাৰণ উপদেশ দিব বুলিছিল। আনকি শংকৰদেৱৰ ভাগিন ৰামৰায়কো দামোদৰদেৱৰ শৰণ দিয়াৰ কথা আছে। (পৃষ্ঠা ৮৩)

"দামোদৰে বোলে ৰায় আছিলা কি কাজ।
ৰামৰায়ে বোলে মোক কৰায়োঁ শৰণ।
দামোদৰে বোলে ভাল কৰাওঁ শৰণ।" (পৃষ্ঠা ৮৩)

বৈষ্ণৱ আদৰ্শৰ প্ৰতি অসমৰ বাহিৰৰ লোকৰো আগ্ৰহ, শ্ৰদ্ধা হৈছিল সেই কথাও জনা যায়। জগন্নাথৰ পৰা অহা চাৰিজন পাণ্ডাই হাজোৰ কবি চূড়ামণিৰ লগত দামোদৰদেৱত শৰণ লৈছিল। (পৃষ্ঠা ৯১) আৰু আনেক উদাহৰণ আছে। (পৃষ্ঠা ৯৩, ৯৫, ৯৬, ৯৭)

দামোদৰদেৱে 'পূবাদেশত মঠ ঘৰ সজাই সত্ৰ খানক নিৰ্ম্মিবা
ভকতি প্ৰচাৰি নাম ধৰ্ম্ম প্ৰৱৰ্ত্তাইবা।' (পৃষ্ঠা ৯৬)
বুলি বংশী গোপালদেৱক পঠোৱাৰ পাছত বেহাৰত থকা বলদেৱ আছিছিল। বলদেৱকো শৰণ দি নাম ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ কৈছিল। তাৰ পাছত উত্তৰ দিশত ভগবান মিশ্ৰৰ আৰু দক্ষিণ দিশৰ পৰা সত্যদেৱক, 'শৰণ ভজন শিক্ষা অধ্যাপনা দিলা।' (পৃষ্ঠা ৯৮)

দামোদৰদেৱ চৈতন্যপন্থী আছিল সেই কথা, দামোদৰদেৱৰ নিজৰ মুখৰ কথাত,

চৈতন্যৰ ভক্ত মত আমি অন্য নো ধৰিব
চৈতন্যলৈ বন্ধু আনা নিষ্ঠ কৰি।।' (পৃষ্ঠা ১০০)

ইয়াৰ বাহিৰে,

শংকৰ চৈতন্য আমি নাই ভিন্ন পৰ।
তাহান আমাৰ আনা একে কলেৱৰ।' (পৃষ্ঠা ১০০)

বুলি কৈছিল।

দামোদৰদেৱ বেহাৰত থকা অৱস্থাত বঙ্গা লক্ষ্মীনাৰায়ণ পুত্ৰ, পত্নী যত আছিল

"লৈলেক শৰণ দামোদৰ চৰণত।" (পৃষ্ঠা ১৩৪)

দামোদৰদেৱে পাটবাউসী সত্ৰৰ দায়িত্ব কবিৰত্নক অৰ্পণ কৰি তেওঁৰ পদ্মৰ লোকৰ, 'সবে কৱিৰত্নক কৰিয়া সম্মান' (পৃষ্ঠা ১৪৪) ধৰ্মৰ কৰ যোগান ধৰিবলৈ কৈছিল। ইয়াৰ পাচত ভক্তিৰ কথা কৈছিল, শীল শিক্ষা দিছিল।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত বছেৰেকীয়া শ্ৰাদ্ধ পতাৰ সময়ত মাধৱদেৱ আৰু দামোদৰদেৱৰ মাজত বিৰোধ হয়। অসমৰ বৈষ্ণৱ ধৰ্মৰ ইতিহাসত ই এক ডাঙৰ ঘটনা। শংকৰদেৱৰ বছেৰেকীয়া শ্ৰাদ্ধৰ কাৰণে দামোদৰদেৱৰ ওচৰলৈ ভকত পঠাই নিমন্ত্ৰণ কৰিছিল পোৰা ভিঠা থানলৈ। শংকৰদেৱৰ পুত্ৰ ৰমানন্দ ঠাকুৰ মাধৱদেৱৰ ঠাইলৈ পিতৃ কৰ্ম কৰিবৰ কাৰণে গৈ পাইছিল। কিন্তু দামোদৰদেৱে কৈ পঠাইছিল, 'পিতৃ কৰ্ম কৰিবাক লাগে নিজ ঠাই।' (পৃষ্ঠা ১২০) ৰামানন্দই নিজ ঠাইত পিতৃ কৰ্ম নকৰি যদি মাধৱদেৱৰ লগত পোৰা ভিঠাত কৰে তেনেহলে দামোদৰদেৱেও নিজ থানত কৰিব। ইয়াৰে মাধৱদেৱ আৰু দামোদৰদেৱৰ মাজত বিৰোধ হৈছিল। মাধৱদেৱে দামোদৰদেৱৰ কথা জানি, 'লগুণ ধাৰিত কিছু বিশ্বাস নাই।' (পৃষ্ঠা ১২১) বুলি ৰমানন্দ ঠাকুৰৰ লগত পোৰাভিঠাত আৰু দামোদৰদেৱে পাটবাউসীত, দুভাগে বাৰষীক পাতিছিল।

অনুষ্ঠানৰ শেষত ৰামানন্দ ঠাকুৰে ভক্তসকলৰ আগত দেউতাক শংকৰদেৱে পৰমাৰ্থ বস্তু মাধৱদেৱৰ পৰা লবলৈ আজ্ঞা কৰি থোৱাৰ কথা ব্যক্ত কৰিছিল। মাধৱদেৱকো জনাইছিল। পোৰা ভিঠা থানত মাধৱদেৱক ধৰ্ম পালন কৰি থাকিবলৈ কৈ যোৱাৰ কথা কৈছিল তাকো জনাইছিল।

দামোদৰদেৱে 'পঞ্চ প্ৰসাদৰ' কথা উল্লেখ কৰিছিল। (পৃষ্ঠা ১২৮) পাটবাউসী থানত শ্ৰীমূৰ্ত্তি শালগ্ৰাম' দামোদৰদেৱেই থাপনা কৰিছিল। দামোদৰদেৱ বৈষ্ণৱ, কিন্তু শালগ্ৰাম থাপনা কৰিছিল। পৰবৰ্ত্তী কালৰ পাটবাউসী থানৰ অধিকাৰ ভট্টদেৱে শালগ্ৰামৰ আগত 'ধ্যান আবাহন নিবেদন জপ্য স্তুতি' (পৃষ্ঠা ১৫৫) কৰিছিল, 'শংখ, ঘণ্টা বাদ্য অৰ্ঘ্য কৰ্ম সমাপন।" (পৃষ্ঠা ১৫৫) আৰু নিৰ্মাল্য প্ৰসাদ ভক্তসকলক দিছিল।

দামোদৰদেৱে পুত্ৰ, ভক্তিজাকক বৈকুণ্ঠ গমনৰ আগমুহূৰ্তত দিয়া উপদেশত ভক্তিয়েই ডাঙৰ কথা "ভকতি প্ৰসাদত কৃষ্ণ বশ হোৱে" (পৃষ্ঠা ১৬৮) বুলিছিল। লগত ইয়াকো কৈছিল যে নৰদেহা নৌকা সদৃশ আৰু গুৰু তাৰ কৰ্ণধাৰ।

(৬) ৰমাকান্ত দ্বিজ—শ্ৰীশ্ৰীবনমালীদেৱ চৰিত্ৰ

ৰমাকান্ত দ্বিজৰ ৰচনা শ্ৰীশ্ৰীবনমালীদেৱ চৰিত্ৰত ভাগৱত কথাই যে বৈষ্ণৱ ধৰ্মৰ মূল কথা ব্যক্ত কৰিছে।

শংকৰদেৱ মাধৱদেৱ আৰু দামোদৰদেৱে কামৰূপ, অসম আৰু বেহাৰত প্ৰৱৰ্তন কৰা বৈষ্ণৱ ধৰ্মৰ মূল গ্ৰন্থ ভাগৱত বুলিছে। সেই কাৰণে ইয়াক ভাগৱতী ধৰ্ম বুলি কয় বুলিও উল্লেখ কৰিছে। সেই সম্বন্ধে (পৃষ্ঠা ৭, ৯ ১০, ২২, ২৩ ৩০ ৩২) চৰিতখনিত নানা ঠাইত উল্লেখ আছে।

বৈষ্ণৱ ধৰ্মত তুলসীৰ প্ৰাধান্য মন কৰিব লগীয়া। বনমালীক বংশী গোপালদেৱৰ ওচৰলৈ লৈ যাওঁতে তুলসী লৈ গৈছিল। (পৃষ্ঠা ২১) বলদেৱৰ মৃত্যুৰ আগতে 'সৰাইত কৰিয়া তুলসীৰ মালা নিলা (পৃষ্ঠা ৩৭) বাপনি গোসাঁইৰ মৃত্যুৰ আগতো 'তুলসীক মালা দিলা হাতে। (পৃষ্ঠা ৩৯) বুলি উল্লেখ আছে।

আহোম ৰাজ্যত বৈষ্ণৱসকলক কৰা আদৰ, শ্ৰদ্ধাৰ কথাও চৰিতখনিৰ পৰা জানিব পৰা যায়। জয়ধ্বজ সিংহই বনমালীদেৱক অতি আদৰ শ্ৰদ্ধাৰে দিলা নগৰৰ পৰা নিয়াই সত্ৰ স্থাপন কৰাই বনমালীদেৱক থকাৰ ব্যৱস্থা কৰি দিছিল।

জয়ধ্বজ ৰাজাৰ আজ্ঞা শিৰে ধৰি।
কৰাইলন্ত সত্ৰ সেনাপতি যত্ন কৰি ॥' (পৃষ্ঠা ৫)

আনকি ৰজাই (জয়ধ্বজ সিংহ) পুখুৰী খান্দিবৰ কাৰণেও বনমালীদেৱক বিচাৰিছিল। ৰজাই কৈছিল

ৰাজ ভণ্ড দণ্ড চত্ৰ জগৎক আছয়।
সবাকে আনোক গোসাঞিক মোৰ নাহি কয় ॥' (পৃষ্ঠা ৫৫)

সেইদৰে চক্ৰধ্বজ সিংহয়ো বনমালীদেৱক আদৰ শ্ৰদ্ধা কৰিছিল। (পৃষ্ঠা ৫৯, ৭২)

বনমালীদেৱৰ দিনান্তই, স্নেহই যজ্ঞ হোম, পূজা, বেদ মন্ত্ৰ উচ্চাৰণ কৰি যাদৱ ৰায় মূৰ্ত্তি, অচ্যুতানন্দৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰিছিল। মৃত্যুৰ সময়ত মহা প্ৰসাদ আৰু শালগ্ৰাম আদি শিৰত লৈছিল। (পৃষ্ঠা ২৫)

(৭) ৺ৰত্নেশ্বৰ গোঁসাই সংকলিত—শ্ৰী শ্ৰীগোপালদেৱ কথা চৰিত :

৺ৰত্নেশ্বৰ গোঁসায়ে ভৱানীপুৰিয়া গোপাল আতাৰ বিষয়ে য'ত যেনেকৈ পাইছিল সকলো লিখি থৈ গৈছিল। গতিকে গোপালদেৱৰ জীৱন কথাৰ লগত সংযোগ থকা ধৰ্ম সম্পৰ্কীয় কথাও বাদ পৰা নাই। তলত তাৰে এটি টোকা দিয়া হল।

অসমত চৈতন্যপন্থী লোকৰ প্ৰভাৱ আৰু ষোল নাম জপ কৰাৰ কথাৰ উল্লেখ আছে। গোপালদেৱৰ মাতৃ হই ষোলনামত প্ৰবৰ্ত্তা লোক আছিল,

> 'চৈতন্যৰ মতে বঙ্গ দেশী বৈষ্ণৱত।
> ষোল নাম লৈয়া জপ্য কৰয় মনত ॥
> —
> গোপালৰো মাতৃ সেহি পাথে প্ৰবৰ্ত্তন্ত।
> গোপালে মনত তাক ভাল নমানন্ত ॥ (পৃষ্ঠা ৮০)

গোপাল আতাৰ সম্পৰ্কীয় ককায়েক সুপিতাই বাহিৰত, 'শংকৰৰ উপদেশ লৈলো মুণ্ড মাত্ৰ বোলয়।' (পৃষ্ঠ ৯৬) কিন্তু 'গুপ্ত সুপিতাই লোক সমস্তক ষোড়স নাম দিবয়।' (পৃষ্ঠা ৯৬) কিন্তু মাধৱদেৱৰ মাহাত্ম্যত চৈতন্য পন্থা এৰি মাধৱদেৱক গুৰু বুলি আনন্দিত হৈছিল। (পৃষ্ঠা ১২৮)

গোপালদেৱে মাধৱদেৱৰ ওচৰত শৰণ লবলৈ আহোঁতে সম্ভেশ আৰু পকা কল লৈ আহিছিল। মাধৱদেৱে ৰঙ্গ ভঙ্গি কৰি কৈছিল

> 'বহুত নৈবেদ্য ভৈলে শৰণ হোৱয় বৰ
> অলপ শৰণ অলপৰ।' (পৃষ্ঠা ১২৬)

গোপালদেৱে মুখ তললৈ কৈ একো নমতা দেখি মাধৱদেৱে পুনৰ কৈছিল যে একান্ত শৰণ লবলৈ একো বস্তুৰ প্ৰয়োজন নাই। কেৱল মনটো দৃঢ় হব লাগে। গুৰুৰ বাক্য শিৰত ধৰিব লাগে। গুৰুক শুশ্ৰূষা কৰিব লাগে। সংসাৰবন্ধন মিছা, ভ্ৰম বুলি জানি পুত্ৰ ভাৰ্য্যা, দেহ, গৃহ এইবোৰক মায়াময় বুলি কেৱল হৰিক ভজিব লাগে। তাৰ পাচত 'ভাগৱত আগে থৈয়া গোপালক কৰাইলা শৰণ। (পৃষ্ঠা ১২৭)

বৈষ্ণৱ ধৰ্মত গুৰুৰ স্থান সকলোতকৈ ওপৰত এই কথাও চৰিতখনিত আছে। ধৰ্ম ধৰিবৰ কাৰণে গুৰুৰ প্ৰয়োজন, বাট দেখুৱাই নিবৰ কাৰণেও গুৰুৰ প্ৰয়োজন। 'গুৰু সেৱা শ্ৰেষ্ঠ ধৰ্ম।' (পৃষ্ঠা ১২৯)

(৮) ৰমানন্দ দ্বিজ—শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ :

'শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ'ৰ পৰা বংশীগোপালদেৱৰ বিনত বৈষ্ণৱ আদৰ্শ, ধৰ্ম আৰু বৈষ্ণৱজনৰ প্ৰতি পৰম আদৰ আৰু শ্ৰদ্ধা জনসাধাৰণৰ থকাৰ কথা জনা যায়।

পশ্চিম দেশলৈ যাবলৈ বুলি লোহিত্যৰ পাৰত বৈ থকা, নৌকাৰে বেহা বেপাৰ কৰা সদাগৰে বংশীগোপালৰ পৰিচয় পাই, আমাঠৈৰ বহু লোক শিষ্য তোমাৰ (পৃষ্ঠা ২৮) বুলি বংশীগোপালক নিজ ঠাইলৈ লৈ যাবলৈ কাঢ়ি কাটি ভাবিছিল। কিন্তু শেষত পৰম আদৰ সাদৰ কৰি পশ্চিমলৈ যোৱা মানুহ বিচাৰি বংশীগোপালক নাৱত তুলি দিছিল। বৰপেটাত মাধৱদেৱক, দামোদৰদেৱৰ সত্ৰত দামোদৰদেৱক লগ পাই বংশীগোপালৰ ধৰ্ম চৰ্চা, কৃষ্ণ চৰিত্ৰ আলোচনা কৰি অতিশয় আনন্দিত হৈছিল। কিন্তু 'অসম দেশৰ প্ৰজাৰ নিষ্ফল জীৱন' (পৃষ্ঠা ৪০) বুলি চিন্তা কৰি মাধৱদেৱে বংশীগোপালক অসম দেশত ভাগৱত মত দেখুৱাব কাৰণে পাঠিছিল। কাৰণ,

> এক গুটি জীৱ তাৰি যি ফল লভয়।
> ব্ৰহ্মাণ্ড দানে তাৰ বেণু সম নয়॥' (পৃষ্ঠা ৪১)

আৰু আনহাতে শংকৰদেৱে মাধৱদেৱক কৈ গৈছিল, 'এক জন থাপি থৈবা অসম দেশত।' (পৃষ্ঠা ৪১)

চৰিতখনিত মাধৱ দাস বংশীগোপালৰ আগত শংকৰদেৱৰ চৈতন্যদেৱক লগ পোৱাৰ কথা বৰ্ণনা কৰা বুলি লিখিছে। ৰথ যাত্ৰাৰ সময়ত শংকৰদেৱ জগন্নাথত আছিল। ৰথৰ ৰচি ধৰি পাণ্ডাই ৰথ টানি থকা অৱস্থাত এঠাইত ৰথ ৰৈ গৈছিল। ৰথত থকা পাণ্ডাই ৰচি টনা পাণ্ডাক ৰথ টানিবলৈ মানা কৰিছিল। 'সন্মুখে দেখিতে বহিচন্ত জগন্নাথ।' (পৃষ্ঠা ৫০) বুলি। শংকৰ নৰ আচৰিত হৈছিল, 'যাক দেখিবাক প্ৰতি জগন্নাথ ৰহিচন্ত। (পৃষ্ঠা ৫০) শংকৰদেৱে তাৰ পাচত দেখিছিল স্নান কৰি এজন লোক আহিছে আৰু প্ৰজাই পৰি পৰি নমস্কাৰ কৰিছিল। তেৱেঁই চৈতন্যদেৱ। 'জয় জগন্নাথ বুলি কৰিলন্ত প্ৰণাম।' (পৃষ্ঠা ৫০) তাৰ পাচত ৰথ দুৰাই চলি গৈছিল। শংকৰদেৱৰ লগত চৈতন্যদেৱৰ সাক্ষাৎ হৈছিল আৰু চৈতন্যদেৱে, 'তুমি মত ধৰি নিস্তাৰিবে বহু লোক। তব গুণ যশকীৰ্তি জগতে থাকক।' (পৃষ্ঠা ৫১) বুলি কৈছিল। শংকৰদেৱে নমস্কাৰ কৰি আহিছিল।

বৈষ্ণৱসকলৰ কাৰণে সৎসঙ্গৰ বৰ গুৰুত্ব আছিল। তেওঁলোকে বিশ্বাস কৰিছিল,

'এতেকে সৎসঙ্গ বিনে ভকতি নপাই।
সৎসঙ্গ লভিলে ফুৰিবাক কাৰ্য্য নাই॥' (পৃষ্ঠা ৫১)

বৌদ্ধসকলেও বৈষ্ণৱসকলক শত্রু আচৰণ কৰিবলৈ লৈছিল।

"গোপাল আমাৰ আসি ভৈল যমকাল।
সবে শিষ্য নিয়ে আমাসাৰ নাহি ভাল।" (পৃষ্ঠা ৬২)

বুলি নানা কূট কামত প্ৰবৃত্ত হবলৈ ধৰিছিল। বংশীগোপালক 'গব্য ভাণ্ডত' বিষ দি মাৰিবলৈ পৰ্যন্ত যত্ন কৰিছিল। (পৃষ্ঠা ৬৩)

বংশীগোপালৰ দিনতেই কেবাখনো সত্ৰ স্থাপন হৈছিল। বাৰভূঞাসকলে কলবাৰীত বংশীগোপালক সত্ৰ স্থাপন কৰি দিয়ে। অতি আড়ম্বৰেৰে তাতে কৃষ্ণ কীৰ্ত্তন কৰিবলৈ লৈছিল। (পৃষ্ঠা ৬৮) বৌধসকলে যি অসূয়া অপ্ৰীতি কৰিবৰ কাৰণে চেষ্টা কৰিছিল, ফলৱতী নহৈছিল। কাহিকুচিত ডফলাসকলৰ পৰা ভয় থকাত 'ডেবেৰা পাৰত পাছে সত্ৰক কৰিলা।' (পৃষ্ঠা ৬৯) কাহিকুচিৰ পৰা ডেবেৰা পাৰলৈ সকলো উঠি গৈছিল। তেৰ কুৰি ভকতেই সদায় প্ৰসঙ্গ কৰিবলৈ লৈছিল।

শংকৰদেৱ আৰু ভকতসকলেও একাদশী পালনত গুৰুত্ব দিছিল। যদুমণি আৰু ভূঞা পুত্ৰ অনিৰুদ্ধই একাদশীৰ দিনা মাছ মংসৰে অন্ন খাই বংশীগোপালৰ আগত আহৈ মতাৰ কাৰণে তেওঁলোক ঘৃণাজনক 'সত্ৰাৰো হাটিৰো বাঝ কৰি খেদাইলন্ত। (পৃষ্ঠা ৭৩)

বংশীগোপালদেৱৰ অতি নিবহ নিপানি লোক আছিল। তেওঁ অতি দৰকাৰী বস্তুৰ বাহিৰে কোনো বস্তু গ্ৰহণ নকৰিছিল। বৈষ্ণৱসকলক কেৱল নিৰামিষ খাবলৈ দিয়া হোৱা নাছিল। বৈষ্ণৱসকলে মাছ, মাংস সকলো খাব পাৰিছিল। বংশীগোপালদেৱে কিন্তু

'এক সন্ধ্যা মাত্ৰ আশু তণ্ডুলৰ অন্ন।
হৰি দিয়া নিৰামিষে কৰন্ত ভোজন।' (পৃষ্ঠা ৭৯)

এবাৰ কিন্তু পুৰুষোত্তম ঠাকুৰে বুঢ়া মাকৰে সৈত্যে লগ লাগি বংশীগোপালদেৱক মাছ বাছি, কলপাতত পুৰি দুদিন ভাতৰ লগত মানি খুৱাই, শেষত কথাটো কৈ দি ইয়াৰ পাচত যেন মাছ খাবলৈ নেৰে বুলি প্ৰাৰ্থনা কৰিছিল। (পৃষ্ঠা

৮৬) বংশীগোপালদেৱে তেওঁৰাৰ পৰা মাছ, মাংস আৰু উৱুৱা চাউল খাবলৈ লৈছিল। নিৰামিষ ভোজন ভকতসকলৰ কাৰণ কঠিন হ'ব আৰু বৈষ্ণৱ ধৰ্ম গ্ৰহণ নকৰিব বুলি ভাবিয়েই পুৰুষোত্তম ঠাকুৰে বংশীগোপালদেৱক আমিষ ভোজন কৰাইছিল। কৈছিল,

"প্ৰাৰ্থনা কৰোহোঁ মোৰ দোষ এৰিবাহা।
মৎস্য মাংস ওৰুৱাক পুছ নেৰিবাহা॥" (পৃষ্ঠা ৮৬)

স্বয়ং শংকৰদেৱে কোনো বাটৈৰ হতুৱাই মদনগোপাল মূৰ্ত্তি গঢ়াই প্ৰতিষ্ঠা কৰাইছিল। বংশীগোপালেও মদনগোপালৰ মূৰ্ত্তি ধুৱাবোনৰ পৰা আনাই প্ৰতিষ্ঠা কৰিছিল। (পৃষ্ঠা ৮১) নিৰাকাৰ ভগৱানক ভকতসকলে অনুভৱ কৰিবৰ কাৰণে মূৰ্ত্তিৰ প্ৰয়োজন শংকৰদেৱেও উপলব্ধি কৰিছিল, যদিও বৈষ্ণৱসকলৰ থাপনাত ভাগৱত খনকেই প্ৰতিষ্ঠা কৰা হয়।

বৈষ্ণৱসকলৰ জগন্নাথ ক্ষেত্ৰৰ প্ৰতি অসীম শ্ৰদ্ধা আৰু হেপাহ আছিল। সততে জগন্নাথ ক্ষেত্ৰলৈ যাত্ৰা কৰিছিল। স্বয়ং শংকৰদেৱ দুবাৰকৈ জগন্নাথ ক্ষেত্ৰলৈ গৈছিল। প্ৰতিখন চৰিত পুথিতেই জগন্নাথ ক্ষেত্ৰৰ উল্লেখ আছেই। জগন্নাথ ক্ষেত্ৰলৈ যোৱা ভকতসকলক স্বয়ং জগন্নাথে, বংশীগোপালৰ ঘৰে গুৰু থকাৰ কথা গম পাই কৈছিল,

'তেনয় গুৰুক এৰি তোমাৰা সকল।
তীৰ্থক্ষেত্ৰে তুমি কি অধিক পাইবা ফল॥' (পৃষ্ঠা ১০০)

প্ৰকৃত সজ্জন যে তীৰ্থ দৰ্শনতকৈয়ো শ্ৰেষ্ঠ তাকেই প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল। যি ঠাইত ভাগৱত পাঠ কৰে, সেই থান, সেই সদ এৰি বৃন্দাবন মহা মূঢ় বুলিও লগতে কৈছিল। কাৰণ বিষ্ণু আৰু বৈষ্ণৱৰ মাজত কোনো ভেদ নাই।

"বিষ্ণু-বৈষ্ণৱৰ অলপমানো ভেদ নাই।" (পৃষ্ঠা ১০০)

বৈষ্ণৱসকল নানা বিপৰ্য্যয়ৰ সন্মুখীন হ'ব লগা হৈছিল। অসম ৰজাৰ ভয়ত বংশীগোপালদেৱ পলাই ভাওৰী ৰজাৰ ৰাজ্যত পলাই থাকিব লগা হৈছিল। আৰু মূৰুকৰ থান বংশীগোপালৰ ভেৰেবাপাৰ, আৰু হৰিৰ ধুৱাবোম থানত ৰজা ৰখীয়া উপদ্ৰৱ হৈছিল। (পৃষ্ঠা ১০৬-১১)

অসম বজাৰ ভয়ত বংশীগোপাল পলাই ফুৰাতে বাৰখন ঠাইত বাৰখন 'পলৰীয়া থান' হৈছিল। (পৃষ্ঠা ১৩৫) ইয়েই প্ৰমাণ কৰে পলৰীয়া অৱস্থাতো জনগণৰ বৈষ্ণৱসকলৰ প্ৰতি আস্থা, শ্ৰদ্ধা কমা নাছিল। সেই কাৰণে,

'প্ৰতিদিনতে ভকত ভৈলেক চাৰিশত।
বহুত তণ্ডুল লাগে প্ৰতি দিৱসত॥' (পৃষ্ঠা ১৩৪)

কাৰণ বাইজে উপলব্ধি কৰিছিল, 'দেৱৰ চৰণ তেজি যাইবো কাৰ ঠাই।' (পৃষ্ঠা ১৩৪)

দেশত বৌদ্ধসকলৰ প্ৰভাৱো আছিল।

'বৌধ হয়া ধৰ্ম্ম নাশি ফুৰে ঠাই ঠাই॥

শ্ৰাদ্ধ বিধি একাদশী কিছু নমানয়।
মহাপাপী হয়া সবে পৰিবে নিশ্চয়।' (পৃষ্ঠা ১৪১)

বৈষ্ণৱসকলৰ কাৰণে ভাগৱতেই মূল পুথি। 'পুস্তক মাত্ৰকে সবে বোলে ভাগৱত।' (পৃষ্ঠা ১৬৫) কিন্তু প্ৰকৃততে ভাগৱত কাক বোলে কোনো নৰ-নাৰীয়ে নেজানিছিল। বংশীগোপালৰ সত্ৰতেই ভাগৱত কাক কয় কোনোৱে নেজানে বুলি পশ্চিম দেশৰ পৰা অহা দামোদৰদেৱৰ শিষ্য তিনিজনে বংশীগোপালক কৈছিল। তাৰ পাচৰ পৰাই বংশীগোপালে ভাগৱত পাঠ কৰাৰ ব্যৱস্থা কৰিছিল আৰু কওলিৰ পুত্ৰ হৰি চৰণক ভাগৱত ব্যাখ্যা কৰিবৰ কাৰণে দায়িত্ব দিছিল। (পৃষ্ঠা ১৬৬-৬৭) কাৰণ ভাগৱতক,

"শ্ৰীকৃষ্ণ মুখ বাণী শ্ৰীভাগৱত।
তাৰ পাঠ বিনে হইব প্ৰসন্ন কেমত॥" (পৃষ্ঠা ১৬৭)

দামোদৰ পন্থীসকলে শালগ্ৰাম মানিছিল আৰু বংশীগোপালদেৱেও শেষ সময়ত, 'শালগ্ৰাম আনি লৈয়া আছন্ত দেউৰী।' (পৃষ্ঠা ১৯৬) বুলি উল্লেখ আছে। 'গীতা শালগ্ৰাম মূৰ্ত্তি ধৰিলন্ত শিৰে।' (পৃষ্ঠা ২০১)

ভাগৱত মিশ্ৰই ভক্তসকলৰ লগত আলোচনা কৰি কৃষ্ণ যাত্ৰা পাতিছিল। "এক মহা কৃষ্ণ যাত্ৰা কৰিবা লাগয়ি।" (পৃষ্ঠা ২৪৫) কিন্তু তাতো বিৰোধ হৈছিল। পূৰ্ব প্ৰভাৱ বল দিয়া কথাত বৰা পণ্ডিতে লৈ বিৰোধ কৰিবলৈ

বিচাৰিছিল। কুকুৱাবাসী সত্ৰখন অসম বজাই ভাঙিছিল। বৈষ্ণৱ ধৰ্মত কত উৎসৱ উল্লেখযোগ্য ধৰ্মীয় অনুষ্ঠান।

(১) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱৰ চৰিত :

দৈত্যাৰি ঠাকুৰে চৰিতখনিত শংকৰদেৱৰ জীৱন কথাতকৈ মাধৱদেৱৰ জীৱন কথাহে বিস্তৃতকৈ লেখিছে। তেওঁৰা দুই জনৰ জীৱন কথাৰ লগত ধৰ্ম কথা নিবিড়ভাবে জড়িত। সেইকে দৈত্যাৰি ঠাকুৰৰ চৰিতত মধ্য যুগৰ অসমৰ ধৰ্ম জীৱন আৰু পৰিবেশৰ এটি চিত্ৰ পোৱা যায়।

অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হোৱাৰ পাছৰ পৰাই ব্ৰাহ্মণ আৰু বৈষ্ণৱসকলৰ মাজত ধৰ্ম যুদ্ধ একোখন ঘটিছিল। ব্ৰাহ্মণসকলে প্ৰথম অৱস্থাত শংকৰদেৱ আৰু তেওঁৰ শিষ্যসকলক বৰ উৎপীড়ন কৰিছিল। আচাৰ্য, কন্দলী উপাধ্যায়, ভাৰতী আদি ব্ৰাহ্মণসকলে ভকতসকলৰ পৰা,

'মালাক লয়ায় কাঢ়ি   কুকুৰৰ গলে আৰি
উপহাস কৰে বিপ্ৰগণ। (পৃষ্ঠা ১০)

কাৰণ হৰিভকতিত মানুহৰ মতি হলে তেওঁলোকৰ জীৱিকা মৰিব। কিন্তু শংকৰদেৱে বুঢ়াখাৰ ঘৰত পৰা পিতৃ শ্ৰাদ্ধলৈ ব্ৰাহ্মণসকলকো মাতি আনি তৰ্ক আৰম্ভ কৰি, শংকৰদেৱে যতিয়া প্ৰশ্ন কৰিছিল,

যি জন পাতকী নৰ   কৰ্মে তাৰ অধিকাৰ
কহিয়োক আত্মা আছে নাই।' (পৃষ্ঠা ১১)

উত্তৰত ব্ৰাহ্মণ ব্ৰহ্মানন্দই কৈছিল, পাতকীৰ কৰ্মত অধিকাৰ নাই। কেৱল হৰি নামেহে পাপী উদ্ধাৰ কৰে। যি জনে নামক নিন্দা কৰে তেওঁ পাতকী, চণ্ডালতকৈয়ো হীন, মুখটো লেলাগেই দেখিবও নেপায়। নাম নিন্দুক জন চণ্ডাল স্বৰূপ। ব্ৰহ্মানন্দৰ কথাত বাকী ব্ৰাহ্মণসকলেও হতভম্ব হৈছিল। তেতিয়া শংকৰদেৱে ব্ৰাহ্মণসকলকেই মহা পাতকী বুলি কৈছিল, কাৰণ তেওঁলোকে বৈষ্ণৱ ভকতসকলক উৎপীড়ন কৰিছিল। (পৃষ্ঠা ১৪-১৫) ব্ৰাহ্মণসকল পৰাজিত হৈছিল। এনেদৰে শংকৰদেৱৰ পাণ্ডিত্যৰ ওচৰত ব্ৰাহ্মণসকলৰ সদায় পৰাজয় হৈছিল। তেওঁলোকে ভাবৰলৈ বাধ্য হৈছিল,

'বোলয় শংকৰ তুমি   মহন্ত, ঈশ্বৰৰ অংশ
অৱতাৰ জানিবা নিশ্চয়।' (পৃষ্ঠা ১৫)

কোঠোলা বাটৈক দি গ'ঢ়াৰা জগন্নাথৰ মূৰ্ত্তিক প্ৰণাম কৰিবলৈ প্ৰথমতে ব্ৰাহ্মণসকলে আপত্তি কৰিছিল, 'কাটিলেক কাঠখনি বাটে দিয়া ভৰি।' (পৃষ্ঠা ৭৭) কাৰণে ব্ৰাহ্মণসকল প্ৰতিমা প্ৰতিষ্ঠানলৈ নেযায় বুলি আলোচনা কৰিছিল। কিন্তু "লোভা।বষ্ট বিপ্ৰসবক" কে কৈ আকৰ্ষণ কৰিব লাগে শংকৰদেৱে জানিছিল। গণ্ডিকে আচাৰ্য্য, কন্দলী, মিশ্ৰ, উপাধ্যায়, ভাৰতী আদিক কাবোবাক আধা তোলা, কাবোবাক এতোলা, কাকো একমাৰা আৰু কাবোবাক 'পাটভূনি কোটা দিব' (পৃষ্ঠা ৭৮) বুলি প্ৰচাৰ কৰি দিয়ালে। ব্ৰাহ্মণসকলে সন্তোষ মনেৰে আহি যোগদান কৰিলেহি। তেতিয়া শংকৰদেৱে প্ৰশ্ন কৰিছিল,

'ঈশ্বৰৰ মূৰ্ত্তি ইটো হোৱে মুহিকয়।
তাকে সৰা কৰি গতি পাৱে নপাৱয় ॥' (পৃষ্ঠা ৭৮)

ব্ৰাহ্মণসকলে উত্তৰ দি'ছিল, 'ঈশ্বৰ মূৰ্ত্তি ইটো মহন্ত থাপিত। (পৃষ্ঠা ৮০) আৰু ইয়াৰ সেৱা কৰিলেই গতি পাব। শংকৰদেৱে আনন্দ মনেৰে হৰি নাম গোৱাইছিল। বিদ্বেষী ব্ৰাহ্মণ এই দৰেই পৰাস্ত হৈছিল।

বৈষ্ণৱসকলে আন দেৱ'দৰী পূজা কৰাটো নিষেধ আছিল। কিন্তু ব্যাসকলাইৰ তিনিটাকৈ পুত্ৰ অসুখত মৃত্যু হোৱাৰ পাচত, চতুৰ্থ পুত্ৰও নবীয়াত পৰিছিল। আপোন মানুহে আলোচনা কৰি চাপৰাত দেৱতাক পূজা কৰাৰ কথা ঠিক কৰিছিল,

'পুত্ৰক জীয়াৱ হেতু হৰক পূজিল।
তথাপিতো সিটো পুত্ৰ তাহান মৰিল॥ (পৃষ্ঠা ১৪৯)

শংকৰদেৱৰ ওচৰলৈ ইয়াৰ পাচত গলত, শংকৰদেৱে, 'মহা পাপী বুলি মুখ কৰিল পাণ্ডৰ।' (পৃষ্ঠা ১৪৯) ব্যাসকলায়ে শংকৰদেৱৰ ভায়েক ৰামৰায়কো ধৰাত, ৰামৰায়ে আহি ব্যাসকলাইক ঠাই দিবলৈ খাটনি ধৰাত, ৰামৰায়ক কিবা ভেটি পালে বুলি খং কৰি পঠাই দিছিল। কৃষ্ণক ভজি আন দেৱতাক পূজা কৰিবকৈ যোৱা জনক মতাহে নেলাগে, চাবও নেপায় বুলি ব্যাসকলায়ে ৰামৰায়ৰ হাতত দিয়া পৰাচিত্তৰ টকা বাঠিটা ঘূৰাই দিছিল। কিন্তু ভক্তসকলৰ খাটনিত শংকৰদেৱে কৈছিল,

'সেই বাঠি টকা ক্ষমা কৰি লেই যেৱে।
দিবো ৰামৰায়ক ঠাই জানিবাহা তেবে॥' (পৃষ্ঠা ১৫৯)

ব্ৰাহ্মণসকলে শংকৰদেৱক অপকাৰ কৰিবলৈ বিচাৰিয়েই ফুৰিছিল। বেহাৰৰ ৰজা নৰনাৰায়ণক লগাইছিল গৈ,

'সমস্তে ৰাজ্যক নষ্ট কৰিল শংকৰ।
শূদ্ৰ হবা নমস্কাৰ লবে ব্ৰাহ্মণৰ ॥' (পৃষ্ঠা ১৬৭)

তাৰোপৰি আৰু লগাইছিল,

'কৈৱৰ্ত্ত কলিতা কোচ ব্ৰাহ্মণ সমস্ত।
একেলগে খাই কল চিৰা দুধ বস্ত ॥' (পৃষ্ঠা ১৬৮)

গতিকে এনে অনীতিৰ ৰাজ্যত যি থাকে সেই ৰজাৰ ছয়ভঙ্গ হয়। প্ৰজাৰ দুখ হয়। ৰজা নৰনাৰায়ণৰ খং উঠি শংকৰৰ চালেৰে ভৰা চাব আৰু হাতেৰে জুই পুৰাক বুলি শংকৰদেৱক ধৰি আনিবলৈ মানুহ পঠাইছিল। কিন্তু চিলাৰায়ে তাৰ আগতেই শংকৰদেৱক আনি নিজৰ চৌদত থৈছিলগৈ। ৰজাক তাৰেক চিলাৰায়ৰ তাতে শংকৰদেৱক বাধা বুলি কোৱাত, ৰজাই,

'শুনো শংকৰৰ গীত কবিত্তা বিস্তৰ।
কিমত কবিত্তা চয় দেখো শংকৰৰ ॥' (পৃষ্ঠা ১৭১)

বুলি কৈ পঠাইছিল। চিলাৰায়ে তেওঁ শংকৰদেৱক কৈছিল যে ৰজাই কিবা অন্যায় কৰাৰ কাৰণে ভয় কৰিব নেলাগে, তেওঁ আছে। কিন্তু 'ব্ৰাহ্মণ পণ্ডিতসৱক লাগি মোক বুদ্ধি নাই।' (পৃষ্ঠা ১৭২)

শংকৰদেৱে ৰাজসভাৰ সাত খলপা চিৰিত উঠি যাওঁতেই, চিৰিৰ প্ৰতি চাপতে উঠোঁতে শংকৰদেৱে 'মধু দানৱ দাৰণ দেৱ বৰং' স্তোত্ৰ এটি নিজে ৰচনা কৰি ৰজাৰ প্ৰশংস্ত গাই গৈ ৰজাৰ ওচৰত উপস্থিত হলত, ৰজাই মনতে, 'মানুহৰ শকতি মুকিকে শংকৰৰ।' (পৃষ্ঠা ১৭৩) ঈশ্বৰৰ শকতিহে শংকৰৰ গাত আছে বুলি ভাবিবলৈ বাধ্য হৈছিল। শংকৰদেৱক শাস্তি দিবলৈ অনা, শংকৰৰ গুণত ৰজা মুগ্ধ হৈ ৰাজসভাত কথালি দিবৰ কাৰণহে আদেশ দিছিল। শংকৰদেৱৰ পাণ্ডিত্যত ব্ৰাহ্মণসকল জয় পৰিছিল যদিও হিংসাৰ ভাব আছিল, শংকৰদেৱৰ দোষ উলিয়াবলৈ ছল বিচাৰিয়েই ফুৰিছিল। ৰজাই শংকৰদেৱৰ পাণ্ডিত্যত বিস্ময় হৈ 'মনুষ্য নহয় এও মনত মানিলা' (পৃষ্ঠা ১৭৭), 'সোণাৰ পাখৰা' (পৃষ্ঠা ১৭৮) এক আৰু দপন। দি সন্মান কৰিছিল। ইকালে ব্ৰাহ্মণসকলৰ জীৱিকাৰ পথ বন্ধ হয় বুলি ৰাজসভাৰ পৰা গৃহ অভিমুখে গৈ থকা শংকৰদেৱক বাটতে দল কৰি দুই হাতে দণ্ডত ধৰি ব্ৰাহ্মণসকলে কৈছিল,

'দেওঁ আশীৰ্ব্বাদ হৌক তোমাৰ কুশল।
ব্ৰাহ্মণৰ জীৱিকাক নকৰিবা ছয়।' (পৃষ্ঠা ১৭৮)

কিন্তু শংকৰদেৱেও উত্তৰ দিছিল,

'কিন্তু তোৰা ভকতিক বিলক্ষ আচৰা।
নিষ্ট কৰি বোলো তেবে বাজিবো আমৰা।' (পৃষ্ঠা ১৭৯)

শংকৰদেৱে যেনে দৰে বিদ্বেষী ব্ৰাহ্মণৰ অত্যাচাৰ সহ্য কৰিব লগা হৈছিল, মাধৱদেৱো বিদ্বেষী ব্ৰাহ্মণৰ কোপৰ কবলত পৰিছিল। চিলাৰায়ৰ পুতেক ৰঘুদেৱক ব্ৰাহ্মণসকলে লগাইছিল,

'শূদ্ৰ এক গোট আছে মাধৱ নামত।
অনাচাৰ কৰি নষ্ট কৰিলে জগত ॥' (পৃষ্ঠা ৩২১)

ৰঘুদেৱে সুৱানন্দ নামে এজন মানুহ পঠাইছিল মাধৱদেৱক ধৰি আনিবলৈ। সুৱানন্দই চল বুদ্ধি কৰি মাধৱদেৱ আৰু ভকতসকলক বন্দী কৰি লৈ আহিছিল। ব্ৰাহ্মণৰ বিদ্বেষী কথাত এই দৰে মাধৱদেৱ আৰু ভকতসকলৰ লাঞ্ছনা হৈছিল আৰু ৰঘুদেৱৰ বন্দী হৈ থাকিব লগা হৈছিল। (পৃষ্ঠা ৩২১-২৬)

ব্ৰাহ্মণৰ লগনীযা কথা, নানা দৌৰাত্ম্য নিন্দাসূচক ব্যৱহাৰ আদিৰ কাৰণে মাধৱদেৱেও নানা ঠাইত ঘূৰি ফুৰিব লগা হৈছিল। কামৰূপৰ হাজোত থকা হয়গ্ৰীৱ মাধৱৰ ঠাইত মাধৱদেৱ থাকোতে, 'জীয়া মাধৱ', 'মৰা মাধৱ'ৰ দৰে কথা উলিয়াইছিল। (পৃষ্ঠা ৩৩২) সেই ঠাইৰ পৰা মাধৱদেৱ আতৰি পুনৰ বেহাৰলৈ যাবলৈ ওলাইছিল। নাৱেদি লুইতত গৈ মন দিয়া ঘাটত বৈ ৰামচৰণ ঠাকুৰক মাতি আনি মাধৱদেৱে কৈছিল,

'ভকতক বেধ বোপা কৰে যি দেশত।
জানিবা না-থাকি পাৰে মানে সিদেশত ॥
এতেকে আমৰা আৰো নথাকো ই ঠাই।
বেহাৰক যাওঁ তই থাকিবি বোপ ই ॥" (পৃষ্ঠা ৩৩২)

মাধৱদেৱ বেহাৰ পৈ পোৱাৰ পাচত বীৰ নাৰায়ণ ৰাজকুমাৰ, ৰাজমাত্ৰ, আই থাই, ৰজাৰ মহিষী, কুমাৰ কুমাৰী আৰু অনেক লোকে মাধৱদেৱক গুৰু মানি শৰণ লৈছিল। (পৃষ্ঠা ৩৩১) ইয়াৰ বাহিৰে কোচ, মেচ যত আছিলে, তেওঁলোকৰ যত অসৎ আচৰণ আছিল, এৰি মাধৱদেৱৰ উপদেশত সদাচাৰী হৈ বৈষ্ণৱ ধৰ্ম

গ্ৰহণ কৰিছিল। ইয়াৰ পৰা বেহাৰত বৈষ্ণৱ ধৰ্মৰ কিমান প্ৰভাৱ হৈছিল সেই কথা জানিব পৰা যায়।

মাধৱদেৱৰ বেহাৰত থকা অৱস্থাতে মথুৰা দাসক বৰপেটা থানৰ দায়িত্ব দিছিল,

'সত্ৰ সত্ৰ সিটো থান মথুৰা নেৰিবা।
মোহোৰ প্ৰসাদে তুমি ভয় নকৰিবা ॥' (পৃষ্ঠা ৩৩৫)

মাধৱদেৱৰ ভেটিয়া শংকৰদেৱৰ পুত্ৰ হৰিচৰণ আৰু নহলে মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণকে আগত থৈ কীৰ্ত্তন গাবলৈ কৈছিল।

ভকতৰ কোনো সৰু বৰ নাই। মাধৱদেৱৰ গুচৰলৈ আই ধায়ে ভকতসকলক দিবৰ বাবে কাপোৰ পঠাইছিল। কিন্তু সেই কাপোৰৰ ভিতৰত ভকতসকলক দিবৰ বৈষম্য থকাৰ কাৰণে মাধৱদেৱৰ খং উঠিছিল। মাধৱদেৱে আই ধাইলৈ কৈ পঠাইছিল—কোন ভকত ডাঙৰ, কোন ভকত সৰু তেখেতে চিনি নেপায়। গতিকে আইধায়েই যেন ভকতক কাপোৰ ভগাই দিয়েহি, নহলে কাপোৰ ঘূৰাই লৈ যাওক। আইধায়ে কথাটো গম পাই সকলোলৈকে সমান কাপোৰ পঠাই দিছিল। মাধৱদেৱে কৈছিল,

'যাৰ থাকে টকা কড়ি বিত্তৰ নিশ্চয়।
চতুৰালি কৰি কথা কহিবে জানয় ॥
সেহি বৰ ভকত মানিল তান মনে।
নাই টকা কৰি সিটো মাত্তিবে নজানে ॥
সি জানিবা ছোট ভকত হয় তান মান।
ৰাম ৰাম ইটো কি বচন বৰ টান ॥ (পৃষ্ঠা ৩৪৮)

মাধৱদেৱ বেহাৰত থাকোতেই বীৰ কাজীয়ে পিতৃ শ্ৰাদ্ধ কৰিছিল। বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ কাৰণে মাধৱোৱা নক্তৰ পুত্ৰক দুজনে আহত নেখাইছিল তাতে বীৰ কাজীক খং উঠি,

'বোলয় ৰাজাৰ দূৰ কৰোঁ মাধৱক।
কৰিলেক নষ্ট ইটো সমস্তে ৰাজাক ॥' (পৃষ্ঠা ৩৬২)

বঙ্গদেশী মাধৱ একজন মাত্তি আনি, মাধৱদেৱক সভাই নিসভা কৰিছিল। অনেক ব্ৰাহ্মণো সেই সভালৈ গৈছিল। বীৰ কাজীয়ে বঙ্গদেশী মাধৱক দেখুৱাই কৈছিল যে সোৱা তেওঁৰ মিত্ৰ। তেওঁৰ প্ৰসাদতহে বিত্ত লাভ কৰিলে। তাৰ পাচত

মালাৰ 'মেক' থকা নথকা লৈ তর্ক আৰম্ভ হৈছিল। সভাত থকা ব্ৰাহ্মণসকলেও তৰ্কত ভাগ লৈছিল। মহেশক জড় নে চেতন বুলি ভাবে বুলি প্রশ্ন কৰাত, মাধৱদেৱে, 'জানিবা জড় চৈতন্য মোহন্ত।' (পৃষ্ঠা ৩৬৫) বুলি কৈছিল লগতে ইয়াকো কৈছিল,

'বিষ্ণু বেসে জানা মোক্ষ দিবে অধিকাৰ।
বিষ্ণু বিনে মোক্ষ দাতা নাহিকয় আন ॥ (পৃষ্ঠা ৩৬৬)

কথাৰ লগে লগে ব্ৰাহ্মণসকল জকি উঠিছিল মহেশক নেমানে বুলি। মাধৱদেৱেও ভাগৱতৰ দশম স্কন্ধত মুচুকুণ্ড ৰজাৰ কাহিনীৰে উত্তৰ দিছিল। বীক কাৰ্জী খঙত জ্বলি, মুৰ জোকাৰি জোকাৰি কবলৈ ধৰিছিল,

সবে ৰাজ্য নষ্ট তোৰা সকলে কৰিলা।
যত ধৰ্ম্ম থানে সবাকে খণ্ডিলা ॥' (পৃষ্ঠা ৩৬৭)

ব্ৰাহ্মণসকলে চলেই পাইছিল আৰু মাধৱদেৱক সেই ঠাইৰ পৰা উঠি যাবলৈ কৈছিল কিন্তু মাধৱদেৱে বীক কাৰ্জীক কৈছিল,

'আমি পৰদেশী নাথাকিবো ইটো ঠাই ॥
নৃপতি থাকন্তে তুমি নপাৰা খেদাইতে।' (পৃষ্ঠা ৩৬৭)

শেষত মাধৱদেৱে নানা শাস্ত্ৰৰ পৰা উদ্ধৃতি দি তর্ক কৰিবলৈ লৈছিল। তেতিয়া ব্ৰাহ্মণসকলে পৰাজয় স্বীকাৰ কৰিব লগা হৈছিল। মাধৱদেৱে কৈছিল, আক্ষেপ কৰি যে কামৰূপৰ পৰা আতৰি বেহাৰ পাইছিলহি দুর্জন লোকৰ উপদ্ৰৱত। কিন্তু বেহাৰতো আহি তাকেই পালেহি,

'সি ৰাজ্যক এৰি আহিলো দুর্জনৰ ভৱে।
সেহিটো দুর্জনে এতো উপদ্ৰৱ কাৰে ॥' (পৃষ্ঠা ৩৬৯)

বীক কাৰ্জীয়ে ৰজাৰো ওচৰত মাধৱদেৱৰ নামত খল দিছিলগৈ। ৰজাই পশ্চিমৰ পণ্ডিতক লৈ মাধৱদেৱক নানা প্ৰশ্ন কৰিছিল। কিন্তু মাধৱদেৱৰ পাণ্ডিত্যত ৰজা সন্তুষ্ট হৈ,

'আজি হন্ত প্ৰবৰ্ত্তাক মত মাধৱে।
আগৰ মত সবে মানে দূৰ কৰ।
জানিলোহো মহা তত্ত্ব মত মাধৱৰ।' (পৃষ্ঠা ৩৭২)

বুলি আদেশ দিছিল। মাধৱদেৱক গুৱা পান দি আদৰ সম্ভাষণ জনাইছিল। দেশত বৈষ্ণৱ ধৰ্ম প্ৰচলন হৈছিল আৰু সকলো বৈষ্ণৱ ভকতৰ মনত বৰ আনন্দ হৈছিল।

নানা বিৰোধ, প্ৰতিকূল অৱস্থাৰ মাজতো শংকৰদেৱ আৰু মাধৱদেৱে অসম, কামৰূপ আৰু বেহাৰত এটা সুন্দৰ ধৰ্মীয় পৰিবেশ গঢ়ি তুলিব পাৰিছিল।

(১০) গুৰু-চৰিত কথা

'গুৰু চৰিত কথা' অসমৰ মধ্য যুগত ৰচনা হোৱা চৰিত পুথিসমূহৰ ভিতৰতে বিস্তৃত বৰ্ণনা থকা চৰিত গ্ৰন্থ। অসমৰ ধৰ্ম জীৱন, ধৰ্মীয় পৰিবেশৰ বিষদ বিৱৰণ এই চৰিত গ্ৰন্থখনিত আছে। অসমৰ বৈষ্ণৱ সাম্প্ৰদায়ে কি পৰিবেশত, কি ধৈৰ্য্যৰে নিজ মতত প্ৰতিষ্ঠিত আছিল সেই সম্বন্ধে সুন্দৰ বৰ্ণনা আছে।

প্ৰাচীন কামৰূপৰ শৈৱ ধৰ্ম অতি পুৰণি প্ৰচলিত ধৰ্ম আছিল। শংকৰদেৱৰ পিতৃ কুসুম্বৰে সিংগৰিৰ গোপেশ্বৰ সদাশিৱক গৈ ছুতাৰ মান কৰাইছিল পুত্ৰ আশাত। (পৃষ্ঠা ১৩) শংকৰৰ বৰত জন্ম লাভ কৰাৰ কাৰণেই কুসুমদেৱে পুত্ৰেকৰ নাম থৈছিল শংকৰ। "গণি চাই নাম দিলে কোটিত গঙ্গাধৰ। পিতৃদত্ত শঙ্কৰ দাতা এৰ দেখি শঙ্কৰ।" (পৃষ্ঠা ১৭)

ৰজা বিশ্বসিংহক শিৱ ঔৰস প্ৰসূত বুলি আৰু তেওঁৰ বংশক শিৱ বংশী বুলি ব্ৰাহ্মণসকলে তেওঁলোকক শৈৱ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত কৰিবলৈ যত্ন কৰা যেন লাগে। (পৃষ্ঠা ভূমিকা ১১৩)

মহাপুৰুষ শংকৰদেৱৰ সময়ত দেৱী পূজাৰ লগতে শিৱ পূজাৰো প্ৰচলন আছিল। অনন্ত কন্দলীয়ে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ আগতে শিৱ ভক্ত আছিল। ইয়াৰোপৰি দেশত শাক্ত ধৰ্মৰো যথেষ্ট প্ৰভাৱ আছিল। স্বয়ং মাধৱদেৱেই শংকৰদেৱক লগ পোৱাৰ আগলৈকে ঘোৰ দেৱী উপাসক আছিল, বলি বিধানত বিশ্বাস আছিল। (পৃষ্ঠা ভূমিকা ১১৩)

শংকৰদেৱে ছাত্ৰ অৱস্থাত শিক্ষক মহেন্দ্ৰ কন্দলীয়ে, 'বোলে তেকাশিৱে দুৰ্গাৰ কিছু আহ্নিক শিখাঞ্চ' (পৃষ্ঠা ২৩) বুলিছিল। কিন্তু শংকৰ কৃষ্ণ ভৱ শিকাৰ কথাহে কৈছিল। "নিমিকো কৃষ্ণভক্তক বিনা : তুলসি পাতেৰেই সন্তোষ আমাৰ পূজিবৰ শক্তিও নাই :" (পৃষ্ঠা ২৩)

শংকৰদেৱৰ উপৰি পুৰুষসকলৰ এজন লম্ভাবৰ চণ্ডীদেৱীক আৰাধনা কৰি পুত্ৰ সন্তান লাভ কৰিছিল কাৰণে পুত্ৰৰ নাম ৰাখিছিল চণ্ডীবৰ।

"চণ্ডীদাতা দেখি চণ্ডীবৰ।" (পৃষ্ঠা ৭)

কমতাপুৰৰ ৰজা আৰু গৌড় দেশৰ ৰজাৰ মাজত যি যুদ্ধ লাগিছিল, কোনেও কাকো বলে নোৱাৰা কাৰণে দুৰ্গাদেৱীয়েই সপোনত মিত্ৰ হোৱাৰ উপায় দিছিল। "জি দেশক লাগি যুঝ সবে প্ৰাণী মৰিল শাবে ৰাজ জমি তুঙ্গ জই পৰাজয় কেহো কাকো নপৰাহক মোৰ বাক্যে যুদ্ধ এৰি মিত্ৰৰতি হ" (পৃষ্ঠা ৮)

চণ্ডীবৰে দেবী পূজা কৰি, 'দুৰ্গাক সাক্ষাত কৰে পূজাত' (পৃষ্ঠা ৮) কাৰণে চণ্ডীবৰৰ আন এটা নাম "দেবীদাস" আছিল।

শংকৰদেৱ প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ পৰা অহাৰ পাচত চিহ্নযাত্ৰাৰ অভিনয় চাই সকলো মুগ্ধ হৈছিল। ব্ৰাহ্মণসবলে 'মহিমা ঈশ্বৰ শক্তি দেখি শৰণ লবলৈ খেলে এবাৰ নোৱাৰি গুৰুজনে বোলে দেবী দুৰ্গা সেৱা পূজা এৰিলেহে ই বস্তুত বৰ পাৰি দিবও পাই' (পৃষ্ঠা ৩২) দেশত দুৰ্গা পূজাৰ প্ৰচলন থকাৰ কথা জনা যায়।

বৈষ্ণৱসকলৰ কাৰণে তুলসীৰ মাহাত্ম্য অপাৰ। শংকৰদেৱে মহেন্দ্ৰ কন্দলীক তুলসীৰ পাতেৰে কৃষ্ণ তুষ্ট বুলি কৃষ্ণ নাম শিকাবলৈ কৈছিল (পৃষ্ঠা ২৩) আনহাতে স্বৰূপৰ পৰিনাতি তুলসীৰামৰ শ্বেতৰোগ হোৱাত শংকৰদেৱে উপদেশ দিছিল, "এস তুলসী কই নাম গোৱাগৈ. আন বস্ত্ৰ দিব ঈশ্বৰে।" (পৃষ্ঠা ৩৮)

দুৰ্লভ নাৰায়ণৰ দিনত দেবী পূজাৰ নামত নৰ বলি দিয়াও হৈছিল তাৰ কথাও পোৱা যায়। গৰখীয়া লৰাই লৰা খেমালীতে দেবীৰ নামত "মাটিৰ দুৰ্গা সাজি কৰিল কাটি বলি দি পূজে নিতে" গা পাতি লৰা কৰিল দিএ চেচুৰে চেকণি কুদা পুতি কাটে পাচে এটা লৰা নাপালে দুই তিনি লৰা বলে ধৰি আচাৰিত ডিঙি সুমাই চেচুৰে বেপ মাইলে সেটে চেদ হল : দেবী লৰাৰ পূজাতে চৈতন্য হৈ লগে ॥" (পৃষ্ঠা ৪০)

শংকৰদেৱক লগ পোৱাৰ আগলৈকে স্বয়ং মাধৱদেৱ দেবী উপাসক আছিল। মাকৰ টান নৰীয়াৰ খবৰ পাই মাধৱদেৱে, খোসানিলৈ এজোৰ পাঠা আনি বোলে "জেন মাতৃক দেখোগৈ।" (পৃষ্ঠা ৫৫) কিন্তু পাঠা আনিবলৈ দিয়া ভনি জোৱায়েকে পাঠা ননাত মাধৱদেৱে দপদপাইছিল, তেতিয়া ভনি জোৱায়েকে

কৈছিল যে তেওঁৰ আগত কে বৰ খং কৰি দেখুৱাইছে, শত্ৰুৰ ওচৰত লোট গোট হব। 'দেৱীকনো কোনে কেনেকৈ খণ্ডে চাঞ জাব স্থিতি মায়া (ক-ত্ৰম্নাকৰ পৰা নাই)' (পৃষ্ঠা ৫৬) বুলি শঙ্কৰদেৱৰ লগত মাধৱদেৱে তৰ্ক কৰিবলৈ ওলাইছিল।

শংকৰদেৱৰ লগত চৰি কীৰ্তনত বহা ভক্তসকল নামৰ মাহাত্ম্যত ইমানেই মাজে মাজে মজি গৈছিল যে তেওঁলোকৰ মাজৰ কোনো কোনো জনৰ আত্ম বিলাপ ঘটিছিল। ৰামদাস আতৈয়ে, প্ৰহ্লাদ চৰিত্ৰৰ পদ গাই থাকোতে, ইমান আপোন পাহৰা হৈ পৰিছিল যে 'যেতিয়া হাতে গলে বান্ধি অগ্নিত পেলাই, এই পদ মাতি প্ৰেমে ঋষি ঝাপ মাৰি পৈল গুৰু বোলে ধৰা ধৰা।' (পৃষ্ঠা ৬১) আন এদিন তেনেকৈ ৰামৰাম গুৰু ওৰা গাইছিল কংস বধৰ পদ, "কুবলয়ৰ দন্ত উভৰা পদ মাতিএ কীৰ্তন গৃহৰ টুপৰ খটাটো উৎপাতি লৈ ফুৰিলে তিনি পাক গুৰু বোলে ধৰা ধৰা প্ৰেমৎ লৈছে।' (পৃষ্ঠা ৬২) তেন দৰে আন এদিন কীৰ্তন কৰি থাকোতে মহাবাসৰ দশমৰ পদ গাই, "বৃন্দ সৰ্ব্বশ্ৰেষ্ঠ আতৈ প্ৰেম বসে মজি দেহা পাসৰি মৌন ভক্তি যোগৰ খেলাত আছে। খুদ্ৰ শৌচ গল : প্ৰষ্টা নাপালে কঠৰ তলে গৈ থাপে তোল্লা বান্ধি আছে।' (পৃষ্ঠা ৬৪) এনে উদাহৰণ আৰু অনেক আছে যাৰ যোগেদি ভক্ত প্ৰাণ বৈষ্ণৱসকলৰ প্ৰকৃত জীৱন চিত্ৰ পাব পাৰি।

অসমত যোগ নাম লোৱা অৰ্থাৎ চৈতন্যপন্থী লোকো শংকৰ মাধৱৰ দিনত আছিল। ভৱানন্দই যোগ নাম লবলৈ দিহা কৰিছিল, কিন্তু উচিত সময়ত শংকৰদেৱৰ সম্ভেদ পাই শংকৰদেৱৰ শৰণ লৈ ভৱানন্দ নাৰায়ণ দাস হৈছিল। (পৃষ্ঠা ১৪-১১) শঙ্কৰদেৱে ভৱানন্দক কৈছিল, "তোমাক দেখি চাৰি বেদৰ সাৰ চাৰি বস্তুৰে পৰম মঙ্গল নাৰায়ণ নাম উচাৰ কৰা : এতেকে তিনি পূৰ্ব্বক্ৰম তবকৈ সম্পূৰ্ণ নাৰায়ণ দাস নাম থাকক কিন্তু।" (পৃষ্ঠা ১১)

দেৱী উপাসকসকলৰ কি দশা হৈছিল তাৰ বিৱৰণো আছে। এদিন মনদিয়া হাটৰ আহত গছৰ তলত পোহাৰি মেৰত এজন মানুহ শুই থাকোতেই, 'মা কৰৈ তোৰ হাত আনো কাগনি সাৰা।' (পৃষ্ঠা ১৯) বুলি কৰ নোৱাৰাকৈ কৈ আছিল। নাৰায়ণ দাসে কথাটো মন কৰি মানুহজন সৰি পালত কথাটো কি সুধিছিল। তেতিয়া তেওঁ কৈছিল যে তেওঁ চণ্ডীদেৱীৰ পূজক। "পূজা সেৱাতে সকলো গো মহ দাস দাসী হাত শোচৰ জাগি আইল দৰিদ্ৰ দন্দু। এতিয়া নৰনিৰে চিৰ দি শাৰ কাধিৰ সাবুকেৰ ধৰি দিঞ। তাকে সম্পৰ্কলগে মেৰাই ধৰি যাই। এতিয়া পিও নাই শুখাই এনে চল শৰীৰ। তেঞ চন্দু মপাৰকে

মুখাক মুদিলেই দিঠকৎ ধৰাদি দেখে ধৰেহি" (পৃষ্ঠা ৭৯) নেতিয়া নাৰায়ণ দাসে প্ৰশ্ন কৰিছিল যে কি কৈ দেবীৰ হাত সাবো বুলিছিল, কথাষাৰ সঁচানে ? তেতিয়া মানুহ জনে সঁচা বুলি কলত চাৰিওফালে চাৰিটা খুটি মাৰি প্ৰমাণ পাব বুলি কৈ উঠি গৈছিল, যদি প্ৰমাণ পায় তেনেহলে শংকৰদেৱে চুন পৰাতে বৈহি তালৈকে যাব। তেহে দেবী ওচৰ চাপিব নোৱাৰি আতৰি গুচি গল। ইয়াতে বৈষ্ণব ভক্তৰ মাহাত্ম্য দেখুৱাইছে, ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে।

গোবিন্দ আতৈ শংকৰদেৱৰ ওচৰত শৰণ লবলৈ আহোতে শংকৰদেৱে নিজ মুখে কৈছিল, 'কৃষ্ণে বুলিছে মোৰ ভকত থাকে জত উদাৰ চৰিত্ৰ : কীট পতঙ্গকো তথা কৰয় পবিত্ৰ ॥ এ উলুৱানিতো পদ্ম ফুলিচেহি' (পৃষ্ঠা ৮০) শংকৰদেৱে ভকতক শ্ৰেষ্ঠ বুলি ভাবিছিল।

শংকৰ-মাধৱক প্ৰমুখ্য কৰি বৈষ্ণৱসকলে প্ৰধানকৈ ব্ৰাহ্মণসকলৰ পৰা প্ৰধান বিৰোধীতা পাইছিল। বৈষ্ণৱ প্ৰভাৱ বাঢ়ি অহাৰ লগে লগে নানা লোক শংকৰদেৱত শৰণ লৈছিলহি। গুৰু মানিছিলহি। বুঢ়া দলৈৰ ভায়েক শংকৰদেৱৰ ওচৰলৈ অহা যোৱা কৰিবলৈ ধৰাত, ককায়েক বুঢ়া দলৈয়ে 'ঘৰে নাথাই নকৰে বৈৰাগ্য, কৈ গুৰু ভকতৰ সঙ্গত ফুৰে তাকে শুনি তেঞ গৰ্জি বোলে মোৰ ভাইক জি ভকত কৈ বলিয়া কৰিছে তাৰো সাজ কৰিম : ই কি পাইচে তাৰো জেব্দা মাৰিম।" (পৃষ্ঠা ১১২) মাধৱদেৱক নামৰ সভাত লগ পাই বুঢ়া দলৈয়ে টাঙোন লৈ মাৰিবলৈ গৈছিল। মাধৱদেৱে সকলো সহ্য কৰি মুখেৰেও নেমাতি মনে মনে বৈছিল। শেষত বুঢ়া দলৈয়ে, 'অত গালি পাৰিচো মই. তেওঁ ৰামকে বোলা নাই. আৱাই ঈশ্বৰ মইহে মহাপাপী' (পৃষ্ঠা ১১৩) বুলি শৰণ লবলৈ অনেক স্তুতিনতি কৰিছিল। মাধৱদেৱে শংকৰদেৱৰ ওচৰলৈ পঠাই দিছিল। ভক্তসকলক মাধৱদেৱে কৈছিল, সহিলে সম্পদ আৰু নসহিলে আপদ পাই বুলি। বৈষ্ণৱসকলৰ ধৈৰ্য্য অসীম আছিল।

ভক্তসকলৰ শংকৰদেৱৰ প্ৰতি অতি আনুগত্য আছিল। ৰামৰাম গুৰুৱে ৰামনামত পৰমভক্ত বহুত বস্তুটি গ্ৰহণ কৰাৰ পাচত শয্যাত টোপনি যাব বুলি আৰু টোপনি গলে ৰাম নাম লোৱাত ব্যাঘাত হয় বুলি, বিচনাখনকে খলা বমা কৰি লৈছিল। কিন্তু গুৰুৱে বিচনাখন সমান কৰি দিয়াত মেউতাকৰ তালকৈ টোপনি অহাত, 'মোৰ আজিএ গুৰু বাক্য লৈল :' (পৃষ্ঠা ১১৮) বুলি গুৰুৰক বিচনাখন আগৰ দৰে কৰি দিবলৈ কৈছিল।

বিষকলাইৰ পুত্ৰ দুজন ৰণত হৈ মৰাত তৃতীয় পুত্ৰবো কিবা হয় বুলি ঘৈণীয়েকে পাৰ এজোৰ উৰাইছিল। বিষকলায়ে একো নকৰাৰ কাৰণে। কিন্তু ৰসন্ত ওলোৱা পুত্ৰকে, মাক-দেউতাক দুয়ো গুৰু ধৰ্মৰ বাজ হল, ভিতৰত মৰা উচিত নহয় বুলি ঘৰৰ বাহিৰ'ল চুচৰি গৈ বাহিৰত থৈছিলগৈ। (পৃষ্ঠা ১২০) শংকৰদেৱে কথাটো গম পাই কৈছিল যে বিষকলাইৰ পুত্ৰক জগদানন্দ মৰা নাই তেওঁৰ হৃদয়তে আছে, বিষকলাইহে মৰিল। কাৰণ বৈষ্ণৱ হৈ পাৰ উৰাবলৈ দিয়াত শংকৰদেৱে দায় ধৰিছিল। ৰামৰায়ৰ হাতত তিনিকুৰি টকা পঠাই দায় এৰাবলৈ কোৰাটো শংকৰদেৱে দায় লৈছিল। শেষত বিষকলাই জগন্নাথলৈ গৈছিলগৈ। কিন্তু জগন্নাথ পাবলৈ এদিনৰ বাট থাকোতে তালৈকো নেযাবলৈ সপোনত আদেশ পাইছিল। পণ্ডিতকে, 'কতো দিন অন্তে দুখ তুমি শৰীৰ পৰিল একোএ দুচুলে নেথালে : তেনেই অহি থহি গল : পথকৰা শিশবাও মাটি ছুতুলিলে : জাত্ৰা এ পথ এৰি প্ৰহৰ আতৰিছে গল' (পৃষ্ঠা ১২১) এয়া ধৰ্মৰ দ্ৰোহীৰ দুৰৱস্থাৰ নমুনা।

বেহাৰৰ ৰজা নৰনাৰায়ণৰ ৰাজসভাত অনেক তান্ত্ৰিক, শাক্ত ব্ৰাহ্মণ আছিল। ব্ৰাহ্মণসকলে সদায় শংকৰদেৱৰ ওপৰত দোষ জাপি দিবলৈ সুযোগ বিচাৰিয়েই আছিল। ৰজা নৰনাৰায়ণকো শংকৰ বিদ্বেষী ব্ৰাহ্মণসকলে খল দিছিলগৈ, "শংকৰে কাকো নমানে দেউদেৱী শ্ৰাদ্ধ বিধি : মূৰ্ত্তি পানিত পেলাই : ভাগৱত ভাঙি পদ কৰে : ব্ৰাহ্মণ গঙ্গা গীতা তুলসী শালগ্ৰাম নমানে সুপুজ : ব্ৰাহ্মণ কৈবৰ্ত্ত মৈৰজ কোচ শূদ্ৰ সবে ভজাই : একত্ৰে খাই : কুলশীল ধৰ্ম বেদনীতি এৰি একত্ৰাই দেশ গোটে তোমাৰ অনাচাৰি কৈলে :' (পৃষ্ঠা ১৪৮) ৰজাই শুনাৰ লগে লগে, 'মোৰ দেশত মই থকাত এনে কৰে : সৱ গৰমদি গৈ ধৰি আন :' (পৃষ্ঠা ১৪৮) বুলি আদেশ দিছিল।

শংকৰদেৱক নেপাই, শংকৰদেৱৰ ভক্ত গোকুলচান্দ আৰু নাৰায়ণ দাসক ধৰি আনি, শংকৰদেৱৰ বাতৰি লবলৈ নানা শাস্তি কৰিছিল। কেৱল হৰি নাম লোৱাৰ বাহিৰে কোনো কথাই দুয়ো কনে নোকোৱাত বন্দী কৰি থবলৈ দিছিল। হৰিনাৰ ৰবে মহা দুই মানুহটোৰেও দেখি আচৰিত হৈছিল, "হৰিনাৰ আগতে হুপাটিয়া লোহা ঠনবাই চিপি গৈল : সি বিষই কিন্তি হৈ গৰ মাৰি বজাত কলেগৈ" (পৃষ্ঠা ১৪৯) ৰজাই গোকুলচান্দ আৰু নাৰায়ণ দাসক তোলক বেচিবলৈ আদেশ দিছিল। কিন্তু বৈষ্ণৱৰ যি মাহাত্ম্য তোতে গম পালে, তাৰ

পৰা ভোটেও ভেওঁলাকক এৰি গুচি গৈছিল "ই তুই দেৱমানুহ নলাগে আমাক" (পৃষ্ঠা ১৫১) বুলি।

পুনৰবাৰ ব্ৰাহ্মণ শংকৰদেৱৰ নামত বেগাৰৰ বজাক খল্ দিছিল দেশৰ বেদ ধৰ্ম সকলো শংকৰে নষ্ট কৰিলে বুলি। এইবাৰ শংকৰদেৱৰ ওপৰত ইমান খং উঠিছিল যে তেওঁ কৈছিল, 'শিৰাৰ পগাই বল ইয়াৰ পালে চালেৰে দামা চাম : হাবেৰে বাম শংকৰৰ' (পৃষ্ঠা ১৫৩)

নৰনাৰায়ণৰ ৰাজ সভালৈ শংকৰদেৱ উপস্থিত হোৱাৰ পাচত ব্ৰাহ্মণসকলে শংকৰদেৱক লঘু কৰিবলৈ বিচাৰিছিল। কিন্তু শেষত নিজেই হে লঘু হৈছিল। (পৃষ্ঠা ১৫৫-৫৯)

দেশত চৈতন্যপন্থী লোক থকাৰ আৰু কথা পোৱা যায়। গোপাল আতাই বৰপেটাৰ তাঁতী কুচিত ঘৰবাৰী কৰাৰ সময়ত 'বঙ্গদেশী চৈতনিয়া মতে নাম মন্ত্ৰলৈ গ্ৰামৰ লোক অ'ঠাৰ জনে দৈতে ৰামায়ণ গাই ফুৰে আত (পৃষ্ঠা ২১৯) এদিন মনথৰ ঠাকুৰ আতাৰ বাটগৃহত এনে দৰে গাই থাকোতে কি পুথি, কি কথা ভু লওতে একো কব নোৱাৰি এঠাইত পাই গাইছে বোলাত মাধৱদেৱৰ ওচৰত উপস্থিত কৰালে গৈ। মাধৱদেৱৰ লগত কথা বতৰা হৈ, "তোম্রাই বিশিষ্ট গুৰু আমাৰ তোম্রান্ত নিচই পৈল দাস ভৃত্য কিংকৰকৈ চৰণে চপাই লব লাগে আৰু" (২২০) বুলিছিল।

চৰিত পুথিখনিৰ আৰম্ভণীৰ পৰা শেষলৈকে শংকৰদেৱ, মাধৱদেৱ আৰু আন কেৱেজন আতাই কোনো কথা ভকতক বুজাবলৈ হলে আহি কৈছিল। দৃষ্টান্ত দি বুজাইছিল ফলত ভকতসকলে গধুৰ কথাও বুজাত সহজ হৈছিল, সেই কথা স্পষ্ট হৈ পৰিছে।

শংকৰদেৱে প্ৰবৰ্ত্তন কৰা, প্ৰসাৰ আৰু জনপ্ৰিয়তাত মাধৱদেৱে বৰঙণি যোগোৱা বৈষ্ণৱ ধৰ্মই জনসাধাৰণৰ মনত কেনেকুৱা শান্তি দিছিল, মন ভগৱৎ মুখী কৰিছিল সেই কথা চৰিতখনিত আদিৰ পৰা অন্তলৈকে আছে। সংসাৰী জনেও সংসাৰৰ জঞ্জালাত অতিষ্ঠ হৈ এখন্তেক শংকৰদেৱ মাধৱদেৱে কৰা নাম কীৰ্ত্তনত যোগ দি বিমল আনন্দ পাইছিল, তেওঁসকলৰ ওচৰত শৰণ লৈছিল। দৃষ্টান্ত চৰিতখনিত অনেক আছে। আনকি ৰাজ বিষয়াও, 'চৰ বিসই এৰি আহি তুখকৈ প্ৰবৰ্ত্তি (৯০) গুৰুভকতক সদা শুশ্ৰূষা কৰি একচিত্তে নাম গালে আতাৰ সঙ্গে।' (পৃষ্ঠা ২৫৭)

বিষয়ীজনে ধৰ্ম ধৰিবলৈ আহিলে মাধৱদেৱে নানা ধৰণে পৰীক্ষা কৰিছিল, 'তোমৰা আচা গৰ্ব্ব পৰ্বতত উঠি : আৰু শ্ৰীব্যাধিএ অন্ধকৈ থৈছে ।। আমাৰ জি ধৰ্ম্ম দখিচা ই পিতৃ মাতৃ এৰা ধৰ্ম্ম আৰু উশৃত উথৰা ভূমিত জল নৰই দ চৌটত হে ৰাগৰি বই : সক হৈ হে সৰকিব পাৰি " (পৃষ্ঠা ২৫৭-৫৮) ইত্যাদি কৈ। যদি সকলো মানিবলৈ ৰাজী আছিল আৰু মনৰ দৃঢ়তা দেখা পাইছিল, তেতিয়া হলেহে ভকত কৰিছিল।

গুৰু আৰু ধৰ্মৰ প্ৰতি ভক্তসকলৰ অসীম শ্ৰদ্ধা আৰু আগ্ৰহ আছিল। ভক্তসকলৰ জীৱনলৈ নানা বিপদৰ সময়ো আহিছিল। দোষ বুজি প্ৰায়শ্চিত্ত কেতিয়াবা নিজেই কৰিছিল। মাধৱদেৱে পৰিয়াৰ আতৈক এবাৰ দায় ধৰি সেৱকৰ শাৰীৰ পৰা বাদ দি থৈছিল। কথাষাৰ গম পাই পৰিয়াৰ আতৈ মাধৱদেৱৰ ওচৰলৈ নিজেই গৈছিল। বাটত অন্য ভকতে দেখি মাধৱদেৱক পৰিয়াৰ আতৈ গুৰুজনৰ ওচৰলৈ অহাৰ বাতৰি দিছিলগৈ। মাধৱদেৱে কথাষাৰ শুনি কৈছিল, 'আমাৰ এহেতেন নাহিৰ ' জিৰখানি পাৰিছে কোৱাতো অন্তে বৰ ' (পৃষ্ঠা ২৬২) মাধৱদেৱৰ আজ্ঞা পাই সবিস্ময় ষথা পদ্মা এ কেৰি গাই তাতে অনাহাৰে ছমাহ পৰি আছিল। দাড়ি চুলিৰে ভৰি গৈছিল। মুখৰ মাত নোলোৱা হৈছিল। নাৰায়ণ ঠাকুৰে এদিন দেখা পাই, কাৰণ বুজি জানিলত, তুমি আনি মাধৱদেৱৰ ঠাই পোৱাইছিলাহি। 'জীৱৰ এনে দুখ হলে ধৰিব কোনে বৰ কোন গুৰু ধৰ্মই লোপহে হব আগলৈ আৰু :' (পৃষ্ঠা ২৬২) বুলি মাধৱদেৱক কৈছিল। মাধৱদেৱে পৰিয়াৰ কথা গম পাই, দয়া জন্মি, তাৰ এৰি দাড়ি চুলি খুৰুৱাই, খাৰ টেঙাৰে গা ধুওৱাই আহাৰৰ ব্যৱস্থা কৰিছিল।

মাধৱদেৱৰ দিনটো নীলাচল পাণ্ডু, অশ্বক্ৰান্ত, উমানন্দ অক্ৰেশ্বৰত পূজাৰ প্ৰচলন আছিল। নীলাচলত এবাৰ মাধৱদেৱে ৰঙতে, মুৰত তুলসীৰ, 'চোপাটি পিন্ধি গৈছে (দেখি তন্ত্ৰ আগমৰ শ্লোক সংকৃত্য দি) নিলকণ্ঠে তুলসিক নিন্দি মালতিৰ ফুলক শ্ৰেষ্ঠ বোলে কাব্য আগমৰে। (পৃষ্ঠা ২৭৭) মাধৱদেৱে অলপ সময় শুনি থাকি শেষত, 'নানা পুৰাণ সংহিতা শ্ৰুতি চয় তন্ত্ৰৰ শ্লোক আনিব থৈলে : নানা পুষ্প তুলসিক বাছা পাতি : (পৃষ্ঠা ২৭৭) তেতিয়া নীলকণ্ঠ আচৰিত হৈছিল মাধৱদেৱৰ পাণ্ডিত্যৰ উমান পাই।

বৰদেউৰিয়ে ভগৱতী দৰশন হৈ ষক বোলাত মাধৱদেৱে, 'পুৰাণৰ শ্লোক আনি কোন পাপিষ্ঠে মাতৃ যোনিত্বাৰ চাই।' (পৃষ্ঠা ২৭৭) বুলি সৰত উঠি গুচি গৈছিল।

মাধৱদেৱৰ দিনতেই, 'ৰঘু ৰাজাই কথা শুনাইছে : সত্রে সত্রে পূজা কৰক বুলি' : (পৃষ্ঠা ২৮৩) তেওঁৰা মাধৱদেৱে, "যি ৰাজ্যত ভকতক বেৰ কৰে তাৰ ৰবৈগ নহয় সম্ব" (পৃষ্ঠা ২৮৩) বুলিছিল।

মাধৱদেৱে ভক্তসকলক তিনিবিধ ভক্তিৰ কথা কৈছিল, নিৰ্গুণা, কেবলা আৰু ভাগৱতী। অশিষ্টলোকক শিক্ষা দিয়াৰ কাৰণেও মাধৱদেৱে নানা উপায়ে আকৃষ্ট কৰিবৰ কাৰণে যত্ন কৰিছিল। বিষ্ণু আতাৰ পুত্ৰই সত্যক অসত্য কৰে, অসত্যক সত্য কৰিছিল। আতাই মানা কৰিলেও শুনা নিছিল। মাধৱদেৱক আহি কথাটো জনোৱাত, অজামিলৰ উপাখ্যানৰ যাত্ৰা কৰিবলৈ কৈছিল। বিষ্ণু আতাক চাৰি-জন বিষ্ণু দূতৰ এজন, বিষ্ণু আতাৰ পুতেকক তিনিজন যম দূতৰ এজনৰ ভাও দিছিল। মাধৱদেৱে বিষ্ণু আতাক কৈছিল, 'গোপালক এই ভাৱতে ধৰিবা।' (পৃষ্ঠা ৩২৩) গোপালেই যাত্ৰা কৰাৰ চলোৰ দেউতাকে এনেকা দিবলৈ বিচাৰিছে কথাটো গম পাই বেয়া কাম কৰিবলৈ এৰিছিল। বিষ্ণু গুৰু দুজনা অতি বিচক্ষণ লোক আছিল। নানা অভিনৱ কৌশলেৰে দুৰ্জনক সজ পথলৈ আনিব পাৰিছিল। বৈষ্ণৱসকলৰ কাৰণে ভক্তৰ স্থান বৰ উচ্চত। গুৰুৱেও ভক্তক নিদিয়াকৈ একোকে নেখাইছিল। ইয়াৰ উদাহৰণ চৰিতখনিত অনেক আছে। কলি যুগত হৰি নামত বাহিৰ আৰু দ্বিতীয় পথ নাই সেই কথাও চৰিতখনিত মাজে মাজে সোমৰাই দি গৈছে।

বৈষ্ণৱ ভক্তসকল হৰি নামত হৰিকথাত অতি মোহিত হৈ পৰি নিজ ঘৰ সংসাৰ, গুৰুবাক্য পৰ্যন্ত আওকাণ কৰিব লগীয়া হৈছিল কেতিয়াবা। মধুপুৰত থকা মাধৱদেৱৰ পৰা অনুমতিলৈ শ্ৰীৰাম আতা তিনিমাহৰ কাৰণে কামৰূপলৈ বুলি আহিছিল। কিন্তু কামৰূপৰ য'ত য'ত যাব লগা আছিল, সেই ঠাইবোৰত ঘূৰোতে হল তিনিমাহ আৰু কথাসাগৰ গোপাল আতাৰ শুনিত হল তিনিমাহ। ছমাহৰ পাচত শ্ৰীৰাম আতাই এদিন গোপাল আতাক, 'বোলে মোৰ গুৰু বাক্য পৈল' (পৃষ্ঠা ৩৮৯) গোপাল আতাই কিয় গুৰুক কৈ অহা মতে নগল বুলি প্ৰশ্ন কৰাত, শ্ৰীৰাম আতাই উত্তৰ দিছিল, 'নিতে থাই জাবলৈ আছো : তোমা কথা তোলা জাই . ভুলি ভুকে নপঞে : গধুলি হই : এই ক্ৰমে গৈছে আজি তিনি মাহ :' (পৃষ্ঠা ৩৯০) বুলিছিল।

লাহে লাহে বৈষ্ণৱসকলৰ মাজত বিভাজন হবলৈ ধৰিছিল। একতাত ফাট মেলিবলৈ ধৰিছিল তাৰো আভাষ চৰিতখনিত আছে। প্ৰথম দামোদৰদেৱ আৰু

মাধৱদেৱৰ ভিতৰতেই বিৰোধ আৰম্ভ হৈছিল। চৰিতখনিৰ মতে দামোদৰদেৱৰ ওচৰলৈ ভকত ফুচুলাবৰ চেষ্টা কৰিছিল দামোদৰদেৱৰ শিষ্যই 'আৰাতহে শংকৰৰ ধৰ্ম হৈ গৈছে বুলি কৈ দি হৈ থুৱাই ভকত কৰাই:' (পৃষ্ঠা ২২৭) মাধৱদেৱে ঠাই নিদিয়া লোকক দামোদৰদেৱে ঠাই দিয়া বুলি মাধৱদেৱে গম পাই কৈছিল, 'সেৱকৰ গুৰু-জনৰ আমাৰ বৰ্জনি হলে তেওঁ ৰাখিব পাইনে।' (পৃষ্ঠা ২৭৮) দামোদৰদেৱে ইয়াৰ উত্তৰত কৈছিল 'তাবাক ধৰ্মৰ আচাৰ্য্য পাতিছে এৰিবও পাৰে সাম্বৰিবও পাৰে, আমি তেনে নে এৰিবৰো সামৰ্থ নাই: সোমালোহি খেদিব নোৱাৰো: সবেও মোৰ আপোন ভক্ত বস্ত।' (পৃষ্ঠা ২৭৮)

দামোদৰদেৱৰ পৰা গুৰু ধৰ্ম লোপ হোৱাৰ আশংকা কৰি নাৰায়ণ ঠাকুৰে মাধৱদেৱৰ আগত কৈছিল, 'এই ৰূপে থাকিলে দামোদৰৰ দেশ চলাই নি গুৰু ধৰ্ম পাচলৈ লোপেই হবলৈ।' (পৃষ্ঠা ২৮৪) এই দামোদৰদেৱৰ বিৰোধতেই প্ৰথম বৈষ্ণৱ ধৰ্মত ফাট মেল খায়। সেই কাৰণেই মাধৱদেৱে ভাগিনীয়েক ৰামচৰণ ঠাকুৰক উপদেশত সংগঠনৰ ওপৰত অধিক গুৰুত্ব দিবলৈ সকিয়াই দিছিল।

ভক্তসকলে কিমান নিষ্কাম ভাবে হৰিনাম লৈ, গুৰুজনৰ আশ্ৰয় কৰিছিল সেই কথাও পোৱা যায়। বৰহৰি আতৈ তোৰোচা নৈত স্নান কৰিবলৈ গৈছিল। সিপাৰত আই দায়াল আৰু তেলিকুঞ্জ আতৈৰ পত্নীয়ে আহি নৈখন পাৰ কৰি দিবলৈ আতৈক বাৰে বাৰে কৈ থকাটো একো মাত নমতাত, 'তোমা বৈকুণ্ঠত বাসা হব, পাৰ কৰাহে:' (পৃষ্ঠা ৪০৬) বুলি আয়ে কলত কিয় পানি পাৰিব বুলি বৰহৰি আতৈ গুচি গপগৈ। পাচত নৈ পাৰ হৈ গৈ বৰহৰি আতৈৰ কথা মাধৱদেৱক কলত, মাধৱদেৱে আতৈক সেধাত আতৈয়ে কৈছিল, 'ঈশ্বৰত অৰ্পি কাহানি বৈকুণ্ঠ (১৩২ক) থুইচো: দিব বা কেনেই: কি আপাহ কৰিচো আমি:' (পৃষ্ঠা ৪০০)

জনাৰ্দন আতৈক মাধৱদেৱে শংকৰদেৱে প্ৰবৰ্ত্তিত বৈষ্ণৱ ধৰ্মক চাৰি ভাগে প্ৰবৰ্ত্তিব বুলি কৈছিল, 'ব্ৰহ্ম ঘটি, পুৰুষ ঘটি, নিক ঘটি কাল ঘটি এই চাৰ: কাল ঘটিৰ নিৰ্জনা ভক্তি হব গুৰুত নিষ্ঠা। ব্ৰহ্ম ঘটিৰ ভ গৱত ধৰ্ম পাব: পুৰুষ ঘটিৰ নামত নিষ্ঠ হব কেবল: নিক ঘটিৰ গুণ যশ একান্ত ভকত নিষ্ঠা সপ্ৰে (ধা) হব।' (পৃষ্ঠা ৪০১) শৰণবো চাৰি ভাগ হব বুলিছিল। বিভাজনৰ কথা ইয়াৰ পৰাই জনা যায়।

যিসকল ভকতে মনটোক আশা সমুদ্ৰৰ পৰা তুলিব নোৱাৰিছিল, ধন, জন, কনক, কামিনীত মন লাগি থৈছিল, তেওঁলোকে উদ্ধাৰ পাবৰ কাৰণ মাধৱদেৱক উপায় বিচাৰিছিল। মাধৱদেৱে উপায় দিছিল, হৰিনাম শ্ৰৱণ আৰু কীৰ্ত্তন কৰি, হৰি নামৰ নাৱত উঠি, "বঠাৰ ছাব নেৰিব ঈশ্বৰে পাৰ চপাবগৈ : এৰিলে একা গল ভাৰতবৰ্ষ। নৰতনু ধন্য কলিদেৱৰ দুৰ্লভ ব্ৰহ্মাৰ প্ৰাৰ্থান হাতে চাপৰ দি]" (পৃষ্ঠা ৪২৬)

গঙ্গা স্নান, পিণ্ড দান আদি হিন্দুৰ অতি পবিত্ৰ কাম আছিল। শংকৰদেৱে তীৰ্থ ভ্ৰমণলৈ গৈ গঙ্গা স্নান কৰিছিল। বছুলা আতা, যদুমণি আতাক গঙ্গালৈ পঠাইছিল, 'গঙ্গা পাই স্নান পান দান দক্ষিণা কৈলে। জল মৃত্তিকা দুদ চৰাই লৈ আহি বিনাজপুৰে তেওঁতি একচেৰ চেনি একচেৰ লৈ সাদিন পাই : জল মৃত্তিকা চেনি অৱশ গুৰুজনক দি সেৱা কৰিচেহি। (পৃষ্ঠা ৪২৭) চৰিতপুথিত গঙ্গালৈ যোৱা, স্নান কৰা, পিণ্ড দিয়াৰ আৰু অনেক কথা আছে।

ভকতই গুৰুৰ আদেশ অমান্য কৰাটো, পালন কৰিবলৈ আপত্তি কৰাটো অতি গৰ্হিত কাম, জীৱৰ সৰ্ব্বনাশ হোৱাৰ কাম বুলি গণ্য কৰিছিল। বৈষ্ণৱ ধৰ্মৰ প্ৰকৃত বাট দেখুৱাওতা গুৰুৱেই বুলি মানিছিল। মথুৰা দাসে আই গোসানীৰ (শংকৰদেৱৰ ভাৰ্য্যা) ঘৰৰ ওপৰত বগেৰা লাও গছ কাটিবলৈ মাধৱদেৱে পঠাইছিল। ঘৰটো লাও গছে নষ্ট কৰি পেলাব ভাবি। কিন্তু লাও গছ কাটিলেও আই গোসানীয়ে অসন্তোষ পাব আৰু নেকাটিলেও গুৰু বাক্য পৰে (পৃষ্ঠা ৩২০) গতিকে দুয়োৱে কথা ৰাখি লাও গছ বগাবলৈ হেদালি এখন কৰি দিছিল। তেনে আন এটি উদাহৰণ—যদুমণি আতৈ, মাধৱদেৱৰ লগত বাৰ তেৰ বছৰ থাকিও ধৰ্ম কথা সুধিব যাবলৈ ওলাই সোধাত মাধৱদেৱে এইটো সময় নহয় বুলি কৈছিল যদিও, 'পাম থুমহৰ বিষাদ' গাই গজ্ৰিমা' পেটে ভগুৱ। এই ছুটা কথাৰ বাহিৰে থাকিবা . মৰণক কাচতে দেখিবা ' আমাক নেপাসৰিবা ' যোৱা ক্ষক।' (পৃষ্ঠা ৪০৮) বুলিছিল। যদুমণিয়ে গুৰু বাক্য নেপেলাবলৈ যত্ন কৰিছিল।

বছুলা আতাই 'অৱৰ ৰাজাৰ বিষম কথা' (পৃষ্ঠা ৪২৭) বুলি যাবলৈ মন কৰা নাছিল। মাধৱদেৱে পুনৰ 'তুমি জোৱা তোমাত (হন্তে) মহা শুদ্ধ ভক্তি পন্থ প্ৰচাৰ হব : তাতে ধৰি অনেক জীৱ উঠিব : গুৰুজনৰ পক্ষ পথ বাঢ়ি মুকলি হব : কৰ : এতেকে পাচিচো জোৱাগৈ,' (পৃষ্ঠা ৪২৮) বোলাটো বছুলা আতাই

প্ৰাৰ্থনা কৰিবলৈ ধৰোতেই শ্ৰীৰাম আতাই মাত লগাইছিল, 'হৰি-গো গুৰু বাক্য শিৰ পাতি ধৰা ; দুইবাৰ খণ্ডিলা ; আৰু তাত পৰিলে জীৱৰ সৰ্ব্বনাশ ;' (পৃষ্ঠা ৪২৮)

অসম দেশলৈ বহুলা আতা আহি ধৰ্ম কথা প্ৰচাৰ কৰা সময়তো ব্ৰাহ্মণসকলে বিৰোধ কৰিছিল, আতাৰ তায়েকসকলেই আতাৰ ওচৰলৈ নাহিছিল, 'বামুণে বাধ্য কৰে ধৰ্ম্ম কৰ্ম্ম গুচে (পৃষ্ঠা ৪৩৪) বুলি। কিন্তু প্ৰকৃত ভক্তসকলক ব্ৰাহ্মণসকলে বাধা দি ৰাখিব পৰা নাছিল।

ৰাক কাজীৰ ভনি জোৱায়েক শহুৰেকৰ ক্ৰিয়া কৰ্মলৈ গৈয়ো লগত খোৱা নাছিল, বেলেগে চৰু জুৰি খাইছিল। ৰাক কাজীয়ে কথাটো গম পাই, 'মহাজনক নেখেদা মানে দেশৰ, মাথা জিহ্বা কাটি বিষ্ঠাৰ গৰ্ত্তত পেলাম। বোলে ভালেহে অচম কামৰূপত থাকিব দুৱাইলে অতু আহি পিতা পুত্ৰে তাহ ভঙ্জাক খাব লব নিদিএ, মোৰে বাধা কৰে,' (পৃষ্ঠা ৪৬২) বুলি খঙত দপ্‌দপাই উঠিছিল। ৰাক কাজীৰ কথা শুনি ব্ৰাহ্মণে বৰ আনন্দ পাইছিল। বজাত খগ দিছিলগৈ, বামুণক নেমানে, সদাশিৱক নেমানে দেৱী দুৰ্গা শৰৎকালি মহামায়া গোসানীক নমানে। ন) পূজে ;' (পৃষ্ঠা ৪৬২) মাধৱদেৱে এই কথাৰ উত্তৰত কৈছিল, 'আমি এক শৰণ ধৰ্ম লৈ আশা কৰিছো ; ঈশ্বৰ কৃষ্ণত কিয় পূজিম, আৰু ভিখুক গৃহৰ পূৰুষে যেই চাই তাকে দিব পাৰে যইনিএকে কোনো দ্ৰব্যখান মুখিহে দিএ চণ্ডলে দিব দুৱাবে কি ভৰসা কৰিম তাৰাত ;' (পৃষ্ঠা ৪৬২) তাৰ পাচত বুজাইছিল যোল নাম চৈতন্যপন্থীৰ আৰু মাধৱদেৱৰ ধৰ্মত চাৰি নাম, চাৰি বস্তু, চাৰি বেদ, চাৰি শ্লোক, চাৰি পোৱা গোটা সেৰ বুলি বুজাই দিছিল। তাৰ পাচত মাহাত্ম্য বুজি ৰিক কাজিএ বোলে বাপ জক গৈ ; জেহে গুৰু ভক্ত সমে আছিছে ;' (পৃষ্ঠা ৪৬৩)

মাধৱদেৱৰ ভগিনিয়েক ৰামচৰণ ঠাকুৰে অসম, কামৰূপত ব্ৰাহ্মণৰ উৎপাতত থাকিব নোৱাৰি বেহাৰ পালেহি বুলি মোমায়েক মাধৱদেৱৰ আগত কৈছিল। কিন্তু বেহাৰতো ব্ৰাহ্মণৰ উৎপাত দেখি আৰু কলৈ যাব বুলি কৈ কৈছিল যে মাধৱদেৱৰ বৃদ্ধকাল আহি পাইছেহি। গতিকে, দুৰ্জনৰ লগত বাদ কৰি থকাতকৈ 'বামুণৰ আগত বাজত শিৰকে পূৰ্ণ বুইলে এতে (অন্য এক) নাই ;" (পৃষ্ঠা ৪৩৪) বুলি ৰামচৰণৰ কথা শুনি মাধৱদেৱে বৰ দুখ পাই কৈছিল যে ৰাম-চৰণক ইয়াটৈকেহে পঢ়ালে শুনালে, এতিয়া দুষ্ট লোকে যেনে বুলি ভাৰত মহাপুৰুষ

শংকৰদেৱৰ ধৰ্ম বস্তুকে এৰিব খুজিছে। মাধৱদেৱে ইয়াৰ পাচত মধুপুৰ সত্ৰত ভকতসকলক সাৱধান কৰি দিছিল, দিনে পোহৰে ঘৰ সোমাৱ, লগে সঙ্গে খৰি পাতে শৌচে যাব। 'দ্ৰব্যখান লোৱা থোৱাৎ কৰব্ৰেৰ নকৰিবা : জি বোলে তাকে দি লবা :' (পৃষ্ঠা ৫৭৪) আৰু নাম নেৰিবা কোনো দিনে।

বীৰ কাজীয়ে বৈষ্ণৱ ভকতৰ লগত বিৰোধ কৰিবলৈ এৰা নাছিল। বেহাৰৰ ৰজাক খল দিয়েই আছিল। চল বুদ্ধি কৰি বুঢ়িৰ পো গোবিন্দ আতৈ কেৱলিয়া কৃষ্ণাইকে ধৰাই নিছিল। ৰাজ সভাত নানা প্ৰশ্নত ব্যতিব্যস্ত কৰি তুলিছিল। কিন্তু ৰাজসভাত যি অলৌকিক কাণ্ড হল, ৰজা সিংহাসনৰ পৰা উচপখাই পৰিছিল, বীৰ কাজীও কৰকাল খাই কৰবাত পৰিছিলগৈ। তেহে দুই ভকতৰ সন্তান কৈ পঠাইছিল। মাধৱদেৱক জনালত কৈছিল, 'মোৰ মহাপুৰুষ গুৰু আপুনাৰ ধৰ্ম্ম বস্তু আপুনি কিব নৰাখিব ' (পৃষ্ঠা ৪৬৬)

বীৰ কাজীৰ ভকতক পৰীক্ষা কৰাৰ শেষ হোৱা নাছিল। নগৃহ কৰি ভকতক খাবলৈ মাতিছিল। মাধৱদেৱে সকলোকে সাৱধানে থাকিবলৈ কৈছিল। নিজৰ নিজৰ চাউল লোণ লৈ যাবলৈ কৈছিল। দেখুৱাই বীৰৰ লব, খাব নিজৰ খিনি। আৰু 'সবাৰে লোভ মোহ কাম ক্ৰোধ মই আচল পাতিচো ' (পৃষ্ঠা ৪৬৬) বুলি পঠাইছিল। ৰজা ঘৰৰ পৰা দিয়া মাছ, কাচ, চাউল আদি ভকতে গাত খাল্দি পুতি নিজৰখিনি ৰান্ধি খাই শুই থাকিল। পাচত ৰজাৰ, বীৰৰ যত লিগিৰী আছিল সিন্ধি উৰি, 'টাৰ হাৰ তৈল টেকা বাটিলৈ' (পৃষ্ঠা ৪৬৬) ভকতে প্ৰতি ভৰি হাত মোৰাবিবলৈ লাগিল ধৰ্ম্মৰ বাদ পেলাবলৈ। কিন্তু তাতো ভকতসকল উত্তীৰ্ণ খৈছিল। ৰজা আচৰিত হৈ দক্ষিণাকৈ ভকতসকলক পঠাই দিছিল।

বেহাৰৰ ৰজাই মাধৱদেৱক নি ব্ৰাহ্মণৰ লগত লগ হৈ নানা প্ৰশ্ন কৰি উত্তৰত যি পাইছিল, ব্ৰাহ্মণে মানিবলৈ বাধ্য হৈছিল, সকলো হয় বুলিছিল। বিৰোধ কৰা বামুণ, বীৰ কাজী, সকলো তল পৰিছিল। শেষত মাধৱদেৱে বেহাৰৰ ৰজাক কৈছিল যে শ্ৰীশংকৰদেৱেই তেৱাৰ গুৰু, 'গুৰুজন বৈকুণ্ঠে গলন্ত মহাগুৰুক ভাৰ 'দ গল :' (পৃষ্ঠা ৪৬৭) তাকে ভকতসকলৰ মাজত চৰ্চা কৰি এতিয়া বৃদ্ধকাল পালেহি আৰু পৰৰ গুৰুৱে যি বস্তু দি গল তাকে চিন্তি ভাবি গাই বাই থাকোতেই দেহা পৰিব আৰু। ৰজাই মাধৱদেৱৰ কথাত সন্তোষ পাই কৈছিল,

'মোৰ দেশত জিথানি সত্ৰ মহন্ত আছে সবাৰে ওপৰত অধিকাৰ পাতিছো আপোনাক: ভক গৈ এতিয়া।' (পৃষ্ঠা ৪৬৮)

চৰিতথনিত মাজ মানৰ পৰা, বিশেষকৈ শেষৰ কালে নামৰ মাহাত্ম্য ভকতৰ কৰ্ত্তব্য বৈষ্ণব আদৰ্শ এই কথাই বেছি অংশ জুৰি আছে।

দামোদৰদেৱ আৰু মাধৱদেৱৰ নাম প্ৰসঙ্গটো পাৰ্থক্য হৈছিল সেই কথাৰো উল্লেখ আছে। মাধৱদেৱে নাম শুনি শ্ৰীৰাম আতাক ক'ত নাম গাইছে বোলত, "ৰামৰ সত্ৰত দামোদৰি মতে গাইছে:" (পৃষ্ঠা ৪৭৬) তেতিয়া মাধৱদেৱে ওপৰত কৈছিল, জানিচা শ্ৰীৰাম (সেই চক সেই চাউল বাহুনি নাই আউল বাউল।' (পৃষ্ঠা ৪৭৬) ইয়াতে দুয়োৰে পাৰ্থক্য ওলাই পৰিছে।

(১১) কবি ৰামৰায় দাস—গুৰুলীলা

কবি ৰামৰায়েও 'গুৰুলীলা'ত দামোদৰদেৱৰ জীৱন কথাৰ লগত ধৰ্মীয় পৰিবেশ আৰু ধৰ্ম সম্পৰ্কীয় কথাৰো বিৱৰণ দি গৈছে।

বেহাৰৰ ৰজা পৰীক্ষিতক কামেশ্বৰ গিৰী নামৰ এজন সন্ন্যাসীয়ে লগাইছিল গৈ যে কামাখ্যাৰ দুৰ্গা গোসানীক সেৱা নকৰা এজন লোক তেওঁৰ ৰাজ্যত আছে, যাক ব্ৰহ্মা আদি দেৱতাসকলেও সেৱা কৰি সিদ্ধি লাভ কৰে, তেনে দুৰ্গাক সেৱা নকৰাৰ কাৰণে, 'তমু ৰাজ্য নষ্ট হৈব জনালো তোমাত।' (পৃষ্ঠা ৪৭) ৰজা খঙত জ্বলি গৈছিল। কোনে তেওঁৰ ৰাজ্যত দুৰ্গা পূজা নকৰে বুলি সোধাত সন্ন্যাসীয়ে দামোদৰদেৱৰ নাম কৈ কৈছিল যে তেওঁৰ বিশিষ্ট ব্ৰাহ্মণ কুলতেই জন্ম। কামৰূপত বৰপেটা গাৱত সত্ৰ কৰিছে। শৰৎ কালত পূজা নকৰে। কেৱল ভাগৱত ধৰ্ম মানে থান প্ৰৱৰ্ত্তন কৰিছে।

ৰজাই দামোদৰদেৱৰ ওচৰলৈ মানুহ পঠাইছিল,

> 'যদি দেৱী পূজে থাকোক সেহি থান।
> তুহি তবে মোৰ থানে শীঘ্ৰ কৰি আন।' (পৃষ্ঠা ৪৮)

ৰজাৰ দূত আহি বৰপেটা সত্ৰ পোৱাৰ লগে লগে বৈষ্ণৱৰ যি তেজ, সেই তেজে ধৰি পেলাইছিল। ৰাজদূতে দণ্ডৱত পৰি প্ৰণাম হে কৰিছিল। দামোদৰদেৱে হৰিৰ নিৰ্মাল্য, পুষ্প, চন্দন দি আহাৰ কাৰণ সুধিছিল। তেতিয়া ৰাজদূতে কৈছিল দূত আহাৰ কাৰণ। দামোদৰদেৱৰ মুখ কিঞ্চিত মলিন

হৈছিল। উত্তৰত কৈছিল যে তিনিও লোকৰ যি লক্ষ্মী-নাৰায়ণ তাৰ বাহিৰে আনক আৰু পূজিব নোৱাৰে।

'বলিব লগত যদি কাটয় আমাক।
মোৰ গল ওপৰ বলিব গল তল।' (পৃষ্ঠা ৪৯)

বুলি। দামোদৰদেৱ পৰীক্ষিতৰ ওচৰলৈ যাবলৈ ওলাল। হৰি আতাক আন আন ভক্তসকলক ভালকৈ সত্ৰখন মালিবলৈ কৈ আন উপদেশো দিছিল। ভট্টদেৱক কথাত ভাগৱত ৰচনা কৰিবলৈ নির্দেশ দিছিল।

দামোদৰদেৱেও বিজয় নগৰত নানা অত্যাচাৰ সহ্য কৰিব লগা হৈছিল। বৈষ্ণৱ ভক্তসকলক কপট ভাবে আহাৰ কৰিবলৈ দি খোৱা হলত কামেশ্বৰ গীৰিয়ে ভক্তসকলক খোৱা পাত্ৰ আৰু পাত পেলাবলৈ নি'দি আশ্বাস দিছিল,

'আপুনি ফেলাবেঁা, জন্ম সাফলিবোঁ।
মোহোৰ বৰ্ত্তব্য হোক।' (পৃষ্ঠা ৫৮)

ভক্তসকলে মহাৰঙ্গ মনে নিজ নিজ ঠাইত শুবলৈ গৈছিলগৈ। কিন্তু ইকালে খোৱা পাত পৰি থকা ঘৰত ছাগলী শুমুৱাই আৰু লেতেৰা কৰাই ৰজাক কামেশ্বৰ গীৰিয়ে খবৰ দিছিলগৈ

'গাবো ভোট মিৰি যবন কচাৰী
তাৰাও চুৱা পেলাৱে।' (পৃষ্ঠা ৬০)

কিন্তু বিপ্ৰ দামোদৰ মহা অনাচাৰি ভোজন কৰি পাত্ৰ নেপেলাই, দেশত জাতিকুল ভ্ৰষ্ট কৰিছে। অনুসন্ধানৰ কাৰণে মানুহ পঠাই ৰজাই সঁচা প্ৰমাণ পাইছিল। কিন্তু ৰজাৰো কিছু বিষয়াই, দামোদৰদেৱ সাক্ষাৎ ঈশ্বৰ, তেনে কাম নকৰে ভালকৈ বিচাৰ কৰাৰ দৰকাৰ বুলিছিল। কিন্তু শেষত কামেশ্বৰ গীৰিয়ে দামোদৰদেৱক আগত লৈ কাঢ়িছিল। ৰাজ বিষয়াসকলে ৰজাক গৈ কৈছিলগৈ,

'পৃথিবীৰ পতি তুমি ধৰ্ম্ম কামেশ্বৰ।
সক বৰ সুখী দুখী সবাৰো ঈশ্বৰ।
সত্তক পালিবা দুৰ্জ্জনক কৰি ক্ষয়। (পৃষ্ঠা ৬৩)

পুনৰবাৰ কামেশ্বৰ গীৰিয়ে ৰজাক খবৰ দিছিল গৈ যে দামোদৰদেৱক সমাজলৈ আনি বিচাৰ কৰিব লাগে। কাৰণ তেওঁ দেৱী পূজা নেমানে, তীৰ্থ, স্নান, দান, ধৰ্ম্ম, কৰ্ম্ম, হোম আদি পালন নকৰে। দামোদৰদেৱ ৰাজ সভাত প্ৰৱেশ কৰাৰ আগে

লগে ভক্তসকলে হৰি ধ্বনি কৰিছিল। ভক্তসকলে আনি দিয়া কুশৰ কঠত দামোদৰদেৱ বহিছিল। ৰজাই সভাত লোকে শুনাকৈ তেওঁৰ ওপৰত দিয়া অভিযোগ সম্বন্ধে প্ৰশ্ন কৰিছিল, দামোদৰদেৱে মৃদুস্বৰে কৈছিল,

'তীৰ্থক সেৱন দেৱী উপসন
ধৰ্ম্ম কৰ্ম্ম যাগযোগ।
ৰামকৃষ্ণ নামে সকলো সিজয়
নলাগে একো উদ্যোগ।।' (পৃষ্ঠা ৭৭)

ৰজা পৰীক্ষিত নাৰায়ণ উত্তৰত সন্তুষ্ট হৈছিল।

এবাৰ পৰীক্ষিত নাৰায়ণ মৃগয়ালৈ ৰাজ্যৰ পৰা ওলাই যোৱাৰ সুযোগতে ৰাজপুৰৰ নাৰীসকল আৰু নগৰৰ আন আন লোকসকল দামোদৰদেৱৰ ওচৰত কৃষ্ণ কথা শুনিছিলগৈ। ৰজা মৃগয়াৰ পৰা ঘূৰি আহোতে কিছুৰ ইমান নৰনাৰীৰ ভিৰ বুলি সোধাত, বৈষ্ণৱ বিদ্বেষী কামেশ্বৰ গীৰিয়ে সুযোগ পাই কৈছিল,

'কান্তি মাৰি যাক কৰণ নাযায়।
হেন সব দামোদৰ আগে মোহ যায়।।' (পৃষ্ঠা ৮৪)

লগতে ইয়াকো সকিয়াইছিল যে ৰাজ অন্তঃপুৰৰ নাৰীসকলো আহি দামোদৰদেৱৰ ওচৰত শৰণ লৈছেহি। ৰাজ্যৰ প্ৰজাৰ চাৰি ভাগৰ এভাগ ৰজাৰ লগত আছে বাকী দামোদৰদেৱৰ শিষ্য হলত ৰজা উদ্বিগ্ন হৈছিল, ৰাজসভাত আদেশ শুনাইছিল

'দামোদৰ বৈষ্ণৱ আমাৰ নগৰত।
থাকিবাক নলাগয় কহোঁ স্বৰূপত।।
এতক্ষণে শুচি যাক মোৰ নগৰৰ।
সোণকোষ পাৰ কৰি থৈয়োক সত্বৰ।।' (পৃষ্ঠা ৮৬)

ভক্তসকলে ৰজাৰ আদেশত হাহাকাৰ কৰিছিল আৰু অভক্তসকলে আনন্দ পাইছিল। বাটৰ খৰচৰ কাৰণে কিন্তু ৰজাই, 'দশ গোটা টংকা নব বস্ত্ৰ তিনিখান।' (পৃষ্ঠা ৮৭) দিছিল। দামোদৰদেৱে ৰাজ্য ত্যাগ কৰিছিল, ৰাজ্যৰ ভক্ত নৰনাৰীয়ে দামোদৰদেৱৰ বিৰহত আৰ্ত্তস্বৰে ক্ৰন্দন কৰিছিল। (পৃষ্ঠা ৯)

আনহাতে দামোদৰদেৱ বেহাৰত প্ৰবেশ কৰাৰ খবৰ পোৱাৰ লগে লগে ৰজা লক্ষ্মীনাৰায়ণে,

'কি ভাগ্য কৰিলে । জন্ম সাফ-নিলে ।
হৰি আসে মোৰ ঠায় ।' (পৃষ্ঠা ১৪) --

বুলি আথে বেথে দামোদৰদেৱৰ অভ্যৰ্থনাৰ আয়োজন কৰিছিল । বেহাৰৰ ৰজা বৈষ্ণৱ প্ৰাণ আছিল, দামোদৰদেৱৰ মোল বুজি পাইছিল ।

ৰজা পৰীক্ষিতৰ জীৱনলৈ নানা বিপৰ্যয় অহাৰ মূলতে বৈষ্ণৱসকলক নিৰ্য্যাতন কৰা বুলি শেষত তেওঁৰ উপলব্ধি হৈছিল,

'মই পাপী বৈষ্ণৱক খেদিলোঁ দেশৰ ।
এতেক হৈবাক লাগে মোহোৰ দুৰ্গতি ।।' (পৃষ্ঠা ১২৩)

আৰু অনুশোচনা কৰিছিল,

'প্ৰভু দামোদৰক দেশৰ বাজ কৈলো ।
এতেকে আপুনি বাজ ভৈলো স্বদেশৰ ।। (পৃষ্ঠা ১২৪)

দামোদৰদেৱৰ প্ৰয়াণৰ কিছু সময়ৰ আগতে পৰ্ব্বানন্দ বলৰাম আৰু কমলাকান্ত প্ৰমুখ্যে ভক্তসকলক বিধে বিধে উপদেশ দিছিল । যি থানত দামোদৰদেৱৰ জীৱনৰ শেষৰ সাতটা বছৰ কটাইছিল, 'কদাচিতো ইটো থান খনিক নেৰিবা' (পৃষ্ঠা ১২৭) বুলি কৈছিল । লগতে ইয়াকো কৈছিল,

'যদি একো প্ৰকাৰে থাকিতে নপাৰাহা ।
তেবে একো দোষ নাই যাবা মন যথা ।।' (পৃষ্ঠা ১২৭)

(১২) বনগঞা গীৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

শংকৰদেৱৰ ভাতৃ বনগঞা গীৰিয়ে চৰিতখনি আৰম্ভ কৰোতেই গণেশকো প্ৰণাম জনাইছে । সৰস্বতীকো, কৃষ্ণকো । (পৃষ্ঠা ১) পঞ্চ দেৱতাকো পূজা কৰাৰ কথা উল্লেখ কৰিছে,

নাৰায়ণ গণেশ দিনেশ শিৱ শিৱা ।
ভক্তিভাৱে পূজিবাহা পঞ্চই দেৱতা ।। (পৃষ্ঠা ৫)

হৰিদেৱ তীৰ্থ লৈ যাত্ৰা কৰিবলৈ ওলাই প্ৰথমতে বিঘ্ননাশক গণেশক স্মৰণ কৰিছিল । "ওঁ নমো গণেশায় কৰা বিঘ্ননাশ ।" (পৃষ্ঠা ৬৪) অশ্বক্ৰান্ত জনাৰ্দন মন্দিৰৰ স্তুতি কৰিছিল । (পৃষ্ঠা ৬৫-৭৬) মাধৱৰ ঠাইত থাকোতেও মাধৱ মন্দিৰৰ কেদাৰক আৰু শিৱকো স্তুতি কৰিছিল ।

"প্ৰথমতে কেদাৰক কৰিবু দৰ্শন ।
তাত পাচে মাধৱোক যাইবো তিনিজন ।।" (পৃষ্ঠা ৮৮)

'শিৱ পাসে তীৰ্থ কল মানে ভক্তি কৰি ।' (পৃষ্ঠা ৮৮)

হৰিদেৱ বৈদ্যনাথ পুৰীলৈ গৈছিল। তাত "সেৱা কৰি বেল্যপত্ৰে শিৱক পূজিলো" (পৃষ্ঠা ১১৪) বুলি উল্লেখ কৰিছে। তাতেই ভূমিত আমুগাৰি স্তুতি কৰি আছিল ফল আৰু অন্য খোৱা বস্তুৰ থাল আগত থৈ।

'সেহি সময়ৰ অৰ্দ্ধখণ্ড মধুফল ।
অলপ চিৰা দধি সহ হাতত পৰিল ।।' (পৃষ্ঠা ১১৭)

হৰিদেৱে প্ৰহ্মানন্দৰ ওচৰত কাশী ধামত বেদ পঢ়ি থাকোতেও,

"বিশেশ্বৰ মণ্ডিৰত শিৱসন্নি ধানে ।
ধাৰণা কৰন্ত প্ৰতি চতুৰ্দসী দিনে।।" (পৃষ্ঠা ১৪০)

শিৱই সপোনত হৰিদেৱক দেখা দিছিল। বেল গছৰ তলৈ ভক্তিভাবে যাবলৈ কৈছিল, তাত ধৰ্জতি সন্ন্যাসীয়ে তেওঁক অপ্ৰাপ্য দুৰ্লভ দ্ৰব্য দিব বুলিও কৈছিল। হৰিদেৱৰ সদাশিৱক স্মৰণ কৰি সপোনৰ আদেশমতেই কাম কৰিছিল। (পৃষ্ঠা ১৪১-৪৩) কিন্তু সন্ন্যাসীয়ে শ্ৰীকৃষ্ণ কবচহে হৰিদেৱক দিছিল। সেই কবচৰ মাহাত্ম্যৰ কথাও ব্যাখ্যা কৰিছিল,

"ইহাৰ ভিতৰে আছে শ্ৰীকৃষ্ণ কবচ ।
ধাৰণ কৰিবা মাল্যে মেহতে কবচ ।।
'ব্ৰহ্মাই কৰন্ত সৃষ্টি কবচৰ বলে ।
বিস পান কৰে সিৱে কবচৰ বলে ।।' (পৃষ্ঠা ১৪৩)

হৰিদেৱক অমাবস্যাৰ দিনতেই কবচ পৰিধান কৰিবলৈ কৈছিল, যাৰ ফল,

'সাত কুবিৰৰ্ষ কলি জিৱা অবলেহে ।' (পৃষ্ঠা ১৪৩)

চৰিতগনিত বনগঞা গীৰিয়ে শিৱ আৰু কৃষ্ণৰ মাহাত্ম্য সমানে দেখুৱাইছে। শিৱৰ প্ৰাধান্য কিছু বেছি যেনেই দেখা গৈছে। আনহাতে লৌহিত্যৰে পাৰত বংৰি পাৰৰ ওচৰতেই নতুনকৈ ষিখন সত্ৰ হৰিদেৱে স্থাপন কৰিছিল, তাত, 'লক্ষ্মী নাৰায়ণ শিলা মন্দিৰে স্থাপন।' (পৃষ্ঠা ১৭৩) কৰাৰ কথা উল্লেখ কৰিছে। অসমৰ একশৰণ বৈষ্ণৱ ধৰ্মৰ সত্ৰই লক্ষ্মী আৰু নাৰায়ণৰ যুগল মূৰ্তি স্থাপনা কৰা কথাটো মন কৰিব লগীয়া।

বাণীকুচি গাৱৰ নাম সম্বন্ধে উল্লেখ কৰিছে—এজন ছিজে বহু কালৰ পৰা দেৱী সৰস্বতীক পূজা কৰিছিল আৰু 'সেহিৰে কাৰণে বাণীকুচি নাম ধৰে।' (পৃষ্ঠা ১৯১) বুলি। দেৱীৰ নামৰ পৰাই ঠাইৰ নাম দিয়াৰ কথাও জনা যায়।

অসমৰ মধ্য যুগৰ চৰিত পুথিসমূহত, চৰিতকাৰসকলে সেই সময়ৰ অসমৰ ধৰ্মীয় পৰিবেশ, ধৰ্ম জীৱন কেনেকৈ গ্ৰহণ কৰিছিল, বিৰোধ আছিল আদি সকলো কথাকেই লিপিবদ্ধ কৰি গৈছে। বৈষ্ণৱ সন্তসকলৰ জীৱন কথাৰ লগত ধৰ্ম কথা ওত প্ৰোতভাৱে জড়িত হৈ আছে। 'ধৰ্মৰ স্বৰূপটো হৈছে মানবীয় গুণসমূহৰ বিকাশৰ বাবে আৱশ্যকীয় এটা জীৱনবোধ বা সূক্ষ্ম চেতনাৰ উপলব্ধি। সেই কাৰণে শংকৰদেৱৰ সময়তো সমাজ, সাহিত্য, কলা, দৰ্শন আদি সকলো বস্তুৱেই ধৰ্মক কেন্দ্ৰ কৰি বিকশিত হৈছিল।[১] আৰু চৰিত পুথিসমূহত তাৰ পূৰ্ণ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

(৪) অলৌকিকতাৰ স্থান:

'আগৰ কালৰ প্ৰায় সকলো শক্তিমন্ত লোকৰে জন্ম বৃত্তান্তৰ গুৰিত অলপ অচৰপ অলৌকিক ঘটনা পোৱা যায়।[২] চৰিত পুথিসমূহত সেইসকলৰ জীৱনত ঘটা অলৌকিক ঘটনাসমূহক গুৰুত্ব সহকাৰে অংকণ কৰিছে। 'ঈশ্বৰৰ অংশ বা পূৰ্ণাৱতাৰ বুলি যিসকল মহাপুৰুষ প্ৰসিদ্ধ, তেওঁলোকৰ জীৱনৰ ঘটনাবোৰত, বিশেষকৈ আগ ডোখৰৰ ঘটনাবোৰত অলৌকিকতাৰ সংমিশ্ৰণ থাকে। শংকৰদেৱ, চৈতন্যদেৱ পূৰ্ণ ব্ৰহ্ম শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি তেওঁলোকে প্ৰবৰ্ত্তোৱা ধৰ্ম মতাৱলম্বীসকলৰ ভিতৰত স্বীকৃত দেখি তেওঁলোকৰ পৰীয়া চৰিত্ৰ লেখকসকলে বাল্য জীৱনৰ ঘটনাবোৰত শ্ৰীকৃষ্ণৰ বাল্য জীৱনৰ ঘটনাবোৰৰ সাদৃশ্য উলিয়াই বৰ্ণনা কৰে।'[৩]

"মানৱ জাতি দুই শ্ৰেণীত বিভক্ত, যেনে মহাপুৰুষ আৰু সাধাৰণ মানুহ। মহাপুৰুষসকল, যিসকলে বিশেষ বিশেষ গুণ ও শক্তি লাভ কৰি যিধৰণৰ অসাধাৰণ কাম সম্পাদন কৰে, সাধাৰণ মানুহে তেনে কাম কৰা সম্ভৱ নহয়।

---

১ শ্ৰীবাপচন্দ্ৰ মহন্ত, মহাপুৰুষ শংকৰদেৱ, ১ম প্ৰকাশ, আগষ্ট ১৯৬৪ পৃষ্ঠা ১ ২

২ লক্ষ্মীনাথ বেজবৰুৱা, মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, দ্বিতীয় সংস্কৰণ, ১৯৬৩, পৃষ্ঠা ১১

৩ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১৫

কাৰণ মহাপুৰুষসকলে প্ৰত্যক্ষভাবে ঈশ্বৰৰ পৰাই তেজ আৰু শক্তি আহৰণ কৰি অদ্ভুত কাৰ্য্য সম্পাদন কৰে।'[১]

তলত আমাৰ অধ্যয়নত সাঙোৰা ৰচিত পুথি কেইখনৰ প্ৰতিখনতে লিপিবদ্ধ কৰা অলৌকিক ঘটনাসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল। চৰিতকাৰসকলে তেওঁলোকৰ চৰিতৰ নায়কসকলক অৱতাৰী পুৰুষ বুলি ধৰি লৈছিল আৰু ভকতৰ দৃষ্টিৰে ভগৱানক দেখাৰ দৰেই তেওঁলোকে গুৰুসকলক দেখিছিল আৰু সেই ৰূপতেই অংকণ কৰিছিল। সেইকাৰণে কোনো কোনো চৰিত অলৌকিক ঘটনাৰেই ভৰপূৰ হৈ আছে।

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

ৰামচৰণ ঠাকুৰৰ 'গুৰুচৰিত'ত অলৌকিক ঘটনাৰে ভৰপূৰ। চৰিতখনিৰ আৰম্ভণীতে শংকৰদেৱক অনাদি ঈশ্বৰৰ অৱতাৰ ৰূপে দেখুৱাইছে,

'জয় জয় অনাদি ঈশ্বৰ অৱতৰি।
শংকৰ স্বৰূপ পৃথিবীত অৱতৰি।' (পৃষ্ঠা ১)

বুলি। আৰু কতো কেলি দেখাৱত মনুষ্যৰ নয়। (পৃষ্ঠা ২) বুলি লিখাতেই ধৰিব পৰা যায় চৰিতখনিত অলৌকিক ঘটনাৰ প্ৰাচুৰ্য্যই বেছি হব।

শংকৰদেৱৰ উপৰি পুৰুষ এজন গন্ধৰ্ব্বগিৰি, তেওঁৰ ভাৰ্য্যা ইন্দুনিৰ যে কন্যা সন্তান জন্ম হৈছিল, সেয়া সম্ভৱ হৈছিল সদাশিৱক আৰাধনা কৰাৰ পাচতহে, সদাশিৱই দেখা দি কন্যা সন্তান জন্ম হবৰ কাৰণে আশীৰ্ব্বাদ কৰাৰ পাচত

"ইন্দুনী বোলয় যদি বৰ দিবা মোক।
তোমাৰ চৰণে প্ৰাৰ্থো জীউ এক তোক॥
সিদ্ধি হোক বুলি হৰ অন্তৰ্দ্ধান ভৈলা।" (পৃষ্ঠা ৭)

কৃষ্ণকান্তিৰো পুত্ৰ সন্তান লাভ হৈছিল হৰৰ কৃপাত। কৃষ্ণকান্তিয়ে হৰক চিন্তা কৰি পুত্ৰ সন্তান কামনা কৰিছিল। হৰৰ বীৰ্য্যৰে কৃষ্ণ কান্তি সত্যাৱৰ নামৰ সন্তানৰ মাতৃ হৈছিল। (পৃষ্ঠা ৮-৯)

চণ্ডীবৰে অগ্নিকুণ্ডত তেৰেঙা কাঠৰ জুই জলাই,

'আপুন গাৱৰ লোম সব চিণ্ডি
সৰস্বতী পূজা কৈলা॥' (পৃষ্ঠা ৩২)

---

১ লিখিল চন্দ্ৰ সেন, মহাপুৰুষ চৰিত, ১ম ভাগ, ৩য় সংস্কৰণ, ১৮০৩ শক, পৃষ্ঠা ৬।

আৰু দেবী তুষ্ট হৈ অগ্নিৰেই চমৎকাৰ ৰূপ ধাৰণ কৰি চণ্ডীবৰক দেখা দিছিল। চণ্ডীবৰে কৰযোৰে প্ৰাৰ্থনা কৰিছিল, 'থাকিয়ো মোৰ কণ্ঠত' (পৃষ্ঠা ৩৩) আৰু দেবীয়ে তাকেই হৌক বুলি অন্তৰ্দ্ধান হৈছিল।

শংকৰদেৱৰ জন্মও শিৰোমণি শিৱ লিঙ্গত পূজা দিয়াৰ পাচত, শংকৰদেৱৰ মাতৃ সত্যসন্ধ্যা আয়ে সূতিকা গৃহতে স্বপ্নত শিৱৰ এটা চমৎকাৰ ৰূপত দেখা পাইছিল। শিৱ আৰু বিষ্ণুৰ সংমিশ্ৰিত 'মহা বিপৰিত ৰূপ দেখিতে বিস্ময়' (পৃষ্ঠা ৭১) যদিও আয়ে বিমোহিত হৈ চাই আছিল। সেই মূৰ্ত্তিয়ে 'থাকিবোহো মই থান দিয়া তযু ঘৰে' (পৃষ্ঠা ৭৩) বুলিছিল। ইয়াৰ পাচত শংকৰ জন্মৰ কথা উল্লেখ কৰিছে।

শংকৰৰ জন্মৰ লগে লগে নানা অলৌকিক ঘটনাসমূহ হোৱাৰ কথা লিখিছে। (পৃষ্ঠা ৭৮-৭৯)

"জয় জয় শব্দ কৰে সকল সমাজে।
আকাশ চানিয়া সবে দেৱ বাদ্য বাজে॥" (পৃষ্ঠা ৭৮)

এনে ধৰণেৰে আৰম্ভ কৰি নানা অলৌকিক ঘটনা ঘটাৰ কথা উল্লেখ কৰিছে।

কপিলৰ মাক দেবহুতি আয়ে ধেনুৰূপ ধৰি জন্ম লাভ কৰাৰ অলৌকিক কাহিনীও বৰ্ণনা কৰিছে। কপিলেই মাকক কুসুমৰ ঘৰত 'ধেনুৰূপে তান গৃহ জন্মিবাহা তুমি' (পৃষ্ঠা ৮৫) বুলিছিল। সেই ধেনুৰেই আছিল 'ঘটশ্ৰৱা' তাইৰ সমান কোনো গাই নাছিল। কুসুমৰ গোহালিত বন্ধা থাকে, কিন্তু পথা মুৰেৰে সোলোকাই, "হাম্ফলা ছুইতে লৌহিতক হোয়ে পাৰ।" (পৃষ্ঠা ৮৬) আৰু শিঙৰিৰ মহাদেৱৰ লিঙ্গ থকা থানত এক ঘট গাখীৰ সদায় দি আহি পুনৰ নিজৰ ঠাইত থাকিছিল। এদিন কুসুমদেৱে বহুত শুনি গাঠি গোহালিৰ আৰ হৈ চাই গোটেই কাণ্ড দেখি আচৰিত হৈছিল। কিন্তু একো নকৈ গুচি আহিছিল।

শংকৰদেৱৰ জন্মৰ পাচৰ প্ৰায় প্ৰতি দিনেই অলৌকিক ঘটনা ঘটিবলৈ লৈছিল। (পৃষ্ঠা ৮৯-৯১, ১১২-১১৬, ১২২-২৩ ১২৫, ১৪০, ১৪৪, ১৪৯-৫৬, ১৭৪ ১৮০-৮১, ১০১ ২০৪ ২০৬, ২১০, ২১৪-১৫, ২২৮ ২৮৮)

শংকৰদেৱৰ শিশুকাল, বাল্য অৱস্থা আনকি পাচৰ জীৱনটো নানা অলৌকিক ঘটনাৰে ভৰপুৰ। মহৎ লোকৰ লৰাজি কালচোৱা বিচিত্ৰ ঘটনাৰে ভৰপুৰ হৈ থাকে।

চৰিতকাৰে চৰিতপুথিত মাজে মাজে কিছুমান পৌৰাণিক কাহিনী কৈ গৈছে, যিবোৰ অলৌকিক ঘটনা (পৃষ্ঠা ৮৫-৮৬ ১৫৫-৫৭, ১৬৯-৭১, ২৪০-৪১, ২৮৪-৮৬, ৩৪৫-৪৬, ৪০৫-৬, ৪১৯-২১, ৪২৩-২৫)।

শংকৰদেৱে চিহ্ন যাত্ৰা ভাৱনা কৰাৰ পাচত, 'মনুষ্য জনৰ হুহি ইমত শকতি' (পৃষ্ঠা ৩৩৫) বুলি সকলোৱে বিশ্বাস কৈছিল। শংকৰদেৱে সূত্ৰ তুলি গীত গাই থাকোতে সৰ্ব্বজ্ঞা আতৈয়ে,

'শূন্ত হেন বুলি বৈকুণ্ঠক চাহিলন্ত।
শংকৰ সদৃশ এক পুৰুষ আছন্ত॥
পুনৰপি গায়ন মেলক লাগি চাইলা।
তহিতো শংকৰ আছে দৰশন পাইলা॥' (পৃষ্ঠা ৩৩৫)

ৰামৰায়ে শংকৰদেৱৰ আগত সপোনত পোৱা আদেশৰ কথা কৈছিল—কান্ধত উত্তৰী, সুবৰ্ণ নগুন শতক পিন্ধা এজন সুন্দৰ পুৰুষে দেবীক পূজা কৰি মোৰ সংসাৰত মজিছে কিয়, ঈশ্বৰক নভজে কিয় বুলি কৈ জগতত ঈশ্বৰ, "তেহেন্তে শংকৰৰূপে ভৈলা অৱতাৰ। তুম্মি শূদ্ৰকুলে ভক্তি কৰিব প্ৰচাৰ॥" (পৃষ্ঠা ৩৪১) বুলি প্ৰভাতে শৰণ লবৰ কাৰণে আদেশ দিছিল। আনকি ঈশ্বৰেই যে শংকৰদেৱৰ ৰূপত অৱতাৰ হৈছে তাকো বিশ্বাস জন্মাবৰ কাৰণে ৰামৰায়ক শংকৰৰ ৰূপও ধাৰণ কৰি দেখুৱাইছিল।

শংকৰদেৱৰ প্ৰথম গৰাকী ভাৰ্য্যাৰ জন্ম আৰু শংকৰদেৱৰ লগত যে বিবাহ হব সেই সম্বন্ধেও অলৌকিক ঘটনা ঘটিছিল। (পৃষ্ঠা ৩৬০-৬১) আৰু জন্মৰ পাচত যে বেছি দিন জীয়াই নেথ কিব তাৰো ভবিষ্যত বাণী কৰিছিল,

"সূৰ্য্যৱতী অ ধক দিবস নৰহিব।
পঞ্চিশ বৰিষে তেন্তে শৰীৰ ত্যজিব॥" (পৃষ্ঠা ৩৬১)

বৰদোৱাত থাকোতে ভকতসকলে পানীৰ কাৰণে কষ্ট হোৱাত দুখ কৰোতে, শংকৰদেৱে, 'আজি নিশা ভাগে জল নভিব নিশ্চয়॥' (পৃষ্ঠা ৩৮৯) বুলি আশ্বাস দিছিল। তাৰ পাচত মাতি শংকৰদেৱৰ উঠি গৈ ঐশ্বৰিক প্ৰভাৱৰ দ্বাৰা ভকতসকলৰ কাৰণে আকাশৰ পৰা নমাই অনা পানীৰে উজৈনদী কৰি পেলাইছিল,

'সিৰিসিত কৰি আসি পৰিলেক জল।
শব্দ শুনি সৰ্ব্বলোক ভৈলন্ত বিকল॥ (পৃষ্ঠা ৩৮৯)

পানী অহাৰ পাচত শংকৰদেৱে ভকতসকলক মাতিছিল আৰু সৰ্ব্বজয়, বলৰামে শংকৰদেৱে মাত্ৰ ভৰিৰে চিন দিয়াতে কেনেকৈ পানী ওলাল তাঁৰ কথা কৈছিল। (পৃষ্ঠা ৩৯০) আৰু বৰদোৱা বিলৰ সৃষ্টি সেইদৰে শংকৰদেৱেই কৰিছিল। "এহি মতে বৰদোৱা বিল যেবে ভৈল। ভকতসবে তাতে যেবে স্নান দান কৈল॥" (পৃষ্ঠা ৩৯১)

জগন্নাথ ক্ষেত্ৰলৈ যাত্ৰা কৰাৰ বাটত এদিন অৰণ্য'ৰ মাজতে শংকৰদেৱ আৰু বাকী লগৰ লোক সকল ৰৰ লগা হৈছিল। খাবৰ কাৰণে একো নাই, নিৰাহাৰেই থাকিব লাগিব বুলি যাত্ৰীসকলে নিশ্চিত হৈছিল। কিন্তু এজন পৰম সুন্দৰ পুৰুষ আহি উপস্থিত হৈ, 'সবেসাজ দ্ৰব্য আনি ভোতে মিলাইলেক।' (পৃষ্ঠা ৪০৭) শংকৰদেৱে যাত্ৰীসকলক জগাই অন্নাৰ গ্ৰহণ কৰিবলৈ কৈছিল।

আন এদিন জগন্নাথলৈ যাত্ৰাৰ পথতেই জগন্নাথ পাবলৈ দুই দণ্ড মান পথ থাকোতে শংকৰদেৱে সকলোকে জনাইছিল, প্ৰথমতে গঙ্গা দৰশন হৈছিল। যাত্ৰীসকলে নিৰাহাৰে শয়ন কৰিছিল। বন্দনীয়ে মাজ ৰাতি সাপোনত বস্ত্ৰ অলংকাৰেৰে সুশোভিতা, শিৰত সেন্দুৰ লোৱা দিব্য ন গৰাকী নাৰীৰ একেবাৰে আগত থকা সবাকীয়ে শংকৰক নমস্কাৰ কৰি,

'তযু দাসী কিংকৰী জগন্নাথ নাৰায়ণ।
পবিত্ৰ কৰিবে মোৰ আইলা এহি থান।' (পৃষ্ঠা ৪১১)

বুলি শংকৰক নমস্কাৰ কৰিছিল। শংকৰৰ পদ শৰণত তেওঁলোক মুক্ত হল বুলি নগৰাকী কন্যা অন্তৰ্দ্ধান হৈছিল।

জগন্নাথ ক্ষেত্ৰ পোৱাৰ পাচত, পাণ্ডাসকলক জগন্নাথে সপোনত কৈছিল, তেওঁকেই চাবৰ কাৰণে শংকৰদেৱ জগন্নাথলৈ আহিছে। পণ্ডিকে তেওঁলোকে যেন,

'মোৰ প্ৰাণনাথ বুলি আহাক জানাহা।
প্ৰসাদ দ্ৰব্যক লৈয়া সবে পাণ্ডা যাহা॥
মোৰ নমস্কাৰ জনাইবাহা তান পাৱে।
দিবাহা প্ৰসাদ শংকৰক নম্ৰভাৱে' (পৃষ্ঠা ৪১৫)

জগন্নাথ ক্ষেত্ৰত থকা কালত শংকৰদেৱক জগন্নাথে, 'আমি অংশ তুমি পূৰ্ণ জানো আৰু সাৰে।' (পৃষ্ঠা ৪২৬) বুলিছিল।

সীতাকুণ্ডত এপুৰামান মাটি জুৰি ক্ষুধা তৃষ্ণা হৰ যি ফলৰ গছ আছিল নিজে নমৰিলে কিন্তু কাৰেও খাবলৈ নেপাইছিল। কিন্তু, 'শংকৰক দেখি ফল আপুনি সৰয়।' (পৃষ্ঠা ৪৪০) ৰূপসনাতনে দেখি বিস্ময় হৈছিল।

দ্বাৰকাত থকাৰ সময়ত, 'বিষু তিথি'ত (পৃষ্ঠা ৪৪৪) সাগৰত স্নান কৰাৰ সময়ত শংকৰক দেখা ভক্তসকলে দেখা নেপাই চিন্তা কৰিছিল, কিন্তু,

সাগৰৰ মাজত এক পুৰুষ দেখন্ত।
কিবা স্বৰ্গ আছে, কিবা আছয় পাতাল।' (পৃষ্ঠা ৪৮৫)

ধৰিব পৰা নাছিল। কিন্তু তেৰাকেই শংকৰদেৱ বুলি ধৰিছিল। তাৰ পাচত কৃষ্ণদেৱ, নাৰায়ণক শংকৰৰ এক কৰি এটি অলৌকিক ঘটনা শংকৰৰ লগত সকলে দেখিছিল। (পৃষ্ঠা ৪৮৬-৮৭)

শংকৰদেৱক এদিন এগৰাকী বিধবাই আহি জনাই চলহি এটি সাপোনৰ কথা। সপোনত তেওঁ দেখিছিল ৰামদাসৰ ঘৰত।

'এক চক মিঠাই আছে শিকিয়া উপাৰ। (পৃষ্ঠা ৫০৪)

এটি ব্ৰাহ্মণৰ লৰাই সেই মিঠাই চকৰ ওপৰত, 'হাতে সুবৰ্ণৰ দাৰা দালি ধৰি হাসি' (পৃষ্ঠা ৫০৪) বহি আছে। কিয় বহি আছে বুলি সুধিলত কৈছিল, সকলো বস্তুক দিলে। মাত্ৰ এই মিঠাই চক দিবলৈ পাহৰিলে। গতিকেই ৰখি বহি আছে। ৰামদাসক মাতি কোৰাণত প্ৰকৃত থকাটোৰ প্ৰমাণ পাইছিল।

এদিন শংকৰদেৱে ভক্তসকলৰ লগত নাম কীৰ্ত্তন কৰি থাকোতেই, 'দৱনাৰ গন্ধ সৱ পাইলন্ত অথাত।।' (পৃষ্ঠা ৫০৫) সকলোৱে জানিছিল জগন্নাথ স্বয়ং আহিছে। ৰামদাস সেই দিনা উপস্থিত নাছিল। শংকৰদেৱে, ৰামদাস আহিলত 'জগন্নাথ আসিছিল জানা ৰামদাস।' (পৃষ্ঠা ৫০৬) বুলি কৈছিল। ৰামদাসে দুখ কৰিছিল যে তেনে প্ৰসাদ তেওঁক নেপালে। আন দিনা আকৌ তাটি বেলা পুনৰ দৱনাৰ গন্ধ আক বেষ্টিকৈ আমোদিত হৈ ওলাইছিল। সেই দিনা শংকৰদেৱে আহ্লাদ কৰি কৈছিল, 'আজি পাইলা গোন্ধ ৰামদাসৰ প্ৰসাদে।।' (পৃষ্ঠা ৫০৬) বুলি।

কবীৰৰ ভাগি চিৰি যোৱা ঘৰখন মাকে পুনৰ সাজিবলৈ কৈছিল। কাচি লৈ কবীৰ খেৰ কাটিবলৈ গৈ হাবি জালি থকা উলু গছবোৰ দেখি তাতে 'কৃষ্ণ পাৱে দিয়া মন ধৰিলন্ত গীত।।' (পৃষ্ঠা ৭১৭) ঈশ্বৰ কৃষ্ণৰ দেখি দয়া উপজি,

'কবীৰৰ মূৰ্ত্তি ধৰি গৃহক সাজিল।।' (পৃষ্ঠা ৭১৭)

গধুলি কবীৰ ঘৰলৈ আহি কোন গৃহ সাজিলে বুলি মাকক সোধাত মাকে, 'বোলে এতিক্ষনে তুমি সাজিলাহা ঘৰ ।।' (পৃষ্ঠা ৭১৭) কবীৰে কথাবাৰ শুনি কৃষ্ণ কৃষ্ণ বুলি কেতিয়াবা হাঁহি, কেতিয়াবা কান্দি, কেতিয়াবা ওপৰলৈ হাত তুলি কৃষ্ণ ভাৱনাত মন মজি আপোন পাহৰা হৈছিল ।

অনন্ত কন্দলীয়ে তেওঁৰ স্ত্রীক প্রহাৰ কৰাৰ কাৰণে তেওঁৰ ঘৰৰ পৰা ধৰ্ম্ম বিতুৰলৈ গল বুলি শংকৰদেৱে কৈছিল । কাৰণ অনন্ত কন্দলীয়ে আগতে নেদেখা 'বৃষ' এটা তেওঁৰ পঢ়ুলি মুখত উৰ্দ্ধে চাই বহি থকা বুলি শংকৰদেৱক কৈছিল । শংকৰদেৱে অনন্ত কন্দলীক পুনৰ গৈ চাবলৈ কৈছিল আছেনে নাই । অনন্ত কন্দলীয়ে আহি পুনৰ কৈছিলহি, 'নেদেখিলো বাপ মই সেহি বৃষভক ।।' (পৃষ্ঠা ৮৯৫) তেতিয়া শংকৰদেৱে অনন্ত কন্দলিক কৈছিল,

'সিটো ধৰ্ম্ম জানা তযু গৃহত পশয় ॥ (পৃষ্ঠা ৭৯৫)

কিন্তু তেওঁ সহধৰ্ম্মিণীক প্রহাৰ কৰাৰ কাৰণে ধৰ্ম্ম গৃহৰ পৰা বিতুৰ হৈ গল । সোনকালে গৈ যদি তেওঁ ভাৰ্য্যাক আদৰেগৈ তেন্তে ধৰ্ম্ম পুনৰ উভতি আহিব ।

মাধৱদেৱক শংকৰদেৱে ধৰ্ম্মৰাজ্যৰ ভাৰ অৰ্পণ কৰাৰ সময়ৰে কথা । মাধৱদেৱে শংকৰদেৱক,

'শৰণ ভোজন ভক্তি তত্বক কহিয়ো ।
হৰি ভক্তি মহাৰত্ন মাক আৰে দিয়ো ॥ (পৃষ্ঠা ৮২৭)

বুলি কৈছিল । শংকৰদেৱে তেতিয়া নিজ ৰূপ ধৰি, চাৰি শৰণ, সাতখন বৈকুণ্ঠ আৰু দহ হেজাৰ ঈশ্বৰৰ কথা, ওঠৰ হাজাৰ ভাগৱত আৰু ওঠৰ হাজাৰ পুৰাণৰ শ্লোক, যত অৱতাৰ কথা, যাদৱ বংশ আদি কথা কৈছিল । 'আপোনাৰ পুত্ৰ নাতিসকলৰ (পৃষ্ঠা ৮০৮) আৰু

'সাত পুৰুষক লাগি ধৰ্ম্ম প্ৰবৰ্ত্তিত ।
জীয়াৰীৰ পুত্ৰে মোৰ ভকতি বাখিব ॥' (পৃষ্ঠা ৮২৯) বুলিছিল ।

কীৰ্ত্তন দশম য'ত থাকিব তাতে শংকৰদেৱো থাকিব, ইত্যাদি কথা কৈছিল । মাধৱদেৱক শংকৰদেৱে আৰু উপদেশ দিছিল, শংখ, চক্ৰ, গদা, পদ্মধাৰী নিজ ৰূপ ধাৰণ কৰি । ভক্তসকলে পৰম বিশ্বাসেৰে সেই কথা আৰু ঘটনাত আস্থা ৰাখিছিল ।

(২) ৰামানন্দ দ্বিজ—শ্ৰীগুৰু চৰিত

ৰামানন্দ দ্বিজে 'শ্ৰীগুৰু চৰিত'তো কম বেছি পৰিমাণে অলৌকিক ঘটনাক স্থান দিছে। চৰিতখনিৰ আৰম্ভণিৰ পৰা অলৌকিক ঘটনাৰ উল্লেখ থকা দেখা যায় যদিও অন্য চৰিতৰ তুলনাত কম।

শংকৰৰ জন্মৰ সময়ত এটা অস্বাভাৱিক পৰিবেশ হৈছিল তাৰ বিৱৰণ দিছে—

'অন্ধকাৰ নিশা জ্যোতিৰ্ময় দেখি
সবাৰো বিস্ময় মন ॥' (পৃষ্ঠা ২৬)

শংকৰৰ জন্ম হৈছিল এটি অলৌকিক ৰূপ লৈ। (পৃষ্ঠা ২৭) চৰিতকাৰে সকলোকে জনাই দিছে যে শংকৰ ঈশ্বৰ, ধৈৰ্য্য বুদ্ধি মনত ধৰি তেওঁক ভজিব লাগে। কাৰণ চান্দ মায়েও শংকৰৰ চতুৰ্ভুজ ৰূপ দেখা পাইছিল। (পৃষ্ঠা ৩৮) ইয়াৰ উপৰি কাণৰ লতি চিগিলত দুই হাতে ধৰাত জোৰা লাগি যোৱা (পৃষ্ঠা ৪৭), ৰাও মৰ্দ্দনত (পৃষ্ঠা ৫২) শংকৰদেৱৰ অলৌকিক শক্তিৰ পৰিচয় দিছে।

তুলসীৰামৰ মৃত্যুৰ কথা তেওঁ বাস গৃহৰ আগত থকা তুলসীৰ আগ ভাগ পৰি থকাতে বাকী ভক্তসকলে গম পাইছিল। (পৃষ্ঠা ৮৩)

শংকৰদেৱক হৰি মিশ্ৰই যেতিয়া, 'নাম আসিবেক কেনে সবাৰে মুখত' (পৃষ্ঠা ১৭২) বুলি কৈছিল, তেতিয়া শংকৰদেৱে হৰি মিশ্ৰৰ লগত কঠ লৈ আহা জয় ৰামৰ মুখত হৰি নাম নেৰাওক বোলাৰ লগে লগে জয়ৰামে ৰাম কৃষ্ণ ৰাম কৃষ্ণ উচ্চাৰণ কৰিবলৈ ধৰিছিল। শেষত,

'নিদ্ৰাত আসয় নাম শ্বাস নিশ্বাসত।
কি কহিবো শংকৰৰ কৃপাৰ মহত্ত ॥' (পৃষ্ঠা ১৭৩)

শংকৰদেৱৰ অলৌকিক শক্তিৰ কথা মানি শংকৰদেৱক গুৰু মানি ভাগৱত আগত থৈ শৰণ লৈছিল।

জগন্নাথ নামৰ ব্ৰাহ্মণজনে জগন্নাথ ক্ষেত্ৰত ভাগৱত পঢ়ি শুনাবলৈ গৈছিল। কিন্তু ৰাতি সপোনত জগন্নাথে,

'নামত শংকৰ আছে পূৰ্ব্ব প্ৰদেশত।
মোৰ মূৰ্ত্তি থাপি আছে আসম ৰাজ্যত ॥
তাংক যায়া তুমি শুনায়োক ভাগৱত।
তেবেসে সন্তোষ হয় মোহোৰ মনত ॥' (পৃষ্ঠা ১৭৫)

বুলি কৈছিল।

ভৱানন্দই বঙ্গদেশী মহাজন এজন আনি ঘৰত থৈ শৰণ লবৰ কাৰণে মনতে ইচ্ছা কৰিছিল। কিন্তু গধূলি সময়ত এজন বিপ্ৰ আহি উপস্থিত হৈ,

'বঙ্গ হন্তে সিটো মহাজন আসিছয়।
কৰিবাক খোজা তুমি তাহাতে আশ্ৰয় ॥
ব্যভিচাৰী সন্ত সিটো ভাল মুহিবয়।
নলৈবা তাহাৰ শিক্ষা ৰহিলো নিশ্চয় ॥
চতুৰ্ভুজ গুৰু তুমি পাইবাহা হাতত।' (পৃষ্ঠা ১৯৪)

বুলি কৈ ওলাই গৈছিল। ভবানন্দয়ো পাচে পাচে ওলাই গৈ আৰু সেই বিপ্ৰক দেখা নেপাই মনতে ভাবিছিল, 'বিপ্ৰ ৰূপ ধৰি মোক ঈশ্বৰে আসিয়া।' (পৃষ্ঠা ১৯৪) শৰণ লবৰ কাৰণে মানা কৰি গল।

সনাতনে ৰূপৰ সন্ধানত গৈ এখন অৰণ্য এৰি মুকলি ঠাইত গোপ বেশ ধৰি থকা হৰিক দেখি কান্দিবলৈ ধৰিছিল। হৰিয়ে লগত গোপ বালক বিলাকক গৰু নিবলৈ অহা চোৰ ধৰি নিবলৈ কোৰাত সনাতনই কোবাই মেলি কৃষ্ণৰ ওচৰ পোৱাইছিলগৈ। সনাতনে চকু মুদি গৰখীয়া ৰূপী কৃষ্ণৰ ভৰিত পৰি বহুত ক্ৰন্দন কৰিছিল। কৃষ্ণৰ কৃপা হল, নিজ ৰূপতেই ৰূপকো সনাতনে দেখা পাই বৰ আনন্দ পাইছিল। 'ঈশ্বৰৰ সঙ্গে পাচে ৰূপক দেখিয়া।' (পৃষ্ঠা ২৫২) কিন্তু তেনেতে সনাতনে দেখা পাইছিল,

'নাহিকয় গুৰু নাহি গোপ সমস্তয়।
দেখিলন্ত ৰূপ মাত্ৰ অকলে আছয় ॥' (পৃষ্ঠা ২৫৩)

বেহাৰৰ ৰজাৰ অনুৰোধত শংকৰদেৱে তাঁতীৰ সহযোগত বৈ উলিওৱা বৃন্দাবনী কাপোৰ চাই সকলো লোক সন্তোষ মনে ঘৰলৈ যোৱাৰ পৰতে এজনী বুঢ়ী শংকৰদেৱৰ ওচৰলৈ বস্ত্ৰ চাবৰ কাৰণে আহিছিল। কিন্তু তেতিয়া,

'জপাত কৰিয়া ভণ্ডাৰত থৈলা
কৰিয়া দৃঢ় বন্ধন। (পৃষ্ঠা ২৯১)

পতিকে শংকৰদেৱে কোনে আৰু দেখুৱাব বোলাত বুঢ়ীয়ে কৈছিল, পূৰ্ব্বৰ খং তেওঁৰ আছেই নেকি? কাৰণ গোকুলতে থাকোতে নন্দ যশোদাৰ ঘৰত থাকি গৰু চৰাওতে বুঢ়ী পানী আনিবলৈ গৈছিল চোতালত ধান মেলি। গৰু আহি সকলো ধান খাই পেলাইছিল,

'তযু ধন্ম বুলি নজানিয়া মই
কৰিলোহো অহংকাৰ
সেহি হেতু মোক বস্ত্ৰ নেদেখৱা
জানিলোহো সাৰে সাৰ ॥' (পৃষ্ঠা ১৯২)

শংকৰদেৱেও অল্প হাস্য কৰি পুনৰ বৃন্দাবনী কাপোৰ অনাই বুটীক দেখুৱাইছিল।

শংকৰদেৱক নেপাই বেহাৰৰ ৰজাই শংকৰদেৱৰ ভক্ত দুজন, গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক ধৰাই বন্দী শালত শিকলিৰে বন্ধাই থোৱাৰ পাচত,

'দোভাগ ৰাত্ৰি লোহা চিঙিয়া পৰিলা।' (পৃষ্ঠা ২০৮)

আৰু তেওঁলোকে ৰখীয়াক মাতি দেখুৱাইলে লোহা নিজে নিজে চিগি যোৱাৰ কথাটো। ৰখীয়াই গৈ গৰমালিক কৈছিল। গৰমালিয়ে আহি,

'ঈশ্বৰৰ মহিমা সাক্ষাতে দেখিয়া।
নিহন্ন দিবাক লাগি নিষেধ কৰিলা ॥' (পৃষ্ঠা ২০৮)

আনহাতে তিনি দিন বন্দীশালত গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক বন্দী কৰি থোৱাৰ পাচত গৰমালিক সপোনত শংকৰদেৱে,

'মহা প্ৰিয়তম মোৰ ভক্ত দুইজন।
আসবাক দুখ এই দেস কি কাৰণ ॥' (পৃষ্ঠা ২১২)

বুলি প্ৰশ্ন কৰি অন্তৰ্দ্ধান হৈছিল।

প্ৰথম অৱস্থাত শংকৰক নিন্দা কৰা যৱনকুলৰ চান্দ সাইক শংকৰদেৱে ঈশ্বৰ স্বৰূপ চতুৰ্ভুজ ৰূপ দৰ্শন কৰাইছিল আৰু চান্দসায়ে সেই দৃশ্য চাই থাকিব নোৱাৰি মাটিত কপি কপি পৰি গৈছিল। তেতিয়া, অনন্তৰে শংকৰেও ৰূপ সম্বৰিলা। (পৃষ্ঠা ২১৭) আৰু চান্দসায়ে, 'শংকৰ ঈশ্বৰ বুলি আজিসে জানিলো।' (পৃষ্ঠা ২২৯) বুলি উপলব্ধি কৰিছিল।

বৈষ্ণৱ ধৰ্মত দীক্ষিত হৈয়ো দেৱী পূজা কৰাৰ কাৰণে জগন্নাথলৈ প্ৰায়শ্চিত্তৰ কাৰণে যোৱা ৰজাসকলক জগন্নাথলৈ যাবলৈ নিদিবলৈ জগন্নাথেই মন্দিৰৰ বৰ পৰিচাৰকক সপোনত আদেশ দিছিল,

'মোহোৰ থানত নপশোক দিটো
কৰ গৈয়া নিবাৰণ।
শংকৰৰ ত্যাগিলা মযো যে ত্যাগিলো
কহিলো শুনা কাৰণ ॥' (পৃষ্ঠা ৩৫২)

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজ চৰিত 'শ্ৰী শ্ৰীশংকৰদেৱ'ত আন আন চৰিত্ৰ পুথিত থকাৰ দৰে অলৌকিক ঘটনাৰ প্ৰাচুৰ্য্য নাই। অতি সংযত ৰূপত দুই এঠাইত অলৌকিক ঘটনাৰ সংযোগ নকৰাও নহয়।

নাৰায়ণ ঠাকুৰে এদিন মাধৱদেৱৰ বাট চাই থাকোতে কৃষ্ণৰ ৰূপ চিন্তা কৰি আছিল। 'ভক্ত কৃপাল দেৱ নাৰায়ণ সাক্ষাত আসি ভৈলন্ত॥' (পৃষ্ঠা ১২০) মনোমত দ্ৰব্য দি গোপালক অৰ্চনা কৰিছিল।

বেহাৰৰ ৰজা নৰনাৰায়ণে শংকৰদেৱৰ ভক্তক শাস্তি দি ভোটক বিক্ৰি কৰি দিবৰ কাৰণে দিছিল। গোকুল চান্দ আৰু নাৰায়ণ দাসক ভোটে স্বাস্থ্যবান মানুহ পাইছে বুলি আনন্দমনেৰে কিনি লৈ যাওঁতেই,

'দেখে অন্ধকাৰ আখি নাকলে পলক।
চলোঁ পৰোঁ কৰে কাৰো থিৰ নযায় পাৱ।
যেন বায়ু অধিক বেথিত কৰে গাৱ॥

আগক লাগিয়া ভৰি নেযায় আমাৰ॥' (পৃষ্ঠা ১৮৫)

অৱস্থা হৈছিল। দুয়োকে ভোটে, 'দেৱ যে মানুষ আনি আছএ লগত' (পৃষ্ঠা ১৮৫) বুলি ঘূৰাই দিছিল গৈ।

ভৰিত শিকলি লগাই থোৱা গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক ভোটে নিনি ঘূৰাই দিয়াৰ পাচত কৃষ্ণৰ নাম চিন্তা কৰি শিকলিৰে সৈতে বান্ধি থুই থকা অৱস্থাতে,

'অতিশয় বৰ ভাণ্ট লোহাৰ নিহল পাণ্ট
নাৰাণ দাসৰ ভৰিৰ খহিলা॥' (পৃষ্ঠা ১৯০)

আকৌ নিহল লগাওঁতো পুনৰ স্নান ক'ৰবলৈ যাওঁতে ছিগি গৈছিল। হৰি ভক্তক হৰিয়ে তেনেকৈয়ে কৃপা কৰে তাৰে চিন।

গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক বন্দী কৰি থৈ বধীয়া হৈ থকা হৰিক শংকৰদেৱে সপোনত দেখা দি,

'মোৰ ভক্তক এতে দুখ দেই
দিছো মোৰ শংকা নাই॥

আমি বিদ্যমান আছন্তে ভক্তৰ
ভোগ্টে কিনিবাক পাৰে ।
কোনেবা দিবেক কোনেবা নিবেক
শকতি আছে কাহাৰ ॥' (পৃষ্ঠা ১৯৩)

তাৰ পাচত দিব্য বিমানত উঠি শংকৰদেৱে গুচি গৈছিল ।

(৪) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচখন পুথিৰ সাৰ)

গোপালদেৱৰ জীৱন কথা লিপিবদ্ধ কাৰৰলৈ লৈ তেওঁৰ জীৱন কথাৰ লগত জড়িত দুই চাৰিটা অলৌকিক ঘটনাৰো উল্লেখ কৰিছে ।

কফিলা গাৱৰ জগন্নাথ আৰু গোপালদেৱ ৰাতি শুই আছিল । দ্বিতীয় প্ৰহৰ যোৱাৰ পাচত জগন্নাথ গুৰুৱে চাপৰি বজাই নাম গাবলৈ ধৰিছিল আৰু 'নামলুব্ধ' ভগবানে সাক্ষাৎ দেখা দি নৃত্য কৰিবলৈ ধৰিছিল । জগন্নাথ গুৰুৱে নবীন চকত গাখীৰ পগাই ঘন কৰি থৈছিল মাধৱদেৱক দিব বুলি, কিন্তু

'ৰাধাক নগনি পাছে একহাতে চক ধৰি
আউৰ হাতে পাত ফুটাইলন্ত ।' (পৃষ্ঠা ৬৩)

আৰু দুগ্ধক ভোজন কৰি অন্তৰ্দ্ধান গৈছিল ।

গোপাল আতাই বঠা বাই নাৱ চলাই অহাত, মধেৱদেৱৰ বৰপেটাতেই হাত দুখনত বিষ অনুভৱ কৰিছিল,

'দুই খন হাত দুখায় আজি মোৰ
মুখা লাগে ঘনে ঘনে ।
জানিলো গোপালে বৈঠা বাই আসা
নাহিকে আন কাৰণ ॥' (পৃষ্ঠা ৬৭)

দহ বছৰ বয়সতে গোপাল মদমত্ত হাতী এটাৰ দহ হাতমান দীঘল শুৰ ভাল টানি আনি বধ কৰিছিল । ৰজাৰ সাক্ষাতেতে এই ঘটনা দেখি ৰজাই কৈছিল,

'এতেকে জানিলো মানুষ নুহিকা
আত্তমা এহো সবাৰে ।' (পৃষ্ঠা ৯০)

গোপাল আতা মাধৱদেৱৰ ইমানেই প্ৰিয় আছিল যে বচনৰ কাৰণে গোপাল আতাই খৰি কাটোতে মাধৱদেৱৰ হাতৰ আঙুলিত ঘা লাগিছিল । (পৃষ্ঠা ১২০)

অসম ৰাজ্যৰ ৰজাই যি সন্ন্যাসীৰ কথা শুনি দেশত দেৱী পূজাৰ প্ৰবৰ্ত্তনত জোৰ দিছিল, সেই সন্ন্যাসীৰ কপিন বসন আৰু পশ্চিম দেশৰ পৰা বৈৰাগী জনৰ নাম ধৰ্ম্মৰ মাহাত্ম্য চাবৰ কাৰণে তেওঁ জপৰ মালা জুই লগাই পৰীক্ষা কৰি চাবৰ কাৰণ বৈৰাগীয়ে কোৱাত, সভাৰ মাজত ওলোৱা জুইত 'সন্ন্যাসীৰ কপিলবসন ভস্ম ভৈল (পৃষ্ঠা ৩২৯ অ'ক 'বৈৰাগী ভকতৰ মাল। পূৰ্ব্বতে ভৈল' (পৃষ্ঠা ৩২৯) সকলো আচৰিত হৈছিল আৰু ৰজাই নাম ধৰ্মৰ মাহাত্ম্য বুজি পাইছিল।

(৫) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ

নীলকণ্ঠ দাসৰ 'শ্ৰীশ্ৰী দৱ দামোদৰ চৰিত্ৰ' নামৰ চৰিতখনিতো অতিলৌকিক ঘটনাৰ সমাবেশ হৈছে।

দামোদৰদেৱৰ জন্মৰ আগতে দেউতাক সত্যানন্দই অনাহাৰে মাধৱক আৰাধনা কৰিছিল। মাধৱ তুষ্ট হৈ সপোনত দেখা দিছিল। মাধৱৰ সম্পূৰ্ণ ঐশ্বৰিক ৰূপ দেখা পাই, আনন্দত দণ্ডৱতে পৰি প্ৰণাম কৰিছিল। ভগৱানে তুষ্ট হৈ কৈছিল, "তয়ু ভকতিত তুষ্ট কৰিলাহা মোক' (পৃষ্ঠা ১৭) আৰু 'পুত্ৰ হৈ তয়ু গৃহে হৈবা অৱতাৰ (পৃষ্ঠা ১৭) তাৰ পাচত মাধৱ অন্তৰ্দ্ধান হৈছিল। আনহাতে সত্যানন্দৰ ভাৰ্য্যাকো সপোনত দেখা দি, "দিয়ো থান সতি বুলি ভৈলা অন্তৰ্দ্ধান' (পৃষ্ঠা ১৮)

অসম ৰজাৰ দূতে বল্লাকৰ আৰু দামোদৰদেৱক ধৰি নি বন্দী কৰিবৰ কাৰণে ৰচি আনিছিল। কিন্তু 'হাতত লুকাই জৰি দেখি অদ্ভুত (পৃষ্ঠা ৩০) পুনৰ জৰি আনে আকৌ হেৰায়। শেষত নি সুদৃঢ় গুড়ৰ ভিতৰত বন্দী কৰি থৈছিল গৈ। (পৃষ্ঠা ৩০)

, দামোদৰদেৱৰ পিতৃ সত্যানন্দৰ মৃত্যুৰ আগ মুহূৰ্ত্তত দেখা পাইছিল, 'গগন মাঝে দিব্য এক বিমান আসয়। (পৃষ্ঠা ৫৬) সেই বিমানত শ্যামল, সুশোভন শৰীৰৰ চাৰিজন চতুৰ্ভুজ উঠি আহিছিল। সত্যানন্দৰ ওচৰলৈ আহি কৈছিল, 'আসিয়ো বিজবৰ' (পৃষ্ঠা ৫৭) সত্যানন্দই পুত্ৰ পৰিবাৰক কৈছিল, তেওঁক নিবৰ কাৰণে বিমান আহিছে। স্বৰ্গত দুন্দুভি বজাই চাৰি দূতে লৈ গৈ 'সপ্ত স্বৰ্গ চেৰাই পাইলাগৈয়া বৈকুণ্ঠ ভুবন॥' (পৃষ্ঠা ৫৮)

দামোদৰদেৱৰ ভনিয়েক সুশীলাৰো মৃত্যুৰ আগত আকাশৰ পৰা বিমান অহা দেখা পাইছিল। ককায়েকক নিবলৈয়ো বিমান অহাৰ কথা কৈছিল,

'আসিলা বিমান দেখা চলোবো এখন।' (পৃষ্ঠা ১১২) কৃষ্ণৰ গুণ গাই বিমানত উঠি দিব্য ৰূপে ধৰি ধৰি গৈছিল।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়তো অলৌকিক ঘটনা ঘটিছিল। মালা ধৰি শংকৰে আসনত বহিছিল আৰু ৰামকৃষ্ণ নামলৈ দেহ ত্যাগ কৰিছিল। ভক্তসকলে চাৰিওফালে হৰিধ্বনি কৰিছিল,

"ৰত্নময় বিমানে শংকৰ চলিলন্ত॥
দিব্য চতুৰ্ভুজ ৰূপে কৰন্ত প্ৰকাশ।" (পৃষ্ঠা ১১৭)

নানা বিধ বাদ্য বাজিবলৈ ধৰিছিল। সিদ্ধ মুনিসকলে দিব্য পুষ্প বৰষিছিল, বিদ্যাধৰ অপেশ্বৰাই যোগান ধৰিছিল। দিব্যৰূপ ধৰি শংকৰদেৱ বৈকুণ্ঠলৈ গৈছিল। (পৃষ্ঠা ১১৭)

দামোদৰদেৱো প্ৰয়াণৰ সময়ত জগন্নাথৰ পাওাক সপোন দেখুৱাইছিল মৃতকৰ মঙ্গলৰ সকলো বস্তু নিবলৈ। কাৰণ কৈছিল, 'তাহান আমাৰ কিছু ভেদতাৰ নাই। (পৃষ্ঠা ১৬৩) জগন্নাথৰ পাওাৰো দ্বাদশ শালগ্ৰাম, দমনা নিৰ্মাল্য, অক্ষয বটপত্ৰ, নাৰিকল, ঘৃত, গঙ্গাকে ধ ৰ সত তীৰ্থৰ জল লৈ বেহাৰ পাইছিলহি। দামোদৰদেৱেও ভকতসকলক কৈছিল যে জগন্নাথে তেওঁক যাবলৈ আজ্ঞা দিছে আৰু সকলো বস্তু জগন্নাথেই পঠাই দিছে। (পৃষ্ঠা ১৬৪)

'কালি প্ৰতিপদ যাইবো আনন্দ কৰিয়া।' (পৃষ্ঠা ১৬৬) বুলি পুত্ৰ বনদেৱক বেহাৰত আৰু ভট্টদেৱক পাটবাউসীৰ দায়িত্ব দিছিল। ভতিজাক পাঠকচন্দ্ৰক পিণ্ড জলৰ দায়িত্ব দিছিল। ভক্তসকলে দামোদৰদেৱৰ পুত্ৰ, ভতিজাক আৰু জগন্নাথৰ পাওাক লৈ কৰা নাম কীৰ্ত্তনৰ ধ্বনিৰে আকাশ চুই যোৱাৰ অৱস্থাতে দামোদৰদেৱে 'চাৰিভুজ দৰ্শাইলা' (পৃষ্ঠা ১৬৮) আৰু সকলোৱে তেওঁকেই ঈশ্বৰ বুলি জানিছিল। জগন্নাথৰ নিৰ্মাল্য দামোদৰদেৱে নিজে পিন্ধিছিল। মহাপ্ৰসাদো ভুঞ্জিছিল। ৰাতি পুৱাৰ লগে লগে স্নান কৰি ধৌত বস্ত্ৰ পিন্ধি চক্ৰ, শালগ্ৰাম মূৰত লগাই, শালগ্ৰামৰ পানী ভুঞ্জি, তুলসীৰ মালা মূৰত ডিঙিত লগাই, তুলসী বোৱাৰ ঠাইলৈ গৈ, 'কৃষ্ণসাৰ মৃগ চৰ্ম্ম নিকটে পাৰিলা (পৃষ্ঠা ১৭০), বটপত্ৰ কুশাসন তাতে থৈ বাৰ শালগ্ৰাম বাৰ অঙ্গত পৰশাই থৈছিল। ভক্তসকলে কৃষ্ণ নাম গাই আছিল। হাতত জপৰ মালা লোৱাৰ পাচত সাক্ষাৎ কৃষ্ণ মূৰ্ত্তিৰ দৰে দেখা গৈছিল। 'বৈকুণ্ঠৰ পাৰিষদে বিমান আনিলা' (পৃষ্ঠা ১৭০) সূৰ্য্যৰ দৰে জ্যোতি যেন নামি আহিছিল। কিংকিনি নূপুৰৰ ৰুনুজুনু বাদ্য ধৰ শুনা গৈছিল,

পদ্মিনী সুন্দৰীসকলে উকলি ধ্বনি কৰিছিল, পাৰিজাত ফুল বৰষিছিল। কৃষ্ণৰ সৈতে একে চেহাৰা মাত্ৰ শ্ৰীবৎস আৰু কৌস্তুভ মণি নথকা চতুৰ্ভুজ পাৰিষদে বিমান লৈ আহিছিল। দামোদৰদেৱৰ প্ৰয়াণ হৈছিল।

(৬) ৰমাকান্ত দ্বিজ—শ্ৰীশ্ৰীবনমালিদেৱ চৰিত্ৰ

ৰমাকান্ত দ্বিজৰ 'শ্ৰীশ্ৰীবনমালিদেৱ চৰিত্ৰ'ত বনমালিদেৱৰ জীৱন কথাৰ লগত জড়িত অলৌকিক ঘটনাসমূহক বৰ্ণনা কৰি গৈছে। ছবছৰীয়া বনমালিয়ে পদগুনি থাকোতেই নামৰ ঠাইতে টোপনি গৈছিল। নাম শেষ হোৱাৰ পাচত বনমালিৰ কথা পাহৰি নাম ঘৰতে বনমালিক এৰি থৈ সকলো দিহা দিহি গুচি আহিছিল। ৰাতি সপোনত বংশীগোপালক হৰিয়ে বিপ্ৰ ৰূপত কৈছিল,

'তুমি সুখে গৈলা নিদ্ৰা আমাক নাহিকে চিন্তা
কঠে পৰি থাকি লোহো মই।
কোন থাকে কোন ঠাই তাৰো উৱাদিহ নাই
কিচো মান নিচিন্তৰ তুই॥' (পৃষ্ঠা ২৭)

জগন্নাথ ক্ষেত্ৰলৈ বুলি যাত্ৰা কৰি বনমালি লগৰ লোকৰ সৈতে পদ্মাৱতী গঙ্গাৰ তীৰ পাইছিল গৈ। গঙ্গা পাৰ হবৰ কাৰণে নাৱত উঠিছিল। কিন্তু নাৱ গৈ মাজতে বৈ গৈছিল। কিন্তু,

'হাতে জল চুই মাতিলা গোসাঞি
পাচে দেৱী তুণ্ড ভৈলা॥' (পৃষ্ঠা ৪৭)

আৰু তেতিয়াহে সোনকালে নৈ পাৰ হৈ ভাগিৰথি পাই তাৰ পাচতে ৰাতিটো কটাইছিল।

ভাগিৰথিৰ পাৰত ৰাতি বটাওতে গঙ্গাই ভক্তক সপোনত দেখুৱাইছিল,

'গোসাঞি আসিলন্ত স্নান কৰিবন্ত
পৰম আনন্দ মোৰ।
তাহান সঙ্গমে জানিলো নিশ্চয়
গুচিবে পাতক মোৰ।' (পৃষ্ঠা ৪৭)

বনমালিৰ স্পৰ্শত গঙ্গাৰ পাতক গুচিব বুলি গঙ্গাই আনন্দ কৰা কথাটো মন কৰিব লগীয়া।

জগন্নাথ ক্ষেত্ৰ গৈ পোৱাৰ পাচত বনমালিদেৱক শিশু জগন্নাথ বুলি পাণ্ডা-সকলে মানি প্ৰদক্ষিণ কৰি নমস্কাৰ কৰিছিল,

'আনো নানা স্তুতি পৰ বুলিলন্ত
শিশু জগন্নাথ বুলি।

পাণ্ডা লোকে পাছে অন্যো আন্যে বোলে
এহি শিশু জগন্নাথ॥' (পৃষ্ঠা ৪৯)

হলেশ্বৰৰ মূৰ্ত্তিক বনমালিদেৱে আনিব খোজাত দেৱতাসকলৰ মহা ভয় হৈছিল। কাৰণ,

'গোসাঞি অথাত থাকে বিঘ্নি হোৱে দুৰ।
অন্য পথে জাৱে সবে গৰ্ব্ব হোৱে চুৰ॥' (পৃষ্ঠা ৭৫)

এই বুলি বনমালিদেৱক মূৰ্ত্তি অনাত বিঘ্ন কৰিবৰ কাৰণে ইন্দ্ৰ দেৱতাই ঘোৰ বৃষ্টি কৰাইছিল। দেৱতাৰ আগ্ৰহৰ কথা জানি আৰু মূৰ্ত্তি নিয়াৰ কথা বাদ দিছিল।

(৭) ৺ৰত্নেশ্বৰ গোঁসাই সংকলিত—শ্ৰীশ্ৰীগোপালদেৱ কথা চৰিত

৺ৰত্নেশ্বৰ গোঁসায়ে সংকলন কৰা 'শ্ৰীশ্ৰীগোপালদেৱ কথা চৰিত' খনিতো অলৌকিক ঘটনাই স্থান পাইছে।

বৰপেটাত থকা সময়তে মাধৱদেৱে কংকিলা গুৰুৱে দিয়া ৰূপ তিনি স্তুতিৰে 'পাৰিজাত হৰণ' যাত্ৰা কৰি থকা অৱস্থাতে পৰম সুঘ্ৰাণ সভাৰ মাজত পাইছিল,

'অনন্তৰে ঘ্ৰাণ পাই সবেও সবাক চাই
বোলে ইটো সুঘ্ৰাণ কিসৰ।' (পৃষ্ঠা ১৬৮)

অকল সুঘ্ৰাণেই নহয়, অশ্বথৰ ডাল ভঙাৰো শব্দ হৈছিল। সকলোৱে শুনি ওচৰলৈ গৈ দেখিছিল ডাল ভাগিচে। বাত, বৃষ্টি, বজ্ৰপাত একো নাই, 'কেনে বৃক্ষ ভঙ্গ ভৈল' (পৃষ্ঠা ১৬৮) বুলি মানুহ ৰবাবৰি শুচি গৈছিল। পিচদিনা পুৱা সকলোৱে স্নান কৰি আহি মাধৱদেৱক কাৰণ সুধিছিল। অশ্বথ গছৰ ওচৰলৈ গৈ মাধৱদেৱে,

'বোলন্ত গৰুড় পক্ষী যাত্ৰা চাইৱে আসিছিল
দেখা সাক বাজিয়েছে নখৰ।
গৰুড়ৰ শৰীৰৰ তুমি সবে পাইলা যিটো
পৰম সুপ্ৰাণ কচিকৰ॥' (পৃষ্ঠা ১৬৮-৬৯)

(৮) ৰমানন্দ দ্বিজ—শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ

বংশীগোপালদেৱৰ জীৱন কথাৰ লগত যি অলৌকিক ঘটনা সন্নিবিষ্ট হৈ আছে, চৰিতকাৰ ৰমানন্দ দ্বিজ সেই কথা লিপিবদ্ধ কৰি গৈছে।

বংশীগোপালদেৱক ঈশ্বৰ ব্ৰাহ্মণৰ বেশ ধৰি শয়নত দেখা দি কি কৰিব কি নকৰিব কৈছিল। বংশীগোপালেও ঈশ্বৰৰ চৰণত পৰি কৈছিল যে কিমান ভাগ্যৰ বলত তেওঁৰ চৰণৰ ধূলি পালে। বংশীগোপালক ব্ৰাহ্মণ বেশী ঈশ্বৰে সত্য কৰাই লৈ,

'বিবাহ নকৰি ভজিয়োক হৰি
সাৰ সুখ হইবে তোৰ।
আনন্দ ৰসত ফুৰিবি সতত
স্থৰিবি বাক্য মোৰ॥' (পৃষ্ঠা ১৮) বুলি কৈ

অন্তৰ্দ্ধান হৈছিল।

দেশত আকাল পৰাত বংশীগোপালৰ চিন্তা হৈছিল ভক্তক কি কৰি ৰক্ষা কৰিব। চাউলো নাই, ধনো নাই,

'হৰিদেৱে যদি পোষে আপুনি ভক্তক।
তেবেবা ইবাৰ নেৰ ভকতে আমাক॥' (পৃষ্ঠা ৫৬) বুলি

মনতে চিন্তা কৰি হৰিক স্মৰণ কৰি ভক্তসকলক নিজ নিজ ঠাইলৈ পঠাই দিছিল, তেনেতে, অত্যন্ত বিশিষ্ট মূৰ্ত্তিৰ এজন তেজস্বী ব্ৰাহ্মণ বংশীগোপালে দেখা পাইছিল। সুধিছিল,

'কৈৰ পৰা আসা তুমি উত্তম ব্ৰাহ্মণ।
কৈত থাকা কিবা নাম কিবা প্ৰয়োজন।' (পৃষ্ঠা ৫৬)

তেতিয়া ব্ৰাহ্মণ কৈছিল তেওঁৰ খুব ভোক লাগিছে, সোনকালে খাবলৈ দিব লাগে। বংশীগোপাল বিবুদ্ধি হৈছিল, ব্যৱহাৰ কৰাবে অলপ চাউল আছিল কেনেকৈ দিব ভাবিছিল। কিন্তু ব্ৰাহ্মণে কৈছিল, অৱশিষ্ট তণ্ডুলকে খোৱাৰ ব্যৱস্থা কৰি দিবলৈ। ব্ৰাহ্মণৰ কথা শুনিয়েই ভাত ৰান্ধি পাতত বাঢ়ি ব্ৰাহ্মণ ভোজন কৰাই বস্ত্ৰ দিবৰ কাৰণে উঠি গৈ ঘূৰি আহি আৰু দেখা নেপাইছিল। খৰি পোৱাবো চিন নেপাইছিল, চকটো ছাই লগা নাছিল, 'পাত্ৰে নাই কিছু চিহ্ন অন্ন থাকিবাৰ॥' (পৃষ্ঠা ৫৮) বংশীগোপাল অবাক হৈছিল। ৰাতি শোৱাৰ সময়ত পুনৰ ব্ৰাহ্মণে দেখা দি বংশীগোপালক আশ্বাস দিছিল, তেওঁ ছুপৰীয়া যি আহাৰ খুৱাইছিল

তাতে তেওঁ সন্তুষ্ট। তেওঁৰ আৰু দ্ৰব্যৰ কাৰণে চিন্তা কৰিব নেলাগে, সদায় ব্ৰাহ্মণে দিব,

'এহি বুলি তৃতীয অঞ্জলি তণ্ডুলক।
দিযা গৈল পুনু নেদেখিলা ব্ৰাহ্মণব ॥' (পৃষ্ঠা ৫৯)

সেই তিনি মুঠি চাউলকে বংশীগোপালে দাঢ়িব নোৱাৰা কৈছিল। এনে ব্ৰাহ্মণৰ কথা শুনাও নাছিল, দেখাও নাছিল বুলি ভাবিছিল।

চাপৰৰ গ্ৰামত থাকোতে এদিন নিশা বংশীগোপালদেৱে শৌচ কৰিবৰ কাৰণে বাৰীৰ পিচফালে গৈছিল। ভকতে পোহৰ কৰিবলৈ গোৱাৰ আগতে দেখিবলৈ পাইছিল, 'তেখনে আন্ধাৰচয় গুচ যেন সূৰ্য্যোদয়।' (পৃষ্ঠা ১৪৭) আৰু বংশী-গোপালদেৱে গৃহত প্ৰবেশ কৰাৰ লগে লগে বাৰীখন পুনৰ অন্ধকাৰময় হৈ পৰিছিল। ভকতসকলে গম পাইছিল। বংশীগোপালে ভয় কৰে বুলি কৈছিল, 'কৃষ্ণ আসি প্ৰকাশ কৰিলা।' (পৃষ্ঠা ১৪৮) ধোৱা চুবুৰিতো মহিমা প্ৰদৰ্শন কৰিছিল,

'বহু চোৰ বৃক্ষগণে দেহ এৰি বন্ধ মনে
তুতি কৰি দেৱক নমিলা ॥
পায়া তযু দৰশন তৰি আমি বৃক্ষগণ
চলি যাঞ বৈকুণ্ঠ পুৰক ॥' (পৃষ্ঠা ১৪৮-৪৯)

বুলি আকাশলৈ শাৰী শাৰী কৰি বিমানত উঠি গৈছি গৈ। সেই ঘটনা সপোনত বংশীগোপালে দেখা পাইছিল আৰু দুপৰীয়া 'ঝাই ঝাই বৃক্ষ যত মৰিল দেখিলা সৰ্ব্বজনে।' (পৃষ্ঠ ১৪৯)

ঘোৰ অন্ধকাৰত ভকতসকলৰে সৈতে বংশীগোপালে নুইতত গৈ থাকোতে, কোন ঠাইত নাও পাইছিলগৈ এনে উকা দিহ পোৱা নাছিল। কিন্তু,

'দেব মাত্ৰ হাঁসি হাঁসি বোলে পইলো পাইলো আসি
কোনো কিছা ভয় নকৰ'হা।' (পৃষ্ঠা ১৫০)

আন এদিন ভাণ্ডাৰত চাউল নাই বুলি ভাণ্ডাৰীয়ে জনাইছিল। চাউল নাই ভকতে কি খাব? বংশীগোপালে 'বুলিলন্ত শংকা নাই উজনীয়া কুমাৰ আসিব।' (পৃষ্ঠা ১৫১) সাতখন নৌকাত ভৰাই অনেক সম্ভাৰ আনিব। দুপৰীয়া দেখিবলৈ পাইছিল, সঁচাকৈয়ে কুমাৰ আহিছিল অনেক সম্ভাৰলৈ।'

বহু ভকতই বল দিও মঠটোত 'চৰতি তুলিব পৰা নাছিল।' বংশীগোপালদেৱে 'বাম হস্তে ধৰি' (পৃষ্ঠা ১৫৪) লাগে দাঙি তম্ভত থুৱাইলা। (পৃষ্ঠা ১৫৪) ভকতসকলে 'মহিমা তুহিকে ইটো বংশীগোপালৰ।' 'মানিলেক কৃষ্ণ দেৱতাৰ' (পৃষ্ঠা ১৫৪) বুলি।

দেৱৰ গ্ৰামত থাকোতে ৰাতি সপোনত মহেশে ত্ৰিশূল ডম্বৰু হাতত লৈ বংশীগোপালক হাঁহি হাঁহি প্ৰেমভাবে সাৱতি ধৰি কৈছিল,

'শুনিয়ো গোপাল তুমি মোহো'ক দেখিতে।
কিয় নথাৱাহা কিবা ভিন্ন কৰা চিত্তে।
মোহোৰ বান্ধৱ সদা হৰি ভকতেসে।
মোতো মহা প্ৰীতি আছে ভক্ত বিশেষে॥
এতেকে আসিলো মঞি দেখিত তোমাক।
ঈশ্বৰ সমান মানো বৈষ্ণৱসৱক॥' (পৃষ্ঠা ১৬১)

আনহাতে মন্দিৰৰ ঠাকুৰকো সপোন দেখুৱাইছিল সন্তক দেখিবলৈ যাব বুলি আৰু পুৱা হাতীত উঠি মাউত নোহোৱাকৈ গতি কৰিছিল।

বংশীগোপালৰ অস্থি পশ্চিমলৈ নে গৈ জয়হৰিদেৱে বেহাৰতে থোৱাত ৰাতি সপোনত গৌৰাঙ্গ বৰ্ণ তুয়োহাতে শাঙ্খ পিন্ধা নাৰীয়ে কৈছিল, কি কাৰণে অস্থি আনিও নিদিয়াকৈ আছে? বলদেৱক কথাটো জয়হৰিয়ে জনাওঁত 'হা হা গঙ্গা মায়েসে আসিলা (পৃষ্ঠা ২৩২) আৰু তেৱেঁই আজ্ঞা কৰা বুলি গঙ্গাত অস্থি লগাবৰ কাৰণ লৈ গৈছিল। গঙ্গাৰ পাৰত 'অস্থি নিৰি নৈৰম্ভ কৰন্ত' (পৃষ্ঠা ২৩৬) কাৰণে হয়তো গঙ্গাৰ থং উঠি প্ৰচণ্ড মূৰ্ত্তি ধৰি গঙ্গাই পাৰ খহাবলৈ ধৰিছিল। তেতিয়া জয়হৰিয়ে কাষু পাৰি সেৱা কৰি 'আজি নিশা ক্ষমা কৰিয়োক' (পৃষ্ঠা ২৩৬) বুলি তামৰ পাত্ৰত অস্থি ভৰাই গঙ্গাত নমাৰ লগে লগে গঙ্গাৰ ধাৰ পাক দি ঘূৰিবলৈ ধৰিছিল। জয়হৰিয়ে মন্ত্ৰ পঢ়ি অস্থি পাত্ৰসমে বিসৰ্জ্জন নিদিয়াকৈ তামৰ পাত্ৰ গঙ্গাতে এৰি পাৰলৈ উঠি আহিছিল তেতিয়া,

'জলধাৰা পাক এড়ি প্ৰথমে মধ্যকে গৈল
পাছে দক্ষিণক বহিলন্ত॥' (পৃষ্ঠা ২৩৭)

গঙ্গাৰ পাৰৰ পৰা কাণ্ড দেখি সকলো আচৰিত হৈছিল।

এজন গৃহস্থৰ অনেক খাদ্যদ্ৰব্য আছিল—ধান, সৰিয়হ, কপাহ আদি। এদিন সপোনত এজন ব্ৰাহ্মণে আদেশ দিছিল—অলপ মাত্ৰ খৰত ৰাখি বাকীখিনি দামোদৰৰ ওচৰত দি আহিবলৈ,

'নেদ যদি কহো তঞি   গৃহকো পুড়িবো মঞি
পাছে দুখ লভিবি সাক্ষাতে ॥' (পৃষ্ঠা ২৬০)

(৯) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ—মাধৱদেৱৰ চৰিত

দৈত্যাৰি ঠাকুৰে শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন কথা ভক্তিসহ লিপিবদ্ধ কৰিবলৈ লৈ তেৰাসকলৰ জীৱনৰ লগত অলৌকিক ঘটনাসমূহকো আদৰি লৈ লিখি গৈছে।

শংকৰদেৱ, মাধৱদেৱে ভক্তসকলক লগত লৈ নাম কীৰ্ত্তন কৰাৰ পাচত মাধৱদেৱ আৰু ৰামদাসে প্ৰসাদ বিতৰণ কৰিছিল। সিদিনা এচক মিঠাই নেদেখাৰ কাৰণে দিবলৈ থাকি গৈছিল। ৰাতি এগৰাকী বিধৱাই সপোনতে হাঁহি হাঁহি মিঠাইৰ চক এটাৰ ওপৰত বহি থকা এটা লৰা দেখি প্ৰশ্ন কৰিছিল তেওঁ কোন, কি কাৰণে আহিছে,

'তেহো কহিলন্ত মোকে সবে বস্ত্ৰ দিল।
এহি মিঠাই চক মাত্ৰ পাহৰি ৰহিল ॥
তাক ৰখি আছো মই কহিলো সাক্ষাৎ।' (পৃষ্ঠা ৮১)

বিধৱা ব্ৰাহ্মণীয়ে শংকৰদেৱক কথাটো কৈছিল গৈ। শংকৰদেৱে চোৱালত কথাটো সঁচা প্ৰমাণ পাই সকলোকে বিলাই দিয়াইছিল।

আন এদিন শংকৰদেৱে, মাধৱদেৱ আৰু ভক্তসকলৰ লগত নাম কীৰ্ত্তন কৰি থাকোতে দৱনাৰ গন্ধো মলমলাই যোৱা গম পাইছিল। 'জগন্নাথ আসি আছা সবে লোকে কহে' (পৃষ্ঠা ৮৩) কিন্তু সেই দিনা নামত ৰামদাস উপস্থিত থাকিব পৰা নাছিল। শংকৰদেৱৰ পৰা কথাটো গম পাই আক্ষেপ কৰিছিল। কিন্তু পিচৰ দিনা তাতোকৈয়ো বেছিকৈ গন্ধ ওলাই মানুহক মুহি পেলাইছিল। তেতিয়া শংকৰদেৱ আহ্লাদিত হৈ কৈছিল, 'আজি পাই জানা ৰামদাসৰ প্ৰসাদে' (পৃষ্ঠা ৮৩) গোৱতে ভগৱানৰ স্থিতি উপলব্ধি কৰিছিল।

ব্যাসকলায়ে কৃষ্ণত শৰণ লৈয়ো হৰক পূজা কৰাৰ কাৰণে শংকৰদেৱে মহাপাপী বুলি তেওঁক ত্যাগ কৰাৰ পাচত জগন্নাথ ক্ষেত্ৰলৈ যাত্ৰা কৰিছিল।

কিন্তু জগন্নাথ পাবলৈ তিনি প্ৰহৰ পথ থকাতে জগন্নাথলৈ যাব নোৱাৰে বুলি, 'কৰিলেক মানা আসিয়া পাণ্ডা তাক ॥' (পৃষ্ঠা ১৫২) কিন্তু বাধা নেমানিও জগন্নাথ'ল গৈ ভিতৰত প্ৰবেশ কৰি, 'একো নেদেখয় দেখে ঘোৰ অন্ধকাৰ।' (পৃষ্ঠা ১৫১) অৱস্থা হৈছিল। জগন্নাথক দেখা নেপাই, ব্যাসকলায়ে জগন্নাথৰে ব্ৰহ্মবধৰ দোষ দি মৰিব বুলি কৈ ওলায় আছিছিল। কিন্তু জগন্নাথে পাণ্ডাৰ যোগেদি জনাইছিল

'মোক এৰি যাহাৰ পুজিল তুৱাশয়।
মোত নাই বধ তাহাতে লাগয় ॥' (পৃষ্ঠা ১৬২)

ঘৰলৈ ঘুৰাৰ তিনি দিনৰ বাট অহাৰ পাচত ব্যাস'লাইৰ মৃত্যু হৈছিল, কিন্তু আচৰিত কথা,

'যি পথে মৰিল জানা বিযাসকলাই।
সিপথে আজিও জানা যাত্ৰী নযায় ॥' (পৃষ্ঠা ১৫৩)

এদিন শ্ৰীৰাম আতা গধুলি সময়ত বিলৰ পাৰলৈ হাত মুখ ধুবলৈ গৈছিল। বিলৰ পাৰত তেওঁ দেখা পাইছিল,

'উঠিলা অনেক যক্ষ বিলৰ পৰাই।
ভেঙুৰা চৰণ সবে পুৰাবনকায়।' (পৃষ্ঠা ২২৬)

চুটি চুটি হাত ভৰি, প্ৰকাণ্ড প্ৰকাণ্ড পেট, কুটকুৰা চুলি, মুখবোৰ বেকা-সিহঁতৰ ভিতৰত,

'কতো স্ত্ৰী ছৱা কতো বুঢ়া কতো ডেকা' (পৃষ্ঠা ২২৬)

বিলৰ পাৰত বহি হঁটোৱে সিটোৱে কথা কবলৈ ধৰিছিল। শ্ৰীৰাম আতাই ভয়তে ৰাম নাম লবলৈ ধৰিছিল, যক্ষবোৰ গিৰগিৰ কৰি বিলত পৰিছিল গৈ।

ভক্তসকলৰ সঙ্গলৈ ভগবান সদায় আহিবলৈ বিচাৰে। কিন্তু ভক্তসকলে চাৰিওকালে বেঢ়ি লৈ এনেকৈ বহে যে গৰুড়ত উঠি অহা ভগৱন্তই আহি মাজত সোমাব নোৱাৰে। গতিকে ভক্তসকলে ভগবান অহাৰ চন্দনক গোন্ধ কেৱল পায়। শেষত এদিন গাৱৰ উত্তৰপাৰে থকা অশ্বত্থ বৃক্ষত পৰিলগৈ। গৰুড়ৰ ভৰ সহ্য কৰিব নোৱাৰি অশ্বত্থ বৃক্ষ উঘালি পৰিছিল। কৃষ্ণক কান্ধত লৈ উৰি যোৱা গৰুড়ৰ পাখী লৰাৰ শব্দ কিন্তু সকলোৱে শুনিবলৈ পাইছিল। 'কৃষ্ণক কান্ধত লই উৰায় কৰিল। গৰুড়ৰ পাখাৰ ছোট সবেয়ো শুনিল ॥' (পৃষ্ঠা ২২৯)

কলিৰ বুঢ়া নামে এজন মানুহ আছিল। মাধৱদেৱৰ থানলৈ নেযায়, প্ৰণাম নকৰে, আনকি ঈশ্বৰ কৃষ্ণকো নভজে। বেমাৰ পৰি মৰাৰ পাচত ইষ্ট মিত্ৰই দাহ কৰিবৰ কাৰণে নিছিল। তেনেস্ত মাধৱদেৱ আহি ভৱানীপুৰ পাইছিলহি। 'আসিল মাধৱ লৈয়া চলা মোক।' (পৃষ্ঠা ২৩০) অহা মাত্ৰথন মাত্ৰ নৈৰ কাষ চাপিছিল, কলিৰ বুঢ়াক নি মাধৱদেৱৰ ওচৰ পোৱাইছিল লৈ মাধৱদেৱে কথাটো কি সুধি জানিলে,

'মাধৱে বোলন্ত মোক ভয়ে এৰি গৈলা।
আজি ধৰি তুমি মোৰ অধিকাৰ হৈলা॥
খেতিবাতি কাম আৰু কৰিতে নোপোৱা।
হৰি কথা শুনা আৰে হৰি কথা গোৱা॥' (পৃষ্ঠা ২৮১)

আৰু মাধৱদেৱৰ সঙ্গত সদায় থাকিবৰ কাৰণে উপদেশ দিছিল।

মাধৱদেৱৰ আলধৰা ভকতৰামে এদিন মনতে কৃষ্ণৰ মূৰ্ত্তি আঁকি মনৰ আসনত বহুৱাই মনেৰেই পাদ্য অৰ্ঘ্য দিছিল, স্নান কৰিবৰ কাৰণে সুগন্ধি তেল পানী দিছিল। পিন্ধিবৰ কাৰণেও 'ত্ৰিপট্ট পীত বসন' (পৃষ্ঠা ২৩৫) দিছিল। এপাত খৰম পিন্ধাই ইপাত পিন্ধাবলৈ থাকোতেই মাধৱদেৱ অহাৰ গম পাই তেওঁক আদৰ ধৰিবৰ কাৰণে উঠি গৈছিল। মাধৱদেৱে হৰি চিন্তা কৰোতেই ব্যস্ত হল। মাধৱদেৱে দেখিছিল এপাত খৰম ভৰিত পিন্ধা নাই, গতিকে খৰম পাত আগবঢ়াই দিওঁতে, কৃষ্ণই নিপিন্ধি মাত লগাইছিল,

'ইপাত খৰম সেহি দিলে মোক
সিপাটো সেহি দিবেক।' (পৃষ্ঠা ২৩৬)

মাধৱদেৱে ভকতসকলক মাতি কথাটো কৈছিল। ভকতৰামে, 'মই পাপিষ্ঠৰ কাম' (পৃষ্ঠা ২৩৭) বুলি কৈ কি হল কথাটো কৈছিল।

বৰপেটাত মাধৱদেৱে গোসাই ঘৰ পাতোতে ভকতসকলে এভাগ চটি চাটি মেলি লগাবলৈ লৈ চাই দেখে দুহাত নাটে ভকতসকলৰ মূৰত দুখ লাগিছিল। পিচদিনা মাধৱদেৱ শ্ৰীৰাম আতাৰ লগত গোসাই ঘৰ সজা চাবলৈ গৈছিল। ভকতসকলৰ পৰা মাধৱদেৱে কথাটো গম পাইছিল। মাধৱদেৱে পুনৰ জুখি চাবলৈ কোৱাটো ভকতসকলে জুখি চাইহে কৈছে দুহাত নাটে বুলি কৈছিল। মাধৱদেৱে তেতিয়া থং কৰি জুখি চাবলৈ কৈছিল, ভকতসকলে দেখি আচৰিত হৈছিল, 'দেখন্ত আটিল চৌটি অধিকাও হৈল।' (পৃষ্ঠা ২৯২) সকলো বিস্ময় হৈছিল।

মাধৱদেৱে সদায় একাদশীৰ দিনা পকা আঠিয়া কল ৰামদাসে দিছিল। একাদশীৰ দিনা সদা হাতে যোৱা দেখি ৰামদাসক মাধৱদেৱে আঠিয়া কল কিয় নানিলে বুলি সোধাত, বাৰীত পকা আঠিয়া কল নেপালে বুলি কৈছিল। মাধৱদেৱে ৰামদাসক তেতিয়া কৈছিল,

'ঘৰৰ পাচত চালৰ ওপৰত
পকি আছে কল চায়ো।' (পৃষ্ঠা ৩১৬)

ৰামদাসে গৈ চাই দেখিছিল কথাটো সঁচা, মাধৱদেৱক অন্তৰ্যামী বুলি আখ্যা দিছিল।

অন্য এদিন মাধৱদেৱৰ আগত চেনি পগৰাই আনি দিছিলহি, মাধৱদেৱে কৈছিল, চেনিৰ ভিতৰখন ঔটঙাৰ মান শূন্য হৈ আছে। ভকতসকলে কেনেকৈ জানিলে বুলি সোধাত, চেনিখিনি চাৰবৈ কলত চাই দেখিছিল, কথাষাৰ সঁচা, তেতিয়া মাধৱদেৱে কৈছিল,

'পাগিলা যখন চিনিক তেখন
প্ৰচণ্ড বায়ু বহিল।' (পৃষ্ঠা ৩১৮)

আৰু সেই বায়ু চেনিৰ ভিতৰত ৰৈ আছিল। কথাটো সঁচা বুলি চেনি পাগোৱা বলায়ে কৈছিল।

আৰু এদিনৰ কথা। চেনি পগাওতে খৰি বেছি দিয়াৰ কাৰণে চেনি দেই গৈছিল। মাধৱদেৱে আন ঠাইত থাকিয়েই কথাটো গম পাইছিল। মানুহ পঠাই চেনি পগোৱা বলাইক সোধাত কথাটো হয় বুলিছিল। চেনি পগাওঁতে খৰি এটুকুৰা বছি হোৱাত আৰু মনটোও আনফালে যোৱাৰ কাৰণে চেনিৰ পাগ ঠিক ৰাখিব নোৱাৰাত সেই গন্ধ বুলি মাধৱদেৱৰ আগত কৈছিল,

'দহিল দহিল কি কৰিবা বুলি
মাধৱদেৱে বহিল।' (পৃষ্ঠা ৮২০)

১০) গুৰু চৰিত কথা

'গুৰু চৰিত কথা'ত অনেক অলৌকিক কথাই স্থান পাইছে। মহাপুৰুষ শংকৰদেৱৰ বাল্যকালৰ ঘটনাৱলীত শ্ৰীকৃষ্ণৰ বাল্যকালৰ লীলা খেলাৰ অনুৰূপ কৰি অংকণ কৰিছে। আনকি শংকৰদেৱৰ ৰূপৰ বৰ্ণনাও কৃষ্ণৰ ৰূপৰ হুবহু বৰ্ণনা হৈছে। পণ্ডিতে অলৌকিক ঘটনাৰ প্ৰাধান্য মন কৰিব লগীয়া।

বুঢ়াখা দলৈৰ ঘৰৰ কপিলি ধেনু এজনীয়ে গধা পুলুকা দি শিঙেৰে জপনা খুলি ওলাই গৈ, লুইত পাৰ হৈ শিঙৰিৰ গোপেশ্বৰত হাম্বা দিলেগৈ আৰু 'পূজাৰি উঠি নঘটি দুগ্ধ খিৰাই গোপেশ্বৰ সদা শিৱক স্নান কৰাই ভোগ দিএ' (পৃষ্ঠা ১৩) পুনৰ গাইজনী আহি নিজ গোহালিত থাকিছিলহি। এদিন গুৱালে কথাটো গম পাই সকলোকে কথাটো কৈছিল। কুসুম্বৰে জাগ্ৰত শিৱ মানি পুত্ৰৰ কাৰণে নানা দ্ৰব্য সম্ভাৰ লৈ পূজা দিছিল (পৃষ্ঠা ১৩) সপোনত সদাশিৱই গৰুড়ৰ কান্ধত উঠি আহি কুসুমদেৱৰ ভাৰ্য্যাক "মাই থান দিয়া" (পৃষ্ঠা ১৩) বুলি কৈ অন্তৰ্দ্ধান হৈছিল।

শংকৰ জন্মৰ সময়তো নানা অলৌকিক ঘটনা ঘটিছিল। বিশেষকৈ জন্ম হোৱাৰ লগে লগে 'কসটিৰ চণ্ডী হাসি পৈল এখ বস্তি ঝাং কৰে সুমাল:' (পৃষ্ঠা ১৭) ইয়াৰ পাচত শংকৰদেৱৰ জন্মৰ পাচত প্ৰতি দিনেই অলৌকিক ঘটনা ঘটিবলৈ ধৰিছিল। (পৃষ্ঠা ১৮-২১) আনকি কুসুম্বৰৰ মৃত্যুৰ সময়তো নানা অলৌকিক ঘটনা শংকৰৰ বিভিন্ন কাৰ্য্যকলাপত প্ৰকাশ পাইছিল। "আএ অন্ন বেঞ্জন চৰণত থৈছিল: আনি খাৱো দিলে বাৰজনা চাই দেখে দুটি হাতে অন্নৰ বাটি দুই হাতে আঞ্জা লৈ ওলাই আহে ঘৰ জ্যোতির্ম্ময় প্ৰকাশকৈ। বিস্ময় বিভ্ৰান্ত হৈ ঈশ্বৰ যেন জানি মানি পাচ দিনা বস্ত্ৰ গুৱা আগে দি শৰণাপন্ন হল॥" (পৃষ্ঠা ২৯)

শংকৰদেৱৰ ভকতসকলৰ পানীৰ কষ্ট আতৰ কৰিবৰ কাৰণে আকাশী গঙ্গা নমাই আনিছিল, ভকতসকলক নাম কীৰ্ত্তন কৰিবলৈ কৈছিল। সকলোৱে অজ্ঞাতসাৰে 'দুপৰ নিশা গৈ বৃদ্ধাঙ্গুষ্ঠে থেনুএ কাৰ লৰি উৰ্দ্ধ হস্তক গোহাৰি মাৰিলে: গিৰ গিড় শবে আকাশী গঙ্গা নামিলহি পূৰ্ব্বৰো নিমিত্ত:' (পৃষ্ঠা ৩০)

অনন্ত কন্দলি পৰম পণ্ডিত লোক আছিল। কিন্তু হৰি বিমুখ, শাক্ত। তেওঁৰ ভাৰ্য্যা গৰাকী মহাশক্তি বিষ্ণু ভক্তা আছিল। সদায় হৰিগুণ গাইছিল। এদিন আন কথাত লাগি কন্দলিয়ে ভাৰ্য্যাক মাৰিছিল। বিপ্ৰই পূজা সেৱা কৰোতে সদায় বৃষত ৰূপে পূজা গ্ৰহণ কৰা বৃষত নোলোৱা হ'ল। বিপ্ৰৰ মনত বৰ দুখ। ভাৰ্য্যা পৰা লৈয়ে দুখ কৰি থকাৰ কাৰণ লোধাত কৈছিল, 'বোলে কি দোষ মই আক পুজিছিলো চৈতন্যৰূপ লৈছিল তোক মাৰিবৰ পৰা নোলাই।' পৃষ্ঠা ৩৫) তেতিয়া ভাৰ্য্যাই কৈছিল, 'অব বস্ত গুলৈ গল।' (পৃষ্ঠা ৩৫) বুলি শ্ৰীশংকৰ ৰূপে হৰিৰ পূৰ্ণ অৱতাৰ তেওঁৰ ওচৰলৈ গল বুলি কৈছিল। কথাষাৰ শুনি শংকৰদেৱৰ

ওচৰ পাইছিলগৈ, শংকৰদেৱে হৰি কথা চৰ্চ্চা কৰি আছিল আৰু 'পাচতে ধৰ্ম্ম পৰি আচে কপিলা গো ৰূপে' (পৃষ্ঠা ৩৫) শংকৰদেৱে কন্দলি অহাৰ কাৰণ সুধি কথাটো গম পাই কৈছিল, 'তোমাৰ যদি হয় নিয়া জক আমি অনা নাই' (পৃষ্ঠা ৩৫)।

কছাৰিৰ উৎপাতত ভূঞাসকল পলাবলৈ লুইত পাৰ হবৰ সময়ত শংকৰদেৱ লুইতৰ পাৰত ঠিয় হৈ থকাত, 'যমুনা নন্দক সমুদ্রে বামক পথ দিয়াদি ব্রহ্মপুত্র অগাধ জলে গুৰু বাক্যে তবাদ হৈ পথ দিলে। সবে লোক নামি গৈচে গুৰুজন গৰাতে আচে (পৃষ্ঠা ৩৭) শংকৰদেৱ যেতিয়া পানীত নামিছিল পাৰ হবলৈ গীতাখন পানীতে পাইছিল।

তুলসী গছ কই সদায় নাম কীৰ্ত্তন কৰি দিন পাৰ কৰা জয়ন্তৰ পৰিনাতি তুলসীৰামৰ মৃত্যু হলত গাৱৰ লোকে দেখিবলৈ পাইছিল এটা জ্যোতি আৰু তুলসী গছ হালি পৰিছিল। (পৃষ্ঠা ৩৮)

মাধৱদেৱৰ জন্মৰ পাচতো নানা অলৌকিক ঘটনা ঘটিছিল। মাধৱদেৱৰ শিশুকালত, হৰসিংহ উজিৰৰ ঘৰত থকা অৱস্থাতে, এদিন চণ্ডমহীয়া 'বাত বৃষ্টি শিলা বৃক্ষ শষ্য দেশ চয়বেলে পশুপক্ষি কত থৈল ভিতৰ বাজে চাৰিচ পুৰা মাটিত শিল বাত বৃষ্টি কিছু নহল পাতো নলৰিল' (পৃষ্ঠা ৪৩-৪৪) বাইজে দেখি আচৰিত হৈছিল। কাৰণ মাধৱদেৱ থকা গৃহস্থ ঘৰৰ কোনো অনিষ্ট হোৱা নাছিল। আকৌ আন এদিন জেঠ মহীয়া ৰৰাৰ প্ৰচণ্ড জৰ হৈছিল, মাধৱদেৱ গৈ হাত দিয়াৰ লগে লগে সৰসৰ কৰি জৰ নামি গৈছিল (পৃষ্ঠা ৪৪) এনে উদাহৰণ আৰু অনেক আছে। (পৃষ্ঠা ৪৫, ৪৬, ৪৭ ইত্যাদি)

শংকৰদেৱৰ সক জীয়ৰী ৰূপে গুণে লক্ষ্মী পাৰ্ব্বতী সম আছিল, কিন্তু শংকৰ দয়ে মায়া শক্তিৰ বলত, 'কোন বৰ দৰ্প চুৰহে কৰিব লাগে' (পৃষ্ঠা ৬১) বুলি, 'আপি এটি বস্তু দে মোক' (পৃষ্ঠা ৬১) বুলি জীয়েকক হাতত পতাত জীয়কে আৰু কি বস্তু বোলত, 'তোমাৰ কপাটি দিয়া' (পৃষ্ঠা ৬১) বুলি কোৱাত জীয়েকেও দিছো বুলি কোৱাৰ লগে লগে দুই হাত পাতি লৈ হাত মোহাৰি পেলাইছিল। তাৰ পাচত জীয়েকৰ শ্ৰীহৰ হৈ কুমাৰ-কুচিতে মৃত্যু হৈছিল। (পৃষ্ঠা ৬১)

গোবিন্দ আতৈ পূৰ্ব্বতে দেৱী পূজক আছিল। দেৱীৰ পূজাতে সকলো শেষ হৈছিল। দৰিদ্র হৈ পৰিছিল। কিন্তু টাপনিটো দেৱীয় ভেঙক দেজে কৈ থুৰি থকাকে দেখিছিল। টোপনিতে, দেৱীৰ পৰা বস্তু পাবৰ কাৰণে উপায়

বিচাৰি থাকিছিল। নাৰায়ণ দাসৰ সহযোগত শংকৰদেৱৰ মহিমাৰ প্ৰমাণ পাইছিল, দেৱী, গোবিন্দৰ কাষেই চাপিব নোৱাৰিছিল। (পৃষ্ঠা ৭৯-৮০) কাৰণ দেৱীয়ে গোবিন্দক "পুতা দে দে কৈ" (পৃষ্ঠা ৮০) ধৰাত, নাৰায়ণ দাসৰ পৰা গুৰু জনাৰ কথা জনাৰ পাচত, উত্তৰ দিছিল, "মই লোকৰ বন্দী এখিনি' কাল ফুৰিছিলো সঁৰি আজি পাই ধৰি দেখা সেই খুটি মাৰি বান্ধি গৈছে।" (পৃষ্ঠা ৮০) দেৱী কাষ চাপিব পৰা নাছিল।

মাধৱদেৱে শংকৰদেৱৰ ওচৰৰ পৰা কৃষ্ণ কথা শুনি আহি দুপৰীয়া চাউল সিজাবলৈ চৰুত জাল দি, 'ধ্যান কৈ দেখে আত্মাত, এক পদে পাদুকা নাই: অনেক তাএ তুতি নতি কৈ দিএ নশই একোৰূপে তেঁহ মোৰ প্ৰভুকনো কোনে এনে বিতণ্ডা কৈলিহক।' (পৃষ্ঠা ৯০) বুলি মাধৱদেৱে গোৱাত, মাধৱদেৱৰ লগত থকা মাধৱদেৱৰ আলধৰাই মাত লগাইছিল, প্ৰভুক এফালৰ পৰা আ-অলংকাৰ পিন্ধাই আনি এপাত পাদুকা পিন্ধাবলৈ বাকী থাকোতেই মাধৱদেৱৰ গল খেকাৰি শুনি 'গুৰু সেৱাতকৈ ভকত সেৱা ডাঙৰ' (পৃষ্ঠা ৯০) বুলি ওলাই মাধৱদেৱৰ আগপেচান ধৰিছিলহি। গতিকে দোষটো তেওঁৰেই।

হৰিগুৰু আটৈ এদিন দেৱি হোৱাৰ কাৰণে বাট পোনাই গজা ধানৰ মাজেৰেই শংকৰদেৱৰ ওচৰত হৰি কথা শুনিবলৈ গৈছিল। ধানৰ গৰাকীৰ লৰাই গজা ধানৰ ওপৰেদি যাব কৰা দেখি বুলিছিল। লৰাটোৰে লগে লগে কনা হৈছিল। শেষত শংকৰদেৱৰ ওচৰলৈ যোৱাতহে লৰাটো ভাল হৈছিল। (পৃষ্ঠা ৯৭-৯৮)

এদিন শংকৰদেৱৰ পুত্ৰ কমললোচন আম গছত উঠিছিল ডালধীয়া পাটৰ চুৰিয়া পিন্ধি। পূব কালে সূৰ্যও ওলাই আহিছিল। শংকৰদেৱে আই গোসানীক মাতি আনি দেখুৱাইছিল দুটা সূৰ্য ওলাইছে বুলি। ভকতসকলে কৈছিল দুটা সূৰ্য নহয়। এটা কমললোচনহে। তেতিয়া শংকৰদেৱে আই গোসানীক কৈছিল 'ৰামানন্দৰ মাক, কমললোচনলৈ এৰা এৰা চিৰকাল পৰিধীত নৰই।' (পৃষ্ঠা ১০০) তাৰ দুমাহৰ পাচতে কমললোচনৰ বসন্ত ওলাই মৃত্যু হৈছিল।

এজন ব্ৰাহ্মণক শংকৰদেৱে একলহ চাউল দিছিল। এদিন তাৰে এসাজ ভাত ৰান্ধি খাইছিল। ব্ৰাহ্মণ মৰিল, যম দূতে আহি লৈ গৈছিল। যম ৰজাই চিত্ৰগুপ্তক ব্ৰাহ্মণৰ পাপ পুণ্যৰ হিচাব চাবলৈ কৈছিল। চিত্ৰগুপ্তই চাই কৈছিল, "মহাৰাজ আৰমান পাপী এই নাই: সৰ্ব্ব শৰীৰ পাপেইহে পাপ। কিন্তু শংকৰদেৱৰ

একটি চাউল খাই থৈছিল ।" (পৃষ্ঠা ১১১) তেতিয়া যম বজাই কৈছিল, "ইয়াৰ অধিকাৰ শ্ৰীশংকৰদেৱহে · আমি নোহো শীঘ্ৰে লৈ জা· তৎ সুদ্ধা পুৰিব :" (পৃষ্ঠা ১১১) ইফালে খৰি দিবলৈ ঠিক কৰা, মৰাশ উঠি বহাত সকলো আচৰিত হৈছিল কেনেকৈ কি হল বুলি । ব্ৰাহ্মণক সোধাত কৈছিল, তেওঁক সোনকালে গা ধুৱাই শংকৰদেৱৰ ওচৰলৈ লৈ যাওক, তাতহে কবগৈ ।

বেহাৰৰ বজা নৰনাৰায়ণৰ দূতে শংকৰদেৱক নেপাই, শংকৰদেৱৰ শিষ্য নাৰায়ণ দাস আৰু গোকুল চান্দক ধৰি নি নানা শাস্তি দিছিল । তেওঁলোকক শাস্তি কৰা হৰিবাই, 'বোলে ভইতে দেখো অবিচেদে নাম ল (জে দহো) ঈশ্বৰে একো প্ৰমাণ নেদেখাই নোদখো কি লব হক ।' (পৃষ্ঠা ১৫০) কিন্তু নিশা সপোনত পাচ হাত মান গৌৰ দীৰ্ঘ পুৰুষজনে হেঁচা মাৰি, 'সুবৰ্ণৰ লাখুটিৰে দুও গালে খুন্দি দোন জেন কৈলে বোলে মোৰ ভক্তক নামক নিন্দা কৰ বুলি অন্তৰ্দ্ধান হল ।।' (পৃষ্ঠা ১৫০) ৰাতি সাৰ পায়েই ৰাম নাম লৈ ৰাতিপুৱা গকুলচান্দ আৰু নাৰায়ণ দাসকে ঈশ্বৰ বোধে মানি শৰণ লৈছিল ।

বেহাৰৰ বজাৰ আদেশত ভোটক বেচিবলৈ নিয় আগনিশাও গকুলচান্দ আৰু নাৰায়ণ দাসে ৰাতি সপোনত দেখা পাইছিল, 'শ্ৰীশংকৰদেৱ আহিছে কোটি সূৰ্য্যৰ প্ৰকাশকৈ । চিত্ৰগুপ্তকো আনিছে । বোলে লিখ মোৰ নাৰায়ণ দাসক. গোকুলচান্দকঃ কোনে বিকে কোনে কিনে বৈকুণ্ঠৰ বস্তু আৰু কোন অধিকাৰ ।।' (পৃষ্ঠা ১৫০)

বৰপেটাৰ ওচৰত কোতো জানৰ কাষত থক· ভীমা বায়নৰ ঘৈণীয়েক জন্মৰে পৰা চাকুলি বহি বহি পাত্ৰি কাটি ৰাম নাম লৈ থাকে শংকৰদেৱ বৃন্দাবনী কাপোৰ বোৱাবলৈ সেই বাটে অহা যোৱা কৰোতে এপৰ বৈ নাম শুনি গৈছিল । এদিন সপোনত চাকুলিক উঠিবলৈ কলে, 'বোলে বাপ মই জন্মৰে পৰা চাকুলি কেনেকৈ উঠিম বোলে উঠচো বুলি দুই হাতে ধৰি পাত্ৰ ভৰি দি পোন কৈলে হাবে হবে মৰমৰাই গল· চাকুলি দিব্য ৰূপ হল :' (পৃষ্ঠা ১৭৪) চাকুলি নিজেটো আচৰিত হৈছিল ৰাতি মাতি সকলোকে দেখুৱাইছিল ।

বেহাৰৰ বজা নৰনাৰায়ণৰ মাদৈসকলে গাইপতি টকা, বস্ত্ৰ, ঢোপ একে টি লৈ শংকৰদেৱক সেৱা কৰিছিল গৈ । চকুৰি মাদৈয়ে চকুৰি সেৱা কৰিছিল । শংকৰদেৱে তাতে এটি লৈ উঠি গৈছিল । মাদৈসকলে বাপ বস্ত্ৰ ঢোপ লৈ আতৰি গৈছিল । বজাই সুধিছিল, 'কোনোবা জমিএ ছুটা আনিচিলিনেঃ বোলে জানোঃ

বোলে কথনো নিলে গুৰুজনে সেইটো' বোলে জাহক তাৰা বঢ়াবও পাৰে টুটাবও পাৰে আপুনি ঈশ্বৰ আত কি অদ্ভুত' (পৃষ্ঠা ১৮৪)

বেহাৰৰ ৰজাৰ পানী ভাবি দহটাই ৰজাক গঙ্গাজল দিছিল। ৰজাক মন মাৰি থকা দেখি কাৰণ সুধিছিল। তেতিয়া ৰজাই শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ কথা কৈছিল। পানী ভাবি কেইটাই তেতিয়া, 'আমি সেইখিতে লগ পাই আছিচো এতিয়াই' (পৃষ্ঠা ১৮৫) আৰু লগ ত ইয়াকো কৈছিল, তেৰাৰ কমণ্ডলুত পানী নাই, বিচাৰিছিল, সিইতে পানী দিলে ৰজাই ধৰিব বুলি কোৰাত, 'বোলে দেনেমাৰে মোৰ কথা কৰি বাগাত" (পৃষ্ঠা ১৮৭) বুলি গুৰুজনাই কৈছিল। পানী ভাবিয়ে পানী গিছিল এটা পানীৰ ভাণ্ডৰ পৰা বুলি ৰজাক কলত, ৰজাই আক্ষেপ কৰিছিল, পানী ভাবিৰে কপাল, সিইতে দেখা পালে।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত আৰু অলৌকিক ঘটনা ঘটিছিল। শংকৰদেৱৰ দহাৰ দিনা ভাস্কৰ গুৰু পাটবাউসী পাইছিলহি। মাধৱদেৱে অহাৰ কাৰণ সোধাত, কালি চাই দণ্ড থকাত লগ পালো পথে শ্ৰীশংকৰদেৱক ” বোলে কাইলৈ আমাৰ ঠাই পৈ আহিবা' (পৃষ্ঠা ১৮৯) মাধৱদেৱে তেতিয়া কৈছিল ভাস্কৰ গুৰু ভাগ্যৱন্ত, শংকৰদেৱক লগ পাল।

ইয়াৰোপৰি আৰু অনেক সৰু সুৰা অলৌকিক ঘটনা চৰিত পুথিখনত প্ৰায় শেষলৈকে আছে। (পৃষ্ঠা ২৪১, ২৪৪, ২৪৬, ২৫১, ২৬৮, ২৮৭, ২৯৭-৯৮, ৩০৭ ৮, ৩১১, ৩৬১ ৩৭৩, ৩৭৪, ৪২৮, ৪৪০, ৪৪৯, ৪৭১, ৪৮৮, ৪৯০-৯১)

(১১) কবি ৰামৰায় দাস—গুৰুলীলা

দামোদৰদেৱৰ আবিৰ্ভাৱৰ পৰা তিৰোধানলৈকে জীৱন কথাৰ লগত জড়িত অতি কম সংখ্যক অলৌকিক ঘটনাসমূহকো চৰিতখনিত লিপিবদ্ধ কৰিছে।

দামোদৰদেৱে কামৰূপত উপস্থিত হোৱাৰ পাচত, বৰেৰৰ গাৱৰ মণিকুটলৈ প্ৰতিদিন অহা-যোৱা কৰোতেই নাৰদ, সন্ন্যাসীৰ ৰূপত আহি, দামোদৰক সাক্ষাৎ বিষ্ণুৰূপ বুলি জানি 'জীৱ উদ্ধাৰিতে তাংক তত্ত্ব জ্ঞান দিলা' (পৃষ্ঠা ২২)।

ভট্টদেৱৰ মহা প্ৰস্থানৰ সময়ত স্বৰ্গত দেৱ দুন্দুভি বাজিছিল, 'বৈকুণ্ঠৰ পৰা নামি আসিলা বিমান' (পৃষ্ঠা ১৫৯) তাতে আৰোহণ কৰি ভট্টদেৱ মহা প্ৰস্থানলৈ যাত্ৰা কৰিছিল। ভট্টদেৱৰ দেহা শংখ, চক্ৰ গদা, পদ্ম, কিৰিটি, কুণ্ডল, বনমালা

পীতবস্ত্ৰ, মেখলা, নুপুৰ আদি পৰিধান কৰি জ্যোতিৰ্ময় তনু কোটি সূৰ্য্যৰ দৰে প্ৰকাশ হৈছিল।

(১২) বনগঞা গীৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

হৰিদেৱৰ জীৱন কথাৰ লগত অনেক অলৌকিক ঘটনাও জড়িত হৈ আছিল বাল্যকালৰ পৰা। বনগঞা গীৰিৰ লিখনিত তাৰ বিৱৰণ আছে।

হৰিদেৱ পাচ বছৰ বয়সৰ পৰাই দেউতাক অজনাভৰ লগত পূজা পাতল কৰাত বহিছিল। পূজাৰ প্ৰসাদ পাচ ভাগ কৰি হৰিদেৱৰ দিছিল। কিন্তু দুভাগ প্ৰসাদ খালি হৈ যায়, মাত্ৰ তিনি ভাগ থাকিছিল।

'হৰি পূজা কৰি মাতৃত কমন্ত
কৃষ্ণে খাইলা দুইভাগ।' (পৃষ্ঠা ১৯)

হৰিদেৱৰ পিতৃ মাতৃ আচৰিত হৈছিল। হৰিদেৱে দিয়া প্ৰসাদৰ পৰা সুমিষ্ট গোন্ধও পাইছিল তেওঁলোকে। হৰিদেৱৰ দেউতাকে মাকক হৰিদেৱে কৰা পূজাত দৃষ্টি ৰাখিবলৈ কৈছিল। হৰিদেৱে মাটিৰ মুৰ্ত্তিৰ কৃষ্ণৰ আগত প্ৰসাদ থৈ স্তুতি কৰি দণ্ডৱতে পৰাৰ পাচত,

'ওচিহস্তে দুভাগ প্ৰসাদ শূন্য ভৈলা।
মৰ্চক্কে দেখিলা মাতৃদেৱী পাৰিজাতি' (পৃষ্ঠা ২৪)

পাচ বছৰ বয়সতেই নগৰ নগৰীয়াৰ লগত খেলা ধূলা কৰি থাকোতে এদিন এটি সুন্দৰ শিশু আহি দেখা দিছিল। হৰিদেৱে সখি বুলি সাৰতি ধৰিছিল। হৰিদেৱে তেওঁৰ নাম কি, ক'ত থাকে বোলাত কৈছিল,

'শুনা ভাই থকা ঠাই নাই আদি অন্ত।
নাই মোৰ ঘৰবাৰী নাই পিতা মাতা।
বালকৰ সঙ্গে মুক বালকৰ ধাতা।
গোপাল বুলিয়া মোক দাকে সাধু গণ।
গৰু চাৰি মুক মই নানা থান থান॥' (পৃষ্ঠা ২৯)

আৰু লগতে কৈছিল শিশুসকল দেখা পাই আছিল, হৰিদেৱৰ লগত সখি পাতিবৰ মন।

হৰিদেৱে সখিৰ আগত কৃষ্ণই পূজাৰ প্ৰসাদৰ ভূভাগ খায়, কিন্তু দেখা নিদিয়ে বুলি কওঁতে কৈছিল, 'ভিন্ন, নানা ৰূপে দিব কৃষ্ণ দেখা ॥' (পৃষ্ঠা ৩০) আৰু লগে লগে অন্তৰ্দ্ধান হৈছিল ।

হৰিদেৱৰ সাত বছৰ বয়সতো এবাৰ গোকুলত গোপালে দেখা দি হৰিদেৱৰ পাচ বছৰ বয়সত সখি পাতি থোৱাৰ কথা সোঁৱৰাই দিছিল, হৰিদেৱে তেতিয়া গোপালে যি উপদেশ দিছিল, সেই সম্বন্ধে সোধাত, মৃত্তিকাৰ কৃষ্ণ মূৰ্ত্তি কৰিবলৈ উপদেশ দিয়াৰ কথা কলত হৰিদেৱৰ আনন্দৰ পাৰ নোহোৱা হৈছিল । গোপাল ৰূপী কৃষ্ণই হৰিদেৱক উপনয়নৰ পাচত সন্ধ্যা, গায়ত্ৰি আদি কৰাৰ কথা কৈ তায় অৰ্থও কৈ দিছিল । তাৰ পাচত হৰিদেৱে দিয়া কদলী, সৰ্কৰা, দুগ্ধ দুয়ো একে লগে ভোজন কৰিছিল । হৰিদেৱৰ পিতৃ অজনাতে হৰিদেৱক বিচাৰি আহি,

'অপৰূপ সিশু এক দেখিলন্ত আই ।
তত্ৰ ধ্যান ভৈলা শিশুযেন স্বপ্নে পাই ॥' (পৃষ্ঠা ৩৮)

ৰজাৰ দূতে ধৰিবলৈ পঠাওঁতে যেতিয়া হৰিদেৱ, ভনিয়েক সুভদ্ৰা আৰু গোবিন্দই আশ্ৰয় লৈছিল, তেতিয়াও,

'কৈৰ পৰা এক সন্ন্যাসী আখিলা
দেখিতে সুন্দৰ বেশ ।' (পৃষ্ঠা ৫৯)

মুচুকি হাঁহি হৰিদেৱক সুধিছিল, ক'ত থাকে, কিয়নো বনৰ ভিতৰলৈ আহিলে, নিশা ক'ত থাকিব ইত্যাদি । হৰিদেৱে কৈছিল, অশ্বত্থৰ তলতে থাকিব, ৰাতি পুৱালে পিতৃ অস্থি লগাবৰ কাৰণে তীৰ্থলৈ যাত্ৰা কৰিব । তেতিয়া সন্ন্যাসীয়ে জগন্নাথলৈকে ছমাহ লাগিব, খাদ্য বস্ত্ৰ কৰ পাব ইত্যাদি প্ৰশ্ন কৰি সন্ন্যাসীৰ লগতে থকা খোৱা বস্তুকে চাৰিওজনে ভাগ কৰি খাইছিল । তাৰ পাচত,

'অন্ন জল খাই যতি প্ৰভুদেৱে
অন্তধ্যান হইলন্ত ॥' (পৃষ্ঠা ৬১)

হৰিদেৱৰ তীৰ্থ যাত্ৰাৰ প্ৰথম জিৰণিৰ ঠাই অশ্বক্ৰান্তত পাণ্ডাই মন্দিৰ দৰ্শন কৰোৱাৰ সময়ত পুনৰ স্তুতি কৰি থাকি নিৰ্ম্মালি লবলৈ হাত মেলোতেই, জনাৰ্দ্দন নিৰ্ম্মালী গুৰু সিৰত পৰিলা ।' (পৃষ্ঠা ৬৩) আৰু মন্দিৰৰ পূজাৰিয়ে দেখি আচৰিত হৈ ছিল ।

অশ্বক্লান্তৰ জনাৰ্দন মন্দিৰত হৰিদেৱ সোমোৱাৰ লগে লগে আন সোমাবলৈ নেপাওঁতেই মন্দিৰৰ দুৱাৰ বন্ধ হৈ গৈছিল তিনি দণ্ড কাল পাৰ হোৱাৰ পাচত দুৱাৰ নিজে নিজে খোল খাইছিল। পূজাৰি, ব্ৰাহ্মণ আদিয়ে মন্দিৰৰ ভিতৰত কি কৰিছিল বুলি সোধাত, 'মন্দিৰত যিটো আছে সন্ন্যাসী ৰতন।' (পৃষ্ঠা ৭৪) তেওঁ হৰিদেৱক দিক্ষা দিলে বুলিছিল। সকলো শুনি আচৰিত হৈছিল মন্দিৰত কোনো সন্ন্যাসী নেথাকে, সন্ন্যাসী আহিল কৰ পৰা বুলিলন্ত হৰিদেৱে কৈছিল মন্দিৰত থকা জনেই জনাৰ্দ্দন সন্ন্যাসী। হৰিদেৱকেই স্বয়ং নাৰায়ণ বুলি সকলোৱে প্ৰণাম কৰিছিল।

অশ্বক্লান্তৰ পৰা গৈ মাধৱ মন্দিৰত নানা স্তুতি কৰি শেষ কৰাৰ পাচত,

'মাধৱৰ মাল্য আপোনা আপোনী
দ্বিজৰ পৰিলা মাথে ॥' (পৃষ্ঠা ৮১)

মন্দিৰৰ বাহিৰ ওলাই অহাৰ পাচত সকলোৱে আচৰিত হৈছিল,

'মনুষ্যৰ মুণ্ডে মাধৱৰ মাল্য
পৰে ভাই কি কাৰণ।' (পৃষ্ঠা ৮১)

বুলি আৰু হৰিদেৱ যে সাধাৰণ মানুহ নহয় তাৰ ধাৰণা কৰিছিল।

শিৱক স্তুতি কৰোতে, হৰিদেৱৰ হাতত 'পাকা বেল্য ফল এক গুৰুৰ হাতোত।' (পৃষ্ঠা ৮৮) আহি পৰিছিল সকলোৱে সাক্ষাতত। সেই বেলফল হৰিদেৱকে প্ৰমুখ্য কৰি পাচ ভাগ কৰি খোৱাৰ আগতে শিৱলৈ আগবঢ়াই প্ৰণাম কৰিছিল,

'পঞ্চ খণ্ড বেল্য ফল একখণ্ড সুণ্য ভৈলা
পত্ৰে থাকিলন্ত চাৰিখণ্ড।' (পৃষ্ঠা ১০১)

হাবেজাৰ পৰাই এজন বৃদ্ধ দ্বিজে হৰিদেৱৰ ভেল চলাই নি জগন্নাথ পুৰি পোৱাৰ পাচতে হৰিদেৱ, সুভদ্ৰা আৰু গোবিন্দক বিশ্বাস্তৰৰ ওচৰত গতাই,

'যাত্ৰী দুখ পাইলে তুমি দুখ পাইবা
কহিলুহু সাৰে সাৰ ॥
এহি ৰাক্য কহি পাচে বৃদ্ধ দ্বিজু
তাতে ভৈলা অন্তৰ্দ্ধান।' (পৃষ্ঠা ১০৭)

সুভদ্ৰাৰো জগন্নাথ মন্দিৰ দৰ্শন কৰাৰ সময়তে,

'দাদা মোক বিয়া দিয়া দাদা মোক বিয়া দিয়া
আসি আছে সেহি দ্বিজ পুত।' (পৃষ্ঠা ১১০)

বুলি হৰিদেৱৰ গাতে পৰি প্ৰাণ বায়ু এৰিছিল।

(৫) সপোনৰ ওপৰত গুৰুত্ব :

মধ্য যুগৰ অসমৰ জনসাধাৰণৰ সপোনৰ ওপৰত গভীৰ বিশ্বাস আছিল। সপোনৰ কথাই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল। সেই কাৰণে চৰিত পুথি সমূহত সপোনৰ কথা যথেষ্ট পৰিমাণে পোৱা গৈছে। ঐশ্বৰিক শক্তিৰ কথা বুজাবলৈ, কোনো কথাৰ জাননি দিবলৈ বা জনসাধাৰণক প্ৰত্যয় জন্মাবলৈ সপোনৰ ব্যৱহাৰ হৈছে। গতিকে মধ্যযুগৰ অসমৰ সমাজখনত সপোনৰ অতি গুৰুত্বপূৰ্ণ স্থান আছিল। সপোনৰ কথা অতি সত্য বুলি বিশ্বাস কৰিছিল, মানিছিল

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

সপোনৰ ওপৰত জনসাধাৰণৰ গভীৰ বিশ্বাস আছিল। শংকৰদেৱৰ পিতৃ কুসুমদেৱৰ ভাৰ্য্যাই সপোনত দেখা শিৱ আৰু বিষ্ণুৰ কথা স্বামীক কলত অতি আনন্দ লাভ কৰিছিল,

'থাকিবোক ৰঙ্গে পুত্ৰ পাইবাহা নব নিধি।' (পৃষ্ঠা ৭৩)

বুলি। ইয়াৰ বাহিৰে সত্যসন্ধ্যা আৰু কুসুমদেউ বাতি শুই থাকোতে দুয়োকে দেৱীয়ে সপোনত,

"তোমাৰ গৃহত আসি আছে চক্ৰপাণি॥
আসিলন্ত আপুনি দেৱৰ আদি দেৱ।
আন্ত বিনে অপৰ নাহিকে নাহিকে আন কেৱ॥" (পৃষ্ঠা ১২১)

বুলি জাননী দিছিল। দেৱীয়েই সপোনত তেওঁবো বন্দনিয় বুলি জনাইছিল সেইজন সেৱক।

দেৱীক মাত্ৰ ভকতি কৰা ৰাঘৱাচাৰ্য্য মহেন্দ্ৰ কন্দলীৰ ছাত্ৰশালালৈ আহি কন্দলিক দপ দপাইছিলহি শূদ্ৰ শংকৰক শাস্ত্ৰ পঢ়ুৱাই উচ্চস্থান কিয় দিছে বুলি। কিন্তু ৰাতি লৈ সপোনত ৰাঘৱাচাৰ্য্যই দেখিছিল, 'ব্ৰাহ্মণ স্বৰূপে হৰি আসন্ত গৈলন্ত।' (পৃষ্ঠা ৩০১) আৰু কি কাৰণে তেওঁক নিন্দা কৰিছিল বুলি নিন্দা

কৰা মুখখনতে শাস্তি স্বৰূপ, 'লাঠি ধৰি গালত যে বহু খুন্দা দিলা।' (পৃষ্ঠা ৩০২) চাৰি পাচোটা দাত সৰি গৈছিল, বিষত তত নোপোৱা হৈছিল। ভগৱান নিন্দুকক শাস্তি ভগবানে স্বয়ং দিয়ে তাকে জনাইছিল।

ৰাম ৰাম গুৰুৱে শংকৰাদেৱত শৰণ লব খোজাত, শংকৰদেৱে 'তুমি পুৰোহিত আমাখেৰ সৰ্ব্বকাল।' (পৃষ্ঠা ৩৪০) বুলি কৈছিল। উত্তৰত ৰামৰাম গুৰুৱে কৈছিল, সপোনত তেওঁ দেখিবলৈ পাইছিল, এজন সুন্দৰ পুৰুষে তেওঁক দেৱী পূজা কৰাত খং কৰি শংকৰৰূপে অৱতাৰ লোৱা জনত ভজিবলৈ কৈছিল। শূদ্ৰ কুলত জন্ম হলেও তেওঁ ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰিব, 'প্ৰভাততে তই কালি কৰিবি শৰণ' বুলিছিল। (পৃষ্ঠা ৩৪১)

শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ যাত্ৰা কৰি প্ৰথম দিনা যি ঠাইত ৰাতি ৰব লগা হৈছিল, তাৰ খাদ্য দ্ৰব্য কিনিবৰ কাৰণে শংকৰদেৱৰ লগত তিনিজন মানুহ পঠাওতে, এজনী দোকানীয়ে আনজনীক কোৱা মানুহ কেইজনে শুনিছিল,

> 'শুনিয়োক বুঢ়ী মই দেখিলো নিদ্ৰাত।
> আমাৰ সমীপে দেখো পুৰুষ সুন্দৰ॥" (পৃষ্ঠা ৪০১)

সাক্ষাৎ চন্দ্ৰমাৰ কান্তিৰ দৰে জিলিকা পুৰুষজনক হাত যোৰ কৰি পোহাৰীজনীয়ে সুধিলত, উত্তৰ দিছিল, তেওঁকে শংকৰ বুলি কয়, বৰদোৱা গ্ৰামত থাকে, কুসুমৰ পুত্ৰেক। কিন্তু,

> 'মোকে বোলে জগতৰ নাথ ভগৱন্ত।
> নিচিনি মনুষ্যে মোক বুলিয়া ঈশ্বৰ।
> মইসে জানিবা প্ৰভু ইটো জগতৰ॥ (পৃষ্ঠা ৪০২)

তেওঁ জগন্নাথ ক্ষেত্ৰলৈ যায়, পোহাৰীক দয়া কৰিবৰ কাৰণেহে সেই ঠাইলৈ আহিলে। আক কালিলৈ গধুলি তেওঁক সাক্ষাৎ পাব। গতিকে 'ভোজন সম্ভাৰ দ্ৰব্য থৈয়োক মিলাই।' (পৃষ্ঠা ৪০২) বুলিছিল। পোহাৰিয়ে তিনিজন মানুহক দেখা পাই, কৰ কথা আদি সুধি জানিব পাৰি, যোৱা নিশাৰ সপোনৰ কথা মানুহ তিনিজনক কৈছিল।

জগন্নাথ ক্ষেত্ৰৰ গোসায়ে সপোনতে জগদীশ মিশ্ৰক আদেশ দিছিল,

> "উদয় ৰাজ্যত বৰদোৱা গ্ৰাম
> আছন্ত শংকৰ বৰ।

তান আগে থৈয়া পঢ়িয়োক ইটো
মহাগ্ৰন্থ ভাগৱত।
তাহান আমাৰ নাহিকে অন্তৰ
কৈলো ইটো স্বৰূপক॥ (পৃষ্ঠা ৪৬৭)

সেই আজ্ঞা পালন কৰি, ছমাহ বাট বুৰি বাই জগদীশ মিশ্ৰ আহি শংকৰদেৱৰ ওচৰত উপস্থিত হৈছিলহি।

শংকৰদেৱে গঙ্গাৰ পাৰলৈ যোৱাৰ কথা গঙ্গাই সপোনতে দেখা পাই, 'ছিলদল ভাঙি পাচে থেদি আসি পাইলা (পৃষ্ঠা ৬৯১) আৰু শংকৰদেৱে বাকী ভকত-সকলৰ লগত, নিয়ম সংযমে গঙ্গা স্নান কৰিলন্ত' (পৃষ্ঠা ৬১২) আৰু গঙ্গাই নমস্কাৰ কৰি শুচি গৈছিল।

জগন্নাথ ক্ষেত্ৰ শংকৰদেৱ আৰু লগৰীয়া সকল গৈ পোৱাৰ আগতে 'জগন্নাথ শংকৰক স্বপ্নত দেখিলা। (পৃষ্ঠা ৬৯৩) পাণ্ডাক আগ বাঢ়ি যাবৰ কাৰণে পাঠিছিল। পাণ্ডাই জগন্নাথৰ আজ্ঞা পালন কৰি শংকৰদেৱক সগ কৰি আগবঢ়াই নিছিল মহাপ্ৰসাদ ভোজন কৰাইছিল আৰু শেষত জগন্নাথ দৰ্শন কৰাইছিল। (পৃষ্ঠা ৬৯৩-৯৪)

বেহাৰৰ ৰজা নৰনাৰায়ণে গোকুল চান্দ আৰু নাৰায়ণ দাসক ভোটক বেছিবলৈ হুকুম দিয়াত, নাৰায়ণ দাস ৰাতি সপোন দেখিছিল, গুৰুৱে আহি তেওঁক কৈছিল,

'শকতি আছয় কাৰ তোমাক দিবৰে।
কিনিবে কাহাৰো জানা নাহিকে শকতি। (পৃষ্ঠা ৭৫১)

সপোনৰ আদেশ সপোনত দেখা কথা জনসাধাৰণে অতি আগ্ৰহে পালন কৰিছিল।

(২) ৰামানন্দ দ্বিজ—শ্ৰীগুৰু চৰিত

ৰামানন্দ দ্বিজৰ ৰচনাটো সপোনৰ গুৰুত্ব আছে। শংকৰদেৱৰ পিতৃক এদিন এজন বিপ্ৰই সপোনত দেখা দি, 'পাইলা পত্ৰৰৰ অৰ্চ্চা কৰা গোপেশ্বৰ' (পৃষ্ঠা ২০) বুলি আজ্ঞা কৰিছিল। ৰাতিপুৱা ব্ৰাহ্মণসকলৰ আগত সপোনৰ কথা কলত স্বৰূপ বুলি কৈছিল।

পজাকুস নিবাসীসকলে তুলসীৰাম কেনেকৈ বৈকুণ্ঠলৈ গল তাৰ কথা সপোনৰ যোগেদি জানিছিল।

'সবে বোলে আজি স্বপ্ন দেখিলো অদ্ভুত।
বিমান উপৰে বসি চাৰিজন বিষ্ণু দূত ॥' (পৃষ্ঠা ৮২)

মহা জ্যোতির্ময় ৰূপ দেখি সকলো বিস্ময় হৈছিল। তুলসীৰামৰ ঘৰত তুলসী ওপৰত বিমান থৈ তুলসীৰামক তুলি বৈকুণ্ঠলৈ গৈছিলগৈ। লোকে,

'দেখে তুলসীৰ আগ ভাঙ্গিয়া আছয়।' (পৃষ্ঠা ৮৩)

ৰূপ আৰু সনাতনৰ, ৰূপ এদিন নাইকিয়া হোৱাৰ পাচত, সনাতনে এদিন সপোন দেখিছিল, হৰিয়ে বিপ্ৰ ৰূপত আহি সনাতনক কৈছিল,

'নকৰিবি দুখ তই শুন সনাতন।
প্ৰভাতে উঠিয়া তই উত্তৰ দিশক।
কৰিলো স্বৰূপ তই পাইবিহি ৰূপৰ ॥ (পৃষ্ঠা ২০১)

সপোন দেখি সনাতনৰ বৰ আনন্দ লাগিছিল, কাৰণ সপোনতেই সকলো কথাৰে সত্য সম্ভেদ পাইছিল।

সপোনত দেখা দি শংকৰদেৱে বেহাৰৰ ৰজাৰ গৰমলিক তেওঁৰ পৰম ভক্ত দুজন ভকতক কিয় দুখ দিছে সুধিছিল,

'মহা প্ৰিয়তম মোৰ ভক্ত দুইজন।
আসবাক দুঃখ তই দস কি কাৰণ ॥' (পৃষ্ঠা ২১২)

পৰমলিয়ে স্তব্ধ হৈ কেৱল চাই আছিল, উত্তৰ দিব পৰা নাছিল। নাৰায়ণ ঠাকুৰে পৃথিৱীত পৰি নমস্কাৰ কৰি গৰমলিৰ কোনো দোষ নাই, ভকতৰ লগত এজন বুলি ধৰিবলৈ কৈছিল।

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজৰ চৰিত 'শ্ৰীশ্ৰীশংকৰদেৱ'তো সপোনৰ প্ৰভাৱ দেখা যায়। ভৱিষ্যতে হব লগা কথাৰ ইঙ্গিত কুসুম্বৰৰ ভাৰ্য্যাক সপোনতে কৈছিল। কুসুম্বৰে শংকৰক আৰাধনা কৰিছিল পুত্ৰ সন্তানৰ কাৰণ,

'তান পত্নী গৃহ থাকি স্বপ্ন দেখিলন্ত।
স্বপ্নে মহাদেৱ আসি সাক্ষাৎ ভৈলন্ত ॥' (পৃষ্ঠা ৫)

আৰু তেওঁৰ গৃহত স্থান বিচাৰিছিল। কৃষ্ণদেৱক পত্নীয়ে কথাবাৰ কোৱাত মনৰ কামনা পুৰ হব ভাবি বৰ আনন্দ পাইছিল।

জগন্নাথ ক্ষেত্ৰত জগন্নাথক ভাগৱত শুনাবলৈ যোৱা তিৰহুৰ বিপ্ৰক জগন্নাথে সপোনত দেখা দি উদয় বাজ্যত থকা বৰদোৱা গাৱত শংকৰ আছে

'তান আগে গৈয়া পঢ়িয়োক ইটো
মহাগ্ৰন্থ ভাগৱত ॥
তাহান আমাৰ নাহিকে অন্তৰ
কৈলে'। ইটো সাৰ তত্ত্ব ॥' (পৃষ্ঠা ৩৯)

বুলি কৈছিল।

বেহাৰৰ ৰজা নৰনাৰায়ণে বন্দী কৰি থোৱা শংকৰদেৱৰ পৰম ভক্ত গোকুলচান্দ আৰু নাৰায়ণক হৰিবাই কৈছিল, বাতিয়ে দিনে হৰিৰ নাম লওঁ, কিন্তু হৰিৰ প্ৰমাণ একো নেপাওঁ কেলেই? কিন্তু বাতি হৰিয়াই সপোনত দেখা পাইছিল, কোটি সূৰ্য্যতকৈয়ো প্ৰকাশ হৈ এখন বিমান আহিছিল। সেই বিমানত অহা-সকলো চতুৰ্ভুজ ৰূপৰ আৰু তাৰে এজন শংকৰদেৱ আছিল। শংকৰদেৱে,

'মোৰ ভকতক এতে দুখ দেই
কিছো মোক শংকা নাই ॥
আমি বিদ্যমান আছন্তে ভক্তক
তোষ্টে কিনিবাক পাবে।
কোনেবা দিবেক কোনেবা নিবেক
শকতি আছে কাহাৰ ॥' (পৃষ্ঠা ১৯৩)

তাৰ পাচত সেই বিমানতে উঠি গুচি গৈছিল। হৰিবাই সাৰ পাই গোকুলচান্দ আৰু নাৰায়ণ দাসক কথা কৈছিল আৰু শংকৰৰ মহিমা বুজি পাই শৰণ লোৱাৰ কথা কৈছিল।

(৪) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ

সপোনৰ যোগেদিয়েই নীলকণ্ঠ দাসে তেওঁৰ চৰিত পুথিত দামোদৰদেৱৰ মহত্বৰ কথা জনাইছে।

'জগন্নাথে ওৰেবাত বাহ্মক দেখাই তাত
পাওাত সমতে কথা কৈলা।' (পৃষ্ঠা ৮৯)

কবি চূড়ামণি নামে হাজোত এজন দ্বিজ আছে, তেওঁ জগন্নাথলৈ যি আগ কৰিছে, দামোদৰদেৱৰ থানত দিলেই হব, কাৰণ

'তেহে পাইলে মই পাওঁ তেহে খাইলে মই খাওঁ
কহি দিয়া বিলম্ব নকৰি ।' (পৃষ্ঠা ৮৯) বুলিছিল ।

জগন্নাথৰ পাওাই সপোনৰ মতেই কাম কৰিছিল ।

দামোদৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়তো জগন্নাথে পাণ্ডাক সপোনত আদেশ দিছিল,

'বৈকুণ্ঠক যাইবে তেহোঁ এৰি নৰ দেহ ।
দেওঁসকলৰ ভোগ নিয়োগ সান্দশ ॥ (পৃষ্ঠা ১৬৩)

ইয়াৰো পৰি মৃত্যুৰ মঙ্গল দ্ৰব্য যি যি লাগে তাকো লগত লবলৈ আদেশ কৰিলে । কাৰণ, 'তাহান আমাৰ কিছু ভেদ ভাব নাই ।' (পৃষ্ঠা ১৬৩) গতিকে সপোনতে জগন্নাথৰ আদেশ পাই পাণ্ডাই দ্বাদশ শালগ্ৰাম, দমনা প্ৰভৃতি মহা নিৰ্মাল্য অক্ষয় বট পত্ৰ, নাৰিকলৰ সৈতে ঘৃত শৰ্কৰা, সপ্ত মহা তীৰ্থৰ জল গঙ্গা জল আদি লৈ অস্তি সোনকালে পাণ্ডা আহি বেহাৰ পাইছিলহি ।

এনেকৈ অনেক গুৰুত্বপূৰ্ণ কামো সপোনৰ যোগেদিয়েই পালন কৰিছিল সমাধান কৰিছিল ।

(৫) ৰমাকান্ত দ্বিজ—শ্ৰীশ্ৰীবনমালিদেব চৰিত্ৰ

ৰমাকান্ত দ্বিজৰ চৰিত পুথিতো সপোনৰ প্ৰভাব আছে। সপোনৰ যোগেদিয়েই নানা কাৰ্য্য সম্পাদন হোৱা দেখুৱাইছে ।

দুবছৰ বয়সৰ বনমালিয়ে নামঘৰত নাম শুনি থাকোতেই টোপনি গৈছিল । বনমালিক তাতে এৰি সকলো নিজ ঘৰাঘৰি গৈছিল । সকলোৱে বনমালিৰ কথা পাহৰি গৈছিল । কিন্তু ৰাতি বংশীগোপালদেৱক, হৰি, বিপ্ৰ ৰূপে আহি দেখা দি কৈছিল,

'তুমি সুখে গৈলা নিদ্ৰা আমাক নাহিকে চিন্তা
কণ্ঠে পৰি থাকিলোহো মই
কোন থাকে কোন ঠাই তাৰো উদ্দিহ নাই
কিচো মনে নিচিন্তৰ তুই ॥' (পৃষ্ঠা ২১)

সপোনৰ কথাত কৈ বনমালিক অকস্মাৎৰে নাম লোৱা ঠাইত শুই থকা পাইছিলগৈ।

জগন্নাথ ক্ষেত্ৰলৈ যাওঁতে গঙ্গাৰ পাৰত বনমালিদেৱ বৰ লগা হৈছিল। গঙ্গা আহি বনমালিদেৱক কৈছিলহি,

জগন্নাথ ক্ষেত্ৰলৈ যাওঁতে ভাগীৰথিৰ পাৰত বৰ লগা হওতে গঙ্গাই ভক্তসকলক সপোন দেখুৱাইছিল

'গোসাঁঞি আসন্ত স্নান কৰিবন্ত
পৰম আনন্দ মোৰ
তাহান সঙ্গমে জানিলো নিচ্ছয়ে
গুচিবে পাতক ঘোৰ ॥ (পৃষ্ঠা ৪০)

হলেশ্বৰৰ ওচৰত থকা সোণৰ প্ৰতিমা আনিবৰ কাৰণে বনমালিদেৱ বাৰলৈ ইচ্ছা কৰিও ভৈৰবি নদীৰ প্ৰচণ্ড সোঁত দেখি কাষত চাপিব নোৱাৰি মনতে দুখ কৰি আছিল। দেৱীয়ে সপোন দেখুৱালে, 'নিৰ্মালা প্ৰসাদ কেনে আমাক নেদন্ত। (পৃষ্ঠা ৭৩) বুলি কতুমান ভগ্ন নৌকাখন পাব আৰু তাতে কৈ নদী পাৰ হব পাৰিব বুলিও কৈছিল।

ইয়াৰ পাচত এদিন হলেশ্বৰেও সপোন দেখুৱাইছিল, তেওঁক কিয় আহি নিয়াহি নাই বুলি 'স্নান এড়ি আসি মঞি আচা আনো সাজ (পৃষ্ঠা ৭৩) গতিকে

'চতুৰ আঙুল মঞি গায় দাজি আছো।' (পৃষ্ঠা ৭০) কিন্তু 'আজি মোৰ এক ভক্ত কৰিলে আমনি।' (পৃষ্ঠা ৭৪) বুলি কৈ অন্তৰ্দ্ধান হৈছিল আৰু সাৰ পাই সপোন দেখা বিপ্ৰই বনমালিক কৈছিল। সপোনত যি ধৰণেৰ কথা কৈছিল, বনমালিদেৱে কৈ তেনে কথাই দেখিছিল গৈ।

আন এদিন প্ৰভু হৰিয়ে বনমালিদেৱক সপোনত আজ্ঞা কৰিছিল,

'সিদ্ধি হৈব কাৰ্য্য তুমি হেলা নকৰিবা।' (পৃষ্ঠা ৭৭)

অৰ্থাৎ বনমালিদেৱে এদিন দুখ কৰিছিল তেওঁৰ ধন বিত্ত যি আছে অখলে গল, হানিহে হল, কাৰণ, 'সৰ্থে লাগিলে তাৰ হস্তিকো নমানি।' (পৃষ্ঠা ৭৭) গতিকে সপোনত হৰিয়ে দেখ দি উপায় দিছিল। সপোনৰ আজ্ঞা মতেই বনমালিদেৱে সুৰ্বণৰ প্ৰতিমা কৰাইছিল।

বনমালিদেৱে পাৰ্থিৱ শৰীৰ এৰাৰ পাচত বহু লোকে সপোনত দেখিছিল, 'চতুৰ্ভুজ হয়া বীফু সঙ্গে বৈশা পাছে।' (পৃষ্ঠা ৯৫)

(৬) ৰত্নেশ্বৰ গোঁসাই সংকলিত—শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত

এইখিনি চৰিত পুথিতেই সপোনৰ উল্লেখ অতি নগণ্য। কেৱল গোপালদেৱৰ মাতৃয়ে বহু বছৰলৈ সন্তান নোহোৱাৰ কাৰণে সদায় ঈশ্বৰৰ প্ৰাৰ্থনা কৰিছিল, তেওঁৰ দুখ দূৰ কৰিবৰ কাৰণে। আয়ে সপোনত দেখিছিল, শংখ, চক্ৰ, গদা, পদ্মধাৰী গৰুড়ৰ কান্ধত উঠি আছি, 'তোমাৰ গৰ্ভত দেৱী মোক দিয়া স্থান' (পৃষ্ঠা ৪৬) বুলি কৈ হৰি অন্তৰ্দ্ধান হৈ গল।

(৭) ৰমানন্দ দ্বিজ—শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ

ৰমানন্দ দ্বিজৰ ৰচনা 'শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ' চৰিত পুথিত সপোনৰ ওপৰত জনসাধাৰণ আৰু বংশীগোপালদেৱৰ কেনে আস্থা আৰু বিশ্বাস আছিল সুন্দৰকৈ লিপিবদ্ধ কৰিছে।

বংশীগোপালে সপোনতে বিবাহ নকৰিবৰ কাৰণে ঈশ্বৰৰ পৰা উপদেশ পাইছিল,

'বিবাহ নকৰি ভক্তিয়োকে হৰি
সবে সুখ হইবে তোৰ।
আনন্দ ৰসত ফুৰিবি সতত
সুৱৰি বৈ বাক্য মোৰ ॥' (পৃষ্ঠা ১৮)

ইয়াৰ পাচত বিপ্ৰৰ ৰূপত আহা ঈশ্বৰ অন্তৰ্দ্ধান হৈছিল। জনসাধাৰণৰো সপোনৰ ওপৰত ইমানেই আস্থা আৰু বিশ্বাস আছিল যে বংশীগোপালে বন্ধুগণৰ আগত সপোনৰ কথা কওঁতে,

'উত্তম সপোন ইটো পৰম বিশিষ্ট।
কৃষ্ণবেশে ৰূপা ইটো জানা নিষ্টে নিষ্ট ॥ (পৃষ্ঠা ২০)

বুলি হৰিধ্বনি কৰিছিল।

এবাৰ বংশীগোপালে পশ্চিম দেশত বহুত মহন্ত আৰু ভালৈ গলে তেওঁৰ সকলো সিদ্ধি হব বুলি মনত দুখ কৰি আছিল কেনেকৈ যাব, কি কৰিব বুলি। কিন্তু সপোনত ব্ৰাহ্মণ এজন আহি কৈছিলহি,

'কালি প্ৰভাততে উঠি চলি যাইবি তঞি ॥
চাণ্ডিনীৰ বৰ ঘাটে লোহিত তীৰত।
তিনি খানি নৌকা আসি চাপিত কাছত ॥
পাছৰ নৌকাত যিটো মনুষ্য থাকিব।
সেহি তোক পৰম আদৰ কৰি নিব ॥ (পৃষ্ঠা ২৬)

আৰু তেওঁৰ লগত স্ৰুণল পশ্চিম দেশ পাব বুলি বংশীগোপালৰ মূৰত ব্ৰাহ্মণে হাত থৈছিল। বংশীগোপালে নমস্কাৰ কৰিব খোজোতে আৰু ব্ৰাহ্মণক দেখা পোৱা নাছিল।

বংশীগোপালে অলপ দিন অসম দেশত থকাৰ পাছত বৰপেটালৈ গৈছিল তাৰ পৰা গঙ্গা তীৰলৈ যাত্ৰা কৰিছিল। কিন্তু শ্ৰীক্ষেত্ৰলৈ বুলি মাত্ৰ তিনি দিনৰ পথ যাওঁতেই বংশীগোপালৰ শৰীৰ অসুস্থ হৈছিল। মনতে দুখ কৰি ৰাতি শুওঁতে সপোনত ব্ৰাহ্মণ এজন আহি দেখা দি কৈছিল, বৈষ্ণৱ জনৰ কথা অমান্য কৰাৰ কাৰণে এনে দুখ পাইছে। গতিকে

'এখনো উলটি আহা অসম দেশক।
প্ৰবৰ্ত্তাইবা তুমি মোৰ ভকতি পথক ॥
আপুনি যাইবো মঞি তোহোৰ স্থানক।
মোহোৰ সুখক দেখি লভিবি সুখক ॥' (পৃষ্ঠা ৪৫)

বুলি কৈছিল। কাৰণ গোপালদেৱক মাধৱদেৱে অসম দেশলৈ যাবলৈ কওঁতেও, গঙ্গা ক্ষেত্ৰ ফুৰি আহিবলৈ আজ্ঞা দিছিল, তাল বুলি গুচি আহিছিল, কিন্তু সপোনৰ নিৰ্দেশ মানি ঘূৰি আহিছিল।

এদিন এজন বিপ্ৰই সপোন দেখিছিল। বিশিষ্ট এজন ব্ৰাহ্মণে আহি তেওঁক কৈছিল যে তেওঁৰ গাত ধুলি বালি লাগি আছে। কাৰণ বংশীগোপালৰ ভাল কঠ নাই। বংশীগোপালৰ লগতে তেওঁ সদায় থাকে আৰু মাটিত থকাৰ কাৰণে তেওঁৰ গাটো ধুলি বালি লাগিছে। গতিকে উপদেশ দিছিল,

'তাম্বুলৰ কুমলীয়া চকুৱাক সীৰি
মোৰ কথা কহি বংশীগোপালক দিবি। (পৃষ্ঠা ৮০)

বিপ্ৰজনে সেই মতেই তামোলৰ চকুৱাৰে কঠা সি নি সপোনৰ কথা কৈ বংশী-গোপালক দিছিলগৈ।

সপোনতেই হব লগা কথা বা হৈ যোৱাৰ কথাৰ বিষয়ে জাননী দিছিল। এদিন বংশীগোপালে সপোনতে আদেশ পাইছিল,

'কালি আসি সদাগৰ দুগ্ধ দিবে বহুতৰ
তাতে ৰান্ধি দিবি মোক অন্ন ॥' (পৃষ্ঠা ১৫৪)

ইফালেও সদাগৰে সপোনত আদেশ পাইছিল এজন বিপ্ৰৰ পৰা বংশীগোপালদেৱৰ ওচৰলৈ বহুত দুগ্ধ লৈ যাবলৈ। সেই কাৰণে সদাগৰে দুগ্ধ কিনি আনি বংশী-গোপালদেৱক দিয়াহি বুলি কৈছিল।

এদিন দেৱৰ গ্ৰামৰ মন্দিৰৰ মহেশ, বংশীগোপালৰ ওচৰলৈ সপোনতে আহি প্ৰেম ভাবে সাৱত্তি ধৰি কৈছিলহি,

'শুনিয়ো গোপাল তুমি মোহোক দেখিতে।
কিয় নযাবাহা কিবা ভিন্ন কৰা চিত্তে
মোহাৰ বান্ধৱ সদ হৰি ভকতেসে।

এতেকে আসিলো মঞি দেখিব তোমাক।
ঈশ্বৰ সমান মানো বৈষ্ণৱ সবাক ॥ (পৃষ্ঠা ১৬১)

আনহাতে মন্দিৰৰ ঠাকুৰকো সপোনতে হৰই কৈছিল,

'শুনিয়ো দেৱৰী কালি প্ৰভাততে মঞি
সত্তক দেখিবে যইবা হস্তী কাছ তঞি ॥' (পৃষ্ঠা ১৬১)

সপোনৰ আদেশ মতেই ঠাকুৰে হাতী সাজু কৰিছিল।

বংশীগোপালৰ দেহাৱসানৰ আগে আগে ভক্তসকলক নানা সপোন দেখুৱাইছিল। সপোনত কোনোবাই 'বিমান আসয় শাৰী শাৰী' (পৃষ্ঠা ২০০ , কোনোবাই নাৰদ বীণ বজাই আহি বংশীগোপালদেৱক লৈ যোৱা দেখিছিল (পৃষ্ঠা ২০০) আৰু

'কেহো বোলে শংকৰ মাধৱ দামোদৰ।
তিনিবো বিমান কাছে আছে গোপালৰ।' (পৃষ্ঠা ২০০)

এই সপোনৰ জাননীতেই ভক্তসকলে গম পাইছিল, 'আজিসে গোপালদেৱে বৈকুণ্ঠ যাইবন্ত।' (পৃষ্ঠা ২০১)

(৮) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱৰ চৰিত

দৈত্যাৰি ঠাকুৰৰ চৰিতখনিতো দুই এটা সপোনৰ প্ৰভাৱৰ কথা পোৱা গৈছে।

ৰামদাসে কৰোৱা কীৰ্ত্তনত প্ৰসাদ হিচাবে ভক্তসকলক দিবলৈ অনা মিঠাইৰ এটা চক এবাৰতে নেদেখাকৈ বিলাবলৈ থাকি গৈছিল। এগৰাকী বিধৱা বাতি সপোনত দেখিছিল।

'ব্ৰাহ্মণৰ এক গুটি চৱাল কচিৰ।
হাতে সুবৰ্ণৰ লাডু ডালি ধৰি গাসি
সেহি মিঠাই চকৰ ওপৰে আছে বসি॥ (পৃষ্ঠা ৮১)

বিধবা গৰাকীয়ে কোন কি কথা সোধাত কৈছিল এই মিঠাই চক ভেওঁক দিবলৈ পাহৰি গৈছিল, গতিকে ভেওঁ বখি আছে। বিধবা গৰাকীয়ে সপোনত কথা গৈ শংকৰদেৱক কৈছিল গৈ আৰু কথাষাৰ সত্য বুলি প্ৰমাণিত কৈছিল।

কংকিলা গুৰু নামে এজন বিপ্ৰই মাধৱদেৱৰ কাৰণে ঘন গাখীৰ এক ভাও লৈ গৈছিল। কিন্তু নিশা কংকিলা গুৰুৱে দেখিছিল, 'সপনত এগুটি ছৱাল ব্ৰাহ্মণৰ, হৈৱেক বৎসৰ পাঞ্চ পৰম সুন্দৰ॥ ভাও হস্ত মাথা মাখি আনি ভৰাই হাত। (পৃষ্ঠা ২৭৭-৭৮) খাইছিল। সপানৰ কথা কংকিলা গুৰুৱে মাধৱদেৱকো কৈছিল। তেতিয়া মাধৱদেৱে কংকিলা গুৰুলৈ চাই কৈছিল, সৰণু চোৰ কৃষ্ণই ভে আহি খাইছিল আৰু

'ঈশ্বৰ অনন্ত শক্তি নিজ অংশে আসি।
জীৱক নিস্তাৰ কৰে ভকতি প্ৰকাশি॥ (পৃষ্ঠা ২৭৮)

বুলি। সপোনৰ প্ৰভাৱ সন্ত, মহন্ত, সাধাৰণ শ্ৰেণীলোকৰ ওপৰত সমান আছিল।

মাধৱদেৱ সুন্দৰি দিয়াত থাকোতেই এবাৰ মাধৱদেৱক দিয়া বাগভোগ কল হৰি কথা শেষ হোৱাৰ পাচত সকলোকে বিলাই দিবলৈ দিছিল। বিপনীৰাজনে তাৰে আঠটা কল থাৰ কৰি থৈছিল। মাধৱদেৱে সপোনত সেই কথা গম পাইছিল। বাতিপুৱা ভকতসকলক কৈছিল,

'আঠ গুটি কল নেদিলা আমাক
আপুনি ঈশ্বৰে কৈলা॥' (পৃষ্ঠা ২৮৪)

গতিকে সেই দিনাৰ পৰা সেইজন বিপনীয়াক সদাই আনক বিলাবলৈ দিছিল।

(৯) গুৰু চৰিত কথা

'গুৰু চৰিত কথা' চৰিত পুথিসমূহৰ ভিতৰত অতি বিস্তৃত অসমৰ মধ্যযুগৰ জীৱনী গ্ৰন্থ। সপোনৰ অতি গুৰুত্বপূৰ্ণ স্থানৰ কথা এই চৰিতখনিতো উল্লেখ কৰিছে।

শংকৰদেৱৰ উপৰি পুৰুষ এজনৰ জীয়ৰী কৃষ্ণকান্তিৰ গৰ্ভত কৃষ্ণৰ বীৰ্য্য ধাৰণ হোৱাৰ সত্যতাৰ কথা, কৃষ্ণকান্তিৰ দেউতাক, গাৱৰ মুখীয়াল লোকসকলক কৃষ্ণই সপোনত দেখা দি কৈছিল। আনকি গাৱৰ খলুৱা তিনিটা, হেমা, দেসাই আৰু কোসবাই খুতুৰনি নৈ থকাৰ কাৰণে সপোনতে কৃষ্ণই খুন্দি ভিওাকাৰ কৰিছিল। (পৃষ্ঠা ৬) সমাজৰ লোকে সপোনৰ কথাকে বিশ্বাস কৰিছিল, কৈছিল, "পাছে মুখ্যসবেও কলে বোলে আমাতো ভগৱন্তে কৈছে স্বপ্নত।" (পৃষ্ঠা ৬)

কৃষ্ণকান্তিৰ পুত্ৰ লওাৰৰক কৌশিকৰ ছাত্ৰশালাত আগশাৰী নিদিয়ে, 'বাপ নাই বুইলে' নিশা অধ্যাপকত স্বপ্নত ভগৱন্তে দেখা দি বোলে মোৰ (অংশ) কলাক হে অগ্ৰৱা কৰ।' (পৃষ্ঠা ৭) অধ্যাপকে পাছত সপোনৰ কথাৰ গুৰুত্ব বুজি লওাৰৰক আগ ঠাই দিছিল।

দুৰ্গা দেৱীয় সপোনত দেখা দি গৌৰৰ ৰজা ধৰ্ম্মনাৰায়ণ আৰু দমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণ মিত্ৰ হোৱা উপায় দিছিল। "পাছে স্বপ্নত বোলে দুইকো জি দেশক লাগি যুবা সবে প্ৰাণী মৰিল কাৰে ৰাজ জমি ভুঞ্জ. মই পৰাজই কেহো কাকো নপাৰহক মোৰ বাক্যে যুদ্ধ এৰি মিত্ৰৱৃত্তি হ.॥" (পৃষ্ঠা ৮)

মহেন্দ্ৰ কন্দলিৰ ছাত্ৰশালাত থাকোতেই শংকৰদেৱক 'ওঝাছাত্ৰ' পতাত ৰাম আচাৰ্য্যই শূদ্ৰক আগঠাই দিয়াত আপত্তি কৰাত, ৰাতি ভগবানে ভব্য ৰূপ ধৰি টোকোনেৰে খুন্দি ডিৰাকাৰ কৰিছিল আৰু সপোনতে 'চাৰিবস্তু লাভ কৰিছিল। সপোনৰ প্ৰভাৱতে ৰাতিপুৱা ঈৰ্ষা ভাব এৰি শংকৰক প্ৰণাম কৰি গৈছিলহি। (পৃষ্ঠা ২৩)

শংকৰদেৱ প্ৰথমবাৰ তীৰ্থ যাত্ৰা আৰম্ভ কৰোতেই সুমালিনী গোহাৰীয়ে সপোন দেখি ভোজন সম্ভাৰ নৈ পুৱা দুশ দুকুৰি টকা দি প্ৰণাম কৰিছিলহি। (পৃষ্ঠা ২৫ ২৬)

এজন ব্ৰাহ্মণ জগন্নাথলৈ গৈছিল দুটকা লৈ। এটকাৰ ভোগ লগাই ইটকা নিদি লৈ আহিছিল। সপোনত জগন্নাথে কৈছিল, 'মই অৎ জৰহে নাখাকো:

চৈতন্য মাতা জগন্নাথ শংকৰ ভকতেহে থাকো মই ভকতে মিলেছি পাঞ :' (পৃষ্ঠা ৬৫) ব্ৰাহ্মণ আহি শংকৰদেৱৰ ওচৰ পাই সপোনত জগন্নাথৰ আজ্ঞাৰ কথা কৈছিল।

মাধৱ কন্দলিয়ে সপোনতে শংকৰদেৱৰ ওচৰত শৰণাপন্ন হৈছিল, অনন্ত কন্দলিয়ে তেওঁৰ ৰামায়ণখন চাকি তুচ্ছ কৰিব খুজিছে বাবিবটৈ। সপোনৰ কথাৰে শংকৰ-মাধৱদেৱক লগ পৈছিল। 'ৰবাৰ পো তোমাৰ পিতাৰ শাস্ত্ৰ কৰিতা ওচাবজে খোজে ৰা মি ধৰে, গোবে, তুমি হোৱা আগে।' (পৃষ্ঠা ১০১) ইয়াৰ পাচত সপোনৰ কথাতে মাধৱ কন্দলিৰ 'ৰামায়ণ' সম্পূৰ্ণ কৰি থৈছিল বুলো জনা লগ হৈ।

ধৰজা আতৈৰ হাতত কটকৰ ৰজাই গন্ধ তেল একলহ জগন্নাথলৈ দি পঠাই-ছিল। আতৈ অলপ দূৰ গৈয়ে বিবিণাৰ মূৰ্ছা এটাত ৰাকী থৈ গুচি আহিছিল। ৰজাক গৈ কাটোৱাগে খন দিছিলগৈ। ৰজাই আতৈক বন্দী কৰি থৈছিল। কিন্তু জগন্নাথে সপোনত ৰাজাক কোগে চা মোৰ মাথা ধূৰি গৈছে, তাবাক বাধা কিয় ' (পৃষ্ঠা ১০৫) বুলি কোৱাৰ পাচত এৰি দিছিল।

দোৰ দামোদৰক শংকৰদেৱে চাউল, লোণ এলন্ধা দিওতেই ৰাকী ভকতসকল অসন্তুষ্ট হৈছিল। 'কালি গোঁসাইচেহি মেকোটা বৰ কাম কৰিচে নিতে বোজ ধৰে' (পৃষ্ঠা ১১৯) বুলি। শংকৰদেৱে কথাটো গম পাই বৰ দুখ পাইছিল। বিপ্ৰটোলকো মিদিলে আক ৰ ভিৰটৈ ধুই লোৱা চাউল শাকো বাছিবলৈ নিদি বৰ দুখ-কষ্টৰে থাকিল। ৰাতি সেই নিশাই এজন পাৰ্টকিৰ এক মূদৈক সপোন দেখুৱাইছিল, "এই তোৰক কি খুৱা হবি বিমুখ পতৰ নগৰ : এটি হৰিগুণ গোৱা বিপ্ৰক দি খুৱাহতে এনে শং সহস্ৰৰ কল সেইটিবে হই (পৃষ্ঠা ১১৯) এই মূদৈজনে প্ৰতি বছৰৰ মাঘ মাহত পাচশৰা অধিকক ব্ৰহ্ম ভোজন কৰাইছিল। সপোনত মূদৈক শংকৰদেৱৰ তাতেই সেই বিপ্ৰক পাব বুলিছিল। মূদৈ শংকৰদেৱৰ ওচৰলৈ গৈছিল আৰু শংকৰদেৱে সপোনৰ কথা জানি ভকতসকলক কৈছিল, 'তোমালোকে একটা দিশতে অহয়া কৰা : এতিয়া ঈশ্বৰে চাউল দিচে দামোদৰক।' (পৃষ্ঠা ১১৯)

শংকৰদেৱে বিষ কণাইক বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিও বিপথে যোৱাৰ কাৰণে ত্যাগ কৰাত, জগন্নাথলৈ গৈছিল। কিন্তু জগন্নাথ পাবলৈ এদিনৰ বাট থকাত জগন্নাথে বিষকণাইক সপোন দেখুৱাইছিল, 'এতেকে [illegible]' (পৃষ্ঠা ১২০) কিন্তু বিষকণাৰে অনেক স্তুতি অৰ্পণ কৰাটো। কব লগত দিয়াটো একো কাৰ

নহৈছিল। বৰং "তেওঁৰ বধে আমাকো নপাই শংকৰকো নাপাইঃ" (পৃষ্ঠা ১২১) বুলিহে কৈছিল।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত মাধৱদেৱক এবাৰ সপোনত দেখা দিছিল। সুখৰ, দুখৰ আৰু অনেক পৰমাৰ্থৰ কথা কৈছিল শংকৰদেৱে। মাধৱদেৱে 'দুষ্ট বামুণৰ নিন্দাবাদে সূচকৰ নিমিত্তে প্ৰাণ নৰহে মৈ জকঃ' (পৃষ্ঠা ২৮৩) বুলি মাধৱদেৱকো লগতে লৈ যাবলৈ কৈছিল। কিন্তু শংকৰদেৱে মাধৱদেৱক, 'তোমা পৃথিৱীৰ কল্পতৰু ভক্তিবৃক্ষঃ অনেক শাখা ডালপত্ৰ বাঢ়িব' (পৃষ্ঠা ২৮৩) বুলি পৃথিৱীতে থাকিবলৈ উপদেশ দিছিল। লগতে ইয়াকো আশ্বাস দিছিল যে তেঁৱাই এজন পুৰুষ পঠাবলৈ মাধৱদেৱৰ ভাৰ পাতলাবৰ কাৰণে। এই সকলো কথা সপোনতে হৈছিল।

এনেকৈ সপোনৰ প্ৰভাৱ জনজীৱনৰ ওপৰত মন কৰিব লগীয়া। সপোনৰ দৃশ্য (পৃষ্ঠা ৩১৭ আৰু ৪৭৪) অতো আছে।

(১১) কবি ৰামৰায় দাস—গুৰু লীলা

কবি ৰামৰায়ৰ 'গুৰু লীলা'ত তেনেকৈ সপোনৰ কথা পাবলৈ নায়। মাত্ৰ দামোদৰদেৱৰ জন্মৰ আগতে দামোদৰদেৱৰ মাতৃ সুশীলাৰ ওচৰত সপোনতে অলপ হাঁহি, থাকিবলৈ ঠাই খুজিছিল এজন দ্বিজবৰে। সুশীলা মাতৃয়ে তেওঁয়া দ্বিজবৰক, 'সাক্ষাতে ঈশ্বৰ বিষ্ণু তুমি।' (পৃষ্ঠা ১৪) বুলিছিল। ৰাতিপুৱা সপোনৰ কথা স্বামীক কোৱাত স্বামীয়ে কৈছিল,

> 'তোমাৰ গৰ্ভত আসি সন্ত পুত্ৰ উপজিব
> জনাইলন্ত আগে চক্ৰপাণি।
> আমাৰ গৃহত আসি জন্মিলন্ত কৃষ্ণ স্বামী
> আৰু মনে জানিলোঁ। নিশ্চয় ॥' (পৃষ্ঠা ১৫)

(১২) বনগঞা গীৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

বনগঞা গীৰিৰ লিখনিতো সপোনৰ কথা বৰ বিশেষ পোৱা হোৱা নাই যদিও সপোনৰ প্ৰাধান্যৰ কথা জনা যায়।

হৰিদেৱৰ পিতৃ অজনাক যাৱং কৃষ্ণদেৱে দেখা দি 'শুনা অজনাত তুমি কৃষ্ণ গৃহত যাৱং হৰি গুৰু ৰূপত জন্ম লাভ কৰিব বুলিও কৈছিল। সপোনৰ কথাতে

বিশ্বাস কৰি তেওঁ পত্নীক কৈছিল, 'লভিব তোমাক জন্ম দৈৱকী কুমাৰ।' (পৃষ্ঠা ১৩)

তীৰ্থৰ পৰা ঘূৰাৰ বাটত কাশী ধামত হৰিদেৱক সপোনত এজন বৃদ্ধ দ্বিজে মূৰত হাত দি,

বেদ পৰিবাৰক আদেশ কৰিলা
কহন্ত মোত হাসিয়া।' (পৃষ্ঠা ১৩৪)

বুলি কৈছিল। কাশীত থাকোতেই হৰিদেৱে আধা ৰাতিতে সপোনতে আদেশ পাইছিল, 'কাশী অমাবস্যা ৰাত্ৰি পাপীৰা বিশেষ॥' (পৃষ্ঠা ১৪১) সপোনত ইয়াকো নিৰ্দেশ দিছিল, সন্ধ্যা সময়ত মন্দিৰলৈ আহি বহি থাকি, চতুৰ্দ্দিশ দণ্ড যাওঁতে গঙ্গাৰ পাৰলৈ গৈ বেদৰ ওপৰত বাক্যধ্বনি শুনিব। তেতিয়া,

'ধূৰ্জ্জটি নামেৰে এক সন্ন্যাসী ৰতন।
বেলৎ বৃদ্ধ হয়ে আসি দিব দড়ি শণ॥' (পৃষ্ঠা ১৪১)

ভক্তি ভাবেৰে তেওঁক নমস্কাৰ কৰিলে দুৰ্ল্লভ, অপ্ৰাপ্য দ্ৰব্য উপহাৰ দিব।

জগন্নাথ পুৰীত গৈ পোৱাৰ পাচত হৰিদেৱে এক সপোন দেখিছিল। সপোনতে তেওঁক আদেশ দিছিল যে তেওঁ বেদ, দৰ্শন পঢ়ি আহি জগন্নাথ পাইছেহি, গতিকে,

'অনশনে ভাগৱত কৰিবা পঠন।
প্ৰথমতে তোমাৰ হস্তে কৰিলে অৰ্পণ॥
মোৰ মন্দিৰত আছে মূল ভাগৱত।
তুমিবে ইহাৰ পাত্ৰ দুৰ্ঘোৰ কলিত॥' (পৃষ্ঠা ১৫৩)

আৰু অনশনে মধ্যাহ্ন বেলাত পাচ বছৰ, পাচ ৰূপে পাঠ কৰিবলৈ আদেশ দিছিল।

(৬) খাদ্য দ্ৰব্য

মধ্য যুগৰ অসমৰ চৰিত পুথিসমূহ (আমাৰ অধ্যয়নত সাঙোৰা) অধ্যয়ন কৰি দেখা গৈছে, চাউলেই প্ৰধান জনসাধাৰণৰ খাদ্য বস্তু আছিল। বৰ্ত্তমানো অসমৰ চাউলেই প্ৰধান খাদ্য দ্ৰব্য। ইয়াৰ বাহিৰে আৰু অনেক খাদ্য বস্তুৰ কথা চৰিত পুথিসমূহত উল্লেখ আছে। তলত আমাৰ অধ্যয়নত সাঙোৰা চৰিত পুথিসমূহত পোৱা খাদ্য দ্ৰব্য সম্বন্ধে এটি টোকা দিয়া হল।

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

সাধাৰণতে 'শস্য মৎস্যে সমস্ত তথাতে মিলিলেক' (পৃষ্ঠা ১৯) হলেই জনগণই সেই ঠাইতে থকাৰ ব্যৱস্থা কৰিছিল। ভূঞাসকলো ভোটৰ অত্যাচাৰৰ পৰা আতৰি গৈ, 'শস্য মৎস্য পাই সবে লোক ভৈল সুখী' (পৃষ্ঠা ৪৯) আৰু বটদ্ৰৱাতে থাকিবলৈ দিহা কৰিছিল।

শংকৰদেৱৰ উপৰিপুৰুষ ৰাজধৰে পিতৃ শ্ৰাদ্ধ কৰি, 'ভোজন সম্ভাৰ দিলা পছ, কাছ মাছ।।' (পৃষ্ঠা ৫১) জাতি কুটুম্ব যিসকল আহিছিল সকলোকে ৰাজধৰে, 'চাউল দালি তৈল শস্য লোণ চক্ৰ বস্ত্ৰ।' (পৃষ্ঠা ৫১) ভাগে ভাগে কৰি দিছিল। শেষত তাম্বোল-পান দিছিল,

"ভুঞ্জি খায় সবে লোক বসিলন্ত সঙ্গে।
তাম্বুল পানক দিয়া ৰাজধৰে ৰঙ্গে।।" (পৃষ্ঠা ৫১)

ৰাজধৰৰ মৃত্যুত পুত্ৰই, 'দধি, কলা, তণ্ডুল তিনিকো মিসলাই' (পৃষ্ঠা ৫৮) পিতৃৰ পিণ্ড দিছিল।

শংকৰৰ জন্মৰ পাচত কলহে কলহে দধি, দুগ্ধ আনি সাজু কৰিছিলহি মাঙ্গলিক কাৰ্য্য কৰিবৰ কাৰণে। ইয়াৰো পৰি,

'আখৈ লাৰু গুড়ি জালুক জৱনি
দিলা লোণ তাতে ভৰি।' (পৃষ্ঠা ৯৯)

সণ্ডৰা গণ-কাৰীকো আখৈ লাৰু চিনি খণ্ড মিঠৈ', কেনি আদি ভোজন কৰিবৰ কাৰণে দিছিল। (পৃষ্ঠা ১০৬)

মাতৃৰ মৃত্যুত শোক কৰি থকা শিশু শংকৰক চান্দেৰীয়ে, 'কল খীৰ উপহাৰ বস্তু দেই আনি।" (পৃষ্ঠা ১৩৯) কিন্তু একোকে নেখাইছিল।

শংকৰৰ মাতৃৰ মৃত্যুত কুসুম্বৰে যি শ্ৰাদ্ধ ভোজন কৰাইছিল, তাত 'দধি দুগ্ধ ঘৃত মধু ভুঞ্জি পঞ্চামৃত।' (পৃষ্ঠা ১৯৪) ব্ৰাহ্মণসকল পৰম সন্তোষিত হৈছিল।

শংকৰৰ দ্বাদশ বছৰ বয়সত,

'মৃগ মাৰি তাৰ মাংসভক্ষক বঢ়াই।
ভূঞাসকলক সবে আনিলা মতাই।।' (পৃষ্ঠা ২৯৩)

আৰু পৰম কৌতুকে সকলোৱে সৰু ভোজন কৰিছিল আৰু শেষত, 'মুখ শুদ্ধি লাগি পান তাম্বুল দিলন্ত।।' (পৃষ্ঠা ২৯৩)

মহেন্দ্ৰ কন্দলীয়ে ছাত্ৰ শংকৰক ভোজন কৰাবৰ কাৰণে 'কচ্ছপ চিতল মৎস্য কৰাইবা ৰন্ধন ॥' (পৃষ্ঠা ৩৪৬) বুলি ঘৰত কৈছিল আৰু শংকৰৰ মৃগ মৎস্য ঘৃত ভুঞ্জি দেহা দৃঢ় হৈছিল। (পৃষ্ঠা ৩৪৬)

মাধৱদেৱৰ মাতৃৰ বিয়োগৰ পাচত মাঙ্গলিক কাৰ্য্য কৰিবৰ কাৰণে 'চাউল ভালি কদলী তাম্বুল উপহাৰ। এক ঠাই কৈলা আনি নৈবেদ্য সম্ভাৰ ॥' (পৃষ্ঠা ৩৯৮)

চাউলেই প্ৰধান আহাৰ আছিল। 'একপুৰা চাউল' দিয়াৰ কথা উল্লেখ কৰিছে। (পৃষ্ঠা ৬০৭)। চাউল তৈল লোণ (পৃষ্ঠা ৬০৭) থাকিলেই খাদ্য দ্ৰব্য সকলো থকা বুলি ভাবিছিল।

"চাউল তৈল লোণ আছয় সকল
বস্ত্ৰ মোৰ মাত্ৰ জুৰি।" (পৃষ্ঠা ৬০৭)

শংকৰদেৱ দ্বিতীয়বাৰ তীৰ্থলৈ যাত্ৰা কৰি গয়ালৈ যোৱাৰ পথত এঘৰ কায়স্থ মানুহৰ ঘৰত থাকিব লগা হৈছিল। গৃহস্থ ঘৰে 'দধি দুগ্ধ ঘৃত চাউল ভালি' (পৃষ্ঠা ৭ ৯) দুয়ো বেলা দিব, কিনিব নেলাগে বুলিছিল।

"টুপলি আলুক" বেহাৰৰ বজাক দিছিল। (পৃষ্ঠা ১১১) বজাই সেই আলুক লোক সমাজত বিলাই দিছিল।

শংকৰদেৱৰ উপৰি পুৰুষ চণ্ডীবৰে বাৰীৰৰ পতাৰ লগতে খোৱাৰ সুবিধাৰ কাৰণে কলপুলিও ৰোৱাইছিল। (পৃষ্ঠা ১৯)

গাখীৰ গগাই গগাই ক্ষীৰ কৰি খাইছিল। তাৰ লগত চেনি আৰু গুড় মিহলাইছিল। (পৃষ্ঠা ১২৮)

"অগ্নি তাপ গুচি যেবে ক্ষীৰ ভৈল মূৰ।
পূৰিত কৰিয়া আনিলেক চেনি গুড় ॥" (পৃষ্ঠা ১২৮)

মৃতকৰ সকামত,

'অন্ধা কুহিয়াৰ আদি বস্তু অগণন।
দিলন্ত কুহুমে মৃতকৰ পূৰি মন ॥
পিণ্ডপোট দিলা পাচে বিসলাই দুগ্ধ।
তিল নাৰি কৰিয়া কুহুম ভৈল শুদ্ধ ॥' (পৃষ্ঠা ১৪৩)

মহাবীৰিয়াকে কুকুৰ, নেহুৰি, গৰু আদি খাইছিল, সেই কথাৰো উল্লেখ আছে, 'কুকুৰ নেহুৰি গৰু খাইলা মাৰি কাটি' (পৃষ্ঠা ২২৩) আনহাতে মহাবীৰ উৎপাতত

হাবিত লুকাই থকা বাইয়ে সুখাত 'শাক কচু খাবর সুখাত আতি মবে।' (পৃষ্ঠা ২২৬) অৱস্থা হৈছিল।

পায়স খাত্ত বস্তু হিচাবে ব্যৱহাৰৰ কথা, 'আনিয়া পায়স চক বাধা হাতে দিল' (পৃষ্ঠা ৩৭৩)। 'আসিল পায়স চক লৈয়া এহি ঠাই', (পৃষ্ঠা ৩৭৩) ইত্যাদি উল্লেখত জনা যায়।

কবীৰৰ মাকে কটি ভাজি কৰি কবীৰক খাবলৈ দিছিল। 'কতো বেলা মাত্র কটি ভাজি আনি দেই।' (পৃষ্ঠা ৭১৮)

বেহাৰৰ ৰাজসভাত হৰিণাৰ মাংসও আনি দিছিল,

'হৰিণ মাৰিলা মাংস আনি দিলা
ভৰ্জিত কৰিয়া তাত।।' (পৃষ্ঠা ৭৭৩)

আৰু বজাই ৰাজসভাৰ সকলোকে বিদাই দিছিল। আৰু

"ব্ৰাহ্মণ সকলে আতি বহু মলে
ভুঞ্জিলন্ত বাতি দিনে।" (পৃষ্ঠা ৭৭৪)

বুলি উল্লেখ কৰিছে।

(২) ৰমাকান্ত দ্বিজ—শ্ৰীগুৰু চৰিত

ৰমাকান্ত দ্বিজৰ শ্ৰীগুৰু চৰিত'তো খাত্ত বস্তু সম্বন্ধে প্ৰসঙ্গক্ৰমে উল্লেখ কৰি গৈছে।

মাধৱদেৱৰ ককায়েকে দেৱী পূজা কৰাই বলি দিয়া পঠা ছাগলীৰ মাংস ভেওঁৰ পত্নীয়ে, 'আলু সমে মাংসৰ ব্যঞ্জন আনি দিয়া' (পৃষ্ঠা ১০৪) আৰু মাধৱদেৱে পৰম তৃপ্তিৰে ভোজন কৰাৰ কথা আছে।

খাত্ত দ্ৰব্য হিচাবে মাছৰ ব্যৱহাৰৰ কথা পোৱা যায়। শংকৰদেৱত শৰণ লৈ মাধৱদেৱ অতি আনন্দিত হৈ 'মৎস্য সমে অন্ন ভুঞ্জি' সন্তোষ মনে শুই থাকিছিল। (পৃষ্ঠা ১২৫)

ৰামৰায়ৰ ঘৰত কাঠৰ জগন্নাথৰ মূৰ্ত্তি প্ৰতিষ্ঠা অনুষ্ঠানৰ পণ্ডিতসকলক গৃহৰ ভিতৰলৈ নি,

'দধি দুগ্ধ কদলীৰ দিয়া চিপিটক।
কাজী চিনেক দিয়া সন্তোষি মনক।।' (পৃষ্ঠা ১৭০)

আৰু ভোজনৰ অন্তত তাম্বোল পূজক দিছিল।

খাদ্য দ্ৰব্য হিচাবে চাউল, লোণ, তেলৰ ব্যৱহাৰৰ কথাই বেছিকৈ উল্লেখ আছে। হৰিবাৰে গঙ্গা তীৰত অষ্টোত্তৰ তুলসী কই ৰাম নাম লওতে, যাৰ যেনে অৱস্থান সেইমতে 'তণ্ডুল কদলী গুৱা' (পৃষ্ঠা: ১৮, ১৯) দিছিল, মাধৱদেৱে আহোম ৰাজ্যত বন্দী অৱস্থাৰ পৰা মুক্ত হোৱাৰ পাচত সন্দিকৈক নাম শুনাওতে আনন্দিত হৈ মাধৱদেৱ থকা ঠাইলৈ চাউল, লোণ আনি দিছিল (পৃষ্ঠা ১৮৭), আনকি বিদায় লোৱাৰ সময়তো চাউল, লোণ আনি দিছিল (পৃষ্ঠা ১৮৯). ভৱানন্দই শংকৰদেৱৰ ওচৰত শৰণ লবলৈ আহোতে চাৰি পুৰা চাউল, দুই সেৰ লোণ, এক কলহ তেল শংকৰদেৱৰ ওচৰত আগবঢ়াই দিছিল (পৃষ্ঠা ১৯৮-৯৯)।

বেহাৰৰ ৰজা নৰনাৰায়ণৰ ৰাজসভাত আলুক দিয়াত ৰজাই সকলোকে ভাগ কৰি দিছিল। (পৃষ্ঠা ২২০)

শংকৰদেৱ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে পথ শ্ৰান্তিত শংকৰদেৱৰ মুখ শুকাই যাওঁতে মাধৱদেৱে আমলখি, শিলিখা দি পানী খাবলৈ দিছিল,

'আমলকি শিলিখাক কৰিয়া ভোজন।
জলপান কৰি সুস্থ হয়ো কতো ক্ষণ।' (পৃষ্ঠা ১২৮)

শংকৰদেৱৰ দ্বিতীয়বাৰ কৰা তীৰ্থ ভ্ৰমণৰ সময়তে ৰামৰায়ে গঙ্গা গয়াত সন্ন্যাসীক কৰোৱা ভোজন তালিকাত,

'চিনি ঘৃত পিষ্টক মোদক।
যাগ্য কৰি আনিলন্ত বহু সন্দেসক॥' (পৃষ্ঠা ২৩৪)

কৰতিয়া পৰাৰ পাৰত জিতৌয়াৰ ব্ৰাহ্মণ এজনে,

'এক দোন চিৰাক আনিয়া তেতিক্ষণ
এক চৰু দুগ্ধ দুই আথা কল আনি।' (পৃষ্ঠা ২৫৮)

মহা সুখে ভোজন কৰিছিল। মাছো খাইছিল।

"তাক খায়া মৎস্য সমে কৰিয়া ভোজন।
মহাসুখে শয্যা পাৰি কৰিলা শয়ন॥" (পৃষ্ঠা ২৫৮)

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজৰ চৰিতখনিত অতি কম কথাহে খাদ্য সম্বন্ধে পোৱা যায়। শংকৰদেৱে তীৰ্থত থকাৰ সময়তেই গঙ্গা তীৰত এজন কায়স্থ মুলত সমনে,

'খড়ি মুগ দালি কলাৰ বিয়ালি
তৈল আদি কৰি যত।' (পৃষ্ঠা ১৫৮)

ভোজন সম্ভাৰ আনি দিছিল।

অসমীয়া মানুহৰ কাৰণে তামোলখন যে কিমান হেপাহৰ আৰু সকাহৰ বস্তু, সেই সম্বন্ধে বেহাৰৰ ৰজা নৰনাৰায়ণৰ বন্দী গোকুলচান্দ আৰু নাৰায়ণে,

'এক দোকানিক তাম্বোল মাগিলন্ত।

— ..

তাম্বুল ভুঞ্জিয়া কিছো স্বস্থ লভিলন্ত ॥' (পৃষ্ঠা ১৮৩)

চাউল, ডাইল, লোণ, তেল, মাছ ভিক্ষা কৰি আনি গোকুলচান্দ আৰু নাৰায়ণে বান্ধি খাইছিল। (পৃষ্ঠা ১৮৪) ইয়াৰোপৰি,

'চাউল দালি ব্যঞ্জন মৎস্য ধৰি তেল লোণ
আগন্ত পেলাই দেই আনি।' বুলি কথাতো (পৃষ্ঠা ১৯০) উল্লেখ আছে।

(৪) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচথন চৰিত পুথিৰ সাঁৰ)

'শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ'খনিতো খাদ্যসম্ভাৰ সম্বন্ধে কিছু কথা লিপিবদ্ধ কৰিছে।

শংকৰদেৱে নাবালক গোপালক কৈছিল, 'পাৰা কি নোৱাৰা তুমি আম পাৰিবাক।' (পৃষ্ঠা ৫)

জ্বৰ কমিবলৈ, এৰাবলৈ তিতা বস্তু খাদ্য হিচাবে ব্যৱহাৰ কৰিছিল। গোপালৰ জ্বৰ হওতে ঔষধ খুওৱাৰ উপৰি, 'এক মাসমান তিতা কৰাইলেক পান।' (পৃষ্ঠা ৮)

গোপালদেৱে মাধৱদেৱৰ ওচৰত শৰণ লবলৈ সন্দেশ কৰাইছিল, কল পকাইছিল আৰু তামোল পান গোটাইছিল। (পৃষ্ঠা ৩৭)

অচ্যুত বিপ্ৰই মাধৱদেৱৰ ওসৰত শৰণ লোৱাৰ পাচত সন্দেশ আৰু দুগ্ধ ভোজন কৰাইছিল। (পৃষ্ঠা ৪৪)

কণ্ঠভূষণে মাধৱদেৱ আৰু লগৰ ভকতসকলক 'প্ৰথমতে দিলা নিয়া দুগ্ধ সন্দেশক' (পৃষ্ঠা ৫৪) আৰু তাৰ পাচত ভোজন কৰাইছিল। তাৰ পাচত "তাম্বুল ভোজন কৰি চণ্ডালে বসিলা।" (পৃষ্ঠা ৫৪)

প্ৰত্যেক ভোজনৰ অন্তত তামোল পানৰ ব্যৱহাৰ আছিল। যত্তেই অতিথিৰ কথা তাতেই তামোল পানৰ কথা আছে।

গাখীৰ পগাই 'ঘন খিৰিষা' কৰি খাইছিল। (পৃষ্ঠা ৬২) মাধৱদেৱে গোপাল আতাই খাবৰ কাৰণে,

'সন্দেশ দুগ্ধক চিনি কদলিক
আনা গৈয়া ভাণ্ডাৰৰ।' (পৃষ্ঠা ৬৮)

বুলিছিল।

'গড়' ভক্ষণ কৰিছিল। বেপাৰীয়ে বিক্ৰি কৰিবলৈ অনা 'গড়' ভকতসকলে দৰদাম কৰি কিনিছিল। কিন্তু জীৱা গড় মাৰিব নোৱাৰে কাৰণে ভকত বেপাৰীয়ে গড় মাৰি কাটি বাটি দি গৈছিল। (পৃষ্ঠা ১৬৭)

গোপাল আতাই চাউল, কচু আলু, কোমোৰা আদি খাদ্যবস্তু শংকৰদেৱৰ নাতিয়েক ঠাকুৰলৈ পঠাইছিল। (পৃষ্ঠা ১৮০)

কালঝাৰ সত্ৰত গোপাল আতা নৰিয়া পৰাত খবৰ কৰিবলৈ অহা ভকতসকলৰ কাৰণে "লোণ তেল মৎস্য মাংস যত্ন কৰিবো" (পৃষ্ঠা ২৩৪) বুলিছিল।

বেতগাজো খাদ্য হিচাবে ব্যৱহাৰ কৰিছিল। গোপাল আতাৰ নৰিয়াত তিতা খাবৰ মন গৈছে বোলাত 'বেতগাজ আনিবাক কৰিলন্ত গমন।' (পৃষ্ঠা ৩৩৬) বুলি উল্লেখ আছে।

গোপাল আতাৰ ভাৰ্য্যাই 'বেজনৰ ব্যঞ্জনক আনি আই দিলা।' (পৃষ্ঠা ৩৪৬) বুলিছে।

গোপালদেৱৰ দেহাৱসানৰ পাচত দহ দিনও দহাত, 'দুগ্ধ চিকুৰণ কদল সন্দেশ', বিচ দিনত কাজ কৰি ব্ৰহ্ম ভোজন কৰাইছে আৰু জাতি মিত্ৰক মাছ ভাত খুৱাইছিল। (পৃষ্ঠা ৩৫৫)

(৫) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ

দামোদৰৰ জন্মৰ পাচত মাৰীসকলে সন্দেশ আনিছিল। (পৃষ্ঠা ২০) দামোদৰ জাত কৰ্মলৈ অহা সকলক পকান্ন ভোজন কৰাইছিল। (পৃষ্ঠা ২১)

বৰদোৱাৰ পৰা হাজোলৈ যাবলৈ ওলাই ভড়ালত থকা চাউল, চিৰা, ধান আদি লগত লৈছিল। (পৃষ্ঠা ৩৮)

শংকৰদেৱক দৰশন কৰিবৰ কাৰণে দামোদৰে,

‘জহ্মা চাউল দুই তিনি ভাৰ সজাইলন্ত।
ভোগ কদলিৰ চাৰি ভাৰ সজাইলন্ত ॥
মাস মুগ এক ভাৰ ভুশন্ত কৰাইলা।
তাম্বুল পানৰ দুই ভাৰ, কৰি লৈলা ॥’ (পৃষ্ঠা ৬০)

শংকৰদেৱে মুগ মাহ তিয়াই গাজি কৰি প্ৰসাদৰূপে ব্যৱহাৰ কৰিছিল। “মাস মুগ তিয়াই গাজি কৰিবাক দিল।” (পৃষ্ঠা ৬১)

পিতৃৰ বছৰেকীয়াত দামোদৰদেৱে,

‘দধি দুগ্ধ ঘৃত মধু আনিলা কোচাই।
কদলি তাম্বুল সবে কৰি এক ঠাই ॥’ (পৃষ্ঠা ৬৩)

আৰু সত্ৰা পাতি হৰি কীৰ্ত্তন কৰি ভোজন কৰাইছিল। শেষত, ‘বড় ৰঙ্গে অন্ন ভুঞ্জাইলন্ত।’ (পৃষ্ঠা ৬৩)

গুৰুধ্বজে বেহাৰৰ শংকৰদেৱক নিজ ঘৰলৈ নৈ গৈ পঞ্চামৃত ভোজন কৰাইছিল।

‘গুৰুধ্বজ নৃপে সন্তুষ্টে ভুঞ্জিলন্ত ॥
শঙ্কৰক পঞ্চামৃতে অন্ন ভুঞ্জাইলন্ত।’ (পৃষ্ঠা ৭০)

দামোদৰদেৱে শৰণ দিয়া লোক কেইজনক ‘গোৰস কদলি গুৰ চিৰা ভুঞ্জাইলন্ত।’ (পৃষ্ঠা ৯৫)

দামোদৰদেৱে ককায়েক নবৌয়েকৰ মৰণৰ পাছত মাছ, মাংসৰে ব্ৰত ভাঙিছিল। “জ্ঞাতি বন্ধু মিলাই মৎস্য মাংস পৰশিলা।” (পৃষ্ঠা ১১১)

চিৰা, শাকও খাদ্য আছিল। কবিৰাজই ভকতসকলক পাটবাউসীত,

‘চিৰা শাক পিঠা যত।
কদলি যে নানা মত।
দধি মধু শাক ক্ষীৰ।
সুগন্ধি উত্তম নীৰ ॥’ (পৃষ্ঠা ১৫১)

ভোজন কৰাইছিল। শেষত গুৱা পান দিছিল মুখশুদ্ধি স্বৰূপে। বাস্তৱতো কবিৰাজই ভকতসকলক ৰাখি,

'উত্তম তণ্ডুল মৎস্য মাংস তৈল লোণ।
দধি দুগ্ধ ঘৃত মধু আদি আনেক গণ॥
আলু ঘনক্ষীৰ গুৰ ভুঞ্জিবাক দিলা॥' (পৃষ্ঠা ১৫২)
'মৎস্য পৰশিয়া ব্ৰত সামিষ কৰিলা।' (পৃষ্ঠা ১৭৬)
'মৎস্য পৰশিয়া মাসে কষ্টোধিক ভৈলা॥' (পৃষ্ঠা ১৭৮)

পাটবাউসীত দামোদৰদেৱৰ বাৎসৰিক পাতিবৰ কাৰণে,

'চাউল চিৰা নৈবদ্য তাম্বূল যে পান।
দধি দুগ্ধ ঘৃত মধু গুৰ যত মান॥
মৎস্য যে কচ্ছপ মুগ লোণ ক্ষাৰ।' (পৃষ্ঠা ১৭৯)

গোটাইছিল। আনহাতে বেহাৰৰ বীৰ নাৰায়ণেও,

'পিঠা পানা চিৰা লাড়ু দধি মধু ক্ষীৰ।
কদলি শৰ্কৰা ঘৃত খিকলা ৰুচিৰ॥
নানা পুষ্প নানা ফল মৎস্য পত্ৰছাগ। (পৃষ্ঠা ১৮০)

গোটাইছিল।

(৬) শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত

গোপালক ছমাহ জ্বৰে পিণ্ডিছিল। জ্বৰ এৰাই সুস্থ হবৰ কাৰণে যোমায়েকৰ ঘৰত,

'তিতা পান কৰাইলন্ত কৰিয়া যতন।
একমাস মানে তিতা দ্ৰব্য কৰাই পান।
অনেক ঔষধ দিয়া কৰাইলন্ত স্নান।
শুচি গৈল জ্বৰ সুস্থ ভৈল কলেৱৰ॥' (পৃষ্ঠা ৭৩)

এই চৰিতত খাদ্যদ্ৰব্য সম্বন্ধে আৰু বিশেষ কথা পাবলৈ নাই।

(৭) [illegible] দ্বিজ—শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ

খাদ্য সম্বন্ধে এঠাইতে উল্লেখ আছে এই চৰিতখনিত। বৈকুণ্ঠনাথে মাহ প্ৰসাদ কৰোতে,

'ফল মূল শস্য ইক্ষু কলা মাহ
বিলাই আন নথাই।' (পৃষ্ঠা ১০৩)

বুলি উল্লেখ আছে।

(৮) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ—মাধৱদেৱৰ চৰিত

দৈত্যাৰি ঠাকুৰেও ভেওঁৰ চৰিতখনিত সেই সময়ৰ খাদ্য দ্ৰব্যৰ সম্বন্ধে প্ৰসঙ্গক্ৰমে উল্লেখ কৰি গৈছে।

ঘামৰি মামাজিৰ ঘৰত মাধৱদেৱ আৰু ভেওঁৰ পিতৃ-মাতৃক আপদ কালত আশ্ৰয় দি আদৰ সাদৰ কৰি ৰাখি,

'মৎস্যে মাংসে দুয়ো বেলা কৰান্ত ভোজন।
দধি দুগ্ধ গুৱা পান দেন্ত অভ্যুৎদয়।' (পৃষ্ঠা ৪১)

শংকৰদেৱৰ মাছৰ প্ৰতি কিমান দুৰ্ব্বলতা আছিল তাৰ প্ৰমাণ পোৱা যায়, ব্ৰহ্মপুত্ৰই দি ভকতসকলৰে সৈতে গৈ থাকোতে তুলি অনা গেলা মাছৰে, বাটত মাছ পালে এৰিব নেপাই বুলি, কিমান যত্ন কৰি গেলা মাছটোকে সিজাই, মণ্ডহখিনি উলিয়াই জলকিয়া সানি, নিমখ দি ভাৰপাতত টোপোলা বান্ধি পুৰি সকলোকে খাবলৈ দিছিল। ৰামানন্দই 'তেহন মাছ এহন হৈবে আৰু কোনে জানে।' (পৃষ্ঠা ১০০) বুলি কৈছিল।

হৰিণাৰ মাংস তৃপ্তিকৰ আহাৰ আছিল। মাধৱদেৱে ভকতসকলক হৰিণাৰ মাংস আজি ভোজন কৰিবে' (পৃষ্ঠা ২৪১) বুলিছিল।

বৰপেটাৰ বিলত বাৰজন কৈৱৰ্ত্তই ধৰি অনা কাউল মাছ মাধৱদেৱ, ভকতসকল আৰু বাৰজন জালোৱাই, শংকৰদেৱৰ নাতি পুত্ৰই ভাগ কৰি খাইছিল।

'খাচিত্তো অধিক মাছ স্বাদ সুকোমল।
প্ৰশংসিল ভাল মাছ বুলিয়া সকল॥ (পৃষ্ঠা ২৪৪)

চিৰা, কল, গাখীৰ সাধাৰণতে ব্যৱহাৰ হোৱা খাদ্য আছিল। কণ্ঠভূষণ মাধৱদেৱক আৰু লগৰসকলক গাখীৰ, চিৰা, কল খাবলৈ দিছিল। (পৃষ্ঠা ২৪৮)

(৯) গুৰু চৰিত কথা

চাউলেই প্ৰধান খাদ্য বস্তু আছিল। অন্য আহাৰৰ ভিতৰত দুগ্ধ, চিৰা, পৰমান্ন আদিও আছিল। মাধৱ মাজিয়ে মাধৱদেৱ আৰু মাকক দুৰ্দিনত লগ পাই চাৰি পাচ দিন লঘোনে থকা বুলি গম পাই 'তিনিকো দুগ্ধ চিৰা ভোজন কৰাই গুৱা দি বাৰ্ত্তা সুধিছে'। (পৃষ্ঠা ৫০)।

খাদ্য দ্ৰব্য হিচাবে 'মাছ সৰিয়হ লোণ তৈল কদু কোমোৰা শাক' (পৃষ্ঠা ৫১) আদি সাধাৰণতে ব্যৱহাৰ হৈছিল।

মাধৱদেৱৰ গা নধৰিয়া হোৱাত ঔষধ খাই ছমাহৰ পাচত আন হোৱাত 'চমাহে গা টলাই খালি এটি ভোজন কৰি মন হল।' (পৃষ্ঠা ৫৫)

খাদ্য দ্ৰব্যৰ লগত খাৰ আছিলেই। (পৃষ্ঠা ৯৪) 'মুগ মাটি মুচুৰ কলা চেনি দুগ্ধ তৈল লোণ চাউল সব দি পঠালে। (পৃষ্ঠা ১১২) বুলি খাদ্য দ্ৰব্যৰ উল্লেখ আছে।

ৰূপ আৰু সনাতনে অনেক ব্ৰাহ্মণ, বৈষ্ণৱ, বৈৰাগী, যাত্ৰী, সন্ন্যাসী, যোগী, ব্ৰহ্মচাৰী আদিক, 'দুগ্ধ চিৰা চেনি ঘৃত মধু সাজা মনোহৰা বাতাচাঃ জেলপিঃ কেলিঃ লুচি পুৰি, জিলেএটা মোদকঃ ইক্ষু আখৈ কলা পুৰা' (পৃষ্ঠা ১৩৪) আদিৰে ভোজন কৰোৱাৰ কথা আছে।

দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ গৈ শংকৰদেৱ আৰু সংগীসকল বৈতৰণী আহাদ-পুৰত বৈছিল, তেতিয়া দৈনন্দিন লগা খাদ্য বস্তুৰ লগতে, 'গুৱা চলাৰি'ও (পৃষ্ঠা ১৩৩) কিনাৰ উল্লেখ আছে। আকৌ বৰ্দ্ধমানত যেতিয়া বৈছিলহি তেতিয়াও দুগ্ধ খিৰ দাইল চেনি বাৰে মচলা ঘৃত মধু'ৰে (পৃষ্ঠা ১৩৮) ভোজন কৰাৰ উল্লেখ আছে।

খাগৰি কটাত শংকৰদেৱে কাটল মাছেৰে সকলৈ কাটি আদখাৰ জলা টেকা ভৰি আলুক হৰিদ্ৰা দি বাঢ়িলে' (পৃষ্ঠা ১৮২) বুলি উল্লেখ কৰিছে। আৰু মাছ ধৰাৰ লোকে 'আমোদিত' হোৱা বুলিও উল্লেখ কৰিছে। (পৃষ্ঠা ১৮২)

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত, চিলাৰায় দেৱালৈ দহা কৰ্মৰ কাৰণ, 'গুৰ গাখীৰ কলা ঘিউ মৌ চেনি মাহ চাউল তেল লোণ' (পৃষ্ঠা ১৮৭) আদি পঠাইছিল।

চাউল, মাহ কচু, কোমোৰা, আদা, মৰিচ, গুৱাপাণ আদি শ্ৰীমাৰ আতাৰ বহাত খাদ্য দ্ৰব্য হিচাবে গোট খাইছিল, ভকতসকলৰ মাজত বিলাই দিছিল। (পৃষ্ঠা ২৮৯)

পকা বেল খাদ্য দ্ৰব্য আছিল, (পৃষ্ঠা ২৮৯) ভুবনেশ্বৰী আৰু সপোনত লোণ বাকক সবে একাদশীত দধি দুগ্ধ খিৰ সৰু খিৰিহা ঘৃত মধু পৰমান্নঃ আখৈ চিৰা চেনি কেনি সাজা মনোহৰা পুৰি লুচি জেলিপি মোদক কলা পুৰা কলা পিঠা' (পৃষ্ঠা ৩০৩) আদি ভোজন বিহাৰ কৰিছিল।

মাছো বিভিন্ন ধৰণে ৰন্ধন কৰি খাইছিল। মাছৰ ভেজা, খাৰ, জলা, পোৰা আদি। (পৃষ্ঠা ৩১৪) "বৰ মাছৰ গাত আদি মহা যোৱা উঠিল। ভুৱা একে

মাছ এমুঠি মানৰ পৰা বিচাৰি নি পত্নীক ঙটি চাৰি টেঙা লাগিলে, ছুটি মানং খাব তৈলঃ সদাই ছুটিমান ভোজন কৈলে তিনি খানিকে।" (পৃষ্ঠা ৩১৪)

গন্ধর্ব মাজিৰ কৰ্তব্য নিষ্ঠা আৰু ভক্তিত মাধৱদেৱে সন্তুষ্ট কৈ "চাউল লোণ তেল মাচ খৰি চক ঘৃত মধু চেনি চুৰা গুৰ গাখিৰ শাক পাত" (পৃষ্ঠা ৩৫৭) দি বোজ ধৰিছিল।

থাগৰী কটা ঘাটৰ হাবিত মাখি মৌ এবাহ পাই আনি ভক্তসকলে মাধৱদেৱক দিছিলহি। মাধৱদেৱে সকলোকে বিলাই দিছিল। আৰু ভক্তসকলক কৈছিল, "তোমালোকৰ মৌ ভোজন কৰিলাহক। আমিও মউতবিৰা খোৱা কৰো।" (পৃষ্ঠা ৩৬৮)

কায়থা কুকাই আতৈয়ে হৰিষাৰত নবিয়াত পৰি সুস্থ হোৱাৰ পাচত মাছ খাবলৈ বৰ হুতাহ কৈছিল। কিন্তু সি দেশত মাছ নেথাইছিল। খোৱা মানুহে পালে মাৰিছিল। কিন্তু আতৈয়ে বৰ নোৱাৰি বিলত নামি দুটা বৌমাছ আনি বাম্ধি বাটি খাবলৈ লওতেই, "তেহে গাএন্তে ধুঁৱা দেখি কেদি গৈই চটা কেৰা হানি মাৰিব খোজে। মুচুলি খৰা বনমানুহ বুলি।" (পৃষ্ঠা ৩৯৯) নিৰামিষ খোৱা সকলে আমিষ খোৱা মানুহক ঘিণ কৰিছিল, সহ কৰিব নোৱাৰিছিল সেই কথা ইয়াৰ পৰা জনা যায়।

বেহাৰৰ আই বায়ে "নিতে ছুজন ছুজন ভকতক চিৰা কলহাৰ কৰাই" (পৃষ্ঠা ৩৯৯) বুলি উল্লেখ আছে।

কায়থা কুকাৰ ভোজনৰ প্ৰতি বৰ আগ্ৰহ আছিল, মধুপুৰত গুৰু জনৰ ওচৰত ধৰ্ম কথা লৈ থকাৰ সময়তে এদিন একলহ দুধ, এথোকা কল, চিৰা, গুৰেৰে সৈতে দুজনৰ বস্তু অকলেই খাই মুখ ধুই মুখ মুচিকৈ শুই পৰিছিল "এটি পাটি দিয়া" (পৃষ্ঠা ৪০০) বুলি।

চাউলবো বিভিন্ন ভাগ আছিল। পাটবাউসীত পৰমানন্দই মোটা চাউলৰ ভাত খাই কাৰণে ছন্দৰিত মাধৱদেৱৰ ঠাইলৈ আহি মানিকি মধুৰি চাউলৰ ভাত খাই খোৱা বেলেই নেপাইছিল। গতিকে মাধৱদেৱে হৰিৰামক 'আজিৰ্তে উক চাউল দিবা' (পৃষ্ঠা ৪০১) বুলি কৈছিল।

দৰিকা মাছ ঔটেঙা আৰু ঢেকিয়া শাক দি ৰান্ধি ভুঞিবে আভা, আতৈ সকলোৱে খাইছিল। (পৃষ্ঠা ৪৫৩) মাধৱদেৱক তেলাত তেনেকৈ ৰান্ধি খুৱাইছিল। চৰিত খনিত উল্লেখ আছে, "মহৰা মুখে মাছ আনে ···· ··· আৰি মাচ এটি

তাৰি পোন কৈলেঃ মঙ্গলৰ বাবে ঢেকিয়া পাই বলে ঃ দেখে বউটৈয়া
আছে। তাকো পাৰবৈ নৈ — তেলাত গুৰুজনে আবি যাচে ঢেকিয়া
বউত্ৰ বাত্ৰি বান্ধি দিলে বান্ধি আতৈকো দিছে আজাও নৈছে।"
(পৃষ্ঠা ৪৫৬)

(১০) কবি ৰামৰায় দাস—গুৰু লীলা

দামোদৰদেৱৰ জীৱন কথাৰ লগত জড়িত খাদ্য দ্ৰব্য সম্বন্ধেও চৰিতখনিত আছে।

দামোদৰদেৱক বেহুৰাৰত কৰা আতিথ্যত খাদ্য দ্ৰব্য হিচাবে,

"ইক্ষু আখৈ সৰা নাৰিকল যে ত্ৰিফল।
মধুকৰ তণ্ডুল যে সুপক্ক কাঁঠাল।
মুগৰ কলাৰ গাজি আদা লোণ সমে।
ঘৃত চিনি মোদক সন্দেশ যথাক্ৰমে॥" (পৃষ্ঠা ৬৫)

দিছিল।

ৰাজপুৰীৰ নাৰীসকলে দামোদৰদেৱৰ কাৰণে দাসীৰ হাতত,

'ঘৃত চিনি পিষ্টক মোদক বিস্তোপন।
.... .
আইকল লবঙ্গ সুগন্ধি তৈলচয়।
অন্ন ভোজনৰ দ্ৰব্য নানা ৰসময়॥' (পৃষ্ঠা ৬৭)

দি পঠাইছিল।

বেতিয়াই ঘি বস্ত পোৱা গৈছিল, সকলোবোৰ বস্তুকে আনি দামোদৰদেৱক দিছিলহি,

'ঘৃত চিনি শৰ্কৰা বড় বিধ অন্ন
আম জাম লেতকু কঠাল নাৰিকল।
মধু কল জাবিৰ বেল যে ত্ৰিফল।
আলু কচু মূলা আদা কেবেলা বেঙ্গন।
সূপ মাহ বৰকাণা নানা ৰস ধন॥' (পৃষ্ঠা ৬৮)

(১১) বনমালী দেৱ চৰিত—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

হৰিদেৱৰ জীৱন কথাৰ লগত খাদ্য দ্ৰব্যৰো উল্লেখ আছে। হৰিদেৱে গোপাল ৰূপী কৃষ্ণৰ লগত, 'কদলী সৰ্কৰা দুগ্ধ আনিয়া প্ৰভুত' (পৃষ্ঠা ৩৮) কৰি ভোজন কৰিছিল।

অপৰাহ্নত পূজাৰি, পাণ্ডাসকলে, হৰিদেৱ সুভদ্ৰা আৰু সখিজনক,

'খাদ্য জলপান আনিলন্ত সীমে
সৰ্কৰা কদলী চাও॥ (পৃষ্ঠা ৭০)

দিছিল আৰু ইয়াৰোপৰি ফল মূলো দিছিল। (পৃষ্ঠা ৭১)

আহাৰ গ্ৰহণৰ পাচত কোনোবাই "তাম্বূলাদি যাৰ যিবা কৰিলা গ্ৰহণ" (পৃষ্ঠা ৮৭) "আমলকি হৰিতকী গুৰুক দিলন্ত" (পৃষ্ঠা ৮৭)। এইবোৰ মুখশুদ্ধি আছিল। 'হৰিতকি ফল আনি দিলা গুৰু সমিপত (পৃষ্ঠা ৯১) হৰিতকি ফল আমলকি ফল তিনো জনে দিলো মুখে (পৃষ্ঠা ১৪৯)।

কোচবিহাৰৰ ৰজা মল্লদেৱে হৰিদেৱৰ ভোজনৰ কাৰণে,

'দালী, অন্ন, পৰমান্ন অনেক মিষ্টান্ন॥
ঘৃত পক্ক নানা দ্ৰব্য কৰিছো ৰন্ধন।' (পৃষ্ঠা ২০০) ইত্যাদি কৰি দ্বাদশ প্ৰকাৰী ৰন্ধন শ্ৰীগোবিন্দই কৰা বুলি উল্লেখ আছে।

(৭) নাৰীৰ স্থান

মধ্যযুগত অসমৰ নাৰীসকলৰ স্থান, সমাজত কি ৰকমৰ আছিল সেই সম্বন্ধেও উল্লেখ আছে। শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনে নাৰীসকলক প্ৰভাৱান্বিত কৰিছিল সেই বিষয়েও জানিব পাৰি। আমাৰ অধ্যয়নত সামৰা বিভিন্ন চৰিত পুথিত নাৰীসকলৰ স্থান কি আৰু ৰকমৰ কি আছিল তাৰ এটি টোকা দিয়া হল।

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

চন্দৰী শংকৰদেৱৰ ঘৰৰ দাসী। শংকৰদেৱৰ জন্মৰ পাচত চান্দৰীকে কেচুৱা ধুৱাই মেলি কোলাত তুলিবলৈ কৈছিল। "ছুয়ুমে বোলন্ত আৰে চন্দৰী শুনিয়ো। স্নান কৰাই পুত্ৰ খানি কোলে তুলি লৈয়ো॥" (পৃষ্ঠা ৮০) চন্দৰী আৰু মাধৱীয়ে

শিশু শংকৰক আলপৈচান ধৰিছিল. (১২৪-২৮, ১৩৩, ১৩৪, ১৩৫, ১৩৯, ১৪২, ১৪৪)

শংকৰদেৱে সাত বৈকুণ্ঠৰ পট আঁকি কল্পতৰু বৃক্ষ, 'কৈত দিবে লাগয় তাহাক নজানয়', (পৃষ্ঠা ৩২৩) দেখি চন্দ্ৰৰী আয়ে চোতালৰ ধান মেলি থকাৰ পৰা আহি, 'ঐত লাগে ডেকাশিৰি সিটো বৃক্ষ ৰব। (পৃষ্ঠা ৩২৩) বুলি দেখুৱাই দিছিল। আক্ষৰিক জ্ঞান নাছিল যদিও, ঘৰুৱা পৰিবেশৰ দ্বাৰা চন্দ্ৰৰী আয়েয়ো কিমান জ্ঞান পাইছিল তাৰে পৰিচয় পোৱা গৈছে। শংকৰদেৱে তেতিয়া, 'তুই হেন উপকাৰী আৰু কৈত পাৱ' (পৃষ্ঠা ৩২৩) বুলি কৈছিল।

যিকোনো মাঙ্গলিক কামত নাৰীসকলে সদায় মঙ্গল উৰুলি ধ্বনি কৰিছিল। অনেক ঠাইত এই কথাৰ উল্লেখ আছে।

নিম্ন শ্ৰেণীৰ হৈয়ো ৰাধিকা শান্তি হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল। শংকৰদেৱৰ ওচৰত নিজৰ সতীত্বৰ পৰীক্ষাত উত্তীৰ্ণ হৈ চৈবুৱানী জানত ঘৰ বন্ধাত সহায় কৰিছিল। তেতিয়া,

'সুবৰ্ণ তজুৱা যে শংকাৰে দিলন্ত।
তুই থাক আনি দিলা গুৰু বত্ৰতৰ।' (পৃষ্ঠা ৩৭২)

ৰাধিকা শান্তিৰ কাহিনী চৰিতত (পৃষ্ঠা ৩৬৯-৭২) লৈকে আছে।

শংকৰদেৱ প্ৰথমবাৰ তীৰ্থ গৈ যোৱাৰ পথতে এজনী পোহাৰী বুঢ়ীয়ে সপোনত আদেশ পাই যি টকা কড়ি উপাৰ্জন কৰিছিল আৰু দৰকাৰ নাই বুলি,

'পঞ্চশত ৰূপ এক সেৰ স্বৰ্ণ হাৰ।
গণি গণি লেখি দিয়া দিলা আপুনাৰ। (পৃষ্ঠা ৪০৭)

শেষত 'বন্দো তযু চৰণত আৰে নবাই মাথ' (পৃষ্ঠা ৪০৭) বুলি গা ধুই শুক্ল বস্ত্ৰ পৰিধান কৰি আহি শংকৰদেৱক প্ৰণাম কৰি বৈকুণ্ঠ পুৰলৈ যাত্ৰা কৰিছিল। শংকৰদেৱে নিজে চিতা সজাইছিল।

মদন গোপালৰ প্ৰাণ প্ৰতিষ্ঠা উৎসৱলৈ অনা মিঠাইৰ লগত এচৰ মিঠাই কৰ নোৱাৰাত থাকি গৈছিল। এগৰাকী বিধৱা সপোন দেখুৱাই কথাটো শংকৰদেৱকো জনাইছিল। (পৃষ্ঠা ৫০৩-৪)

শংকৰদেৱৰ দ্বিতীয় বাৰ তীৰ্থ যাত্ৰাত বৃন্দাবনলৈ যোৱাত বাধা পৰাৰ গুৰিতেই আছিল শংকৰদেৱৰ ভাৰ্য্যা আই গোসানী। আই গোসানীৰ মনত

আশংকা হৈছিল, কিজানি এইবাৰ বৃন্দাবন পালেগৈ শংকৰদেৱ আৰু ঘৰলৈ ঘূৰি নাহিব। গতিকে মাধৱদেৱক মাতি নি কৈছিল :

"জানিবা নিশ্চয় কৰি আউৰ নাহিব্বেক ঘূৰি
পাইলে পূৰ্ব্বে সেহি বৃন্দাবন ' (পৃষ্ঠা ৬৭৭)

গয়া, জগন্নাথ ঘূৰিলেও যেন শংকৰদেৱক বৃন্দাবনলৈ যাবলৈ নিদি ঘৰলৈ ঘূৰাই আনে। আই গোসানীৰ কথা মনত ৰাখি মাধৱদেৱে বৃন্দাবনলৈ শংকৰদেৱ নোযোৱাৰ ব্যৱস্থা কৰিছিল। জগন্নাথ ক্ষেত্ৰতেই বাৰবাৰে বৃন্দাবনলৈ যাবলৈ শংকৰদেৱক ইচ্ছা কৰাৰ কথা কলত মাধৱদেৱক কথাটো শংকৰদেৱে কোৱাত নানা অজুহাত দেখুৱাই শেষত কৈছিল, শংকৰদেৱে বৃন্দাবনৰ যি কথা তেওঁলোকক কৈছিল তাক সংশয় কৰি আনক সুধিবলৈ যাবনে, 'নযাইবো নযাইবো বুলিলোহো নিষ্ট কৰি।' (পৃষ্ঠা ৬৯৬) বুলি। শংকৰদেৱেও ভকতসকলক কৈছিল,

'বৈঠা বিনে শুধা নাৱে কি কৰিয়া জলে।
নাপাৰোহো যাইবে মই মাধৱ নগেলে॥' (পৃষ্ঠা ৬৯৭)

এনেকৈয়ে আই গোসানীৰ অনুৰোধ ৰক্ষা কৰি শংকৰদেৱৰ একান্ত ইচ্ছাকো আওকান কৰি শংকৰদেৱক মাধৱদেৱে বৃন্দাবনলৈ যাবলৈ নিদিয়াকৈ ঘৰলৈ ঘূৰাই আনিছিল।

নাৰায়ণ দাসে পত্নীক পৰীক্ষা কৰিবৰ মনেৰে, বেহাৰৰ ৰজা নৰনাৰায়ণৰ হাতৰ পৰা, ভোটক বেচাৰ পৰা সাৰি ওলাই অহাৰ পাচত কৈছিল, গুৰুৰ কাৰণে যত দুখ কষ্ট তেওঁ পালে, তাৰ লগতে তেওঁৰ পত্নীয়েও পালে, 'কহো গৈয়া সাক্ষাতে ই কথ গুৰুক।' (পৃষ্ঠা ৭৫৪) বুলি কৈছিল। কিন্তু পত্নীয়ে আচৰিত হৈ 'অপমান কৰিবাক গুৰুক নাপায়।' (পৃষ্ঠা ৭৫৪) বুলিছিল। শাস্ত্ৰত আছে, শৰীৰত সুখ দুখ দুয়োটাই পাব লগা আছে। গুৰুৰ কাৰণে যি দুখ পাই আছে, সেয়া 'অনেক জন্মৰ ভাগ্য হইয়াছে উদয়।' (পৃষ্ঠা ৭৫৪) পত্নীৰ উত্তৰ শুনি নাৰায়ণ দাসে বৰ সন্তোষ পাই কৈছিল, 'তুমি হেন ভাৰ্য্যা মই সাৰ্থক লভিছো।' (পৃষ্ঠা ৭৫৪)

গৃহস্থী ধৰ্মত গৃহিণী গৰাকীৰো অংশ আছে। অনন্ত কন্দলীৰ ভাৰ্য্যা গৰাকী পৰম ভক্তা। কিন্তু সেই হৰিভক্তা ভাৰ্য্যাক প্ৰহাৰ কৰাৰ কাৰণে ঘৰৰ পৰা ধৰ্ম ওলাই গৈ পচুলিত পৰি আছিলগৈ। (পৃষ্ঠা ৭৯৫) শংকৰদেৱে কথাটো গম পাই অনন্ত কন্দলীক কৈছিল,

"প্ৰকৃতিৰ অংশ জানা তোমাৰ গৃহিণী।
তাতে পুত্ৰ শ্ৰীহৰিত লভিছে শৰণি॥
হেন সহধৰ্ম্মিণীক কৰিছা প্ৰহাৰ।
সি কাৰণে ধৰ্ম্ম জানা হৈছে বিদুৰ॥
শীঘ্ৰে গৃহে যাই তুমি ভাৰ্য্যাক আদৰা।
আসিব উভতি ধৰ্ম্ম নিজক পাইবা॥" (পৃষ্ঠা ১৯৫)

শংকৰদেৱে চিলাৰায়ৰ পত্নীসকলক শৰণ দিছিল,

'চিলাৰায় দেৱানৰ শতেক ৰমণী
..
একো যোৰা কাপোৰ আৰু টকা ফুল মালা।
হাতে হাতে আনি সবে গুৰুক সেৱিলা॥' (পৃষ্ঠা ৮০৭)

ইয়াৰ পাচত শংকৰদেৱৰ ওচৰত শৰণ লিবলৈ প্ৰাৰ্থনা কৰিছিল আৰু শংকৰদেৱে এক চিত্ত আনি শৰণ দিছিল।

(২) ৰমানন্দ দ্বিজ—শ্ৰীগুৰু চৰিত :

শংকৰদেৱৰ বুঢ়ীমাক, অনন্ত দলৈৰ পত্নীয়েই প্ৰথম শংকৰদেৱৰ ওচৰত শৰণ লোৱা লোক বুলি (পৃষ্ঠা ৬৯-৭০) ৰমানন্দ দ্বিজে তেওঁৰ চৰিত পুথিত উল্লেখ কৰিছে।

নাৰায়ণ ঠাকুৰে ভাৰ্য্যাক পৰীক্ষা কৰিবৰ কাৰণে, বেহাৰৰ ৰজাই নাৰায়ণ ঠাকুৰ আৰু গোপাল চান্দক শাস্তি কৰাৰ কাৰণে শংকৰদেৱক দোষাৰোপ কৰি কৈছিল, 'আতাৰ কাৰণে তৈলা আমাসাৰ নিজাৰ' (পৃষ্ঠা ৫২১)। তেতিয়া নাৰায়ণ ঠাকুৰৰ পত্নীয়ে কৈছিল, 'অপমান কৰিবাক গুৰুক নাপায়।' (পৃষ্ঠা ৩১১) আৰু আতায়ো নিশ্চয় তাত কিবা দুখ পাইছে ছাগৈ।

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজৰ চৰিতখনিতো চক্ৰপাণি ব্ৰাহ্মণৰ পত্নী আৰু আই ভুবনেশ্বৰীৰ কথা আছে। চক্ৰপাণি ব্ৰাহ্মণে যজমান এৰি হৰি ভকতিত শৰণ লোৱাৰ বিৰোধী

আছিল। কিন্তু তেওঁৰ পত্নীৰ হৰিক ভজিবৰ প্ৰবল ইচ্ছা। শেষত চক্ৰপাণিৰ 'পত্নীৰ প্ৰসাদে ভৈল ভকতি বিপ্ৰৰ।' (পৃষ্ঠা ১৬৯)

আই ভুবনেশ্বৰীৰ মুখত শংকৰদেৱ চৰিত গীত শুনি চিলাৰায় দেৱানে শংকৰদেৱৰ শৰণ লৈছিল। (পৃষ্ঠা ২০৪)

(৪) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচখন চৰিত পুথিৰ সাৰ)

চৰিতখনিতো কেবা গৰাকী নাৰী সম্বন্ধে উল্লেখ আছে। তেওঁলোকে বিভিন্ন ধৰণে বৰঙণি যোগাইছিল।

গোপালদেৱৰ মাতৃৰ মাধৱদেৱৰ ওপৰত বৰ খং উঠিছিল, দুগৰাকীকৈ ভাৰ্য্যা থকাটো গোপালদেৱ সংসাৰৰ প্ৰতি বিৰাগ হোৱাৰ মূলতেই মাধৱদেৱ বুলি গোপালদেৱক মাকে ধৰি লৈ নানা অভিযোগ কৰিছিল। মাধৱদেৱৰ বুদ্ধিত গোপালদেৱ সন্ন্যাসী হৈ যায়গৈ বুলি মাকক জনালত, মাকে গোপালদেৱক একমাত্ৰ মাধৱদেৱেহে ৰাখিব পাৰিব বুলি মাধৱদেৱক ধৰিছিলহি। শেষত মাধৱদেৱৰ উপদেশ, 'হৰি মন্দিৰত পশি লৈয়োক শৰণ' (পৃষ্ঠা ৫২) বুলি কোৱা মতেই গোপালদেৱৰ মাকে মাধৱদেৱৰ ওচৰত শৰণ লৈছিল। ইয়াৰ পৰা বৈষ্ণৱ ধৰ্মত নাৰীকো শৰণ দিছিল তাৰ কথা জনা যায়।

বেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ ধাইমাতৃ আই ধায়ে ৰজাক খাটনি ধৰি মাধৱদেৱক বেহাৰলৈ নিছিল, মাধৱদেৱ বৈকুণ্ঠি হোৱাৰ পাচতো সাত দিন ধৰি তিৰোধান তিথি পাতিছিল। (পৃষ্ঠা ৮০)

"আইধাই সমন্বিতে ভকতসবে আলচিয়া
কৰাইলন্ত সভা বিতোপন।
ভোজনৰ দ্ৰব্য দিয়া সমস্তকে সন্তোষিয়া
সাতদিন কৰাইল কীৰ্ত্তন॥" (পৃষ্ঠা ৮০)

গোপালদেৱৰ মাতৃ ৰত্নাজীয়ে গোপালদেৱে ঘৰ সংসাৰ এৰি মাধৱদেৱৰ সঙ্গ লৈ হৰি নামত লাগি থকাত গোপালদেৱক নানা কটু কথা শুনাই থাকিছিল। 'মাতৃৰ কাৰণে মোত কোন নিশিজিল' (পৃষ্ঠা ১২০) বুলি দুখ কৰাত, মাধৱদেৱে গোপালদেৱক দেশান্তৰী হোৱাৰ তাও ধৰিবলৈ কৈছিল। শ্ৰীৰাম আতাক সেই

বাৰ্ত্তা গোপালদেৱৰ মাতৃক দিবলৈ পঠাইছিল। মাক মাধৱদেৱৰ ওচৰত হাজিৰ হলত, গোপালদেৱে, 'পৰৰ বাচ্যক যাওঁ মাতৃৰ কাৰণে' (পৃষ্ঠা ১২১) বুলি কোৱাত একমাত্ৰ পুত্ৰক ৰক্ষা কৰিবলৈ মাধৱদেৱক ধৰিছিল। মাধৱদেৱে মাতৃৰ লগতে থকা কথা কলত, 'অভক্ত মাতৃ কেনে ভোজন কৰিবো' (পৃষ্ঠা ১২১) বুলি কলত, গোপালদেৱৰ মাতৃয়ে মাধৱদেৱৰ ওচৰত শৰণ লৈছিল।

গোপালদেৱৰ কন্যা পদ্মপ্ৰিয়াৰ গীত-মাতৰ চৰ্চ্চা আছিল। গোপালদেৱে এদিন কিবা কথাত মহাকষ্ট হৈ আহাৰ নকৰাকৈ থাকোতে পদ্মপ্ৰিয়াক দেউতাকক আহাৰ গ্ৰহণ কৰিবৰ কাৰণে মাতিবলৈ কওঁতে, পদ্মপ্ৰিয়াই গীতখানি জুৰিলন্ত।' (পৃষ্ঠা ২১৩) গীত শুনি গোপাল আতাই আহাৰ গ্ৰহণ কৰিছিল। তাৰ পাচত আন এদিন দেউতাক আই গোসানীৰ (শংকৰদেৱৰ ভাৰ্য্যা) ওচৰলৈ ওলোৱাত পদ্মপ্ৰিয়াও যাবলৈ ওলাইছিল। দেউতাকে কৈছিল আই গোসানীৰ ওচৰলৈ গলে প্ৰথমতে দাসীক লগ পাবা দাসীক ওলগ জনাব পাৰিলে আই গোসানীক লগ পাবা। কথামতেই কাম কৰিছিল আৰু শেষত আই গোসানীৰ দৰ্শন পাইছিল। আই গোসানীয়ে 'হাতে আনি আই মুখ চুম্বন কৰিলা' (পৃষ্ঠা ২২১) আৰু অনেক প্ৰশংসা কৰিছিল।

বেহাৰৰ আই ধাইৰ বৈষ্ণৱসকলৰ ওপৰত যথেষ্ট প্ৰভাৱ আছিল। কৃষ্ণ নামৰ ভক্ত এজনে পৰদাৰা গমনৰ দৰে অপৰাধ কৰি আই ধাইক দোষ স্বীকাৰ কৰাত প্ৰায়চিত্ত কৰি লব বুলি আজ্ঞা দিছিল। ইয়াতে ভক্তসকলে অপৰাধ ধৰে। আনকি ভক্তৰ কথা নেমানি আই ধাইৰ কাতৰ আহ্বানত শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে আইধাইৰ থানলৈ গৈ দ্ৰব্য বস্ত্ৰ টকা আদি গ্ৰহণ কৰাত বেহাৰ আৰু বৰপেটাৰ পোৱাভিটা থানৰ মাধৱদেৱৰ অনুগামী ভক্তসকলে সঙ্গ ত্যাগ কৰিছিল। ভক্তসকলৰ মাজত অসন্তোষ ভাৱৰ সৃষ্টি হয়। আনকি বৰপেটাত ভক্তসকলে পঠোৱা আইধাইৰ বস্ত্ৰ ভক্তসকলে ঘূৰাই পঠাইছিল। 'বোলে ভক্ত সবে আৰু আবাক নলাগে।' (পৃষ্ঠা ৩৭১) শেষত ভৱানীপুৰৰ গোপাল আতাৰ উপদেশত আই ধাই কৃতকৃত হৈছিল,

'গোপালৰ বাক্য আচৰিবা ধাই
কৃত কৃত হৈবা আছ।' (পৃষ্ঠা ৩৭৪)

আইধাই বেহাৰৰ ৰজা নৰনাৰায়ণৰ ধাই মাতৃ আছিল।

গোপালদেৱৰ দ্বিতীয় ভাৰ্য্যা ৰৱপেটীয়াৰ জীয়ে গোপালদেৱৰ ওচৰত গাঁঠু পাৰি ধৰি কৈছিল,

'বিফলে জনম গৈল ॥
এহি চৰণৰ দাস বুলি মোক
দিয়ো উপদেশ দান ।' (পৃষ্ঠা ৪১১)

তেওঁৰ বাহিৰে ইহ পৰলোকত আৰু গতি নাই। গোপালদেৱে তেতিয়া উপদেশ দিছিল, 'ভক্ত সবৰ দাস্য ভালমতে কৰিবাহা পাৰা মানে' (পৃষ্ঠা ৪১২) বুলি। আজ্ঞা পালন কৰি ভক্তসকলক আয়ে নিজ পুত্ৰতকৈয়ো স্নেহ কৰিছিল। এদিন গোপালদেৱৰ পৰীক্ষা কৰিবৰ মন গল। দুয়ো পৰাকী ভাৰ্য্যাক মাতি আনি,

'ভকত সবক সেৱা কৰিবেক পাৰা তুহি
কৰিবেক কি পাৰা আমাক ।' (পৃষ্ঠা ৪২৩)

বুলি কৈছিল। বৰ আয়ে তেতিয়া কৈছিল,

'তোমাক সেৱা আমি কৰিবাক পাৰোঁ মাত্ৰ
কাকো সেৱা নপাৰো কৰিত ॥' (পৃষ্ঠা ৪২৩)

কিন্তু ৰবপেটীয়াৰ জী সৰু আয়ে কৈছিল,

'ভক্ত সবক এক ভাগ সেৱিবাক পাৰোঁ
এক ভাগ সেৱিবো তোমাক ।' (পৃষ্ঠা ৩২৩)

ৰবপেটীয়া জীৰ ভকতি দেখি গোপালদেৱে বৰ সন্তোষ পাইছিল।

(৫) ৺ৰত্নেশ্বৰ গোঁসাই সংকলিত—শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত

এইখনি চৰিত পুথিত বেহাৰৰ আই থাইৰ কথাই উল্লেখ কৰিছে। বৈষ্ণৱ গুৰু আৰু সন্ত-মহন্তসকলক বেহাৰৰ আই থায়ে যথেষ্ট আদৰ-যত্ন কৰিছিল। মাধৱদেৱ বেহাৰলৈ যাব খোজাত আই থায়ে লক্ষ্মীনাৰায়ণক কৈ বেহাৰত থকাৰ ব্যৱস্থা কৰিছিল। কিন্তু বেহাৰত সোমোৱাৰ আগতে ৰঘুৰাজাৰ সীমাৰ চকি পাৰ হব লাগিছিল। ৰজাৰ হুকুম নহলে চকি পাৰ হব নোৱাৰিছিল। গতিকে আই থায়ে ভৃগু গুৰু নামে এজন ব্ৰাহ্মণক পঠাই, বুদ্ধি কৰি মাধৱদেৱ আৰু সঙ্গীসকলক চকি পাৰ কৰাই আনিছিল। বেহাৰৰ বাসগৃহ, কীৰ্ত্তন গৃহ আৰু ভক্তসকলৰ

কাৰণে বাসগৃহ কৰাই দি অতি শ্ৰদ্ধা ভক্তিৰে ৰাখিছিল। মাধৱদেৱৰ প্ৰতি ৰজা সন্তুষ্ট হৈছিল আৰু আই ধাইক মাতি জনাইছিল,

'সবাৰো উপৰি অধিকাৰী কৰি
পাতিলোঁহো মাধৱক।
শুনি আই ধাইৰ উৎসৱ মিলিল
পাইলা বহু আনন্দক ॥' (পৃষ্ঠা ২০৭)

(৬) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱ চৰিত

দৈত্যাৰি ঠাকুৰে বেহাৰৰ আই ধাইৰ বিষয়ে চৰিতখনিত প্ৰসঙ্গ অনুসৰি লিপিবদ্ধ কৰি গৈছে। মাধৱদেৱে বেহাৰত থকাৰ সময়ত আই ধায়ে ভকতসকলৰ কাৰণে কাপোৰ পঠাইছিল। কিন্তু কাপোৰত বৈষম্য আছিল। মাধৱদেৱৰ সেই কথাত খং উঠিছিল। কাৰণ মাধৱদেৱে কাপোৰ দিওঁতে কোন ভকত ডাঙৰ, কোন ভকত সৰু বিচাৰ কৰি সেই মতে কাপোৰ দিব নোৱাৰে। আই ধায়ে যদি চিনি পাই, তেন্তে তেওঁৱেই আহি কাপোৰ দান কৰককহি নতুবা ঘূৰাই নিয়কহি বুলি কোৱাত আই ধায়ে গম পাই, 'সমস্তকে একে সমে কাপড় দিলন্ত ॥' (পৃষ্ঠা ৩৪৮)

মাধৱদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্বৰ প্ৰতি বেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণ আকৃষ্ট হৈ তেওঁৰ ৰাজ্যত মাধৱদেৱৰ মত প্ৰবৰ্ত্তন কৰাৰ কাৰণে আদেশ দিছিল যে মাধৱদেৱেহে গুৰু পদত আছে। "আসৰ মতক মানে মানে দূৰ কৰ" (পৃষ্ঠা ৩৭২) বুলি আই ধাইক ৰজাই কৈছিল যে ফুল, চন্দন, বস্ত্ৰ, গুৱাপান দি মাধৱদেৱক সন্মান জনাব লাগে। ৰাজ্যত যিমান সত্ৰ আছে মাধৱদেৱৰ মতত প্ৰবৰ্ত্তিব লাগে,

'মাধৱেসে ৰাজ্য মত ভকত উপৰি।
ভকত উপৰি মোৰ নাহিকে অধিকাৰ।' (পৃষ্ঠা ৩৭৩)

পণ্ডিতে আই ধায়ে শুনি বৰ আনন্দ পাইছিল যেন হাত মেলিয়েই আকাশ চুকি পাইছিল। পাচ দিনা ৰাতিপুৱাতে মাধৱদেৱৰ ওচৰলৈ আই ধায়ে মানুহ পঠাই দি জনাইছিল,

'আজ্ঞা সমৰিতে যত ভকত সৰক।
ৰাজা বুলি আছে দিবে ফুল চন্দনক।' (পৃষ্ঠা ৩৭৪)

পত্নিকে ৰাজসভালৈ যেন যায়। কিন্তু মাধৱদেৱে নিজে নগৈ আৰু ভাগিনিয়েক ৰামচৰণকো যাবলৈ নিদি, অচ্যুত গুৰু আৰু আন কেইজনমানক পঠাই দিছিল। মাধৱদেৱ আৰু ৰামচৰণ সোমোৱাৰ কাৰণে আই ধায়ে মনত দুখ পাই, পুনৰ মাধৱদেৱক নিবৰ কাৰণে দোলা পঠাই দিছিল। যাতে বয়সস্থ মাধৱদেৱ যাব পাৰে,

'পুত্ৰ আই ধাই পঠাইলেক দোলা দিয়া।
মই বান্দী আলোক আতা আকে চৰিয়া। (পৃষ্ঠা ৩১৬)

বেহাৰৰ ৰজা আৰু প্ৰজাৰ ওচৰত আইধাইৰ যথেষ্ট প্ৰভাব আছিল। বৈষ্ণৱ আদৰ্শ বেহাৰত প্ৰচাৰ হোৱাটো আইধাইৰ যথেষ্ট ৰৰঙণি আছিল।

(৭) গুৰু চৰিত কথা

চৰিতখনিত নাৰী চৰিত্ৰ কেবাটিৰ সম্বন্ধে জনা যায়। শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনে নাৰীসকলকো প্ৰভাৱান্বিত কৰিছিল। বিশেষভাবে আগবাঢ়ি যাবলৈ সক্ষম কৰিছিল। মাধৱদেৱে তেলিকৃষ্ণ আতৈৰ পত্নী আই দয়ালক লক্ষ্মীনাৰায়ণ ৰজাৰ ছকুৰি মাইৰ ওপৰত সেধি পাতিছিল। তেওঁ মাইসকলক প্ৰসঙ্গ গাবলৈ শিকাইছিল। তাৰোপৰি সিসকলৰ কৰ নি গুৰুজনক সোধাইছিলগৈ। গোবিন্দৰ মাকক মাধৱদেৱে খলা সৰা মচাত লগাইছিল। এনেকৈ কেবা গৰাকী নাৰীৰ বিষয়ে চৰিতখনি লিপিবদ্ধ কৰিছে।

জইতি মধাইৰ দুগৰাকী পত্নী। শংকৰদেৱৰ লগত পৰা নিজ গৃহলৈ যাবলৈ ইচ্ছা কৰি জইতি ধায়ে মাহ চেৰেকৰ কাৰণে আহিছিল। গৃহ পালত দুয়ো গৰাকী ভাযাাই সেৱা কৰিছিল। পাগে পাত্ৰ পেলাই চাউল সিজাবলৈ কৈছিল। আইৰ চাউল সিজোৱা হলত বাঢ়ি দি গুৰা এখন খুন্দি চোৱাৰ ক্ৰমে অন্নৰ ওপৰে দি থৈ আঠু পাৰি জনালেগৈ' (পৃষ্ঠা ৯০) আতা আহি অন্নৰ ওপৰত চোৰোৱা তামোল দেখি তেওঁৰ হাতে খাওঁ বোলাতহে এনে লঘু কৰিছে বুলিছিল। জেতয়া আয়ে কৈছিল যে মোৰ সুখি মৰিবণ কৰিব পাৰে। কাৰণ সোধাত আয়ে কৈছিল যে আতৈয়ে জীৱৰ কুশলৰ অৰ্থে তেওঁলোকক ত্যাগ কৰি সত্তৰ সদ লৈ গল। মহা পাপৰ কাৰণেহে অনাচাৰী স্ত্ৰীৰ জন্ম পালে। পত্নিকে, 'আমি পেলামিয়া চোৰাত প্ৰৱৰ্তিলেঃ এই চোৰাকে গুচাই

অন লেলেহে থকা সন্ত ’ (পৃষ্ঠা ৯১) আইৰ কথাই আতৈৰ অন্তৰ চুলেগৈ আৰু হুকহুকাই কান্দি ওলাই আহিছিল ‘মোক সন্ত বাখিলি জ্ঞান বোধ দিঃ” (পৃষ্ঠা ৯১) বুলি। শংকৰদেৱক গৈ সমস্ত কথা কৈছিল গৈ। শংকৰদেৱে তেতিয়া কৈছিল, ‘সেই স্ত্ৰী এবি সোধাই দিছিলানে.’ (পৃষ্ঠা ৯১) উত্তৰত আতৈয়ে কৈছিল, মাক ককায়েক কাৰো ওচৰলৈ নেযায়, ‘তোমাৰ গুণ গাই তোমাকে চিন্তি অন্তে থাকয় (পৃষ্ঠা ৯১) বুলি কৈছিল বুলি কোৱাত শংকৰদেৱে, ‘সন্ত বুদ্ধি শুদ্ধ জীৱ জানি অনাই ধৰ্ম্ম বস্তু প্ৰকাশকে বাজ হাটি দি. কান্তি থলা সবা সচাটৈক থলে ভকতৰ শাৰীৰ ভাগ দি।’ (পৃষ্ঠা ৯১) নাৰীকো যে শংকৰদেৱে ভকতৰ শাৰীত স্থান দিছিল, তেওঁলোককো কামৰ ভাগ দিছিল সেই কথা জনা গৈছে।

শংকৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থ যাত্ৰাৰ সময়ত বাটত বুঢ়ি হোৱাত এঘৰ মানুহৰ ঘৰত জিৰাইছিল। কোনো এজন সদাগৰৰ মৃত্যুৰ বাতৰি পোৱাত, ঘৰৰ স্ত্ৰী গৰাকীয়ে মৃতলোক জন নৰ্কী নে স্বৰ্গী বুলি সোধাত আতৈসকল আচৰিত হৈছিল। তেতিয়া স্ত্ৰী গৰাকীক নৰ্কী স্বৰ্গীৰ কি চিন সোধাত উত্তৰ দিছিল, ‘চিন জিহে পুণ্যৱন্ত উৰ্দ্ধগতি ধৰ্ম কৰ্ম দিয়া থুৱা যাতে শুশ্ৰূষা লৱিত অন্তকালেও ৰাম নাম শ্ৰুত হৈ বৈকুণ্ঠে চৰ্গে বাসা হই তাৰ (স্বনি দেশ বায়স্তে প্ৰশংসা কৰে ॥) জাৰহে শৰীৰে মল পাপ অধে গতিঃ সদাই কুকথা কটুৰ নিঠুৰ পৰহিংসা যেৰ চোৰ পৈশূণ্য দম্ভ গৰ্ব্ব অহংকাৰে দিন আউ জাইঃ অন্ত কালেও অমাত কুবাক্য বটি মন্তি নৰ্কে ভুঞ্জি সংসাৰত আয়াজাত কৈ কুৰে গৰ্ভবাসে জোনি চেপা খাই।’ (পৃষ্ঠা ১২৬ ২৭) শংকৰদেৱে স্ত্ৰীগৰাকীৰ কথা শুনি প্ৰশংসা কৰিলে। শংকৰদেৱৰ ওচৰত পাচ টকা বস্ত্ৰ এযুৰি দি সেৱা কৰাত, ‘আই তুমিহে জানিলা মহাতত্বক ॥’ (পৃষ্ঠা ১২৭) বুলি কৈছিল।

তেনিকৃষ্ণ আতৈৰ পত্নী মহা ভক্তা আছিল। মাধৱদেৱক পাই প্ৰভাৱে সেৱা কৰি পৰমাৰ্থ লাভ কৰিছিল। শংকৰদেৱলৈকো বুলি টকা এটি, বস্ত্ৰ এযুৰি দি সেৱা জনাই পঠাইছিল। (পৃষ্ঠা ১৬৫) ৰজা লক্ষ্মীনাৰায়ণৰ চকুৰি মাটৈ ভকত হোৱাৰ পাচত, ‘তাৰা সৱৰ দেখি পাছিলে তেনিকৃষ্ণ আতৈৰ পত্নী প্ৰায়ালকঃ তাৰা গৈ ঘৰে হৰি গৃহস্তঃ চণ্ডুৰি মাটৈক মোৰা কীৰ্ত্তন গীত সিখাই প্ৰসন্ন কৰে নিস্তেঃ (পৃষ্ঠা ৪২১) আৰু মাধৱদেৱক নি কৰ কাজল দিছিলগৈ।

শংকৰদেৱক কোলাই কোকাই লৈ ডাঙৰ কৰা চন্দৰী আয়ো কিমান বিচক্ষণ মহিলা আছিল তাৰ কথাও চৰিতথনিত আছে। শংকৰদেৱ প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰি ঘূৰি অহাৰ পাচত, বাৰে ভূঞানকলে বৈকুণ্ঠৰ কৃষ্ণৰ লীলা খেলা চাবলৈ মন গৈছে বোলাত শংকৰদেৱে সাত বৈকুণ্ঠৰ পট আঁকি, 'কল্পতৰু দিবলৈ ভ্ৰম হৈ ঠগিৎ থাই আছে।। চন্দৰি আইএ থান ৪তাইছিলঃ বোলে ভেকাগিৰি সেইখিতে নিদিয়া কিয়ঃ শ্ৰীমন্দিৰ কাখে সপ্তম বাৰ আগকে।।' (পৃষ্ঠা ৩১) বুলি শংকৰদেৱকো দিহা দিব পাৰিছিল।

আন এদিন শংকৰদেৱে বজা নৰনাৰায়ণৰ ইচ্ছা পূৰণ কৰিবৰ কাৰণে বোওৱা বৃন্দাবনী কাপোৰ চাই চন্দৰী আয়ে 'বোলে দেখো বটৰ ক্ৰম নৰিল যমুনাৰ বামেহে লাগিল ৷ কিয়)' (পৃষ্ঠা ১,৭৬) শংকৰদেৱেও কথাটো মানি লৈ কৈছিল যে তেবায়ো কথাটো পাহৰিলে। 'ছুৱনা শুক কাপৰ বোৱাই' বুলিএ দাই ঘৰে বুলি বৰ বস্ত্ৰ পা .' (পৃষ্ঠা ১৭৬)

মধ্য যুগতে অসমত বিধৱা বিবাহৰ প্ৰচলন কৰিবৰ খোজাটো মন কৰিব লগীয়া। শংকৰদেৱৰ পুত্ৰ কমললোচনৰ মৃত্যুৰ পাচত বিধৱা বোৱাৰীয়েকক পুনৰ বিবাহৰ কথাৰে বংশৰ সন্তানদ্বই প্ৰস্তাৱ লৈ অহাত বিধৱা বোৱাৰীয়েকে শাহুৱেক আই গোপালীক নিজ দৃঢ় মতৰ কথা জনাইছিল সাহসেৰে, 'আমি শ্ৰীশংকৰদেৱৰ, বহাৰি নাম লৈ তানে গোহাইক এই হাতে সেৱা ধৰি কৰিলো, এতিয়া কুচিত বিষই সুখৰ আশেঃ সামান্ত লোকলৈ জাম সেঃ নে দেখিলে ঈশ্বৰ পুৰুষৰ চৰণকে চিন্তি থাকিমহে আপুনাক সেৱা কৈ।।' (পৃষ্ঠা ১৯৩)

তিৰোতা মানুহেও পোহাৰ দিছিল, বেহা বেপাৰত অংশ গ্ৰহণ কৰিছিল। ভৱানীপুৰিয়া আতাৰ মাতৃয়েও পোহাৰ দিছিল। 'আই মহাচক্ৰী লোক টকা আচিলে হাতেঃ নগৰ সমীপে গৈ নাজিবাহাটে পসাৰ (দিব) বৈলে ধৰ্ম্ম দলৈ গৃহে বৈ' (পৃষ্ঠা ২০৭) আইৰ বৰ বল শক্তিও আছিল। চাৰিখন তাবৰ বস্ত্ৰ সুৰত আয়ে অকলেই নিছিল। এদিন সন্ধিয়া সময়ত মূৰৈৰ নাও এখন দেখি, 'আএ বোলে কলাহত তামোল থাণ্ডি মোকো নে' সি বোলে তবা নাঞ্চ ছাটিৰি নেথাঞ্চ' (পৃষ্ঠা ২০৭) কিন্তু আয়ে নাৱৰ চিন্তত বাও তবি দি নিবলৈ খাটিছিল। নাৱ অকণো আগ বঢ়াব নোৱাৰি, 'কি যত্ন নধি পাউঠ।।' (পৃষ্ঠা ২০৭) বুলি তুলি লৈছিল।

স্বৰ্গ নাৰায়ণ সিংহৰ পুত্ৰ জয়সিংহ জন্ম হোৱাৰ পাচত ঘাই খিচাবিছিল। ভৱানীপুৰিয়া আতাৰ মাতৃ, "আই বৰ বৃহত লোক লৰাভৰ দেখি নি ৰজাক দেখালেগৈ: বোলে সজ খনি. আইৰ কোৰৰক তুলি কুকৰিত বৰ খাটনি" (পৃষ্ঠা ২০৮) ইয়াৰোপৰি আই বৰ কাজি কুশলি লোক আছিল। 'গুটি গাতি গছলতা বুটা ছপা কেছ হাতি ঘোৰা চৰ তুলিব পাৰে.' (পৃষ্ঠা ২০৮) ৰজাৰ ঘৰৰ লিগিৰাৰ কাৰণে শ খিচাবত কাপোৰ বোৱাৰ কাম কৰিছিল। পাচ বছৰ ৰাজগৃহত থাকি, ৰজাৰ কোৱৰে স্তন পান কৰিবলৈ এৰিলত ৰজাৰ ঘৰৰ পৰা বিদায় লৈছিল।

ৰজাফি আটৰ একেটি পুত্ৰ। মাধৱদেৱৰ মহাভক্ত। আইৰ বৰ খং। সেই কাৰণে পুত্ৰকো গালি পাৰে, মাধৱদেৱকো নানা কথা কয়, 'মোৰ একেটি দ্ৰব্য কিবাকৈ উলমূলাই বলিয়াকৈ বুকতে নি ঘৰ ভাঙিলে: এনেহে মহন্ত।' (পৃষ্ঠা ২১৪) গুৰু নিন্দা শুনিব নোৱাৰি পুত্ৰেকে আহি মাধৱদেৱক কৈছিলহি মাকৰ কথাবোৰ। মাকৰ কাৰণে একো কৰিব নোৱাৰে, তেৱাঁই কিবা উপায় কৰক। মাধৱদেৱে পুত্ৰেকক ছুদিনমান মাকৰ ওচৰত থাকি বৈৰাগীহৈ গয়া, জগন্নাথলৈ যাবলৈ বুলি মাকক দেখুৱাই ঘৰৰ পৰা ওলাই আহিব বুলি আনক শুনাই কবলৈ উপদেশ দিছিল। মাকে পুত্ৰেকৰ তেনে বৈৰাগী বেশ সহ্য কৰিব নোৱাৰি মাধৱদেৱৰ ওচৰত দণ্ডৱতে পৰি প্ৰাৰ্থনা কৰিছিল, 'বোলে বাপ লৰাটি বৰাগি হৈ যাই শুচি গয়ালৈ:" (পৃষ্ঠা ২১৪) বুলি পৰি প্ৰাৰ্থনা কৰিছিল, "যথা কৰঃ অন্তে থাকিলে তেওঁ দেখিব চক্ষুতঃ' (পৃষ্ঠা ২১৪) পুত্ৰক মাধৱদেৱে ৰাখি দিলত ৰজাফি আই মাধৱদেৱৰ বৰ ভক্তা হৈ পৰিছিল।

হৰি নামৰ প্ৰতি সাধাৰণ শ্ৰেণীলোকৰ কেনে আকৰ্ষণ আছিল সেই কথা ভাটকি গাৱৰ এহাল বুঢ়া-বুঢ়ীৰ কথাতে প্ৰমাণ পোৱা যায়। এহাল বুঢ়া-বুঢ়ীয়ে নানা বাঁহৰ বস্তু বেনে ডলা, কুলাই, খুলুকি, পল, চুপা আদি সাজি তাকে সদাই চলি আছিল। মাধৱদেৱৰ ভকতে এদিন বুঢ়ীক লগ পাই আতিওৰি হৰি বুঢ়াবুঢ়ী-হাল সকলে বোলাত ভকতৰ আৰ্হি হাটিলৈকে মাতিছিল। বুঢ়ীয়ে বৰ আনন্দ পাইছিল, মুয়ো আহি মাধৱদেৱৰ ভকতৰ লগ লৈছিলহি। বুঢ়ীয়ে বুঢ়াক কৈছিল। 'বুঢ়া তই মাৰ গা তই একোলো চিন্তিব নেলাগে মই পুহিম ৰাখি ৰাখি থাকি যাম:' (পৃষ্ঠা ২৭০) বুঢ়াক এনেকৈ নামলৈ পঠোৱা এপষেক পাচত এদিন বুঢ়ীয়ে, 'আজি এসন্ধ্যত কি পাইচিল কচো : বুঢ়া বোলে পাইছিলো: বোলে জা ভাত নাই:'

(পৃষ্ঠা ২৭০) পাচত বুঢ়াই নাম শিকি অংশভাগৰ ভাগ দিছিল। লগতে সেই দৰে সদায় নাম শুনাবৰ কাৰণেও বুঢ়াক কৈছিল, "যোগে নিতে মোক এই দৰে কৰিহি, তই ভাত কাপৰ চিন্তিব নেলাগে মই মাগি মুনিহ দি থুবাম॥" (পৃষ্ঠা ২৭০) এই দৰে হৰি কীৰ্ত্তন কৰি বুঢ়া বুঢ়ী বৈকুণ্ঠলৈ গল বুলি উল্লেখ কৰিছে।

গোবিন্দ আতৈৰ মাকে মাধৱদেৱৰ খলা সৰা মচা কৰিছিল। এদিন আইৰ খলা সাৰি ককাল ঠৰ হোৱাত পোন হৈ বান্ধৱ কৃষ্ণ বুলি কৈছিল। কথাষাৰ মাধৱদেৱ চ'ৰাতে থকাত কাণত পৰিছিল। শ্ৰীৰামক মাতি কৈছিল, "বুজিত কোৱা আজিৰ পৰা আমাৰ খলা কান্তি মচিব সাৰিব নালাগে আৰু: অ জগত ঈশ্বৰ কৃষ্ণকহে বান্ধৱ ললেগৈ কেনেকৈ সৰাম আৰু॥' (পৃষ্ঠা ২৯৭) বুঢ়ীয়ে কথাষাৰ শুনি কান্দি কাটি দুখ কৰি গুচি গৈছিল। ইয়াৰ পাচত দহ বাৰ দিনো ঠাই সৰা মচা নাছিল। কিন্তু আগতকৈয়ো পৰিষ্কাৰ হৈ থাকে। মাধৱদেৱে শ্ৰীৰাম আতাক বুঢ়ীক কোনে ঠাই অভাইছে সুধিবলৈ পঠাইছিল। বুঢ়ীয়ে উত্তৰ দিছিল, 'মই গুৰু আজ্ঞা পেলাই সুবুদ্ধে কিম সাৰিম॥' (পৃষ্ঠা ২৯৭) মাধৱদেৱে শ্ৰীৰামক কোনে তেন্তে সৰা মেলাৰ কাম কৰিছে থাপদি চাবলৈ কোৱাত, 'শ্ৰীৰাম আতাই আন্ধাৰত থাপ দি দেখিছিল এহাল বুঢ়াবুঢ়ী বিজুলি জিলিকাদি জিলিকি উঠিছিল। সুধিলত কৈছিল, 'আমি কৃষ্ণ আৰা ৰাধা: বুঢ়িৰ খেদ ভক্তি এ বস্তু কৈলে মোক: তাতে বুঢ়িৰ হৈ দাস বদলে কৰোঁহি॥" (পৃষ্ঠা ২৯৮) বুলি কৈ অন্তৰ্দ্ধান হৈছিল। মাধৱদেৱে কথাটো জানি পুনৰ বুঢ়ীক কাম কৰিবলৈ আহিবলৈ কৈছিল।

নাৰীসকলৰ বৈষ্ণৱ আদৰ্শৰ প্ৰতি অসীম আগ্ৰহ, আস্থা আছিল তাৰ অনেক উদাহৰণ চৰিতপুথিত আছে। বাৰাবাহি আইৰো নাম কীৰ্ত্তন, ভক্তি ধৰ্ম্মৰ প্ৰতি অতি আস্থা আছিল। বাৰাবাহি আয়ে, 'চাউলটি বহাই খেদ কৰিচে: এ মই অভাগি গৃহ অন্ধকূপে পৰি বন্দু. আজি আমাৰ ঠাকুৰ আচে গৈ: গুৰু জনে অমৃতৰ ভাণ্ড মেলিচে:' (পৃষ্ঠা ৩৪৩) বুলি খেদ কৰি পুনৰ কৈ আছিল, "হৰি হৰি মই অভাগিহে পৰি ৰৈলো মোহ পাশ নিহলত: হা হা কি দৈৱ বিধি বিড়ম্বলে.' (পৃষ্ঠা ৩৪৪) শ্ৰীৰাম আতাই বাৰাবাহি আইৰ খেদৰ কথা শুনি, প্ৰেম, ভক্তি দেখি আচৰিত হৈ মাধৱদেৱক জনাই ছিলগৈ, 'বাপ আইৰ প্ৰেম খেদ ভক্তি এই মুখে কৈ অন্ত নপাঞ: এনে কাৰ কাৰ্শনা দেখা শুনা নাই সপ্ৰেম

ভক্তি : (পৃষ্ঠা ৩৪৪) মাধৱদেৱে মন্তব্য কৰিছিল বাবাবাহি আইৰ ভক্তিয়ে মাধৱদেৱকো জিনিলে ।

বেহাৰৰ আই ধাইৰ বৈষ্ণৱ গুৰু আৰু সন্ত ভকতসকলৰ প্ৰতি অসীম শ্ৰদ্ধা আৰু আগ্ৰহ আছিল । হাজোত ব্ৰাহ্মণসকলে মাধৱদেৱক জীয়া মাধৱ, মৰা মাধৱ আদি কৰি নানা লঘু লাঞ্ছনা কৰাৰ কথা গম পাই, আই ধায়ে হাজোৰ পৰা বেহাৰলৈ, 'টৈমা ভৰি কেশ চিধি কাতৰ কাৰণ্য কৈ সবাৰে সন্নতে পঠালে ' দাস্তে তৃণ ধৰি মাতিঃ' । (পৃষ্ঠা ৩৬৬)

বেহাৰত বৈষ্ণৱ সন্তসকলৰ প্ৰতি আই ধায়ে বৰ আদৰ যত্ন কৰি নিতৌ ভুঞ্জন ভক্তক চিৰা, ফলাহাৰ কৰাইছিল । আৰু 'কৰি চাৰি চাৰি সোণ . পছৰা দুই দক্ষিণা' (পৃষ্ঠা ৩৯৯) দিছিল ।

ৰাধিকা শান্তি আন এটি উল্লেখযোগ্য নাৰী চৰিত্ৰ । টেঙুৰানি জানে দি পানী সোমাই কাৰণে শংকৰদেৱে, 'এই মান খৰ সাজি হলেহে বান্ধিব পাৰি ?' (পৃষ্ঠা ৩৩) বোলাত লুইতৰ দি উজাই যোৱা ৰাধিকাই কথাটো জানি স্বামী পূৰ্ণানন্দক কৈছিল তেৱেঁই শান্তি । কিন্তু পূৰ্ণানন্দই খং কৰি কৈছিল, 'সবাতে হীন তুচ্ছ অধম জাত আমাৰ তুই মো শান্তি বোলে কিয় তোমাৰ বাঢ়ে পৰ-পুৰুষত মুখ ধি নচাঞ চাতো ভৰি দিবা আচে নাইঃ' (পৃষ্ঠা ৩৪) ৰাধিকাৰ কথাষাৰ শংকৰদেৱৰ কাণতো পৰিছিল গৈ । ৰাধিকাক মতাই অনাই এযুৰি ধোৱা বস্ত্ৰ আৰু পল এটা দি আশীৰ্বাদ কৰি পঠাইছিল পলতে পানী আনিবলৈ । পানী চাকৰ চাৰি আঙুল কম হৈছিল । শংকৰদেৱে কাৰণ সুধিছিল । তেতিয়া ৰাধিকাই কৈছিল, 'সুমখিৰা ভনি আমাইক পাত কাটিবলৈ কাচি দিঞতে মুখ দেখা গলঃ দাসীত এই খানি অপৰাধ.' (পৃষ্ঠা ৩৪) তেতিয়া শংকৰদেৱে সেইৰূপ অপৰাধ সকলোৱে হৈছে বুলি পুনৰ পানী আনিবলৈ পঠাইছিল । পানী আনিছিল । চাকৰ চাৰি আঙুল বাঢ়ি আহিছিল । আৰু থাকি দিয়াৰ লগে লগে নৈৰ বেগ জুৰ হৈছিল । বাকী বাইজে জানটো বান্ধিছিল । নাম হল শান্তিজান আৰু ৰাধিকা শান্তি নামে জনাজাত হল ।

শংকৰদেৱৰ দ্বিতীয় ভাৰ্য্যা কালিন্দী আইৰ বিষয়েও চৰিতপুথিত অনেক ঠাইত উল্লেখ আছে । শংকৰদেৱৰ দুকুৰি চৈধ্য বছৰ বয়স আৰু কালিন্দী আইৰ পোন্ধৰ বছৰ বয়সত বিয়া হৈছিল । শংকৰদেৱৰ ভাৰ্য্যা হৈয়ো কালিন্দী আয়ে 'ধৰ জেউতি'

ৰাখিছিল ঘৰৰ ভিতৰত। মাধৱদেৱৰ প্ৰতি আই গোসানীৰ বৰ স্নেহ আছিল। এদিন মাধৱদেৱক আহাৰ গ্ৰহণ কৰিবলৈ কোৱাত, মাধৱদেৱে আগে ভিতৰ চাৰ বোলাত, দেখা পাইছিল, 'এচুকে ভেটি বান্ধি ঘট পাতি আমতালি আম্ৰা সুতা থৈছে:' (পৃষ্ঠা ৫৯) মাধৱদেৱে ভেতিয়া আই গোসানীক, ঘৰতে পৰম ব্ৰহ্ম আছে তেওঁ ৰক্ষা কৰিব নোৱাৰিলে আনে কি কৰিব পাৰিব বুলি মৰিয়াই ভাঙি পেলাইছিল। আয়ে কথাটো উপলব্ধি কৰি মাধৱদেৱক কৈছিল, 'বাপু সূৰ্য্যাক কুহলিএ ঢকাদি অগ্নিক ভস্মে ঢকাদি ঢাকিছিলঃ তোম্রাহে চক্ষুৰ পটাল গুচাই দিব্য অঞ্জন দিলা আজিঃ' (পৃষ্ঠা ৫৯) বুলি।

মাধৱদেৱ নিজে সংসাৰ ধৰ্ম্মত প্ৰবেশ কৰা নাছিল যদিও শংকৰদেৱৰ পত্নী আই গোসানীক নানা ঘৰুৱা কথাকে শিকাইছিল। আই গোসানীক শংকৰদেৱক ৰামানন্দ বা হৰিচৰণৰ বাপ বুলি নহয় বৈকুণ্ঠৰ বস্তু আমাক গোসাই বুলিবলৈ কৈছিল। কাৰণ ৰামানন্দ বা হৰিচৰণৰ বাপৰ দৰে সম্বোধন সামান্য লোকহে শয্যাত শয়ন কৰোতেও 'নাস্তি সমে মাথা থৈ কৰিবাঃ' (পৃষ্ঠা ৫৯) বুলি কৈছিল। কালিন্দী আয়ে মাধৱদেৱৰ কথা মানিছিল।

মাতৃৰ স্বাভাৱিক ইচ্ছা, অভিলাষৰ দৰেই কালিন্দী আয়ে জীয়েক বিষ্ণুপ্ৰিয়াক মাধৱদেৱলৈ বিয়া দিবলৈ বৰ ইচ্ছা কৰিছিল। শংকৰদেৱক সেই ইচ্ছাৰ কথা কৈছিলো, 'বিষ্ণুপ্ৰিয়াক ভাৰাতে বিবাহ দিলোহন্তে সুখিব কি বোলে।' (পৃষ্ঠা ৫৯) কিন্তু মাধৱদেৱে দৃঢ়কৈ বিবাহ নকৰাই বুলি কোৱাটো কালিন্দী আয়ে কিন্তু আশা এৰা নাছিল। বিষ্ণুপ্ৰিয়াৰ প্ৰতি মাধৱদেৱৰ মন আকৃষ্ট কৰিবৰ কাৰণে, আয়ে বিষ্ণুপ্ৰিয়াৰ হতুৱাই মাধৱদেৱৰ, 'পৰিচৰ্য্যাখিনি কৰাই : কট পৰাই দিএ শুৱাখানি দিয়াই বহাগৈ মাচ শাখিৰ সাক লোণ তেল জলকিয়া বেজেনাটি দি পঠাই (শয্যাখানিও পৰাই জোকৰাই থইঃ) (পৃষ্ঠা ৬০) এদিন কিন্তু মাধৱদেৱে বিষ্ণুপ্ৰিয়াক কাষত ভুলি আনি পঠাই দিছিল যে গুৰুৰ কন্যাকহে সেৱা কৰিব লাগে : গুৰু কন্যাই নহয় বুলি। শংকৰদেৱে কালিন্দী আইক কৈছিল 'নিৰ্গুণক গুণ দিব খোজাঃ' (পৃষ্ঠা ৬০) তাৰ পাচৰ পৰা নপঠাইছিল।

শংকৰদেৱ দ্বিতীয়বাৰ তীৰ্থলৈ যাবলৈ ওলালত আই গোসানীয়ে মাধৱদেৱক মাতি নি কৈছিল, 'বাপু গোসাই আপুনাৰ লীলা খেলাৰ ঠাই পালেগৈ নাহে ইয়াৰ : আমি তিনি চৰা লহিতে অনাথ হলু : তাকে তুমি জেনে (জেনে) প্ৰকাৰে ৰখা জক।' (পৃষ্ঠা ১২৩) সেই কাৰণে শংকৰদেৱে তীৰ্থ যাত্ৰাত

বৃন্দাবনলৈ যোৱাৰ কথা উলিয়াইছিল, মাধৱদেৱে কৈছিল, সেৱা যাব নোৱাৰিব। কাৰণ, 'বাপ তোমা কি ৰূপে কেনেকৈ কোলা পৈছে: এতিয়া সেই তেনে ৰূপ গুণ নেদেখিব: হেন ভাও হব আৰু থৰ্চাও নাই। (পৃষ্ঠা ১৩০) তেতিয়া শংকৰদেৱে যাবলৈ মন নকৰি কৈছিল 'আমাৰ জ্ঞান কণ্ডাৰি ৰবাৰ গোচে: ৰবাপো মগলে আমি ভাৰ নপাৰো:' (পৃষ্ঠা ২০০) গতিকে গোটেই কথাটোৰ আঁৰত আই গোসানীৰ ইচ্ছা, অনুৰোধ সোমাই আছিল। সেই কাৰণে ছমাহ তীৰ্থ যাত্ৰা কৰি ঘূৰি আহি আই গোসানীক মাধৱদেৱে কৈছিল, 'মাতৃ তেনে তেনে প্ৰকাৰে: আপুনাৰ ধূলাৰ প্ৰসাদে অনা হল: আএ বোলে বাপু তোমাৰ প্ৰসাদেসে মোৰ গোসাইৰ মুখ দেখা গল.। (পৃষ্ঠা ১৪২)

শ্ৰীৰাম আতাৰ যোগেদি আই গোসানীয়ে মাধৱদেৱলৈ বতৰা পঠাইছিল, 'বহু খন্দাত বাইছে মাচ, খাইলে: পানী কলোৱালি হল: আৰু সামান্ত শ্ৰীঅংগ গা ধোএ: সেই লগে আমি ধুবলৈ কেনেবা লাগে: এ বাপুৰ কৰাগৈ এটি পাৰে যদি পাটুকা কৰাই দিবক॰' ('পৃষ্ঠা ২০৯-১০) শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত মাধৱদেৱেই আই গোসানীৰ ভৰষাৰ থল আছিল। আই গোসানীয়েও নিজকে আন স্ত্ৰীলকৰ পৰা আতৰাই ৰাখিছিল যা সমাজৰ ৰীতিয়েই আছিল। সেই কাৰণে আন স্ত্ৰীৰ লগত গা ধুবলৈ ভাল পোৱা নাছিল।

আই গোসানীৰ পৰিচৰ্য্যাৰ কাৰণে বংশীগোপাল থকাৰ সময়ত বংশীগোপালে নিৰামিষ ভোজন কৰিছিল। আই গোসানীয়ে, 'বিপ্ৰ মাছ মাংস খাও হৰি ভক্তি কৈলে হানি নপৰে। মোৰ গোসাইৰ ধৰ্মত ব্ৰহ্মচৰ্য্য সন্ন্যাস নাই: মৎস্য খোৱা।" (পৃষ্ঠা ২১৮) বুলিছিল। কিন্তু আই গোসানীয়ে মহ নবিয়ৰে লগত "বটলুত মৎস্য বটি থুৱাইছে:" (পৃষ্ঠা ২১৮) কিন্তু বংশীগোপালে গম পোৱা নাই বুলিছিল। তাৰোপৰি বংশীগোপালে আই গোসানীৰ হাতত অমৃতপ্ৰায় অন্ন আৰু ব্যঞ্জন খাবলৈ ইচ্ছা যায়, কিন্তু অজীৰ্ণ হয় বোলাত, 'আয়ে সৰমায় নিজাই ভোজন কৰাইছে:। (পৃষ্ঠা ২১৮)

মাধৱদেৱৰ প্ৰতি আই গোসানীৰ পুত্ৰবৎ স্নেহ আছিল, ভৰষা কৰিছিল আৰু কোনো কথাকে পেলাব নোৱাৰিছিল। আই গোসানীৰ মখুনকৈ নজাই দিয়া মৰৰ উপৰত লাও ৰগোৱাৰ কথা মাধৱদেৱে গম পাই মথুৰা দাসক লাও জোপা কাটি পেলাবলৈ পঠাই দিছিল। কাৰণ লাও গছ বগাই ঘৰটো নষ্ট কৰিলে আকৌ কোনে সাজি দিবলৈ। মথুৰা দাসৰ কথা শুনি আই গোসানীয়ে, 'বোলে হই তকতে

কত (১০৮ খ) শ্ৰম কৈ দিনটে ঘৰটি সাজিলেঃ পছিলে আকৌ কোনে দিব সাজি কাটাগৈ : নিদিলোঁএ হতে বোলে দেখো লাউ দিয়া তাবেহে দিলো ৷ এ তিনটা বিধবা আমি পাতবো খাৰ গোটবো সাক কেৰি ছুটা বাহলক্ষু খৈচো . তাবেহে (খেদ লাগে) তেওঁ বাপুএ বুলিচে কাটা . মই চাউল পিজাঞা গা ধুই আবা ।। (পৃষ্ঠা ৩২০) কথাবাৰ মথুৰা দাসে শুনি মনতে আই গোপালীক মন কষ্ট দিয়াটো অপৰাধ বুলি গণ্য কৰিছিল, মাধৱদেৱ আৰু আন ভক্তসকলে। গতিকে আয়ে লাও গছ কাটিলে মন কষ্ট পাব বুলি চিন্তা ক’ৰিছিল আৰু মাধৱদেৱেও, ‘আইৰ কষ্টে সৰ্ব্বনাশহে হলু’ (পৃষ্ঠা ৩২১) বুলি চিন্তা কৰিছিল। আৰু শেষত উপায় উলিয়াইছিল।

হাজৰা আতৈৰ পত্নী হৰিপৰ্ব্বাবো মাধৱদেৱৰ প্ৰতি অতি ভক্তি আৰু আস্থা আছিল। হাজৰা আতৈয়ে বজাৰ ঘৰৰ পৰা বাখৰ, সিন্দুৰ, মণি আনি হৰিপৰ্ব্বাক দিছিলহি। তেতিয়া হৰিপৰ্ব্বাই কৈছিল, ‘আমাগৈ আনিচা এই জোৰ ° মোৰ গুৰুজনলৈ আনিছা কি.’ (পৃষ্ঠা ৪২০) আতৈয়ে তাবেই যি হয় বৈষ্ণীয়েকক দিবলৈ কৈছিল। বৈষ্ণীয়েকে তেতিয়া কৈছিল যে দিলে তেওঁৰহে ভাগ্য হব, গিৰিয়েকৰ কি হব ? তেতিয়া হাজৰা আতৈয়ে বৈষ্ণীয়েকক কৈছিল তেওঁ নো কাৰ ? বৈষ্ণীয়েকে উত্তৰ দিছিল যে থিৰ কৈ বিচাৰি চালে কোনো কাৰো নহয়। তেওঁক যে এইবোৰ দিছে, সেইবোৰ বৰবানিত, থালত পেলোৱাৰ দৰেহে হৈছে। কাৰণ ‘গুৰু সেৱকৰ কঠিহে পাৰা পৰজন্মত.’ (পৃষ্ঠা ৪২০) সাধাৰণ নাৰী এগৰাকীৰো এনে জ্ঞান আছিল তেতিয়াৰ দিনতে।

আন এদিন নপকা কঠাল এটা ভাঙি বাণত হৰিপৰ্ব্বাই হাজৰা আতৈক খাবলৈ দিছিল। হাজৰা আতৈয়ে খাবলৈ হাত মেলোতেই হৰিপৰ্ব্বাই হাজৰা আতৈক প্ৰশ্ন কৰিছিল, ‘ন কঠাল বুলি কলু. গুৰু ঠাই দিয়া আচা নাই দুস্যৰিলা কিয়.’ (পৃষ্ঠা ৪২০) গুৰুৰ প্ৰতি শ্ৰদ্ধাৰ চিন সেয়াই নে ? “অপাৰ সংসাৰ জি তৰাব ত’লৈ মেহশ্ৰধা খেদ নাই অনাদি জন্মত বাগৰি জি পাই আছিচা তাত আমাত হৈচে বিশ্বাস’ কেনেকৈ সংসাৰ তৰিবা ই কথা দুৰ্ল্লভ।” (পৃষ্ঠা ৪২০) হৰিপৰ্ব্বাই স্বামী হাজৰা আতৈকো জ্ঞান দিছিল।

অকল সেয়াই নহয়। এদিন হৰিপৰ্ব্বাই হাজৰা আতৈক কৈছিল, গুৰুজনৰ কীৰ্ত্তনত শুনিবলৈ পাইছিল যে হৰি গুণ ত্যাগ কৰি যি আন কথা কৈ থাকে, তেওঁ অমৃতক ত্যাগ কৰি বিষ্ঠা ভুঞ্জাৰ দৰে হয়। গতিকে সংসাৰৰ দুকথাত

থকাতকৈ শুকজনৰ ওচৰতে হৰি কথা অমৃতক পান কৰাই ভাল বুলি হাজৰা আতৈক হৰিপৰ্ব্বাই হৰি কথা শুনিবলৈ পঠাই দিছিল। তাৰে পৰা আতৈৰ বুধি ভাঠ হৈছিল। (পৃষ্ঠা ৪২০)

চৰিতখনিত অনেক ঠাইত বেহাৰৰ আই ধাইৰ কাৰ্য্যকলাপৰ কথা আছে। এই সম্বন্ধে কিছু কথা আগতেই লিখা হৈছে। পুনৰ আমি আই ধাইৰ কথা লিখিছো চৰিতখনিত থকা কথাৰ পৰাই।

ৰজা লক্ষ্মীনাৰায়ণৰ আই ধাইক সাতখন গাৱত ৰাইজে খাজানা দিছিল। কিন্তু তাতে মুকুলুৱা হৈছিল। আই ধায়ে লক্ষ্মীনাৰায়ণক কথাটো কোৱাত উত্তৰ দিছিল, 'উদাসিনক দিচা• থাৰ সুৰ হাগিবঃ কি কাম কৰিচে কৰাইচা দেশৰ টকা খাৰ্চ্চা কৈ ভাল আত্ৰ বোলে তই চকুৰি থামনি দেশৰ খৰচাই শাক হৰি বিমুখিয়া বামুণ• দি খুৱাই বৰ ধৰ্ম ভক্তি কৰিচঃ মোৰ হৰি গুণ পৰা ভক্তক দিয়া গুণ নেদেখিলিঃ পাপময় ভক্ত পাপ ছগুণ হে গান ॥' (পৃষ্ঠা ৪২১) আৰু কৈছিল, গীতাত কৈছে বে কলিত বৈষ্ণৱেই বিষ্ণু। যাৰ বি গুণ গাত থাকে তেওঁ তেনেকৈ পাপ পুণ্য দেখা পায়। আই ধায়ে গীতাৰ কথাৰে লক্ষ্মীনাৰায়ণক উত্তৰ দিব পৰা কথাটো মন কৰিব লগীয়া।

আই ধায়ে লক্ষ্মীনাৰায়ণক আৰু টকা আৰু গাওঁ বিচৰাত, ৰজাই আকনো কেলেই বুলি প্ৰশ্ন কৰাত, আই ধায়ে, 'ৰাক ভণ আগৰ ৰজাসৰৰ নিচিনা হঃ' (পৃষ্ঠা ৪৭০) বুলি বলি, যুধিষ্ঠিৰ, অম্বৰিষ, নিমি, ভৰত আদিৰ উদাহৰণ দিছিল। লগতে ইয়াকো কৈছিল, 'তই কি ধূত্ৰ বাজা এচৰকা ৰক্ষিব আছৈটো প্ৰজা পাইঃ ঈশ্বৰ কৃষ্ণক গণন নাইঃ' (পৃষ্ঠা ৪৭০) ৰজাই আৰু একো নেমাতি আই ধাইৰ ইচ্ছা পূৰণ কৰিছিল।

চ'তৰ বিহুত আই ধায়ে বৰ কাপোৰ, মজালি চেলেং, পচৰা, গমচা আদি ভকতসকলৈ দি পঠাইছিল, মাধৱদেৱে ভগাই দিব বুলি। কাপোৰ দিওতে উত্তমোত্তম, উত্তম, মধ্যম, সামান্য আদি মান-অনুসৰি দিবলৈ দিছিল। কিন্তু মাধৱদেৱে, 'কোচবিহাৰে বৰ সৰু চোৱা অনুচিত কৰতৰ ছিনেঃ আমি ছু নেপাওঁ ঃ সবেও হৰি ভক্তি কৰিছেঃ' (পৃষ্ঠা ৪৭০) বুলি কাপোৰ ঘূৰাই পঠাইছিল। আই ধায়ে তেতিয়া সকলোলৈকে সমান কাপোৰ পঠাইছিল আৰু মাধৱদেৱে ভগাই দিছিল।

একাদশীত আই ধায়ে মাধৱদেৱ আৰু ভকতসকলৈ নাম পাতিছিল। গোটেই দিন গাই বাই মাধৱদেৱৰ ভাগৰ লগাত যাবলৈ বিচাৰি-ভিনিবাৰ কৈ আই ধাইক জনোৱাটো, "গুৰু জনা গলে সভাখানি ভাগিবহে" দাসিএ প্ৰাৰ্থনাহে কৰিচা:" (পৃষ্ঠা ৪৭৫) মাধৱদেৱ গলে সভাখন ভাগিব বুলি যাবলৈ দিয়া নাছিল। শেষত মাধৱদেৱে, 'কোচৰ জিএকে খৰি কাঠ জত্নহে কৰিব লাগে আমালৈ।' (পৃষ্ঠা ৪৭৫) বুলি সভাখন নভগাকৈ মুখ হাত ধোৱাৰ চলেৰে ওলাই আহিছিল।

মাধৱদেৱৰ ওচৰত শৰণ দিয়াবলৈ বেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণে আই ধাইকে খাটনি ধৰিছিল। আই ধায়ে ৰজাক কৈছিল, 'তুমি ৰাজ চৰ্চ্চা দেব দেবি অনেকক পূজিব লাগে কেনেকৈ হৰি ভক্তি গুৰু ধৰ্ম্ম ৰাখিবা ' (পৃষ্ঠা ৪৭৬) ৰজাই সকলো ত্যাগ কৰিব বোলাটো আই ধায়ে ন দিন মাধৱদেৱক অনাম অনাম বুলি গাৰ কৰিছিল। ৰজাৰ খাটনি এৰাৰ নোৱাৰি মাধৱদেৱক আনিবলৈ পঠাইছিল যদিও মাধৱদেৱে কেৱা বাৰো প্ৰত্যাখ্যান কৰাত শেষত আই ধায়ে,"বান্দিৰ দোলাখানিকে ধুই দিঞা দাই এৰি আহক তাতে" (পৃষ্ঠা ৪৭৭) বোলাত মাধৱদেৱে খং কৰি উত্তৰ দিছিল, 'কোচজিএ কি মোক বৰ সম্পত্তি দিলে: খচকা দোলাত উঠিবলৈ' (পৃষ্ঠা ৪৭৭)

এনেকৈয়ে 'গুৰু চৰিত কথা'ত আদিৰ পৰা অন্তলৈকে বিভিন্ন নাৰী চৰিত্ৰৰ বিষয়ে উল্লেখ আছে।

(৮) বৰগঞাগীৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

বৰগঞাগীৰিয়ে চৰিতখনিত হৰিদেৱৰ জীয়ৰী ভুৱনেশ্বৰীৰ কথা উল্লেখ কৰিছে, যদিও তনিয়েক সুভদ্ৰাৰ কথাও আছে। হৰিদেৱৰ জীয়ৰী ভুৱনেশ্বৰীয়ে বিবাহ পাশত আবদ্ধ হবলৈ ইচ্ছা নকৰিছিল। কাৰণ পিতাকক কৈছিল,

'তনিওক পিতাদেৱ তোমাৰ আশ্ৰয় পাৰী
থাকি কহ মই আশ্ৰমত॥
সেহিয়ে কাৰণে মই স্বামী গ্ৰহণ নকৰিলো
আশ্ৰমত থকাৰ কাৰণে।' (পৃষ্ঠা ২১৪-১৫)

বুলিছিল। তেতিয়া পিতাকে ভুৱনেশ্বৰীক উপদেশ দিছিল। মালা দান কৰিছিল, 'গুৰুপুত্ৰ কৰিবা পালন।' (পৃষ্ঠা ২১৫) বুলিছিল।

এনে দৰেই মধ্যযুগত ৰচিত চৰিত পুথিসমূহত অসমৰ নাৰীসকলৰ বিভিন্ন দিশত স্থান আৰু বৰঙণিৰ কথা লিপিবদ্ধ কৰিছে।

পঞ্চম অধ্যায়

(১) অৰ্থনৈতিক অৱস্থা ঃ

মধ্যযুগৰ অসমৰ চৰিত পুথিসমূহত সেই সময়ৰ অৰ্থনৈতিক অৱস্থাৰ কথাও ঠায়ে ঠায়ে উল্লেখ কৰি গৈছে। কৃষিয়েই সেই সময়ত অসম, কামৰূপ আৰু বেহাৰৰ লোকৰ প্ৰধান জীৱিকাৰ পথ আছিল। অৱশ্যে কৃষিৰ বাহিৰে বেহা-বেপাৰৰ যোগেদিও অৰ্থনৈতিক অৱস্থা চনকিয়াল কৰিছিল বা পৰিয়ালৰ ভৰণপোষণ দিছিল। আমাৰ অধ্যয়নত সাঙোৰা চৰিত পুথিত থকা অৰ্থ নৈতিক অৱস্থাৰ যি কথা পোৱা গ'ল, তাকে তলত উল্লেখ কৰা হ'ল।

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

ৰামচৰণ ঠাকুৰে 'গুৰু চৰিত'ত অৰ্থ নৈতিক অৱস্থা, কি কি জীৱিকাৰ পথ লৈ চনকিয়াল কৰিছিল সেই সম্বন্ধে লিপিবদ্ধ কৰি গৈছে।

ৰজাই বিষয়া শ্ৰেণীক ভৰণপোষণ দিছিল, দাসদাসী দিছিল। চণ্ডীবৰ কমতা ৰাজ্যলৈ অহাৰ পাছত কমতেশ্বৰে ঘৰবাৰী সাজি দিবৰ কাৰণে চাৰিজন চেঙেটিয়া দিছিল। চৌধশত ধান দিছিল। তাৰোপৰি হালবাই খেতি কৰাবৰ কাৰণে গৰুও দিছিল। (পৃষ্ঠা ১৯)

জীৱিকা নিৰ্বাহৰ অন্যতম পথ আছিল কৃষিকাৰ্য্য। চণ্ডীবৰে কৃষিকাৰ্য্য কৰাইছিল। নজনলোক লৈ ধান বাই থাকোঁতেই তোটে গৈ চণ্ডীবৰক পথাৰতে পাইছিল গৈ। পুত্ৰ ৰাজধৰে ডাদৰি বাছি আছিল। (পৃষ্ঠা ৪৩)

দেৱ মন্দিৰত থকা দেউৰীসকলে পূজাৰ কাম কৰি জীৱিকা নিৰ্বাহ কৰিছিল। কুসুমদেৱে শিলবিকা গৰৰত থকা শিৱ লিঙ্গক পূজা দিবৰ কাৰণে বাৰ্ত্তত দেউৰী সকলে পূজা কৰিছিল চণ্ডীবৰৰ হৈ। দ্বিজসকলে হোম আদি কৰিছিল। (পৃষ্ঠা ৬ ৯, ১০)

মেকিয়াৰ ফিনতে সাপ নচুৱাই, মানুহক আমুৱা কৰি জীৱিকা নিৰ্বাহ কৰা লোক এক শ্ৰেণীও আছিল।

"সৰ্প নচুৱাই সিটো ফুৰে দেশে দেশে।
কূট নাট অনেক কৰয় নালে বেশে ॥
মিচা কূট নাট কৰি লোক ভাণ্ডি খায় ।" (পৃষ্ঠা ১৬১)

বাইজক নানা নিপিড়ণ কৰি জীৱিকাৰ পথ মুকলি কৰা এক শ্ৰেণীৰ লোক আছিল বৈদ্যসকল। নানা ঔষধ আদি দি ৰোগ আৰোগ্য কৰিছিল। (পৃষ্ঠা ১৬৩)

"চোতালত বসি বৈদ্যে উতপাত কৰে ॥
বোলে আৰ শিশুক মাৰিবো বুদ্ধি কৰি ।
মোক যেন বিমাস্ত নকৰে আজি ধৰি ॥' (পৃষ্ঠা ১৬৩)

চৌৰ্য্য বৃত্তিয়ো জীৱিকাৰ পথ আছিল। শংকৰদেৱৰ শিশু অৱস্থাতে তিনিটা চোৰ সোমাইছিল চুৰ কৰিবলৈ। (পৃষ্ঠা ১৫৯-৬০)

"তিনি চোৰ নিশা ভাগে মিলিলন্ত তথা ।' (পৃষ্ঠা ১৫৯)

ব্ৰাহ্মণ, বিপ্ৰসকলে দান দক্ষিণা লৈয়ে জীৱিকা নিৰ্ব্বাহ কৰিছিল। দানৰ নামত ধন, বস্ত্ৰ, সুবৰ্ণ, গাই, বলদ আদি সকলো পাইছিল। সেই কালত ব্ৰাহ্মণৰ স্থান অতি উচ্চত আছিল আৰু ব্ৰাহ্মণক অসন্তুষ্ট নকৰিছিল। ভেওঁলোকৰ মনোৰথ পূৰ্ণ কৰি দান দক্ষিণা দিছিল। গতিকে তেওঁলোকৰ অৱস্থাও টনকিয়াল আছিল। চৰিতথনিত অনেক উদাহৰণ আছে।

নাপিত শ্ৰেণীৰ লোকে দাড়ি, চুল, নখ কাটি জীৱিকা নিৰ্ব্বাহ কৰিছিল। মধুৰা নাপিতে শংকৰৰ কৰ্ণ বিন্ধন উৎসৱৰ কাৰণে চুলি আৰু নখ কাটি দিছিল। (পৃষ্ঠা ২৩১)

'তাত পাচে মধুৰা নাপিত আসি আছে।
চটাইলন্ত কেশ নখ কাটিলন্ত পাচে ॥" (পৃষ্ঠা ২৩১)

গুৰুৱে ছাত্ৰশালাত ছাত্ৰ পঢ়ুৱাই জীৱিকা নিৰ্ব্বাহ কৰিছিল। (পৃষ্ঠা ২৯৬) শংকৰদেৱৰ পাঠশালাত নাম লগাবলৈ বাওতে ককাক জয়ন্তই গুৰুক কৈছিল,

"কৰোহো কাতৰ গুৰু পঢ়াৱো ইহাক।
যথাযোগ্য দক্ষিণা দিবোহো তোমাক ॥" (পৃষ্ঠা ২৯৬)

কুমাৰ শ্ৰেণীলোকে মাটিৰ পাত্ৰ গঢ়ি জীৱিকা অৰ্জন কৰিছিল। "কলিলি মুখ কুমাৰ আছয়। -- -- -- . . . -- --- খৌন গঢ়িবাক বোলো তনা তাক" -- ---- (পৃষ্ঠা ৩১৮)

চাষবাৰ কাম কৰা মুচি শ্ৰেণীৰ লোকো আছিল। শংকৰদেৱে মুচিৰ ঘৰৰ মৰা গৰুৰ ছাল আনিবলৈ মানুহ পঠাইছিল। (পৃষ্ঠা ৩১৮)

বিয়াৰ বস্ত্ৰ দেশত পোৱা নগৈছিল, আন ঠাইৰ পৰাই টকা কড়ি দি কিনি আনিছিল। শংকৰদেৱে কাজ উৎসৱ কৰিবলৈ মন যোৱাত তেঁবুৱানীত কাজ নেপাই কাৰণে

"মকৰাপুৰাক প্ৰতি বলৰাম মহামতি
কড়ি টকা সবে লৈয়া গৈলা।
সেৰ এক মালা কৰি কাজক কলস ভৰি
পুনু আসি টেঁবুৱানী পাইলা॥" (পৃষ্ঠা ৩৫৩)

তাৰোপৰি দৌল উৎসৱৰ কাৰণে লগা ছাগলীটোও কড়ি দি কিনি আনিছিল। (পৃষ্ঠা ৩৫৪)

'কড়ি দিয়া ছাগক কিনিয়া।' (পৃষ্ঠা ৩৫৪)
"ছাগল কিনিলা পাই পালতিয়া ঘৰাত আসিলন্ত। (পৃষ্ঠা ৩৫৪)

সেই সময়ত দেশত সোণ, ৰূপ, তাম আদিৰ প্ৰচুৰ ব্যৱহাৰ আছিল। দেশৰ সম্ভ্ৰান্ত লোকসকলৰ অৱস্থা অতি ভাল আছিল। শ্ৰাদ্ধ, বিবাহ আদিত সাধ্য অনুসৰি সোণ, ৰূপ, তাম, ধন আদি খৰচ কৰিব পাৰিছিল, দান দক্ষিণা কৰিব পাৰিছিল। শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ ওলাওঁতে বাট খৰচৰ বাবে যাৰ যি সোণ টকা ধন আছিল লগত লৈছিল।

"দুই বিংশ তোলা সোণা দেৱ শংকৰৰ।
.. ..
একাদশ তোলা লৈলা কন্দলী মহামতি।
.. .
অষ্টাদশ তোলা সোণা তহিতে মিলিল॥" (পৃষ্ঠা ৩৯৯)

শংকৰদেৱ আৰু লগৰ সকল তীৰ্থলৈ গৈ প্ৰথম প্ৰবাসৰ দিনা শংকৰদেৱে,

"কড়ি লৈয়া যোৱা সবে দোকানীৰ পাশ।
মাস মুগ কলাই তণ্ডুলক কিনি আনা।" (পৃষ্ঠা ৪০১)

বুলি কলত, লগৰ সকলে,

"বুৰি টকা লৈয়া গৈলা দোকানীৰ পাশ॥" (পৃষ্ঠা ৪০১)

ইয়াৰ পৰা জনা যায় দোকানি আছিল, দোকান আছিল আৰু গ্ৰাহকে টকা, কড়ি দি বস্তু কিনিছিল। "আছে ছুই দোকানীয়ে দোকানক দিয়া।" (পৃষ্ঠা ৪০১)

মাইকী মানুহেও দোকানৰ বস্তু বেছি জীৱিকা নিৰ্ব্বাহ কৰিছিল। শংকৰদেৱৰ ওচৰলৈ যোৱা গোহাৰী পৰাকীয়ে, "দোকানে পসাৰে টকা আছোহো আৰ্জিয়া" (পৃষ্ঠা ৪০৪) বুলি কৈছিল।

মাধৱদেৱেই জীৱনৰ আগচোৱাৰ এটা সময়ত তামোলৰ বেপাৰ কৰি অৰ্থ উপাৰ্জন কৰিছিল, "মই যাও হাটক তাম্বুল বেসাইবাক।" (পৃষ্ঠা ৪৭২)

ছাগলী বেচা কিনা কৰিছিল। মাধৱদেৱে দেৱী পূজাত বলি দিবৰ কাৰণে ছাগলী কিনিবলৈ ভনি আবায়েক ৰামদাসক কৈছিল। (পৃষ্ঠা ৪৭২)

"মনত বোলন্ত আগে দেৱী পূজিবাক।
পঠাওঁ ৰামদাসক ছাগলী কিনিবাক॥" (পৃষ্ঠা ৪৭২)

বাঢ়ৈ শ্ৰেণীৰ লোকে কাঠৰ কাম কৰিছিল। শংকৰদেৱে কোৱোলা বাঢ়ৈৰ হতুৱাই মদন গোপালৰ মূৰ্ত্তি সজাইছিল। কাঠৰ কাম কৰিও জীৱিকা নিৰ্ব্বাহ কৰিছিল বাঢ়ৈ শ্ৰেণীৰ লোকে। (পৃষ্ঠা ৫০০)

মাজী শ্ৰেণীৰ লোকে নাৱ বাই যাত্ৰী অনা নিয়া কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। চৌকীয়া মাজী সেই শ্ৰেণীৰ লোক আছিল। (পৃষ্ঠা ৫৩৬-৩৭)

ভবানন্দই, 'ভবানন্দ নামে থাকো ভিজা নগৰত।
কিনা বিকা কৰি ফুৰো যেন সদাগৰ॥' (পৃষ্ঠা ৫৪১)

বুলি নিজৰ পৰিচয় দিছিল।

কৃষিকাৰ্য্য জীৱিকাৰ অন্যতম পথ আছিল। তোটবিলাকে আক্ৰমণ কৰিবলৈ আহোতে চণ্ডীভৰে ধান দাই আছিল আৰু পুত্ৰেক ৰাজধৰে ভাণ্ডৰি বন্ধা কামত আছিল। (পৃষ্ঠা ৫৫৩)

ভবানন্দই পুনৰ বাৰ শংকৰদেৱ আৰু মাধৱদেৱৰ আগত, "সদাগৰ ৰূপে যেন মত্তে ফুৰিলন্ত।" (পৃষ্ঠা ৫৯৩) তাৰ কথা কৈছিল সেই কাৰণে তেওঁৰ টকা, কড়ি, কাওন আদিৰ নাটনি নাছিল। মাধৱদেৱৰ মাকৰ শ্ৰাদ্ধৰ কাৰণে "লক্ষ কাওন কড়ি" দিছিল আৰু টকাৰে কাওন কৰি ভজাই দিছিল। (পৃষ্ঠা ৫১৫)

দামোদৰদেৱ ব্ৰাহ্মণ আছিল। কিন্তু শংকৰদেৱৰ শিষ্য হোৱাৰ আগতে কৃষি-কাৰ্য্য কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। তেওঁ অতি দৰিদ্ৰ ব্ৰাহ্মণ আছিল,

"কোদালত বিনে তাৰ হাল গৰু নাই।
কিৰিৰিৰ ভাত মাত্ৰ ছয় মাস খাই ॥" (পৃষ্ঠা ৬৩৫)

বাকী হোৱাৰ কাৰণে "লোকৰ মহি" দিছিল। (পৃষ্ঠা ৬৩৫)

সেই দিনত মানুহো বেচিছিল কিনা লোকো আছিল। ৰজা নৰনাৰায়ণে শংকৰ ভক্ত গোকুল চান্দ আৰু নাৰায়ণ দাসক ভোটক বেচিছিল,

"ৰাত্ৰি প্ৰভাতত ৰাজা ভোটত বেচিল ॥
চয় কুৰি টকা ভোটে নৃপতিক দিয়া।" (পৃষ্ঠা ৭৫২)

তাঁত শিল্পত অসম কিমান আগবঢ়া আছিল, তাঁতী শ্ৰেণীৰ লোকে তাঁত বৈয়ে জীৱিকা নিৰ্বাহ কৰিছিল সেই সম্বন্ধেও সুন্দৰকৈ লিপিবদ্ধ কৰিছে। শংকৰদেৱে পাটবাউসীৰ তাঁতীকুচি গাৱৰ "বৃন্দাবনীয়া নামে বস্ত্ৰ অতি মনোৰম" (পৃষ্ঠা ৭৮২) বোৱাইছিল।

এনে দৰেই মধ্যযুগৰ অসমৰ লোকসকলে বিভিন্ন ধৰণে নিজৰ জীৱিকা উলিয়াইছিল, অৰ্থ নৈতিক দিশত বৰঙণি যোগাইছিল।

(২) ৰমাকান্ত দ্বিজ—শ্ৰীগুৰু চৰিত

ৰমাকান্ত দ্বিজেও দেশৰ অৰ্থনৈতিক অৱস্থাৰ কিছু কথা চৰিতখনিত লিপিবদ্ধ কৰিছে

দেশত বেহা-বেপাৰৰ কাৰণে ইখন দেশৰ পৰা সিখন দেশলৈ মানুহৰ প্ৰব্ৰজন হৈছিল। মাধৱদেৱৰ পিতৃ বড়কণাগিৰী কনৌজ পুৰৰ পৰা বাণ্ডুকাত আছিল গৈ। কিন্তু "বাণিজ্যৰ মনে আইলা আসাম দেশক।" (পৃষ্ঠা ৮৮) তাৰ পাচত বৰডোৱা, নাৰায়ণপুৰ আৰু বাণ্ডুকালৈ অহা যোৱা কৰি বাণিজ্যৰ কাম চলাই "কিছুমান ধন উপাৰ্জিলা মহামতি।" (পৃষ্ঠা ৮৯)

দেশত ভিক্ষা বৃত্তিও আছিল। মাধৱদেৱৰ আৰু তেওঁৰ পিতৃ-মাতৃৰ পৰম দুৰ্দশাৰ দিনত চিন্তা কৰিছিল, 'ভিক্ষা মাগি কেন মতে থপিবো কালক" (পৃষ্ঠা ৯৩) বুলি।

নিজৰ অৰ্থ কড়ি নেথাকিলে ধাৰ কৰি অনাৰো ব্যৱস্থা আছিল। মাধৱদেৱে পিতৃৰ প্ৰেত কৰ্ম কৰিবৰ কাৰণে, বাণ্ডুকালৈ ঘূৰি যাবৰ কাৰণে (পিতৃৰ বিয়োগৰ পাচত) এককুৰি টকা ধাৰ কৰিছিল। (পৃষ্ঠা ৯৯)

অসম দেশৰ পৰা নি বাণ্ডুকাত মাধৱদেৱে বস্ত্ৰ বেপাৰ কৰিছিল।

"বিকিলা বেসানি বস্ত্ৰ অসম দেশৰ।
মুকুতা, পোৱাল কিনি কেলা সি ঠাৱৰ ॥" (পৃষ্ঠা ১০১)

নাৰায়ণপুৰত প্ৰৱেশ কৰি সেই ঠাইত বস্ত্ৰ বিক্ৰি কৰিছিল। সেই বস্ত্ৰ বিক্ৰি কৰি ধাৰে লোৱা এশ টকাৰ ধাৰ মাৰি নিজলৈকো একশত টকা লাভ থাকিছিল। ইয়াৰ পাছত এবাৰ সিন্দুৰলৈ পুনৰ ছুধন নাৱত নাৰায়ণপুৰত উৎপন্ন হোৱা বস্ত্ৰ ভৰাই মাধৱদেৱে যাত্ৰা কৰিছিল। সেই ঠাইত সকলো বস্ত্ৰ বিক্ৰি কৰাৰ পাছত, তাৰ পৰাও আকৌ বেপাৰ কৰিবৰ কাৰণে বস্ত্ৰ আনিছিল। (পৃষ্ঠা ১০১-২) বাণ্ডুকাত ককায়েকৰ পৰা এশ টকা লৈ পুনৰ বেপাৰ কৰিবৰ কাৰণে আসাম দেশত মাধৱদেৱে প্ৰৱেশ কৰিছিল। (পৃষ্ঠা ১০৫) দেশত বেহা বেপাৰ কৰা সাউদ শ্ৰেণীৰ লোক আছিল। মাধৱদেৱে শংকৰদেৱৰ থানলৈ যাবলৈ ওলাই, নিজৰ ব্যৱসায়ৰ বস্তুবিলাক সাউদ মাতি আনি অধিক লেঠা মাৰিছিল। শংকৰদেৱৰ ওচৰত শৰণ লোৱাৰ পাছত শংকৰদেৱৰ ওচৰলৈ আহিবলৈ মন কৰি মাধৱদেৱে শংকৰদেৱক কৈছিল,

"আছয় জঞ্জাল মোৰ সঙ্গে সাউদৰ।
লোৱা থোৱা কৰিবাক লাগয় ধনৰ ॥" (পৃষ্ঠা ১২৯)

শংকৰদেৱে তেতিয়া মাধৱদেৱক বেহাৰৰ আউল সাউদৰ লগত কেনেকৈ মাৰিব তাক কৈ দিছিল। সাউদসকলক মাধৱদেৱে ঘৰলৈ মাতি আনি,

"যাক দিবে লাগে তাক দিলন্ত ধনক ॥
যাক দিবে লাগে চাৰি দেন্ত পাক হয়।
দশ দিবে লাগে যাক দেন্ত শোধবয় ॥" (পৃষ্ঠা ১৩০)

অধিক ধন পাই সাউদসকলে মাধৱদেৱক প্ৰশংসা কৰি গুচি গৈছিল। এনেকৈয়ে মাধৱদেৱে "ভাঙিলা জঞ্জাল সৱে ধনৰ বিত্তৰ।" (পৃষ্ঠা ১৩১)

দেশৰ অৰ্থনীতি কৃষি-কামৰ ওপৰতো নিৰ্ভৰ কৰিছিল। দামোদৰদেৱ কৃষক আছিল। কৃষি কৰি পৰিয়াল পোহপাল দিছিল। (পৃষ্ঠা ২০৬) মাধৱদেৱেও অভাৱগ্ৰস্ত অৱস্থাত মাক-ভনীয়েকক পোহপাল দিবৰ কাৰণে "আপুনি কোৰাল বায়া কৰিয়া আৰ্জন।" (পৃষ্ঠা ৯৪) চৰিছিল।

ভোটবিলাক তৈয়াৰ কৰি আহি বেহা-বেপাৰ কৰিছিল। বস্ত্ৰ লগাইছিল, আনকি মানুহ পৰ্য্যন্ত সবাই বস্ত্ৰ দিছিল গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক যেহাবৰ বন্দী নৰনাৰায়ণে ভোটক ঘি যোগাবলৈ কৈছিল।

"ৰাজা বোলে শুনাহককো নৈয়োক এখন ।।
যোড়া সবাই আনি ভই দিয়া ঘি ভোটক ।" (পৃষ্ঠা ৩০৫)

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱৰ

ভূষণ দ্বিজৰ ৰচনাটো দেশৰ অৰ্থ নৈতিক অৱস্থাৰ বিষয়ে পোৱা যায়। বেহা বেপাৰৰ যোগেদি দেশৰ অৰ্থনৈতিক অৱস্থা চলকিয়াল হৈছিল। হাট বজাৰ বহিছিল, তাত নানা দ্ৰব্য বস্তু বেচা কিনা চলিছিল। ৰামদাসে হাটত তামোলৰ বেপাৰ কৰিবলৈ গৈছিল বুলি উল্লেখ কৰিছে। ছাগলীও বেচা কিনা কৰিছিল। মাধৱদেৱে ৰামদাসক ছাগলী কিনিবৰ কাৰণে পইচা দিছিল,

"দুই গোটা ছাগল কিনিয়া দিয়া আনি ।।
যজ্ঞি যাঞা হাটক ভাবুন বেহাইবাক ।" (পৃষ্ঠা ৪৭)

বেহা বেপাৰ, বেচা কিনাত কড়ি ব্যৱহাৰ হৈছিল। মাধৱদেৱে ছাগলীক কিমান কড়ি লগে বুলি সুধিছিল। (পৃষ্ঠা ৪০)

জগন্নাথ ক্ষেত্ৰত গৈ নাৰায়ণ দাসে কিনা বিকা কৰিছিল গৈ। নিজৰ পৰিচয় ভাৰতৰ আগত 'কিনা বিকা কৰি ফুৰো যেন সদাগৰ " (পৃষ্ঠা ৭৫) বুলি দিছিল।

দেশত টকা, কড়ি বৰ সহজতে পোৱা নগৈছিল যেন অনুমান হয়। বাৰাণসিৰ পৰা মাধৱদেৱ আহি শংকৰদেৱক কড়িৰ যোগাৰ কৰিব নোৱাৰাৰ কথা কৈছিল। ভৱানন্দই তেওঁক শংকৰদেৱৰ ওচৰত শৰণ লৈ নাৰায়ণ দাস নাম পোৱা ভৱানন্দ সাউদৰ ওচৰলৈ যাবলৈ কৈছিল। নাৰায়ণ দাসে,

"পাক কাঞ্চন কড়ি এক কটি হই আছা।
ব্ৰাহ্মণসবক দিবা ভুঞ্জিৰ দক্ষিণা ।" (পৃষ্ঠা ১০৮)

বুলি আনি মাধৱদেৱক দিছিলহি, যাতে মাধৱদেৱৰ মাতৃৰ বিয়োগৰ পাচত কৰা অনুষ্ঠান ভুঞ্জিৰ কাৰণে ব্ৰাহ্মণ সকলক দিব পাৰে।

দেশত টকা, কড়ি, কাঞ্চন আদিৰ প্ৰচলন আছিল। মাধৱদেৱৰ কাৰণে নাৰায়ণ দাসে টকালৈ কড়ি লৈ সবাই আনিছিল। (পৃষ্ঠা ১০৮ পৰমানন্দ

আৰু মাক, পৰৰ তিনি কাওণ ধাৰত আছিল। নাৰায়ণ দাসে সেই ধাৰ শংকৰদেৱৰ ওচৰত নি ষুজি দিছিল। (পৃষ্ঠা ১৪৮) নাৰায়ণ দাসৰ অৱস্থা আন ভকতসকলতকৈ বহুত ভাল আছিল বুলি ধৰিব পৰা যায়। কাৰণ তেওঁ আগতে বেহা বেপাৰ কৰি ফুৰা মহাজন আছিল বুলি জনা যায়। (পৃষ্ঠা ৭৭-৭৯)

দামোদৰদেৱ উত্তম ব্ৰাহ্মণ আছিল যদিও শংকৰদেৱৰ ওচৰত শৰণ লোৱাৰ আগলৈকে কৃষি কাৰ্য্য কৰিছিল। "দামোদৰ নাম এন্তে উত্তম ব্ৰাহ্মণ। কৰন্ত কিৰিষি তাত নাহি আসকতি।" (পৃষ্ঠা ১৫০) কৃষি কাৰ্য্যই তেতিয়া কামৰূপ, অসম আৰু বেহাৰৰ প্ৰধান জীৱিকাৰ উপায় আছিল। বজাৰ হাট বহিছিল। বস্তু বাবী টকা, কড়ি দি কিনিবলৈ পাইছিল। শংকৰদেৱৰ তীৰ্থ যাত্ৰাৰ সঙ্গীসকলে ঠায়ে ঠায়ে টকা-কড়ি ভঙাই লাগতীয়াল বস্তু কিনি লৈছিল। (পৃষ্ঠা ১৬০) আনকি হাটত গোবৰ, পোৱালমণি পৰ্য্যন্ত বেচিছিল। (পৃষ্ঠা ১৬২)

"গোবৰ বিকয় পোৱাল বিকয়
বিস্ময় ভৈলোহে দেখি।" (পৃষ্ঠা ১৬২)

চক্ৰপাণি নামৰ ব্ৰাহ্মণজনে যজমান কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। (পৃষ্ঠা ১৬৮) তেনে যজমান কৰি খোৱা ব্ৰাহ্মণ দেশত বহুত আছিল। (পৃষ্ঠা ১৬৭, ১৬৮)

ভোটবিলাকৰ লগত জীয়ন্ত মানুহ সলাই ঘি বস্তুৰ দৰকাৰ হৈছিল, লৈছিল। বেহাৰৰ ৰজা নৰনাৰায়ণে গোকুল চান্দ আৰু নৰনাৰায়ণ দাসক ভোটক দি ঘোৰা আনিবলৈ কৈছিল। (পৃষ্ঠা ১৮২, ১৮৪)

দেশত কমাৰ শ্ৰেণীৰ লোক আছিল। ধাতুৰ নানা বস্তু তৈয়াৰ কৰি, বিক্ৰি কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। (পৃষ্ঠা ১৯১)

(৪) মহাপুৰুষ—শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচথন প্ৰাচীন চৰিত পুথিৰ সাৰ)

"মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ"ত, কড়ি, টকা আদিৰে বস্তু কিনা কটা কৰিছিল। গোপালদেৱৰ কথাকে কীৰ্ত্তন পাঠ কৰাত লগাবৰ কাৰণে শংকৰদেৱৰ বাৰীত কল থকা বুলি জানি কিনি আনিবৰ কাৰণে কড়ি দি পঠাইছিল। কিন্তু

"কীৰ্ত্তনক লাগি কল আহুতি কৰয়।
কড়ি লৈবাক তাক উচিত নহয়।।" (পৃষ্ঠা ১২)

বুলি কড়ি লোৱা নাছিল।

জীৱিকা নিৰ্বাহৰ কাৰণে কুমাৰ শ্ৰেণীয়ে মাটিৰ নানা বস্তু গঢ় দিছিল।
তাঁতীয়ে তাতত নানা বস্ত্ৰ বৈছিল। (পৃষ্ঠা ২৬-২৮)

অসম দেশত বিভিন্ন বৃত্তিৰ লোক বাস কৰি জীৱিকা নিৰ্বাহ কৰিছিল। বেহাৰৰ ৰজা নৰনাৰায়ণে অসমৰ সীমাৰ ভিতৰত প্ৰৱেশ কৰাত অসমৰ ৰজা পলাই যোৱাত, ৰজা নৰনাৰায়ণে অসমত থকা বিভিন্ন বৃত্তিৰ লোক,

"ঠাঠাৰী সোণাৰী যে কুম্ভাৰ কুণ্ডকাৰ।
চৰ্ম্মকাৰ চমাৰ কমাৰ চিত্ৰকাৰ॥
তাম্ভী পঢ়িয়া আনো বৃত্তীয়া যতেক।" (পৃষ্ঠা ৯৮)

লোক সকলোকে লগত লৈ গৈছিল। তাঁতীসকলক নি ভৱানীপুৰত পাতিছিল আৰু তাতেই তেওঁলোকে ব্যৱসায়ৰ লগতে হৰিনাম গাই থাকিছিল। (পৃষ্ঠা ১০৩)

পশু বেচা-কিনা চলিছিল। পোন হিচাবত বিক্ৰি হৈছিল। দৰদামো কৰিছিল। দৰদাম কৰি বিক্ৰি কৰিলেও, "মোৰ আত কিছু লাভ হৌক"। (পৃষ্ঠা ১৬৭) বুলি লাভৰ কথাটো বেপাৰীয়ে মনত ৰাখিছিল।

গোপাল আতাৰ সক গৰাকী ভাৰ্য্যাৰ বিয়াগৰ পাচত সকাম কৰিবৰ কাৰণে পোৱাভিঠাৰ ওচৰত থকা বজাৰৰ পৰা বস্তু কিনি আনিবলৈ কৈছিল। (পৃষ্ঠা ৪২০) বহুমণিয়ে বজাৰৰ পৰা সব বস্তু কিনি নিছিলহি। (পৃষ্ঠা ৪২১)

"পোৱাভিঠা সমীপত বজাৰ আছয় তাত
বস্তু কিছু কিনিবাক যাহা॥" (পৃষ্ঠা ৪২০)

(৫) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ

নীলকণ্ঠ দাসৰ ৰচিত চৰিতপুথিত কৃষিয়েই জীৱিকা নিৰ্ব্বাহৰ অন্যতম উপায় আছিল বুলি লিখিছে। ধানেই আছিল প্ৰধান উৎপাদিত বস্তু। (পৃষ্ঠা ৫১) দামোদৰদেৱে নিজে কৃষিকাৰ্য কৰিছিল আৰু দাস নিও কৰাইছিল। শংকৰদেৱে দামোদৰদেৱক প্ৰথম লগ পাওঁতে প্ৰশ্ন কৰিছিল, "কৃষি কৰি কত ধন কৰা উপাৰ্জন"। (পৃষ্ঠা ৬১)

কোনো কোনো লোকৰ আৰ্থিক অৱস্থা অতি টনকিয়াল আছিল। হাজোৰ কৰি চূড়ামণিয়ে দামোদৰদেৱৰ ওচৰত, তেওঁক উদ্দেশ কৰাৰ দৰে বস্তু দিছিল,

"দশ তোলা সুৱৰ্ণক পাকলত বজতক
আনিয়া দিলোহো তথু ঠাই।

ভাণ্ডাৰ সম্পূৰ্ণ ধান্য —
কবি চূড়ামণি আনি পাঞ্চশত টকা গণি
দিলা দশ তোলা সুবৰ্ণক ॥
মণি বস্ত্ৰ পোৱাসৰ দিলা মালা কচিকৰ
প্ৰণামি বুলিলা পাছে বাণী।" (পৃষ্ঠা ৯১)

ইয়াৰ পৰাই কবি চূড়ামণিৰ আৰ্থিক অৱস্থাৰ কথা জানিব পৰা যায়।

(৬) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱ চৰিত

দৈত্যাৰি ঠাকুৰে সংক্ষেপেত্তে অৰ্থনৈতিক দিশৰ আভাষ দিছে। মাধৱদেৱে পূৰ্ব অৱস্থাত, গুৱা বেচি টকা কড়ি গোটাইছিল। (পৃষ্ঠা ৫৮)

"বেপাৰত আসে পুছু গুৱা কিনিলন্ত।" (পৃষ্ঠা ৬৫)
"অনন্তৰে গুৱা বেচি আসিলা মাধৱ" (পৃষ্ঠা ৬৬)

ইয়াৰ বাহিৰে আৰু বিশেষ কথা পাবলৈ নাই।

(৭) গুৰু চৰিত কথা

"গুৰু চৰিত কথা"ই দেশত কৃষিয়েই প্ৰধান জীৱিকাৰ পথ বুলি জানিবলৈ দিছে। ইয়াৰ বাহিৰে কুমাৰ, কমাৰ, তাঁতি, মাছ মৰীয়া, তেলি, ধোবা আদি বৃত্তিৰ লোকো আছিল। কেতিয়াবা জীৱিকাৰ অন্য কোনো পথ নেপালে ভিক্ষা কৰি জীৱন নিৰ্ব্বাহ কৰাৰ কথাও পোৱা গৈছে। স্বয়ং মাধৱদেৱেই দেউতাকৰ লগত, দেশত আকাল পৰাত ভিক্ষা কৰিবলৈ গৈছিল, "পিতা পুত্ৰে দুয়ো ভিক্ষা খেলে দিনটে ভিক্ষা কৰে গধুলি খাই পুৰা নাটে।" (পৃষ্ঠা ৪৯)

মাহ, সৰিয়হ, ধান, গুৰ বেচিও অৰ্থ উপাৰ্জন কৰিছিল। যাধৱ মাজিৰ ঘৰত থাকোতে মাধৱদেৱৰ পিতৃ আৰু মাধৱদেৱে হাতে কিছু টকা পইচা জমা কৰিবৰ কাৰণে, মাহ, সৰিয়হ ধান গুৰ সবাতে বৈ বেচে।" (পৃষ্ঠা ৫১) অনেক উদাহৰণ আছে। (পৃষ্ঠা ৫৪, ৭৪, ৭৫)

দেশত ধোবা শ্ৰেণীৰ লোকো আছিল। আনৰ কাপোৰ ধুই জীৱিকা নিৰ্বাহ কৰিছিল। ৰঘুপতিয়ে শংকৰদেৱ আৰু ভক্তসকলৰ কাপোৰ ধুইছিল। "ৰঘুপতি নামে ধোবা গুৰুজনৰ ভকতৰ বস্ত্ৰ ধোএ নায়ো গাই।" (পৃষ্ঠা ১০০)

খৰি বেচিও জীৱিকা নিৰ্বাহ কৰিছিল। "বোলে খৰি বেছি কিন্ত" (পৃষ্ঠা ১০৪) কপাহবো বেহা বেপাৰ হৈছিল। "বোলে বাপ কপাহ বেহা কৰিছে:" (পৃষ্ঠা ১১৪)

কোৰ দামোদৰে কোৰ খনৰ সহায়ত বাৰ হাশিচা মাটিত খেতি কৰি তিনি গৰাকী বিধবা, মাক, বায়েক আৰু নবৌয়েকক পোহপাল দিছিল। (পৃষ্ঠা ১১৮) "কোৰ দামোদৰে তিনটা বাৰি পোসে কোৰখানেৰেই:" (পৃষ্ঠা ১১৮)

মাইকী মানুহেও গাট বজাৰত বহি বস্তু বিক্ৰি কৰিছিল। তিলা নগৰৰ উত্তৰ পাৰৰ এজনী পোহাৰীয়ে পান বেচিছিল। কিন্তু পান গুচিকৈ বিক্ৰি কৰিছিল। গুচি ভাঙি বিক্ৰি কৰাৰ কথা নেজানিছিল। ঠাকুৰ আতাই কথাটো শিকাই দি ছল। ঠাকুৰ আতাই, "তাক দুই চাৰি পাতকৈ দিলে: বেগতে নিলে পাচিকে:" (পৃষ্ঠা ৭০) "তিলা নগৰত সবেও পান বেহা কৰে। (পৃষ্ঠা ৭০)

কড়ি খেলিও টকা পয়চা উপাৰ্জন কৰিছিল। ঠাকুৰ আতাই এদিন চাৰি টকা কড়ি খেলি জিকি পাইছিল। পাচত সেই কাম ভাল নহয় বুলি এৰি দিছিল। "ই বৃত্তি সম নহই মিচা হোচা দন্দবাদ হতাহতি কত. নগলেও নেৰে সাজ্জানৰ জিকি আনিছো।।" (পৃষ্ঠা ৭১)

সৰিয়হৰ বেহা-বেপাৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। (পৃষ্ঠা ৮০)

মানুহো বেচা কিনা কৰিছিল। নৰনাৰায়ণ ৰজাই গোকুল চান্দ আৰু নাৰায়ণ দাসক জোটক দি বোৱালে সদাধৈন হুকুম দিছিল। সেই মতে "জোৱা পোৱা দুই জোট পালেহি সম দুল কাম দুটা বোবা নৈ: ৰাজা নি আৰা সৰক দিলে বোবা নৈ জোটৰ হাতে:" (পৃষ্ঠা ১৫১)

সাজলাই বৰ্জি আছিল। কাপোৰ চিলাই জীৱিকা উলিয়াইছিল। বেতাৰৰ ৰজা নৰনাৰায়ণৰ কথা মতে শংকৰদেৱৈ দগলা চিলাই কৰিছিল। (পৃষ্ঠা ১৬৮)

কৃষি-কৰ্মেৰে ভৰণ-পোষণ হৈছিল। ভাল ধানৰ বীজ বিচাৰি ইঠাইৰ পৰা সিঠাইলৈ মানুহ পৈছিল। (পৃষ্ঠা ১৯১)

তেল বেচিও অৰ্থ উপাৰ্জন কৰিছিল। দুখৰিত কমলা পণ্ডিয়ে "তৈল বেচি প্ৰবৰ্ত্তে:" (পৃষ্ঠা ২০৩) কিন্তু তেল বেচিলো কিঁ লোৱা বুলি কামত উত্তৰত। "বোলে বাপ বেছটি প্ৰবৰ্ত্তিছো টাপৰাপকৈ কৈছৈ নৈই বতে।" (পৃষ্ঠা ২০৩)

অনিৰুদ্ধ আতৈৰ জীৱিকা আছিল হাতী ধাহি (পৃষ্ঠা ২৩৫)। সনাতন আতৈৰ আছিল ঘোৰা ধাহি (পৃষ্ঠা ২৩৬)।

ভিক্ষা কৰিও জীৱিকা নির্বাহ কৰিছিল। (পৃষ্ঠা ৯৪) মধাই আতৈ, উদাৰ আতৈ ভিক্ষা কৰি প্রবর্ত্তি ছিল (পৃষ্ঠা ১২২) চন্দৰী আয়ো ভিক্ষা কৰিবলৈ গৈছিল (পৃষ্ঠা ১৭৬) শ্রীৰাম আতাও ভিক্ষালৈ গৈছিল (পৃষ্ঠা ২২৪, ২৪৭, ৩১৬) বুঢ়া আতাও চাউল ভিক্ষালৈ গৈছিল (পৃষ্ঠা ২০৩), জই হৰি আৰু শ্রীহৰিও ভিক্ষালৈ গৈছিল (পৃষ্ঠা ৩১৩), "বাসুদেউ বিপ্র গল ভিক্ষা চাবলৈ" (পৃষ্ঠা ৩৭৯)। বেহাৰতো আকাল হলত "জই হৰি শ্রীহৰি দুও ভিক্ষা চালেগৈ"। (পৃষ্ঠা ৩৮৫)

বেচা কিনা কৰাত টকা, কড়ি, কাহন আদি ব্যৱহাৰ হৈছিল। শংকৰদেৱ মাধৱদেৱে তীর্থলৈ যাওঁতে টকাৰে কিনা মেলা কৰিছিল। বেহা-বেপাৰৰ কথা প্রসঙ্গত তেনে টকা কড়িৰ কথা চৰিতপুথিৰ বহু ঠাইত আছে।

ঢেকিয়া শাকো বেচিছিল, "আটিত চাৰি চাৰি কৰাকৈ" (পৃষ্ঠা ২৫১)।

জীৱিকাৰ কাৰণে ভলা, পলা, কুলা, জকাই, থালৈ, পল, জুলুকি আদিও সাজিছিল। সেইবোৰ বস্তুলৈয়ো সজাইছিল। ভাউকি গাৱৰ বুঢ়াই পলা, ভলা, কুলা, জকাই, পল, যুলুকি সাজিছিল আৰু বুঢ়ীয় সেইবোৰ সজাই জীৱিকা অর্জন কৰিছিল। (পৃষ্ঠা ২৬৯)

ৰাম আতৈৰ পত্নীয়ে পোহাৰ দিছিল—চিৰা, কল, দুগ্ধ, ঘৃত, গুৰ, চেনি গুৱাপান ইত্যাদিৰ। (পৃষ্ঠা ২৯৮)

চুৰটাৰি কৰিও প্রবর্ত্তি থকা মানুহ আছিল। নিকিন ঘোৰা তাৰ উদাহৰণ। নিকিনি ঘোৰা মহাচোৰ আছিল। এদিন সেই কামত বিৰক্তি লাগি মাধৱদেৱত শৰণ ললেও, চৌর্য্যবৃত্তি একেবাৰে এৰিব পৰা নাছিল। ভকতৰ লোটা বাটি নি নিজৰ বহাত থৈছিলগৈ। ভকতে মাধৱদেৱক আপত্তি দর্শালে। মাধৱদেৱে মাতি নিকিনি ঘোৰাক সুধিছিল। নিকিনি ঘোৰাই নৈ কান্দিছিল, "বোলে বাপ আগে বৰ চোৰ আছিলো: এতিয়া সেইতোৰ গুচিল তোমাৰ অভই পদত শৰণ লবৰ পৰা: তেওঁ এই বৃত্তিটি এৰিব পৰা নাই:" (পৃষ্ঠা ৩১০)

গোবিন্দ নামৰ এজন তাতি আৰু তেওঁৰ ভাৰ্য্যাই বানচলৈ কাপোৰ লয়। এহাতত পোন কৈ লয়। (পৃষ্ঠা ৩১৮)

"হৈ লাহ দুখিত: ভিক্ষাকৈ প্রবর্ত্ত::" (পৃষ্ঠা ৩০৭) দুজন মিত্রৰ, "এজন ভিক্ষাকৈ প্রবর্ত্তে। এজন টকাৰে প্রবর্ত্তে" (পৃষ্ঠা ৩০৮)

বিষয়-বাবৰ যাবায়ো জীৱিকা নির্বাহ হৈছিল। কিবাৰ ভিতৰতে ৰাজ-খোৱাৰ তিনিবিধ আছিল "কাৰিব চৰাৰ ৰাজখোৱা চকুৰি লিকচৌ খাই দোলাতো ফুৰে তিনি হাজাৰ সোদপোচ পাই ভেটি মান পাই খাই উত্তম : খাত ৰাজখোৱা দুপুৰা দোপোৰা পাইক পাই মান মধ্যম ।। ঘাট ৰাজখোৱা পত্তা কিন পাই প্ৰাকৃত্য . সিও বোলে মত্ত ৰাজখোৱা" (পৃষ্ঠা ৩৯৭) ।

মুদৈ তিনি বিধ আছিল। "উত্তম মহাজনিয়া দোকানি : হিৰা বস্ত্ৰ ৰজত সুবর্ণ বাথৰ পোৱাল মাণিক বেচে পাই : মধ্যম চামৰ কমল বানডে পটুসুহি চাটন সিংখাপ তাও বালি চৰি মখমল পাট . চিট বিকে পাই ।। প্ৰাকৃত্যে লোণ খাৰ বিকে সিও বোলে মুদৈ মই ।।" (পৃষ্ঠা ৮৯৭)

সভাই মহৰাই তিনিচু শীয়া হাটত "গুৱা পান টেন্দা জবা এতাৰ লৈ" (পৃষ্ঠা ৪৩৬) বিক্ৰি কৰিবলৈ গৈছিল

"লোণ পোৱাল বাথৰ চিত্ত তাও সিন্দুৰ জিনিচ" (পৃষ্ঠা ৪৪৫) আদি বস্ত বেপাৰ কৰি জীৱিকা নির্বাহ কৰিছিল।

আৰি মাছ এটাৰ দাম চাৰি পোন কৰাত জলতে দবাইছিল তিনি পোনেই নেপাই বুলি। শেষত চাৰি পোনতে দাম থৈছিল। (পৃষ্ঠা ৪৫৬)

এনেদৰে "গুৰু চৰিত কথা"ত আৰম্ভৰ পৰা শেষলৈকে তিনিও ৰাজ্যৰ, অসম, বেহাৰ আৰু কামৰূপৰ মানুহৰ অর্থনৈতিক অৱস্থাৰ বিষয়ে লিপিবদ্ধ কৰি গৈছে।

(৮) বনগঞ্জাশীৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

এইখনি চৰিত পুথিত গাঁৱৰ ব্যৱসায় কৰি জীৱিকা নির্বাহ কৰাৰ কথা উল্লেখ আছে। হৰিদেৱক জগন্নাথপুৰী ক্ষেত্ৰত ৰামপাল আৰু হৰিপালে গাঁৱৰ যোগান ধৰিছিল,

"হৰিপাল ৰামপাল বৈশ্য দুই জন।
বাণিজ্য কৰিয়া পাচবৰে বহু ধন ।।" (পৃষ্ঠা ১৩১)

ইয়াৰ বাহিৰে অর্থনৈতিক দিশৰ বিষয়ে আৰু বিশেষ কথা পাবলৈ নাই।

(২) দাস প্ৰথা :

দাসত্ব প্ৰথা দেশত প্ৰচলিত আছিল। সাধাৰণতে বিষয়া শ্ৰেণী লোকৰ ঘৰত দাস দাসী বান্দী বেটি ৰাখিছিল। দাস প্ৰথা বা দাসত্ব সম্বন্ধে চৰিত পুথি-সমূহৰ কিছুমানত উল্লেখ কৰা আছে। সকলো চৰিত পুথিত কিন্তু তেনেকৈ দাস প্ৰথা, দাসত্ব সম্বন্ধে কথা পোৱা হোৱা নাই। গুৰু দুজনাৰ জীৱন কথা আৰু আন বৈষ্ণৱ গুৰুসকলৰ জীৱন কথা কৰোঁতে যাওঁতে প্ৰসঙ্গক্ৰমে য'ত য'ত দাস প্ৰথা সম্বন্ধে ক'ব লগা হৈছিল সেইখিনি চৰিতত্তহে এই সম্বন্ধে পোৱা গৈছে। আমাৰ অধ্যয়নত সামৰা চৰিত কেইখনিত যি পোৱা গ'ল তাক তলত উল্লেখ কৰা হৈছে।

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

গৌৰ দেশৰ পৰা কমতাপুৰলৈ চণ্ডীবৰ আহোঁতে লগত দাস দাসী লৈ আহিছিল। (পৃষ্ঠা ২১)

"দেবীদাস লোক বিত্ত যত আছে মানে।
দাসী দাস সকলক নিলা নিজ থানে ॥" (পৃষ্ঠা ২১)

চণ্ডীবৰৰ আন নাম দেবীদাস।

ধনৱন্ত লোকসকলে বান্দী, বন্দা আদি ধন দি কিনি ৰাখিছিল। (পৃষ্ঠা ৩৮)

"বিত্ত দিয়া তেসবে কিনয় বান্দীগণ ॥" (পৃষ্ঠা ৩৮)।

চণ্ডীবৰে গৌড়েশ্বৰৰ মান ৰক্ষা (পণ্ডিতক বাদত হৰুৱাই) কৰাত ৰজাই এক লক্ষ টকা আৰু দাস দাসী, গ্ৰাম দিছিল। (পৃষ্ঠা ৪২)

ৰামগিৰিয়ে জীয়েক খেৰ-সুতিক সূৰ্য্যবৰলৈ বিয়া দি লগত, "উছগিৰা দিলা বহু দাস দাসী গ্ৰাম।" (পৃষ্ঠা ৫৪) কুসুম্বৰলৈ বিয়া দি সত্যসন্ধাৰ দেউতাকে লগত ধনধান দিয়াৰ লগতে দাসদাসী দিছিল।

"পিতৃৰ উছৰ্গা যত কৰিবোহো সীমা কত
বহু ধন দিলা দাসদাসী।" (পৃষ্ঠা ৬৪)

বৰ বৰ মানুহৰ ঘৰত বান্দী বন্দা ৰাখিছিল,

"আছে সেহি গ্ৰামে আন বৰ বৰ লোক।
..
তাসম্বাৰ বান্দী বন্দা অনেক আছয়। (পৃষ্ঠা ৫৫০)

(২) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচখনি প্ৰাচীন চৰিত পুথিৰ সাৰ)

শংকৰদেৱৰ ঘৰত দাস দাসী আছিল। গোপালদেৱৰ কন্যা পদ্মপ্ৰিয়া আই গোসানীক দেখা কৰিবলৈ যাওঁতে প্ৰথমতে,

এজনা দাসীক লৈয়া পাইলা দৰিশন।
ধান্য গুটি বাছনিৰে পাৰিয়া আছিলা ॥" (পৃষ্ঠা ২২১)

বুলি উল্লেখ কৰিছে।

(৩) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ

দামোদৰদেৱৰ লৰালি কালত দাস দাসীয়ে চাপৰি বজাই থেওঁক শুমলোৱাৰ কথা পোৱা যায়। (পৃষ্ঠা ২৪)

দামোদৰদেৱৰ পিতৃ সত্যানন্দই ৰৰদোৱাৰ পৰা হাজোৰ কালে যাব খুজি লগত

'চাউল চিৰা দাস দাসী সমন্তে'' পৃষ্ঠা ৩৮)

লৈছিল। সত্যানন্দৰ পৰিয়ালত দাস দাসী থকাৰ কথা ইয়াৰ পৰাই জনা যায়। পুনৰ হাজোৰ পৰা বৰপেটালৈ যাবলৈ ওলাওঁতে সত্যানন্দই মাধৱদেৱৰ ওচৰত,

যত দাস দাসী সকলে পাকোক।
দাস দাসী চাৰি গুটি লগত দিয়োক ॥'' (পৃষ্ঠা ৪৩)

বুলিছিল। সত্যানন্দই নিজ গৃহাবাৰীত "কৃষি কাৰ্য্য দাস ছুইক নিযুক্তি দিলন্ত।" (পৃষ্ঠা ৪৫)

দামোদৰদেৱ কৃষ্ণ কথাত লাগি থাকিছিল আৰু "দাস গণে কৃষি কৰ্ম্ম কৰন্তে থাকয় ॥" (পৃষ্ঠা ৬৮)

(৪) গুৰু চৰিত কথা

সাধাৰণতে বিষয়া শ্ৰেণীৰ ঘৰত দাস দাসী, বান্দী বন্দা ৰাখিছিল। শংকৰদেৱ কিন্তু কোনো ৰাজ বিষয়া আছিল যদিও তেওঁৰ ঘৰত দাস দাসী আছিল। সম্ভ্ৰান্ত, আঢ্যৱন্ত শ্ৰেণীৰ লোক, যি সকলৰ সামৰ্থ্য আছিল দাস দাসী ৰাখিছিল। হৰসিংহ উজিৰৰ ঘৰত থকা দাস দাসীয়ে মাধৱদেৱক দেখি মোহ গৈছিল। (পৃষ্ঠা ৫৪)

তপাৰ বলোৰাম পাচ টকাত এঘৰ গৃহস্থত বান্ধা আছিল। ঠাকুৰ আতাই দুখৰ কথা জানি মোকোলাই আনি শংকৰদেৱৰ ওচৰ পোৱাইছিলহি। (পৃষ্ঠা ৮৬-৮৭)

শ্ৰীৰাম আতাৰ আগতে এঘৰ গ্ৰামী ভকতৰ দুনিয়া অৰ্থাৎ বেচ লৈ ধান দোৱা দাৱনি আছিল। ঠাকুৰ আতাই তেওঁক মেলাই আনিছিল। (পৃষ্ঠা ৮৮)

বদলা আতাৰ পাচোটা বেটা। কিন্তু ভাত হে নাই। বাসুদেউ বিপ্ৰই "এটি দিব পাৰা আমাৰ লগত" (পৃষ্ঠা ৩৭) বোলাত বদলা আতাই কৈছিল, "পাৰো চাৰি কাওন কৰি লৈ বন্ধুৱা আছে কৰি হলে আনি দিব পাৰো। (পৃষ্ঠা ৩৭১) আতাই কড়ি দিলত, 'যেবেলা যেবেলাঃ ওকনিএ লাক" (পৃষ্ঠা ৩৭৯) হৈ থকা লৰাটো মোকোলাই আনি বাসুদেউ বিপ্ৰক দিছিলহি।

ৰাজ বিষয়াসকলৰ ঘৰত দাস দাসী আছিলেহে। তাৰোপৰি আঢ্যৱন্ত লোকৰ ঘৰতো সামৰ্থ্য অনুযায়ী দাস দাসী, বহুৱা জাতীয় লোক আছিল।

শংকৰদেৱৰ গৃহতো চন্দৰী, ধৰজা, গন্ধা গকুলা, ৰামাই আতৈ আদি থকাৰ কথা পোৱা যায়। তেওঁলোক দাস দাসী আছিল যদিও সন্মান আছিল। চন্দৰীক আই বোলা হৈছিল। তেওঁৰ ঘৰুৱা কামৰ উপৰিও, শাস্ত্ৰ ভাগৱত আদিৰ জ্ঞানো আছিল।

৩ ৰাজনৈতিক অৱস্থা :

মধ্যযুগৰ অসমৰ চৰিত পুথি সমূহত সেই সময়ত অসম, কামৰূপ আৰু বেহাৰ—এই তিনি খণ্ডত বিভিন্ন ৰাজ্য কেইখনৰ ৰাজনৈতিক অৱস্থাৰো প্ৰয়োজন সাপেক্ষে বিৱৰণ, টোকা দি গৈছে। তলত অধ্যয়নত সাঙোৰা চৰিত পুথি-সমূহত পোৱা ৰাজনৈতিক কথা সমূহৰ এটি টোকা দিয়া হ'ল।

(১) ৰামচৰণ ঠাকুৰ—গুৰু চৰিত

গোৰেশ্বৰ আৰু কামেশ্বৰৰ মাজত যুদ্ধ লাগিছিল। প্ৰজা ক্ষয়ংকৰ হৈছিল। দুয়োজনৰ কোনেও কাকো হৰুৱাব নোৱাৰিছিল। 'বৈৰ বশে দুইৰো পাচে তৈল ভৰ চিত্ত।" (পৃষ্ঠা ১৩) তেতিয়া দুয়োজনে দুয়োজনক কি কাৰণে যুদ্ধ কৰিছিল বুলি মিত্ৰ হৈছিল। কামেশ্বৰক, সাত ঘৰ কায়স্থ আৰু সাতঘৰ ব্ৰাহ্মণ বাটি,

মিত্ৰতাৰ চিন স্বৰূপে গৌড়েশ্বৰে দিছিল। কামেশ্বৰে কৃতজ্ঞতাৰ চিন স্বৰূপে ভুৱা, শঙ্কুৰা, টেমি কটাৰী সোণৰ শৰাইত আনি দিছিল।

গৌড়ৰ ৰজাৰ কূটনীতিৰ পৰিচয় অলপকৈ হলেও পোৱা গৈছে। কমতাপুৰৰ ৰজাৰ লগত মিত্ৰতাৰ চিন স্বৰূপে পঠোৱা সাত ঘৰ কায়স্থৰ ভিতৰৰ এঘৰ চণ্ডীবৰো আছিল। কমতাপুৰৰ পৰা চণ্ডীবৰ নিজ পূৰ্বৰাজ্য গৌড়লৈ আহি ৰজাক দেখা নকৰাত ৰজাই বাট চাইছিল, তেওঁৰ ওচৰলৈ যাব বুলি। এবছৰ ছমাহ পাৰ হোৱাৰ পাচতো যেতিয়া চণ্ডীবৰ ৰজাক দেখা কৰিবলৈ যোৱা নাছিল, তেতিয়া ৰজাই বুদ্ধি কৰি ছুটা দূত পঠাইছিল, "মিত্ৰ কৰো বুলি চণ্ডীবৰক আনা ধৰি।" (পৃষ্ঠা ২২) কাৰণ তেওঁৰ উদ্দেশ্য আছিল,

"ছল কৰি আনি এবে কৰিবোহো বন্দী।
কৰিবে অনেক তিৰস্কাৰ কৰি নিন্দি।" (পৃষ্ঠা ২২)

চণ্ডীবৰৰ লগত মিত্ৰতা কৰিব বুলি কপটভাৱে গৌড়ৰ ৰজাই আনাই বন্দীশালত থৈছিল। বন্দীশালত বন্দীবিলাকৰ দোষ চাই শাস্তি দিছিল। ৰজাই চণ্ডীবৰক,

'সপ্ত জাপ কৰি টাটি গড় কৰি
কণ্টক দিবি নিসন্ধি।
চাৰিয়ো কাষৰে গড়ৰ পগাৰে
থাকিবেক লোক ৰখি।
মিত্ৰ বন্ধুগণে চাহিবাক আক
যেন নদেখয় আখি॥" (পৃষ্ঠা ২৩)

বুলি আদেশ দিছিল। তাৰোপৰি চাৰিওকাষে গড়ৰ ওচৰত, ৰখীয়া থাকিবলৈ আদেশ দিছিল যাতে মিত্ৰ লোকে দেখা নেপায়। চণ্ডীবৰক ছুই ভৰিত শিকলি লগাই, গাত খান্দি তাত থৈ, ওপৰত পাট পাৰি ছুকুৰি মানুহক ৰখীয়া দিছিল। (পৃষ্ঠা ২৩)

ভোটবিলাকৰ লগত কমতাপুৰৰ ৰজাৰ ঘোৰ যুদ্ধ হৈছিল। কমতাপুৰৰ ৰজা হাৰিছিল। ভোটবোৰে তেতিয়া গোটেই নগৰ পুৰিছিল। সেথা মাজৰিত গৈ ভোটে চণ্ডীবৰক পাইছিলগৈ। চণ্ডীবৰ খেদিত ব্যস্ত থকা অৱস্থাতে খেদি পগাৰৰ পৰা চণ্ডীবৰক পুত্ৰেক ৰাজবৰক ভোটে ধৰি নিছিল। আন আন যি যেনেকৈ পাৰে পলাইছিল (পৃষ্ঠা ৪৩, ৪৪) ৰাণী বিবিলাক পলাব পৰা নাছিল, খৰকৈ খোজ দিব নোৱাৰা গৰ্ভৱতী তিৰোতাকো, যি "গৰ্ভৰ ভৰত ভেলে হাটিবে

নোবাৰে" (পৃষ্ঠা ৪৪) কাটি মাৰি গৈছিল। দেশত সেই সময়ত তোটৰিলাকে কি অত্যাচাৰ কৰিছিল তাৰ বিভীষিকা-ময় বিৱৰণ ৰাম-চৰণ ঠাকুৰে কৰিছে। (পৃষ্ঠা ৪৩-৪৫)

এনেকৈয়ে সততে ওচৰ চুবুৰীয়া সৰু সৰু ৰাজ্য পাহাৰী লোকসকলৰ মাজত যুদ্ধ বাগৰ লাগি আছিল আৰু ৰাইজ হাৰাশাস্তি হৈছিল। শংকৰদেৱৰ জন্মৰ পাছত যেতিয়া ত্ৰয়োদশ মাহ হৈছিল, তেতিয়া কছাৰীসকলে ভূঞাসকলক আক্ৰমণ কৰিব বুলি কুসুমদেৱে গম পাইছিল। সকলোকে জাননী দিয়াত, "আলিপুখুৰীৰ লোক হাবি মাজে গৈলা।" (পৃষ্ঠা ২২৫) আৰু হাবিৰ মাজত প্ৰৱেশ কৰিছিলগৈ। কুসুমদেৱে কছাৰীৰ হাতত নপৰিবলৈ কিছু তাম, কাঁহ, লোটা আদি এটা নাদত থৈ গৈছিল। তিনিদিন গোটেই দেশত হানা দি ধন বিচাৰি, "কুকুৰ মেকুৰি গৰু খাইলা মাৰি কাটি।" (পৃষ্ঠা ২২৬) তিনি দিনৰ পাছত যেতিয়া কছাৰীসকল গলগৈ বুলি ভূঞাসকলে গম পাইছিল, তেতিয়া ভূঞাসকলে, "নিলে ধন সৰ্ব্বস্ব মাৰিবো কছাৰী"ক (পৃষ্ঠা ২২৬) বুলি ঠিক কৰিছিল। কপিলি মুখত ভূঞা সকলে কছাৰীক দুয়ো ফালৰ পৰা বেঢ়ি ধৰি,

"উষা সময়ত স'ব কছাৰীক বেঢ়ি ॥
চতুৰ্ভিতি কাটি নেই কৰি ধৰ ধৰ।' (পৃষ্ঠা ২২৭)

উষা সময়ত আক্ৰমণ কৰাটো ৰণ কৌশলেই, কূটনীতি। কছাৰীয়ে লৈ যোৱা ধন বস্তু পুনৰ ভাগ ভাল চাই ভূঞাসকলে ঘূৰাই আনিব পাৰিছিল।

বাৰভূঞাসকল ভূঞাহাটী (ধুঞাহাটী) গাওঁত থাকোতে, অসম দেশৰ 'লোক হৰি ভক্তি ধৰিলেক" (পৃষ্ঠা ৫১৭) আৰু অসম ৰজাই হাতী ধৰিবৰ কাৰণে ভূঞাসকলক দায়িত্ব দিছিল, কিন্তু হাতী পলাই যোৱাত দায়িত্বত থকা ভূঞাও পলাইছিল। অসম ৰজাক জনালত ৰজাৰ ৰব ৰং উঠিছিল। "ভূঞা ধৰি নিব লাগি ৰৰা এক পাঠি দিল।" (পৃষ্ঠা ৫১৮) আৰু সেই কথা শুনি, "পৰিকৰ সৰ্ব্বসক সবে অন্তৰাই থৈলা" (পৃষ্ঠা ৫১৮)। শংকৰদেৱক অকলে পাই আহোম ৰজাৰ মানুহে ধৰিব খোজাত হেচা মাৰি শংকৰদেৱ আঁতৰি গৈছিল। বাটত হৰি জোৱাই আৰু মাধৱদেৱক পাই ধৰি লৈ গৈছিল। মাধৱদেৱক ৰজাৰ বিষয়া ৰৰাৰ ওচৰত ঠিয় কৰালত, "হাতে মালা কমণ্ডলু ভগৱীৰ চিহ্ন দেখি" (পৃষ্ঠা ৫১৯) এৰি দিছিল, কিন্তু হৰি জোৱাইক কটাইছিল। ধৰ্ম্ম প্ৰাণ ভক্ত, ভাগৱীসকলক নানাৰকমে শাস্তি দিছিল।

অসম দেশৰ ৰজা বিশ্বসিংহ অতি প্ৰতাপী আছিল। তেওঁ বাউসীয়া গন্ধৰ্ব্ব ৰায়কো পৰাস্ত কৰিছিল। ভূঞাসকলকো পৰাস্ত কৰিছিল। তেওঁৰ প্ৰতাপ খাৰ লগত যুদ্ধ লাগিছিল।

"যত লোক পাইলে সাগ নিলেক কোবাই।
গৌড়েশ্বৰ পাশে দুইয়ো মিলিলেক যাই।।" (পৃষ্ঠা ৫২৮)

গৌড়েশ্বৰে পাট ৰক্ষা কৰি দিছিল। প্ৰতাপ খাঁ কামৰূপলৈ পলাই আহিছিল। আৰু কামৰূপৰ ৰজাই প্ৰতাপ খাৰ জীয়েকক বিয়া দিছিল। বিশ্বসিংহ তেওঁৱা কামৰূপৰ ৰজা। এনেকৈ কন্যা বিয়া দিয়াটো ৰাজনীতিৰ চতুৰালি। বিশ্বসিংহৰ পাছত নৰনাৰায়ণ ৰজা হৈছিল। অসম, কামৰূপ বেহাৰ আদিত সততে ওচৰ চুবুৰীয়া সৰু সৰু ৰাজ্যৰ লগত যুদ্ধ বাগৰ লাগিয়েই আছিল। ভূঞাসকল লেখা-মাগুৰিত থকাৰ সময়ত ভোটবিলাকে কমতা নগৰত উৎপাত কৰিছিল। ৰজা পলাই যোৱাৰ পাছত ভূঞাসকলৰ ঠাইলৈ ভোটবিলাক অহাত ভূঞাসকল হাবিৰ মাজত সোমাইছিল গৈ। কিন্তু ভোটবিলাকে নানা অত্যাচাৰ কৰি গুচি যোৱাৰ পাছত ভূঞাসকলে, ভোটবিলাকে কাঢ়ি লৈ যোৱা ধন বস্তু সকলো বলধিত জোৰাই ঘূৰাই আনিছিল, ভোটবিলাকক আক্ৰমণ কৰি। ভোটৰ উৎপাতত ভূঞাসকলে থকা ঠাইৰ পৰা গুচি আহি টেম্বুৰানীত সবাজৰে থাকিবলৈ লৈছিল হি। (পৃষ্ঠা ৫৫৩-৫৫)

শংকৰদেৱ বাৰ বছৰকৈ তীৰ্থ ভ্ৰমণ কৰি ঘূৰি অহাৰ পাছত আলিপুখুৰীত কছাৰি বিলাকে ৰাজ্য সাবিবাক আহিছিল। বাটতে বৰ ভয় খাইছিল। তাৰ পাছত অসম ৰজালৈ গৈছিল। গাভ মুখত ৰওতে কোচবিলাকে আক্ৰমণ কৰিছিল। 'শংকৰদেৱে মন্ত্ৰণা কৰিয়া পাছে কোচক ভজাইলেক।" পৃষ্ঠা ৫৫৭) শেষত বাৰ ভূঞাসকলৰে ৰজাক সাক্ষাৎ কৰাত, ধুৱাহাটাত ঘৰ দুৱাৰ কৰি থাকিবলৈ লৈছিল।

বিশ্বসিংহ কামৰূপৰ ৰজা হলত "আপুনি বসিল আছি অসংখ্যাত প্ৰজা' (পৃষ্ঠা ৫৬২) ভূঞাসকলেও যুদ্ধ পৰিহাৰ কৰি ৰজাক আদৰিছিল। বাউসীয়া বিলাতৰ গন্ধৰ্ব ৰায়কো বিশ্বসিংহই 'জিনিলেক'। "বলেছলে কৰি শ্ৰীৰাম থাকো জিনিলেক"। (পৃষ্ঠা ৫০৪) প্ৰতাপ ৰায়ে গভীৰ খাক পাট ৰক্ষাৰ কাৰণে হৈ, "হৈব মাৰিবাক ৰাজা পশ্চিমক গৈলা।" (পৃষ্ঠা ৫৩৪) তাত গৈ সূত্ৰ পাট দেখি দুই ককাই ভাই আলোচনা কৰি নিজ ৰাজ্যলৈ উভতাই আহিছিল।

"অসংখ্যাত ধন আছে ৰাজাৰ ভাণ্ডাৰে।
নাও ভৰা দিয়া তাক লৈলা যত পাৰে।" (পৃষ্ঠা ৫৬৪)

ব্ৰহ্মপুত্ৰই দি উজাই আহি নৰনাৰায়ণৰ ওচৰ পাইছিলহি। "একশত নৌকা একচক সুবৰ্ণক" দি (পৃষ্ঠা ৫৬৫) ৰজাক ভেটি দিছিলগৈ। ৰজা প্ৰতাপ ৰায়ে বৰ সন্তোষ পাই জীয়েকক নৰনাৰায়ণলৈ বিয়া দি সম্বন্ধ কৰিছিল। এই দৰে অসমৰ ৰজাই কোচ ৰজাৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। ৰজাই দোষীক কেনেকৈ শাস্তি দিছিল দেশত শাসন কেনেকৈ কৰিছিল, সেই কথাও নৰনাৰায়ণৰ ৰাজত্বকালত পোৱা যায়। ব্ৰাহ্মণৰ লগনীয়া কথাত ৰজা নৰনাৰায়ণ পতিয়ন গৈ আদেশ দিছিল

"শংকৰক ধৰি আন সমে সঙ্গীগণ ॥
হাবেৰে পুৰাইবো জুই চালে তাসা দিম।
শৰীৰৰ মাংস তাৰ কুকুৰক দিম ॥" (পৃষ্ঠা ৭৪৬)

কিন্তু শংকৰদেৱক নেপাই শংকৰদেৱৰ পৰম ভক্ত গোকুল চান্দ আৰু নাৰায়ণ দাসক ধৰি আনি,

"আঙ্গুলিক চেপা নখে শলাক সোমাই।
গাত্ত খান্দি পোতে দাগে কোদাল তপতাই ॥" (পৃষ্ঠা ৭৪৮)

বন্দীশালতো নি "হাতে ভৰি লহাক লগাৰোক" (পৃষ্ঠা ৭৫০) বুলি ৰজাই হুকুম দিছিল। শেষত হেমা আৰু পেমা নামৰ ছুটা ভোটক ছয় কুৰি টকালৈ ৰজাই বেছি দিছিল। (পৃষ্ঠা ৭৫২)

শংকৰদেৱত ৰজা নৰনাৰায়ণে শৰণ লব খোজাত শংকৰদেৱে কৈছিল ৰজাৰ ৰাজনীতি কৰাই ধৰ্ম,

"ৰাজা তৈলে দেৱসেৱী পুজিবে লাগয়।
প্ৰজা পালি ৰাজনীতি ধৰ্ম প্ৰবৰ্ত্তয় ॥" (পৃষ্ঠা ৮১২)

পতিকে শৰণ ললে গোটেই জগতখন হৰিময় দেখিব আৰু ৰজাৰ কৰ্ত্তব্য পালন কৰা নহব। পতিকে 'ৰাজনীতি ধৰ্ম থাকি প্ৰজাক পালিবো" (পৃষ্ঠা ৮১৩) বুলিহে শংকৰদেৱে ৰজা নৰনাৰায়ণক ৰজাৰ ধৰ্মৰ কথা সোঁৱৰাই দিছিল।

(২) ৰমানন্দ দ্বিজ—শ্ৰীগুৰু চৰিত

মধ্যযুগত অসম বহুত সৰু সৰু ৰাজ্যত বিভক্ত আছিল। ভূঞাসকলৰো নিজৰ ভূঞা ৰাজ্য বিষয় আছিল। সূৰ্য্যবৰে পুত্ৰেক কুসুম্বৰৰ মৃত্যুৰ পাছত ভায়েক জয়ন্তক মাতি আনি সকলোকে শুনাই 'পুত্ৰ গৈল পৰলোকলৈ' (পৃষ্ঠা ৩১) আৰু তেৰোঁ বৃদ্ধ হল। গতিকে ৰাজ্যভাৰ চলোৱাই দিছিল। জয়ন্তয়ো "অনেক কালৰ ৰাজ্য আমাসাৰ কৰিবো মই পালন" (পৃষ্ঠা ৩১) বুলি দায়িত্ব লৈছিল।

কছাৰীৰ উৎপাত আৰম্ভ হয় শংকৰদেৱৰ প্ৰথম বিবাহৰ পাছত। প্ৰজাই ভয়ত গৈ ঘোৰ অৰণ্যৰ ভিতৰত সোমাইছিল গৈ। শংকৰদেৱো গুলাই গৈছিল। কিন্তু মনত পৰিল ভাগৱত পুথিখন ঘৰত এৰি থৈ আহিলে। চাৰিওকালে চাই ঘৰত সোমাইছিল গৈ। কিন্তু "তিনি গোট কছাৰী আসিলা তেতিক্ষণে" (পৃষ্ঠা ৪৬) ঘৰৰ ভিতৰত মানুহ সোমাই আছে বুলি বৰ আনন্দ পাইছিল। ধৰিবৰ কাৰণে যত্ন কৰোঁতেই 'দুৱাৰত ধৰা দুইকো ঠেলি পেলাইলন্ত" (পৃষ্ঠা ৪৬) আৰু জাতি কুটুম্বসকল থকা ঠাইলৈ তেতিয়া গ'ল সকলো ধৰা পৰিব বুলি, শংকৰদেৱ তেওঁলোকৰ ওচৰলৈ নগৈ দৌৰি দৌৰি গৈ লুইতৰ পানীত জাপ দিছিল গৈ।

"সেহি বেলা এক জাতি উঠিয়া আসয়।
একখানি পুথি তাৰ উপৰে আছয়।" (পৃষ্ঠা ৪৭)

লগে লগে পুথিখন শংকৰদেৱৰ হাতত লৈ যেদি অহা কছাৰী কেইজনক কৈছিল, তেওঁ ব্ৰাহ্মণ তেওঁক বধ কৰিলে ব্ৰহ্মবধ কৰা হব। কছাৰীয়েও বিপ্ৰ কেন জানি নেমাৰি এৰি গুচি গৈছিল। কিন্তু "গৃহদাহ কৰি গৈলা আপোন ৰাজ্যক।" (পৃষ্ঠা ৪৭)

ইয়াৰ পৰা দেশত সততে হৈ থকা নানা জাতি উপজাতিৰ উৎপাত, উপদ্ৰৱ, আক্ৰমণ আদিৰ কথ জনা যায়। (পৃষ্ঠা ৪৬-৪৮)

গাদ যুগত, অসম ৰাজ্যত শংকৰদেৱ আৰু আন লোকসকল কছাৰিৰ উৎপাতত থাকিবলৈ আছিছিল। (পৃষ্ঠা ৪৮)

ভূঞাসকলৰ নিজৰ ৰাজ্য, প্ৰজা আছিল। একাদিক্ৰমে ৰাজ্য পৰিচালনা কৰিছিল। পচিশ বছৰ বয়সত শংকৰদেৱক, সকলো ভূঞাই আলোচনা কৰি ভূঞাসকলৰ 'শিৰোমণি ভূঞা' পাতিছিল।

"ইসব কায্যত মোৰ নাহি প্ৰয়োজন।
তোমাসাব বাক্য ৰাখি কৰিবো চৰ্জ্জন ॥ (পৃষ্ঠা ৫৫)

বুলিছিল।

কমতাধিপতি দুৰ্লভ নাৰায়ণ সন্তানহীন আছিল। তেওঁৰ মৃত্যুৰ পাছত ৰাজ্যত কটাৰবা, অৰাজকতাৰ সৃষ্টি হৈছিল, প্ৰায় দ্বাদশ বছৰ জুৰি। তেনেতে সদাশিবই জগতৰ হিতৰ কাৰণে ভেশচন কৰি আহি চিকনাপুৰত ধান খেতিৰ মাজৰ পৰা এগৰাকী কুমাচ স্ত্ৰীক হৰণ কৰি লৈ গৈছিল। সদাশিবৰ বীৰ্য্যত বিশ্বসিংহৰ জন্ম হয়। কালত তেওঁ পৰম শক্তিশালী হৈছিল। "ৰাণৰ ৰাবুৰে ৰাজ্য জয় কৰি ফুৰিবলৈ ধৰিছিল। অপ্ৰয়াসে প্ৰজাসকলক বশ কৰিব পাৰিছিল। "ভূঞা সমস্তক মাৰি নিবাক খোজয়। (পৃষ্ঠা ৮৭) সেই কাৰণে শংকৰদেৱে ব্ৰহ্মপুত্ৰই দি উজাই ধুম্ৰ যে হাট লৈ গৈছিল গৈ। আনকি মাধৱদেৱৰ পিতৃ বড়কনাগীৰ বেপাৰৰ কাৰণে পুনৰ বাৰ অসম দেশলৈ আহিব খোজাত বাণ্ডুকাত আন আন জাতি মিত্ৰ কুটুম্বই বাধা দিছিল,

"কামৰূপে ৰাজা নাষ্ট ভৈলা অৰাজন।
ধনবিত্ত কাটি লৈয়া মাৰিব প্ৰাণক ॥' (পৃষ্ঠা ৮৯)

বাণ্ডুকাতে কছাৰীৰ উৎপাত হয়। মাধৱদেৱ মাতৃ গৰ্ভত থকাৰ সময়তে কছাৰী বিলাকে গৈ আক্ৰমণ কৰাত, বাইজ গৈ ঘোৰ অৰণ্যত প্ৰবেশ কৰিছিল।

"লোটা বাটী গুপ্ত বস্ত্ৰ যিত অলংকাৰ।
লৈয়া গুচি গৈলা একো নাথা কিন আৰ।' (পৃষ্ঠা ৯০)

কছাৰীৰ উৎপাতত দেশত আকাল পৰা অবস্থা হৈছিল।

অসম ৰজাৰ হাতী ধৰিব নোৱাৰা অপৰাধত শংকৰদেৱৰ জোঁৱায়ক হৰি আৰু মাধৱদেৱক ৰজাৰ বন্দীশালত বন্দী কৰি থৈছিল। ৰজাৰ বিষয়া সন্দিকাই হাতী ধৰিবৰ কাৰণে মানুহ পঠাইছিল। "নগতে হেংকাৰি নিলা ৰাধুৰ ভূঞাক' (পৃষ্ঠা ১৭৩) প্ৰজা আকে চাৰিওকালৰ পৰা হাতী ধৰিছিল। কিন্তু ভূঞাৰ কালে হাতী পলাই গৈছিল। গতিকে,

"অসমে কাটিবে বুলি মনে কৰি ত্ৰাস।
পাৰ ৰাখি পলাই গৈলা ত্যজি গৃহবাস ॥" (পৃষ্ঠা ১৭৩)

সন্দিকায়ে ভূঞাৰ কালে হাতী পঠাই পল বুলি পল পাই ভূঞা সমস্তক ধৰি বান্ধি আনিবলৈ হুকুম দিছিল। শংকৰদেৱৰ জোৱায়েক মহুক ধৰিছিল। শংকৰদেৱৰ গৃহৰ কালে দুজন মানুহ থকাকৈ অহা দেখি মাধৱদেৱে,

"শুনিয়োক বাপ মাই পশিয়ো গৃহত।
মই বসি থাকো এই চণ্ডাল মধ্যত॥" (পৃষ্ঠা ১৭৭)

বুলি শংকৰদেৱক আতৰাই পঠাইছিল। ঘৰৰ পিৰিহত মাধৱদেৱেই বোলাত, মাধৱদেৱৰ কাপোৰখনকে কাঢ়ি লৈ ককালত বান্ধি ধৰি লৈ গৈছিল। লৈ গৈ গড়গাওঁ পোৱাইছিল গৈ। ৰব সন্দিকাইৰ আগত দিছিল গৈ আৰু তেৱোঁ গৃহবন্দী কৰি ৰাখিবলৈ হুকুম দিছিল। খাবলৈ একো ব্যৱস্থা কৰা নাছিল। মাটিত শুইছিল। "কৰজাত" (?) জলপান কৰিছিল। মন্দিৰা তাল বজাই হাটলৈ গৈ,

"পৰম উল্লাস্য ৰাগ দেন্ত বিতোপন।
পৰম সন্তোষে শুনি থাকে সৰ্ব্ব জন॥" (পৃষ্ঠা ১৭৯)

আৰু মাধৱদেৱ আৰু মহু ভোঁৰাইক চাউল, নিমখ, তেল, তামোল, পান আদি দিছিল। সেয়া নিজলৈ থৈ, তেওঁলোকৰ ৰখীয়াকো দিছিল। এনেকৈ দুমাহ পাৰ হোৱাৰ পাছত মাধৱদেৱ আৰু মহুৰ শোধ লৈছিল। মাধৱদেৱক দেখাৰ লগে লগে "দেৱতা মনুষ্য আৰু জানিলোঁ নিশ্চয়" (পৃষ্ঠা ১৮০) বুলিছিল। তথাপিতো সন্দিকায়ে চেষ্টাইয়াক পাচিছিল মহু ভূঞা আৰু মাধৱদেৱক কবলৈ যে কিমান ধন দিব পাৰিব? ধন দিলে দোষৰ পৰা মুক্তি দিব নেকাটে। মাধৱদেৱে কৈছিল যে তেওঁৰ তাল এজোৰৰ বাহিৰে একো নাই। কিন্তু মহুৱে কৈছিল যে যদি তেওঁক ঘৰলৈ যাবলৈ দিয়ে তেনেহলে চাৰিকুৰি টকা দিব পাৰিব। দুয়োৰে কথা গৈ সন্দিকাইক কৈছিলগৈ। সন্দিকায়ে মাধৱদেৱলৈ চাই কৈছিল,

"নাই আৰু দোষ কৰিলো বধণ।
চাউল লোণ দিয়া আৰু কৰিবো পোষণ॥
হিন্দু শাস্ত্ৰ শুনিবাক আছে মোৰ মন॥" (পৃষ্ঠা ১৮১)

তাৰ পাছত ধৰি নিয়া ভূঞাসকলক ককালত লোণ লগাই ভাগে ভাগে লৈ গৈ, পাছলৈ হাত দুখন বান্ধি লৈ এক দুই কৰি কাটিছিল। মহু জোৱাইকো তিতি

ছেদ কৰাইছিল। মাধৱদেৱক ধৰি দিছিল। ঘোৰ খাৰলৈ বিচৰা প্ৰাণদণ্ড বিলাৰ নিচিনা শাস্তি তেতিয়াৰ দিনত আছিল সেই কথা ইয়াৰ পৰা স্পষ্ট হৈছে।

মাধৱদেৱ আসাম ৰজাৰ গৃহবন্দী থকা, মুক্তি পাই বিষয়া সন্দিকাইক হিন্দুশাস্ত্ৰ শুনুৱা এই সময় খিনি চ'ত মাহৰ পৰা গৈ আহিন পালেহি, শংকৰদেৱ অধীৰ হৈ উঠিছিল। "আমাসৱ ৰক্ষা নাই আসামত" বুলি ৰজা নৰনাৰায়ণলৈ খবৰ পঠাইছিল। ভূঞাসকল তেওঁৰ ৰাজ্যলৈ যাব খোজে। ৰজাই মাত্তি পঠালত অতি আনন্দ মনেৰে ৰজা নৰনাৰায়ণৰ ৰাজ্যলৈ যাবলৈ নাৱত উঠিছিল। (পৃষ্ঠা ১৮৮)

ইখন ৰাজ্যৰ ৰজা সিখন ৰাজ্যলৈ অহা যোৱা কৰিছিল। ৰজা নৰনাৰায়ণে অসম অভিযান কৰিছিল, "আসাম ৰাজ্যক মানিবাক প্ৰতি কৰিছো মই গমন" (পৃষ্ঠা ২২৩) বুলি গৈ গড়গাৱত সসৈন্যে উঠিছিল গৈ। "আসাম ৰৱিলা ওলমলি দিয়া।" (পৃষ্ঠা ২২৩)

এনে ধৰণেই অসমৰ মধ্য যুগৰ ৰাজনৈতিক অৱস্থা, পৰিস্থিতিৰ কথা ৰামানন্দ দ্বিজে 'শ্ৰীগুৰু চৰিত'ত লিপিবদ্ধ কৰিছে।

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ভূষণ দ্বিজে তেওঁৰ ৰচিত চৰিতখনিত ৰাজনৈতিক অৱস্থাৰ দুই এক কথা ঠাই দিছে।

নাৰায়ণ দাসে, শংকৰদেৱক সোধা প্ৰশ্নৰ উত্তৰ স্বৰূপে শংকৰদেৱে যিখিনি কথা কৈছিল, তাতেই দেশৰ ৰাজনৈতিক অৱস্থাৰ অলপ আভাস পাব পাৰি। কামৰূপ বড়দোৱাত শংকৰদেৱৰ উপৰি পুৰুষ নগাৰৰৰ দিনত ৰজা আছিল বিশ্বসিংহ। বাউসীৰ ৰজা গন্ধৰ্ব ৰায়ক বিশ্বসিংহই 'বশ কৰিলেক বলে" (পৃষ্ঠা ৮৭) আনকি বাৰভূঞাসকলকো জিনিছিল। তেতিয়া প্ৰতাপ ৰাই, গাভুৰ খা আদিৰ বৰ ভয় হৈছিল। দক্ষিণ পাৰলৈ সকল পাৰলৈ পলাই গৈছিল গৈ। বিশ্বসিংহই ৰাজপাট বাখি দিছিল আৰু শত্ৰুক মাৰিবৰ কাৰণে পশ্চিমলৈ যাত্ৰা কৰিছিল। প্ৰতাপ ৰাই আসাম ৰাজ্যলৈ আহিবলৈ মন কৰিছিল। কিন্তু গাভুৰ খাই বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণৰ ৰাজ্যলৈ হৈ গৈছিল। প্ৰতাপ ৰায়ে জীয়েকক নৰনাৰায়ণলৈ বিয়া দি মিত্ৰ হৈছিল। বৈবাহিক সম্বন্ধে বান্ধি

বিপক্ষ যাব নোৱাৰাব ব্যৱস্থা কৰিছিল। এইবোৰ ৰাজনীতিৰ কূটনীতি। (পৃষ্ঠা ৮৭-৮৮)

দেশত ৰজাৰ তলত গড়ামৌদি (পৃষ্ঠা ১৭৪ ১৭৬, ১৭৭) আৰু খোপধৰা (পৃষ্ঠা ১৭৭) আদি ৰাজ আজ্ঞা বহনকাৰী লোক আছিল। তেওঁলোকে ৰজাৰ আজ্ঞা পালন কৰিব লাগিছিল। কটোৱাল শ্ৰেণীৰ লোক আছিল দোষীক কাটিবৰ কাৰণে (পৃষ্ঠা ১৮১) ৰজাই দোষীক প্ৰাণদণ্ডৰ শাস্তিও দিব পাৰিছিল। দোষীক ভোটক বেচিছিল। (পৃষ্ঠা ১৮২)

(৪) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচ খনি প্ৰাচীন চৰিত পুথিৰ সাৰ)

গোপালদেৱৰ জীৱন কথাৰ লগতে ৰাজনৈতিক কথাও দুই চাৰিটা পোৱা গৈছে।

চৰিতখনিৰ মতে গোপাল আতাৰ সময় শান্তি কৌৰৱৰ সমান হয়। নাজিৰা হাটলৈ গোপাল আতাৰ পৰিয়াল গৈছিল। গোপাল আতাই 'নৃপতিৰ কুমাৰ সাতোঁয় কুমাৰ সহিতে ক্ৰীড়া কৰিলা।" (পৃষ্ঠা ৮৯)

কোচ ৰজা নৰনাৰায়ণে অসম ৰাজ্য আক্ৰমণ কৰিবলৈ মন কৰি শংকৰদেৱক বুদ্ধি সুধিছিল। শংকৰদেৱে প্ৰথম বাৰত "আচন্ত পণ্ডিত সব বুদ্ধিত সাগৰ (পৃষ্ঠা ৯৩) বুলি ব্ৰাহ্মণসকলক বুদ্ধি সুধিবলৈ কৈছিল। ব্ৰাহ্মণসকলে ৰজাক বুদ্ধি দিছিল, "কাটিছিণ্ডি জয় কৰি দেবেসে জিনিবা" (পৃষ্ঠা ৯৩)। ৰজা সন্তুষ্ট হোৱা নাছিল। পুনৰ বাৰ শংকৰদেৱক সোধাত শংকৰদেৱে ৰজাক,

"তুমি যাই অসম ৰাজ্যৰ সীমা পাইবা।
কদাচিত্তো তাহাৰ ভিতৰ নপসিবা॥" (পৃষ্ঠা ৯৪)

দূত পঠাই বস্ত্ৰ অলংকাৰ দি ৰজাৰ মন সন্তোষ কৰিবলৈ কৈছিল। আৰু কৈছিল যে তেতিয়া সকলোৱে তেওঁক ধৰ্মৱন্ত বুলি ভাবিব। ৰাজ্য সেই সৰেই জয় কৰিব লাগে। ৰজা সন্তুষ্ট হৈছিল। শংকৰদেৱৰ যে কূটনীতিবিদ্যা আছিল তাৰো কথা জনা গল। শংকৰদেৱৰ বুদ্ধি মতেই ৰজা নৰনাৰায়ণে লগত হাতী, ৰথঘোৰা, গাধ, উট, সেনা আৰু পণ্ডিতসকলকো লগত লৈ অসমৰ সীমা পাইছিলগৈ। ৰজাই দূত পঠাই দিছিল। বাৰভূঞাসকল আহিছিল। ৰজাই বস্ত্ৰ অলংকাৰ দি সবাকো সন্তুষ্ট কৰিছিল। ৰজা নৰনাৰায়ণে কৈছিল,

"তোৰা সবে মোৰ লগ লোৱা যেবে।
ইদিনাতো কৰি ভাল কৰিবোহোঁ তেবে ॥" (পৃষ্ঠা ৯৬)

আৰু যদি নলয় তেন্তে গো ব্ৰাহ্মণৰ প্ৰলয় কৰিব। ৰজাক ধৰ্মশীল ভাবি সকলোৱে আদৰিছিল আৰু ৰজাই অপ্ৰয়াসে অসমত প্ৰৱেশ কৰিছিল। (পৃষ্ঠা ৯৭) কিন্তু অসমৰ ৰজাই ৰজা নৰনাৰায়ণৰ ভয়ত পলাই গৈছিল। চাৰিং ৰজাক পাই নৰনাৰায়ণৰ ওচৰলৈ আনিছিল। চাৰিং ৰজাই কৈছিল, "ৰত্নত্ৰ হুহিকা আমি চাৰিজ যে ৰাজা।' (পৃষ্ঠা-৯৭) অসম ৰজাক মাত্তি মেলিও আৰু কোচ ৰজা নৰনাৰায়ণে ওচৰলৈ আনিব নোৱাৰিছিল। (পৃষ্ঠা ৯৭

'পিয়ন শব্দৰ ব্যৱহাৰ প্ৰথম পোৱা গল এইখন চৰিতত্তেই। "বাপৰ ভাণ্ডাৰ থানি 'পয়ল কৰিবেঁ৷ আজি আমি। (পৃষ্ঠা ১২৫)

সোণকোষ নদীৰ দুই পাৰে চকী আছিল। তাত ৰজাৰ উকীলে থাপ লৈ থাকে। চকীত যাত্ৰীৰ নাব বান্ধি চায়। মাধৱদেৱও কামৰূপৰ পৰা বেহাৰলৈ যাওঁতে চকী দেখি নাব বান্ধিছিল। আইনাৰ গম পাই ৰাজ-মহিষিক মাধৱদেৱক পাৰ কৰাই আনিবলৈ কৈছিল। মহিষিৰ ৰাজগুৰুক আদেশ দিছিল মাধৱদেৱক চকী পাৰ কৰাই আনিবলৈ। দোলাত কৰি আনিবলৈ ৰাজ গুৰু গৈ "মোৰ শস্তুৰ আনিলা" (পৃষ্ঠা ১৩৩) বুলি ফাঁকি দি মাধৱদেৱক সকৰাই লৈ আহিছিল।

"যেখানে মাধৱ ভৈলা বেহাৰে প্ৰবেশ।
সমস্ত লোকৰ ভৈল হৰিষ অশেষ ॥" (পৃষ্ঠা ১৮৪)

অসমৰ ৰাজনৈতিক অৱস্থা সম্পৰ্কে গোপাল আতাই ভৱিষ্যতবাণী কৰিছিল। অসম দেশৰ ৰজা জয়ধ্বজ সিংহক যৱনে 'কৰিবে বৰ বিষাদ" জয়ধ্বজ সিংহ পলাই যাব। প্ৰজাও ঘৰবাৰী এৰি পৰ্বত গহ্বৰত পলাই থাকিব, প্ৰজাৰ বৰ নিকাৰ হব, অৱৰ নৰিয়া হব। অন্নৰ বৰ আকাল হব। কিন্তু উত্তৰ দিশত বাইজে ভালেৰে থাকিব। 'যৱনে সোণ মাল লৈয়া দেশক যেবে' (পৃষ্ঠা ২৫২) যাব, তেতিয়া দেশ শান্ত হব।

গোপালদেৱৰ তিৰোধানৰ পাছত অসম দেশৰ ভকতসকল উজাই আহিছিল। কমতাপুৰত সেই সময়ত পৰীক্ষিত ৰজা আছিল। মোগলে যুদ্ধ কৰি প্ৰজাক অনাথ কৰি এৰি দিছিল। (পৃষ্ঠা ২৭২)

ইখন বাজ্য সিখন বাজ্যৰ মাজত চকী আছিল। চকী পৰীক্ষা কৰা হৈছিল। সহজতে চকী পাৰ হৈ ইখন বাজ্যৰ পৰা সিখন বাজ্যলৈ যাব নোৱাৰিছিল। বৰ

যজ্ঞমণি (বৰ আতা) অসম দেশলৈ বুলি কালঝাৰ সত্ৰৰ পৰা গোপালদেৱক বিদায় লৈ আহি 'চকি টান কাৰচন্ত সেহি সময়ত" (পৃষ্ঠা ৩৩৪) কাৰণে অসম দেশত সোমাব নোৱাৰি ঘূৰি গৈছিল।

(৪) নীলকণ্ঠ দাস—শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ

দামোদৰদেৱৰ জীৱন কথা লিপিবদ্ধ কৰিবলৈ লৈ নীলকণ্ঠ দ সে প্ৰসঙ্গক্ৰমে অহা ৰাজনীতিৰ কথাও উল্লেখ কৰিছে।

বেহাৰৰ ৰজা নৰনাৰায়ণ আৰু ভায়েক চিলাৰায় লগ লৈ "ৰাজ্যক মাৰিয়া গড় গ্ৰামক উজাই" (পৃষ্ঠা ২৯) পাইছিলহি। বাটত যত ভগনীয়া লোক পাইছিল, কাটি মাৰি লগত লৈ গৈছিল। "স্বৰ্গী" নৃপতিৰ দূতে পাইক ধৰি ফুৰিছিল যুদ্ধ কৰিবৰ কাৰণে। দামোদৰদেৱৰ দেউতাক সত্যানন্দৰ বৰ ভয় হৈছিল, উপায় ভাবিবলৈ ধৰিছিল। ৰজাৰ দূতে বিচাৰি পাইছিলগৈ। সত্যানন্দ পলাইছিল কিন্তু দুই পুতেক ৰত্নাকৰ আৰু দামোদৰক ধৰি লৈ গৈছিল। দূতক ভেটি দি (ধন দি) সাৰি আহিব খুজিছিল। কিন্তু দূত মান্তি নহৈছিল। দুয়োকে ধৰি নি গড়ৰ ভিতৰত লৈছিল গৈ। ইফালে ৰজা নৰনাৰায়ণৰ লোকে সত্যানন্দ থকা ঠাইত উপস্থিত হৈ "সৰ্ব্বৰ লোক সবে গৃহত সোমাই।" (পৃষ্ঠা ৩১) ভেতিয়া সত্যানন্দ আৰু বৰ পুত্ৰ সৰ্ব্বেশ্বৰ ৰজা নৰনাৰায়ণৰ ওচৰ পাইছিল গৈ। আশীৰ্ব্বাদ দি ৰজাক পাচৰ দিছিল। ৰজাই গড়অলিক মান্ত আনি যি যত লুটি আনিছিল সকলো ঘূৰাই দিবলৈ আদেশ দিছিল। আনহাতে দামোদৰদেৱৰ বুদ্ধি মতে ৰজাৰ গড়ৰ ভিতৰৰ পৰা ককায়েক ৰত্নাকৰ আৰু দামোদৰ ওলাই আহিছিল। দামোদৰ ককায়েকক "যেন পক্ষী মাখি লই। ক্ৰমতে নামিলা গৰ।" (পৃষ্ঠা ৩১) তাৰ পাছত গড়ৰ পৰা জপিয়াই বাজ হৈছিল। ৰজা নৰনাৰায়ণক লগ কৰি সকলো কথা কৈছিল। ৰজাই সঁচা কথা কোৱাৰ কাৰণে প্ৰশংসা কৰি নিজ ঠাইলৈ পঠাইছিল।

এইখিনিতে এটা প্ৰশ্ন হয়—ৰজা নৰনাৰায়ণ "গড়গ্ৰামত উজাই" যোৱাৰ কথা আছে। অথচ বৰদোৱাত থকা দামোদৰদেৱ আৰু পিতৃসকলক লগ পোৱাৰ উল্লেখ কৰিছে।

বেহাৰৰ ৰজা নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণ আৰু চিলাৰায় দেৱানৰ নাতি পৰীক্ষিত দুয়োজনে সীমা কৰি কোচ ৰাজ্য ভগাই লৈছিল। কামৰূপৰ ৰজা

কৈছিল পৰীক্ষিত নাৰায়ণ আৰু বেহাৰৰ ৰজা হৈছিল লক্ষ্মীনাৰায়ণ। পৰী ক্ষতৰ ওচৰত অভক্তসকলে গৈ খল দিছিল গৈ,

"দামোদৰ নামে দ্বিজ শূদ্র মূৰ্ত্তি ধৰি।
নীতি ধৰ্ম্ম আচাৰ বেদক পৰিহৰি॥" (পৃষ্ঠা ১৩১)

দেশত অনাচাৰ কৰিছে। ৰজাই দূত পঠাই দামোদৰদেৱক মতাই নিয়াইছিল। পৰীক্ষিত ৰজাৰ ৰাজ্য পাই ৰাজেন্দ্ৰনাথ দৈৱজ্ঞ এজনৰ ঘৰত বৈছিলগৈ। ভোজন কৰি পাত পেলাৰ থোৰাত নিদি, পাছত গৰু সুমুৱাই গোটেইখন ঠাই কদৰ্য্য কৰাই, দামোদৰদেৱে গম নোপোৱাকৈ ৰজাত খল দিছিল গৈ যে ভাত খাই চুৱা নেপেলাই, গৰুৱে খচি গোটেই ঠাই নষ্ট কৰিলে। ৰজাই দূত পঠাই খবৰ কৰাই কথাৰ সত্যতাৰ প্ৰমাণ পাই, 'মোৰ ৰাজ্যে নাথাকিবে বুলিলন্ত বাণী' (পৃষ্ঠা ১০৩) বেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণে কথাটো গম পাই নিজ ৰাজ্যলৈ দামোদৰদেৱক মাতি পঠাইছিল। দামোদৰদেৱক ৰজাই নিজে ঘোৰাৰ ওপৰত উঠি আহি আদৰি নিছিলহি। ভূমি পাৰ হুৱা পাছে নৃপে নমিলন্ত" (পৃষ্ঠা ১৩৩) আৰু নিজ ৰাজ্যত আশ্ৰয় দিছিল।

(৫) দৈত্যাৰি ঠাকুৰ—শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱ চৰিত

ৰাজনৈতিক অৱস্থাৰ আভাস দৈত্যাৰি ঠাকুৰেও তেওঁৰ চৰিতখনিত দিছে। দেশত সততে নানা উপদ্ৰৱ, দোৱাম্মা যুদ্ধ বাগৰ আদি ওচৰ চুবুৰীয়া, সক সৰু ৰাজ্যবিলাকৰ ভিতৰত হৈয়ে আছিল। টেম্বুৱানী অঞ্চলতো আসামৰ দোৱাম্মা হৈছিল। প্ৰজাই নিজ ঠাই এৰি পলাইছিল। আনকি সেই সময়ত টেম্বুৱানীত বসবাস কৰা শংকৰদেৱেও পলাই লুইতত জপিয়াইছিল ৰক্ষা পাবলৈ।

'এককালে আসামে মাৰিলে টেম্বুৱানী।
আসামৰ ভয়ত পলাইল সবে প্ৰাণী॥ (পৃষ্ঠা ২৯)

আহোম ৰজাই হাতী ধৰিবলৈ মানুহ গোটাইছিল। ভূঞাসকলকো ধৰি নিবলৈ কৈছিল,

'এককালে ভূঞা ধৰা লাগিল দেশত।
আছিল যতেক ভূঞা পলাইল সমস্ত॥' (পৃষ্ঠা ৯৬)

আনকি শংকৰদেৱ পৰ্য্যন্ত জোৱায়েকক এৰি পলাই গৈছিল। মাধৱদেৱ আৰু

জোৱাৰেকক আসামে ধৰি নৈ গৈছিল। দুইকো নি বন্দী কৰি থৈছিল গৈ। দুয়োকো কাটিব বুলি ধাৰণা কৰিছিল।

"কতিপয় দিন বন্দী হয়া আছে তথা।

অনন্তৰে আসামে পুছিলা দুইতো কথা॥' (পৃষ্ঠা ৯৭)

যে তেওঁলোকৰ কেনি, ক'ত আছে। শংকৰদেৱৰ জোৱাৰেকে তেওঁৰ "ভাই ভাৰ্য্যা সকৰ চাকৰ নিৰন্তৰ।" (পৃষ্ঠা ৯৭) আছে বুলি কৈছিল। কিন্তু মাধৱদেৱে তেওঁৰ কোনো নাই, "উদাসীন একেশ্বৰ দেখ সমুদায়।" (পৃষ্ঠা ৯৭) বুলি কৈছিল। মাধৱদেৱৰ কথা শুনি তেওঁক এৰি দিছিল। কিন্তু মাধৱদেৱে বৈ থকাৰ কাৰণ সোধাত কৈছিল, যদি ইজনক এৰি দিয়ে একে লগে যাব আৰু যদি নেৰি কাটে তেন্তে "কাটিবাৰ বেলা মই নাম শুনাইবো।" (পৃষ্ঠা ৯৭) মাধৱদেৱৰ উত্তৰ শুনি তেওঁক এৰি গৈ শংকৰদেৱৰ জোৱাৰেকক কাটিবৰ কাৰণে বান্ধি পেলাইছিল। কটাৰ সময়ত মাধৱদেৱে নাম শুনাইছিল। (পৃষ্ঠা ৯৮)

অসম ৰজাৰ ওচৰত ব্ৰাহ্মণসকলে শংকৰদেৱে "শ্ৰাদ্ধবিধি কৰি বাক লোকক নেদয়॥" (পৃষ্ঠা ৯৮) বুলি গোচৰ দিছিল। ৰজাই গোচৰ শুনি শংকৰদেৱক নিয়াইছিল। অসমৰ ৰজাই দুৰবাক কৈছিল, শংকৰদেৱে কিয় ৰাজ্য নষ্ট কৰিছে তাৰ কাৰণ সোধক। শংকৰদেৱক সোধাত শংকৰদেৱে কৈছিল, 'কেন মতে মোত হন্তে ৰাজ্য নষ্ট হয়" (পৃষ্ঠা ৯৯) তেওঁ নেজানে, ব্ৰাহ্মণকে শ্ৰাদ্ধ বিধি কৰিবলৈ মানা কৰিছে। ৰজাই শ্ৰাদ্ধ কাক বোলে বুলি প্ৰশ্ন কৰাত,

"ৰাৰী বোলে সবাক বঢ়াই বস্তু যত।

গুৱাপান কল চাউল দধি দুগ্ধ বস্ত্ৰ॥

তাক সবে নিয়া পাচে ব্ৰাহ্মণ ভুঞ্জয়।

শ্ৰাদ্ধ বুলি ব্ৰাহ্মণসকলে তাক কয়॥' (পৃষ্ঠা ৯৯)

ৰজাই তেতিয়া কথাটো বুজি পাই ব্ৰাহ্মণসকলক "থেদোবা চাদৰ পৰা নমায়া এখন।" (পৃষ্ঠা ১০০) বুলি আদেশ দিছিল আৰু শংকৰদেৱক প্ৰশংসা কৰিছিল।

বেহাৰৰ ৰজা নৰনাৰায়ণক ব্ৰাহ্মণসকলে কথা দিছিলগৈ যে সমস্ত ৰাজ্যক শংকৰে নষ্ট কৰিলে। কৈৱৰ্ত, কলিতা, কোচ, ব্ৰাহ্মণ একেলগে খোৱাবোৱা কৰে, "আৰু বাঢ়ি জগন্নাথ প্ৰসাদ কৰয়" (পৃষ্ঠা ১০৮), ব্ৰাহ্মণৰ গুৰু হৈ উপদেশ দি ফুৰে। ৰজাৰ শুনিয়েই খং উঠিছিল। এনে অনীতিত প্ৰবৰ্ত্তিবলৈ হলে ৰজাৰ

ছত্ৰভঙ্গৰ যোগ পৰিব বুলি শংকৰদেৱক ধৰি আনিবলৈ গৰমৌলি পঠাইছিল। খণ্ডৰ কোনো ৰজাই কৈছিল,

'কৰিবো বিচাৰ এও হুই নিষ্ট যেবে।
চাইবো ভৰা শংকৰৰ চালে ছেবে ॥
নিষ্ট কৰি বোলো মাংস ছেকালে খুৱাইবো।
শংকৰৰ হাড়ে নিষ্টে অগনি পুৱাইবো ॥" (পৃষ্ঠা ১৬৮)

ৰজাৰ এনে খং আৰু আদেশ শুনি চিলাৰায় দেৱানে টেকাই মাজিক মাত্তি টকা এশ দি শংকৰদেৱক যেনে তেনে তেওঁৰ ওচৰলৈ আনি দিবলৈ পাচিছিল। চিলা-ৰায়ৰ ঘৰত শংকৰদেৱক আনি আশ্ৰয় দিয়া বুলি ৰজাই জানি শংকৰদেৱৰ লগত আলাপ আলোচনা কৰিবলৈ মন কৰি দুজন গৰমৌলি পঠাই দিছিল। শংকৰদেৱে তেতিয়া দেৱানলৈ চাই কৈছিল,

' অন্যায় নকৰি ৰাজা বুজোক মাত্ৰক।
নাহি শংকা লাগে দায় ধৰোক যতেক ॥" (পৃষ্ঠা ১৭১)

চিলাৰায় দেৱানে শংকৰদেৱক আশ্বাস দিছিল শাস্ত্ৰৰ কথাৰে যদি ব্ৰাহ্মণক জিকিব পাৰে, তেন্ত,

"ৰজাক লাগিয়া ভয় নকৰিবা কিছু।
ৰাজাই অন্যায় কৰে তাক লাগি আছো ॥ (পৃষ্ঠা ১৭২)

কিন্তু ৰজাই শংকৰদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্বত মুহিত হৈ শংকৰৰ চাপেৰে ভৰা চাৰ আৰু হাড়েৰ জুই পুৱাৰ বুলি দপ্‌দপাইছিল যদিও, ৰাজসভাত সমাদৰহে কৰিছিল। শংকৰদেৱৰ মহিমা দেখি, এওঁ মানুহ নহয় বুলি ভাবিবলৈ বাধ্য হৈছিল। (পৃষ্ঠা ১৭৩)

"মানুহৰ শকতি মুহিকে শঙ্কৰৰ।
ঈশ্বৰৰ শক্তি ইটো জানা সাৰোত্তৰ ॥" (পৃষ্ঠা ১৭৩)

ৰজাৰ ইচ্ছাৰ ওপৰত, হনুমৰ ওপৰত কাৰো কথা নেখাটে। বেহাৰৰ ৰজা নৰনাৰায়ণে ব্ৰাহ্মণৰ লগলীয়া কথাত পণ্ডিতন সৈ শংকৰদেৱক ধৰিবলৈ পঠাইছিল, দেশৰ ৰাজনীতিত ব্ৰাহ্মণসকলে প্ৰভাৱ পেলাবলৈ বিচাৰিছিল। বসুদেৱকো তেনেকৈয়ে ব্ৰাহ্মণসকলে মাধৱদেৱৰ বিপক্ষে লগাই ৰজাক খং তোলাইছিল।

"শূদ্ৰ এক গোট আছে মাধৱ নামত।
অনাচাৰ কৰি নষ্ট কৰিলে জগত।" (পৃষ্ঠা ৩২১)

ৰাজ্য নষ্ট কৰাৰ কথা কলে ৰজাৰ খং উঠাটো স্বাভাৱিক। গতিকে মাধৱদেৱক ধৰি আনিবৰ কাৰণে হৰানন্দক পঠাইছিল। ৰাজ আজ্ঞা পালন কৰি মাধৱদেৱক বন্দী কৰাৰ আগতে "পিঠি হাত কৰি ডক্ক সৰক বান্ধিল।।" (পৃষ্ঠা ৩২৩) অকল সেয়াই নহয় ৰজাই মাধৱদেৱৰ ঠাইৰ পৰা এহেজাৰ টকা বিচাৰিছে বুলিও কৈছিল। মাধৱদেৱে কৈছিল,

"যতপি ৰাজাক আনা ধনেলে নাটয়।।
ততো মাগি যাচি দিবো ৰাজাক লাগয়।' (পৃষ্ঠা ৩২৪)

ৰঘুৰামৰ বন্দীশালত মাধৱদেৱ আৰু ভকতসকলক থৈছিল গৈ। সেই বন্দী শালত পাশা খেল চলিছিল বন্দীবিলাকৰ ভিতৰত। মাধৱদেৱেই নিজে পাশা খেলাই আছিল।

ৰজা নিজৰ বিচাৰ বুদ্ধিতকৈ আনৰ দ্বাৰাহে পৰিচালিত হোৱা যেনেই ধাৰণা হয়। ৰঘুদেৱে ব্ৰাহ্মণৰ শগনীয়া কথা শুনি মাধৱদেৱক ধৰাই অনাইছিল আৰু মাধৱদেৱৰ লগত তৰ্ক কৰা মানে জগত অগ্নি হাতেৰে ধৰিবলৈ বিচৰাৰ দৰে হব তাৰি ৰজাক ব্ৰাহ্মণেই পুনৰ কৈছিল যে শূদ্ৰৰ লগত বাদ কৰিলে,

"জিনিলিয়ো যশ নাই দখিয়ো প্ৰথমে।।
হাৰিলিয়ো মহা লাজ শূদ্ৰৰ লগত।
এতেকে প্ৰবেশ কৰোঁ কৈলো অগ্ৰপত।। (পৃষ্ঠা ৩২৭)

এইবাৰ ৰজাৰ ব্ৰাহ্মণৰ কথা শুনি খং উঠিছিল। যেওঁ যে ব্ৰাহ্মণৰ কথাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল সেই কথা জনা গৈছে।

"ৰাজা বোলে তোমাৰ শিৰীয়ে ধৰব।
তোমাৰ শিৰীয়ে গুৰু বোলে এৰ এৰ।।
অনাচাৰী মাধৱক তোমাৰে বুলিলা।
তোমাৰে আমাত কৈয়া আগে অনাই লা।।
এলা তোমা বিদায় কৰিলম মোৰ ঠাই।" (পৃষ্ঠা ৩২৭-২৮)

এই বুলি পুনৰ মাধৱদেৱক ৰৰপেটাত বেঙিলো ৰজাই থৈ অহাৰ কথা কৈছিল আৰু মাধৱদেৱেও এই কথা শুনিছিল, তেতিয়া মাধৱদেৱে উকত চাপৰ যাবি খেদ কৰিছিল,

"ছিঃ মূৰ্খ ৰাজা ইটো একো ন জানয় ।
ইহাৰ ৰাজ্যত জানা বঞ্চিবে লাগয় ॥
শূদ্ৰ সমে বাদ মোৰ কোন শাস্ত্ৰে কয় ।
এত মান ৰাজা ইটো আক ন জানয় ॥" (পৃষ্ঠা ৩২৮)

কোনো কোনো ৰাজ বিষয়ায়ো দেশত নিজ ক্ষমতা প্ৰয়োগ কৰাৰ চেষ্টা কৰিছিল। বীৰকাৰ্জীত ৰাজ বিষয়া আছিল। মাধৱদেৱৰ ওপৰতো তেওঁৰো ক্ৰোধ হৈছিল। তেওঁ চৈতন্যপন্থী আছিল। ৰজাক গৈ লগাইছিলগৈ,

"মাধৱে সমস্ত ৰাজ্য নষ্ট কৰিলেক।
দেৱ ধৰ্ম্ম কৰ্ম্ম লোকে সব এৰিলেক ॥
পুত্ৰক এৰিল বাপে বাপেকক পোৱে।
সবে ৰাজ্যখান এম্ন কৰিলা মাধৱে ॥" (পৃষ্ঠা ৮১০)

ৰজা লক্ষ্মীনাৰায়ণে শুনি বীৰ কাৰ্জীক কৈছিল যে মাধৱদেৱক আনি বিচাৰ কৰিব। আইধাইৰ চিন্তা হৈছিল মাধৱৰ বিচাৰ কৰিব বোলাত। আইধাইক ৰজা লক্ষ্মীনাৰায়ণে "মাধৱক লাগি আই চিন্তা নাহিকয় ॥" (পৃষ্ঠা ৮১০) বুলি আশ্বাস দিছিল। মাধৱদেৱক ৰাজসভালৈ আনি যি কথা বাৰ্ত্তা হ'ল, মাধৱদেৱৰ পৰা যি উত্তৰ পাইছিল ৰজা ইমানেই সন্তুষ্ট হৈছিল যে,

"ৰাজা বোলে সবে লোক মোহোৰ ৰাজ্যৰ।
আজি হন্তে প্ৰবৰ্ত্তোক মত মাধৱৰ ॥
আগৰ মতক মানে সবে দূৰ কৰ।
জানিলোহোঁ মহা শুদ্ধ মাধৱৰ মত।" (পৃষ্ঠা ৩৭২)

ৰজাই আইধাইলৈ চাই ধূপ, চন্দন, বস্ত্ৰ, গুৱা পান আনিবলৈ কৈছিল আৰু মান ধৰিছিল। ৰজা লক্ষ্মীনাৰায়ণে বৈষ্ণৱ ধৰ্ম্মক বেহাৰৰ ৰাজধৰ্ম্ম ৰূপে ঘোষণা কৰিছিল।

(৬) গুৰু চৰিত কথা

'গুৰু চৰিত কথা' ত মধ্যযুগৰ অসমৰ ৰাজনৈতিক অৱস্থা সম্বন্ধেও প্ৰসঙ্গক্ৰমে অহা কথাখিনি লিপিবদ্ধ কৰি গৈছে।

শংকৰদেৱৰ উৰ্দ্ধ্ব পুৰুষ চণ্ডীবৰৰ দিনত কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণ আৰু গৌড়ৰ ৰজা ধৰ্ম্ম নাৰায়ণৰ মাজত "বিবাদ সংগ্ৰাম লাগি : কাৰেৰৰ সেনা

অভাই নৈ ঃ হস্তি ঘোৰা উট গৰ্দ্দভ ৰথ ঘোটক খেদি গৈ গৌৰেশ্বৰ ৰাজ্য পালেগৈ ঃ মহানন্দাতীৰে বল গড় কৈ ঃ" (পৃষ্ঠা ৭) সাত দিন সাত নিশা যুদ্ধ হৈছিল । কাৰো জয় পৰাজয় নহয় । দুয়ো ৰজা দেৱী দুৰ্গাৰ শিষ্য । প্ৰজাৰ তেজেৰে গঙ্গা নৈ ৰাঙলি হৈ বোৱাত, দুৰ্গাদেৱীয়ে ভাবিছিল দেশত প্ৰজা নৰবটগৈয়ে । সেইবিলাক সপোনত দুয়োকে দুৰ্গা দেৱীয়ে দেখা দি গৌড়ৰ ৰজাক কৈছিল, "তোৰ মাৰাক কালৈ সৰ্পে খাব কামেশ্বৰে চালে জীৱ ।" (পৃষ্ঠা ৮) কথা মতেই কাম । দুয়ো ৰজাৰ মিত্ৰতাও হৈছিল আৰু মিত্ৰতা ভঙ্গৰ কাৰণে গৌড়ৰ ৰজাই কমতাপুৰৰ ৰজাৰ ৰাজ্যলৈ সাত ঘৰ কায়স্থ আৰু সাত ঘৰ ব্ৰাহ্মণ পঠাইছিল । (পৃষ্ঠা ৮)

ৰজা ৰাজ্যত নহলে অৰাজকতা হয় । কমতাপুৰৰ ৰজা বহুত দিন গৌড়ৰ ৰাজ্যত থকাৰ কাৰণে, দেশত ৰজা নোহোৱাত "কামৰূপৰ লোকে আৰ্ত্ত হৰৰ ধ্বনি বিদাই কৈলে ।" (পৃষ্ঠা ৮)

ৰাজ্যৰ ভৈয়াম অঞ্চলৰ কাষৰে পাহৰে থকা পাহাৰী জনজাতিসকলে সুবিধা পালেই ভৈয়ামলৈ আহি ৰাইজৰ উৎপীড়ন, অত্যাচাৰ কৰিছিলহি । গন্ধৰ্ব্ব ৰায়ৰ দিনত ভোটকিলাক নামি আহি দেশত উৎপাত কৰিছিলহি । ভোটে ৰাজধৰক ধৰি নিয়াত চণ্ডীবৰে নিশা কথাটো "শুনি আৰ্ত্ত হৈ দেশ এৰি যা পেলাইলৈ খেদি গল ঃ ৰোদে বেটাৰ সঙ্গে কেনৱা মৰো কি বা জীওঁ ।।" পৃষ্ঠা ১০) বুলি খেদি গৈছিল । ভোটৰ হাতৰ পৰা সকলোকে ৰক্ষা কৰি যাৰ যি লুটপাট কৰি নিছিল সকলো ঘূৰাই অনাৰ ব্যৱস্থা কৰি দিছিল । কিন্তু চাৰি পাঁচ বছৰৰ পাছত যিবোৰ পৰ্ব্বতত পুনৰ ভেকা হৈছিল, ভেঙ'লাকে কোনো ভেঙলোকৰ মানুহ কাটিছিল, নাৰিছিল বুলি ভৈয়ামলৈ নামি আহিছিল । ৰজাই শুনি আদেশ "আমি তাৰ ভোট এৰা নাই যি দ্ৰোহী পাৰ সি ।।" (পৃষ্ঠা ১১) বুলি কৈ পঠাই দিছিল । কথাবাৰ চণ্ডীবৰে শুনি আন ভূঞাসকলৰ লগত আলোচনা কৰি ঠিক কৰিছিল যে ৰজাই ভেঙলোকক লগ দিয়া হলে দেশ ৰক্ষা কৰিব পৰা গলহেঁতেন । কিন্তু তাকে নকৰি 'ভেঙ যে আমাকতে দেখাই ই অৱধি দেশত নথাকো হক ।।" (পৃষ্ঠা ১১) ভূঞাসকল উজাই আহি কাজলিমুখে লোমাই জন্মকাণ্ডবিত্ত বৰ্ত্তিছিলগৈ ।

চণ্ডীবৰৰ পুত্ৰ ৰাজধৰৰ সময়ত ৰজা আছিল বিশ্বসিংহ । আলিপুৰীয়ত ৰাজধৰৰ পৰিয়াল থকাৰ সময়তে কচাৰিয়ে উৎপাত আৰম্ভ কৰিছিল । ৰজা

ভয়ত হাবি সোমাইছিল। কিন্তু ভূঞাসকলে নিশাই কছাৰিক আক্ৰমণ কৰি কাবোবাক কাটিছিল, কোনোবা পানীত পৰিছিল আৰু বাকীবোৰ পলাইছিল। ভূঞাসকলে কছাৰী উপদ্ৰৱ বন্ধ কৰাত ৰজাই ৰক্ষা পাইছিল। (পৃষ্ঠা ১১)

দেশত সততে ভোট, ডফলা, কছাৰি আদিৰ উপদ্ৰৱ হৈ আছিল। কছাৰিৰ ভূঞাই একেলগে খেতি পথাৰত কাম কৰিছিল। কিন্তু কছাৰিয়ে সুৰা পি উৎপাত কৰে কাৰণে ভূঞাসকলে চল বুদ্ধি কৰি দেওবা বিলৰ কাষত ভোজ পাতি খাবলৈ মাতি নি কছাৰি বহুত কাটিছিল। পাছত আন কছাৰিয়ে উৎপাত কৰে বুলি ভয়ত ভূঞাসকল পলাই যাব লগা হৈছিল। (পৃষ্ঠা ৩৭৬)

ভূঞাসকল বটাত থাকোতে কোচ মাৰণ লাগিছিল। (পৃষ্ঠা ৩৭) তাৰ পাছত ডফলা মাৰণ লাগিছিল। চৰিতথনিত আছে, "বাবে ভূঞাৰ মুখ্য বাম খা বিশ্বসিংহৰ দিনত বাবে খান চাপ বহিছিল : কামেশ্বৰ দুৰ্লভ নাৰায়ণক মাৰিলত • তেওঁৱে তপ ৰাজা সজল গ্ৰামে • ৰামখা ভূঞাৰে বুদ্ধি লাপচ পাতিলে ৰলে নপাৰো জেন জানি পলাই বভুকা প্ৰতাপ ৰাই নগৰে ৰলগৈ" (পৃষ্ঠা ৪১) আৰু শেষত ৰামখাৰ পুত্ৰ গাভুৰ খা বেহাৰ পাইছিলহি আৰু "ধন বস্ত্ৰ গাভুৰ খাৰ তনিএক দি নৰনাৰায়ণক মিত্ৰ কৈলে ॥ তেহে নৰনাৰায়ণে চোৰাই চিতাই গাভুৰ খা পুত্ৰৰ হাতে অচম মৰে ॥" (পৃষ্ঠা ৪১)

যাযৰ মাজিও "ডফলা মাৰনাত অচম ৰাজাৰ পৰা ভটিয়াই কামৰূপে গোমুৰা সথেৰাৰিতে বৈ : খেতি কৃষি কৈ আচাৰত হৈ আছে :" (পৃষ্ঠা ২৭৬) কামৰূপৰ মানুহেও আতিগুৰি নেপাই "অহমিয়া" বুলি বাছে।

"বিচাম ৰাবে ভোট নামি দেশ ভাঙিচে : চিপাহি দি হাজৰা আউেক ৰণলৈ দিলে • সৈ লাগিল ৰণ : বহু চিপাহি চাকৰি কাটিলে :" (পৃষ্ঠা ৩৫৭) ভোটে এনেকৈ দেশত উপদ্ৰৱ কৰিছিল, আক্ৰমণ কৰিছিল।

উদয়াদিত্য ৰজাৰ দিনতো ডফলাৰ ৰণ লাগিছিল। ডফলা "নঠোৰাবে নামি দেশ মাৰিচে : উদই আদিত্য ৰাজা তেৰা ফুকনক দিলে ঘুৰিয়া ৰাকৰত হাজাবো দিলে :" (পৃষ্ঠা ৩৭৫)

শংকৰ বিদ্বেষী ব্ৰাহ্মণৰ লগনীয়া কথাত পতিয়ন গৈ বেহাৰৰ ৰজা নৰনাৰায়ণে শংকৰদেৱক ধৰি আনিবলৈ পঠাইছিল। শংকৰদেৱক বিচাৰি নেপাই শংকৰ ভক্ত গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক ধৰাই আনি বন্দী কৰি থৈছিল। শাস্তি কৰিছিল শংকৰৰ সন্তান পাবলৈ। অলৌকিক ঘটনা ঘটি গোকুল চান্দ আৰু

নৰনাৰায়ণক বান্ধি থোৱা শিকলি আপোনা আপুনি চিগি যোৱাত ৰজাক জনাইছিল গৈ। ৰজাই "বোলে বাৰ চিগিলন্তে এনেই (জিনত থাকে) মিছা কন্দা মাৰি ৰখে গৈ ॥" (পৃষ্ঠা ১৫০) শাস্তি কৰা কেইটাৰো ৰজাক গৈ জনাইছিল, "শাস্তি কেতেক কৰিব আগৰিলা ॥ নকই একো বোলে যেনেহলে যোৱা কৰণিয়াকৈ ভোটক দেহৈ" (পৃষ্ঠা ১৫০) ৰজাৰ আদেশত গোকুল চান্দ আৰু নাৰায়ণ দাসক ভোটক যোৱা গৈ নেছিছিল।

ৰজাৰ শাস্তি বিচিত্ৰ আছিল। ৰজা নৰনাৰায়ণৰ আদেশত গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক 'নানা তাএ শাস্তি কৰিব খৈলে আঠাৰো: (৫৮ক) ভোৰ কঠাৰে কঠাই: চাল টানি কমাৰ শৰাহেৰে ধৰ: তলে চেপাকন্দা নিশা পোতা কুন্দা হাতে ডকশা কুন্দা: চাক দাল: শৰীৰ ঘূৰি দিএ: ঠাই মৰকাইক:" (পৃষ্ঠা ১৪৯)

যেহাবৰ ৰজা নৰনাৰায়ণক শনিয়ে পাঙতে ৰৰনগৰ. তলা নগৰত থাকি চন্দ্ৰাবশ কৰি অসম দেশ দুয়াত. "তক্ৰা হস্তী মানি দেখি গৈ: পুচ্ছমখা আন্ধুখা চিলাৰাই গাভূৰ পা: এই চাৰিক উত্তৰে দক্ষিণে চিগাহি চা স্ব দি· ৰাজা উৰইদিত্য. ভুৰখণ্ডে চৰাই খোবোজে খেদি মানিক হস্তী লৈ আঞ্চতে দলৰগ'এৰ সেইখিতে জিৰবি পাই সব লক্ষণ দেখি লৈ গল দুয়এ। ধাই কৈলে লৰা তন দেখি ॥" (পৃষ্ঠা ৩৯১)

নম'হৰ পাছত ৰজা নৰনাৰায়ণে দ্বিতীজনী হৈ নিজ ৰাজ্যলৈ ঘূৰি আহি, চিলাৰায় থহটা সন্ন্যাসীক খেদাৰ কাৰণে কোপিত হৈ যেৱা দি হাজোলৈ গুচি যোৱাৰ কথা গম পাই বিচাৰ কৰি আনাইছিল। (পৃষ্ঠা ৩৯১)

আনহাতে ৰজাই ৰঘুক বৰ আদৰ স্নেহ কৰিছিল "নিতে গোসানিৰ মালা পূজাৰিএ দিলে মাউৰা ভাতিজ বুলি দিছাই: পাছে দুৰ্গংসবৰ মালা দক্ষিক দিলে এদিন:" (পৃষ্ঠা ৩৯১ আৰু সেই কথাতে পেটে পেটে বিৰাগ ভাব হৈ ৰোহকৈ ঘূৰি আহো বুলি গৈ বিজয় নগৰত বাহৰ কৰি থৈছিলগৈ। ৰজাই আগৰ দৰেই স্নেহত পাত্ৰ মন্ত্ৰীক পঠাইছিল আনিবলৈ নহাত শেষত ৰজা নিজেই গৈছিল আনিবলৈ। ৰঘুৱে ভয় পাই, ৰঘুক বুঢ়া তৰবা দি থকা কপাৰৰ আঠেক বুলি সুধি. "বোলে ৰাজ-সৰক আগটৈ সে যোৱাত ছুপি: পাচে চাল তৰোৱাল দি মথৰি ৰজাই দিলে চহুৰি মাৰি চহুৰি যোৱাত (ছুপি): গৈ বোলে ৰাজপাট

ভকতসকলৰ লগত শংকৰদেৱ নাৱত উঠি পাটবাউসীলৈ গৈছিল। (পৃষ্ঠা ৩১৮) নাৰায়ণে শ্ৰীৰামক শংকৰদেৱৰ ওচৰলৈ ৰৰপেটালৈ নাৱেৰে লৈ গৈছিল। (পৃষ্ঠা ৩৫২)

উজনিৰ পৰা নামনিলৈ শংকৰদেৱক নিবলৈ মুদ কেইজন "সাত বেৰ নৌকাখান আনিছোহো আমি।" (পৃষ্ঠা ৭৯৭) বুলিছিল।

শংকৰদেৱে দ্বিতীয়বাৰ বেহাৰলৈ যাবলৈ ওলাই "নাও সজাবাক তুমি কৰা আয়োজন।" (পৃষ্ঠা ৮০৫) বুলি নাৰায়ণ ঠাকুৰক কৈছিল আৰু চাৰি দিনৰ পাছত নাৱেৰেই গৈছিল। (পৃষ্ঠা ৮০৫)

বৈকুণ্ঠৰ পৰাও ৰামপুৰী আইক নিবৰ কাৰণে নৌকাজান আহিছিল। (পৃষ্ঠা ৮৩৪) শংকৰদেৱকো বৈকুণ্ঠলৈ নিবৰ কাৰণে "বৈকুণ্ঠৰ নৌকা জান আসিলন্ত পাচে।" (পৃষ্ঠা ৮৪৩)

চৰিতৰ্খনিত ঘোৰাও অন্য এটা যাতায়াতৰ বাহন ৰূপে দেখুৱাইছে। (পৃষ্ঠা ৬১) ভোটবিপাকে ৰাজধৰক ধৰি নিওতে ঘোৰাৰ ওপৰত উঠি বিচাৰি গৈছিল,

'ঘোৰা চৰি পঞ্চদশ লোক লৈয়া সঙ্গে।
মহাবেগে চুটি দিয়া খেদি গৈলা ৰঙ্গে ॥" (পৃষ্ঠা ৬৩)

ৰামানন্দ দ্বিজৰ "শ্ৰীগুৰু চৰিত"ত যাতায়াতৰ প্ৰধান ব্যৱস্থা নাও বুলিয়েই উল্লেখ আছে। বেলাবেপাৰ, ইপাইৰ পৰা সিপাইলৈ যাবলৈ, বস্তু অনা-নিয়া কৰিবলৈ পানীয়েদি নাৱকেই ব্যৱহাৰ কৰিছিল। আনকি শংকৰদেৱ মাধৱদেৱৰ সৈতে জাতি ভুঞাসকলক লৈ কামৰূপৰ পৰা ৰজা নৰনাৰায়ণৰ ৰাজ্যলৈ যাওঁতা হওতেও নাৱতেই গৈছিল। ভুৰতো অহা যোৱা কৰিছিল। "কলকাটি লৈলা পাচে চলিলা ভুৰত ॥" (পৃষ্ঠা ১৯১) ভৱানন্দ ৰাম দাস হৈ মাধৱদেৱৰ লগত নৌকাতে উঠি গন্তব্য স্থানলৈ গৈছিল। (পৃষ্ঠা ২০৩)

দোলা আন এটি বাটেদি অহা যোৱা কৰাৰ বাহন আছিল। ৰজা নৰনাৰায়ণে শংকৰদেৱৰ পাণ্ডিত্যত মুহিত হৈ শংকৰদেৱ যাবলৈ বাৰশ পাইকক দোলাত কৰি নিবলৈ আদেশ দিছিল। (পৃষ্ঠা ২২৪)

শংকৰদেৱ বেহাৰলৈ নৌকাৰে গৈছিল। নাৰায়ণক নৌকা সাজু কৰিবলৈ কৈছিল, "কাৰণ আপুনি জানাহা সবে নৌকাৰ কৰ্ম।" (পৃষ্ঠা ৩৮১)

ভূষণ দ্বিজৰ 'শ্রীশ্রীশংকৰদেৱ'তো যাতায়াতৰ প্ৰধান আহিলা নৌকা বুলিয়েই দেখুৱাইছে। চণ্ডীবৰ কমতাপুৰৰ পৰা গৌড়দেশলৈ নাৱেৰে আহিছিল। (পৃষ্ঠা ৩)

জগন্নাথ ক্ষেত্ৰলৈকো যাতায়াতৰ বাহন আছিল নাও। জগন্নাথ ক্ষেত্ৰলৈ গৈ নাৰায়ণ দাসে ঘাটত নাৱ বান্ধিছিল। (পৃষ্ঠা ৭৪) 'মহাপুৰুষ শ্রীশ্রীগোপালদেৱৰ চৰিত্ৰ'তো নাৱকেই মুখ্য পৰিবহণ ব্যৱস্থা হিচাবে দেখুৱাইছে। জয়ন্ত পৰা গোপালক ভবানীপুৰৰ পৰা বৰপেটালৈ নাৱেৰে লৈ গৈছিল। (পৃষ্ঠা ৭)

লক্ষ্মণ চাৰণাৰৰ 'বাছৰি নাৱত মাধৱদেৱে দক্ষিণ কালে যাত্ৰা কৰিছিল। (পৃষ্ঠা ৫৯)

নবীন গৃহ নিৰ্মাণৰ কাৰণে ভবানীপুৰৰ পৰা গোপাল আতাই নাৱত চতি কাটি আনিছিল,

"দুই গোটা চৌতি কাটিয়া চাকিয়া
নাৱে ভৰি লৰিলন্ত।" (পৃষ্ঠা ৩৭)

মাধৱদেৱে নাৱেৰেই গোপাল আতাক ভবানীপুৰৰ পৰা অকাত বৰপেটালৈ আগবঢ়াই আনিছিল। (পৃষ্ঠা ৩৮)

কামৰূপৰ পৰা বেহাৰলৈ মাধৱদেৱ নাৱেৰে গৈছিল। (পৃষ্ঠা ১৩২) "শাল্মলি কাঠৰ নৌকাত' গোপাল আতা ভবানীপুৰৰ পৰা কামৰূপলৈ যাত্ৰা কৰিছিল। (পৃষ্ঠা ৩০১)

বস্তু কঢ়িয়াবলৈ, আহ-যাহ কৰিবলৈ নাৱৰ ব্যৱহাৰ। বেত গাজ কাটিবলৈ নাৱত গৈছিল আৰু নাৱত আনিছিল। (পৃষ্ঠা ৩৩৬)

একাদশ আতাই পৰিবাৰক লগত লৈ নাৱত উঠি কালঝাৰ সত্ৰৰ পৰা ভবানীপুৰৰ গোপাল আতাৰ ওচৰলৈ আহিছিল। (পৃষ্ঠা ৪১৬)

ঘোৰাত উঠিও ইকালে সিকালে গৈছিল—'ঘোটকত চৰি গৈলা পূৰ্ব্ব প্ৰদেশক।" (পৃষ্ঠা ১৫)

নীলকণ্ঠ দাসৰ 'শ্রীশ্রীদেৱ দামোদৰ চৰিত্ৰ'ত নাৱকেই মুখ্য পৰিবহণৰ আহিলা বুলি পোৱা গৈছে। "বস্তু বস্তু আছে মানে নৌকাত ভৰিল।" (পৃষ্ঠা ৩৮) এৰা বৰদোৱাৰ পৰা হাজোলৈ যাত্ৰা। আকৌ হাজোৰ পৰা বৰপেটালৈ যাবলৈ ঠৈ দিয়া নাৱ সজাই লৈছিল। (পৃষ্ঠা ৪৩) সোমাৰৰ পৰা মাছৰে নাৱেৰে পাটবাউসীলৈ আহি দামোদৰদেৱৰ ওচৰত শৰণ লৈছিল। (পৃষ্ঠা ৯৩) এনেকৈয়ে নৌকাৰে ভ্ৰমণ কৰাৰ কথা (পৃষ্ঠা ৯৬) আছে।

যজ্ঞাকান্ত দ্বিজৰ 'শ্ৰীশ্ৰীবনমালিদেৱৰ চৰিত'তো নাৱেৰে যাতায়াত কৰাৰ কথা আছে।

'পাৰ হৈবে লাগি নৌকাত চড়িলা মানে নাৱ বহি আছে। (পৃষ্ঠা ৪৭)

কেন শুনি নৌকা দিয়া নৃপে পঠাইলন্ত।" (পৃষ্ঠা ৬৯)

"কিচোমান ভয় নৌকাখানি পাইব জাই।" (পৃষ্ঠা ৭৩)

বৰেশ্বৰ গোঁসাই সংকলিত "শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত"তো যাতায়াতৰ বাহন হিচাবে নৌকাৰ কথাই উল্লেখ আছে।

'গৈয়া গৈলা নাৱে পাছে পিতৃৰ গৃহক।' (পৃষ্ঠা ৭২)

'ভকত সহিতে আলোচ কৰিয়া
এক নৌকা ধৰি লৈয়া।' (পৃষ্ঠা ১১৪)

'চাৰি গোটা চৌটি কাটিয়া চাঙ্কিয়া
নাৱে ভৰি লৰিলন্ত। (পৃষ্ঠা ১১০-৭৩)

ৰমানন্দ দ্বিজৰ 'শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ'ৰ এটি অধ্যায়ত বংশীগোপালে 'অসম দেশ এৰি বেপকৰা নাৱত ভাটীলৈ যাত্ৰা কৰিছিল, তাৰ বিৱৰণ দিছে। (পৃষ্ঠা ২৫-২৯)

'তিনিও সত্ৰক ধৰিবে মনক
ভিনে ভিনে নৌকা দিলা।' (পৃষ্ঠা ১১৬)

'এক দিনা তেহে বহু নৌকায়ে আসিলা।' (পৃষ্ঠা ১৩৭)

'আনো নৌকা বুকবাঞ্চ শিবা বৰ ভকা পাঞ
লোহিতৰ সিপাৰ নপাঞ। (পৃষ্ঠা ১৪৯)

'নৌকা তালে উঠিয়া যাটত। 'নৌকা মেলি দিলেক তাৱত, 'কিবা নৌকা ভটীয়াবে পাছে নৌকা যাই' (পৃষ্ঠা ১৫০), সাত খান নৌকা ভৰি (পৃষ্ঠা ১৫১) নৌকা কিনিবাক গ্ৰামে গ্ৰামে পথাটিলা।' (পৃষ্ঠা ১৬৩), 'লোহিতমধ্যত নৌকা বান্ধি' (পৃষ্ঠা ১৮২)।

দৈত্যাৰি ঠাকুৰৰ "শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱ" চৰিততো

'নৌকা এক লৈয়া গুৱা তৰা দিয়া
ভকতে লৰি গৈল।' (পৃষ্ঠা ৫৭)

মানুহ ওচৰলৈ পুনৰ মাধৱদেৱৰ টেঙুৰানী লৈ যাবলৈ, 'সঙ্গে লৈয়া যাইবে লাগি নাৱ এক লৈলা। গুৱা কিনি নাৱ ভৰা দিয়া লৰি গৈলা।' (পৃষ্ঠা ৬৪)

'চলিলা শংকৰদেৱ নাৱত চৰিয়া।' (পৃষ্ঠা ১০৯)

'নাৱে যাই লোহিত্যৰ বালি বৈলন্ত।' (পৃষ্ঠা ২৯৭)

'একখন বালিত নাৱ চপাই উঠিলন্ত।' (পৃষ্ঠা ৩০০)

'ৰাখিয়োক নাৱ দুখ পাৱে আৰে মানে।
অনন্তৰে নাৱত চৰিলা দুয়োজনে॥" (পৃষ্ঠা ৩০১)

'গুৰু চৰিত কথা'ত বাটৰ পৰিবহণ হিচাবে নাৱকেই প্ৰধান বাহন হিচাবে ব্যৱহাৰ কৰা বুলি পোৱা যায়। অৱশ্যে পৰিবহণৰ অন্যান্য ব্যৱস্থাও আছিল। বাটেদি যাব লগা অনেক লোকে দোলা ব্যৱহাৰ কৰিছিল। গৰুৰ গাড়ীৰ ব্যৱহাৰৰ কথা পোৱা নেযায়। পানীত পৰিবহণ হিচাবে ব্যৱহাৰ কৰা নাৱৰো আকৌ অনেক বিধ প্ৰকাৰ কথা পোৱা গৈছে—কোস্থা মানচ, গমাৰি নৌকা, কাষ নাও পিনিচি, চেৰেকাভাৰি, বজৰা আদি।

সদাগৰ বা মুদৈসকলৰ নিজৰ নাৱ আছিল। বেহা-বেপাৰৰ বস্তু আৰু কেতিয়াবা মানুহো তেওঁলোকৰ নাৱত অনা-নিয়া কৰিছিল। শংকৰদেৱ আৰু সঙ্গীসকলে তীৰ্থ পৰ্যটনৰ কালত বহুক্ষেত্ৰত খোজ কাঢ়িয়েই ঘূৰিছিল। অন্য সাধাৰণ শ্ৰেণীৰ লোকে খোজ কাঢ়িয়েই ঘূৰিছিল।

গোবিন্দ গিৰিও মাধৱদেৱৰ লগত নাৱেৰে গৈছিল (পৃষ্ঠা ৫৩)। মাধৱদেৱৰ নাৱেৰে ককায়েকৰ ওচৰৰ পৰা (বান্দুকা) মাকৰ ওচৰলৈ নাৱেৰে আহিছিল। (পৃষ্ঠা ৫৫) আনহাতে ধনাই মুচৈয়েও গুৱা পজাই নাৱ ধৰি উজাই আহিছিল। (পৃষ্ঠা ৫৫)

দুই ভক্ত পাৰ হবাৰ "গৃহ ধৰ নাঞ আছিল: তাতে ভৰা দি পৰ ৰভৰ ভৰি পৰ্য্যন্ত (ভৰা দি) —" (পৃষ্ঠা ৬৮) উঠিছিল।

ভৱানন্দই "নাঞ বেহা ধৰিলা" (পৃষ্ঠা ৭২) আৰু এসময়ত যথেষ্ট ধনৰ গৰাকী হৈছিল।

'পাচ আজা নাৱলৈ পদ বিদাই লৈ লেৱাক —' (পৃষ্ঠা ৭৮)

"ঠাকুৰ আ'তা বোলে এটি মানুহ লাগিল নাঞৰ আগত॥" (পৃষ্ঠা ৮৭)

"এটি জান আছে তাতে নাঞখানি লিপাবে আছে: হেচুকি দিলে উপাৰ পাই: লিপাবে এটাই দুই ঘূৰিছে: তাকে বোলে নাঞ খানি উপাৰকৈ দে: আৰি

জগত গুৰু ঠাইলৈ জাঞ্জ :" (পৃষ্ঠা ৯৫) অয়োজনা গুৰু নাৱৰে গতি কৰাৰ কথাও আছে (পৃষ্ঠা ১১৪)। মাধৱদেৱক ধৰবৈ, "বস্ত্র বুৰি দি ন্নৌকাৰে খৈ গলহি:" (পৃষ্ঠা ১২১)। পিনিচ নাৱৰ উল্লেখ (পৃষ্ঠা ১৮৫), বানচৈ গধাবি নাৱৰ উল্লেখ (পৃষ্ঠা ১৮৭, ৩৬০) কোষা নাৱৰ উল্লেখ (পৃষ্ঠা ৩৫৩), চেবেন্দা ভাৰিৰ উল্লেখ (পৃষ্ঠা ১৮৭), মুদৈৰ নাৱৰ উল্লেখ (পৃষ্ঠা ২০৭), কোষ নাৱৰ উল্লেখ (পৃষ্ঠা ৪৫২) আছে।

ইয়াৰ উপৰি যদুমণিয়ে "দেৱাই মাজিৰ নাৱত চুকনি দি উজাই আহি হাউৰা ঘাটে উঠি গৈ গুৰুজনক সেৱা কৰিছেহি ॥" (পৃষ্ঠা ২২৯)

কাতি মহীয়া আকালৰ দিনত "তিনটি লোক পাঞ্জে বান্ধি বৈ আছে" (পৃষ্ঠা ৪৫৪) আৰু কেশচৰণ আতা তেওঁলোকৰ লগতে ভেৰণ নিদিয়াকৈ নৈ পাৰ হৈ আহিছিল।

"তেহে আতৈএ আতাক নি খাবানা সৈতে চণ্ডিবৰ কটকি গজালে জাই হতে তুলি দি চেনি কৰি চাৰি কাঞ্চন দিবলৈ আগ্য তুলি বৈঠা বোৱাইছে " (পৃষ্ঠা ৪৫৫)

এনেকৈয়ে 'গুৰু চৰিত কথা'ত প্ৰসঙ্গক্ৰমে যাতায়াতৰ বাহন হিচাবে কেনেকৈ বিভিন্ন ধৰণৰ নাৱ ব্যৱহাৰ হৈছিল তাৰ উল্লেখ আছে। তাৰোপৰি গুৰু জনাই তীৰ্থ ভ্ৰমণৰ সময়ত বহু সময়ত ঘোঁৰা কাঢ়িয়েই ঠাইৰ পৰা সিঠাইলৈ যোৱাৰ কথা আছে। (পৃষ্ঠা ২৩ ২৮, ১২৩-৪২)

কবি ৰামৰায় দাসৰ 'গুৰুলীলা'তো দামোদৰদেৱে পশ্চিমলৈ শংকৰদেৱৰ ওচৰলৈ যাবলৈ নাৱৰ ব্যৱস্থা কৰাইছিল। (পৃষ্ঠা ২১) বনগঞ্জাগিৰিয়েও "মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ" নামৰ চৰিতপুথিত হৰিদেৱ তীৰ্থলৈ যাত্ৰা কৰি ভেলাত যাবলৈ ওলাওৱাৰ কথা লিখি, শেষত গোটেই তীৰ্থৰ বাট জলিৰ ভেলতেই কৰি শেষ কৰাৰ কথা লিখিছে—

"বৰলীৰ ভেল সাজি" (পৃষ্ঠা ৬০)

"গোবিন্দ সহিতে মোক ভেল সাজি দিয়া" (পৃষ্ঠা ৬৪)

"সুভদ্ৰাক লৈ ভেলে উঠিলা আপোনি।" (পৃষ্ঠা ৭৭)

জন্তুও বাহন আছিল সেই কথা, হৰিদেৱ বৃন্দাবনলৈ যাবলৈ ওলাওঁতে, ঘোৰনে, যাইবা পদ ব্ৰজে যাবা তুমি" (পৃষ্ঠা ১২৭) বুলি কৃষ্ণাচাৰ্য্য পাওৱাই দোধাৰ কথা আছে। ঘোঁৰা কাঢ়িও ঠাইৰ পৰা সিঠাইলৈ অহা-যোৱা কৰিছিল।

ষষ্ঠ অধ্যায়

সামৰণি

মধ্যযুগৰ অসমৰ চৰিত গ্ৰন্থসমূহত (আমি আমাৰ গৱেষণাত সাঙোৰা প্ৰকাশিত গ্ৰন্থ কেইখনৰ কথাহে ধৰিছো) বৈষ্ণৱ সন্ত মহন্তসকলৰ জীৱন কথা অতি প্ৰভাৱে অংকণ কৰাৰ লগতে সেই সময়ৰ সমাজ জীৱন, শিক্ষ, ধৰ্মীয় পৰিবেশ অলৌকিকতাৰ স্থান অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক পৰিৱেশ, অলৌকিকতাৰ স্থান, নাৰীৰ স্থান, যাতায়াত ব্যৱস্থা, খাদ্য দ্ৰব্য আদিৰ বিষয়েও কোনোখনত বিস্তৃত, কোনোখনত সংক্ষেপতে হলেও উল্লেখ কৰিছে। গতিকেই এই চৰিত গ্ৰন্থসমূহক মধ্যযুগৰ অসমৰ ইতিহাসৰ সমল বুলি ধৰিব পৰা যায়।

বিভিন্ন সময়ত বিভিন্ন ঠাইত চৰিত লেখকসকলে তেওঁলোকৰ নিজৰ দৃষ্টিভংগী, অভিজ্ঞতা, সমল আদি লৈ চৰিতৰ নায়কক প্ৰাধান্য দি চৰিত কথাৰ লগতে আনুষংগিক ঘটনা, কথা সমূহকো স্থান দি গৈছে। গতিকে চৰিত গ্ৰন্থসমূহৰ বিষয়বস্তুৰ বিভিন্নতা পৰিলক্ষিত হয়। সেই বিভিন্নতা সম্বন্ধে আলোচনা কৰা আমাৰ গৱেষণাৰ ভিতৰত নপৰে কাৰণে সেই আলোচনাৰ পৰা আঁতৰি থকা হল। মাত্ৰ চৰিত সমূহত মধ্যযুগৰ অসমৰ যি যি চিত্ৰ পোৱা গল তাকেই আলোচনালৈ অনা হল। চৰিতসমূহে মধ্যযুগৰ অসমৰ ইতিহাস কব পৰা সাহিত্য ৰূপে ইয়াৰ মূল্য যথেষ্ট আছে।

জীৱনী সাহিত্য সৃষ্টিৰ মূলতেই হল মানৱ জীৱন কথাক ধুনীয়া কৰা। চৰিতসমূহতো শংকৰদেৱকে প্ৰমুখ্য কৰি মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ, বনমালীদেৱ, বংশীগোপালদেৱ, হৰিদেৱ আদি বৈষ্ণৱ গুৰু, সন্তসকলৰ জীৱন কথাক অতি প্ৰভাৱে অংকণ কৰি ভকত, বৈষ্ণৱসকলৰ মাজত প্ৰচাৰ কৰি তেওঁলোকৰ বৃত্তি ধুনীয়া কৰাৰ চেষ্টা কৰিছিল। এই সকল লোকক অৱতাৰী পুৰুষ, ঈশ্বৰৰ অংশ বিশেষ ৰূপ মান্য কৰি অতি প্ৰভাৱে চৰিত কথাসমূহ ৰচনা কৰাৰ কাৰণে, তেওঁলোকৰ জীৱন কথাত নানা অলৌকিক ঘটনাই প্ৰাধান্য পাইছিল। ভকত সমাজে, সেই সকলো কথাকে স্বাভাৱিক ৰূপত গ্ৰহণ কৰিছিল। কাৰণ মহাপুৰুষৰ

জীৱন কথা সাধাৰণ লোকৰ পৰা বহুত পাৰ্থক্য বুলি গণ্য কৰা হৈছিল। তেওঁলোকৰ জীৱনৰ মাহাত্মাৰ যোগেদি সেই সময়ৰ জনসাধাৰণক আকৃষ্ট কৰাৰ কাৰণেও চেষ্টা কৰা হৈছিল।

আমি পূৰ্ব্ববৰ্ত্তী অধ্যায় কেইটাত জীৱনী সাহিত্যৰ জন্মৰ পৰা ভাৰতীয় জীৱনী সাহিত্যৰ বিষয়েও কিছু আভাষ দি চৰিত গ্ৰন্থসমূহৰ কাৰ চাপিছোঁ। চৰিত গ্ৰন্থসমূহতেই মধ্যযুগৰ অসমৰ সমাজখনৰ এটি সুন্দৰ ছবি পোৱা যায়। মাধৱদেৱেই প্ৰথম গুৰুজনা শংকৰদেৱৰ জীৱন কথা কীৰ্ত্তন কৰি ভক্তসকলক শুনাইছিল। সেয়াই অসমত জীৱনী সাহিত্যৰ পাতনি আছিল। পাচলৈ সত্ৰসমূহত গুৰুজনাৰ জীৱনীকথা বৰ্ণনা কৰাটো নিয়মত পৰিণত হৈছিল আৰু ভক্তসকলে শ্ৰদ্ধাভাবে সেই চৰিত কথা শুনিছিল আৰু কথাবোৰ বেদৰ বাণীৰ দৰেই মানিছিল। গতিকেই মধ্যযুগৰ অসমৰ ইতিহাস, ৰাজনীতি সমাজ জীৱন, অৰ্থনীতি, শিক্ষা আদিৰ বাৰ্ত্তাবহনকাৰী হিচাবে চৰিতসমূহৰ যথেষ্ট গুৰুত্ব আছে।

অৱশ্যে চৰিত গ্ৰন্থসমূহত নহয়, প্ৰাচীন কালৰ জীৱনী সাহিত্যত মহামানৱসকলৰ জীৱন কথাত বাস্তৱ আৰু অবাস্তৱ সানমিহলি ৰূপত ভৰপূৰ হৈ আছে। গুৰুক, মহান পুৰুষসকলক, ঈশ্বৰ স্বৰূপ জ্ঞান কৰিছিল। গতিকেই জীৱন কথা লেখকসকলে তেওঁলোকৰ জীৱনীৰ নায়কসকলৰ মাজত বি অলৌকিক মাহাত্ম্য, লীলা দেখা পাইছিল, সংশয়হীন ভাবে তাক সত্য ৰূপত গ্ৰহণ কৰিছিল আৰু তেওঁলোক সব মাহাত্ম্য জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছিল।

বৈষ্ণৱ জীৱনী সাহিত্যসমূহ ধাৰ্মিকতাৰ দ্বাৰা উদ্বুদ্ধ আৰু সম্পূৰ্ণ ভাবে মানৱ জীৱন চৰিত নহয়। মধ্যযুগৰ অসম, বঙ্গদেশ আৰু ভাৰতৰ আন ভাষাত ৰচিত জীৱনী গ্ৰন্থসমূহত সন্তসকলৰ জীৱন কথাত বি অলৌকিক ঘটনা সন্নিবিষ্ট কৰা আছে, সেয়া প্ৰকৃততে বাস্তৱ ক্ষেত্ৰত ঘটিছিল নে নাই বিচাৰ কৰিবলৈ গলে, এনে ধাৰণাই হয় যে সন্তসকলক ভক্তসকলে অৱতাৰী পুৰুষ বুলি বিশ্বাস কৰিছিল আৰু সেই সম্বন্ধে কোনো সংশয় নাছিল। গতিকে সংশয়হীন ভক্তসকলৰ কাৰণে সামান্য কথাও অসামান্য হৈ পৰিছিল আৰু জীৱনী সাহিত্যত তাকেই লিপিবদ্ধ কৰিছিল। গতিকে বৰ্ত্তমান যুগৰ জীৱনী সাহিত্য আৰু প্ৰাচীন জীৱনী সাহিত্যৰ মাজত যথেষ্ট পাৰ্থক্য লক্ষ্য কৰা যায়।

চৰিতসমূহত, নায়কজনৰ আদৰ্শাত্মক ৰূপটোহে সদায় প্ৰতিফলিত কৰিছিল। সেই আদৰ্শাত্মক ৰূপ প্ৰতিফলিত কৰিবলৈ বাবেই চৰিতসমূহত পাৰিপাৰ্শ্বিক

অৱশ্যেই নায়কৰ জীৱন কথাত পোনোৱা প্ৰভাৱৰ পৰা আঁতৰি থাকিব পৰা নাছিল। গতিকে নায়কৰ জীৱন কথাৰ লগতে লিপিবদ্ধ কৰা মধ্যযুগৰ অসমৰ সমাজ, ৰাজনৈতিক জীৱন, অৰ্থনৈতিক অৱস্থা, শিক্ষা, ধৰ্মীয় পৰিবেশ আৰু প্ৰভাৱৰ বিষয়ে জানিবলৈ হ'লে চৰিতসমূহ অধ্যয়ন কৰা অপৰিহাৰ্য।

অসমীয়া গ্ৰন্থ :

(ক) সহায়ক গ্ৰন্থ :

১ নেওগ, মহেশ্বৰ গুৰু চৰিতৰ ইতিকথা, ১৯৮৩

২ বেজবৰুৱা, লক্ষ্মীনাথ মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, ২য় সংস্কৰণ, ১৯৬৩

৩ মহন্ত, বাপচন্দ্ৰ, মহাপুৰুষ শংকৰদেৱ, ১ম প্ৰকাশ, আগষ্ট, ১৯৬৪

৪ শৰ্মা, গোবিন্দ প্ৰসাদ, জীৱনী, অসম সাহিত্য সভা, ১ম সংস্কৰণ, ফেব্ৰুৱাৰী, ১৯৭৪

৫ শৰ্মা, ড° সত্যেন্দ্ৰনাথ, অসমীয়া সাহিত্যৰ ইতিবৃত্ত ১৯৮৩, ৩য় সংস্কৰণ

(খ) মূল গৱেষণা গ্ৰন্থ :

১ দীঘি, বনগঞা, মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ, দ্বিতীয় প্ৰকাশ, বহাগ, ১৯০৮ শকাব্দ

২ গোঁসাই, ৺যজ্ঞেশ্বৰ সম্পাদিত, শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত্ৰ, ১৮৮৭ শক (খৃ ১৯৬৫)

৩ ঠাকুৰ, ৰামচৰণ, গুৰু চৰিত, প্ৰথম সংস্কৰণ, ৫০৬ শংকৰাব্দ

৪ ঠাকুৰ, দৈত্যাৰি, শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱৰ চৰিত, সম্পাদক—হৰি নাৰায়ণ দত্ত বৰুৱা, ২য় প্ৰকাশ, ১৯৮৯

৫ দাস, কবি ৰামৰায়, গুৰু লীলা, সম্পাদক শ্ৰীখগেন্দ্ৰনাথ পাঠক, ১ বহাগ, ১৯০৪ শক

৬ মিশ্ৰ, ৰামানন্দ, শ্ৰীগুৰু চৰিত, সম্পাদক—মহেশ্বৰ নেওগ, ১৯৫৭

৭ দ্বিজ, ভূষণ, শ্ৰীশ্ৰীশংকৰদেৱ, বায় চাহেব দুৰ্গাধৰ বৰকটকী সম্পাদিত, দ্বিতীয় প্ৰকাশ, আগষ্ট, ১৯৮৬

৮ দ্বিজ, ৰমাকান্ত, শ্ৰীশ্ৰীবনমালীদেৱ চৰিত্ৰ, সম্পাৰ্দক, শৰৎচন্দ্ৰ গোস্বামী, নতুন প্ৰকাশ, ১৮৭৮ শক, ১৯৫৬ চন

৯ দ্বিজ, ৰামানন্দ, শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ, সম্পাদক, শ্ৰীমহেশ্বৰ নেওগ প্ৰথম তাঙৰণ, ১৮৭২ শক

১০ দাস, নীলকণ্ঠ, শ্ৰীশ্ৰীদবদামোদৰ চৰিত্ৰ, সম্পাদক, শৰৎ চন্দ্ৰ গোস্বামী, ১৯২৭, আগষ্ট

১১ নেওগ, মহেশ্বৰ, সম্পাদনা, গুৰু চৰিত কথা, প্ৰথম তাঙৰণ, ১৯৮৬

১২ মহন্ত, মোহন চন্দ্ৰ আৰু বৰদলৈ নবীন, যুটীয়া সম্পাদক, মহাপুৰুষ শ্ৰীশ্ৰীগোপাল দৱৰ চৰিত্ৰ, প্ৰথম প্ৰকাশ, মে, ১৯৭৮

সহায়ক বাংলা গ্ৰন্থ :

১ কবিৰাজ, কৃষ্ণ দাস, শ্ৰীচৈতন্য চৰিতামৃত, ২য় সংস্কৰণ, ১৯৭৭

২ গোস্বামী, কবিৰাজ চৈতন্য চৰিতামৃত, সুকুমাৰ সেন সম্পাদিত ১৯৭৭

৩ চৌধুৰী, হিমাংশু চন্দ্ৰ, বৈষ্ণৱ সাহিত্য প্ৰবেশিকা, ১৩৬৯, বৈশাখ

৪ দাস, শ্ৰীহৰিদাস, শ্ৰীশ্ৰীগৌড়ীয় বৈষ্ণৱ সাহিত্য, ৪৬২ চৈতন্যাব্দ

৫ নন্দী, সন্ধ্যাকৰ, ৰামচৰিত, ৰাধা গোবিন্দ বসাক প্ৰণীত, ১৯৫৩

৬ বন্দ্যোপাধ্যায়, অসিত কুমাৰ, বাংলা সাহিত্যেৰ ইতিহাস ১ম সংস্কৰণ, ১৯৬২

৭ বন্দোপাধ্যায়, ড বিশ্বনাথ পালি ও প্ৰাকৃত সাহিত্যেৰ ইতিহাস, ১ম প্ৰকাশ, আশ্বিন, ১৩৭৯

৮ মজুমদাৰ, বিমান বিহাৰী, শ্ৰীচৈতন্য চৰিতেৰ উপাদান, ১৯৩৯

৯ সেন, গিৰিশ চন্দ্ৰ, মহাপুৰুষ চৰিত, ১ম ভাগ, ৩য় সংস্কৰণ, ১৮৩০ শক

১০ শাস্ত্ৰী, ত্ৰিপুৰা সেন, বৈষ্ণৱ সাহিত্য, ১৩৬৮ বঙ্গাব্দ

ইংরাজী সহায়ক গ্রন্থ :

1 Andre, Mourois, Aspects of Biography, 1929

2 Advance Literary Essays, Fourth Ed, 1965

3 Chaitanya, Krishna, A New History of Sanskrit Literature, 1962

4 Chaitanya, Krishna, History of Classical Sanskrit, 1970

5 Dasgupta, S N., A History of Sanskrit Literature, 1971

6 Encyclopaedia Americana, Vol IV, Ad 1960

7 Everyman's Encyclopaedia, Vol 2, Copyright. 193 /32

8 Encyclopaedia Britannica, Vol 3, Fourteenth ed, 1973-1974

9 Encyclopaedia Americana, International Edition, Vol 3, 1976

10 Encyclopaedia of Religion and Ethics, Vol II, 1981

11 Garraty, John A , The Nature of Biography, Ist Ed., 1957

12 Gittings, Roberts, The Nature of Bio-graphy, 1978

13 Gadkar, S. D. Gajendra Ed , Harsacarita

14 Keith, A History of Sanskrit Literature, 1966

15 Kane, P V , Ed, Harshacarita, 1917

16 Mundra, Prof. S N., History of English Literature, Vol III, March, 1964

17 Macdonell Arthur, History of Sanskrit Literature, 1962, 1971

18 Nandi, Sandhyakar, Ramacarita, Ed. Haraprasad Sastri, 1910

19 Nandi, Sandhyakar, Ramacarita, Ed. Dr. R. C. Majumdar and others', 1939

20 Sastri, Gauranath, A Concise History of Classical Sanskrit, 1960

21 The New Encyclopaedia Britanica, Vol 2, 15th Ed.

22 The Concise Oxford Dictionary of Current English, Fourth Ed, 1951

23 The Century Dictionary, Vol I

24 The Century Dictionary, Vol IV

25 The Encyclopaedia Britannica, Fourteenth Ed. Vol II, 1929

26 Thomas, F W and Cowbell, E. B. translated, The Harsacarita, 1961

27 Winterniz, History of Indian Literature, Vol II and III, Part I, 1963, 1972.

পৰিশিষ্ট অধ্যায়

মোৰ গৱেষণাৰ বিষয় 'মধ্য যুগৰ অসমৰ চৰিত পুথিৰ এটি অধ্যয়ন'ৰ কাৰণে তলত উল্লেখ কৰা প্ৰকাশিত চৰিত গ্ৰন্থ কেইখনকে সমল হিচাপে লোৱা হৈছে। প্ৰতিখন চৰিত গ্ৰন্থৰে নিজস্ব বৈশিষ্ট্য আছে। সেই সম্বন্ধে এই অধ্যায়ত উল্লেখ কৰা হ'ল।

চৰিত গ্ৰন্থ কেইখন হ'ল —

(১) গুৰু চৰিত — ৰামচৰণ ঠাকুৰ

(২) শ্ৰীগুৰু চৰিত — ৰামানন্দ দ্বিজ

(৩) শ্ৰীশ্ৰীশংকৰদেৱ — ভূষণ দ্বিজ

(৪) মহাপুৰুষ শ্ৰীগোপালদেৱৰ চৰিত্ৰ (পাঁচ খন পুথিৰ সাৰ)

(৫) শ্ৰীশ্ৰীদেৱ দামোদৰৰ চৰিত্ৰ — নীলকণ্ঠ দাস

(৬) শ্ৰীশ্ৰীবনমালীদেৱ চৰিত্ৰ — ৰমাকান্ত দ্বিজ

(৭) শ্ৰীশ্ৰীগোপালদেৱ কথা চৰিত — ৰত্নেশ্বৰ গোসাঁই সংকলিত

(৮) শ্ৰীশ্ৰীবংশীগোপালদেৱ চৰিত্ৰ — ৰমানন্দ দ্বিজ

(৯) শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱৰ চৰিত — দৈত্যাৰি ঠাকুৰ

(১০) গুৰু চৰিত কথা — নেওগ সম্পাদিত

(১১) গুৰু লীলা — কবি ৰামৰায় দাস

(১২) মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ — বনগঞাগিৰি

(১) 'গুৰু চৰিত' (শ্ৰীমন্ত শংকৰদেৱৰ লীলা চৰিত) ৰামচৰণ ঠাকুৰ বিৰচিত। সম্পাদক—শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা সাহিত্যৰত্ন। নলবাৰী, অসম। প্ৰকাশক শ্ৰীমুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, এম. এ. দত্ত বৰুৱা, নলবাৰী, অসম। প্ৰথম সংস্কৰণ ৫০৩ শংকৰাব্দ, মূল্য সাত টকা মাত্ৰ। পৃষ্ঠা ৮৮৩।

'গুৰু চৰিত' ৰামচৰণ ঠাকুৰৰ ৰচনা। ৰামচৰণ মহাপুৰুষ মাধৱদেৱৰ ভাগিনীয়েক। ৰামচৰণ ঠাকুৰৰ ৰচিত পুথিখনক "কোনো কোনোৱে 'বৰ চৰিত' বোলে আৰু ইয়াকেই বেছি প্ৰামাণ্য বুলি কয়"[১]। কিন্তু এনে সন্দেহো থকা দেখা যায় যে এই চৰিত খন ৰামচৰণে ৰচনা কৰা নহয়, কাৰণ তেওঁৰ পুত্ৰ

---

১ ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, ১ম সংস্কৰণ ৫০৩ শংকৰাব্দ, ভূমিকা, পৃষ্ঠা ১।

দৈত্যাৰি ঠাকুৰেও এখন 'শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱ চৰিত' বুলি পুথি ৰচনা কৰিছিল। কিন্তু দৈত্যাৰি ঠাকুৰৰ ৰচনাৰ ক'তো ৰামচৰণ ঠাকুৰৰ চৰিতৰ উল্লেখ নাই। কাৰণ পিতাক ৰামচৰণ ঠাকুৰে এখন চৰিত ৰচনা কৰি থৈ যোৱাৰ পাচত পুত্ৰ দৈত্যাৰি ঠাকুৰে আন চৰিত কিয় ৰচনা কৰিব? "কিন্তু সন্ত সাধুৱে এই 'বৰ চৰিত'ৰ ওপৰত যি অপৰিসীম আস্থা দেখুৱায়, তাৰ পৰা অনুমান হয়—ই ৰামচৰণ ঠাকুৰদেৱৰেই ৰচিত"[১]।

'গুৰু চৰিত'ত মহাপুৰুষ শংকৰদেৱৰ উপৰিপুৰুষ, শংকৰদেৱৰ জীৱন কথা অতি বিস্তৃত ভাবে বৰ্ণন কৰিছে। ইয়াত সেই সময়ৰ দেশৰ, সমাজৰ, কৃষ্টি সংস্কৃতিৰ সকলো বিষয়ৰেই অতি বহল বৰ্ণনা কৰিছে।

আৰম্ভণীৰ বাক্য জুটাতেই—
"জয় জয় অনাদি ঈশ্বৰ দেৱহৰি।
শংকৰ স্বৰূপ পৃথিৱীত অৱতৰি॥" (পৃষ্ঠা ১)

বুলি শংকৰদেৱক অনাদি ঈশ্বৰৰ অৱতৰি পুৰুষ ৰূপত বৈকুণ্ঠ-পুৰক অনাথ কৰি ভাৰতৰ লোকক কৃপা কৰিবৰ কাৰণে পৃথিৱীলৈ আহিছে সেই কথা ব্যক্ত কৰিছে। আনকি শংকৰদেৱক শ্ৰীবৎস আৰু কৌস্তুভ মণি পৰিধান কৰা চতুৰ্ভুজ ৰূপতো কাৰণী ধৰা ভকতে দেখা পাইছে[২]।

ৰামচৰণ ঠাকুৰে চৰিত গ্ৰন্থত নিজৰ ভক্তি ভাব য'তেই সুবিধা পাইছে প্ৰদৰ্শন কৰিছে[৩]। সমগ্ৰ গ্ৰন্থখনত আদিৰ পৰা অন্তলৈকে অলৌকিক ঘটনাৰে পৰিপূৰ্ণ হৈ আছে। পূৰ্বে গ্ৰন্থৰ কলেৱৰ তাৰ কাৰণেও বাঢ়িছে।

সমগ্ৰ গ্ৰন্থত এটা কথা বেচ চকুত পৰা হৈছে, সেইটো হ'ল—তেতিয়াৰ দিনত ব্ৰাহ্মণসকলৰ দান-দক্ষিণাৰ প্ৰতি থকা লোভ। গোটেই গ্ৰন্থত যিমান সামাজিক অনুষ্ঠানৰ কথা উল্লেখ কৰিছে, তাতেই অনিমন্ত্ৰিত ব্ৰাহ্মণ, বিপ্ৰসকলে দান ল'বৰ কাৰণে উপস্থিত হৈছেগৈ। অকল সেয়ে নহয়, ব্ৰহ্ম ভোজনৰ কাৰণেও

১ ৰামচৰণ ঠাকুৰ গুৰু চৰিত, ১ম সংস্কৰণ ৫০৬ শংকৰাব্দ বুধবৰু, পৃষ্ঠা ১।

২ ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, ১ম সংস্কৰণ, ৫০৬ শংকৰাব্দ পৃষ্ঠা ৩০১।

৩ প্ৰাগুক্ত, পৃষ্ঠা ২০ ৩৫ ৩৩ ৬০, ৬৫ ৬৬, ৯২, ৯৩, ১০৮, ১১১, ১৪৬ ৪৯, ১৫৭, ১৫৮, ১৮১ ৯১, ১১২, ২৪৩, ২৪৪ ২৫৬ ৫৮ ২৮৯, ৯০ ৩৭০, ৩৫২, ৪২৭ ৪২৮, ৪৮৩, ৫৮৪, ৪৯৮, ৪৯৯, ৫১১, ৫২২, ৫৩৭, ৫৭২, ৫৭০, ৫৭৬, ৫৭৭, ৬১১ ৬১৪, ৬৩৭, ৬৪৩, ৬৪৭, ৬৮২-৮৫, ৭১২, ৭৩২ আদি।

আগ্ৰহী আছিল। শংকৰদেৱৰ মাতৃৰ শ্ৰাদ্ধ অনুষ্ঠানত ভোজনৰ সময় হোৱাত ব্ৰাহ্মণসকলৰ অৱস্থাৰ এটি হাস্যৰসাত্মক বিৱৰণো দিছে[1]।

শংকৰদেৱে উনৈশ বছৰ বয়সত ভাৱনা কৰা, সাত বৈকুণ্ঠৰ পট অঁকাৰ কথা, চিহ্ন নামে যাত্ৰা কৰাৰ কথা উল্লেখ আছে। পেহাক বুঢ়াখাৰ আৰু আন ভক্তা সকলৰ বৈকুণ্ঠ পুৰী চাবৰ মন যোৱাৰ কথা উল্লেখ আছে। 'ভাৱনা' শব্দৰ ব্যৱহাৰ ভেটিয়াই কৰিছে। নৰোত্তম, কৰ্ণপুৰ আৰু চতুৰ্ভুজ এই তিনিজন 'গহন' সন্ন্যাসীত শিকি বৈকুণ্ঠপুৰ দেখুৱাব বুলি শংকৰদেৱে কৈছে[2]। প্ৰকৃততে শংকৰদেৱে উনৈশ বছৰ বয়সত এনা কৰি হল নে? 'গুৰু চৰিত কথা' মতে প্ৰথমবাৰ তীৰ্থৰ পৰা ঘূৰি অহাৰ পাছতহে চিহ্ন যাত্ৰা কৰা, বৈকুণ্ঠৰ পট অঁকাৰ উল্লেখ আছে।

ৰামৰাম গুৰু, আৰু আন আন পণ্ডিত ব্ৰাহ্মণসকলে শংকৰদেৱেও শৰণ লোৱা 'উত্তৰ সংবাদ' পুথি লিখা আদি কথাবোৰ—আগৰ কথা পাছৰ কথা একে হৈছে।

শংকৰদেৱে মূৰ্ত্তি প্ৰতিষ্ঠা কৰাৰ কথা আছে। তেমুৱানীত কীৰ্ত্তন ঘৰৰ কাৰণে মাটি খণ্ডাত চতুৰ্ভুজ মূৰ্ত্তি পালে, আসনত প্ৰতিষ্ঠা কৰিলে[3], তাৰ পাছত লোন উৎসত মূৰ্ত্তি থৈছে, মেজাহ যজ্ঞৰ কাৰণে বগা ছাগলী শংকৰদেৱে নিজে কিনাই অনোৱা, মেজাহ যজ্ঞ কৰিছে।

"শংকৰ হৰিষ কৰি   গুৰু তিল মূল ধৰি
মেজাহ যজ্ঞ কৰিল ॥" (পৃষ্ঠা ৩৫৩)

ইয়াতেই প্ৰশ্ন হয় শংকৰদেৱে প্ৰকৃততে মেজাহ যজ্ঞ কৰিছিল নে?

শংকৰদেৱৰ মাহাত্ম্য প্ৰচাৰ কৰিবৰ কাৰণে চৰিতত অতিলৌকিক কথাৰ প্ৰাচুৰ্য। প্ৰথমবাৰ তীৰ্থ কৰিবলৈ জগন্নাথ ক্ষেত্ৰলৈ যাওঁতে জগন্নাথৰ পাণ্ডাক স্বয়ং জগন্নাথৰ গোসাঁয়ে আজ্ঞা দিছে,

'মোৰ প্ৰাণ নাথ বুলি আহাংক জানাহা।
প্ৰসাদ দ্ৰব্যক লৈয়া সবে পাণ্ডা যাহা॥
মোক নমস্কাৰ কৰাই যাহা তান পাৱে।
দিবাহা প্ৰসাদ শংকৰক নম্ৰ ভাৱে॥" (পৃষ্ঠা ৪১৫)

১ ৰামচৰণ ঠাকুৰ গুৰু চৰিত, ১ম সংস্কৰণ ৩০৩ শংকৰাব্দ, পৃষ্ঠা ১৯৩।
২ প্ৰাগুক্ত পৃষ্ঠা ৩১৫-৩১৭।
৩ প্ৰাগুক্ত, পৃষ্ঠা ৩৫০।

মাধৱদেৱলৈ জোৰোণ পিন্ধাই থোৱা কন্যাকো মাধৱদেৱে শংকৰদেৱৰ লগ পোৱাৰ পাচত, শংকৰদেৱক গুৰু মানি শৰণ লোৱাৰ পাচত বিয়া কৰিবলৈ মন নকৰিলে। কিন্তু ৰামচৰণ ঠাকুৰে চৰিতত,

"সদাগৰি বেটা জানি দিবাংক চাহিলো।

তোমৰাৰ কথা শুনি প্ৰতিশ্ৰুতি হৰুৱাইলো॥" (পৃষ্ঠা ৫১০)

বুলি কন্যাৰ বাপেকে জোৰোণৰ বস্ত্ৰ ঘূৰাই দিয়া কন্যা দান কৰিবলৈ অস্বীকাৰ কৰিছে। প্ৰকৃততে অস্বীকাৰ কৰিলেনে মাধৱদেৱেহে বিয়া নকৰিলে?

চৰিতখনিত একে কাহিনীৰে পুনৰাবৃত্তি হৈছে। হৰি জোঁৱাইক ধৰি নিয়া, মাধৱদেৱকো ধৰি নি এৰি দিয়া কথা চৰিতখনিৰ ৫১৮-৫২০ পৃষ্ঠাত আছে, আকৌ ৫৫৯ ৬২ পৃষ্ঠাত বৰ্ণনা কৰিছে। প্ৰথমবাৰ চৰিতকাৰে নিজে বৰ্ণনা কৰিছে আৰু দ্বিতীয়বাৰ শংকৰদেৱে, নাৰায়ণ দাসে সোধা কথাৰ উত্তৰ হিচাপে বৰ্ণনা কৰিছে।

আকৌ, চৌধ্য বছৰ ধুৱাহাটত থকাৰ পাচত কোচ ৰজা নৰনাৰায়ণৰ বেহাৰ ৰাজ্যলৈ কি কাৰণে শংকৰদেৱ আহিলে সেই কথা নাৰায়ণ দাসে সোধা কথাৰ উত্তৰ স্বৰূপে শংকৰদেৱে চৰিতখনিত দ্বিতীয়বাৰ উল্লেখ কৰিলে ৫৬৪-৬৫ পৃষ্ঠাত। ইয়াৰ আগতে চৰিতকাৰে নিজেই সেই কথা বৰ্ণনা কৰিছে ৫২৮-২৯ পৃষ্ঠাত।

একে কথাৰে, কাহিনীৰে পুনৰাবৃত্তি কৰাৰ কাৰণে চৰিতখনিৰ কলেবৰ যথেষ্ট বৃদ্ধি হৈছে।

শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত বছেৰেকীয়া শ্ৰাদ্ধত ব্ৰাহ্মণ আনিছে, দক্ষিণা দিছে বুলিও চৰিতকাৰ ৰামচৰণ ঠাকুৰে উল্লেখ কৰিছে।

মুঠতে 'গুৰু চৰিত'ৰ বিষয়বস্তু ৰামচৰণ ঠাকুৰে সাত খণ্ডত বিভক্ত কৰি বিস্তৃত ভাবে শংকৰদেৱৰ জীৱন কথা, তেওঁৰ সংস্পৰ্শলৈ অহা সকলো চৰিত্ৰ, কাহিনীক বিস্তৃতভাবে লিপিবদ্ধ কৰিছে।

(২) ৰামানন্দ দ্বিজ—শ্ৰী গুৰু চৰিত

(শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ জীৱন চৰিত)

প্ৰথম খণ্ড

সম্পাদক : মহেশ্বৰ নেওগ

গুৱাহাটী বিশ্ববিদ্যালয়

১৯৫৭

প্ৰকাশক : শ্ৰীমুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

দত্ত বৰুৱা এণ্ড কোং

নলবাৰী : গুৱাহাটী

বেচ ৪ টকা মাথোন, পৃষ্ঠা ৪০৭।

ৰামানন্দ দ্বিজ ৰচিত 'শ্ৰী গুৰু চৰিত' খনিত তেওঁৰ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। "শংকৰদেৱৰ মহা প্ৰয়াণৰ এশ বছৰৰো অধিক কাল পিছত লিখা এই পুথিত ইয়াৰ আগৰ আৰু পিছৰ গুৰু চৰিত সমূহৰ সাধাৰণ ঐতিহ্যৰ পৰা দুই এটি বিৱৰণত পাৰ্থক্য দেখা পোৱা যায়"[1]। ৰামানন্দই তেওঁৰ পিতাক শ্ৰীৰাম আতাৰ পৰা শুনা মতেই চৰিত পুথিত লিখিছে বুলিছে। আন চৰিত পুথিৰ লগত অমিলখিনি হ'ল—(১) শংকৰদেৱৰ জন্ম আহিন কাতিত নধৰি ফাগুনত ধৰিছে, (২) শংকৰদেৱৰ ওচৰলৈ মূল ভাগৱত-পুৰাণ আনি দিয়া তিৰহুতীয়া পণ্ডিত জনৰ নাম জগদীশ মিশ্ৰৰ ঠাইত জগন্নাথ বুলিছে, (৩) শংকৰদেৱৰ জোৱাঁয়েক হৰিৰ নাম মধু বুলিছে, (৪) আহোম চেটীয়া এজনৰ ঘৰত শংকৰদেৱে বিয়া খোৱা বুলি উল্লেখ কৰিছে, (৫) শংকৰদেৱৰ প্ৰথমবাৰ তীৰ্থ কৰিবলৈ যাওঁতে লগত যোৱা সঙ্গীসকলৰ নামৰ তালিকাত জয়গ্ৰীৱ, কন্দৰ, কলিক, ৰত্নক, ধৰাধৰ আদি কোনো চৰিত পুথিত উল্লেখ নথকা নামৰ উল্লেখ কৰিছে, (৬) জয়ন্ত দলৈৰ পত্নীক শংকৰদেৱে প্ৰথম শৰণ দিয়া বুলি উল্লেখ কৰিছে, (৭) গোবিন্দ গিৰীৰ মৃত্যুৰ স্থান বাৰুকাৰ ঠাইত নাৰায়ণপুৰ বুলি উল্লেখ কৰিছে, (৮) বেহাৰত ৰজা নৰনাৰায়ণৰ লগত প্ৰথম সাক্ষাৎ হোৱাৰ পাছত চিলাৰায় দেৱানৰ লগত শংকৰদেৱৰ পৰিচয় হোৱাৰ আৰু ৰজা নৰনাৰায়ণে শংকৰদেৱক যোগী ৰূপে ধৰাই নিয়াৰ কথা লিখিছে, (৯) ইয়াৰ উপৰিও বঙ্গদেশৰ বৈষ্ণৱ গুৰু চৈতন্যদেৱৰ লগত শংকৰদেৱৰ প্ৰথমবাৰ তীৰ্থ পৰ্যটনলৈ যাওঁতেই জগন্নাথ ক্ষেত্ৰত সাক্ষাৎ হোৱাৰ কথা ৰামানন্দ দ্বিজেই প্ৰথম প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে। আৰু দুই এখন চৰিতত এই সম্বন্ধে উল্লেখ আছে যদিও সাক্ষাতৰ সময় সম্বন্ধে বিভিন্নতা আছে।

ৰামানন্দ দ্বিজে শ্ৰী গুৰু চৰিত'ত শংকৰদেৱৰ লগত মাধৱদেৱৰ মিলন হোৱাৰ আগৰ শাস্ত্ৰতৰ্কৰ বিৱৰণ অতি সুন্দৰকৈ দিছে। প্ৰবৃত্তি, নিবৃত্তি, অৱতাৰ, নিৰ্গুণ, ভাগৱতী, কেৱলা, ভক্তি বিভাগ, সাকাৰ, নিৰাকাৰ আদিৰ বিৱৰণ অতি সুন্দৰকৈ দিছে। (পৃষ্ঠা ১৩০-৪০ লৈ)

---

১ ৰামানন্দ দ্বিজ, শ্ৰী গুৰু চৰিত, ১৯৫৭ সম্পাদকৰ পাতনি, পৃষ্ঠা ৫

ৰামানন্দই "শ্ৰীশংকৰদেৱক ঈশ্বৰ বুলি মানি তাৰ তিনিটা কাৰণ দেখুৱাইছে। প্ৰথমতে, তেওঁ গীতাৰ শ্ৰীকৃষ্ণ বাণী লৈ (যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি) আঙুলিয়াইছে। দ্বিতীয়তে, ৰামানন্দই কৈছে, চান্দসায়ে গুৰুজনক প্ৰকৃততে চতুৰ্ভুজ ৰূপে দেখা পাইছিল। তৃতীয়তে, তেওঁ কয়,

'লক্ষ কোটি প্ৰজাচয় যাৰ বাক্য প্ৰবৰ্ত্তয়
তাংক কোনে মনুষ্য বোলয়।

শংকৰ, মাধৱ, গোপালক ঈশ্বৰৰ ক্ৰমিক অভিব্যক্তি বুলি একান্ত বিশ্বাস আৰু ভক্তি তত্বৰ গভীৰ জ্ঞানে চৰিতখনি তত্ব আৰু তথ্যৰ কালৰ পৰা বিশেষ সমৃদ্ধ কৰিছে"[1]।

ৰামানন্দৰ চৰিত পুথিৰ আকৰ্ষণ আৰু পাণ্ডিত্য ফুটি উঠিছে অতি সুন্দৰকৈ শংকৰদেৱে বিভিন্ন পণ্ডিতসকলৰ লগত কৰা শাস্ত্ৰ তৰ্কৰ বৰ্ণনাত, প্ৰয়োজন অনুসৰি ভক্তি তত্বৰ ব্যাখ্যা কৰাত, অসমৰ বাহিৰৰ বৈষ্ণৱ পণ্ডিত ৰূপ সনাতনৰ বিষয়েও বৰ্ণনা কৰাত।

"ৰামানন্দই কৰ্মময় জীৱনৰ শেষ চোৱা আহোম ৰাজ্যত কটোৱাত সেই ৰাজ্যৰ লগত সংশ্লিষ্ট চৰিত কথা আগৰ চৰিতকাৰতকৈ অধিকতৰ পূৰ্ণ ভাবে দিছে। বুৰঞ্জীৰ অন্যান্য ঘটনাৰ বিৱৰণো তেওঁৰ লেখনি সহজ ভাবে চলিছে"[2]।

শংকৰদেৱে নৰৰূপে কামৰূপত অৱতাৰ লৈ বৈষ্ণৱ ধৰ্ম, আদৰ্শ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাৰ বিষয়ে ৰামানন্দই নিজ দৃষ্টিভঙ্গী স্পষ্টকৈ দাঙি ধৰিছে—

'কামৰূপ শ্ৰেষ্ঠ দেশে শংকৰ স্বৰূপে কৃষ্ণ
আসিলন্ত আপুনি ঈশ্বৰ।
অন্য দেৱ উপাসনা কৰিলন্ত নিবাৰণ
নাম ধৰ্ম কৰিলা প্ৰচাৰ।' (পৃষ্ঠা ২৯৫)

ৰামানন্দ দ্বিজে শংকৰ স্বৰূপে কৃষ্ণৰ অৱতাৰ বুলিছে, অন্য দেৱ-দেৱীৰ উপাসনা নিবাৰণ কৰিছে বুলি উল্লেখ কৰিছে, অথচ শংকৰদেৱৰ বালক থকা কালত সখা সমবীয়াৰ লগত,

'কৃত্তিলা কাষ্ঠৰ প্ৰতিমা সাজিলা
তুমি মোৰ ভগৱন্ত।' (পৃষ্ঠা ৩২)

বুলিও উল্লেখ কৰিছে।

---

১ ৰামানন্দ দ্বিজ, শ্ৰী গুৰু চৰিত, ১ম খণ্ড, ১৯৫৭, সম্পাদকৰ পাতনি, পৃষ্ঠা।
২ প্ৰাগুক্ত পৃষ্ঠা।

শংকৰদেৱৰ পিতামহ সূৰ্য্যবৰে শংকৰক উমলি ফুৰাৰ পৰা পঢ়াত লগাবৰ কাৰণে আগ্ৰহ কৰা বুলি চৰিতত আছে। আন চৰিতত, বিশেষকৈ 'গুৰু চৰিত কথা'ত বুঢ়ীমাক খেৰসুতিৰ কথাৰ উল্লেখ আছে। কিন্তু ৰামানন্দই "পাছে পিতামহ কৰন্ত আগ্ৰহ পঢ়িবাক শংকৰৰ"। (পৃষ্ঠা ৩৩) বুলি উল্লেখ কৰিছে।

শংকৰৰ বিদ্যাৰম্ভ কলাপ কেশৰীৰ টোলত হোৱা বুলিছে—

"কলাপ কেশৰী নামে এক গুৰু
আছন্ত সেহি গ্ৰামত।
আগত শংকৰ পাছে সূৰ্য্যবৰ
গৈলা তান গৃহাগত।" (পৃষ্ঠা ৩৮)

আন চৰিতত মহেন্দ্ৰ কন্দলিৰ টোলতহে শংকৰদেৱৰ বিদ্যা শিক্ষা হোৱাৰ কথা আছে।

শংকৰদেৱৰ প্ৰথম কন্যা মনুৰ নাম হৰিপ্ৰিয়া বুলিছে আৰু জোৱায়েক হৰিৰ নাম মধু বুলিছে।

শংকৰদেৱৰ প্ৰথমবাৰ তীৰ্থ পৰ্য্যটনলৈ যাওঁতে জগন্নাথ ক্ষেত্ৰত শংকৰদেৱৰ লগত বঙ্গদেশৰ বৈষ্ণৱ গুৰু চৈতন্যদেৱৰ লগত সাক্ষাৎ হোৱাৰ কথা লেখিছে,

"আছন্ত চৈতন্য হৈতে পশ্চিম দেশত॥
সেহি বেলা শংকৰেও পূৰ্ব্ব প্ৰদেশত।
থিয় দিয়া আছে তীৰ্থবাসীৰ লগত॥
দূৰ হন্তে চৈতন্যে চাহিলা শংকৰক।
দেখিলা শংকৰদেৱে চৈতন্য চন্দ্ৰক॥ (পৃষ্ঠা ৬০)

কিন্তু এই কথাও লিখিছে যে শংকৰদেৱ আৰু চৈতন্যদেৱৰ দূৰৰ পৰাহে দেখা-দেখি হ'ল, কথা-বতৰা হোৱা নাছিল আৰু কোনেও কাকো সম্ভাষণো কৰা নাছিল। কিন্তু চৈতন্যদেৱে শংকৰ সম্বন্ধে ব্ৰহ্মচাৰীৰ আগত "আত হন্তে বহু লোক হৈবেক নিস্তাৰ" (পৃষ্ঠা ৬০) আৰু শংকৰদেৱৰ মহত্ত্ব সম্বন্ধে সেই কথাও ব্যক্ত কৰা বুলিছে।

ৰামানন্দৰ চৰিত পুথি মতে শংকৰদেৱৰ সোন প্ৰথমতে বুঢ়ীমাক (জয়ন্ত দলৈৰ পত্নী) এগৰাকীৰ শৰণ লৈছিল, নামৰ মাহাত্ম্য বুজাইছিল,

"প্ৰথম বুঢ়ী আইত নাম ধৰ্ম্ম কহিলন্ত
তাৰিবাক লাগি সৰ্ব্বজন।" (পৃষ্ঠা ৭৭)

আৰু সেইবাৰে বুঢ়ীমাকে,

"শংকৰৰ আজ্ঞা স্মৰি হাতে কৰ মালা ধৰি
নিতে নাম কৰন্ত জপন।" (পৃষ্ঠা ৭১)

বুলি উল্লেখ আছে।

ইয়াৰ পাচত কুষ্ঠ ৰোগত ভোগা, সমাজে মহাপাপী বুলি গণ্য কৰি অৱজ্ঞা কৰা হৰিৰামক ৰোগৰ কষ্টৰ পৰা উপশম পাবলৈ নামৰ মাহাত্ম্য শংকৰদেৱে বুজাইছিল, অষ্টোত্তৰ শত তুলসী ৰোপন কৰি হৰিৰ নাম শ্ৰৱণ আৰু কীৰ্ত্তন কৰিবলৈ উপদেশ দিছিল।

গজাকুসত বাস কৰা লোকসকলবেই ৰামানন্দ দ্বিজে শংকৰদেৱৰ শৰণ লোৱা প্ৰথম গাঁও বুলিছে। (পৃষ্ঠা ৮৩-৮৫)

মাধৱদেৱৰ ককায়েকৰ নাম ৰূপচন্দ্ৰগিৰী বুলি উল্লেখ কৰিছে, "দেখি ৰূপচন্দ্ৰগিৰী বুলিলা বচন।" (পৃষ্ঠা ১০০)

মাধৱদেৱ গ্ৰহণী ৰোগৰ পৰা আৰোগ্য হৈ ককায়েক ৰূপচন্দ্ৰগিৰীৰ বাণ্ডুকাৰ ঘৰৰ পৰা বিদায় লৈ হোকোৰা কুচিলৈ যাত্ৰা কৰে। হোকোৰা কুচিত ভনীয়েক আৰু ভনী জোৱায়েক ৰামদাসৰ লগত মাকক থৈ গৈছিল। ৰামদাসক মাধৱদেৱ আহি পোৱাৰ পাচত দেৱী পূজা তালকৈ কৰিব বুলিছে। কাৰণ নিজৰ অসুখ দেৱীৰ প্ৰসাদত ভাল হ'ল আৰু সেই কাৰণে ৰামদাসক,

"দেৱীৰ প্ৰসাদে ভৈল কুশল আমাৰ।
ভালমতে পূজা মই কৰিব ইহাৰ॥
শুক্ল ছাগ দুই গোট আনিবাহা চাই।
ৰক্তৰ শূকক আনিবো বেগে চাই॥" (পৃষ্ঠা ১০৬)

বুলি কৈছে। আন চৰিত পুথিত মাধৱদেৱৰ নিজৰ নহয়, মাকৰ অসুখ ভাল হ'বৰ কাৰণেহে দেৱীলৈ ছাগলী আগ কৰাৰ কথা আছে।

শংকৰদেৱৰ ওচৰলৈ তিৰহুতৰ পৰ ভাগৱতলৈ লৈ অহা পণ্ডিতজনৰ নাম জগদীশ মিশ্ৰৰ ঠাইত 'জগন্নাথ নামে এক ব্ৰাহ্মণ আছিলা" (পৃষ্ঠা ১৭৪) বুলিছে।

ৰামানন্দ দ্বিজৰ 'শ্ৰীগুৰু চৰিত'ত সেই সময়ৰ সমাজ জীৱন, ৰাজনৈতিক জীৱনৰ বা অৰ্থনৈতিক জীৱনৰ কথা বৰ বেচিকৈ পাবলৈ নাই। শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন কথা বৰ্ণনা কৰোঁতে প্ৰসঙ্গক্ৰমে যি কথা, ঘটনা আহিছে, সেই বিষয়েহে জনা যায়। কিন্তু বয়স্ক জনে চৰিতখন অতি আন্তৰিকতাৰে যে লিখিছে তাক উপলব্ধি কৰিব পৰা যায়।

(৩) ভূষণ দ্বিজ—শ্ৰীশ্ৰীশংকৰদেৱ

ৰায় চাহেব দুৰ্গাধৰ বৰকটকী দ্বাৰাই সম্পাদিত
দ্বিতীয় প্ৰকাশ : আগষ্ট ১৯৮৬
মূল্য : পঁচিশ টকা
প্ৰকাশক : শ্ৰীশিৱপ্ৰসাদ বৰকটকী
সত্যম্ শিৱম্
অসম ৰাজপথ, যোৰহাট, পৃষ্ঠা ২১২

ভূষণ দ্বিজে ৰচনা কৰা চৰিত পুথি 'শ্ৰীশ্ৰীশংকৰদেৱ'ত সেই সময়ৰ সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক আৰু ধৰ্মীয় পৰিৱেশৰ বিৱৰণ আছে। বহু সময়ত এই চৰিতত পুথিৰ বহু কথাই আনকি পদ-অক্ষৰ পৰ্যন্ত ৰামচৰণ ঠাকুৰৰ ৰচিত 'গুৰু চৰিত' পুথিৰ লগত মিলি যায়। অৱশ্যে দৈত্যাৰি ঠাকুৰে ৰচনা কৰা মহাপুৰুষ শ্ৰীশংকৰদেৱ শ্ৰীমাধৱদেৱৰ চৰিতৰ তথ্যৰ লগত কিছু অমিল থকা দেখা যায়। বিশেষকৈ শংকৰদেৱৰ পিতৃ মাতৃ আৰু প্ৰথমা পত্নী মৃত্যুৰ সময়। ভূষণ দ্বিজৰ পুথিত শংকৰদেৱৰ বিস্তাৰত, আনকি প্ৰথম বিবাহলৈকে মাক দেউতাক জীৱিত থকাৰ কথা আছে।

"ৰূপ গুণ বিদ্যাপতি বয়স আকৃতি মতি
দেখি সৰ্বলোক প্ৰশংসয় ॥
মাতৃয়ো হৰিষ আতি বুলিলা স্বামীক মাতি
ভাল চাই কন্যা জুৰিয়ো ॥" (পৃষ্ঠা ১৭)

শংকৰদেৱ বৈকুণ্ঠী হোৱাৰ পাচত মাধৱদেৱ আৰু দামোদৰ দেৱৰ যি বিৰোধ হৈছিল, সেই কথা ভূষণ দ্বিজে লিখা নাই।

অতি কম পদসবৰ ভিতৰতে ভূষণ দ্বিজে শংকৰদেৱৰ জীৱন কথা বৰ্ণনা কৰিছে। লগতে এই কথাও উল্লেখ কৰিছে,

"ক্ষুদ্ৰ মতি জ্ঞান শূন্য নাহি বোধ পৰ।
মনে ইচ্ছা বৰ্ণাইতে চৰিত্ৰ শংকৰৰ।
দুহি শ্লোক বচে আৰু পদে নিবন্ধিব।
নাহিকে আবিষি তাক চাহিলা লিখিব ॥
শুনা কথা কওঁ পৰে নপৰে মনত।
হোৱে আগ পাচ মোৰ বুদ্ধিৰ দোষত ॥" (পৃষ্ঠা ১২)

ভূষণ দ্বিজে চৰিত পুথি লেখিবলৈ লওঁতে কোনো আহিঁ নাছিল। পণ্ডিতকে শুনা কথা মনত ৰাখি লেখিছে আৰু ইয়াত আগ পাচ হ'ব পাৰে বুলিছে।

ভূষণ দ্বিজে অসমৰ বাহিৰৰ পৰা অসমলৈ অহা পণ্ডিতসকল, যি সকলে নিজৰ পাণ্ডিত্যৰ পৰিচয় দিবৰ কাৰণে শাস্ত্ৰ তৰ্ক কৰিবলৈ উপযুক্ত পণ্ডিত বিচাৰি আহিছিল, সেই সকলৰ কথা, প্ৰব্ৰজনকাৰীসকলৰ কথাও বৰ্ণনা কৰিছে।

ভূষণ দ্বিজ দৈত্যাৰি ঠাকুৰৰ সমসাময়িক। "অসমীয়া সাহিত্যৰ সমীক্ষা আৰু ইতিবৃত্ত"ত ড সত্যেন্দ্ৰনাথ শৰ্মাই খৃষ্টীয় ১৬০০ অৰ্দ্ধমানত ভূষণ দ্বিজে শংকৰ চৰিত পুথি ৰচনা কৰে বুলিছে।[১]

শংকৰদেৱৰ জীৱন কথা বৰ্ণনা কৰোঁতে গুৰুজনাৰ জীৱন কথাৰ লগত জড়িত অনেক পাৰ্শ্ব চৰিত্ৰৰ আমোদজনক কথাৰো উল্লেখ কৰিছে। যেনে শংকৰদেৱে প্ৰথমবাৰ তীৰ্থৰ পৰা ঘূৰি অহাৰ পাচত, শংকৰদেৱে গাভীৰ খাদ্যৰ কাৰণে বনগঞা গিৰিয়ে জয়ন্ত মাধৱৰ গৰুৰ পালৰ পৰা গাই গৰু আনিবলৈ লৈ কৰা কাণ্ড (পৃষ্ঠা ৩২, ৩৩), ভবানন্দ শংকৰদেৱৰ ওচৰত শৰণ লোৱাৰ পাচত নাৰায়ণ দাস হোৱা ঘটনা (পৃষ্ঠা ৭৩-৭৯) ইত্যাদি।

ভূষণ দ্বিজে শংকৰদেৱক অৱতাৰী পুৰুষ বুলিছে। যদিও বাস্তৱত শংকৰদেৱক চতুৰ্ভুজ ৰূপত দেখুৱা নাই। তথাপি শংকৰদেৱৰ অৱতাৰী ৰূপ সগোনভাৱে দেখা পাইছে। (পৃষ্ঠা ১৯৩)

ভূষণ দ্বিজ চৰিতখনিত শংকৰদেৱ, মাধৱদেৱৰ জীৱন কথা বৰ্ণনা কৰি যাওঁতে পদৰ শেষত হৰিনামৰ মাহাত্ম্য, নিজৰ ভক্তি ভাব প্ৰকাশ কৰি গৈছে আৰু নিজকে মহামূৰ্খ, অজ্ঞানী, শিশু মতি বুলি উল্লেখ কৰিছে,

"মহামূৰ্খ হয়া শংকৰ চৰিত্ৰ
পদে মোৰ ভৈল মতি। (পৃষ্ঠা ১৬)
"কহে দ্বিজ ভূষণ অজ্ঞানী শিশুমতি।
সবাকো বোলোহোঁ হেৰা বুলিয়া কাকুতি॥" (পৃষ্ঠা ১১২)

চৰিত পুথিখনিৰ শেষৰ ফালে শংকৰদেৱক বিভিন্ন জনে বিভিন্ন প্ৰশ্ন কৰিছে আৰু শংকৰদেৱে উত্তৰ দি গৈছে, এনে ৰূপত বৰ্ণনা কৰি হৈ।

শংকৰদেৱ আৰু মাধৱদেৱৰ মহামিলনৰ ভবানন্দ দাস হোৱাৰ ঐতিহাসিক ঘটনাৰ দুবাৰ উল্লেখ আছে।

১। ১৯৮৯, পৃষ্ঠা ১০৩।

ভূৰণ দিছে অতিলৌকিক ঘটনাৰ বহুল সমাৱেশ কৰা নাই। প্ৰয়োজন সাপেক্ষে দুই এঠাইত অতিলৌকিক ঘটনাৰ উল্লেখ আছে। সম্পাদনৰ সহায়তেই বৈচিত্ৰ্যক প্ৰকাশ কৰিছে।

(৪) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ

(পাচখন প্ৰাচীন চৰিত পুথিৰ মৌলিক সাৰ সংগ্ৰহ)

দ্বিজ ৰামানন্দ দ্বিজ পূৰ্ণানন্দ, দ্বিজ ৰামগোপাল, হৰি ৰঙ্গ,
গোপালৰ পৰিনাতি ৰামানন্দ।
যুটীয়া সম্পাদক : শ্ৰীমোহন চন্দ্ৰ মহন্ত
ডাঃ নবীন চন্দ্ৰ বৰদলৈ
শ্ৰীশ্ৰী গোপালদেৱ প্ৰকাশন সমিতি
যোৰহাট—১

প্ৰথম প্ৰকাশ : মে, ১৯৮৮ চন

প্ৰকাশক : শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতিৰ হৈ
শ্ৰীগৌৰকান্ত শইকীয়া
যোৰহাট : ১
মূল্য ২০ টকা, পৃষ্ঠা ৪৪৪

মহাপুৰুষ শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ পৰৱৰ্তীকালত বৈষ্ণৱ ধৰ্মাচাৰ্য্য সকলৰ ভিতৰত গোপালদেৱৰ স্থান উল্লেখনীয়। গোপালদেৱৰ পৰৱৰ্তীকালত ৰচিত হোৱা পাচখন চৰিত পুথিৰ সাৰ সংগ্ৰহ কৰি 'শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ' পুথিখন মুগুত কৰি উলিয়াইছে। গোপালদেৱৰ অনুবৰ্তীসকলে লিপিবদ্ধ কৰি থৈ যোৱা এই চৰিতপুথি কেইখনত গোপালদেৱৰ অসাধাৰণ প্ৰতিভা আৰু ব্যক্তিত্বৰ কথা, অতুলনীয় সংগঠন শক্তি আৰু চৰিত্ৰৰ বৈশিষ্ট্যৰ কথা লিপিবদ্ধ কৰিছে।

চৰিত পুথি পাচখনৰ প্ৰথমখনৰ লেখক হ'ল ৰামানন্দ দ্বিজ। এওঁ শংকৰদেৱ আৰু মাধৱদেৱৰো জীৱন কথা ৰচনা কৰিছে। পাচখন চৰিত পুথিৰ প্ৰত্যেকৰে নিজা বৈশিষ্ট্য পৃথকভাৱে ৰখা কৰি সম্পূৰ্ণকৈ প্ৰকাশ কৰিব নোৱাৰিলে বুলি প্ৰকাশন সমিতিৰ সভাপতিয়ে 'প্ৰকাশন সমিতিৰ নিবেদন'ত স্পষ্টকৈ উল্লেখ কৰিছে। সৰ্বসাধাৰণ ৰাইজৰ তথা জনতাৰ ভিতৰতে থাকে আৰু কলেজৰো মুহং

নহয় তাৰ কাৰণে প্ৰকাশন সমিতিয়ে গোপালদেৱৰ জীৱনৰ ঘটনাৱলীৰ লগত গোনপটীয়া সম্পৰ্ক থকা সকলো মৌলিক কথাকহে এই সংগৃহীত গ্ৰন্থত স্থান দিছে।

চৰিত লেখক ৰামানন্দ দ্বিজ গোপালদেৱৰ পন্থী আছিল। সেয়েহে তেখেতৰ মাধৱদেৱ সম্বন্ধে লিখা জীৱন কথাটো গোপালদেৱ সম্বন্ধে বিস্তৃত বিৱৰণ আছে। ৰামানন্দই লেখা মাধৱদেৱৰ চৰিত খণ্ডৰ ভিতৰত গোপালদেৱ সম্বন্ধে যিখিনি কথা আছে, সেয়া পুথিৰ প্ৰথম খণ্ডতে উদ্ধৃত কৰি দিছে।

এই চৰিত পুথিত উল্লেখ কৰা কেইটামান শব্দ মন কৰিবলগীয়া। যেনে— আতা, দেৱ আতাই আদি। "যাৰ পৰা আত্মপৰিচয় ঘটে তেওঁক আতা বোলা হয় আৰু গুৰুৰ গুৰুসকলক 'দেৱ'ক বোলা হয়"১। 'আতাই' শব্দৰ ব্যৱহাৰ অৱশ্যে প্ৰাচীন অসমীয়া কাব্যত আছিল। মাধৱ কন্দলীৰ 'ৰামায়ণ', ৰাম সৰস্বতীৰ 'ভীম চৰিত' আদি, আনকি মাধৱদেৱৰ "আদি কাণ্ড" ৰামায়ণতো আতাই শব্দৰ ব্যৱহাৰ কৰিছে।

'কেন মতে ৰামায়ণ কৰিবোঁ আতাই।
সিসব কাহিনী কহা মোৰ ঠাই॥' ২৬ (আদি কাণ্ড ৰামায়ণ)
'বুলিলা জনকে বিশ্বামিত্ৰক হুনাই।
কেমনে গুচিবে চিন্তা শুনিয়ো আতাই॥' ১১৯৩
(অযোধ্যা কাণ্ড ৰামায়ণ)
'কতো তুই বিশ্বামিত্ৰ ৰিষি আছে চাই।
ভীম বোলে নপন্থী তুমি হৈয়াহা আতাই॥' (ভীম চৰিত)

এই পাচখন চৰিতৰ ৰচকসকল হ'ল—দ্বিজ ৰামানন্দ, দ্বিজ পূৰ্ণানন্দ, হৰি বল্লভ, ৰাম গোপাল আৰু ৰামানন্দ। চৰিতত গুৰুৰ মাহাত্ম্যই সকলোতকৈ বেছিকৈ দেখুৱাইছে।

'সমস্তে কথাৰ মৰ্ম গুৰু সেৱা শ্ৰেষ্ঠ ধৰ্ম' (পৃষ্ঠা ৩৯)
'কায় বাক্য মনে ধৰি গুৰুক শুশ্ৰূষা কৰি
কৰিবেক শ্ৰৱণ কীৰ্ত্তন।' (পৃষ্ঠা ৪০)
'গুৰুক শুশ্ৰূষা কৰি গুৰু বাক্য শিৰে ধৰি' (পৃষ্ঠা ৩৭)

গুৰু শিষ্যৰ, ধৰ্মৰ কথা বাহিৰে চৰিত কেইখনত দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, শিক্ষা, সমাজজীৱন আদিৰ বিষয়ে বিৱৰণ পাবলৈ নাই।

১। শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, সম্পাদকৰ নিবেদন, পৃষ্ঠা।

চৈতন্যপন্থী দ্বিপিতাই মাধৱদেৱক লগ পোৱাৰ সময়ত, দ্বিজ ৰামানন্দৰ চৰিতত ‘জন্ম ৰহস্য’ লিখিছিল আৰু পূৰ্ণানন্দৰ চৰিতত ‘ভক্তি প্ৰদীপ’ লিখা বুলি আছে।

“জন্ম ৰহস্যৰ   পদ মনোহৰ
লেখিবে দ্বনাই লৈলন্ত ॥”[1]
“ভকতি প্ৰদীপ গ্ৰন্থ প্ৰমানি আছন্ত।
দ্বিপিতাক লাগি তাক কিছু ভংক নকৰন্ত।”[2]

দ্বিজ ৰামানন্দই চৰিতত গোপাল আতাই কষ্ট কৰি বঠা বাই নাও চলাই অহাত মাধৱদেৱৰ দুই হাতত বিষ উঠিছিল। নবীন গৃহ নিৰ্ম্মাণৰ কাৰণে মাধৱদেৱে বৰপেটাৰ পৰা ভবানীপুৰলৈ সামগ্ৰী গোটাবৰ কাৰণে পঠাইছিল। গতিকে গোপালদেৱে কষ্ট কৰিব লগা হৈছিল আৰু সেই কষ্ট যেন মাধৱদেৱেও অনুভৱ কৰিছিল,

‘দুই খান হাত   দুখায় আজি মোৰ
দুখা লাগে ঘনে ঘন।
জানিলো গোপালে   বৈঠা বাই আসা
নাহিকে আন কাৰণ।’

দ্বিজ পূৰ্ণানন্দৰ চৰিতত গোপালে কুঠাৰ লৈ খৰি কটাত মাধৱদেৱৰ আঙুলিত ঘা লগাৰ কথা আছে।

‘যেতিক্ষণে হেন্ত   গোপালে ধৰিন্ত
কুঠাৰৰ কোৰ দিল।
ঐন্ত মাধৱৰ   দশো আঙুলিন্ত
ফুটিয়া ঘাৱ লাগিল।”[4]

গোপালদেৱৰ সময় দাঙি বঢ়াৰ সময় বুলি ধৰিব পাৰি। পুথিত গোপালদেৱে ভক্তসকলক কৈছে,

“শুনিযো ভক্তসৱ আমাৰ বচন।
দাঙি নৃপতিক সেৱি আছা কোন জন ॥

১। দ্বিজ ৰামানন্দ, শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, ১৩৭৮, পৃষ্ঠা ২১
২। দ্বিজ পূৰ্ণানন্দ, শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, ১৩৭৮, পৃষ্ঠা ১০৩
৩। দ্বিজ ৰামানন্দ, শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, ১৩৭৮, পৃষ্ঠা ৩৭
৪। দ্বিজ পূৰ্ণানন্দ, শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, ১৩৭৮, পৃষ্ঠা ১২৩

বাবা নতু দেখে ভেৱে দেখিৱো আমাক।
আমাক চাহিলে জানা দেখিব ৰাজাক ॥"[১]

লাগি নৃপতিক গোপালদেৱে 'উত্তম নৃপতি' বুলিছে, কাৰণ "ইহাৰ মিনত হৰি ভকতি জন্মাইল।"[২]

ডা. সত্যেন্দ্ৰনাথ শৰ্মাদেৱে তেখেতৰ "অসমীয়া সাহিত্যৰ ইতিবৃত্ত" নামৰ গ্ৰন্থত গোপালদেৱৰ সময় ১৫৪০—১৬১১ খৃষ্টাব্দ বুলি ধাৰ্য্য কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা 'অসমীয়া কবিতা চয়ন' নামৰ গ্ৰন্থত গোপালদেৱৰ জন্ম চন ১৫৪১ আৰু তিৰোভাৱ ১৬১১ খৃষ্টাব্দ বুলি ধাৰ্য্য কৰিছে।"[৩]

দ্বিজ পূৰ্ণানন্দই গোটেই চৰিত্ৰখনত গোপালদেৱৰ মহত্ব ফুটাই তুলিছে। তেৰাৰ ওপৰত ভক্তসকলৰ কি আস্থা আছিল তাক সুন্দৰকৈ প্ৰকাশ কৰিছে।

গোপাল আতা সঁচাকৈয়ে 'কথা সাগৰ' আছিল সেই কথা চৰিত পুথি কেইখনত সুস্পষ্ট। 'কথা সাগৰ' আখ্যা গোপালদেৱক মাধৱদেৱে দিছিল। গোপালদেৱ নামে, কামে 'কথাসাগৰ' আছিল। ভক্তসকলক উপদেশ দিয়াত, প্ৰশিক্ষণ দিয়াত, সমাজৰ জেষ্ঠা ভঙাত, উপমা কাহিনী কৈ ব্যাখ্যা কৰাত গোপাল আতা সিদ্ধহস্ত আছিল। ভক্তসকলৰ নানা সংশয় সক সক উদাহৰণ দি আঁতৰ কৰিব পাৰিছিল, ভক্তসকল সন্তুষ্ট হৈছিল। উদাহৰণ চৰিতত অনেক আছে।[৪]

গোপালদেৱৰ চৰিতত গোপালদেৱ যে অতি সামান্য অৱস্থাৰ পৰা সততা আৰু অসাধাৰণ ব্যক্তিত্বৰ কাৰণে মাধৱদেৱৰ উত্তৰাধিকাৰী হ'ব পাৰিছিল সেই কথা অতি সুন্দৰকৈ বৰ্ণনা কৰিছে। গুৰুৰূপে গোপালদেৱে কেনেকৈ শিষ্য প্ৰশিক্ষণত গুৰুত্ব দিছিল, প্ৰশিক্ষণ দিছিল আৰু গুৰুৰ শিষ্যৰ প্ৰতি দায়িত্ব কেনে হ'ব লাগে উদাহৰণ দি বুজাইছিল তাৰ বৰ্ণনাও কৰিছে,

"বৃক্ষে শুক পক্ষী শিষ্য আছিল পূৰ্ব্বত ॥
তাসবাৰ কুশল সাধিবে নপাৰিলা।
সি কাৰণে শুক আসি বৃক্ষ জন্ম ভৈলা ॥

১। দ্বিজ পূৰ্ণানন্দ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, ১৯৭৮, পৃষ্ঠা ২৪৫।
২। প্ৰাগুক্ত, পৃষ্ঠা ২৪৫
৩। প্ৰাগুক্ত, সম্পাদকৰ নিবেদন, পৃষ্ঠা ৩
৪। শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, ১৯৭৮, পৃষ্ঠা ৬৮, ১৩৩, ১৩৯, ১৪১, ১৭৫, ১৮০-৮৩, ১৯১-৯৫, ২০২ ৩, ২২২, ২২০, ২৩৯, ২৪৮ ২৫১, ২৯১-৯৩, ৩২৮, ৩২৯, ৩৩৩, ৩৭৩-৭৯, ৩৮২-৮৮

শিষ্য সবে পঙ্গী হয়া তাতে গৰকয় ।
যি কাৰণে আৰো সেৱা পূৰ্বে লৈয়া হয় ।"[1]

'শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ' পাচখন প্ৰাচীন চৰিত পুথিৰ সাৰ সংগ্ৰহ কৰি প্ৰকাশ কৰিছে শ্ৰীশ্ৰী গোপালদেৱ প্ৰকাশন সমিতি'য়ে ।

(৫) নীলকণ্ঠ দাস : শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ

নৰদেৱ গ্ৰন্থাৱলী—১ম সংখ্যা
অসম সাহিত্য সভা
১৯২৭ আগষ্ট শাওন ১৮৪৯ শক
সম্পাদক : শ্ৰীশৰৎচন্দ্ৰ গোস্বামী
বেচ : সাধাৰণ পক্ষ
সভাৰ পক্ষ
পৃষ্ঠা ২১১

নীলকণ্ঠ দাসে শংকৰ-মাধৱ আৰু দামোদৰদেৱক অভিন্ন বুলিছে,

"শংকৰ মাধৱ দামোদৰ একে কাই ।
তিনিও মূৰ্তিৰ একো ভিন্ন পৰ নাই ।।"[2]

দামোদৰদেৱৰ বংশক গৌতম আৰু অভিশপ্তা অহল্যাৰ বংশ বুলি দেখুৱাইছে,

'গৌতমৰ বীৰ্যে অহল্যাৰ গৰ্ভজাত ।
সতানন্দ নামে ঋষি জগতে প্ৰখ্যাত ।।
তাহান অনেক বংশ যেবে বহি গৈলা ।
সেই বংশে তেবে সতানন্দ জাত ভৈলা ।।"[3]

সতানন্দই দামোদৰদেৱৰ পিতৃ । সতানন্দৰ তিনিজন পুত্ৰৰ কনিষ্ঠ জন দামোদৰ ।

দামোদৰদেৱৰ উপৰি পুৰুষ আৰু শংকৰদেৱৰ উপৰি পুৰুষৰ মিত্ৰতাৰ কথাও চৰিতত উল্লেখ কৰিছে । বৰদোৱাৰ ওচৰত নলকাত সতানন্দ আৰু ভাৰ্য্যা সুশীলা আছিল । কুসুমদেৱে মাছ, মাংস খালে বিধ সতানন্দক দিয়ে খাইছিল আৰু এনেদৰে 'সতানন্দ কুসুমৰ মিত্ৰতা বাঢ়ে"[4]

১ [illegible] শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, ৯৭, পৃষ্ঠা ২৩৮ ।
২ নীলকণ্ঠ দাস, শ্ৰীশ্ৰীদেৱদামোদৰ, ১৯২৭, পৃষ্ঠা ২ ।
৩ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা, ৭ ।
৪ নীলকণ্ঠ দাস, শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ ৯২৭ পৃষ্ঠা ৯

এই চৰিত পুথিত দামোদৰদেৱে চৈতন্যদেৱৰ পৰা শালগ্ৰাম আৰু চাৰিখন লেখা পোৱাৰ কথা উল্লেখ আছে। সেই শালগ্ৰাম আৰু চাৰি'লখা' নিজ মন্দিৰত থাপনা কৰিছে বুলি স্পষ্ট কৈ লেখিছে। অথচ শংকৰদেৱে নিজ তাতু ৰামৰায় আৰু আই গোসানীক দামোদৰদেৱৰ হতুৱাই শৰণ দিয়া বুলিও চৰিতত উল্লেখ কৰিছে। আনহাতে মাধৱদেৱক আই গোসানীক শৰণ দিবলৈ কোৱাত মাধৱদেৱে,

'কি মতে মাতৃক মই কৰাইবো শৰণ'[১] বুলিছে। কিন্তু 'আমাৰ পত্নীক তুমি কৰায়ো শৰণ'[২] বুলি শংকৰদেৱে কোৱাৰ লগে লগে দামোদৰদেৱে 'আমি কৰাইবো শৰণ'[৩] বুলিছে।

নীলকণ্ঠ দাসৰ চৰিতৰ কোনো কোনো ঠাইত দামোদৰদেৱৰ স্থান শংকৰদেৱৰ লৈতে এক কৰিছে। উদাহৰণ স্বৰূপ—হাজোৰ কবি চূড়ামনি ধনে ধানে পূৰ্ণ ভাণ্ডাৰৰ গৰাকী। জগন্নাথ ক্ষেত্ৰলৈ গ'ল পিতৃগণ আদিক তাৰিবৰ কাৰণে। কিন্তু জগন্নাথে ও'ৰখাৰ পাণ্ডাক সপোন দেখুৱাই ক'লে যে কবি চূড়ামনি নামৰ দ্বিজজন তেওঁৰ ওচৰ'লৈ আহিব নেলাগে। কাৰণ পাটবাউসীৰ থানত থকা দামোদৰক দিলেই হ'ব। কাৰণ,

"তেহে পাইলে মই পাও তেহে খাইলে মই পাও
কহি দিয়া বিলম্ব নকৰি"[৪]।

পাণ্ডা জগন্নাথৰ আদেশত সচকিত হ'ল আৰু বহু নদী, গাঁও, দেশ পাৰ হৈ হাজোত উপস্থিত হৈ কবি চূড়ামনিক সপোনৰ কথা জনালেহি। এনে ধৰণৰ ঘটনা শংকৰদেৱৰ ক্ষেত্ৰ'ত ঘটিছিল টিৰহুতৰ জগদীশ মিশ্ৰই জগন্নাথত ভাগৱত শুনাবলৈ যাওঁতে।

আন এটা উদাহৰণ—সোমাৰ দেশৰ পৰা দুজন দ্বিজোত্তম, দামোদৰদেৱে 'ব্ৰাহ্মণ ভজাৱত' (পৃষ্ঠা ৯৩) বুলি শুনি আহি বৰপটা পাই ঘাট দেখি তাতে নাৱ ৰখালে। শংকৰদেৱৰ ভক্তসকল তাতে স্নান কৰিবলৈ গৈছিল। তেওঁলোকক দুইজন দ্বিজোত্ত'ম কোনে শৰণ দিয়ে বুলি সোধাত তেওঁলোকে শংকৰদেৱৰ

১ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৮১
২ প্ৰাগুক্ত গ্ৰন্থ পৃষ্ঠা ৮১
৩ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৮১
৪ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৮৯

ওচৰলৈ গৈ গল। শংকৰদেৱ কিন্তু দামোদৰদেৱৰ ওচৰলৈ 'ভেটি ভাৰ দিয়া তাংক শৰণ লোৱাহা' (পৃষ্ঠা ৯৪) বুলি পঠালে।

দামোদৰদেৱে ভকতসকলৰ লগত প্ৰসঙ্গ কৰি থাকোতে এদিন সকলোকে শুনাই কৈছে,

"চৈতন্যৰ তনুমত আমি আছা ধৰি।
চৈতন্যেসে বন্ধু মোৰ জানা নিষ্ঠ কৰি॥

— ——

শংকৰ চৈতন্য আমি নাই ভিন পৰ।
তাহান আমাৰ জানা এক কলেবৰ॥ (পৃষ্ঠা ১০০)

শংকৰ, চৈতন্যদেৱ আৰু দামোদৰদেৱক এক কৰি দেখুৱাইছে। এই কথা সম্ভৱনে ?

চৰিতত নীলকণ্ঠ দাসে শংকৰদেৱৰ স্থাপিত শিষ্য বা মহন্তসকলক আৰু দামোদৰদেৱৰ স্থাপিত শিষ্যসকলক ভাগ ভাগকৈ দেখুৱাইছে[1]।

সতী যোৱা প্ৰথাৰ কথা উল্লেখ কৰিছে। দামোদৰদেৱৰ ককায়েক সৰ্ব্বেশ্বৰৰ মৃত্যুত 'সৰ্ব্বেশ্বৰৰ ভাৰ্য্যা লগে অনুগামী হৈলা' (পৃষ্ঠা ১১০) বুলি উল্লেখ কৰিছে।

শংকৰদেৱ আৰু মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছৰ পৰা দামোদৰদেৱৰ বিষয়ে "প্ৰভু" শব্দ ব্যৱহাৰ কৰিছে। কথাটো মন কৰিব লগীয়া। প্ৰভুৰ লগত ভট্টদেৱৰ মিলন অধ্যায়ৰ পৃষ্ঠা ১২৪ ৰ পৰা 'প্ৰভু' শব্দৰ ব্যৱহাৰ আৰম্ভ হৈ চৰিত পুথিৰ শেষলৈকে চলিছে।

পাটবাউসী সত্ৰৰ দায়িত্ব লোৱা ভট্টদেৱে 'শ্ৰীমূৰ্ত্তি শালগ্ৰাম'ৰ আগত 'ধ্যান, আবাহন, নিবেদন, জপ, স্তুতি আদি কৰাৰ কথা আৰু কপালত চন্দন পিন্ধি, পাদোদক গ্ৰহণ কৰাৰ কথা আছে। শংকৰদেৱে মূৰ্ত্তি পূজা, যজ্ঞ না বাদ দি নাম কীৰ্ত্তনত আস্থা ৰাখি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। পাদোদকৰ পৰিবৰ্ত্তে চন্দন লোৱাৰ প্ৰথা কৰিছিল। শংকৰদেৱৰ ভক্ত হৈ দামোদৰদেৱে চৈতন্যদেৱৰ পৰা শালগ্ৰাম, চাৰিলেখা আদি পাই থাপনাত থোৱা, ভট্টদেৱে শালগ্ৰামৰ পূজা কৰা, পাদোদক খোৱা আদি কথা মন কৰিব লগীয়া।

---

১ নীলকণ্ঠ দাস শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ ১৯২৭, পৃষ্ঠা ১০২-১০৩।

(৬) ৰমাকান্ত মিশ্ৰ : শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ

সম্পাদক : শৰৎ চন্দ্ৰ গোস্বামী

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট : অসম

নতুন প্ৰকাশ ১৮৮৮ শক : ১৯৬৬ চন

অসম সাহিত্য সভা'ৰ গুৱাহাটী কাৰ্যালয়ৰ পৰা

প্ৰধান সম্পাদক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা এম, এ, বি, এল, বি, টিৰ

দ্বাৰা প্ৰকাশিত

মূল্য—বাৰ অনা, পৃষ্ঠা ১০৪

'অসম সাহিত্য সভা'ই শ্ৰীশ্ৰীগুৰুদেৱ গ্ৰন্থাৱলীৰ ২য় গ্ৰন্থ স্বৰূপে (১ম গ্ৰন্থ শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ) বহু বছৰৰ পূৰ্ব্বে প্ৰকাশ কৰিছিল। পাচত এই গ্ৰন্থ পাৱলৈ নাইকিয়া হোৱাত পুনৰ 'অসম সাহিত্য সভা'ৰ তেতিয়াৰ প্ৰধান সম্পাদক স্বৰ্গীয় অতুল চন্দ্ৰ হাজৰিকাই পুনৰ প্ৰকাশ কৰে। এইবাৰ প্ৰকাশত পাতনি বাদ দিলে।

'শ্ৰীশ্ৰীবনমালীদেৱ চৰিত্ৰ'ত ভাগৱতৰ ওপৰত অধিক প্ৰাধান্য দিছে। চৰিত পুথিত অধিক পৃষ্ঠাতে ভাগৱতৰ কথা উল্লেখ আছে। যেনে—

'প্ৰৱৰ্ত্তাইলা ভাগৱত নাম হে কীৰ্ত্তন।' (পৃষ্ঠা ৭)
'ভাগৱত পাঠ যেৱে কৈলা সমাপতি।' (পৃষ্ঠা ৮)
'ভাগৱত শাস্ত্ৰ তুমি কহিবা বিদিত।' (পৃষ্ঠা ৯)

ইত্যাদি কৰি আৰম্ভণীৰ পৰাই শেষলৈকে ভাগৱতৰ উল্লেখ আছে।

চৰিত খনিত মূৰ্ত্তিৰ প্ৰাধান্য লক্ষ্য কৰা যায়। সত্ৰ স্থাপন কৰিছে। জগন্নাথৰ পৰা মূৰ্ত্তি আনিবৰ কাৰণে লোক পঠাইছে।

'মূৰ্ত্তি আনিবা লাগি চলিলন্ত সবে॥
বিত্ত দিয়া ভকতক দিলন্ত পঠাই।' (পৃষ্ঠা ৪৫)
মাধৱ যাত্ৰ মূৰ্ত্তি প্ৰতিষ্ঠা। (পৃষ্ঠা ৫১)

জগন্নাথৰ পৰা ঘূৰাৰ পথত বনমালীদেৱে ভাগীৰথিৰ পাৰত যি সত্ৰ প্ৰতিষ্ঠা কৰিছিল তাতো মূৰ্ত্তি প্ৰতিষ্ঠা কৰিছিল।

'সত্ৰ কৰিলন্ত মৃত্তিকা কিনিয়া
তাতে মূৰ্ত্তি থাপিলন্ত।' (পৃ৽। ৫১)

কলিয়াবৰ সত্ৰত থকা অৱস্থাত বনমালীদেৱে,

'কৰাইলন্ত অদ্ভুত মূৰ্ত্তি চমৎকাৰ।
আবিৰ্ভাৱ হৈল তাত জগত আধাৰ॥' (পৃষ্ঠা ৫৬)

'পুষ্কৰিণি প্ৰতিষ্ঠাক চিন্তি (পৃষ্ঠা ৫৫) ৰজা জয়ধ্বজ সিংহই বনমালীদেৱক দূত পঠাই নিয়ালে। বনমালীদেৱ বৈষ্ণৱ সন্ত হৈ ৰজাৰ মনোবাঞ্ছা পূৰ্ণ কৰি যজ্ঞ সমাপন কৰিছে।

চক্ৰধ্বজ সিংহই বনমালীদেৱ অহাৰ কাৰণে দক্ষিণপাটত লোক পঠাই মণিকূট সত্ৰৰ দীৰ্ঘহাটি সজাই দিলে। এই ঠাইতে থাকি বনমালীদেৱে হৰি গৃহ সাজে,

'বৈকুণ্ঠ নাথক আনি মূৰ্ত্তিসব থাপ আছে
বৈকুণ্ঠপুৰ যে নাম দিলা॥
সেহ বনমালী পাছে বৈকুণ্ঠপুৰত আছে
হৰিভক্তি মাৰ্গ প্ৰবৰ্ত্তাই।' (পৃষ্ঠা ৬২)

এই চৰিত পুথিৰ আৰু এটা বৈশিষ্ট্য আছে বৈষ্ণৱ যুগত লগা আন সাহিত্য ৰচনাত থকাৰ দৰে প্ৰতিটো পৰিচ্ছেদৰ শেষত বৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰিছে, ভক্তৰ মহিমা ঘোষণা কৰিছে, কৃষ্ণৰ ভক্তি কৰিলে কি হয় তাৰ বিবৰণ দিছে, 'কলি মল বিনাশক কৃষ্ণ গুণ নাম' (পৃষ্ঠা ৬০) বুলি।

অকণ মূৰ্ত্তি প্ৰতিষ্ঠা কৰা নহয় পদতল খোৱাৰ কথাও উল্লেখ আছে,

'পাছু ৰাজ দেখি সিন্ধু পদতল।
ভূঞ্জন্ত প্ৰভু কৰি কৌতূহল॥' (পৃষ্ঠা ৬৫)

হলেশ্বৰৰ হৰি মূৰ্ত্তিক 'হৰি বুদ্ধি কৰি তাহাক কৰিলন্ত সেৱা। (পৃষ্ঠা ৭৪) বুলি বৈষ্ণৱ সন্ত বনমালীদেৱৰ সেৱা কৰাৰ কথা উল্লেখ আছে।

বনমালীদেৱে ভুৱনমোহন মূৰ্ত্তি বৈকুণ্ঠপুৰত স্থাপন কৰিছে। এদিন বনমালীদেৱে মনতে চিন্তা কৰিলে যে দেৱতাৰ থানত কিবা কিছু বিঘ্ন আছে, সেয়া হৰিবিহে দেৱতাৰ নহয়। কোনো প্ৰকাৰে যেন অনৰ্থ নহয়, ইয়াকে ভাবি বনমালীদেৱে শয়ন কৰিলে। সপোনত দেখা পালে এক বিপ্ৰ হৰিৰূপে আহি মাত লগাই কলে,

"সুবৰ্ণ প্ৰতিমা কৰি শিৱত থৰিবা।
সিদ্ধি হৈবে কাৰ্য তুমি হেলা নকৰিবা।।" (পৃষ্ঠা ৭১)

প্ৰতিমা কৰিবৰ কাৰণে যত্ন কৰাত 'অসক্য কৰ্ম্মক দেখি ভকতে বাধিলা।' (পৃষ্ঠা ৭১) কিন্তু প্ৰভুৰ আজ্ঞা মানি হেলা নকৰিবে আক ভক্তসকলো বুজালে। কিবা মূৰ্ত্তি কৰিব বুলি চিন্তা কৰি শেষত 'জাদৱ ৰায়ৰ সমমূৰ্ত্তি কৰিলে।

যাদৱ ৰায়ৰ সোণৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰিবৰ কাৰণে যজ্ঞৰ কাযো কৰিছে। অকল যজ্ঞ কৰাই নহয় আচাৰ্য্য আদি বৰণ কৰিছে। আচাৰ্য্যসকলে বিধি অনুসাৰে মূৰ্ত্তি স্থাপন কৰাইছে। মূৰ্ত্তিৰ পূজা বনমালীদেৱে কৰিছে,

'পূজা কৰিলন্ত বনমালী সন্ত
প্ৰকাশিলা মূৰ্ত্তি বৰ।।' (পৃষ্ঠা ৮০

এনেদৰে বনমালীদেৱৰ চৰিত পুথিত আদিৰ পৰা অন্তলৈকে মূৰ্ত্তি নিৰ্ম্মাণ কৰা, মূৰ্ত্তি প্ৰতিষ্ঠা কৰা, যজ্ঞ কৰা, দান-দক্ষিণা দিয়া আদি বৈষ্ণৱ ধৰ্ম্মত স্থান নোহোৱা কাম বৈষ্ণৱ সন্ত বনমালীদেৱে কৰাৰ উল্লেখ আছে।

অচ্যুতানন্দৰ মূৰ্ত্তি কদলি বাড়িত (কলবাটী) সত্ৰ স্থাপন কৰি বনমালীদেৱে প্ৰতিষ্ঠা কৰিছে,

'পৰম সুন্দৰ মূৰ্ত্তি এক পাছে
সিপানক লাগি দিলা,
অচ্যুতানন্দ কে ৰায় নাম দিলা
থান ৰোপিলন্ত নাম।' (পৃষ্ঠা ৮৩)

এই মূৰ্ত্তি স্থাপনৰ কাৰণে যজ্ঞ কৰিছে, হোম গৃহ কৰিছে, আচাৰ্য্য বিপ্ৰ আদি পণ্ডিতসকলক নিয়োগ কৰিছে। বিপ্ৰসকলে কুণ্ড নিৰ্ম্মাণ কৰিছে, দৈবজ্ঞই তাল ঠিকিবাৰ কথাৰ কথা কৈছে বিপ্ৰসকলে বেদমন্ত্ৰ উচ্চাৰণ কৰিছে চতুৰ্বিধ বাদ্য বজাই হৰিধ্বনি কৰি যজ্ঞ আৰম্ভ কৰিছে অনেক ব্ৰাহ্মণ গীতা পঢ়িছে, বিধিমতে সকলো কাম সমাপন হোৱাৰ কাৰণে বনমালীদেৱ পৰম সন্তুষ্ট হৈছে। সালংকৃতা ধেনু, সুবৰ্ণ, ৰজত, বস্ত্ৰ অলংকাৰ আদি দান দক্ষিণা কৰিছে। চৰিতখনিত বনমালীদেৱৰ সম্বন্ধে বিস্তৃত বিৱৰণ আছে।

(৭) শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত
ৰামদেৱ গোসাই সংকলিত
মোকা চাপৰি সত্ৰ, মজাৰ্ত

প্ৰকাশক . শ্ৰী দেৱপ্ৰসাদ গোস্বামী, নগাঁও

১৮৮১ শক (খৃঃ ১৯৬৫)

মূল্য ৪ টকা, পৃষ্ঠা ২৩৯

'শ্ৰীশ্ৰী গোপালদেৱ কথা চৰিত' পুথিখন পাঁচখনি গোপাল আতাৰ চৰিত্ৰৰ সংকলন। এই পাঁচখনি চৰিত পুথিৰ চৰিতকাৰ সকল হ'ল পূৰ্ণানন্দদেৱ, শ্ৰীরাম গোপালদেৱ শ্ৰীরামানন্দদেৱ শ্ৰীহৰিবল্লভকৃষ্ণ আৰু ভৱানীপুৰীয়া ভৱানন্দ আতৈ। ইয়াৰ বাহিৰেও দ্বিজ ৰামানন্দদেৱৰ ৰচিত 'শংকৰ মাধৱ-গোপাল দেৱ চৰিত্ৰ'ৰ পৰাও গোপালদেৱ সম্বন্ধীয় কথা সংগ্ৰহ কৰিছে। গোপালদেৱৰ উপৰিপুৰুষ সম্বন্ধে সাধু সন্তসকলৰ মুখ পৰম্পৰাত শুনা আৰু গোপাল আতাৰ চৰিতপুথি সমূহত পোৱা কথাৰ পৰাও সংগ্ৰহ কৰিছে। কিন্তু 'কথা গুৰু চৰিত'ৰ কথাৰ লগত বহু কথাত অমিল থকা দেখা যায়। মাধৱদেৱৰ গোপাল নামৰ কেবাজনো শিষ্য আ'ছিল আৰু হয়তো ইজনৰ কথাৰ লগত সিজনৰ কথাৰ সান মিহলি হৈছে। পদ্মপ্ৰিয়া আইৰ চত 'গীত পদ আদি'ৰ পৰাও এই চৰিতত কিছু পদ সংযোগ কৰিছে। নিৰ্মল ভকতি শংকৰদেৱে মাধৱদেৱত আৰু মাধৱদেৱে গোপালদেৱত থৈ যোৱাৰ কথা পদ্মপ্ৰিয়া আইৰ লিখনিত উল্লেখ কৰিছে.

'মাধৱত ধৰ্ম থাপিয়া শংকৰ
চলিল বৈকুণ্ঠ থানে
... ...

'নিৰ্মল ভকতি গোপালত থাপি
মাধৱো বৈকুণ্ঠে গৈল।
গোপাল স্বৰূপে সেহি অনুৰূপে
ভকতিক প্ৰচাৰিলা ॥' (পৃষ্ঠা ৩২)

পদ্মপ্ৰিয়া আই, গোপালদেৱৰ কন্যা আছিল আৰু সংসাৰৰ মায়া-মোহৰ পৰা আঁতৰি গৃহস্থী ধৰ্ম আচৰণ নকৰি একনিষ্ঠ ভক্তি ধৰ্ম পালন কৰিছিল গতিকে 'শ্ৰীশ্ৰী গোপালদেৱ কথা চৰিত'ত পদ্মপ্ৰিয়া আয়ে দিয়া গোপাল আতাৰ বংশাৱলীকে শুদ্ধ বুলি ধৰি সেই বংশাৱলীৰ তালিকা যুক্ত কৰা বুলি চৰিতখনিৰ সংকলন কৰোঁতা বৰ্ণীয় বয়েৰৰ গোঁসায়ে উল্লেখ কৰিছে[1]।

---

১ শ্ৰীশ্ৰীগোপালদেৱ কথা চৰিত, ১৯৬০, পৃষ্ঠা ৩০

দ্বিজ পূৰ্ণানন্দৰ ৰচনাত উল্লেখ আছে, ভগৱন্ত কৃষ্ণই 'তোমাৰ গৰ্ভত সতী মোক দিয়া স্থান'[১] বুলি গোপালদেৱৰ মাতৃ ব্ৰহ্মাণী আইৰ গৰ্ভত স্থান লৈছে আৰু গোপালদেৱৰ জন্ম হৈছে। আন আন অৱতাৰী পুৰুষৰ জীৱনত ঘটা অলৌকিক ঘটনাবিলাকৰ দৰেই গোপালদেৱৰ জন্ম আৰু বাল্যকালত নানা অলৌকিক ঘটনা ঘটাৰ উল্লেখ আছে।

'ইটো সিটো গুটি ছুহিকে মানুষ
আনিলোক প্ৰজাগণ।' (পৃষ্ঠা, ৫৪)

দ্বিজ ৰামানন্দই গোপালদেৱৰ জীৱনত চাৰিবাৰ শংকৰ দৰশন হোৱাৰ কথা লিখিছে। একান্ত আগ্ৰহ থকাটো গোপালদেৱে শংকৰদেৱৰ ওচৰত শৰণ লোৱাৰ সুযোগ নেপালে। চতুৰ্থবাৰ শংকৰ দৰ্শন হোৱাৰ পাচত পৰা গোপালদেৱৰ মনত শান্তি নাছিল। গৃহকৰ্মত আওকাণ কৰি হৰিনাম কীৰ্ত্তন কৰাত আৰু শংকৰদেৱৰ ৰচিত পুথিসমূহ অধ্যয়নত একান্তপটীয়াকৈ লাগিছিল। গোপালদেৱ মহাপণ্ডিত হৈ পৰিছিল।

শংকৰদেৱত শৰণ ল'ব নোৱাৰাত গোপালদেৱৰ খেদ আৰু চৈতন্যপন্থী সুপিতাই গোপালক কেনেকৈ ভাণ্ডিবলৈ চেষ্টা কৰিছিল এই সকলো কথা গোপালদেৱৰ চৰিতত উল্লেখ কৰিছে।

ৰামানন্দ দ্বিজ আৰু পূৰ্ণানন্দই গোপালদেৱৰ দুগৰাকী ভাৰ্য্যাৰ কথা উল্লেখ কৰিছে। ভবানীপুৰীয়া ভবানন্দ আতৈ মহন্তই গোপালদেৱৰ দুগৰাকী ভাৰ্য্যাৰ কথা তেওঁলোকৰ সন্তানৰ কথাও উল্লেখ কৰিছে।

'শ্ৰীশ্ৰী গোপালদেৱৰ কথা চৰিত' ত সংকলন কৰোতা স্বৰ্গীয় বজ্ৰেশ্বৰ গোঁসায়ে চৰিতকাৰসকলৰ লিখনিৰ অংশ অংশকৈ তুলি দি নিজৰ মন্তব্য কথাত এই অংশ বিলাকৰ মাজে মাজে দি গৈছে।

মাধৱদেৱে বৈকুণ্ঠলৈ প্ৰয়াণ কৰাৰ আগতে শ্ৰীৰামৰ আগত গোপালেই মাধৱদেৱৰ পাচত লোকসকলক ভকত উপদেশ দিব বুলি কৈছিল আৰু ৰাম গোপালক সেই কথা গোপালদেৱক জনাবলৈকো আজ্ঞা কৰিছিল। শ্ৰীৰামে বৰপেটা থানৰ ভকতসকলৰ আগত মাধৱদেৱৰ আজ্ঞা কথা জনালে, তেতিয়া ভকতসকলে বাহিৰত যেনেকুৱাই ভাল পাইছে বুলিছিল যদিও পেটে পেটে বে ভালপোৱা নাছিল এই কথাখিনি ৰামগোপালৰ ৰচিত চৰিতখনত উল্লেখ কৰিছে।

১ প্ৰাগুক্ত, পৃষ্ঠা ৫০

"সিটো সময়ত কোন জনে আৰ
একো বাক্য স্ফুৰিল।
পাচভেসে কতো জনে গৃহে আসি
আন কথা আলোচিত।।" (পৃষ্ঠা ২২৭)

এই কথা চৰিত্ৰখনিৰ সংকলন কৰোঁতা ৰামচৰণ গোঁসায়ে নিজৰ কথা বিলাকৰ প্ৰমাণ, উল্লেখিত পাচখন গোপালদেৱৰ চৰিত্ৰপুথিৰ বাহিৰেও আন আন চৰিত্ৰ পুথিৰ উদ্ধৃতিৰে দিছে। চৰিতকাৰৰ কথা পদত আৰু গোঁসাইৰ ব্যাখ্যা কথাত আছে।

(৮) ৰমানন্দ দ্বিজ : শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ

শ্ৰীমহেশ্বৰ নেওগ, এম. এ
অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয় সম্পাদিত
প্ৰথম তাঙৰণ, ১৮০২ শক
শ্ৰীশ্ৰীশংকৰদেৱ লাইব্ৰেৰী
পঞ্চবটী আশ্ৰম : পো ট্ৰিবিউন
গুৱাহাটী · অসম
মূল্য অনা, পৃষ্ঠা ২৭১

'শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ'ৰ ৰচক ৰমানন্দ দ্বিজ সম্বন্ধে সম্পাদকে মন্তব্য কৰিছে, 'আমাৰ চৰিত সাহিত্যত আৰু এজন ৰামানন্দ দ্বিজ আছে। সেইজন হ'ল ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য শ্ৰীৰামদেৱ 'ভাটি আতা'ৰ পুত্ৰ। থাহতত বি সত্ৰৰ অধিকাৰ। তেওঁ শংকৰ মাধৱৰ এখনি চৰিত্ৰ ৰচে। তেওঁ আৰু আমাৰ বংশীগোপালদেৱৰ চৰিত্ৰ লিখোঁতা ৰমানন্দ দ্বিজ একে মানুহ নহয়'[1]।

শিশু মাতৃহীন গোপাল বাপেকৰ ঘৰত থাকি ডাঙৰ দীঘল হয়। এজন ব্ৰাহ্মণৰ ওচৰত শিক্ষা লৈ গীতা পৰ্যন্ত পঢ়িছিল। বিয়াৰ কাৰণে ধন ঘটিবলৈ কেইজনমান বন্ধুৰ লগত ভটিয়াই যাওঁতে পাটবাউসীত শংকৰদেৱক লগ পাই শংকৰদেৱৰ প্ৰতি বৰকৈ আকৃষ্ট হয়। কিন্তু বন্ধু কেইজনে গোপালক ঘৰলৈ ঘূৰাই আনে। নিজ ঘৰলৈ ঘূৰি আহিও গোপালে শংকৰদেৱৰ পৰা মন আঁতৰাই আনিব নোৱাৰিলে। তেওঁ বাঁহী বজাই নাম গাই ঘূৰিবলৈ ল'লে আৰু ভেটিয়াৰ পৰাই

১ ৰমানন্দ দ্বিজ, শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ, ১৮৭২ শক, পৃষ্ঠা ৩

গোপালৰ নামৰ লগত 'বংশী' শব্দ যোগ হৈ বংশীগোপাল নাম হয় বুলি চৰিতখনিত উল্লেখ আছে,

বংশীগোপালদেৱ এগৰাকী আদর্শ স্থানীয় ত্যাগী পুৰুষ আছিল। আহোম ৰাজ্যত বৈষ্ণৱ ধর্ম' প্রচাৰ কৰিছিল। সেই সময়ত 'বৈষ্ণৱ ধৰ্ম'ক বা 'শংকৰী ধৰ্ম'ক 'মহাপুৰুষৰ ধৰ্ম বুলি জনা গৈছিল। চৰিতভো সেই কথাৰ উল্লেখ আছে,

"মহাপুৰুষ ধর্ম থাপিয়া লোকত।
দেহ এড়ি ৰহিলন্ত বৈকুণ্ঠ পুৰত ।।"[১]

বংশীগোপালে মাধবদেৱৰ পৰাই বৈষ্ণৱ ধৰ্মৰ মূলমন্ত্র "এক শৰণ নাম ধর্ম"ৰ কথা অতি 'নখুটকৈ শিকি লৈ'ছিল। কেৱল কৃষ্ণই একমাত্র উপাস্য দেৱতা, তাৰ বাহিৰে আন দেৱ দেৱীক উপাসনা কৰা, পূজা কৰা আদি নিষেধ এই মূলকথা শিৰোগত কৰি বংশীগোপালে বৈষ্ণৱ আদর্শ প্রচাৰ কৰিছিল।

এই চৰিতত সত্ৰৰ বিভিন্ন শ্রেণীৰ বিষয়ৰ ভিতৰত কেই প্রকাৰ মান নাম পোৱা যায়। গোপালদেৱে প্ৰসঙ্গৰ নিয়ম কৰি পাচজন 'শ্রবনি' পাতে। এওঁলোকৰ কাম পদ ভাগৱত শ্রৱণ কৰা[২], 'ভড়ালী' সকলক চাউল, গোল, তেল, খাৰ আদি বস্তু ৰখাৰ নিয়ম শিক্ষা দিছিল[৩], মদন গোপালৰ মূৰ্ত্তি আৰু গোবিন্দ ঠাকুৰৰ পূজাৰ ভাৰ 'বৰ পজুৱী'ৰ হাতত দিছিল[৪]। পাঠকসকলে পাঠ কৰিছিল।

চৰিত খনিত শংকৰদেৱৰ প্রচাৰিত ধৰ্মৰ প্রকৃত স্বৰূপ আৰু তাৰ বিকাশৰ কথা অতি সৰল ভাষাৰে বর্ণনা কৰিছে। সেই সময়ৰ সামাজিক, ৰাজনৈতিক অৱস্থাৰ কথাও সন্নিবিষ্ট কৰিছে। বংশীগোপালদেৱ যে অতি আদর্শ স্থানীয় পুৰুষ আছিল সেই কথা অতি সুন্দৰকৈ প্রতিফলিত কৰিছে।

চৰিতখনিৰ আৰম্ভনীতে ৰমানন্দ দ্বিজে ব্যক্ত কৰিছে,

'হৰি ভক্তি হৰি নাম হৰি ভকত।
তিনিত বিনাই আন নাই নাই।' (পৃষ্ঠা ৩)

বুলি। ইয়াৰ পৰাই চৰিতকাৰৰ ভক্তি ধৰ্মৰ প্রতি কিমান শ্রদ্ধা আৰু আস্থা আছিল ধৰিব পৰা যায়।

---

১ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৪

২ ৰমানন্দ দ্বিজ, শ্রীশ্রীবংশীগোপালদেৱৰ চৰিত্র, ১৮৭২ শক, পৃষ্ঠা ১৫৭-১৫৮।

৩ প্ৰাগুক্ত গ্ৰন্থ পৃষ্ঠা ৮৫ ৮৬।

৪ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১০৭।

আৰু এটা কথা মন কৰিব লগীয়া যে এই চৰিত খনিত অলৌকিক ঘটনাৰ প্ৰাদুৰ্ভাৱ নাই। অতি সংযত ৰূপতহে, বিশেষকৈ চৰিত খনিৰ শেষৰ ফালে কেই ঠাই মানত অতিলৌকিক ঘটনা দুটামান দিছে[১]।

বংশীগোপালে সপোনত বা আন সময়ত যি অলৌকিক পুৰুষক দেখা পাইছে সেইয়া ব্ৰাহ্মণ ৰূপতহে। ঈশ্বৰেও ব্ৰাহ্মণ বেশ ধৰি সপোনত দেখা দিছে। দিঠকতো হৰিকথা চিন্তা কৰি থাকোতে ব্ৰাহ্মণ ৰূপত তেওঁৰ আগত এজন অতি তেজস্বী, অত্যন্ত বিশিষ্ট লোকে দেখা দিছে[২]।

ৰমানন্দ দ্বিজ বংশীগোপালৰ জীৱন অৱসানৰ পাচত গুৰুৰ দুখ বেজাৰৰ কথা বৰ্ণনা কৰি শংকৰ-মাধৱ দামোদৰৰ লগতে চৈতন্যদেৱ কবীৰ আদিকো স্মৰণ কৰিছে, 'শংকৰ মাধৱ দামোদৰ গোপাল পৰমানন্দ ৰাম
কবীৰা চৈতন্য কৰিৱন্ত বলোৰাম।' (পৃষ্ঠা ২১৫)

এই চৰিত খনিতেই গুৰুৰ গুৰুৰ প্ৰতি, বৈষ্ণৱাচাৰ্যজনৰ প্ৰতি কি আগ্ৰহ, শ্ৰদ্ধা আৰু আস্থা আছিল তাৰ চিত্ৰ ৰূপায়িত কৰিছে। বংশীগোপালদেৱৰ দেহাৱসানৰ পাচত তেওঁৰ শ্ৰাদ্ধ আদিত হোৱা জনসমাবেশ আৰু নাম কীৰ্তন[৩], জয়হৰিদেৱৰ অস্থি লৈ পশ্চিমলৈ যোৱা, বেহাৰত বৰ্ষ গঙ্গাদেৱীৰ সপোনত আদেশ গুৰুৰ অস্থিৰ প্ৰতি ভক্তি ভাৱ[৪], আদি অতি সুন্দৰকৈ বৰ্ণনা কৰিছে। গুৰুকেই ঈশ্বৰ ৰূপ জ্ঞান কৰিছিল এই কথাৰ উপলব্ধি হয় ৰমানন্দ দ্বিজৰ বৰ্ণনাৰ পৰা।

এই চৰিত খনিত ভাগৱতক অধিক গুৰুত্ব আৰোপ কৰিছে। ভাগৱত পাঠ কৰিব পৰা লোকক বৈষ্ণৱ ধৰ্মৰ গুৰি ধৰোতা পাতিছে। বংশীগোপালৰ দেহাৱসানৰ পাচত ভাগৱত মিশ্ৰ (ভাগৱত ভালকৈ জনাৰ কাৰণে) "ভাগৱত ব্যাখ্যাতে বড়াহে সম্ভাধান"[৫] কাৰণে কন্দলিৰ পুত্ৰ হৰিচৰণৰ নতুন নাম ভাগৱত মিশ্ৰ হয়। জয়হৰি, নিৰঞ্জন বাপু আদি যি সকল ভাগৱত শাস্ত্ৰত পণ্ডিত হৈছিল তেওঁলোকক ধৰ্মাধিকাৰী পাতিছিল।

বংশীগোপালৰ জীৱন কথাতে গ্ৰন্থৰ ৰচনা শেষ কৰা নাই। বংশীগোপালৰ

---

১ প্ৰাগুক্ত গ্ৰন্থ পৃষ্ঠা ২০১ ২০৩ ২০৭ ২৩০
২ প্ৰাগুক্ত গ্ৰন্থ পৃষ্ঠা ১৮ ৫৩, ২১৩, ২৩০
৩ ৰমানন্দ দ্বিজ, শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ, ১৮৭২ শক পৃষ্ঠা ২১৮ ২২২
৪ প্ৰাগুক্ত গ্ৰন্থ পৃষ্ঠা ২২১ ৩০
৫ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১০৩

সংস্পৰ্শ'ল অহা ভাগৱত মিশ্ৰ, জয়হৰি আদিৰ কাৰ্য্য বিৱৰণৰ উপৰিও তেওঁলোকৰ পাচবো দুই চাৰিজনৰ কথা আছে। আনকি বেহাৰত দামোদৰদেৱৰ অন্তিমলীলাৰ কথাও বৰ্ণনা কৰিছে[১]।

বেহাৰত কোচ ৰজা লক্ষ্মীনাৰায়ণে দামোদৰদেৱক বেহাৰত আদৰ সাদৰ কৰি ঠাই দিয়াৰ কথা আছে। লক্ষ্মীন ৰায়ণৰ সময়ত শংকৰদেৱ জীয়াই থকা নাছিল। কিন্তু চৰিত খনিত এক সম্পদশালী গৃহস্থ ব্ৰাহ্মণ সংপানত দেখা দি নিজৰ কাৰণে অপপ ৰাকী খিনি দামোদৰদেৱক দিবলৈ আদেশ কৰিছে। তাক নকৰিলে "গৃহকো পুড়িবো মজি" (পৃষ্ঠা ২৬০) বুলিও স ৱ ান কৰিছে। গৃহস্থ সাৰ পাই শংকৰদেৱক সংপানৰ কথা কৈছেগ। শংকৰদেৱেও বিস্ময় হৈ লোক দি দামোদৰদেৱৰ ওচৰলৈ পঠাই দিছে। লক্ষ্মীনাৰায়ণৰ দিনত শংকৰদেৱ জীয়াই থকাৰ কথা এই চৰিত খনিতহে উল্লেখ আছে। তাৰোপৰি আৰু এটা কথা— শংকৰদেৱৰ জীৱিত কালত দামোদৰদেৱৰ প্ৰাধান্য, গুৰুত্ব মন কৰিব লগীয়া। আনহাতে শংকৰদেৱে নিজ পত্নী আৰু মাধৱদেৱক,

"স্বভাৱ ব্ৰহ্মণ সেৱা এহি প্ৰভু মহাজন
বিশেষ কৰিয়া মানিবাহা।
যিবা পাবা দ্ৰব্য জাতি তাঙ্কো দিয়া প্ৰেমে আতি
মধো মধ্য সেৱা কৰিবাহা॥" (পৃষ্ঠা ২৬১)

বোলা কথা কেইটাও মন কৰিবলগীয়া। দামোদৰদেৱৰ গুৰুত্ব বঢ়াবলৈ এনে কথা উল্লেখ কৰা যেন লাগে।

(৯) দৈত্যাৰি ঠাকুৰ বিৰচিত: মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱৰ চৰিত
শ্ৰীৰাজমোহন নাথ, বি ই, তত্ত্ব ভূষণ সম্পাদিত
১৮৭৯ শকাব্দ
প্ৰথম সংস্কৰণ, বেচ তিনি টকা, পৃষ্ঠা ৪২০
প্ৰকাশক: শ্ৰীঅৰুণ কুমাৰ নাথ
শ্ৰীহট্ট আনন্দ প্ৰেছৰ পৰা
শ্ৰীসনাচৰণ দাসৰ দ্বাৰা ছপা কৰা হ'ল।

---

১ প্ৰাগুক্ত ২য়, পৃষ্ঠা ২৫৯-৬১

দৈত্যাৰি ঠাকুৰে ৰচনা কৰা শংকৰ-মাধৱৰ জীৱন চৰিতখনি স্বৰ্গীয় ৰাজমোহন নাথে সম্পাদনা কৰি ১৮৭৯ শকাব্দত প্ৰথম ছাপৰণ উলিওৱাৰ আগতে, তেজপুৰৰ স্বৰ্গীয় হৰিবিলাস গুপ্তই প্ৰকাশ কৰিছিল বুলি স্বৰ্গীয় ৰাজমোহন নাথে পুথিৰ 'মুখবন্ধ'ত লেখি থৈ গৈছে।

"হৰিবিলাস গুপ্তই প্ৰকাশ কৰা কিতাপৰ মূল পাঠ আমাৰ প্ৰধান সম্বল। পুনীয়া সত্ৰৰ ডেকা শ্ৰীযুত দত্তদেৱ গোস্বামী প্ৰভুৰ অনুগ্ৰহত যোৰহাট কাকজান ঢেকীয়াখোৱা গাৱৰ বৰনাম ঘৰৰ থাপনাৰ পৰা অনা সাঁচিপতীয়া চৰিত্ৰ পুথিখন আমাৰ দ্বিতীয় সম্বল। এই পুথিৰ পাঠৰ লগত গুপ্ত ডাঙৰীয়াৰ কিতাপৰ পাঠ পুংখানুপুংখ ভাবে মিলাই পাৰ্যমানে পাঠ শুদ্ধ কৰা হৈছে"[1]। মূল সাঁচিপতীয়া পুথিখনত অধ্যায় বিভাগ নাছিল বুলিও উল্লেখ কৰিছে। কিন্তু স্বৰ্গীয় নাথে সম্পাদনা কৰাৰ সময়ত পাঠৰ সুবিধাৰ কাৰণে ঘটনা বা বিষয় বস্তু অনুসৰি অধ্যায়ত ভগ কৰিছে আৰু অনুচ্ছেদবোৰৰ নামাকৰণো কৰি গৈছে। উদাহৰণ স্বৰূপ প্ৰথম অধ্যায় আৰম্ভ কৰিছেই প্ৰাৰ্থনা, শংকৰ-মাধৱ অৱতাৰ পুৰুষ, গ্ৰন্থ ৰচনাৰ উদ্দেশ্য আদিকৈ সৰু সৰু ভাগত বিভাগ কৰি পাঠৰ কাৰণে সুবিধা কৰিছে।

আৰু এটা কাম স্বৰ্গীয় নাথে কৰিছে—প্ৰতিটো অধ্যায় আৰম্ভ কৰোঁতে পদৰ সংখ্যা নতুনকৈ একৰ পৰা দিয়াম পদ হয় দি গৈছে। ইয়াৰ পৰা প্ৰতিটো অধ্যায়ত কিমান পদ আছে আৰু পাঠৰ শেষত অধ্যায় কিমান আৰু পদ কিমান তাক উলিওৱাত সুবিধা হৈছে।

স্বৰ্গীয় নাথে চৰিত পুথিখনি সম্পাদনা কৰোঁতে পাঠৰ লগত পাদটীকা দি গৈছে। এই পাদটীকাৰ কাৰণে ৰামচৰণ ঠাকুৰৰ 'গুৰু চৰিত', ভূষণ দ্বিজৰ 'শ্ৰীশ্ৰীশংকৰদেৱ', দ্বিজ ৰামানন্দৰ 'শ্ৰী গুৰু চৰিত', দ্বিজ ৰামানন্দৰ 'শ্ৰীশ্ৰীবংশী-গোপালদেৱৰ চৰিত্ৰ', নীলকণ্ঠ দাসৰ 'শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ', গণক পুখুৰীৰ শ্ৰীযুত যজ্ঞেশ্বৰ গোস্বামীৰ নামঘৰৰ সাঁচিপতীয়া পুথি, লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীশ্ৰীশংকৰদেৱ শ্ৰীমাধৱদেৱ' ইত্যাদি গ্ৰন্থৰ সহায় লৈছে বুলি স্বৰ্গীয় নাথে উল্লেখ কৰিছে।

দৈত্যাৰি ঠাকুৰে চৰিতত শংকৰদেৱৰ জন্ম, ক্ৰীড়া কৌতুক, পাঠাৰম্ভ, পাঠত অৱহেলা, পাঠত মনোযোগ, যোগ অভ্যাস, বিবাহ, যৌৱন লীলা, জগন্নাথ ভ্ৰমণ,

১ দৈত্যাৰি ঠাকুৰ, শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱৰ চৰিত, ১৮৭৯ শক ৰা, মুখবন্ধ, পৃষ্ঠা ১

ভাগৱত প্ৰচাৰ, কীৰ্ত্তন ৰচনা, আসামৰ দৌৱাত্ম্য আৰু গীতালাত আদি বিভাগ ষোৰ অতি সংক্ষেপতে বৰ্ণনা কৰিছে। বাৰ বছৰ জুৰি শংকৰদেৱে প্ৰথমবাৰ কৰা ভাৰতৰ বিভিন্ন তীৰ্থস্থানত ভ্ৰমণ কৰাৰ কাহিনীও মাত্ৰ উল্লেখ কৰিছে 'জগন্নাথ ভ্ৰমণ'ত,

"এক কালে তেঁহো জগন্নাথ ক্ষেত্ৰে গৈলা।
বহু দিন তৈতে কৃষ্ণ চৰণ সেৱিলা॥" (পৃষ্ঠা ২০)

বুলি বাৰ শাৰী পদত ভ্ৰমণ কথা শেষ কৰিছে।

শংকৰদেৱৰ পূৰ্ব্ব পুৰুষ লণ্ডাবৰত আৰম্ভ কৰিছে,

"লণ্ডাবৰ নামে এক জন আছিলন্ত।
চণ্ডীবৰ নামে তান তনয় ভৈলন্ত॥" (পৃষ্ঠা ৬)

লণ্ডাবৰৰো কোন, কৰ ভাৰ কোনো উল্লেখ নাই। আনকি চৰিতত শংকৰদেৱৰ প্ৰয়াণৰ কথা অতি সংক্ষেপতে উল্লেখ কৰিছে। শংকৰদেৱৰ প্ৰয়াণৰ শক মাহ, বাৰ, তিথি আদি একেবাৰে উল্লেখ কৰা নাই।

দৈত্যাৰি ঠাকুৰে জগদীশ মিশ্ৰৰ কথা, যাৰ বিষয়ে আন আন চৰিতত স্পষ্ট উল্লেখ আছে কেৱল 'কোন দেশী বিপ্ৰ কেহো নপাৰে চিনিতে'[1] বুলি উল্লেখ কৰিছে। সপোনত শংকৰদেৱক ভাগৱত শুনাবলৈ জগন্নাথৰ পৰা আদেশ পাই শংকৰদেৱৰ ওচৰলৈ আহি ভাগৱত শুনুৱাৰ পাচত,

"ভাগৱত পাঠ সঙ্গে তৈলা যাত্ৰকতে।
তেজিলন্ত প্ৰাণ মিলে সেহি সময়ত॥" (পৃষ্ঠা ২৫)

বুলিছে। জগদীশ মিশ্ৰই প্ৰাণ এৰাৰ কথা আন চৰিত পুথিত নাই। দৈত্যাৰি ঠাকুৰে কিন্তু "কৰাইলা শংকৰদেৱে কাষ্ঠ সংস্কাৰ" (পৃষ্ঠা ২৫) বুলিও লিখিছে।

দৈত্যাৰি ঠাকুৰে চৰিত খনিত মাধৱদেৱৰ ককায়েকৰ নাম নেজানে বুলিছে।

"নজানোহোঁ নাম বৰ পুত্ৰ তান
তাহাংক দেশত মইলা।" (পৃষ্ঠা ৩০)

দ্বিজ ৰামানন্দ আৰু ৰামচৰণ ঠাকুৰৰ মতে মাধৱদেৱৰ ককায়েকৰ নাম ৰূপচন্দ্ৰ-গিৰি। ভূষণ দ্বিজৰ মতে দামোদৰ। কিন্তু দৈত্যাৰি ঠাকুৰে মাধৱদেৱৰ ককায়েকৰ নাম নজনাটো আচৰিত। মাধৱদেৱ দৈত্যাৰি ঠাকুৰৰ ককাক, সেইতাক ৰামচৰণ ঠাকুৰৰ মোমায়েক।

১ দৈত্যাৰি ঠাকুৰ, মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱ ১৮৬৬ শকাব্দা, পৃষ্ঠা ২২

গয়াপানি তীৰ্থলৈ যাবলৈ আলোচনা কৰা, জগন্নাথ ক্ষেত্ৰত উপস্থিত হোৱা, আসামৰ উৎপাতত টেম্বুৱানি ত্যাগ কৰি ধুৱাহাহাটলৈ আগমন, শংকৰদেৱক তাতে লগ পাই শাস্ত্ৰ আলোচনা কৰা, গয়াপানিয়ে তীৰ্থলৈ যোৱাৰ কথা ত্যাগ কৰি শংকৰদেৱক গুৰু মানি কৃষ্ণৰ ভক্ত পন্থত শৰণ লোৱা আদি কথা সংক্ষেপতে উল্লেখ কৰি গৈছে।

শংকৰদেৱ আৰু চৈতন্যদেৱৰ সাক্ষাৎ শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে বাটত শান্তিপুৰত হোৱাৰ কথা লেখিছে। ৰামানন্দ দ্বিজ, ভূষণ দ্বিজ ৰামচৰণ ঠাকুৰৰ চৰিতত শংকৰদেৱৰ চৈতন্যদেৱৰ লগত সাক্ষাৎ হয় জগন্নাথ ক্ষেত্ৰতহে বুলিছে।

দৈত্যাৰি ঠাকুৰে শংকৰদেৱৰ জীৱন কথাতকৈ মাধৱদেৱৰ জীৱন কথাহে বেছিকৈ প্ৰাধান্য দি লেখিছে। কিন্তু ৰামচৰণ ঠাকুৰ, ৰামানন্দ দ্বিজ আদিয়ে অতি সংক্ষেপতে বিৱৰণ সমূহ দিছে।

মাধৱদেৱৰ বৰপেটাত থাকোঁতে তাঁতিসকলে 'ৰামবিজয়' যাত্ৰা কৰিবলৈ মাধৱদেৱক অনুৰোধ কৰে। মাধৱদেৱে তেতিয়া হেওঁলাকক সুন্দৰ নটুৱাক দিয়া কৰি ৰামৰ প্ৰতিমা সাজিয়োক' (পৃষ্ঠা ৩১৯) বোলাত কেনেকৈ সাজিব বোলাত মাধৱদেৱে নিজ মুখে 'মোৰ ৰূপ যেন দেখা তেনয় কৰিয়ো' (পৃষ্ঠা ৩১৯) বুলিছে। মাধৱদেৱে নিজ মুখে ৰামৰ প্ৰতিমা তেওঁৰ চেহেৰাৰ লগত মিলাই সজাবলৈ কোৱাটো মন কৰিব লগীয়া কথা।

ৰামৰ যাত্ৰাৰ গীত মাধৱদেৱে ৰচনা কৰিছিল। সেই যাত্ৰাই তাঁতিসকলৰ মাজত আলোড়ন তুলিছিল। ৰাম সীতাৰ প্ৰতিমা সজাই লগতে হনুমন্ত, বিভীষণ আদিক তুলি হৰিধ্বনি কৰি ৰাজ উলিয়াই আনিছিল। মহা মহোৎসৱ মিলিছিল[1]।

দৈত্যাৰি ঠাকুৰ দামোদৰদেৱক সক গুৰু' বুলি চৰিতত উল্লেখ কৰিছে[2]।

শংকৰদেৱৰ বছৰেকীয়া শ্ৰাদ্ধত দামোদৰদেৱৰ অনুপস্থিত থকাত মাধৱদেৱে শংকৰদেৱৰ পুত্ৰ হৰিচৰণক দামোদৰদেৱক শ্ৰাদ্ধলৈ মতা নাই নেকি সুধিলে। হৰিচৰণে কলে যে বাভিপুৱা ভকত পঠাই দিল মাতিবৰ কাৰণে। তেতিয়া তেওঁৱাই অহিব নোৱাৰে বুলি ক'লত হৰিচৰণ নিজে গৈছিল মাতিবলৈ। কিন্তু

---

১ দৈত্যাৰি ঠাকুৰ, মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱ, ১৮৭৩ শকাব্দা, পৃষ্ঠা ৩১৮-২০
২ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৩২০

ৰামচৰণ ঠাকুৰৰ চৰিতত আছে শংকৰদেৱৰ পুত্ৰ ৰামানন্দহে গৈছিল মাত্তিবলৈ। আনহাতে নীলকণ্ঠ দাসৰ দামোদৰদেৱৰ চৰিতত কথা কাহিনী বহুত বেলেগ। দৈত্যাৰি ঠাকুৰ লেখি ছে দামোদৰদেৱ শংকৰদেৱৰ শ্ৰাদ্ধলৈ নহাৰ কাৰণ—

'ডেৰ্ছ বোপা তোমাৰ গৃহক যাওঁ বেবে।
তেবে আনো বুলিবেক যাইবাক আমাক।
সবাবো গৃহক মই লাগিব যাইবাক ॥
এতেকে ন যাইবো বাপু গৃহক যায়োক ॥' (পৃষ্ঠা ৩২২)

মাধৱদেৱে এই কথা জানি বৰ দুখ পাল যে শংকৰদেৱৰ গৃহলৈ অকাটো আনৰ গৃহলৈ যোৱাৰ লগত তুলনা কৰিলে। 'আনৰে তোমাৰে ঘৰ সম ভৈল আসি' (পৃষ্ঠ ৩১২) আৰু সেইকাৰণে অপৰলৈ দামোদৰদেৱক আৰু কোনো কথাতে মাতিবলৈ হৰিচৰণক মাধৱদেৱে মানা কৰি দিলে বুলি দৈত্যাৰি ঠাকুৰে লেখিছে।

দৈত্যাৰি ঠাকুৰৰ মতে মাধৱদেৱ আৰু দামোদৰদেৱৰ বিবাদ হৈ বিভাজন হোৱাৰ কাৰণো অলপ বেলেগকৈ দিছে। মাধৱদেৱে এদিন দামোদৰদেৱক মাতি ক'লে,

"আমি যাক দুৰ কৰোঁ। তাক কেনে
দিয়া ঠাই দামোদৰ।" (পৃষ্ঠা ৩২৩)

দামোদৰদেৱে উত্তৰ দিলে যে তেওঁ কাক খেদিব। তেওঁৰ কোনো পদ নহয়। তেতিয়া মাধৱদেৱে ক'লে যে দামোদৰদেৱে সত্ৰ পাতি আচাৰ্য হৈ আছে। বিপৰীত শিক্ষা দিছিব। দিলে তেওঁৰ দোষ হ'ব। দামোদৰদেৱে ইয়াৰো উত্তৰ দিলে যে যি যত কৰে সিটো আপোনাক কৰে। তাৰ দোষে দামোদৰক কিয় পাব ?

"তোমাক শংকৰ দেৱে থাপিলন্ত
তুমি সি পাৰা দেখিবে।
দোষ গুণ ব'ত তুমি সি শকত
বাখিবে জানা খেদিবে ॥
আমাক শংকৰ দেৱে থাপা নাই
এতেকে জানা আমাৰ।
বাখিবে খেদিবে দোষক দেখিবে
নাহিকয় অধিকাৰ ॥" (পৃষ্ঠা ৩২৪)

শংকৰদেৱক অমান্য কৰাত মাধৱদেৱে বেজাৰ পালে। ইয়াৰ পাচত মাধৱদেৱ আৰু দামোদৰদেৱৰ ভিতৰত নানা শাস্ত্ৰৰ কথাৰে তৰ্ক হয় আৰু শেষত মাধৱদেৱ আৰু দামোদৰদেৱৰ চিৰ বিচ্ছেদ হয়। কিন্তু বিদায় দিয়াৰ আগতে মাধৱদেৱে দামোদৰদেৱক,

'চিৰা খুৱাই, তুমি পাট জোৰা দিয়া
প্ৰবোধি বিদায় দিলা ॥
যোগন্ত তোমাৰ আমাৰ জানিবা
পৰিচ্ছেদ এহি মানে।' (পৃষ্ঠা ৩২৫-২৬)

নীলকণ্ঠ দাসৰ দা'মাদৰদেৱৰ চৰিতত মাধৱদেৱ আৰু দামোদৰদেৱৰ বিবাদৰ কাৰণ বেলেগ। ৰামচৰণ ঠাকুৰৰ চৰিতত্তো ঘটনা অলপ বেলেগ।

দৈত্যাৰি ঠাকুৰে আৰু এটা উল্লেখনীয় কথা চৰিতত উল্লেখ কৰিছে। সেইটো হ'ল—যি বস্ত্ৰ নিজ সন্তানক শংকৰদেৱে নিদি মাধৱদেৱক দিছিল, সেই বস্ত্ৰ মাধৱদেৱে ভাগিনীয়েক ৰামচৰণক দিছে,

"ইহ পৰলোকে এবিবাৰ নুহি
যি বস্ত্ৰ শংকৰে মোক।
দিলা সেহি বস্ত্ৰ মোৰ আশীৰ্বাদ
বৰোক দিলো তোমাত।" (পৃষ্ঠা ৩৩১)

এইবুলি মাধৱদেৱে দুই হাত ৰামচৰণৰ মূৰত থৈ ক'লে আৰু ভকতসকলে ৰামচৰণক যথাযোগ্য আদৰ সন্মান জনালে।

দৈত্যাৰি ঠাকুৰে চৰিত খনি লেখি থাওঁতে যেতিয়া যি কথা মনত পৰিছে তাকে লেখি গৈছে বুলিছে। কি কি মনত পৰা নাই তাৰ কাৰণে দোষ নধৰিবলৈ অনুৰোধ কৰিছে,

"যেখানে যি কথা মনত পৰয়
তেখনে তাহাক লেখি ॥
আৰু কত কত নপৰে মনত
নধৰিবা ইটো দোষ।" (পৃষ্ঠা ৩৩১)

এইখনি চৰিতত গোসাঁই ঘৰত চিন থাকিবলৈ মাধৱদেৱে খড়িকাটি অনাৰ কথা

উল্লেখ আছে। শংকৰদেৱৰ পুত্ৰ হৰিচৰণে তাৰে অলপ খড়িমাটি লৈ যোৱাৰ কথাও আছে,

'অনাইলন্ত খড়িমাটি অনেক যতনে।
গোঁসাইৰ ঘৰক চিত্ৰ কৰাইবাক মনে ॥' (পৃষ্ঠা ৩৩৮)

গোঁসাই ঘৰত চিত্ৰ অঁকাৰ প্ৰচলন থকাৰ খবৰ জনা যায়।

দৈত্যাৰি ঠাকুৰে একেখন চৰিততে মাধৱদেৱে ভাগিনীয়েক ৰামচৰণক শংকৰদেৱে তেৰাক দিয়া বস্তু দিয়াৰ কথা আছে। আনহাতে মাধৱদেৱৰ পাচত কাক কোনো কথা সুধিব বুলি ভকতসকলে মাধৱদেৱক সোধাত তিনি দিন কাকো একো উত্তৰ নিদি শেষত মাধৱদেৱে ক'লে,

তিনি দিন মানে আমি গুনি মনে চাইলো।
কাহাক বুলিবো আমি বিচাৰি নাপাইলো ॥" (পৃষ্ঠা ৩৮১)

শেষত ভকতসকলকে এজন চাই দিবৰ কাৰণে ক'লে। গতিকে দেখা গ'ল যে দৈত্যাৰি ঠাকুৰে মাধৱদেৱে তেৰাৰ পাচত কাকো উত্তৰাধিকাৰী পাতিব পৰা লোক বিচাৰি নেপালে বুলি উল্লেখ কৰিছে। কিন্তু এইটো কথাও উল্লেখ কৰিছে যে ঘোষা পুথিখনৰ যি জনে অৰ্থ বুজিব তেঁৱেই মাধৱদেৱকো লগ পাব বুলিছে। কাৰণ 'ঘোষাতে সমস্তে মোৰ বল বুদ্ধি যত (পৃষ্ঠা ৩৮১) আছে বুলিছে।

ৰামচৰণে এবছৰ দিন হাজো, বৰনগৰ, বৰপেটা, আসাম, কালজাৰ আদি ঠাই ঘূৰি 'কীৰ্ত্তন ঘোষা'খন সংগ্ৰহ কৰাৰ কথাও দৈত্যাৰি ঠাকুৰে চৰিতত উল্লেখ কৰিছে। ৰামচৰণৰ নিজৰহে ইচ্ছা হোৱাত ঠাই ঠাই হৈ থকা কীৰ্ত্তন ঘোষাক গোটালে বুলিছে। মাধৱদেৱে পুথিখন গোটোৱাৰ কথা গম পাই ৰামচৰণক মাতি সুধিছে,

এক ঠাই বোলে কৰিলা কীৰ্ত্তন
ঘোষা সিটো পুথিখন ॥" (পৃষ্ঠা ৩৮৩)

লগত পুথিখন নানাৰ কাৰণে মাধৱদেৱে ৰামচৰণক চাৰিদিনৰ ভিতৰতে পুথিখন আনি দিবৰ কাৰণে কৈছে। পুথিখন আনি দিয়াত, মাধৱদেৱে কিমান সন্তোষ পাইছে তাৰ বৰ্ণনাও কৰিছে।

দেখি পুথিখান আনন্দিত মন
ভাৱকণে উঠিলন্ত।
শিৰৰ ওপৰ পুথিখন ধৰি
আনন্দতে নাচিলন্ত।' (পৃষ্ঠা ৩৮৭)

দৈত্যাৰি ঠাকুৰে চৰিতথনিত 'হাকিম (পৃষ্ঠা ৩৫), 'আচ্ছা (পৃষ্ঠা ৪০২) শব্দ ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া। এইবোৰ আধুনিক ভাষাত ব্যৱহাৰ কৰা শব্দৰ ব্যৱহাৰ তেতিয়াৰ দিনত দৈত্যাৰি ঠাকুৰে কৰিছিল।

চৰিতথনিত দৈত্যাৰি ঠাকুৰে শংকৰদেৱ আৰু মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত শংকৰদেৱৰ পুত্ৰ আৰু নাতি সম্বন্ধেও চমুকৈ আভাষ এটা দিছে পুথিৰ শেষৰ ফালে।

চৰিত কথা লেখি শেষ কৰাৰ পাচত 'গ্ৰন্থৰ উপাদান' আৰু 'গ্ৰন্থকাৰৰ পৰিচয়' নামৰ দুটা সৰু খণ্ডত দৈত্যাৰি ঠাকুৰে চৰিত ৰচনা সম্বন্ধে আৰু নিজৰ পৰিচয় দাঙি ধৰিছে। মহন্তসকলৰ মুখত যি শুনিছে, বুঢ়াৰ পো গোবিন্দ আতাই যি কথা ক'লে আৰু

ৰামচৰণত শুনিছো যি মত
সবাক আমি লিখিলো।' (পৃষ্ঠা ৪১৫)

বুলি উল্লেখ কৰিছে। ইয়াৰ উপৰি লেখোতে যি বঢ়া টুটা হৈছে তাৰ দোষ নধৰিবলৈকো অনুৰোধ কৰিছে আৰু লগতে উল্লেখ কৰিছে,

'আৰো আছে এক যুগুতিক কথা
শুনিয়োক সাধু যত।
নানা প্ৰকাৰে ইসব কথাক
চৰ্চ্চন্ত নানা ভকত॥
ভক্তৰ মত লিখিতে নপাৰোঁ
যেমনে আনৰ দিঠো।
আছে দেখি কথা মনত পৰিলে
তেমনে চৰ্চ্চক দিঠো॥' (পৃষ্ঠা ৪১৫)

শেষত দৈত্যাৰি ঠাকুৰে আৰু এটা উল্লেখনীয় কথা লিখিলে,

'নাহিকে আৰিহি মুখৰ কথাক
কহন্ত তেখনে লৰে।' (পৃষ্ঠা ৪১৬)

বুলি তেওঁৰ আগত কোনো আহি নথকাত মুখৰ কথাৰ পৰা শুনি লেখাৰ কাৰণে বঢ়া টুটা হ'ব পাৰে। দৈত্যাৰি ঠাকুৰৰ পিতৃ ৰামচৰণ ঠাকুৰেও "গুৰু চৰিত" লেখিছিল বিস্তৃত বিৱৰণৰ সৈতে। কিন্তু কিয় দৈত্যাৰি ঠাকুৰে 'নাহিকে আৰিহি' বুলি উল্লেখ কৰিলে সেইটোও মন কৰিবলগীয়া।

দৈত্যাৰি ঠাকুৰৰ ককাকৰ নাম ৰামদাস। এই ৰামদাস নাম শংকৰদেৱেই দিয়া বুলিছে। এইজন ৰামদাসেই মাধৱদেৱক শংকৰদেৱৰ ওচৰলৈকো অনাৰ কথা লেখিছে। ৰামদাসৰ পুত্ৰ ৰামচৰণ আৰু ৰামচৰণ মাধৱদেৱৰ ভাগিনীয়েক। ৰামচৰণৰ পুত্ৰই দৈত্যাৰি ঠাকুৰ বুলি উল্লেখ কৰিছে। এই দৈত্যাৰি ঠাকুৰেই মহাপুৰুষৰ কথা পদত ৰচনা কৰা বুলিছে।

চৰিত খনিৰ শেষত গুৰুজনাৰ তিৰোধানৰ শক ১৪৯০ আৰু তাৰো আঠাইশ বছৰ পাচলৈ মাধৱদেৱ জীয়াই আছিল বুলি লেখিছে। পঞ্চদশ শত আঠাৰ শকত বৈকুণ্ঠ গৈলা মাধৱ"। (পৃষ্ঠা ৪১৯) বলিছে।

(১০) গুৰু চৰিত কথা সম্পাদক মহেশ্বৰ নেওগ
১৯৮৭, প্ৰকাশন বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
প্ৰথম তাঙৰণ, ১৯৮৩, বেচ—১৩০ টকা
পৃষ্ঠা ৬৭২

'গুৰু চৰিত-কথা'ত দুজনা গুৰু শংকৰদেৱ আৰু মাধৱদেৱ, দুজনা ঠাকুৰেউ পুৰুষোত্তম আৰু চতুৰ্ভুজ, নজনা আতা আৰু পশিচ জনা মহন্তৰ, আচাৰ্য্যৰ আৰু অনেকৰ বিষয়ে জীৱন কাহিনী লিপিবদ্ধ কৰিছে। এই চৰিত গ্ৰন্থখনি সম্পাদনা কৰি ডঃ মহেশ্বৰ নেওগে 'ভূমিকা'ৰ আৰম্ভনীতে উল্লেখ কৰিছে, "গুৰু-চৰিত-কথা' অসমৰ সংস্কৃতিৰ ইতিহাস ৰূপে এখনি অতি মূল্যবান মহৎ গ্ৰন্থ"[১]।

'গুৰু চৰিত-কথা'ৰ বিষয়বস্তু পঞ্চদশ শতিকাৰ শেষ ভাগৰ পৰা আৰম্ভ কৰি সপ্তদশ শতাব্দীলৈকে বিস্তৃত হৈছে। অসমৰ সামাজিক, অৰ্থনৈতিক,

১ ১৯৮৭, পৃষ্ঠা ৩১

ধৰ্মীয় পৰিবেশ, ৰাজনৈতিক, সাংস্কৃতিক, শিক্ষা আদি সকলো দিশকে সামৰিছে। ইয়াবোপৰি অসমৰ মধ্য যুগত মহাপুৰুষ শংকৰদেৱৰ নেতৃত্বত গোটেই দেশ ব্যাপি হোৱা বৈষ্ণৱ আন্দোলনৰ ইতিবৃত্তৰ লিপিবদ্ধ কৰিছে।

'গুৰু-চৰিত-কথা'ৰ বিষয় বস্তু আৰম্ভ কৰিছে, "প্ৰথমে আদি পুৰুষ ' চুৰুনা গুৰু নজনা আতা আকে মুখ্যকৈ আনোসৰসেৱক" (পৃষ্ঠা ৪১) বৃত্তান্ত আছে বুলিছে। শংকৰদেৱ আৰু তাৰ পাচত মাধৱদেৱৰ জীৱন কথাতেই অসমৰ মধ্য যুগৰ চৰিত পুথি লেখা আৰম্ভ হয়।

'গুৰু-চৰিত-কথা'ত শংকৰদেৱৰ উপৰিপুৰুষ বৈকুণ্ঠৰ লোক বুলিহে দেখুৱাইছে। এদিন নাৰদদেৱ বিৰিঞ্চি গোলোকৰ ঠাইলৈ গ'ল। তাত কৃষ্ণৰ সৈতে সৰস্বতীক সেৱা কৰিলে। কৃষ্ণ আৰু ৰাধাৰ অনুৰোধত নাৰদে বীণা বজাই গীত গালে। নাৰদে মহা প্ৰেমৰসে পকম্বৰ তুলি গীত গালে। ইয়াৰ পাচত সৰস্বতীকো কৃষ্ণই গীত গাবলৈ ক'লে। কৃষ্ণই গীত শুনি ইমান আপ্লুত হ'ল যে কৃষ্ণৰ প্ৰেমানন্দ জলৰ পৰাই ঈশ্বৰৰ ইচ্ছাত এটি শিশুৰ জন্ম হ'ল। নাম থ'লে পূৰ্ণানন্দ। এই পূৰ্ণানন্দকেই আদি পুৰুষ দেখুৱাই গোলোকৰ ঠাইৰ বিভিন্ন ঠাইলৈ বিভিন্ন জনে আনি আনি শেষত ত্ৰিপুৰাৰি বিশ্বেশ্বৰে কাশী বাৰাণসীলৈ আনি ভাগিৰথীৰ তিৰত থৈ গ'ল বুলিছে। তাৰ পৰা কনৌজপুৰলৈ আহি পূৰ্ণানন্দ বাটতে থৈ যোৱাৰ কাৰণে নাম দিলে সুপহুগিৰি। "নাম দি গ'ল পথতে থিত কৈ গ'ল দেখি সুপহুগিৰি"। (পৃষ্ঠা ৪) এই জনেই শংকৰদেৱৰ বংশৰ আদি পুৰুষ বুলি চৰিতত দেখুৱাইছে।

শংকৰদেৱৰ জন্মৰ পৰা বাল্যকালৰ প্ৰায় ঘটনাকে শিশু কৃষ্ণৰ বাল্যলীলাৰ লগত একে কৰি দেখুৱাইছে। শংকৰদেৱৰ জীৱন চৰিত্ৰক কৃষ্ণৰ চৰিত্ৰৰ আৰ্হিতে অংকন কৰিবলৈ চেষ্টা কৰিছে। শংকৰদেৱৰ যে কৃষ্ণৰ পূৰ্ণ অৱতাৰী পুৰুষ ৰূপত মৰ্ত্তলৈ আহিছিল তাকে তেতিয়াৰ ভকতসকলে বিশ্বাস কৰিছিল আৰু ভকতৰ দৃষ্টিৰে ভগৱানক যি ৰূপত দেখা পাব সেই ৰূপতেই শংকৰদেৱক 'গুৰু চৰিত কথা'ত অংকিত কৰিছে আনকি শংকৰদেৱৰ ৰূপ বৰ্ণনা কৰোতেও কৃষ্ণৰ ৰূপৰ আৰ্হিকে আগত ৰাখি অংকিত কৰিছিল যেন লাগে। আনকি ভকতজনাক চতুৰ্ভুজ ৰূপটো তেওঁ দেখা পাইছিল। চান্দসাই সেই কাৰণে চাৰিখন হাত দি শংকৰদেৱৰ কাৰণে চোলা চিলাই আনিছিল বুলিও উল্লেখ আছে। (পৃষ্ঠা ১৬৮)

চৰিতপুথিনিত দুজনা গুৰুৰ জীৱনৰ সংস্পৰ্শলৈ অহা অনেক চৰিত্ৰ বসাল। জীৱন্ত কাহিনীবো বিবৰণ আছে। সৰু সৰু বাস্তৱ কাহিনীবোৰে চৰিতপুথিনি আকৰ্ষণীয় কৰি তুলিছে। লগতে দি যোৱা নানা তুলনা, দৃষ্টান্ত আদিৰ কাৰণে চৰিতপুথিনি বসাল হৈ পৰিছে। ব্যক্তিগত জীৱন কথাই ঠাই পোৱাৰ কাৰণে চৰিতপুথিনিত থকা চৰিত্ৰ সমূহক ফুটাই তোলাত সহজ হৈছে। ব্যক্তিগত খুটি-নাটি, জীৱনৰ ঘটনাৱলীয়ে চৰিত্ৰ সমূহক ফুটাই তোলাত সহায় কৰে।

'গুৰু চৰিত কথা'ৰ গ্ৰন্থকাৰ হিচাপে কাৰো নাম দিয়া নাই। "প্ৰাচীন ধৰ্ম্ম গ্ৰন্থবোৰৰ ৰীতিয়েই এনে তাৰ আধুনিক ধৰণৰ লেখক নাই, আছে বক্তাহে"[১]। গতিকে 'গুৰু চৰিত কথা'ৰ গ্ৰন্থকাৰ জনকো বক্তা বুলিয়েই ক'ব লাগিব। বক্তা সবাৰো প্ৰকৃততে কোন সেই কথা যেন আঁৰতে বৈ গৈছে। ড. মহেশ্বৰ নেওগৰ মতে এই বক্তাজন হয় ধনঞ্জয় আতৈ নহ'লে চক্ৰপাণি বৈৰাগী আতৈ[২]।

শংকৰদেৱেই প্ৰথম চৰিত বক্তা বুলি ক'ব পাৰি। তেৱাঁই ভক্তসকলক কৃষ্ণ চৰিত্ৰ কীৰ্ত্তন কৰি শুনাইছিল। "গুৰুজনে মুখপদ্ম কীৰ্ত্তন কৰে। দশ অৱতাৰ বাইশ অৱতাৰ শ্ৰীৰামৰ কৃষ্ণ বলোভদ্ৰৰ চৰিত্ৰৰ।"[৩] ইয়াৰ পাচত শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত মাধৱদেৱে, 'গুৰুজনৰ সদা সৰ্ব্বদা চৰিত্ৰ কীৰ্ত্তন কৰিছিল"। এই দৰেই চৰিত্ৰ কথাৰ আৰম্ভ হয় আৰু চৰিত কথাৰ পৰাই পদ চৰিতবোৰৰো সূচনা হয়।

'গুৰু চৰিত কথা'ৰ ভাষা আৰু ভাষাৰ যি শৈলী সেয়ে অসমীয়া সাহিত্যৰ বিশিষ্ট সম্পদ। শংকৰদেৱকে প্ৰমুখ্য কৰি, মাধৱ দেৱ, বৈষ্ণৱ সন্ত-মহন্তসকলে ভাৰতৰ বিভিন্ন তীৰ্থক্ষেত্ৰত ভ্ৰমণ কৰি, সেই সেই ঠাইৰ ভাষাৰ লগত পৰিচিত হৈ অনেক অনা অসমীয়া শব্দ আয়ত্ত কৰিছিল। প্ৰয়োজন সাপেক্ষে সেই শব্দবোৰৰ ব্যৱহাৰো কৰিছিল। তেনে উদাহৰণ চৰিতপুথিনিত অনেক আছে। আৰবী, ফাৰ্চী, তুৰ্কী আদি শব্দৰ ব্যৱহাৰো আছে।

শংকৰদেৱে প্ৰথমবাৰ তীৰ্থৰ পৰা বাৰ বছৰৰ মূৰত ঘূৰি আহি পালত, জাতি মিত্ৰ সকলৰ আগত, "জি তীৰ্থৰ জি তাৰ কথা কাৰ মাত্ত বলি কাচ্ছি মহাত্মা

১ গুৰু চৰিত কথা, সম্পাদনা: মহেশ্বৰ নেওগ, ১৯৮৭, ভূমিকা, পৃষ্ঠা ৪৮

২ প্ৰাগুক্ত –গ্ৰন্থ পৃষ্ঠা ৪৯

৩ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৪৯

যি দেশত যি ধাৰা নীতি থান পিন্ধন সবাতে সবে কথা কৈ : তীৰ্থৰ জল মৃত্তিকা প্ৰসাদ নিৰ্মালি দিলে " (পৃষ্ঠা ২৮)

মাধৱদেৱেও শংকৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থ পৰ্যটনৰ সময়ত লগত গৈ ঘূৰি আহি নাৰায়ণ ঠাকুৰৰ আগত 'ভক্ত যি খান দান মাত্ৰ বলি কাৰ্চ্ছি খোটা বেৱস্থা ক্ৰম কৈছিল' (পৃষ্ঠা ১৪৩) বুলি উল্লেখ আছে। মাধৱদেৱে ইয়াকো কৈছে যে ভাটি দেশত "পোৱালো বিকৈ গোবৰো কিনৈ বিস্ময় কৈলোহো দেখি (পৃষ্ঠা ১৪৩) মাধৱদেৱে ঠোৱতে কোৱা কথাতে পশ্চিমৰ দেশ আৰু সেই সময়ৰ অসম দেশৰ এটা তুলনা পাব পাৰি পোৱালি বিক্ৰি কৰা, গোবৰ কিনা কথাৰে।

চৰিত্ৰখনিত পোৱা কথাৰ পৰা শংকৰদেৱেই অসমত প্ৰথম চেনিৰ ব্যৱহাৰ কৰা যেন অনুমান হয়। প্ৰথমবাৰ তীৰ্থৰ পৰা অহাৰ পাচত শংকৰদেৱে জাতি কুটুম্বক চেনি দিছিল। কিন্তু ব্যৱহাৰ নজনাৰ কাৰণে বাটি মাছ পুৰি পানি খোৱাৰ কথা শংকৰদেৱে গম পাওঁতে শংকৰদেৱে গাখীৰ পগাই দি খাবলৈ কোৱাত পাই ভগাকি পাইছে। শংকৰদেৱে অয়ন্তক কৈছে, "বোলে মূৰ্খ একো নজান কি সিকেৰে খাব লাগে : পগা দৈ খা গৈ চেনি কেনে পা খাই চাই তেহে সপাৰি টকাপি পাব ." (পৃষ্ঠা ২৯) ইয়াৰ পৰা ধৰিব পৰা যায় অসমত শংকৰদেৱৰ তীৰ্থলৈ যোৱাৰ আগত চেনিৰ প্ৰচলন নাছিল।

'গুৰু চৰিত কথা'ত শংকৰদেৱ, মাধৱদেৱ আৰু আন বৈষ্ণৱ গুৰুসকলে ৰচনা কৰি থৈ যোৱা বিভিন্ন গ্ৰন্থসমূহৰ ৰচনাৰ সময় আৰু প্ৰসঙ্গ প্ৰয়োজন বিশেষে উল্লেখ কৰিছে। প্ৰাক্ বৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ 'সাত কাণ্ড ৰামায়ণ'ৰ দুই কাণ্ড হেৰোৱাৰ পাচত পৰৱৰ্তী যুগত মাধৱ কন্দলিৰ ৰামায়ণ অনন্ত কন্দলিয়ে 'চাকি ভুচ কৰিবৰ মন দিলে' বুলি শংকৰদেৱক মাধৱ কন্দলিয়ে সপোনত ৰক্ষা কৰিবৰ কাৰণে ধৰাত শংকৰদেৱে মাধৱদেৱৰ লগ লাগি হেৰোৱা আদি আৰু উত্তৰা কাণ্ড কেনেকৈ ৰচনা কৰি সংযোগ কৰিলে সেই কথাৰো বিৱৰণ আছে। (পৃষ্ঠা ১০১)

শংকৰদেৱ ছাত্ৰশালত থাকোতে শিক্ষা গুৰুৱে আন আন ছাত্ৰৰ লগতে শংকৰদেৱকো নিজাকৈ শ্লোক লেখিবলৈ কওঁতে, শংকৰদেৱে আকাৰ ই কাৰ নাইকিয়া কৈ লিখা শ্লোক দেখি শিক্ষা গুৰু জনে, 'ভৈল লোন নাই মহা বেজৰ এনে খাব বিনা জৰ বচন : খাবা মহা শক্তি মন্ত্ৰ ছুহি : কিবা হৰি হৰ হৰে

আছেহি"। (পৃষ্ঠা ২৩) বুলি মন্তব্য কৰিছিল। এনেকৈ, শংকৰদেৱৰ প্ৰথম ৰচনাৰ পৰা আৰম্ভ কৰি শেষ জীৱনলৈকে কৰা ৰচনাৰাজীৰ প্ৰসঙ্গ, সময় আদিৰ উল্লেখ আছে।

ইয়াৰোপৰি মাধৱদেৱৰ ৰচনাৰাজী আৰু আন বৈষ্ণৱ সন্তসকলে ৰচনা কৰা সাহিত্যৰাজীৰ ষ'ত যি প্ৰসঙ্গত আহিছে উল্লেখ কৰি গৈছে। "নাম ঘোষা', বৰগীত আদি ৰচনা কৰিবলৈ মাধৱদেৱক শংকৰদেৱে আজ্ঞা কৰাৰো উল্লেখ আছে।

'গুৰু চৰিত কথা'ত অসম, কামৰূপ আৰু বেহাৰৰ ভৌগোলিক অঞ্চলত থকা লোকসকলৰ লগত পাহাৰ অঞ্চলত বসবাস কৰা জনজাতিসকলৰ যুদ্ধ-বাগৰ চলি থকাৰ কথাও পোৱা যায়। ইয়াৰ ফলত নানা অঘটন ঘটিছিল। বাৰ ভূঞা সকলে এনে জনজাতি সকলৰ আক্ৰমণত নানা লটি ঘটি হ'ব লগাৰ বিবৰণ আছে। ভোটৰ লুট-পাট, ভোটৰ যুদ্ধ আৰু ভোটৰ পৰাজয় (পৃষ্ঠা ১০, ১১), কছাৰীসকলে ভূঞাসকলক আমনি কৰাত ছল কৰি কছাৰী বধ কৰা (পৃষ্ঠা ৩৬, ৩৭), ভকলা মাৰণ লাগিল আৰু ভূঞাসকলৰ কষ্ট হ'ল (পৃষ্ঠা ৩৮) আদি কথাৰো উল্লেখ আছে।

চৰিতখনিত অসমৰ জনসাধাৰণৰ সামাজিক ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, সমাজ ব্যৱস্থাৰ বহল বিবৰণ আছে। সমাজত ব্ৰাহ্মণসকলৰ স্থান কেনে আছিল, বাৰভূঞাসকলৰ প্ৰতিপত্তি কেনে আছিল, নব বৈষ্ণৱ আন্দোলনে সমাজলৈ কেনেদৰে পৰিবৰ্ত্তন আনিছিল আৰু কি প্ৰভাৱ বিস্তাৰ কৰিছিল তাৰো বিবৰণ আছে। নাৰীসকলৰ কি স্থান আছিল, কি অংশ গ্ৰহণ কৰিছিল তাৰো প্ৰসঙ্গক্ৰমে উল্লেখ আছে। বৈষ্ণৱ ধৰ্মই প্ৰভাৱ বিস্তাৰ কৰাৰ আগতে অসমত কি ধৰ্ম জনসাধাৰণৰ মাজত প্ৰচলন আছিল আৰু শংকৰদেৱৰ জন্মৰ সময়লৈকে দেৱী পূজাৰ লগত শিৱ পূজাৰো প্ৰাধান্য আছিল তাৰো উল্লেখ আছে।

অসমত কেনে ধৰণৰ বিদ্যা শিক্ষাৰ প্ৰচলন আছিল, অসমলৈ বাহিৰৰ পৰা অহা পণ্ডিতসকলৰ লগত অসমৰ পণ্ডিতসকলে কেনে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল, গুৰুকুলত ছাত্ৰসকলৰ অধ্যয়নৰ বিষয় কি কি আছিল তাৰো বিবৰণ চৰিত খনিত আছে। সমাজ আৰু দেশত পণ্ডিতসকলৰ কি আদৰ থেৰসুতি আছে শংকৰদেৱে বাৰ বছৰ বয়সলৈ পঢ়িবলৈ মন নকৰাত কোৱা কথাতে প্ৰমাণ পোৱা যায়, "আমাৰ বংশত অপণ্ডিত নাই. তই মূৰ্খ হ'ব খুজিছনে : দৈৱজ্ঞই

চাই পণ্ডিত হ'ব বুলি ক'লে সিও দেখো মিছা হ'ল : (আমাৰেলে কৰ্ম কৰে পণ্ডিতৰে বাক্য লাৰ)। ৰজাক স্বদেশেহে পূজে : বিদ্যাৱন্ত সৰ্ব্বদেশে পূজ্য।" (পৃষ্ঠা ২২)

অসমৰ অৰ্থনীতি, প্ৰধানকৈ তেতিয়াৰ দিনতো কৃষিৰ ওপৰতে নিৰ্ভৰ কৰিছিল। জীৱিকাৰ কাৰণে খেতিয়েই প্ৰধান উপজীৱ্য আছিল। ইয়াৰ বাহিৰে, আন আন জীৱিকা নিৰ্ব্বাহৰ ব্যৱস্থাও জনসাধাৰণৰ মাজত আছিল। কুমাৰ, কমাৰ, মাছ মৰিয়া, তেলী, পাটপলু পোহা যোগী, মিঠাই কৰা সাদৈ, কাপোৰ বোৱা তাঁতী আদি লোকসকলে বিভিন্ন বৃত্তিৰে নিজৰ জীৱিকা নিৰ্ব্বাহ কৰাৰ লগতে সেই সময়ৰ সমাজৰ প্ৰয়োজন পূৰ্ণ কৰাত সহায় কৰিছিল। সেই সম্বন্ধেও ঠায়ে ঠায়ে চৰিতকাৰে উল্লেখ কাৰ গৈছে। ইয়াৰোপৰি হাতী বাঁহী, ঘোৰাবাঁহী, মাউত, খেৰকটিয়া শ্ৰেণীৰ লোকো আছিল। কোচ ৰজাই দৰ্জী নিয়োগ কৰি কাপোৰ সিয়াইছিল। দৰ্জী কাম কৰা লোকসকল মুছলমান আছিল।

আহোম ৰজা, কোচ ৰজাই দেশত মুদ্ৰা প্ৰচলন কৰিছিল বুলিও চৰিতখনিতেই উল্লেখ আছে। কিন্তু তেতিয়াৰ দিনত মুদ্ৰাই চুকি নোপোৱা ঠায়ো আছিল। সেই ঠাইত বস্তু সলোৱা প্ৰথাৰে লেন দেন চলিছিল।

সেই সময়ত পুৰুষ আৰু মহিলাসকলে ব্যৱহাৰ কৰা বস্ত্ৰ অলংকাৰৰ বিষয়েও উল্লেখ আছে। পাট ধুনি আৰু পচৰাই পুৰুষৰ পৰিধানৰ বস্ত্ৰ আছিল। আই সকলে পাটনি পাট বিহা পৰিধান কৰিছিল। ইয়াৰ বাহিৰে বিভিন্ন ধৰণৰ গাত লোৱা কাপোৰ যেনে—হৰ কাপোৰ, মহাজি চেলেং, পচৰা, গমচা আদিৰো প্ৰচলন আছিল। চাটন, সিংখাপ, তাও বাদিচৰি, মখমল, পাট আদি বিবিধ ধৰণৰ কাপোৰৰ প্ৰচলন আছিল বুলি চৰিত খনিত কৰা উল্লেখৰ পৰা জনা যায়।

স্ত্ৰী পুৰুষ দুয়ো নানা ধৰণৰ অলংকাৰ পৰিধান কৰাৰ কথাও চৰিত বৰ্ণিত উল্লেখ আছে। ৰাজসিক বেশত পুৰুষসকলেও হীৰা, সুবৰ্ণ, ৰতন, বাখৰ, পোৱাল, মানিক আদি অলংকাৰ ৰূপে ব্যৱহাৰ কৰাৰ কথা আছে। কিন্তু সাধাৰণ শ্ৰেণীৰ লোকে ইমান অলংকাৰ ব্যৱহাৰ কৰিব নোৱাৰিছিল, নকৰিছিল।

বেহাৰ, কামৰূপ আৰু অসমত তেতিয়াৰ দিনতো চাউলেই আছিল প্ৰধান খাদ্য দ্ৰব্য। মুগ, মাটি, মচুৰ আদি মাহ চেকীয়া, কচু, নানাবিধ শাক, ঔটেঙা, বেঙেনা, বেশোৰ আদি চাউলৰ লগতে আন খাদ্য দ্ৰব্য হিচাপে ব্যৱহাৰ

কৰিছিল। মাছ, মাংসৰো প্ৰচলন আছিল। নানাবিধ কন্দ, গাখীৰ, গাখীৰৰ পৰা তৈয়াৰ কৰা বিবিধ বস্তু খাদ্য হিচাপে ব্যৱহাৰ হৈছিল তাৰো উল্লেখ আছে। চেনিৰ ব্যৱহাৰ শংকৰদেৱে প্ৰথমবাৰ তীৰ্থৰ পৰা ঘূৰি অহাৰ পাচতহে হৈছে যেন অনুমান হয় চৰিতখনিত থকা উল্লেখৰ পৰা।

খাদ্য ন'হ'লেও কিন্তু অসমীয়া সমাজখনত অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি থকা বস্তু দুটা হ'ল তামোল আৰু পাণৰ প্ৰচলন। সমাজৰ বহুতো প্ৰয়োজনীয় কাম এই তামোল পাণৰ দ্বাৰাই কৰা হৈছিল।

দেশত যে দাসত্ব প্ৰথা অলপকৈ হ'লেও প্ৰচলন আছিল সেই সম্বন্ধেও চৰিত-খনিত উল্লেখ আছে। টকা-কড়িৰ অভাৱতে অনেকে বিষয়া আধ্যবস্ত শ্ৰেণী-লোকৰ ঘৰত দাসত্বৰ জীৱন কটাব লগা হৈছিল। কোচ বজা নৰনাৰায়ণে ধৰাই নিয়া নাৰায়ণ ঠাকুৰ আৰু গকুল চান্দক তোটক বেচিবলৈ দিয়াৰ কথাও আছে। ইয়ো এক প্ৰকাৰ দাসত্বই আছিল। ইয়াৰ বাহিৰেও ৰাজবিষয়া সকলৰ ঘৰত আঢ্যৱন্ত লোকসকলৰ ঘৰত বন্দী, দাস, দাসী আদি বন কৰা মানুহ থকাৰ কথাও জনা যায়। শংকৰদেৱৰ ঘৰত চন্দৰী বনকৰা মানুহ আছিল যদিও চন্দৰী আই বোলাহে হৈছিল। চন্দৰী আই, গায়নৰ ঘৰৰ বোন্দায়ো বাণ দিয়া'ৰ প্ৰমাণ স্বৰূপ আছিল। শংকৰদেৱক বৃন্দাবনৰ চিত্ৰ অঁকাৰ সময়ত কল্পতৰু বৃক্ষ জোপা দিবলৈ স্থান দেখুৱাব পাৰিছিল "বোলে ডেকাগিৰি সেইখিনিতে নিদিয়া কিয় শ্ৰীমন্দিৰ কাষে সপ্তম দ্বাৰ আগকৈ।" (পৃষ্ঠা ৩১)

"গুৰু চৰিত কথা' অসমৰ নব বৈষ্ণব বা ভক্তি ধৰ্মৰ ইতিহাসৰ আদি পৰ্ব। দুজনা গুৰু ন জনা আতাকে ধৰি পচিশ মহন্তৰ চৰিতৰ কথাচ্ছলে সেই পৰ্ব্ব বৰ্ণিত হৈছে। চৰিতখনি ৰচনা কৰাৰ সময়ত অসমৰ বাহিৰৰ ভক্তি সম্প্ৰদায়ৰ বাৰ্ত্তা (অৱশ্যে দক্ষিণ-পশ্চিম আৰু উত্তৰ-পশ্চিম অঞ্চলৰ বাদে) এইখিনি পাইছিলহি আৰু তাৰ কিছু অংশ স্থানীয় ইতিহাসত সন্নিবেশ কৰাৰ প্ৰয়োজন চৰিতকাৰে অনুভৱ কৰিছিল"[1]। অসমত শংকৰদেৱে বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰি কেনেকৈ প্ৰচাৰ, প্ৰসাৰ কৰিলে আৰু গুৰুজনাৰ তিৰোধানৰ পাচত এই ধৰ্মলৈ অহা কাট, বিভাজন আদিৰ বিষয়েও প্ৰয়োজন সাপেক্ষে বৰ্ণনা কৰি গৈছে। অসমত 'চৈতন্য পন্থী' লোকো যে আছিল আৰু সেই পন্থৰ লোকসকলে প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচাৰিছিল সেই সম্বন্ধেও উল্লেখ আছে।

১ গুৰু চৰিত কথা, সম্পাদনা মহেশ্বৰ নেওগ, ১৯৮৭, ভূমিকা, পৃষ্ঠা ১২৩।

শংকৰ বিদ্বেষী ব্ৰাহ্মণসকলে কেনেকৈ শংকৰদেৱক ব্যতিব্যস্ত কৰিছিল, অপদস্থ কৰিবলৈ বিচাৰিছিল, সেই সম্বন্ধেও চৰিতকাৰে বিস্তৃত বিৱৰণ প্ৰসংগ অনুক্ৰমে দি গৈছে। কোচ ৰজা নৰনাৰায়ণৰ আশ্ৰয়ত, ৰাজ অনুগ্ৰহত শংকৰদেৱৰ পাণ্ডিত্যৰ প্ৰকৃত মূল্যায়ন হৈছিল, আনকি ৰজাই শংকৰদেৱৰ ওচৰত শৰণ ল'বলৈ আগ্ৰহ কৰি বৈষ্ণৱ ধৰ্মক কিমান উচ্চস্থানত স্বীকৃতি দিছিল তাৰো বৰ্ণনা আছে।

শংকৰদেৱৰ সময়ৰ পৰা চৰিত কথা লিখাৰ শেষ সময়লৈকে অসমৰ ধাৰ্মিক ইতিহাসৰ বিষয়ে অনেক কথাই 'গুৰু চৰিত কথা'ই জানিবলৈ দিছে। শংকৰদেৱে কীৰ্তন ঘৰ স্থাপন কৰাৰ কথা, ভকতসকলৰ কাৰণে সত্ৰ অনুষ্ঠান পতাৰ কথা এই চৰিতত বহলভাৱে উল্লেখ আছে। হৰিগৃহ, কীৰ্তন ঘৰ বা নাম ধৰ্ম কেন্দ্ৰ কৰি ভকতসকলক থকাৰ বাবে হাটি আৰু ভকতৰ বহাৰ ব্যৱস্থা কৰি সত্ৰানুষ্ঠান পাতে। শংকৰদেৱে দ্বিতীয়বাৰ বিবাহ কৰাৰ পাচত ঘৰত থাকি কৃষ্ণ কথা হৰি গুণানু কীৰ্তন কৰাত অসুবিধা পোৱাৰ কাৰণ গ্ৰামৰ পৰা দূৰত কুসৰৰ নিজৰাল সৰিয়হ ভজিত "চাৰি হাটি কৰি হৰি গৃহ বান্ধ (বলৈ চাৰ মাৰোতে বাসুদেউ মূৰ্তি ওলাইছে)" (পৃষ্ঠা ২৯) আৰু এয়াই অসমত হৰি গৃহ বা কীৰ্তন ঘৰ কৰাৰ পাতনি বুলি ধৰিব পৰা যায়।

সেই সময়ত জনসাধাৰণৰ যাতায়াতৰ প্ৰধান বাহন আছিল, বাটেদি হ'লে দোলা আৰু পানীয়েদি হ'লে নাও। দুয়োটাই প্ৰধান অহা-যোৱা, বেহা-বেপাৰৰ পথ আছিল। নাওও কেবা ধৰণৰ ব্যৱহাৰ কৰিছিল। চৰিতখনিত কোষা, মানচৈ, পমাৰি, পিনিচ, কোষ, চেৰেঙা ভাৰি, বজৰা আদি নাৱৰ নাম দিছে। মুদৈসকলে বেহা-বেপাৰ নাৱেৰে দূৰৈত অহা-যোৱা কৰিছিল তাৰো উল্লেখ আছে। শংকৰদেৱক লগ পাবলৈকো পশ্চিমৰ লোক দূৰৈত্তৈ আহিছিল। শংকৰদেৱো দুবাৰকৈ তীৰ্থ পৰ্যটন নাৱেৰেই অহা যোৱা কৰি কৰিছিল।

'গুৰু চৰিত কথা' শংকৰদেৱ প্ৰবৰ্তিত অসমৰ ভক্তি আন্দোলনৰ মনোৰম অভিলেখ। লগতে ই "শংকৰদেৱৰ পূৰ্বৰ, শংকৰদেৱৰ জীৱনকালৰ আৰু পিচৰ অসমৰ বহল এখন ছবি দাঙি ধৰে"[1] বুলি ড. মহেশ্বৰ নেওগ 'গুৰু চৰিত কথা'ৰ ভূমিকাত উল্লেখ কৰিছে। মুঠতে এই চৰিত গ্ৰন্থখনিতে মধ্যযুগৰ অসমৰ

১ ১৯৮৭ পৃষ্ঠা ১০৬

সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় পৰিবেশ আদিৰ ইতিহাস দাঙি ধৰিছে বুলি ক'ব পৰা যায়।

চৰিতখনিত শংকৰদেৱৰ চতুৰ্ভুজ ৰূপৰ উল্লেখ আছে। শংকৰদেৱৰ বুঢ়ীমাক খেৰসুতিয়ে দেখিছে (পৃষ্ঠা ২১), শংকৰদেৱে পাঠ আৰম্ভ কৰাৰ পাচত শংকৰদেৱৰ শিক্ষা গুৰুৱে দেখা পাইছে (পৃষ্ঠা ২২), বগা ভকনেও দেখিলে শংকৰদেৱৰ চতুৰ্ভুজ ৰূপ (পৃষ্ঠা ১০৪), চান্দসায়ে শংকৰদেৱৰ কাৰণে দপলা সি নিছে চাৰিখন হাত দি (পৃষ্ঠা ১৬৮), গুণমালা পুথিখন লিখাৰ আগমুহূৰ্তত বগ্ৰমালি বুঢ়ায়েও শংকৰদেৱক চতুৰ্ভুজ ৰূপত দেখি দণ্ডৱতে পৰি প্ৰণাম কৰিছিল (পৃষ্ঠা ১৬৮) ইত্যাদি অনেক উদাহৰণ আছে।

শংকৰদেৱ প্ৰথমবাৰ তীৰ্থলৈ যাওঁতেই পুৰুৰ তীৰ্থত কৰি গোপীনাথে শৰণ লোৱাৰ কথা উল্লেখ কৰিছে। (পৃষ্ঠা ২৬)

চৰিতখনিৰ আৰম্ভনিৰ পৰা শেষলৈকে অতিলৌকিক কথাৰ যথেষ্ট প্ৰাদুৰ্ভাব থকা দেখা যায়।

শংকৰ মাধৱ যে অভিন্ন আত্মা আছিল, সেই কথা চৰিতত শংকৰদেৱে নিজ মুখে ব্যক্ত কৰিছে মাধৱদেৱক, "আমাৎ তোমাৎ ভিন্ন ধৰ্মক ধৰিব· আমাক দেখিলেও তোমাক দেখে· তোমাক দেখিলেও আমাক দেখে অত দিলে তত পাই. তত দিলেও মই পাঞ। এ ৰবাগোকে আমাকে ভিন্ন ভেদ কৰে মাজত কৰতহে দিএ (গীতাত কৃষ্ণ বুলিছে অৰ্জুনৰ আগে. মও কৈচো ৰবাগোকে মোকে ভিন্টা মানে ভেদ কৰে· মোৰ শৰীৰত ঘাৱ মাৰে অস্ত্ৰ ধৰি)"। (পৃষ্ঠা ১০০)

মাধৱদেৱেই কঠৰ প্ৰচলন কৰে সেই কথা চৰিতত উল্লেখ কৰা কথাৰ পৰা ধৰিব পাৰি। মাধৱদেৱে এদিন এখন কঠ সাজি ভালকৈ ধুই পথালি শংকৰদেৱক দি ক'লে, "বাপ ইয়াত বহি হৰিকথা চৰ্চ্চা কৰাব : শংকৰদেৱে বহা আসনখনৰ নাম কি দিছে বালাত মাধৱদেৱে কট বুলি ক'লে। শংকৰদেৱে তেতিয়া ক'লে, "সভ নাম হৈছে : অত্তে বহি হৰি গুণ কীৰ্ত্তন কৰিব দেহৰ কটুমট বাসনা দূৰ হ'ব ভকতৰ।" (পৃষ্ঠা ১১১) তাৰ পাচৰ পৰাই কটৰ আহি হ'ল আৰু সকলোৱে গুঠি লোৱা হ'ল। ইয়াৰ আগতে চলাপিৰাহে আছিল বুলি উল্লেখ আছে।

পদধূলাৰ ব্যৱহাৰৰ সম্বন্ধেও চৰিতখনিত পোৱা যায়। শংকৰদেৱৰ বহা কটখনৰ ওপৰত কম্বলখনি বহাৰ সময়ত পাৰে আৰু উঠি যোৱাৰ পাচত তাত পৰা ধূলাখিনি জোকাৰি শ্ৰীৰাম আতাই বুটলি লয়। এনেকৈ সদায় কৰোঁতে কৰোঁতে এদিন ইমান দিনৰ ধূলাখিনি শ্ৰীৰাম আতাই পণকচুচিলৈ লৈ গৈ, “ন চকত তিয়াই লাক কৈ শুকাইছে ঃ ” (পৃষ্ঠা ১১১) মাধৱদেৱে দেখা পাই কি শুকাইছে সোধাত, “বাপ গুৰুজনৰ আমি এক বৰৰ কট কম্বল জুলি ধূলা কেৰি শুকাইচো। গুৰু সেৱাৰ বেলা তিলক ল বলৈ॥” (পৃষ্ঠা ১১২) বুলি ক'লে। জগত উদ্ধাৰৰ বস্তু তুমিহে চিনি পালা, এই বুলি মহা প্ৰসাদ মাধৱদেৱক দিবলৈ ক'লে। ‘তাৰে পৰাহে ধুনাৰ আহিঁ ক ল” (পৃষ্ঠা ১১২) বুলি উল্লেখ কৰিছে।

আৰু এটা কথা মনকৰিবলগীয়া—এইখনি চৰিতত্তে বিষদভাৱে শংকৰদেৱে মাধৱদেৱক প্ৰমুখ্য কৰি আন সবেও কোনে, কি প্ৰসঙ্গত, কি লেখিছিল তাৰ বিষয়ে আৰম্ভৰ পৰা শেষলৈকে উল্লেখ কৰি গৈছে। এনে বিস্তৃত বিৱৰণ আন চৰিতত পাবলৈ নাই।

শংকৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে চৈতন্যদেৱক লগ পোৱা, চৈতন্যদেৱৰ লগত কথা বাৰ্ত্তা হোৱাৰ বিষয়ে উল্লেখ আছে। তীৰ্থ যাত্ৰা কৰাৰ পথতে চৈতন্য দেৱৰ ঠাইতো ৰৈছিল। গুৰুজনে চৈতন্যদেৱক সেৱা নকৰিবৰ কাৰণে সঙ্গীসকলক সাৱধান কৰি দিছে। চৈতন্যদেৱক শিষ্যসকলে জাননী দিলেগৈ শংকৰদেৱ অহাৰ কথা। চৈতন্যদেৱ আগে বেগে আগবাঢ়ি ঘাটলৈ আহিল। চৈতন্যদেৱে ককবা মাতিছে, “আছিচা হৰিৰ পো কি বুলি কাচিলা বাও। সংসাৰ বুলি গুৰু বহিছে কত দি আছিচা পাও॥” (পৃষ্ঠা ১২৭) ইয়াৰ উত্তৰ মাধৱদেৱে দিলে, “হৰিৰ আজ্ঞাত আছিচো গোচাই পৃথিবীত দি পাও। জগৎ মাজে গুৰু আচে আত্মা বিচাৰি চাও।” (পৃষ্ঠা ১২৭) এনেকৈ প্ৰশ্ন উত্তৰ কৰাৰ পাচত চৈতন্য গোসাঁয়ে আৰু শংকৰদেৱে দুয়ো দুয়োকে চাই প্ৰেমবন্ত ভক্তি ভাও বুলি প্ৰেম কৰি লোতক বৈ গ'ল। দূৰ হোৱাই নম্ৰ ভাৱে নমস্কাৰ কৰিলে বুলি উল্লেখ আছে।

তীৰ্থ যাত্ৰাৰ পথত, কবিৰৰ ঘৰলৈকো যোৱাৰ কথা আছে। কবিৰৰ মাণ্ডি-নীয়েকক শংকৰদেৱে লগ পোৱা, কবিৰৰ সমাধিলৈকো যোৱাৰ কথা লিখা আছে। আইতসকলে শংকৰদেৱক কবিৰ যবন বুলি শুনিছে কিয় তালৈ গ'ল বুলি সোধাত, শংকৰদেৱে কবিৰ যে হৃদয় অন্তৰবন্ত, লালন-পালনহে কৰাৰ বস্তু সেই বুলি উত্তৰ দিছে। এই কাহিনীও চৰিতখনিতেই আছে। আনকি ইয়াতে উল্লেখ

আছে যে চৈতন্যদেৱে কবিৰক সাগৰৰ বালিত সাহহাৰ কৰাত ৰজাক খলুৱা লোকে সেই কথা লগালত, "দেশ অধৰ্ম হ'ল ব্ৰাহ্মণে জবনক চোএ" (পৃষ্ঠা ১২৯) বুলি ৰজাই খং কৰি চৈতন্যদেৱক ধৰাই অনা, চৈতন্যদেৱক ৰজাই সোধাত চৈতন্যদেৱে সাগৰৰ বালিত জাতি চন্দন এখুভৰ পাই তাকে সাগৰৰ বালিত পুতি থোৱা আৰু ৰজাই দেখুৱাবলে কোৱাত কবিৰক সমাধি দিয়া সাগৰৰ বালিত জাতি চন্দন এটুকুৰাহে পোৱা ৰজাই চৈতন্যদেৱক টকা বস্ত্ৰ দি সন্মান প্ৰাৰ্থনা কৰাৰ কথা উল্লেখ আছে। (পৃষ্ঠা ১২৯)

শংকৰদেৱৰ তীৰ্থ ভ্ৰমণৰ বিস্তৃত বৰ্ণনা চৰিতখনিত আছে। প্ৰথমবাৰ বাৰ বছৰকৈ কৰা তীৰ্থ ভ্ৰমণ আৰু দ্বিতীয়বাৰ কৰা তীৰ্থ ভ্ৰমণৰ বিভিন্ন ঠাইৰ আচাৰ-ব্যৱহাৰ, লগপোৱা মানুহৰ কথা, ব্যৱহাৰ পাতি আদি সকলো বিৱৰণ আছে। ইমান বিস্তৃত বিৱৰণ আন চৰিত পুথিত নাই।

শংকৰদেৱৰ পাণ্ডিত্য আৰু সাহিত্য প্ৰতিভাৰ পূৰ্ণ বিকাশ হৈছিল বেহাৰৰ ৰজা নৰনাৰায়ণৰ সংস্পৰ্শলৈ অহাৰ সময়ৰ পৰাই। উপযুক্ত পৰিবেশ আৰু উদগনি পোৱাত, শংকৰ বিদ্বেষী ব্ৰাহ্মণসকলৰ মাজতো শংকৰদেৱৰ কেনেদৰে শিৰ উন্নত হৈ আছিল তাৰ বিষদ বিৱৰণ আছে। প্ৰথম অৱস্থাত ব্ৰাহ্মণসকলে ৰজাক শংকৰদেৱে ব্ৰাহ্মণ, গঙ্গা, তীৰ্থ নেমানে, শূদ্ৰ হৈ ভাগৱত ব্যাখ্যা কৰে, ব্ৰাহ্মণ, কৈৱৰ্ত, দৈৱজ্ঞ, কোচ, শূদ্ৰ সকলোকে ভজাইছে, একলগে খোৱা বোৱা কৰিছে "কুলশীল ধৰ্ম কৰ্ম বেদনীতি এৰি একৰাই দেশ গোটে তোমাৰ অনাচাৰি কৈলে ।" (পৃষ্ঠা ১৪৮), ৰজাবো এনে অধৰ্ম হোৱা দেশত থাকিলে নাশ হ'ব, ছত্ৰভঙ্গ হ'ব আদিকৈ খল দিছিল। ৰজাবো বিষম খং উঠি ধৰিবলৈ পঠাইছিল। কিন্তু প্ৰথমবাৰ শংকৰদেৱক ধৰিব নোৱাৰি তেওঁৰ ভক্ত গোকুল চান্দ আৰু নাৰায়ণ দাসক ধৰি আনি নানা শাস্তি কৰিছিল। কিন্তু শংকৰদেৱক যেতিয়া দ্বিতীয়বাৰ ধৰি আনিবলৈ পঠাইছিল, শেষত নিজৰ ৰাজসভাতে শংকৰদেৱক লগ পালে, শংকৰদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্বত কেনেকৈ ৰজা মোহিত হ'ল, ব্ৰাহ্মণৰ বিদ্বেষী কথাবোৰ কিমান মিছা তাৰ প্ৰমাণ পালে। ৰজাই কি দৰে শংকৰদেৱক সন্মান আৰু আদৰ কৰিলে তাৰ বিশদ বিৱৰণ এই চৰিতখনিত যি দৰে আছে আন আৰু কোনো চৰিততে নাই। (পৃষ্ঠা ১৪৮, ১৫১, ১৬৮, ১৭৩ ইত্যাদি)

শংকৰদেৱৰ শিষ্য ৰামৰায় গুৰু, চোট ঠাকুৰ আতা, বলোৰাম, শ্ৰীৰাম, পৰমানন্দ, গোবিন্দ, আতিৰাম, কাণিৰাম, বাকবি গো ৰাম—এই সকলে

শংকৰদেৱক সুধিছিল, 'বাপ এই ধৰ্ম বস্তু কত ৰব পাচৈব" (পৃষ্ঠা ১৭৭), তেতিয়া শংকৰদেৱে উত্তৰত কৈছিল, "মোৰ ধৰাৰ পোত্ত : তুই নাতিত : আৰু সৰৰ আত্মা দহ ব্ৰাহ্মণকেও ধৰিব" (পৃষ্ঠা ১৭৭) আৰু ইয়াৰ বাহিৰে দামোদৰদেৱৰ পৰাও ভাগৱতী ধৰ্ম গ্ৰহণ কৰি আনকো গ্ৰহণ কৰাব আৰু অনেক জীৱ নিস্তাৰ কৰিব।

চৰিতখনিত টিঙিৰি মাৰি জুই ধৰাৰ কথা আছে। শংকৰদেৱে গণক কুচিৰ পৰা যোগীঘোপাৰ কালে আগুৱাই যাওঁতে ক্ৰাশ মাছ পালে। খাগৰি কটাৰ বালিতে নাৱ বখাই ৰন্ধাবঢ়াৰ ব্যৱস্থা কৰিলে, "ঠাই অভাই জাক্ষিখৰি আনি টিঙিৰি মাৰি জুই ধৈলে" (পৃষ্ঠা ১৮২), শংকৰদেৱৰ দিনতো টিঙিৰি মাৰি জুই ধৰিছিল এই কথা জনা যায়।

দামোদৰদেৱৰ আতৰি থোৱাৰ সম্বন্ধেও চৰিতখনিত উল্লেখ আছে।

শংকৰদেৱ আৰু মাধৱদেৱে ভকতসকলক কোনো কথা বুজাবলৈ হলে প্ৰায় দৃষ্টান্ত দি বুজাইছিল, আহি কৈছিল নানা শাস্ত্ৰৰ পৰা। ফলত ভকতসকলে উপযুক্ত দৃষ্টান্ত বা আহিৰে কথাবোৰ বুজাত সহজ হৈছিল। চৰিতখনিত আৰম্ভণীৰ পৰা শেষলৈকে এনে দৃষ্টান্তৰে ভৰা।

ভকতসকলৰ জীৱনৰ অনেক আমোদজনক ঘটনা প্ৰসঙ্গক্ৰমে চৰিতখনিত আৰম্ভণীৰ পৰাই দি গৈছে। ফলত চৰিতখনিৰ আকৰ্ষণ বাঢ়িছে। শংকৰদেৱ, মাধৱদেৱৰ দিনত নানা আমোদজনক ঘটনা ভকতসকলৰ মাজত ঘটিছিল। উদাহৰণ স্বৰূপে উল্লেখনীয় দুই এটা ঘটনা দিয়াৰ লোভ সামৰিব পৰা নগ'ল।

(১) শংকৰদেৱে মাধৱদেৱ প্ৰমুখ্যে ভকতসকলৰ আগত ভক্তি কথা কীৰ্তন কৰিছিল। "উজাৰ আটৈএ খুটি ধৰি খুচৰি লোৱে" (পৃষ্ঠা ১৪৪) আৰু তেতিয়া নোলোৱা কথাটিও ওলাইছিল। এদিন সাধৰিৰ সমস্ত, পখুলিও হৈছিল। সেয়েও ধৰখুণৰ জাননী দিছিল, উজাৰ আটৈয়ে হোকা মন্তেই মন নকৰি প্ৰশ্ন কৰিছিল। শংকৰদেৱে তেতিয়া খং কৰি কৈছিল, "তোৰ নামটোহে উজাৰ : বুদ্ধিখানি উজাৰ : একো নজান" (পৃষ্ঠা ১৪৪) তাৰ পাচৰ পৰা আৰু ভকতে উজাৰ আটৈ শংকৰদেৱৰ আগলৈ নোলাইছিল। শংকৰদেৱৰ থৈ যোৱাৰ পৰ পাই আগতেই গৈ যাহ বা সবিষয়ৰ লোনাত লোকাই থাকিছিল গৈ। এদিন হঠিকল

ঠাকুৰ, পুৰুষোত্তম ঠাকুৰ, ৰামচৰণ ঠাকুৰ, পৰমানন্দ ঠাকুৰে খেল-ধেমালি কৰি কৰি গোপালে উদাৰ আতৈক পাইছিল গৈ। কথাটো শংকৰদেৱে গম পাই উদাৰ আতৈক সোধাত, "বোলে বাপ সিদিনা মই তু নপাই সুধিলো বাগ কৰা গল : তাৰে ভয়ত্তহে সোমাই যুদ্ধ : (পৃষ্ঠা ১৪৪) তেতিয়া শংকৰদেৱে কৈছিল যে পুনৰ খং নকৰে আৰু প্ৰশ্ন সুধিব।

(২) নাৰায়ণ দাসৰ লৰা-ছোৱালী কেইটি বুলি শংকৰদেৱে সুধিলত উত্তৰ দিছিল, "বাপ পৰ্মানন্দৰ মাকেহে জানে : পাচে আই অহাত সুধিলে : বোলে প্ৰভু লেখা নপাঞ • নল চৰাত সুৱাই থঞ সুনা হলে বিচাৰ লঞ • হাস্ততকৈ ভকজনে বোলে ববাৰ চৰা দৰে গৈছে।" (পৃষ্ঠা ১৭৯) নিজৰ ল'ৰা-ছোৱালীৰ হিচাব নোপোৱা পিতৃ মাতৃও আছিল।

(৩) উদাৰ গোবিন্দ আতৈয়ে নিজ ঘৰবাৰী এৰি শংকৰদেৱৰ লগত হৰিগুণ গাই আছিল। শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ প্যাচত মাধৱদেৱৰ লগত থাকিছিল। তেওঁ শৌচ শুদ্ধি গৈ যাওতে জিবাত ধৰি থাকিছিল। ভকতে দেখি কথাটো মাধৱদেৱক জনাইছিল। মাধৱদেৱে মাতি সুধিছিল, "তুমি হয় শোচত জিবাত ধৰি থাকা হইনে ." পৃষ্ঠা ২৮৩) উদাৰ গোবিন্দই উত্তৰ দিছিল, "বাপ ছুৰা পাত্ত নাম আছে দেখি থাকো হই ।। তেহে ভকজনে বোৰা মাতিছে হৰি নাম কীৰ্তনত নাহি কাল দেশ পাত্ৰ : নিয়ম সত্ৰম হোএ সিধি ।।" (পৃষ্ঠা ২৮৩) নামক কোনেও চুৱা কৰিব নোৱাৰে বুলি সেই দিনাৰ পৰা আৰু জিবাত ধৰিবলৈ মাধৱদেৱে মানা কৰিছিল।

উদাৰ আতৈৰ জীৱনত্তে আৰু অনেক বিস্ময়জনক হাস্য মধুৰ ঘটনা ঘটিছিল। আৰু অনেক ঘটনা আছে, য ত বিস্ময় আৰু হাস্যৰসো আছে, যিবোৰ ঘটনাৰ যোগেদি ভকতসকলক চৰিত্ৰ জনাত্ত সহায়ক হৈছে।

(৪) পাবোৰ গাবিন্দ আতৈ আছিছিল মাধৱদেৱৰ ওচৰলৈ। মাধৱদেৱে অহাৰ কাৰণ সোধাত, "বাপ তোকে সৱা কৰিবলৈ আছিচে" (পৃষ্ঠা ৩৩৩) বুলিছিল। ভকতসকলে মাধৱদেৱক কিয় তাই বুলি কৈছিল প্ৰশ্ন কৰিছিল। তেতিয়া গাবিন্দই কে বুলি কৰ লাগে বোলাত ভকতসকলে তুমি, তোমা কৈ কৰ লাগে বুলিছিল। আৰু এদিন গোবিন্দ আতৈ চাৰিওফাল ভাব গৈ আকৌ অহা দেখি মাধৱদেৱে পুনৰ অহাৰ কাৰণ সোধাত, "বাপ তোকে তুমি বলিবলৈ আছিলো"

(পৃষ্ঠা ৩৪৬) বুলি উত্তৰ দিছিল। মাধৱদেৱে তেতিয়া হাহি হাহি কৈছিল তুই কলেই মইও আনন্দ পাম।

(৫) এদিন মাধৱদেৱে ভকতসকলক কৈছিল, নামৰ কীৰ্ত্তন, গুৰুজনৰ মূৰ্ত্তিৰ সমান। ঘোষা বস্ত্ৰাৱলীত তেৰাৰ থাকিবৰ থান। যিসকলে ভক্তি কৰিব ঘোষাতে পাব। শুনি বৈকুণ্ঠ আতৈয় ঘোষাখন মেলি পাত্ত পাত্তকৈ চাই থাকিছিল। ভকতসকলে কথাটো মন কৰি মাধৱদেৱক কোৱাত, মাধৱদেৱে বৈকুণ্ঠ আতৈক মতাই সুধিছিল, "ঘোষাখান মেলি চোৱা কিয়: বোলে তোমা বোলা তাই দেখো ঘোষাৰ মাজত থাকা। দেখো বুলি চাও তাকে।" (পৃষ্ঠা ৪০৫)

(৬) চৰাই মৰা বলায়ে এবুলি কপৌ চৰাই খাবকৈ মনে মনে মাৰিবলৈ নিছিল। কিন্তু য'তে মাৰিবলৈ নিছিল চন্দ্ৰ, সূৰ্য্য, পৃথিবী, আকাশ সকলোৱে দেখে। হাবিত লোমাইছিল। তাতো গছ, লতা, পশু-পক্ষীয়ে, ভূত-প্ৰেত যক্ষ-নাগ আদিয়ে দেখে। কাপোৰৰ তলত মাৰিবলৈ চাইছিল, তাতো "পঞ্চভূত, এঘাৰ ইন্দ্ৰ, দশবায়ু, চবিশতত্ত্ব ষোড়শ বিকাৰ আই প্ৰাক্তত্ত্বে দেখে: উপাই নেপাই মাৰিবৰ দিলেনি:" (পৃষ্ঠা ৪৫৩)

'আলহী পোহা গৃহ'ত থাই, কীৰ্ত্তন ঘৰত "বন্দাবন গৃহ" চাবলৈ অহা লোকসকলে শোৱাৰ কথা (পৃষ্ঠা ২৯১) চৰিতপুথিত উল্লেখ আছে। মাধৱদেৱৰ দিনতেই "আলহী পোহা গৃহ" (পৃষ্ঠা ২৯১) আছিল সেই কথা জনা গ'ল। চতুৰ্ভুজ আতৈয়ে 'আলহী পোহা গৃহ'ত চক ভুৰিবলৈ ঠাই নেপায় কীৰ্ত্তন ঘৰত শুই থকাৰ কথাৰো উল্লেখ আছে। আলহী পোহা গৃহ বা অতিথি ঘৰত দূৰ দূৰণিৰ পৰা অহা ভকতসকলে বহা মেলা কৰিছিল আৰু কীৰ্ত্তন ঘৰত শুইছিল।

চৰিতপুথিৰ এটি উল্লেখনীয় কথা আছে, "কুকুৰ ভকত পাই ঠাই ঠাই। ভকতৰ ভকত পাবলৈ নাই।" (পৃষ্ঠা ৩১৩) জয়ানন্দ আতৈৰ টান নৰীয়া হওতে মাধৱদেৱে তেওঁৰ শুশ্ৰূষাৰ কাৰণে থাবলৈ জনাইছিল। "আমি লোকাৰ একান্ত গৃহৰ কি প্ৰয়োজন।।" (পৃষ্ঠা ৩১০) বুলি কৈ জয়ানন্দক শ্ৰীৰাম আতাই আপত্তি কৰিবলৈ সেই ঘৰ সৰাৰ পাচত শ্ৰীৰাম আতা সৰতে সেই কথাৰে উল্লেখ আছে।

চৰিতখনিত ৰাধাৰ উল্লেখ আছে। অসমৰ বৈষ্ণৱ ধৰ্ম, একশৰণ নাম ধৰ্ম, দাস্য ভাৱৰ। গতিকে ৰাধাৰ স্থান নাই। কিন্তু গোবিন্দ আতৈৰ মাকক মাধৱদেৱে খলা সৰা মচা বাৰণ কৰাৰ পাচত, মাধৱদেৱৰ ঘৰ আগতকৈয়ো পৰিষ্কাৰ কৰি ৰখা বুঢ়া-বুঢ়ী এহালক শ্ৰীৰাম আতাই প্ৰশ্ন কৰাত, "আমি কৃষ্ণ আৰু ৰাধা" (পৃষ্ঠা ২৯৮) বুলি পৰিচয় দিছিল। আকৌ মাধৱদেৱৰ ওচৰলৈ ৰজাৰ বলত খাটনিয়াৰ আহি "ৰাপ গোৰা ৰোৱা চাৰ খোজো . গুৰুজনে ৰাধা নাচ নাচিব দিলে " (পৃষ্ঠা ৩৫৫) বুলি উল্লেখ আছে।

চৰিতখনিত দুৰ্গোৎসৱত নাৱ খেলোৱাৰ কথা আছে "ৰাৰেও ভূঞা দুৰ্গোৎসৱত নাও খেলাইছে আৰিৰ্ক দহ দহ টকাৰ ' (পৃষ্ঠা ৩৮৪)

বুঢ়া আতা কামৰূপৰ পৰা মধুপুৰলৈ যাওঁতে বাটত, বৌমাৰিত "ঢেকেৰি এঘৰত ৰলগৈ ." (পৃষ্ঠা ৪১২) বুলি 'ঢেকৰি' শব্দ ব্যৱহাৰ কৰিছে।

মাধৱদেৱে মথুৰা দাসৰ "চন্দ কীৰ্ত্তন" কৰা (পৃষ্ঠা ৪১২) বুলিছিল।

চৰিতখনিত মাধৱদেৱৰ মুখেদি এটা কথা অতি স্পষ্টকৈ কোৱাইছে, "দশম কীৰ্ত্তন গুৰুজনৰ মূৰ্ত্তিৰ সমান . যোৱা বড়াৰণী আমাৰ থাকিবৰ থান ॥ তাৰাসৱে ভক্তি কৰিব যোবাতে পাব ' (পৃষ্ঠা ৪০৫) আকৌ বুঢ়া আতা আৰু সঙ্গীসকলক মাধৱদেৱে কৈছিল "মই গুৰু সেৱাকে ৰ্জি পালো তাকো যোবাতে থৈচো : অনেক শাস্ত্ৰ বিচাৰি যি ৰসতত্ত্ব পালো তাকো যোবাতে থৈচো : আৰু পৰমাত্মা হৈটৈ হৃদিত থাকি যি বুদ্ধিত দিলে তাকো যোবাতে থৈচো এতেকে পদাৰ্থে তাৱাৰ্থে তত্ত্বাৰ্থে নিজাৰ্থে . গূঢ়াৰ্থে : পৰমাৰ্থে অন্তৰ্যোৰা সৈতে সত্তৰ কৃপাত পাব : আমাক সম্পূৰ্ণে দেখিব ॥" (পৃষ্ঠা ৪১৩-১৪)।

চৰিতখনিত আৰু এটা উল্লেখনীয় কথাৰ উল্লেখ আছে—মাধৱদেৱক ভক্তসকলে তেওঁৰ পাচত ধৰ্মৰত্ন ক ত থ'ব, কাৰ আজ্ঞাৰে চলিব বুলি সুধিছিল, "এতিয়া আপুনাৰ পাচত কাক আগত লৈ আজ্ঞাৰে চলিম কৰিম হক . আপোনাৰ শ্ৰী মুখে শুনিলে সবাৰে যোলাই মান গুচি একমন হই।" (পৃষ্ঠা ৪১৪-১৫) কিন্তু মাধৱদেৱক সুধিনো সোধাৰ মূৰতো কোনো স্পষ্ট উত্তৰ দিয়া নাছিল। "তোম্রাসৱ সমূহে অৰিত অত্যাপত্তি শুধিৱলৈ তাক হই লৱা হাক :" (পৃষ্ঠা ৪১৫) বুলিহে কৈছিল। আনকি মাধৱদেৱে প্ৰয়াণৰ সময়তো, "গুৰুতাৰ ধৰৰ পাত্ৰই নাই : আচোক গুৰুদেৱো ভকত সেৱা কৰোতা নাই : সমূহে অৰিত শুশ্ৰূষা কৰিবলৈ তাকে বোলা বুলিবাহাক ॥" (পৃষ্ঠা ৪১৭) বুলিহে কৈছিল।

চৰিতখনিৰ শেষত থকা, পশ্চিম দেশত ফিৰিঙ্গিএ সুৰা খাই চিচা পেলাই ঃ যাত্ৰীএ কিনি গঙ্গাজল আনে ঃ অনেক সাধু সন্ত লই . যদি সুৰাত মিশ্ৰিত হএ গঙ্গা জল তাৰ দোষ কোনে ধৰে জগত পবিত্ৰকাৰী বিষ্ণু পাদোদকী ঃ আগপাচ ৰত্নদীৰ্ঘ ৰঢ়াটুটা বুজিব দোষ . চিচা বুলি কৰ্দ্দম দোষ ক্ষেমা কৰি কোটি অমৃত গুৰুচৰিত্ৰ লীলা খেলা সুনিব ।" (পৃষ্ঠা ৪৯৯ · এয়া চৰিতকাৰৰ নিবেদন। পশ্চিম দেশত ফিৰিঙ্গীয়ে সুৰা খাই চিচা পেলোৱা কথাটোৱে চৰিতকাৰৰ বুলিচৰ পৰিচয় পোৱা লোক বুলিয়েই অনুমান হয়। ফিৰিঙ্গীয়ে সুৰা খাই পেলোৱা বটলত গঙ্গা জল ভৰাই আনিলেও যেনেকৈ গঙ্গাজলৰ পবিত্ৰতাই সকলো দোষ খণ্ডন কৰাৰ কথা উল্লেখ কৰি নিজৰো চৰিত ৰচনা কৰাত দোষ হলে গুৰু চৰিত কথা গঙ্গাজলৰ নিচিনা, তাৰ ৰঢ়াটুটা দোষবোৰ নেচাই গুৰুচৰিত্ৰ অমৃত কথাটোলৈ মন দিব বুলি আশা কৰিছে।

চৰিতখনি শ্ৰীকৃষ্ণক প্ৰথম নমস্কাৰ জনাই শ্ৰীসৰ্ব্বাঙ্গক নামৰ তালিকাত শেষ নমস্কাৰ জনাই শেষ কৰিছে।

গুৰু লীলা ঃ

মহাপুৰুষ শ্ৰীশ্ৰীদামোদৰদেৱৰ চৰিত্ৰ

কবি ৰামৰায় দাস বিৰচিত

সম্পাদক শ্ৰীখগেন্দ্ৰনাথ পাঠক

পাটবাউসী সত্ৰ (বৰপেটা)

দামোদৰ গুৰু পুথি প্ৰকাশন সমিতি

ডাক ঃ পাটবাউসী সত্ৰ (বৰপেটা)

পৰিবৰ্দ্ধিত আৰু পৰিশোধিত সমিতি

১ ব'হাগ, ১৯০৪ শক

অৰিহণা—১৫ টকা, পৃষ্ঠা—১৭০

'গুৰুলীলা'ৰ ৰচক ৰামৰায় দৱতী ৰজা চন্দ্ৰনাৰায়ণৰ দিনৰ লোক। এওঁ বৈষ্ণৱ গুৰু দামোদৰদেৱৰ প্ৰিয় শিষ্য যদুমণিদেৱৰ শিষ্য। ৰামৰায় দাস, নীলকণ্ঠ দাস, কবিচন্দ্ৰ, কৃষ্ণাচাৰ্য্য প্ৰমুখ্যে কেবাজনেও দামোদৰদেৱৰ জীৱনকথা ৰচনা কৰি গৈছে। কিন্তু সেই চৰিত পুথিবিলাকৰ ভিতৰত ৰামৰায় দাসৰ "গুৰুলীলা" খনিকেই গুৰু গৰাকীৰ চৰিত পুথি বুলি পণ্ডিতসকলে কয়।

দামোদৰদেৱৰ আবিৰ্ভাৱৰ পৰা তেওঁ বাস্তাৱলৈকে, জীৱনকথাৰ সকলোখিনিকে অতি গম্ভীৰভাৱে সাৱলিল পণ্ডিত, সুমধুৰ ছন্দত ৰচনা কৰিছে। দামোদৰদেৱে কামৰূপ ৰাজ্যৰ বৰপেটা অঞ্চলৰ পাটবাউসী সত্ৰত গীতা ভাগৱত আদি শাস্ত্ৰ চৰ্চ্চা কৰি, মহাপুৰুষ শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি আৰু ভক্তি আৰু স্নেহৰ ভাৱেৰে থাকি জনসাধাৰণৰ মাজত ভক্তিৰস প্ৰচাৰ কৰি কেনেকৈ দিন অতিবাহিত কৰিছিল তাৰ বিৱৰণ পুথিত আছে।

ৰামৰায়ে 'গুৰুলীলা'ত মধ্যযুগৰ অসমৰ ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক অৱস্থাৰ বিষয়েও যিমান সম্ভৱ লিপিবদ্ধ কৰিছে।

'গুৰুলীলা' পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণৰ অৱতাৰ বৰ্ণনাৰে আৰম্ভ কৰিছে। শ্ৰৱণ কীৰ্ত্তন, ধৰ্ম্মৰ প্ৰৱৰ্ত্তন আৰু প্ৰচাৰৰ কাৰণে শ্ৰীকৃষ্ণই কিবা ৰূপত অৱতাৰ লয়ে তাৰ বিষয়েও উল্লেখ কৰিছে।

"নানা দেশে নানা তনু হৈয়া মহামতি।
পৃথিবীতে প্ৰকাশিলা হৰিৰ ভকতি।" (পৃষ্ঠা ৪)

শেষত ভক্তি প্ৰচাৰ কৰিবৰ কাৰণে শংকৰক আদেশ দিলে মৰ্ত্তলোকত ব্যভিচাৰ হৈছে। স্ত্ৰী শূদ্ৰ সকলোৱে যাতে তেওঁৰ সনাতন ধৰ্ম ধৰিব পাৰে তাৰ কাৰণে শ্ৰৱণ আৰু কীৰ্ত্তনক মুখ্য কৰি ধৰ্ম প্ৰচাৰ কৰিবলৈ কলে। বিষ্ণুৰ আজ্ঞা শিৰোগত কৰি শংকৰ মৰ্ত্তত মানুহৰ ৰূপত শংকৰ নামত জন্মলাভ কৰিলে।

"পাৰ্ব্বতীৰ নাম যাক মহেশ বোলন্ত।
হেন্তে আসি কুসুমৰ ঘৰে জন্মিলন্ত।।" (পৃষ্ঠা ৭)

'গুৰুলীলা'ত দামোদৰদেৱৰ বংশক গৌতম ঋষিৰ বংশ বুলি দেখুৱাইছে। "গৌতম বংশত দামোদৰ জন্মিলন্ত।" (পৃষ্ঠা ১১)

দামোদৰদেৱৰ জন্মৰ কথা শংকৰদেৱে শুনাৰ পাছত,

দামোদৰ নাম থৈবা শংকৰে বুলিলা।
অকস্মাৎ দামোদৰ আসিলা মুখত।" (পৃষ্ঠা ১৭)

বুলি বিস্ময়ক হৈছিল আৰু ইয়াকো কৈছিল যে দামোদৰৰ নাম লোকত প্ৰখ্যাত হব। জন্ম অৱস্থাৰ পৰা দামোদৰদেৱৰ শংকৰদেৱৰ সমস্ত সম্পৰ্ক থকাৰ কথা এনেদৰেই উল্লেখ আছে। শিশু অৱস্থাৰ পৰা দামোদৰ শিশুৰ সমস্ত শংকৰদেৱৰ

ওচৰলৈ যোৱাৰ কথা আৰু "শংকৰেয়ো কোনো বেলা তান গৃহে যান্ত।" (পৃষ্ঠা ১৯) বুলিও উল্লেখ আছে।

দামোদৰদেৱৰ মাতৃ বিয়োগৰ সময়'ত অসমত বৰ্জাই ভূঞা ধৰা কাৰ্য্য কৰোৱাত শংকৰদেৱ পশ্চিম দেশলৈ যাবলৈ আৰু দামোদৰদেৱেও মাতৃৰ মৃত কৰ্ম্ম কৰি লগতে যাবলৈ ওলোৱাৰ কথা আছে। চুনপোৰাত আহি উপস্থিত হোৱাৰ পাচত ভবানন্দ সাউদে শংকৰদেৱক লগ পাই শংকৰদেৱক গুৰু মানে আৰু নাৰায়ণ দাস নাম পায়, কাৰণ ভবানন্দক,

"দেখি শংকৰেয়ো নাৰায়ণ উচ্চাৰিলা।
সেহি কাৰণে নাৰায়ণ নাম ভৈলা॥" (পৃষ্ঠা ২১)

শংকৰদেৱৰ ওচৰলৈ যোৱাৰ পথত, দামোদৰদেৱৰ বৰাহকুণ্ডত চৈতন্যদেৱৰ লগত সাক্ষাৎ হৈ 'মণিকূট ছুয়োজনে সম্ভাষণ ভৈলা' (পৃষ্ঠা ২২) বুলিছে।

শংকৰদেৱে দামোদৰদেৱৰ ওচৰলৈ গৈ, "শৰণ কৰায়ো তুমি আমাৰ বংশক॥" (পৃষ্ঠা ৩০) বুলি দামোদৰদেৱক নমস্কাৰ কৰা বুলিছে। বংশীগোপালকো শংকৰদেৱে দামোদৰদেৱৰ হতুৱাই শৰণ দিয়াইছে। (পৃষ্ঠা ৩৬)

শংকৰদেৱে বংশীগোপালক,

"দামোদৰ পূজ্য জানা সমস্ত লোকৰ।
পৰম ঈশ্বৰ জানিবাহা দামোদৰ॥" (পৃষ্ঠা ৪০)

বুলিও দামোদৰদেৱৰ শ্ৰেষ্ঠত্ব চৰিতকাৰে দেখুৱাবলৈ যত্ন কৰা যেন লাগে। শংকৰদেৱতকৈ দামোদৰদেৱৰ স্থান ওপৰত কৰি দেখুৱাবৰ যত্ন কৰা যেন লাগে। বংশীগোপালক লগত লৈ শংকৰদেৱ দামোদৰদেৱৰ ওচৰলৈ গৈছিল, বংশীগোপালক নাৱত থকা বস্ত্ৰখিনি নিয়াৰ কথা কলত,

"দামোদৰ বস্তু যে শুনিয়ো শংকৰ।
আনায়োক দ্ৰব্যখানি তুলিয়া নাৱৰ।" (পৃষ্ঠা ৪০)

মানুহ পঠাই শংকৰদেৱে বস্তুখিনি নিয়াই দামোদৰদেৱৰ আগত থলেগৈ। ইয়াত শংকৰদেৱক দামোদৰদেৱে আজ্ঞা কৰিছে আৰু শংকৰদেৱে দামোদৰদেৱৰ আজ্ঞা পালন কৰাটো দেখুৱাইছে।

দামোদৰদেৱে বংশীগোপালক তেওঁৰ অধিকাৰী পতাৰ কথাও চৰিতখনিত উল্লেখ আছে।

"অসম ৰাজ্যৰ লোক কৰায়ো শৰণ ॥
ধৰ্ম্ম প্ৰবৰ্ত্তায়া তুমি পূৰ্ব্ব যে দিশত।
অধিকাৰী হয়া তুমি থাকিও তথাত।" (পৃষ্ঠা ৪০)

ইয়াৰ ওপৰি উত্তৰ দিশত ভগবান গোসাইক, দক্ষিণত সন্ত ভূষণক আৰু পশ্চিমত বলদেৱক দামোদৰদেৱে ধৰ্ম্মৰ অধিকাৰী পতাৰ উল্লেখ আছে।

ভট্টদেৱে কবিৰত্ন উপাধি লাভ কৰা, ভাগৱত কথাত ৰচনা কৰাৰ কথাও ইয়াত উল্লেখ আছে। (পৃষ্ঠা ৪৩-৪৪)

চৰিতখনিত দামোদৰদেৱৰ বিজয়নগৰত প্ৰৱেশ, নগৰৰ বৰ্ণনা, নগৰৰ নাৰী-সকলে দামোদৰদেৱক দেখা পাবলৈ উদ্ভুলি মুদ্ভুলি, দামোদৰদেৱ সাক্ষাৎ ঈশ্বৰ দেখা পালে জীৱন সফল হব সেই কথাবো উল্লেখ কৰিছে,

"দামোদৰদেৱ আসে চলি দেখি
জন্মক সাফলেঁ। আজি ॥" (পৃষ্ঠা ৫৪)

দামোদৰদেৱৰ দৰশনৰ কাৰণে ৰাজপুৰৰ নাৰীসকল কিমান আকুল আছিল সেই কথা বিশেষ ভাৱে উল্লেখ কৰিছে। ৰজা অন্তেষপুৰত থকাৰ কাৰণে দামোদৰ-দেৱক সাক্ষাৎ কৰিব নোৱাৰাত আক্ষেপ কৰি দাসীৰ হাতত নানা খাদ্যদ্ৰব্য পঠাইছিল। কিন্তু ৰজা মৃগয়ালৈ যোৱাৰ সুযোগতে "ৰাজা নাহি অৱসৰ এহি সময়ত" (পৃষ্ঠা ৮৩) বুলি নানা দ্ৰব্যৰত্ন ঠগি ভৰাই লৈ গৈ সভাৰ মাজত বহি থকা দামোদৰদেৱক সাক্ষাৎ কৰিছে গৈ তাৰো কথা আছে।

দামোদৰদেৱে কি পৰিস্থিতিত, কেনেকৈ বিজয়নগৰ ত্যাগ কৰিব লগা হল আৰু বেহাৰত প্ৰৱেশ কৰি কি আতিথ্য পাইছিল তাৰ বিষদ বিবৰণ আছে। দামোদৰদেৱ সম্পৰ্কীয় আন চৰিতত এই সম্বন্ধে এনে বিবৰণ নাই। দামোদৰ-দেৱৰ বিজয় নগৰত প্ৰৱেশৰ (পৃষ্ঠা ৫২) পৰা আৰম্ভ কৰি চৰিতখনিত প্ৰায় সৰহ অংশই বিজয় নগৰত দামোদৰদেৱৰ বিৰোধীসকলৰ কাণ্ড আৰু চক্ৰান্তৰ কথাৰেই ভৰা। (পৃষ্ঠা ৯৭)

লক্ষ্মীনাৰায়ণৰ ৰাজ্যৰ বৰ্ণনা। লক্ষ্মীনাৰায়ণ ৰজাৰ ৰাজ্যৰ সমৃদ্ধি বৃদ্ধিৰ বৰ্ণনা আদি দামোদৰদেৱে বেহাৰত সোমোৱাৰ পাচত কৰিছে। (পৃষ্ঠা ১০৩-৫)

লক্ষ্মীনাৰায়ণে দামোদৰদেৱক নিজ ৰাজ্যৰ ভিতৰত পাই অতিশয় সন্তোষ পাইছে সেই কথাবো উল্লেখ আছে। দামোদৰদেৱক সাক্ষাৎ ঈশ্বৰ অৱতাৰ বুলিছে

আৰু ৰজাই তেওঁৰ ৰাজ্য দামোদৰদেৱৰ প্ৰবেশত তীৰ্থ ভূমিত পৰিণত হল বুলিছিল। কাৰণ, "সত্বৰূপ হৰিক হাততে লগ পাইলো।" (পৃষ্ঠা ১০৯) বুলিছিল। দামোদৰদেৱৰ কাৰণে সত্ৰ, গৃহ বান্ধিবৰ কাৰণেও আদেশ দিছিল। ভকুৱাধাপ নামৰ ঠাইত দামোদৰদেৱৰ কাৰণে সত্ৰ নিৰ্মাণ কৰাই চাৰিওকালে চাৰি হাতী কৰাই, মধ্যত হৰি মন্দিৰ নিৰ্মাণ কৰাই দিছিল। তাৰ পাচত ৰজাক প্ৰমুখ্যে কৰি ৰাজ বিষয়া কুম্ভকাৰ, ৰজক নাপিত সোণাৰি আৰু আন আন প্ৰজায়ো দামোদৰদেৱত শৰণ লৈছিলহি।

'প্ৰভু দামোদৰৰ সাৰও অনুকূল।
প্ৰতিকূল আচৰন্তা নাহি সি ৰাজ্যত।" (পৃষ্ঠা ১১৪)

দামোদৰদেৱক দুৰ্ব্যৱহাৰ কৰাৰ কাৰণে পৰীক্ষিতৰ ৰাজ্যত কেনে ধৰণৰ দুকল হৈছিল, সেই কথাও এইখন চৰিতত পোৱা যায়। ঈশ্বৰ স্বৰূপ দামোদৰদেৱক ৰাজ্যৰ পৰা দুৰ্ব্যৱহাৰ কৰি আঁতৰাই পঠোৱাৰ পাচত পৰীক্ষিতৰ ৰাজ্যত নানা অমঙ্গল হবলৈ ধৰিছিল। (পৃষ্ঠা ১১৩) ঈশ্বৰ কৃপাৰ সাগৰ কষ্ট হোৱাৰ কাৰণে এনে দশা হৈছে বুলি পৰীক্ষিতেও কথাটো উপলব্ধি কৰিবলৈ ধৰিছিল। পৰীক্ষিতৰো ভাগ্যৰ বিপৰ্যয় কথা বৰ্ণনা কৰিছে।

কামৰূপৰ পৰা কৃষ্ণ মিশ্ৰ অহা, দামোদৰদেৱে উপেক্ষা কৰাত কৃষ্ণ মিশ্ৰই খেদ কৰাৰ কথাও আছে।

"শুকদেৱ সম, মোক এৰিলন্ত,
এৰিবা দেহা নিশ্চয়।" (পৃষ্ঠা ১১৮)

বুলি কৃষ্ণ মিশ্ৰই কেইদিনমান লাঘান দিয়াৰ কথা। কৃষ্ণ মিশ্ৰৰ লগত দামোদৰদেৱৰ সাক্ষাৎ আৰু কথাপকথন (পৃষ্ঠা ১১৭-২০) আদিৰ বিৱৰণ আছে।

দামোদৰদেৱৰ প্ৰয়াণৰ আগত দামোদৰদেৱে ভকতসকলক উপদেশ, দিহা পৰামৰ্শ দিয়াৰ কথা বিস্তৃত ভাবে চৰিতখনিত আছে। (পৃষ্ঠা ১২৩-২৮) দামোদৰদেৱৰ দেহাৱসানৰ পাচত সৎকাৰ কৰাৰ বিষয়েও বিস্তৃত বিৱৰণ আছে। (পৃষ্ঠা ১২৯-৩১)

বনগঞাগীৰি—মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

সংগ্ৰাহক—শ্ৰীসূৰ্য্যকান্ত গোস্বামী

হৰিপুৰ সত্ৰ (পাঠশালা)

দ্বিতীয় প্ৰকাশ বহাগ, ১৯০৮ শকাব্দ

মূল্য ১৫ টকা, পৃষ্ঠা ২২৪

প্ৰকাশক : বৰহৰি সত্ৰ, পো. আ বৰহৰি হাট, বৰপেটা।

"মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ" নামৰ চৰিতখনি শংকৰদেৱৰ ভাৰেক বনগঞা গীৰিয়ে ৰচনা। এই চৰিতখনিত হৰিদেৱৰ জীৱন কথা, দৰ্শন, ধৰ্মমতৰ বিষয়ে আছে।

"বনগঞাগীৰিয়ে ১৪০০ শকত সানেৰীলৈ আহি তাত কিছুদিন থকাৰ পাছত হৰিদেৱৰ পৰা দীক্ষা লয় আৰু গুৰুজনাৰ মৃত্যু পৰ্য্যন্ত সংগে সংগে থাকে। হৰিদেৱৰ প্ৰধান শিষ্য বয়োজ্যেষ্ঠ উদাৰ গোবিন্দৰ পৰা বনগঞাগীৰিয়ে হৰিদেৱৰ জন্মৰ পৰা ১৪০৩ শকলৈ হোৱা সকলো কথা জানি লৈছিল। গতিকে বনগঞা-গীৰিয়ে লিখা এই হৰিদেৱ চৰিতখন বেছি প্ৰামাণিক বিশ্বাসযোগ্য আৰু গ্ৰহণযোগ্য গ্ৰন্থ"[১]

বনগঞাগীৰিয়ে চৰিতখনি আৰম্ভ কৰাৰ আগতে, "ওঁ নমো গণেশায়। শ্ৰীকৃষ্ণায় নমঃ।" বুলি আৰম্ভ কৰিছে। (পৃষ্ঠা ৯) স্তুতি আৰম্ভ কৰোঁতে প্ৰথমতে ৰাম কৃষ্ণক, তাৰ পাচত বিঘ্ননাশক গণেশ আৰু শেষত বাগ্বাদিনী সৰস্বতী দেৱীক প্ৰণাম জনাইছে। (পৃষ্ঠা ১)

চৰিতকথা লিখিবলৈ লৈ, "প্ৰথমতে গুৰুক প্ৰণামো সত্তবাৰ। যাৰ উপদেশে অন্ধকাৰ ভৈলা দুৰ।" (পৃষ্ঠা ১) বুলি হৰিদেৱক প্ৰণাম কৰিছে।

চৰিতখনিত আৰম্ভণীতেই বনগঞাগীৰিয়ে শংকৰদেৱ হৰিদেৱৰ ওচৰলৈ অহাৰ কথা উল্লেখ কৰিছে, তাকো হৰিদেৱৰ পৰা ভাগৱত শুনিবৰ কাৰণে,

"মোৰ জ্যেষ্ঠ ভাই সিটো মহাজ্ঞানি বড়।
দেৱ দ্বিজ ভক্ত সিতো সৰ্ব্বত নিপুণ।

১ বনগঞা গীৰি, মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ, বহাগ, ১৯০৮ শকাব্দ, দ্বিতীয় তাঙৰণ, পাতনি, পৃষ্ঠা ৰ।

হৰিদেৱে গুৰু পাৱে দিলা দৰিশন ।
ভক্তিভাৱে শংকৰে কৰিলা নমস্কাৰ ।" (পৃষ্ঠা ৩)

হৰিদেৱে কি কাৰণে তেওঁৰ ওচৰলৈ শংকৰদেৱৰ আহিলে বোলাত,

"ভাগৱত শুনিবাক মোৰ ইচ্ছা আই ।
তেহিসে কাৰণে আখিলহু তযু ঠাই ॥" (পৃষ্ঠা ৪)

তাৰোপৰি কি নিয়মে ভাগৱত পাঠ কৰিব লাগিব তাৰ কথা সোধাতো হৰিদেৱে নানা দিহা দি লগতে কৈছিল,

"নাৰায়ণ গণেশ দিনেশ শিব শিবা ।
ভক্তি ভাৱে পূজিবাহা পঞ্চই দেৱতা ॥
পিতৃ শ্ৰাদ্ধ তৰ্পণাদি কৰিবা সাদৰে ।
ভাগৱত পূজা কৰিবাহা তাৰ পৰে ॥" (পৃষ্ঠা ৫)

ব্ৰাহ্মণৰ মুখে ভাগৱত পাঠ কৰাবলৈ কৈছিল, সাতদিন ভাগৱত শ্ৰৱণ কৰিবলৈ কৈছিল । শংকৰদেৱ হৰিদেৱৰ বাণীত আনন্দিত হৈছিল, আৰু

"পান যে তাম্বুল হাতোত লইয়া
গুৰুৰ আগে দিলন্ত ॥
শুনা হৰিদেৱ নিমন্ত্ৰণ মই
কৰিলু তোমাক আজি ॥" (পৃষ্ঠা ৬)

বুলি শংকৰদেৱতকৈ বয়সত জ্যেষ্ঠ আৰু জ্ঞানতো অধিক বুলি সাত দিন ভাগৱত পাঠ কৰিবৰ কাৰণে শংকৰদেৱে হৰিদেৱক নিমন্ত্ৰণ কৰাৰ কথা চৰিতপুথিত লিখিছে ।

সত্ৰৰ পত্তিকাত কাশীধামৰ ৰজাই মহাবিষ্ণু যজ্ঞ কৰাইছিল । কান্যকুব্জৰ পৰা নৰোত্তম বেদাচাৰ্য্যক যজ্ঞ কৰিবৰ কাৰণে নিমন্ত্ৰণ কৰি নিছিল । এই যজ্ঞলৈ কামৰূপৰ পৰা ভাস্কৰ বৰ্মাও গৈছিল । ভাস্কৰ বৰ্মাই হাতযোৰ কৰি যজ্ঞ ভূমিত গোট খোৱা পণ্ডিত মণ্ডলিক নিবেদন কৰিছিল যে তেওঁ কামৰূপৰ অধিপতি, পণ্ডিত বিচাৰি কাশীধামলৈ গৈছে । কাৰণ,

"আমাৰ দেশত নাহি পণ্ডিত সমাজ ।
পণ্ডিত বিহনে মই বৰ পাও লাজ ॥" (পৃষ্ঠা ১০)

কামৰূপলৈ কাশ্যপ বংশজ নৰোত্তম দ্বিজ আহিবলৈ সন্মত হৈছিল, "কামৰূপ দেশে যাইবো তোমাৰ কাৰণ।" (পৃষ্ঠা ১১) বুলি। এই নৰোত্তম দ্বিজকেই হৰিদেৱৰ উপৰিপুৰুষ বুলিছে।

কামৰূপৰ অশ্বক্লান্তত নৰোত্তম পণ্ডিতক ভাস্কৰ বৰ্ম্মণে পঢ়াশালি পাতি দিয়াৰ কথাও উল্লেখ আছে। (পৃষ্ঠা ১১) কিন্তু নৰোত্তম পণ্ডিতে অষ্টাদশ বৰ্ষ পঢ়াশালি পাতি অশ্বক্লান্তত থকাৰ পাচত সকলোৰে পৰা বিদায় লৈ বৃন্দাবনত বাস কৰিবলৈ যোৱাৰ কথাও উল্লেখ কৰিছে।

হৰিদেৱৰ উপৰি পুৰুষৰে এজন শ্ৰীপুৰুষোত্তমে ৰত্নমালা ব্যাকৰণ লিখাৰ কথাও উল্লেখ আছে।

"পদ্মনাভ পুত্ৰ ভৈলা শ্ৰীপুৰুষোত্তম।
ৰত্নমালা ব্যাকৰণ কৰে সেহি জন॥" (পৃষ্ঠা ১৮)

কিন্তু তেওঁ কোচবেহাৰলৈ গুচি যোৱাৰ কাৰণে,

"ৰাজ আজ্ঞা মতে ৰত্নমালা প্ৰকাশিত।
আজিও আচন্ত সেহিস্থানে শিষ্টোজন॥" (পৃষ্ঠা ১৮)

চৰিতখনিত আদিৰ পৰা অন্তলৈকে 'স' ৰোৰ 'খ' ৰূপত ব্যৱহাৰ কৰিছে, উপদেখে (পৃষ্ঠা ১০), আখিলা (পৃষ্ঠা ১৩), আখে, আখিয়া (পৃষ্ঠা ১৪), বাখিলন্ত (পৃষ্ঠা ২৪) ইত্যাদি।

চৰিতখনিত অলৌকিক ঘটনাৰ প্ৰচুৰ উল্লেখ আছে। স্বয়ং কৃষ্ণই হৰিদেৱৰ লগত লখিন্দ কৰাৰ কথাও আছে। (পৃষ্ঠা ২৯-৩০, ৩৫-৩৮)

চৰিতখনিত 'ৰাভুল' শব্দটো 'লাতুল' বুলি ব্যৱহাৰ কৰিছে। (পৃষ্ঠা ৩১ ৩৭, ৩৮ ইত্যাদি)

হৰিদেৱে তীৰ্থলৈ গোবিন্দ আৰু ভনীয়েক সুভদ্ৰাৰ লৈতে ভেলতে যোৱাৰ কথা বৰ্ণনা কৰিছে।

"ওঁ নমো গণেশায় কৰা বিঘ্ননাশ।" (পৃষ্ঠা ৩৪)

বুলি ভেলত উঠাৰ আগতে বিধিনিৰ নাশক বুলি বিশ্বাস কৰা গণেশ দেৱতাক স্তুতি কৰিছে,

"তোমাৰ চৰণ যাতে পাও দৰিখন।" (পৃষ্ঠা ৩৪) বুলি।

ভাবিলেও আচৰিত লাগে ছমাহ বাট হৰিদেৱৰ ভনীয়েক আৰু গোবিন্দৰ লগত তেওঁৰ ওপৰতে গৈ তীৰ্থ ভ্ৰমণ কৰিছিল। কোনোবা দৈৱ শক্তিয়ে সহায় কৰাৰ কথা কিন্তু উল্লেখ কৰিছে।

তেওঁত গৈ থাকোতেই নাবালিকা সুভদ্ৰাই হাজোৰ ঘাঘৰা ঘাটৰ পৰা যোৱা বৃদ্ধ দ্বিজক বিয়া কৰাবলৈ বিচৰা কথাটোও আচৰিত যেন লাগে,

"মোক বিয়া দিয়া দাদা ইহঁৰ লগত।
ইহাৰ চৰণ সেৱা কৰিবো সতত॥" (পৃষ্ঠা ১০৫)

বৃদ্ধ দ্বিজেও সুভদ্ৰাক কৈছিল, "তোমাক বিয়া কৰাইবো জগন্নাথ পুৰী।" (পৃষ্ঠা ১০৬)

চৰিতপুথিত অলৌকিক ঘটনাৰ প্ৰচুৰ প্ৰভাৱ। আৰম্ভৰ পৰা শেষলৈকে হৰিদেৱৰ জীৱনত ঘটা নানা অলৌকিক ঘটনাৰ বিৱৰণ দিছে। (পৃষ্ঠা ১৫ ১৯ ২৬ ৩০, ৩৫, ৩৮, ৫৯, ৬১, ৬৬, ৭৩, ৭৭ ৮৭, ৮৮, ৯১, ১০১ ১০৭, ১১০ ১১২-১৪, ১১৭-১৯, ১২১, ১২৮, ১৩৯, ১৬১, ১৫৩, ৫৫ ১৫৯, ১৭৫)

জগন্নাথ মন্দিৰত বিশিষ্ট লোক নগৰ গাৱঁৰ নাম লিখাৰ প্ৰথা আছিল সেই কথা জনা যায়। পাচ বছৰৰ জগন্নাথত হৰিদেৱে ভাগৱত পাঠ কৰাৰ অন্তত যেতিয়া আহিবলৈ ওলায়, তেতিয়া পাণ্ডাসকলে,

"শুনা হৰিদেৱ বাপ কি গ্ৰাম তোমাৰ।
লিখিবু মন্দিৰে তোমাৰ গ্ৰাম নাম সব।
তেৰসত সৱৰ সকোত ভাগৱত।
আৰম্ভ কৰিলা তুমি এহি মণ্ডিবোত॥" (পৃষ্ঠা ১৬০)

ইয়াৰ পাচত কাৰিকৰ আনি মন্দিৰৰ ভিতৰত প্ৰভু জগন্নাথ কৃষ্ণদেৱৰ সন্মুখত নাম, গ্ৰাম আদি লিখাই থৈছিল। এনে ধৰণৰ কথা আন কোনো চৰিতত পোৱা যোৱা নাই।

নৱদ্বীপৰ লগত কামৰূপৰ মানুহৰ যাতায়াত আছিল সেই কথা জনা যায়। হৰিদেৱৰ ভ্ৰাতৃ পুৰুষোত্তমে নৱদ্বীপত নানা শাস্ত্ৰ অধ্যয়ন কৰিছিল। তায়েক হৰিদেৱকো নৱদ্বীপ লৈ তায়েকৰ টোলাতুলসিৰিবেই লৈ গৈছিল। ইয়াৰোপৰি নৱদ্বীপৰ লগত আৰু যোগাযোগ থকাৰ কথা জনা যায়। (পৃষ্ঠা ১১০-১৩, ১১৬, ২০১, ২০৪)

হৰিদেৱে সংসদি সত্ৰ স্থাপন কৰাৰ কথাও চৰিতখনিত আছে। হৰিৰ মন্দিৰ, দৌল, নামঘৰ আদি সজাই ভকতসকলৰ লগত তিনিবেলা তিনি প্ৰসঙ্গ কৰিছিল, মূল ভাগৱত ব্যাখ্যা ও তিনি প্ৰসঙ্গতে কৰিছিল। তাৰোপৰি,

"পঞ্চ প্ৰদীপ পঞ্চ স্থানে কৰিয়া স্থাপন।
অখণ্ড প্ৰদীপ ৰাখে বিগ্ৰহৰ স্থান ॥" (পৃষ্ঠা ১৭০)

শ্ৰৱণ আৰু কীৰ্ত্তনৰ যোগেদি ভক্তি ধৰ্ম কামৰূপতেই পোন প্ৰথম স্থাপন কৰিলে বুলি উল্লেখ আছে। হৰিদেৱে স্থাপন কৰা সত্ৰখনকেই,

"এহিসে প্ৰথম জ্যেষ্ঠ সত্ৰ জানা যাৱ।
গুৰুদেৱে ৰাখে নাম বহড়ি যাহাৱ ॥" (পৃষ্ঠা ১৭১)

এই কাম, "দেৱশত পচত্তৰ শকৰ মধ্যত" (পৃষ্ঠা ১৭১) কৰা বুলিছে। কথাটো মন কৰিব লগীয়া আৰু লেখিছে শংকৰদেৱৰ ভায়েক বনগঞ্জাগীৰিয়ে।

হৰিদেৱে বহবিত সত্ৰ স্থাপন কৰি তুবছৰ পাৰ কৰাৰ পাচত, "বাস কৰিবাক মন লৌহিত্য পাৰোত।" (পৃষ্ঠা ১৭২) বুলি ভকতসকলক উপদেশ দিছে,

"কলিতা সৌত্ৰিক মধ্যে জাতি ভেদ এৰি।
একেলগে চলিবাহা মোক আজ্ঞা পালি ॥
বিবাহাদি নিজ নিজ জাতিত চলিবা।
ভোজনাদি কৰ্ম্ম সব একত্ৰে চলিবা ॥' (পৃষ্ঠা ১৭২)

কথাখিনি মনকৰিব লগীয়া।

চৰিতখনিত হৰিদেৱৰ স্থান শংকৰদেৱতকৈ ওপৰত বুলি দেখুৱাবলৈ চেষ্টা কৰা যেন লাগে। "গুৰুপদে নমস্কাৰ কৰিয়া শংকৰ," (পৃষ্ঠা ১৭৪) হৰিদেৱক ভাগৱত পাঠ কৰিবলৈ নিমন্ত্ৰণ, ভাগৱত পাঠত যোগ দিবলৈ অহা দামোদৰদেৱ আৰু আন বিদকল ভকত আছিল,

"পদটোত ~বি বসিতে সবাকো
শংকৰে দিলা আসন।" (পৃষ্ঠা ১৭৭)

"পৰে হৰি ধ্বনি কৰে গুৰুদেৱ
শংকৰে কৰই সেৱা।" (পৃষ্ঠা ১৭৮)

আদিৰ পৰা হৰিদেৱক শংকৰদেৱতকৈ উচ্চ স্থানত ৰখাৰ চেষ্টা কৰা যেন লাগে। আনকি শংকৰদেৱে হৰিদেৱৰ ওচৰত সষ্টাঙ্গে প্ৰণিপাত কৰা বুলি লিখিছে।

"দশ গোটা ৰূপৎ মুদ্ৰা আনি দিয়া
সপ্তাঙ্গে কৰি প্ৰণাম।
হে বেদাচাৰ্য্য গ্ৰহণ কৰিয়োঁ
তুমি হৰি গুণ ধাম ॥" (পৃষ্ঠা ১৭৮)

কথাটো তাৎপৰ্য্যপূৰ্ণ। শংকৰদেৱৰ মুখেই হৰিদেৱক

"নহই মানুষ বেদাচাৰ্য্য দেৱ
স্বয়ং কৃষ্ণ নাৰায়ণ।" (পৃষ্ঠা ১৭৯)

বুলিও কোৱাইছে। ইয়ানেই নহয় শংকৰদেৱে হাত যোৰ কৰি হৰিদেৱক শংকৰ-দেৱৰ ভাৰ্য্যাক দীক্ষা নাম দিবৰ কাৰণে খাতনি ধৰাৰ কথাও লিখিছে। তাকো লিখিছে শংকৰদেৱৰ ভায়েক বনগঞাগিৰি বিয়ে।

শংকৰদেৱৰ ভাৰ্য্যাক হৰিদেৱে প্ৰথমতে দীক্ষা, তাৰ পাচত শৰণ, ভজন শিকাইছিল, সম নিয়ম, দৰ্শনাদি শিক্ষাও দিছিল,

"শংকৰে আসিয়া ধনবস্ত্ৰ লৈয়া
গুৰুৰ আগত দিয়া।
ভাৰ্য্যায়ে সহিতে সেৱা ভক্তি কৰি
গুৰুক বিদায় দিলা ॥' (পৃষ্ঠা ১৮১)

হৰিদেৱে নিজেই অকল সংসদি সত্ৰ স্থাপন কৰিছিল এনে নহয়, বহুতকো আদেশ দিছিল, উজনিলৈ সৈ সংসদি সত্ৰ স্থাপনৰ কাৰণে। (পৃষ্ঠা ১৮৯) নাৰায়ণকো আদেশ দিছিল মুত্তা গ্ৰামত সংসদি সত্ৰ স্থাপনৰ কাৰণে। (পৃষ্ঠা ১৮৯) আৰু গোপীনাথক বাঁহকুচি গ্ৰামত সংসদি সত্ৰ স্থাপন কৰিবলৈ আদেশ দিছিল। (পৃষ্ঠা ১৯০)

নবদ্বীপলৈ যোৱাৰ পথত হৰিদেৱে শংকৰ মহন্তক লগ পাইছিল। শংকৰ মহন্তয়ো, "চলা জাতি একসঙ্গে চৈতন্যৰ ঠাই।" (পৃষ্ঠা ১৯৩) বুলি সৈ শংকৰদেৱ, হৰিদেৱ আৰু হৰিদেৱৰ ককায়েক চৈতন্যৰ মন্দিৰৰ দুৱাৰত উপস্থিত হৈছিলগৈ বুলি চৰিতকাৰে লিখিছে। দুয়ো কাৰবাৰ পৰা কাৰত এজন আৰু ব্ৰাহ্মণ তিনিজন আহা বুলি চৈতন্যদেৱক খবৰ দিলত, "দ্বাৰ এৰি ব্ৰাহ্মণ আনিও যত পাৰ ॥" (পৃষ্ঠা ১৯৪) বুলি কোৱাত হৰিদেৱে, "কি কাৰণে মহন্ত আইতে দিয়েছিল" (পৃষ্ঠা

১৯৪) বুলি ভাবি বাহিৰত শংকৰদেৱক অকলে এৰি যাবলৈ বেয়া পোৱাত গোবিন্দকো লগতে থৈ গৈছিল।

শংকৰদেৱে চৈতন্যদেৱৰ পৰা দীক্ষা, নাম শুনিবলৈ অহা বুলি চৈতন্যদেৱক হৰিদেৱে কোৱাত,

'শংকৰক শুনাইবাহা মূল ভাগৱত।
দিক্ষা নাম লিখি দিলে ৰামৰায়োৰ হাতত॥
পঠে নাচাইবাহা দিবা শংকৰদেৱৰ হাতে।' (পৃষ্ঠা ১৯৫)

বুলিছিল। পত্র খোলা দেখি শংকৰে গ্রহণ কৰা নাছিল।

এই ঘটনাৰ শংকৰ মহন্ত যদি শংকৰদেৱেই হয় তেন্তে শংকৰদেৱক চৈতন্যদেৱে অৱজ্ঞা কৰা, হৰিদেৱৰ লগত সাক্ষাৎ কৰা কথাই হৰিদেৱৰ প্রাধান্যহে প্রকাশ হৈছে। প্রকৃততে এই ঘটনা ঘটিছিল নে ?

হৰিদেৱৰ সময়, কোচবিহাৰৰ মল্লদেৱ ৰজাৰ সময় বুলি ধৰিব পাৰি। জীৱনৰ ভাটি সময়ত ককায়েক পুৰুষোত্তমে হৰিদেৱৰ পৰা বিদায় লবলৈ আহি

"মল্লদেৱ ৰজা আছে কোচ বিহাৰোৰ॥
সভাৰ পণ্ডিত হন্তে মহোৰ কাৰণ।
লোক সহ হস্তি পঠাইচে সমতণে॥" (পৃষ্ঠা ১৯৮)

বুলি কৈছিল। হৰিদেৱৰ গুণগান গম পাই ৰজাই হৰিদেৱক নিবৰ কাৰণে পুৰুষোত্তমক পঠাইছিল। দুয়ো ককাই ভাই গৈ পালত ৰজাই আদৰ সাদৰ কৰি,

"আমাক কৰিয়া সুখ দিয়া দিক্ষা দান।
এহিসে গোচৰ মোৰ তোমাৰ চৰণ॥" (পৃষ্ঠা ২০০)

বুলি হৰিদেৱৰ ওচৰত গুৰু মানি শৰণ লৈছিল। কোচবিহাৰৰ পৰা হৰিদেৱে নবদ্বীপলৈ যাবলৈ ৰজাৰ পৰা বিদায় লোৱাত ৰজাই,

"পুৰাণ পাদুকা খুৰি দিয়া আপোনাৰ।
নতুন পাদুকা লেও কৰা পৰিধান॥" (পৃষ্ঠা ২০২)

বুলি কওঁতে ৰজাই দিয়া নতুন পাদুকা যোৰ পিন্ধি পুৰণা পাদুকা যোৰ খুলি দিছিল। ৰজাই সেই "পাদুকা চৰণ পূজা কৰিবো সদাই।" (পৃষ্ঠা ২০২) বুলি গ্রহণ কৰিছিল।

'মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ চৰিতখনি হৰিদেৱৰ জীৱন কথাতে সীমাবদ্ধ আছে। হৰিদেৱৰ জীৱনৰ কথাৰ লগত জড়িত ঘটনা আৰু ব্যক্তিসকলৰ বিষয়েহে উল্লেখ আছে। হৰিদেৱৰ জীৱন অৱসানৰ লগে লগে চৰিতখনিও সামৰণি মাৰিছে। চৰিত লেখকে উল্লেখ কৰিছে,

"সংক্ষেপে লিখিলুঁ মই মতি অনুসাৰে।
কিছু কথা বাদ দিচো বাহুল্যৰ ডৰে॥" (পৃষ্ঠা ২২৪) নূলি।

মুঠতে ৰনগঞাগীবিয়ে চৰিতখনিত অনেক মনত প্ৰশ্নৰ উদয় কৰা ঘটনাৰ সন্নিৱেশ কৰিছে। বিশেষকৈ শংকৰদেৱৰ তাৰেক ৰনগঞাগীবিয়ে শংকৰদেৱৰ জীৱন কথাতকৈ হৰিদেৱৰ জীৱনকথা, জীৱনক শ্ৰেষ্ঠ কৰি দেখুৱাবলৈ চেষ্টা কৰা যেন লাগিল।